

কানেয়ান



ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ
সপ্তসপ্ততি সংখ্যক বার্ষিক মুখপত্র, ২০২৩-২৪ বর্ষ

সম্পাদক
নয়নজ্যোতি কুর্মি

About the Cover Page



The moonlight bathes the college campus, casting long shadows that dance with the rhythm of student life. Within these shadows, we find the artist, their soul ignited by the muse, their brush a weapon against the mundane. We find the warrior, their spirit tempered by challenges, ever ready to face the unknown. And we find the leader, their vision guiding the way, inspiring others to reach for greatness. In this serene glow, amidst the hustle and bustle, we discover the true essence of our college – a harmonious blend of creativity, courage, and compassion. For it is in this quietude that we find the strength to rise above, to innovate, and to lead, illuminating the path towards a brighter future.


As the moon casts its ethereal glow, illuminating the soul with its tranquil radiance, let us embrace the warrior spirit within. Like the artist, we must channel our passion and toil relentlessly to translate our vision into reality. For in the quietude of the night, amidst the dust of everyday life, lies the spark of creativity and the strength to rise above every fall. Leadership, like the moon's gentle yet unwavering light, guides us towards our destiny, reminding us that even in the darkest of times, hope prevails.



दच्यते ।

ष्यते ॥

: ॥



ড° প্ৰণৱজ্যোতি ডেকা, বিশিষ্ট সাহিত্যিক
(১৯৩৯- ৬ এপ্ৰিল, ২০২৪)



ভূপেন উজীৰ, সংগীত পৰিচালক
(১৯৫৩- ৯ জানুৱাৰী, ২০২৪)



ৰূপালীম ঠাকুৰ, প্ৰাধ্যাপক অসমীয়া বিভাগ,
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়
(১৯৬৮-১১ মে', ২০২৪)



S.K. College, A.C.C.
Estd-1945
Dibrugarh, Assam

৭৭

সংখ্যা

কানৈয়ান

ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বার্ষিক আলোচনী

সম্পাদক

নয়নজ্যোতি কুৰ্মি

২০২৩-২৪ বর্ষ

মহাবিদ্যালয়ৰ সোণালী ইতিহাসৰ ঐতিহ্যবাহক। নিজা বৈশিষ্ট্যৰে পৰিপূর্ণ তথা ছাত্র-ছাত্রীৰ পৰিকল্পনাৰে প্রস্তুত। নৱ-প্রজন্মৰ সৃষ্টিশীলতাৰ বাবে এক বৌদ্ধিক মঞ্চ। অধ্যক্ষ মহোদয়ৰ লেখাৰ বাহিৰে প্রকাশিত সকলো লেখা ছাত্র-ছাত্রীৰ সৃষ্টি। য'ত প্রকাশ হৈছে নতুন চিন্তা, নৱজাগৰণৰ মনোভাৰ আৰু নিভাঁজ মানৱীয় অনুভূতি।

Kanoian

Dibrugarh Hanumanbox Surajmall Kanoi College Students' Union's annual magazine, edited by Nayanjyoti Kurmi. Printed at Mahabahu Offset Press, Near D.C. Office, Dibrugarh-03, 77th Issue, 2023-24.

স ম্পা দ না স মি তি

ড° শশীকান্ত শইকীয়া, মুখ্য উপদেষ্টা	Dr. Sashikanta Saikia, Chief Advisor
ড° প্রিয়দেৱ গোস্বামী, উপদেষ্টা	Dr. Priyadev Goswami, Advisor
ড° মৃদুল শর্মা, উপদেষ্টা	Dr. Mridul Sarmah, Advisor
ড° মন্মী বৰুৱা, তত্ত্বাৱধায়ক	Dr. Monmi Baruah, Prof. Inchage
শ্রীযুতা অদিতি কোঁৱৰ গগৈ, উপদেষ্টা	Mrs. Aditi Konwar Gogoi, Advisor
ড° সুনন্দা চাহু, উপদেষ্টা	Dr. Sunanda Sahu, Advisor
শ্রীযুত প্রতাপ সেনাপতি, উপদেষ্টা	Mr. Pratap Senapoti, Advisor
নয়নজ্যোতি কুৰ্মি, সম্পাদক	Nayanjyoti Kurmi, Editor

প্রকাশক ঃ ডিব্রুগড় হনুমানবক্স সুৱজমল কানৈ মহাবিদালয়, ছাত্র একতা সভা ২০২৩-২৪ বর্ষ

বেটুপাত ঃ পংকজ দেৱনাথ

ডি.টি.পি. ঃ মমী ফুকন

মুদ্রণ ঃ মহাবাহু অফ্‌ছেট প্রেছ, চৌকিডিঙ্গি, ডিব্রুগড়-০৩।

দূৱভাষ ঃ ৯৪৩৫০ ৫১৫৪৭, ৯৭০৬১৬৩৬৪৮

(আলোচনীখনত ব্যৱহাৰ কৰা স্কেট্‌ছসমূহ ইণ্টাৰনেটৰ পৰা সংগ্ৰহ কৰা হৈছে)

উছৰ্গা

কানৈয়ান উছৰ্গা কৰা হ'ল প্রতিজন সেউজীয়া মানুহৰ
পৃথিৱীক শান্তিৰ সুৱেৰে, কৰুণাৰ ফুলেৰে, সপোনৰ পোহৰেৰে
যুদ্ধৰ বিভীষিকাত প্রাণ হেৰুওৱা প্রত্যেক নিৰীহ নৰ-নাৰী, নিষ্পা
চিৰ-শান্তিৰ কামনাৰে তেওঁলোকৰ পৱিত্র আত্মাৰ ওচৰত কানৈয়া
নিজৰ সমগ্র জীৱন মানুহক উপহাৰ দিয়া, মানৱতাৰ বাবে নিৰন্তৰ
পোহৰ প্রয়াসীসকলৰ বাবে কানৈয়ান উছৰ্গা কৰি

—সমূহ কানৈয়ান



Kanoian

Dibrugarh Hanumanbox Surajmall Kanoi College Students' Union's annual magazine, edited by Nayanjyoti Kurmi. Printed at Mahabahu Offset Press, Near D.C. Office, Dibrugarh-03,
77th Issue, 2023-24.

স ম্পা দ না স মি তি

ড° শশীকান্ত শইকীয়া, মুখ্য উপদেষ্টা	Dr. Sashikanta Saikia, Chief Advisor
ড° প্রিয়দেৱ গোস্বামী, উপদেষ্টা	Dr. Priyadev Goswami, Advisor
ড° মৃদুল শর্মা, উপদেষ্টা	Dr. Mridul Sarmah, Advisor
ড° মন্মী বৰুৱা, তত্ত্বাৱধায়ক	Dr. Monmi Baruah, Prof. Inchage
শ্রীযুতা অদিতি কোঁৱৰ গগৈ, উপদেষ্টা	Mrs. Aditi Konwar Gogoi, Advisor
ড° সুনন্দা চাহু, উপদেষ্টা	Dr. Sunanda Sahu, Advisor
শ্রীযুত প্রতাপ সেনাপতি, উপদেষ্টা	Mr. Pratap Senapoti, Advisor
নয়নজ্যোতি কুর্মি, সম্পাদক	Nayanjyoti Kurmi, Editor

প্রকাশক ঃ ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদালয়, ছাত্র একতা সভা ২০২৩-২৪ বর্ষ
বেটুপাত ঃ পংকজ দেৱনাথ
ডি.টি.পি. ঃ মমী ফুকন
মুদ্রণ ঃ মহাবাহু অফ্‌ছেট প্রেছ, চৌকিডিঙ্গি, ডিব্রুগড়-০৩।
দূৰভাষ ঃ ৯৪৩৫০ ৫১৫৪৭, ৯৭০৬১৬৩৬৪৮

(আলোচনীখনত ব্যৱহাৰ কৰা স্কেট্‌ছসমূহ ইণ্টাৰনেটৰ পৰা সংগ্রহ কৰা হৈছে)

উছর্গা

কানৈয়ান উছর্গা কৰা হ'ল প্রতিজন সেউজীয়া মানুহৰ হাতত যিয়ে
পৃথিৱীক শান্তিৰ সুৱেৰে, কৰুণাৰ ফুলেৰে, সপোনৰ পোহৰেৰে সজাবলৈ যত্নৰত...
যুদ্ধৰ বিভীষিকাত প্রাণ হেৰুওৱা প্রত্যেক নিৰীহ নৰ-নাৰী, নিষ্পাপ দেৱশিশুৰ আত্মাৰ
চিৰ-শান্তিৰ কামনাৰে তেওঁলোকৰ পৱিত্র আত্মাৰ ওচৰত **কানৈয়ান** উছর্গা কৰা হ'ল...
নিজৰ সমগ্র জীৱন মানুহক উপহাৰ দিয়া, মানৱতাৰ বাবে নিৰন্তৰ নীৰৱ সাধনাত ব্রতী
পোহৰ প্রয়াসীসকলৰ বাবে কানৈয়ান উছর্গা কৰিলোঁ।

—সমূহ কানৈয়ান

ডিব্রুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ উপলক্ষ্যে
ডিব্রুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত

আন্তঃমহাবিদ্যালয় আলোচনী প্রতিযোগিতা

প্রশংসা পত্র

ডিব্রুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২২-২৩ত উদ্যোগত ডিব্রুগড় বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা

আন্তঃ মহাবিদ্যালয় আলোচনী প্রতিযোগিতাত শ্রেষ্ঠ সম্পাদকীয় প্রতিযোগিতাত শ্রেষ্ঠ বটা

প্রাপ্ত কানেয়ান ৰ

সম্পাদক লক্ষ্মীপ্রিয়া কলিতা ক এই মানপত্র প্রদান কৰা হ'ল।

চৈয়দ ৰোহিত ৰহমান
সভাপতি

অর্চিতা গোস্বামী
আলোচনী সম্পাদক

হিমাংশু শংকৰ গগৈ
সাধাৰণ সম্পাদক

ডিব্রুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২৩-২৪ বর্ষ

ডিব্রুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ উপলক্ষ্যে
ডিব্রুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত

আন্তঃমহাবিদ্যালয় আলোচনী প্রতিযোগিতা

প্রশংসা পত্র

ডিব্রুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২২-২৩ত উদ্যোগত ডিব্রুগড় বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা

আন্তঃ মহাবিদ্যালয় আলোচনী প্রতিযোগিতাত শ্রেষ্ঠ স্থান প্রাপ্ত ডিব্রুগড় বনুমানবস্ত্র মুৱলগমল কানেয়ান মহাবিদ্যালয়

ক এই মানপত্র প্রদান কৰা হ'ল।

চৈয়দ ৰোহিত ৰহমান
সভাপতি

অর্চিতা গোস্বামী
আলোচনী সম্পাদক

হিমাংশু শংকৰ গগৈ
সাধাৰণ সম্পাদক

ডিব্রুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২৩-২৪ বর্ষ



অধ্যক্ষৰ মেজৰ পৰা...

ডঃ শশীকান্ত শইকীয়া

চাওঁতে চাওঁতে ডি.এইচ.এছ কানৈ মহাবিদ্যালয়ে চাৰিকুৰি বর্ষ অতিক্রম কৰিলে। এই চাৰিকুৰি বর্ষৰ উত্থান-পতনৰ, ঘাত-প্রতিঘাতৰ সাক্ষী হৈ আছে কানৈ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা জড়িত হৈ অহা অধ্যাপক-অধ্যাপিকা, কর্মচাৰী আৰু শিক্ষার্থীসকল। ২০১৫ চনৰ ১৯ জুনত মহাবিদ্যালয়খনত অধ্যক্ষ হিচাপে যোগদান কৰি মহাবিদ্যালয়খনক পৃথিৱীৰ চুকে-কোণে জনপ্রিয় কৰি তোলাৰ বাবে অহৰহ প্রচেষ্টা চলোৱা হৈছিল। ইয়াৰ অংশ হিচাপে তেত্রিশখনৰো অধিক ৰেবনাৰৰ যোগেদি মহাবিদ্যালয়খনৰ কাম-কাজ প্রচাৰ চলোৱা হৈছিল। বোধকৰো ই এক মাইলৰ খুঁটি হৈ ৰ'ব। অন্যান্য দিশসমূহৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক, নৈতিক, আধ্যাত্মিক, প্রযুক্তি, আন্তঃগাঁথনি আদি দিশসমূহৰ ওপৰতো ভালদৰে গুৰুত্ব দিয়া হৈছিল। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত মহাবিদ্যালয়খনে এই সময়ছোৱাৰ ভিতৰত দুবাৰকৈ শ্রেষ্ঠ স্নাতকৰ সন্মান লাভ কৰাৰ লগতে সুন্দৰ ফলাফল লাভ কৰি মহাবিদ্যালয়খনক শৈক্ষিক দিশত পৰিৱর্তন আনিবলৈ সক্ষম হৈছিলো। মহাবিদ্যালয়খনত পুৱা ৬.০০ বজাৰ পৰা দৈনিক যোগ প্রশিক্ষণ প্রদান কৰা হয়। পুৱা ৪.৩০ বজাৰ পৰা মহাবিদ্যালয় চৌহদ গ্রীণ ক্লাৱৰ যোগেদি পৰিষ্কাৰ কৰি আমূল পৰিৱর্তন অনাৰ প্রয়াস চলাই থকা হৈছে। কেন্দ্রীয় চৰকাৰে মহাবিদ্যালয়খনক ধূমপান মুক্ত মহাবিদ্যালয়, স্বচ্ছ মহাবিদ্যালয় আদি ঘোষণা কৰাত নিশ্চিতভাৱে এক ইতিহাস সৃষ্টি হৈছে। বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানেও মহাবিদ্যালয়খনক পৰিষ্কাৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি বোধকৰো এশ শতাংশই পৰিৱর্তন হৈছে। সকলো বিভাগ, শ্রেণীকোঠা, পৰীক্ষাগাৰৰ উন্নতি কৰা হ'ল। প্রযুক্তিৰ যোগেদি অনলাইন মাধ্যমে ছাত্র একতা সভাৰ নির্বাচন, শ্রেণী কোঠাত শিক্ষার্থীৰ উপস্থিতি, নগদবিহীন মহাবিদ্যালয় ৰূপে গঢ়ি তোলাৰ বাবে মহাবিদ্যালয়খন আনতকৈ কিছু পৃথক ৰূপে পৰিচিত কৰাৰ প্রয়াস এতিয়াও চলাই থকা হৈছে। ৰুছাৰ যোগেদি নতুনকৈ ছাত্রী নিবাস নির্মাণ, পুৰণা ছাত্রী নিবাসৰ উন্নতি, বন্ধ হৈ থকা ছাত্রাৱাসৰ নতুনকৈ মেৰামটি কৰি মুকলি কৰা, বন্ধ হৈ থকা কেন্টিন মেৰামটি কৰি মুকলি, খেলপথাৰ নির্মাণ, ডে কেয়াৰ চেণ্টাৰ নতুনকৈ সংযোজন, ছটাকৈ স্নাতকোত্তৰ বিভাগ মুকলি, বি.চি.এ বিভাগ মুকলি, স্নাতক শাখাত সমাজশাস্ত্র, শিক্ষা, মনস্তত্ত্ব বিভাগ মুকলি, গ্রন্থাগাৰৰ ৰূপ সলনি কৰা হ'ল। অলাগতিয়াল কৈ পৰি থকা পুখুৰিটোত হাঁহ পালন, মৎস্য পালন আদিৰ ব্যৱস্থা কৰি ছাত্র-ছাত্রীসকলক বৃত্তিমুখী শিক্ষাৰ এটা ধৰণা দিবলৈ যত্ন কৰা হৈছে। তিনিটাকৈ কম্পিউটাৰ লেবৰেটৰী প্রতিষ্ঠা কৰা হয়। এটি অতিথিশালা নির্মাণ সম্পূর্ণ হৈছে। ইংৰাজী বিভাগৰ বাবে নতুনকৈ ভৱন নির্মাণ কৰা হ'ল। তিনিমহলীয়া বিজ্ঞান আৰু প্রযুক্তি ভৱন নির্মাণ, নতুনকৈ তিনিমহলীয়া গণিত বিভাগৰ ভৱন, বি.চি.এ বিভাগৰ ভৱন, নতুনকৈ পার্কিঙৰ ব্যৱস্থা কৰা হ'ল, মুঠতে মহাবিদ্যালয়খনৰ উন্নয়নৰ দিশত পৰিৱর্তন আনিবলৈ যথেষ্ট চেষ্টা কৰা হৈছে। এটা প্রযুক্তিসম্পন্ন প্রেক্ষাগৃহ নির্মাণৰ বাবেও চৰকাৰৰ পৰা অনুমোদন পোৱা হৈছে। সেয়া নির্মাণৰ কাম সম্প্রতি চলি আছে। ছাত্র-ছাত্রীসকলক শৃংখলা, নিয়মানুৱর্তিতা কি, শিক্ষা দিবলৈ চেষ্টা কৰি থকা হৈছে। তিনিবাৰকৈ ছাত্র-ছাত্রীসকলে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্রহণ কৰি শ্রেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয় সন্মান বুটলি আনিবলৈ সক্ষম হৈছে। যুৱ মহোৎসৱত এবাৰকৈ শ্রেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয় সন্মান লাভ কৰিছে। ছাত্র-ছাত্রীসকলৰ এনে পৰিশ্রমক এই চেগতে কৃতজ্ঞতা জনাইছোঁ। ক্রীড়াৰ ক্ষেত্রত মহাবিদ্যালয়খনে ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত অভূতপূর্ব সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। **'শিক্ষক প্রশিক্ষণ কেন্দ্র'** মুকলি কৰাটো বোধহয় মহাবিদ্যালয়খনৰ বাবে এক ইতিহাস। একেদৰে কেন্দ্রীয় চৰকাৰৰ পৰা **'আই টেপ'** পাঠ্যক্রম মুকলি কৰাটো আন এক সফলতা বুলিব পাৰি। মহাবিদ্যালয়খনে নাকৰ মূল্যায়নত **'এ গ্রেড'** লাভ কৰাতো আচলতে মহাবিদ্যালয়খনৰ পৰিয়ালটোৰ যথেষ্ট কষ্ট আৰু পৰিশ্রমৰ ফল। মহাবিদ্যালয়খনে এনে সফলতা লাভ কৰাৰ বাবে জড়িত হৈ থকা অধ্যাপক-অধ্যাপিকা-কর্মচাৰী-ছাত্র-ছাত্রীক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়খনত অনেক গ্রন্থ, আলোচনী, পত্রিকা প্রকাশ হোৱাতো শুভ লক্ষণ। মহাবিদ্যালয়খনৰ বার্ষিক আলোচনীখন মহাবিদ্যালয়খনৰ বাবে এখন দাপোণস্বৰূপ। এই আলোচনীখন 'কানৈয়ান' এই সংখ্যাৰ ছাত্র একতা সভাৰ তৰফৰ পৰা সম্পাদক নয়নজ্যোতি কুর্মিয়ে সম্পাদনাৰ দায়িত্ব লৈছে। নিশ্চিতভাৱে আলোচনীখন সর্বাঙ্গসুন্দৰ হ'ব আৰু সকলোৰে আশা, আকাংক্ষা পূৰণ কৰিব। এই আশা কৰিলোঁ।



উপাধ্যক্ষৰ মেজৰ পৰা...

প্ৰাক স্বৰাজোত্তৰ কালতে প্ৰতিষ্ঠা লভা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ উজনি অসমৰ অন্যতম উচ্চশিক্ষাৰ প্ৰতিষ্ঠান। প্ৰতিষ্ঠাকালৰে পৰা মহাবিদ্যালয়খনে এই অঞ্চলৰ ৰাইজৰ আশা পূৰণ কৰি সমাজলৈ অলেখ বৰঙণি আগবঢ়াইছে। মহাবিদ্যালয়খনিত অধ্যয়ন কৰা শিক্ষাৰ্থী তথা ইয়াত শিক্ষাদানত বৰ্তি শিক্ষকসকলে জাতি তথা দেশলৈ সুনাম কঢ়িয়াই আনিছে। সংগীত, কলা, বিজ্ঞান, সাহিত্য, ৰাজনীতি সকলো ক্ষেত্ৰতে এই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ অৱদান অতুলনীয়। দেশ মাতৃৰ সেৱাৰ বাবে উৰ্চগীত মহাবিদ্যালয়খনে ৮০ বছৰত ভৰি থৈছেহি। এই যাত্ৰা কালত সকলো দিশৰ পৰা মহাবিদ্যালয়খনি অতি সুন্দৰ ৰূপত উজ্জলি উঠিছে। একৈশটা বিভাগ, ছয়টা বিভাগত স্নাতকোত্তৰ, গৱেষণা তত্ত্বাৱধান কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ স্বীকৃতি আদি সাফল্য আমাৰ সকলোৰে বাবে গৌৰৱৰ বিষয়। মহাবিদ্যালয়খনিৰ আৰম্ভণিৰ পৰাই সাহিত্য-চৰ্চা তথা সময়ৰ খোজত চাপ ৰখাৰ প্ৰচেষ্টা স্বৰূপে **'কানৈয়ান'** প্ৰকাশ হৈ আহিছে। বৰ্তমানৰ আলোচনী সম্পাদকো এইবাৰ আলোচনীখনী সুন্দৰকৈ প্ৰকাশ কৰাৰ দিহা কৰিছে। লিখিত তথ্যহে আমাৰ মাজত থাকি যাব আনবোৰ স্মৃতি কালৰ সোতঁত নাইকিয়া হৈ যায়। মই সম্পাদকক অভিনন্দন জনাইছো, যাতে সুন্দৰ এখন **'কানৈয়ান'** তেওঁ কানৈ মহাবিদ্যালয়ৰ ইতিহাসলৈ আগবঢ়াই যায়। কানৈ মহাবিদ্যালয় অধিক জিলিকি উঠক তাৰে কামনা কৰিলোঁ।

ড° প্ৰিয়দেৱ গোস্বামী
উপাধ্যক্ষ
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

সম্পাদনা সমিতি


কানৈয়ান, ৭৭ সংখ্যা, ২০২৩-২৪ খ্ৰীষ্টাব্দ



ড° শশীকান্ত শইকীয়া
মুখ্য উপদেষ্টা



ড° প্ৰিয়দেৱ গোস্বামী
উপদেষ্টা



ড° মৃদুল শৰ্মা
উপদেষ্টা



ড° মন্মী বৰুৱা
তত্ত্বাৱধায়ক




শ্ৰীযুতা অদিতি কোঁৱৰ গগৈ
উপদেষ্টা



ড° সুনন্দা চাহু
উপদেষ্টা



শ্ৰীযুত প্ৰতাপ সেনাপতি
উপদেষ্টা



নয়নজ্যোতি কুৰ্মি
সম্পাদক

सर्बानंद सोणोवाल
SARBANANDA SONOWAL

सत्यमेव जयते

पत्तन, पोत परिवहन और जलमार्ग मंत्री
भारत सरकार
Minister of Ports, Shipping and Waterways
Government of India



শুভেচ্ছাবাণী

কানৈ মহাবিদ্যালয় মানেই এক ভাল লগা স্মৃতি- মোৰ সোণালী অতীত। কলেজীয়া দিনবোৰৰ কথা মনত পৰিলে আজিও মই নষ্টালজিক হৈ পৰোঁ। কানৈ মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ আশিসভৰা সান্নিধ্য আৰু বন্ধু-বান্ধৱসকলৰ সৈতে কটোৱা সেই সোণালী সময় ৰোমন্থন কৰি মই এতিয়াও আপ্লুত হওঁ। ৭৯ বছৰীয়া সোণালী ইতিহাসেৰে সমৃদ্ধ আপোন মহাবিদ্যালয়খনত আমি যি মূল্যবান শিক্ষা আৰু জীৱনত আগুৱাই যোৱাৰ মূলমন্ত্র লাভ কৰিছিলোঁ, সেই শিক্ষাই আমাক আজিও উদ্বুদ্ধ কৰে। আমাৰ আবেগ, আমাৰ গৌৰৱ আৰু সমাজৰ সর্বতোপ্রকাৰে শৈক্ষিক উন্নয়ন সাধন কৰি অজস্রজনৰ জীৱনক যুগমীয়া কৰি তোলাৰ পথ প্রদর্শক, জ্ঞানৰ এক মন্দিৰ কানৈ মহাবিদ্যালয়। মহাবিদ্যালয়খনৰ এজন প্রাক্তন ছাত্র হিচাপে মই সদায় গৌৰৱবোধ কৰোঁ। মই জানিবলৈ পাই অত্যন্ত সুখী অনুভৱ কৰিছোঁ যে ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ৰ ২০২৩-২৪ বর্ষৰ বার্ষিক মুখপত্র "কানৈয়ান" প্রকাশ কৰিবলৈ মনস্থ কৰা হৈছে। এই মুখপত্রখনিয়ে মহাবিদ্যালয়খনৰ ঐতিহ্যক প্রতিফলন কৰি এখন বাচকৰনীয়া গ্রন্থলৈ ৰূপান্তৰিত হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। গ্রন্থখনৰ সম্পাদনাৰ লগত জড়িত সমূহ শিক্ষার্থী, শিক্ষক-শিক্ষয়িত্রী তথা মহাবিদ্যালয় কর্তৃপক্ষক এই আপাহতে মই শুভকামনা জনালোঁ। সদৌশেষত কানৈ মহাবিদ্যালয়ৰ উত্তৰণ কামনা কৰি বার্ষিক মুখপত্র "কানৈয়ান"ৰ সফল প্রকাশন তথা পাঠুৱৈ সমাজে সহৃদয়ে আঁকোৱালি ল'ব বুলি আশা কৰিলোঁ।

নতুন দিল্লী
২৫ নৱেম্বৰ ২০২৪

(সর্বানন্দ সোণোৱাল)

SAGARMALA PORT-LED PROSPERITY
Room No. 201, Transport Bhawan, 1, Sansad Marg, New Delhi-110001
Ph. : 011-23717422, 23717423, 23717424, Fax : 011-23356709
E-mail : minister-shipping@gov.in | Website : www.shipmin.gov.in

स्वच्छ भारत
एक कदम स्वच्छता की ओर

BIKRAM KAIRI, IAS
DISTRICT COMMISSIONER &
DISTRICT MAGISTRATE, DIBRUGARH

सत्यमेव जयते



দিনাংকঃ ১২ নৱেম্বৰ, ২০২৪

শুভেচ্ছাবাণী

ডিব্রুগড় জিলাৰ উচ্চ-শিক্ষাৰ অগ্রণী অনুষ্ঠান **ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্র একতা সভাৰ** উদ্যোগত মহাবিদ্যালয়ৰ বার্ষিক মুখপত্র '**কানৈয়ান**'ৰ ২০২৩-২০২৪ বর্ষৰ সংখ্যা প্রকাশ কৰিবলৈ অগ্রসৰ হোৱা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছো।

প্রজ্ঞাৰ সাধনাত ব্রতী হৈ ভৱিষ্যত জীৱন গঢ় দিয়াৰ লক্ষ্যৰে প্রবেশ কৰা জ্ঞানৰ মন্দিৰ স্বৰূপ মহাবিদ্যালয়ত ছাত্র-ছাত্রীসকলে নিজৰ সুপ্ত প্রতিভাৰ বিকাশৰ বাবে এখনি বিস্তীর্ণ মঞ্চ লাভ কৰে। মহাবিদ্যালয়ৰ বার্ষিক আলোচনীখনে ছাত্র-ছাত্রীসকলৰ বৌদ্ধিক বিকাশৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ছাত্র-ছাত্রীসকলৰ সৃজনীশীল ক্ষমতাসমূহৰ অন্বেষণ, সমালোচনাত্মক চিন্তাধাৰাৰ অংকুৰণ আৰু তেওঁলোকৰ অন্তর্দৃষ্টি প্রকাশৰ বাবে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ বার্ষিক মুখপত্র '**কানৈয়ান**' এখনি বিশেষ মঞ্চ হ'ব বুলি মোৰ বিশ্বাস। তদুপৰি ছাত্র-ছাত্রীসকলৰ দ্বাৰা আলোচনীখনত প্রকাশিত গৱেষণাধর্মী লেখাসমূহ মূল্যায়িত হৈ যাতে তেওঁলোকৰ কেৰিয়াৰৰ বাবে সহায়ক হৈ উঠে, তাৰ বাবে উপযুক্ত স্বীকৃতিপ্রাপ্ত এখনি আলোচনী কৰি গঢ়ি তুলিবৰ বাবে ছাত্র সমাজে অগ্রজসকলৰ পৰামর্শ গ্রহণ কৰিব পাৰে। আলোচনীখনৰ সংস্কৰণসমূহৰ ডিজিটেল মাধ্যমত সংৰক্ষণ আৰু সহজলভ্যতাৰ বাবেও ছাত্র-ছাত্রীসকলে সৃজনীশীল চিন্তাৰে পদক্ষেপ গ্রহণ কৰিব পাৰে। সামাজিক দায়বদ্ধতাৰ চানেকি ধৰি ৰাখি ছাত্র সমাজে মহাবিদ্যালয়খনৰ লগতে সমাজক এক নতুন দিগন্তৰ দিশত আগুৱাই নিয়াৰ উত্তৰোত্তৰ দায়িত্ব গ্রহণ কৰিব বুলি আশা কৰিব পাৰি।

শেষত, ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ উদ্যোগত প্রকাশ কৰিবলৈ লোৱা মহাবিদ্যালয়ৰ বার্ষিক মুখপত্র '**কানৈয়ান**'ৰ ২০২৩-২০২৪ বর্ষৰ সংখ্যা সর্বাঙ্গসুন্দৰ ৰূপত প্রকাশিত হওক - এই কামনাৰে ছাত্র একতা সভা তথা মুখপত্রখনিৰ সম্পাদনা সমিতিলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

(বিক্রম কৈৰী, ভাঃ প্রঃ সেঃ)
জিলা আয়ুক্ত, ডিব্রুগড় জিলা

Phone : (0373) 2316063 (O) / 2316062 (R) Fax : (0373) 2316034 (O) / 2313800 (R) E-mail : dc-dibrugarh@nic.in

অধ্যাপক জিতেন হাজৰিকা
উপাচার্য

ডিব্রুগড় বিশ্ববিদ্যালয়
ডিব্রুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in



শুভেচ্ছা-বাণী

এক সুদীর্ঘ ইতিহাস গৰকি আহি আজি এক পূর্ণাংগ ৰূপ গ্রহণ কৰিবলৈ সক্ষম হোৱা ডিব্রুগড়স্থিত ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়খন সমগ্র ৰাজ্যখনৰ ভিতৰতে এখন অন্যতম পুৰণি উচ্চ শিক্ষানুষ্ঠানৰূপে পৰিগণিত হৈ আহিছে। উচ্চ শিক্ষাৰ প্রচাৰ আৰু প্রসাৰৰ জৰিয়তে আমাৰ সমাজ-জীৱনলৈ উল্লেখনীয় অৱদান আগবঢ়াই অহা মহাবিদ্যালয়খনৰ ২০২৩-২৪ বর্ষৰ 'কানৈয়ান' শীর্ষক বার্ষিক মুখপত্রখন সম্পাদনা কৰি উলিয়াবলৈ আগবঢ়া হৈছে বুলি লাভ কৰা বার্তাই আমাকো স্বাভাৱিকতে আনন্দিত কৰিছে।

আমি আশাবাদী যে প্রগতিশীল চিন্তাধাৰাৰে অনুৰণিত সময়োপযোগী, সুখপাঠ্য তথা পাঠক সমাজৰ চিন্তা-চেতনা জাগ্রত কৰি ৰাখিব পৰা ভিন্নধর্মী মননশীল লেখা, প্রাসংগিক তথ্য-পাতি, আলোকচিত্র আদিৰে সু-সমৃদ্ধ হৈ 'কানৈয়ান'খনৰ এইবাৰৰ সংখ্যাটি পূর্বৰ দৰেই অতি সুন্দৰকৈ প্রকাশ হৈ ওলাব আৰু ৰাইজেও প্রকাশটিক তদনুৰূপে সাদৰেৰে গ্রহণ কৰিব।

সম্পাদনা সমিতিৰ প্রতিগৰাকী সদস্য-সদস্যাৰ উপৰিও প্রয়াসটিৰ সৈতে প্রত্যক্ষ কিম্বা পৰোক্ষভাৱে জড়িত হৈ থকা প্রতিগৰাকী ব্যক্তিলৈ আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা থাকিল।

দিনাংক ঃ ২১ অক্টোবৰ, ২০২৪

(জিতেন হাজৰিকা)

ড° সূর্য্যকান্ত হাজৰিকা
সভাপতি

অসম সাহিত্য সভা
কেন্দ্রীয় কার্যালয় ঃ চন্দ্রকান্ত সন্দিকৈ ভবন, যোৰহাট-৭৮৫০০১
প্রশাসনিক কার্যালয় ঃ ভগবতীপ্রসাদ বৰুৱা ভবন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কার্যালয়
ৰাংছিনা ভবন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কার্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভবন, ডিব্রুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কার্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কার্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেবী তোদী স্মৃতিভবন, মহীচন্দ্র ৰৱা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভবন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্রকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি- সংসঙ্গ বিহাৰ মার্গ, ব্লক এ, কুতুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭



শুভেচ্ছাবার্তা

জ্ঞানৰ পোহৰেৰে শিক্ষার্থীৰ জীৱন আলোকিত কৰি জীৱন গঢ়া শৈক্ষিক প্রতিষ্ঠানৰ গুৰুত্ব আৰু প্রাসংগিকতা অনস্বীকার্য। এনে গৌৰৱোজ্জ্বল পৰিক্রমাক গতিশীলতা প্রদান কৰিছে উচ্চ শিক্ষানুষ্ঠানসমূহে। সামাজিক সংস্কাৰৰ বাবে প্রয়োজনীয় মানসিক সংস্কাৰৰ মূল হোতা শিক্ষানুষ্ঠানসমূহে বিৱর্তনৰ মাজেৰে ৰূপ সলাই যুগ যুগ ধৰি মানৱৰ হকে বিশেষ অৰিহণা আগবঢ়াই আহিছে।

অসম তথা উত্তৰ-পূর্বাঞ্চলৰ এখন ঐতিহ্যমণ্ডিত শিক্ষা প্রতিষ্ঠান 'ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'ৰ ছাত্র একতা সভাই ২০২৩-২৪ বর্ষৰ মুখপত্র 'কানৈয়ান' প্রকাশৰ প্রস্তুতি সম্পূর্ণ কৰিছে বুলি জানি আনন্দিত হৈছোঁ। মুখপত্রখনে ছাত্র-ছাত্রী, অভিভাৱক, শিক্ষকগোট তথা স্থানীয় ৰাইজৰ বৌদ্ধিক চর্চাৰ পৃষ্ঠভূমি ৰূপে অৱতীর্ণ হোৱাৰ উপৰি অঞ্চলটোৰ শৈক্ষিক, সামাজিক, অর্থনৈতিক, নিবনুৱা সমস্যা, সাংস্কৃতিক দিশ, পৰিৱেশ-পৰিস্থিতিৰ বিভিন্ন চিত্রও বুকুত সাঁচি ৰখাৰ অৱকাশ আছে।

মুখপত্রখন সর্বাঙ্গসুন্দৰ কৰি তুলিবলৈ যিসকলে অহোপুৰুষার্থ কৰিছে তেখেতসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে 'ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'ৰ সর্বদিশৰ উন্নতি কামনা কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

শুভেচ্ছান্তে,-

৪ আহিন, ১৪৩১ ভাস্কৰাব্দ
২১ অক্টোবৰ, ২০২৪ খ্রীঃ

(ড° সূর্য্যকান্ত হাজৰিকা)
সভাপতি
অসম সাহিত্য সভা

বাসগৃহৰ ঠিকনা ঃ চন্দ্রকান্ত প্রেম ভৱন, ১, চন্দ্রকান্ত হাজৰিকা পথ, হকৰা নগৰ, গুৱাহাটী-৭৮১০০৫, অসম
ফোন ঃ ৯৪৩৫০১৪০৯৯, ই মেইল ঃ sheducationaltrust@gmail.com , ৱেবচাইট ঃ www.drsurjyahazarika.com

জয় আই অসম

সদৌ অসম ছাত্র সন্থা
ALL ASSAM STUDENTS' UNION

মুখ্য কার্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

প্রসঙ্গ .....

দিনাংক ০১-০১-২০২৫



শুভেচ্ছা বার্তা

উজনি অসমৰ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ স্বৰূপ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়। উচ্চ শিক্ষাৰ লক্ষ্যৰে ১৯৪৫ চনতে স্থাপিত ডিব্ৰুগড় জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খন অসমৰ ভিতৰতে এখন উল্লেখযোগ্য মহাবিদ্যালয়। মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠা দিনৰেপৰা বৃহত্তৰ অঞ্চলটোৰ লগতে সমগ্ৰ উজনি অসমৰ ছাত্ৰ ছাত্ৰীক গুণগত শিক্ষাৰ পোহৰ বিলাই আহিছে। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ লগত জড়িত প্ৰতিজন স্বনামধন্য ব্যক্তি আৰু বৰ্তমান মহাবিদ্যালয় পৰিয়ালৰ সকলোলৈ আমাৰ শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ। বিগত বৰ্ষৰ দৰে এই বৰ্ষটো মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী কানৈয়ান (২০২৩-২৪) প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি আনন্দিত হৈছোঁ। আলোচনীখনৰ জৰিয়তে শিক্ষাগুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব। ইয়াৰ জৰিয়তে সমগ্ৰ অসমৰ শিক্ষা ব্যৱস্থালৈ এক অনবদ্য অৱদান আগবঢ়াব।

আলোচনীখনৰ সম্পাদকৰ লগতে সম্পাদনা সমিতিৰ লগত জড়িত সদৌটিলৈকে সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা আৰু সেৱা জনালোঁ।

'জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'
'জয় আই অসম'

শ্ৰদ্ধাৰে—

(উৎপল শৰ্মা)
সভাপতি
সদৌ অসম ছাত্ৰ সন্থা

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

৭৭তম সংখ্যা ঃ ২০২৩-২৪

অনুক্ৰমণিকা

সম্পাদকীয়
অৰণ্য আৰু আমি ঃ বৰ্তমানৰ ভয়াৱহতা, ভবিষ্যতৰ সপোন... ।। ১

প্ৰবন্ধ আৰু ভিন্ন গদ্য

মোৰ সপোন মোৰ কথা
ড° শশীকান্ত শইকীয়া ।। ৩
সাম্প্ৰতিক সময়ত শংকৰদেৱ অধ্যয়নৰ প্ৰয়োজনীয়তা
কমল নয়ন দত্ত ।। ৮
মাজুলীৰ বাৰেৰহণীয়া সংস্কৃতিৰ অন্যতম 'সত্ৰীয়া সংস্কৃতি'
মামণি গগৈ ।। ১১
মাদলৰ তালত ঝুমইৰ নৃত্য-গীত
প্ৰেমী গৰাইত ।। ১২
শিক্ষানুষ্ঠানত আধুনিকতাৰ প্ৰসাৰ ঃ শৈক্ষিক উৎকৰ্ষতা আৰু প্ৰত্যাহ্বানসমূহ...
জ্যোতিষ্মান বৰুৱা ।। ১৪
পৰিৱৰ্তনশীলতাৰ মাজত জাতি ব্যৱস্থা
প্ৰিয়ংকা দত্ত ।। ১৭
মাতৃভাষা মাধ্যমত শিক্ষা
জাহ্নবী দত্ত ।। ১৯
গণতান্ত্ৰিক ৰাষ্ট্ৰত সংবাদ মাধ্যমৰ ভূমিকা
চিৰঞ্জীৱ সন্দিকৈ ।। ২১
সমাজ সংগঠনত ছাত্ৰৰ কৰ্তব্য
হেমাংগ বড়া ।। ২৩
আহোমসকলৰ দিনত প্ৰচলিত খেল-ধেমালি
নিতুৰাণী গগৈ ।। ২৪
মানসিক স্বাস্থ্য আৰু মানৱতাবাদী আচৰণৰ ওপৰত প্ৰতিযোগিতামূলক আৱেগৰ প্ৰভাৱ
প্ৰাঞ্জল কৃষ্ণ মজুমদাৰ ।। ২৫

কথা পাতিব জানেনে ?
দিজু চৌধুৰী ।। ২৬
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন
ৰীয়া বৰুৱা ।। ২৮
Role of Sustainable Tourism in Promoting Global Peace
Bhumika Gogoi ।। ৩০
Discovery of Assam Tea
Tanushree Goutami Gogoi ।। ৩২
The Fourth Estate : Media's Role in Democratic Governance
Chayanika Gogoi ।। ৩৪
Borphukon: Guardians of Assam's Legacy
Sahil Ansari ।। ৩৬
Artificial General Intelligence (AI)
Sudarshana Sharma ।। ৩৮
ChatGPT 4.0
Harshita Nath ।। ৩৯
অসমৰ চাহ, মানুহ আৰু সংস্কৃতি
উৎপল কুৰ্মি ।। ৪০
সোণোৱাল কছাৰী জনগোষ্ঠীৰ 'লগ বিহু'
নয়নজ্যোতি সোণোৱাল ।। ৪২
দৈনন্দিন জীৱন যাত্ৰাত প্ৰয়োগিক গণিতৰ প্ৰভাৱ
ভাস্কৰ জ্যোতি টাউদ ।। ৪৪
বিজ্ঞান বৰদান নে অভিশাপ
পাৰ্থ বৰা ।। ৪৫
আজিৰ নাৰী
কাবেৰী ফুকন ।। ৪৬
সুস্থ শৰীৰ, সুস্থ মন— যাৰ আঁৰত খেলৰ অপূৰ্ব মিলন
প্ৰণামী সন্দিকৈ ।। ৪৭

বর্তমান সময়ত গণতন্ত্র আৰু ইয়াৰ প্রাসংগিতকা
মহম্মদ চাহিল।। ৪৮
সংস্কৃতে বিজ্ঞানাম
✍**আবৃতা লিজা পাঠক**।। ৪৯
Socio-Economic and Cultural Outline of Assam–2050 : A Prognostic Analytical Discourse ✍**Biraj Ballav Gogoi**।। ৫১
Raising Awareness among Students
✍**Chayanika Gogoi**।। ৫৬

ক • বি • তা • ৰ • কুঁ • কি

কি আছে কবিতাত✍ **বিতোপন চৰৰ**।। ৫৮
মই ধর্ষিতা
বিকি ভূঞা ।। ৫৮
অনুভৱৰ পৃষ্ঠাৰ পৰা...
অমিত মাহাতু।। ৫৮
ফাগুন
দিশা গগৈ।। ৫৯
যদি
ভাগ্যশ্রী গগৈ।। ৫৯
ইন্দ্রধেনু-তুমি, মই, জীৱন
ভার্গৱ শইকীয়া।। ৬০
ভালপোৱাৰ ৰংবোৰ
অনুশ্রী ৰৰপাত্র গোহাঁই।। ৬০
শিল্পী
দর্শী গগৈ।। ৬১
প্রেমৰ নৈ
নয়না সোণোৱাল।। ৬১
প্রকৃতিৰ মাদকতা
শর্মিষ্ঠা গগৈ।। ৬২
এটি ভেজাল দেৱালৰ কথা
কিৰণময়ী সোণোৱাল।। ৬২
নৈপৰীয়া জীৱন
শতাব্দী শইকীয়া।। ৬৩
ৰুদ্রৰূপী
সৃষ্টি কোঁৱৰ ।। ৬৩
অব্যক্ত
অধিৰাজ দত্ত।। ৬৩
আগমন
ভাগ্যশ্রী বৰুৱা।। ৬৩
সলনি হ'ল
গীতিমণি গোহাঁই ।। ৬৪
অই কনেঙ
বিতোপন বৰগোহাঁই।। ৬৫
বিধ্বংসী প্রকৃতি
কৃতিকা নেওগ ।। ৬৫
সেই সময়
ত্রিদিশা গগৈ।। ৬৬
পাপিনী
চিন্ময় কলিতা।। ৬৬
আজিৰ পৃথিৱী
মেৰিলিন বৰুৱা।। ৬৭
দর্শক
দীক্ষিতা ৰাজকোঁৱৰ।। ৬৭
শব্দৰ তীব্র আন্দোলন
প্রণামী সন্দিকৈ।। ৬৮
স্বপ্নৰ অপমৃত্যু
জুজুকংকণা কোঁৱৰ।। ৬৮
নাৰী তুমি অনন্যা
আশাস্মিতা শর্মা ।। ৬৯
এইয়া বুটীদিহিং
কমল নয়ন দত্ত।। ৬৯
বৃদ্ধাশ্রম
লক্ষ্মীপ্রিয়া কলিতা।। ৭০
যুগৰ নাৰী
মানসী সিং ৰাজপুত।। ৭০
নিভাজ নিশা আৰু মই
জয়শ্রী গগৈ।। ৭১
পদ্য-দুখ আৰু জীৱনৰ
কুলদ্বীপ পানিকা ।। ৭১
জীৱনৰ এৰাসুঁতি
আবৃতা লিজা পাঠক।। ৭২
এক গুম কী শাম
শিল্পী ফুকন।। ৭২
Coming of Nature
Akash Chetia।। ৭৩
Sad Song of a Dying Mother
Tisha Chakraborty।। ৭৩
The Beauty of Biological Anthropology
Madhushmita Sarkar।। ৭৪
The Beauty of Failing
Aditi Suri।। ৭৪
Kanoi's Embrace
Ritisha Bhadra।। ৭৫
Harlot's Tale
Smita Chakraborty।। ৭৫
Shades of Rainbow
Roseleena Saikia।। ৭৬
A Full Moon Over The Lake
Harkhit Chiring Phukon।।৭৬
In the Silence of Yearning
Vargov Saikia।। ৭৭
City's bird
Isha Sahu।। ৭৭

গ • হ্ন • সু • বা • স

অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা
চিৰঞ্জীৱ সন্দিকৈ।। ৭৮
The Seven Moons of Maali Almeida
Smita Chakraborty।। ৮০
বকুল ফুলৰ দৰে —ড° মৃণাল কলিতা
বিতোপন চৰৰ।। ৮৩
ৰীতা চৌধুৰীৰ বিভ্রান্ত বাস্তৱ
প্রত্যুষ প্রতিম দত্ত।। ৮৮
কাঞ্চন —অনুৰাধা শর্মা পূজাৰী
শতাব্দী শইকীয়া।। ৯১
মোৰো এটা সপোন আছে
আশামণি তামুলী।। ৯৩
শৰ কটা মানুহ —য়েছে দৰজে ঠংচি
লক্ষ্মীপ্রিয়া কলিতা।। ৯৫
মৰে অসম জীয়ে কোন—ৰীতা চৌধুৰী
অংকিতা ভট্টাচার্য্য।। ৯৭
এধানী মাহীৰ হাঁহি—মহিম বৰা
উপমা শর্মা।। ১০০
সাৰথি—সত্যনাথ বৰা
জাহ্নৱী দত্ত।। ১০১

গ • ল্প • উ • দ্যা • ন

পংকিল✍**চিৰঞ্জীৱ সন্দিকৈ**।। ১০৩
সমাপ্তিৰ সিপাৰে✍**চানদ্বীপ গগৈ**।। ১০৫
ৰঙা ৰঙা ৰাতি ✍**গীতিমণি গোহাঁই** ।। ১০৯
কৃষ্ণচূড়াৰ আঁৰে আঁৰে ✍**লোপামুদ্রা দুৰৰা**।। ১১০
ভাগ্যৰ উপহাস✍**কমল দত্ত**।। ১১২
Monsoon Diaries
Satoroopa Chakraborty।। ১১৫
A Good Day✍**Rishika Hazarika**।। ১২১
মই আকাশ চুব বিচাৰোঁ✍**পৰিস্মিতা দত্ত**।। ১২৩
অশ্লেষা✍**চানদ্বীপ গগৈ**।। ১২৬
অপৰাজিতাৰ সপোন✍**গৌৰৰ চুতীয়া**।। ১৩০
লকডাউন✍**জাহ্নৱী গগৈ**।। ১৩১
সপোন✍**অনুশ্রী ৰৰপাত্র গোহাঁই**।। ১৩২
গংগাৰামৰ দূর্গতি✍**বিতোপন বৰগোহাঁই**।। ১৩৩
নিয়তিৰ খেলা✍**সুকন্যা বৰুৱা**।। ১৩৫
পুৰণি বিলৰ বাঁক✍**লৱিতা দিহিঙীয়া**।। ১৩৬

চলচ্চিত্র সমালোচনা

Bulbbul
Smita Chakraborty।। ১৩৮
কথানদী
চিন্ময় কুমাৰ সন্দিকৈ।। ১৪২
অনুৰ
বিতোপন বৰগোহাঁই।। ১৪৪
Wes Anderson's The Wonderful Story of Henry Sugar
Tisha Chakraborty।। ১৪৬
12th Fail
Bitupan Sobor।। ১৪৮

ন' • বে • ল • বঁ • টা

শান্তিৰ ন'বেল বঁটা
দর্শনা বড়া।। ১৫০
সাহিত্য ন'বেল বিজয়ী হান কাং
গৌৰৰ চুতীয়া।। ১৫১
Prize of Excellence : Awarding the Nobel Laureates in Economics
Prachi Dutta।। ১৫৩
Revolutionizing Gene Regulation : The Discovery of MicroRNAs
Jyotishmoi Gogoi।। ১৫৫

অ • নু • ভ • ৱ

আবৃত্তি সম্পর্কে অনুভৱৰ একলম
✍**চয়নিকা বুঢ়াগোহাঁই**।। ১৫৭
মোৰ সহজ-সৰল ভাষাৰে✍**কৰীণা বৰুৱা**।। ১৫৮

জী • ৱ • নু • বৃ • ত্ত

Ratan Tata : The Quiet Power of Compassion and Integrity
✍**Ananya Dutta**।। ১৬০
হোমেন বৰগোহাঞিৰ জীৱন আৰু কর্ম ঃ এক আলোকপাত ✍**ধ্রুপ বৰা**।। ১৬২
Chisel, Hammer and Heart : The Raw Legacy of Dashrath Manjhi
✍**Ritisha Bhadra**।। ১৬৬

অ • ণু • গ • ল্প

দায়িত্ব ✍চুমী গগৈ।। ১৬৭
ভাগ্য নে দুভাগ্য ✍মনোৰঞ্জন গগৈ।। ১৬৭
চাকৰি ✍হেমাংগ বড়া।। ১৬৭
দায়িত্ব ✍হেমাংগ বড়া।। ১৬৮
সেন্দূৰ ✍জাহ্নবী গগৈ।। ১৬৮
ভৌতিক ✍জাহ্নবী গগৈ।। ১৬৮
সপোন ✍গৌৰৱ চুতীয়া।। ১৬৯
যুদ্ধ ✍গৌৰৱ চুতীয়া।। ১৬৯
বাস্তৱ ✍ধ্রুপ ৰৱা।। ১৬৯
তেজ ✍অনুশ্রী ৰৱপাত্র গোহাঁই।। ১৬৯
স্তব্ধময়ী ভৰষা ✍লক্ষ্মীপ্রিয়া কলিতা।। ১৭০
পোহৰ ✍বিস্মিতা শইকীয়া।। ১৭০
পৰিপূৰক ✍অনুশ্রী ৰৱপাত্র গোহাঁই।। ১৭১
গৌৰৱ ✍বিস্মিতা শইকীয়া।। ১৭১
ভক্ষক ✍চিন্ময় কুমাৰ সন্দিকৈ।। ১৭১

না • ট • ক

দাৰুণ ✍শর্মিষ্ঠা গগৈ।। ১৭২

ভ্রমণ বিলাস

যুৰ সংসদলৈ গৈছিলোঁ ✍দিপাংকৰ দত্ত।। ১৭৫

সাক্ষাৎকাৰ

পদ্মশ্রী দুলাল মানকিদেৱৰ সৈতে এক চমু বার্তালাপ
নয়নজ্যোতি কুর্মি।। ১৭৭

নীলাখামৰ চিঠি

স্নেহা কলিতা।। ১৮০
কিৰণময়ী সোণোৱাল।। ১৮১
মহম্মদ চাহিল।। ১৮২
লিজা খনিকৰ।। ১৮৩

গৱেষণাধর্মী লেখা

সাংস্কৃতিক নাৰীবাদৰ আধাৰত 'তেজীমলা মাকৰ সাধু' উপন্যাসৰ চৰিত্র বিশ্লেষণ
গীতিমণি গোহাঁই।। ১৮৪

Yearning for the Forbidden : A Comparative Analysis of Doctor Faustus and Victor Frankenstein's Desires and their Devastating Consequences
Juhi Gogoi ।। ১৯৩
Acclimatization in Human
Priyanka Senapoti ।। ১৯৯
The English Romantics
Sreeja Dey ।। ২০১
Indian Writing in English II
Darshana Gogoi ।। ২০৮
The Great Ahom Dynasty & Lachit

প্ৰ • তি • ৱে • দ • ন

President's Report ।। ২১৩
Vice President's Report ।। ২১৪
সাধাৰণ সম্পাদকৰ প্রতিৱেদন।। ২১৬
Assistant General Secretary's Report ।। ২১৮
সাহিত্য আৰু আলোচনী সম্পাদকৰ প্রতিৱেদন।। ২২০
Debating and Symposium
Secretary's Report ।। ২২৪
সাংস্কৃতিক সম্পাদিকাৰ প্রতিৱেদন।। ২২৫
Music Secretary Report ।। ২২৭
Major Game Secretary's Report ।। ২২৮
Minor Games Secretary's Report ।। ২৩০
Gymnasium Secretary's Report ।। ২৩১
Social Service Secretary's Report।। ২৩২
Boy's Common Room Secretary's Report। ২৩৩
ছাত্রী জিৰণি কোঠা সম্পাদিকাৰ প্রতিৱেদন।। ২৩৪

পৰিশিষ্ট

- কানৈ কলেজ পৰিচালনা সমিতিৰ সভাপতিসকল ১৯৪৫-২০২৪।। ২৩৬
- কানৈ কলেজৰ অধ্যক্ষসকল ১৯৪৫-২০২৪।। ২৩৭
- কানৈ কলেজৰ শিক্ষক/শিক্ষয়িত্রীসকল।। ২৩৮
- কানৈ কলেজৰ কর্মচাৰীসকল।। ২৪২
- 'কানৈয়ান'ৰ ইতিহাস।। ২৪৩
- লেখক-লেখিকাৰ পৰিচিতি।। ২৪৪
- সংবাদ মাধ্যমত কানৈ মহাবিদ্যালয়।। ২৪৬
- Visitor's Comments।। ২৫১-২৫২

সম্পাদকীয়

অৰণ্য আৰু আমি ঃ বর্তমানৰ ভয়াৱহতা, ভৱিষ্যতৰ সপোন...

আমাৰ এই পৃথিৱীৰ ইতিহাস মানৱ সভ্যতাৰ ইতিহাসতকৈ বহু প্রাচীন। এই পৃথিৱীৰ প্রতিটো শিল, প্রতিজোপা গছ, প্রত্যেকখন নদী, প্রতিটো পাহাৰ, আমাতকৈ বহু যুগৰ পুৰণি। সময়ৰ দীঘলীয়া পথত আফ্রিকা মহাদেশৰ বুকুত বিৱর্তনৰ অধ্যায় পাৰ কৰি জন্ম হৈছিলোঁ আমি। পোনতে আমিও আছিলোঁ এই পৃথিৱীৰ অৰণ্যে-অৰণ্যে, নদীৰ পাৰে পাৰে, পাহাৰে-ভৈয়ামে ঘূৰি ফুৰা ইতৰ প্রাণী। কিন্তু কোনোবা সর্বশক্তিমান সত্তাই আমাক প্রদান কৰিলে সৃষ্টিশীলতা আৰু চিন্তাশীল হোৱাৰ অমোঘ আশীর্বাদ। সেই আশীর্বাদেৰে পুষ্ট হৈ আমি ত্যাগ কৰিলোঁ বনৰীয়া জীৱন আৰু গঢ়ি তুলিলোঁ সভ্যতাৰ সু-উচ্চ প্রাচীৰ। কিন্তু দুর্ভাগ্যৰ কথা এইটোৱে যে, যি প্রকৃতিৰ বুকুৰ পৰা আমাৰ জন্ম হ'ল, আমি পৰিচয় পালোঁ মানুহ বুলি, আমি লাভ কৰিলোঁ জীৱশ্রেষ্ঠ হোৱাৰ গৌৰৱ। সেই মাতৃশক্তি স্বৰূপা প্রকৃতিৰ পৰাই আমি আঁতৰি আহিলোঁ বহুদূৰ। আজি আমি এই প্রকৃতিৰ পৰা ইমানেই দূৰলৈ গতি কৰিলোঁ যে, আমাৰ হাতত এতিয়া উভতি যোৱাৰ কোনো পথ নাই। সময়ৰ পৰিহাসত আমি মানুহৰ পৰা দানৱলৈ পৰিবর্তিত হ'বলৈ আৰম্ভ কৰিছোঁ আৰু পাহৰি পেলাইছোঁ নিজৰ প্রকৃত সত্তা। সেই সত্তা হেৰাই যাবলৈ ধৰাৰ পৰাই আমি হৈ পৰিছোঁ প্রকৃতিৰ শোষক। গছ-বন, নদ-নদী, সাগৰ-মহাসাগৰ, পাহাৰ-পর্বত, অৰণ্যত ঘূৰি ফুৰা নিষ্পাপ জীৱ, সুনীল আকাশত মুক্তমনে বিহংগ কোনোৱে আমাৰ সন্ত্রাসৰ পৰা হাত সাৰি যাব পৰা নাই। ভাবি আচৰিত লাগে এতিয়াও আমি নিজ কু-কর্মৰ বাবে অনুতপ্ত হোৱা নাই!

সমগ্র মানৱ ইতিহাসটোৱেই আচলতে প্রকৃতিৰ পৰা লাহে লাহে আতৰি অহা ইতিহাস। হাবিৰ পৰা গাঁৱলৈ, গাঁৱৰ পৰা চহৰলৈ, চহৰৰ পৰা কোনোবা অচিন মহাকাশীয় স্থানলৈ... !

এইয়াই আমাৰ ইতিহাস কিন্তু, আজিৰ পৰা কেইবা শতাব্দী পূর্বে মানুহ ইমান তললৈ নামি যোৱা নাছিল। অৰণ্যবোৰ অৰণ্য হৈ আছিল, গছবোৰ সেউজীয়া হৈ আছিল। চৰাইবোৰ, জীৱ-জন্তুবোৰ খাদ্য আৰু বাসস্থানৰ অভাৱত বিপন্ন হোৱা নাছিল। নদ-নদীবোৰ আছিল স্ফটিকৰ দৰে স্বচ্ছ। সেই স্বচ্ছ পানীত নির্ভয়ে ভ্রমী ফুৰিছিল মাছ-কাছ আৰু ঘৰিয়াল। কিন্তু মানুহৰ স্বার্থ, লোভ বাঢ়ি অহাৰ লগে লগে সকলোবোৰ যেন শেষ হৈ গ'ল। ভাবি আচৰিত হও, মই এনে এখন দেশৰ বাসিন্দা যিখন দেশত মাটিক চন্দন জ্ঞান কৰা হয়। গছত বাস কৰে স্বর্গৰ দেৱতাই। নদীবোৰ মাতৃশক্তি স্বৰূপা যাৰ প্রতাপত সোণালী হৈ পৰে কৃষকৰ বিশাল পথাৰ, পাহাৰবোৰ হৈ পৰে একো একোখন মহাতীর্থ। কিন্তু এইখন দেশতো আজি প্রকৃতিক চৰণভূষণ কৰি নিজ সভ্যতা সংস্কৃতিকে কলুষিত কৰি মানুহে

পাতিছে ধ্বংসৰ বিশাল যজ্ঞ। ক'ত হেৰাই গ'ল বেদ-উপনিষদৰ বাণীবোৰ, ক'ত হেৰাই গ'ল ৰামায়ণ মহাভাৰতৰ শ্লোকবোৰ। য'ত কোৱা হৈছিল প্ৰকৃতিয়েই ঈশ্বৰ, যিমানদিন এই প্ৰকৃতিয়ে যেতিয়ালৈকে পাহাৰ-পৰ্বত ধৰি ৰাখিব পাৰিব, গছ-বন তৰুতৃণ নিজৰ বুকুত ধাৰণ কৰিব পাৰিব তেতিয়ালৈকে এই পৃথিৱীত জীৱকুল থাকিব আৰু থাকিম আমি মানুহবোৰ?

খিৰিকীখন খুলি জোনটোলৈ চালোঁ, চহৰৰ ধোঁৱাই ঢাকি ধৰা আকাশখত আজিকালি তৰা নেদেখি। গাড়ী-মটৰৰ শব্দত নুশুনি অচিন চৰাইৰ মাত। নিৰৱতাৰ ইমানেই অভাৰ যে আজি নিজৰ হৃদস্পন্দন শুনিবলৈকো অকণো সুযোগ নাই। সেই কাৰণেই আমি মানুহবোৰ অমানুহ হৈ পৰিছোঁ নেকি? আজি অসমৰ নিচিনা 'সুজলা সুফলা শস্য শ্যামলা' ঠাইখনতো দিনক দিনে হ্ৰাস পাইছে বনাঞ্চলৰ মাটিকালি। কোনোবা ধনীক শ্ৰেণীৰ মানুহে খাল-বিল পুতি নিৰ্মাণ কৰিছে সু-উচ্চ অট্টালিকা। সদায় বাতৰিৰ শিৰোনাম দখল কৰি ৰাখিছে হাতী মানুহৰ সংঘাতৰ বাতৰিয়ে। বাতৰিৰ মতে হাতীয়ে মানুহ মাৰিছে। কিন্তু প্ৰশ্ন হ'ল হাতীৰ ঘৰ কোনে ভাঙিছে? হাতীৰ খাদ্য কোনে কাঢ়ি লৈছে? মানুহেই নহয়নে? খাদ্য, বাসস্থান আৰু অধিকাৰৰ বাবে মানৱ জাতিয়ে কিমান যুদ্ধ কৰিছে, কিমান বিপ্লৱ কৰিছে কিমান তেজ দিছে তাৰ কোনো হিচাপ নাই। তেনেক্ষেত্ৰত কেতিয়াবা হাতীয়ে মানুহ মৰা ঘটনাটো তেনেই নগণ্য যেন অনুভৱ হয়। আমি পৰিৱেশ সংৰক্ষণৰ কথা, বন্যপ্ৰাণী সংৰক্ষণৰ কথা বহুত পঢ়িলোঁ, সেইবোৰ পঢ়ি পঢ়ি পৰীক্ষাত বহুত নম্বৰ পালোঁ, আমাৰ মাজেৰে কিছুমানে সেইবোৰ কথা লিখি লিখি চাকৰিও পালে। কিন্তু পৰিৱেশ, বন্যপ্ৰাণী, নদী, পথাৰ আজিও সুৰক্ষিত নহ'ল।

কেতিয়াবা কল্পনা কৰোঁ—

যদি গছে প্ৰতিবাদ কৰিব পাৰিলেহেঁতেন!
দেহ মই কৰতেৰে টুকুৰা টুকুৰ কৰিব
পাৰিলোঁহেঁতেন নে?
যদিহে হাতী, বাঘ, হৰিণা আৰু গড়
ইহঁতে আমাৰ দৰে বন্দুক চলাব পাৰিলেহেঁতেন
তেন্তে পাৰিলোঁহেঁতেন নে অৰণ্য দখল কৰিব!
নদীক ভেটিবলৈ কিমান চেষ্টা কৰিছোঁ
নদী স্তব্ধ হোৱা নাই,
নদীয়ে প্ৰতিবাদ কৰি খহাই দিছে
পাৰ, বান্ধ আৰু আমাৰ অভিমান।

এদিন গছবোৰে প্ৰতিবাদ কৰিব
এদিন হাতী, বাঘ, হৰিণাই হাতত তুলি ল'ব বন্দুক
আৰু হয়তো শেষ হ'ব আমাৰ শোষণৰ অধ্যায়...

পৰিৱেশ সংৰক্ষণ জলবায়ু পৰিবৰ্তন আদিৰ কথা বহলাই ক'বলৈ নাযাও, তাৰপৰা হ'ব পৰা ক্ষতিৰ সম্বন্ধে সকলোৱেই জ্ঞাত। আমি মাথো প্ৰশ্ন কৰিব বিচাৰিছোঁ আমাৰ নিৰ্লিপ্ততা, আমাৰ উদাসীনতাক যাৰ বাবে প্ৰতিপল ধ্বংসৰ মুখলৈ গতি কৰিছে মানৱতা। সময় নিচেই কম বুলি জানিও আমি ধোদৰ দৰে বহি আছোঁ আৰু পাহৰি পেলাইছোঁ কৰ্মৰ গুৰুত্বক, কিন্তু কৰ্মৰ অবিহনে, সক্ৰিয়তাৰ অবিহনে প্ৰকৃতি আৰু মানৱতা দুয়োটাই এদিন বিলুপ্ত হৈ যাব। প্ৰকৃতিয়ে নিজকে আকৌ গঢ়িব। কিন্তু আমি নিজকে গঢ়িব পাৰিম জানো! কালৰ অপ্ৰতিবোদ্ধ গতিক ধিয়াই আমি যি সভ্যতা সংস্কৃতিৰ সৃষ্টি কৰিলোঁ তাক হেৰুৱাই পেলোৱাৰ আগতেই আমি সজাগ হ'বৰ হ'ল। নিতৌ প্ৰকাশিত হৈ থকা বৈজ্ঞানিক তথ্যসমূহক আওকাণ কৰাতকৈ তাৰ প্ৰতি গুৰুত্ব প্ৰদৰ্শন কৰিবৰ হ'ল।

মানুহ সৃষ্টিশীল প্ৰাণী। যিমান ধ্বংসমুখী অভিসন্ধিৰ ফান্দত পৰিলেও সৃষ্টিশীলতা পাহৰি নাযায়। অমৃতময় প্ৰকৃতিৰ মানুহ হৈছে অমৃতময় সন্তান তাৰ দেহৰ বন্ধ্ৰে বন্ধ্ৰে আছে সুন্দৰতা, আলোকময়তা আৰু সৃষ্টিৰ বাসনা। এই তিনি গুণেৰেই মানুহে প্ৰকৃতিক ধ্বংসৰ মুখৰ পৰাই ওভতাই আনিব পাৰিব। গছ-লতা, জীৱ-জন্তু, পাহাৰ, নদীক নিজৰ সহোদৰ, নিজৰ মাতৃ বুলি জ্ঞান কৰি মানুহে হৃদয়ৰ উমেৰে প্ৰদান কৰিব লাগিব নিৰাপত্তা। এই আশাৰেই এফাঁকি বেদমন্ত্ৰৰে সম্পাদকীয় একলম সামৰিছোঁ—

সর্বে ভৱন্তু সুখিনঃ
সর্বে সন্তু নিৰাময়াঃ।
সর্বে ভদ্রানি পশ্যন্তু
মা কশ্চিত দুঃখ ভাগভৱেৎ।।
ঔম শান্তি শান্তি শান্তি।।

সকলো প্ৰাণী সুখ আৰু শান্তিৰে থাকক, কোনোৱেই ৰোগ আৰু ব্যাধিৰ যাতনা ভোগ নকৰক, সকলোৰে সুন্দৰতাক লক্ষ্য কৰক। কোনেও দুখত নাথাকক...

নয়নজ্যোতি কুৰ্মি
সম্পাদক, **কাঁনেয়ান**

প্ৰ ব ন্ধ

মোৰ সপোন মোৰ কথা

ড° শশীকান্ত শইকীয়া

বিভিন্ন সময়ত বহু ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, পাঠক, শুভাকাংক্ষী ব্যক্তিয়ে এই লেখকক অনুভৱ ব্যক্ত কৰি কয়— দৈনিক অগ্ৰদূতৰ 'কেনেকৈ নিঃশেষ এটা জাতি', তিনিদিনীয়া অগ্ৰদূতৰ 'স্ববব্যঞ্জন', অসম আদিত্যৰ 'জীৱন বাঁহীৰ সুৰ' নিয়মীয়া স্তম্ভত সমাজ, সংস্কৃতি ব্যক্তি, ৰাজনীতি, অৰ্থনীতি, যুৱ প্ৰজন্ম, মহিলা, সাহিত্য, ভৱিষ্যতৰ প্ৰযুক্তি ইত্যাদি বিষয়বোৰ পঢ়ি আনন্দিত হওঁ, বহু লেখাই নতুন চিন্তাৰ খোৰাক দিয়ে, সমাজৰ সকলো দিশ সামৰি বিষয়বস্তুবোৰ লিখি থাকে, কেতিয়াবা নিজৰ জীৱনৰ সফলতা, বিফলতা, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ অভিজ্ঞতা, কৰ্ম জীৱনৰ আনন্দ, সুখ-দুখ, বিষাদ এনে বিষয়বোৰ আপুনি নিলিখে কিয়? আপুনি কেতিয়াবা কানৈ মহাবিদ্যালয়ৰ অভিজ্ঞতাসমূহ লিখিবছোন। এনে সঁহাৰি, প্ৰশ্ন বিভিন্ন প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষাৰ্থীয়ে প্ৰায়ে মোক ব্যতিব্যস্ত কৰে। আচলতে এই কাকতকেইখনৰ স্তম্ভত জীৱনৰ অনুভৱ, উপলব্ধি, পোৱা-নোপোৱা না না অভিজ্ঞতাৰ বিষয়বোৰ সামৰি লৈ লিখি আহিছো। বহু পাঠকেও মোৰ ব্যক্তিগত জীৱনৰ সফলতা, বিফলতা, আনন্দ, অভিজ্ঞতা আদিৰ বুজ ল'বৰ বাবে টেলিফোন কৰে। লেখাৰ শেষত লেখকৰ 'ম'বাইল' নম্বৰটো ছপা কৰি দিয়াৰ বাবে আজিকালি সম্পাদকলৈ চিঠি, সম্পাদকলৈ পত্ৰ খুব কম সংখ্যকে প্ৰেৰণ কৰে। ততাতৈয়াকৈ 'ম'বাইল' বা 'ৱাটছএপ' যোগে লেখকৰ স'তে যোগাযোগ কৰে। ভুল হৈছে, শুদ্ধ হৈছে, ভাল হৈছে, বেয়া হৈছে ইত্যাদি বিষয়বোৰ লেখকৰ স'তে পোনপতীয়াকৈ আলোচনা কৰে। কেতিয়াবা তেনে যোগাযোগে লেখকক আনন্দিত কৰিলেও সময়ৰ বৰ টনাটনি হয়। ম'বাইলৰ যোগে কথা পাতিবলৈ প্ৰয়োজনীয় সময় পোৱা নাযায়। বহু পাঠকে যোগাযোগ কৰিব নোৱাৰিলে 'ৱাটছএপ বার্তা'ৰ যোগে মনৰ অনুভৱখিনি লেখকক অৱগত কৰে। বোধকৰো কেৱল আমাৰ দৰে লেখকৰ স'তেই নহয়, আন লেখকসকলৰ স'তেও প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰি পাঠকে পোনপতীয়াকৈ যোগাযোগ কৰে, লেখা সম্পৰ্কত আলোচনা কৰে। অৱশ্যে এই লেখকৰ জীৱন কৰ্ম সম্পৰ্কে 'মোৰ জীৱন, মোৰ সপোন, মোৰ কথা' আত্মজীৱনী স্বৰূপ (প্ৰথম খণ্ড) গ্ৰন্থখনত কিছু কথা প্ৰকাশ কৰা হৈছে। অসমীয়া সাহিত্যৰ এগৰাকী জনপ্ৰিয় সাহিত্যিক হোমেন বৰগোহাঁয়ে সম্পাদনা কৰি উলিওৱা (সম্পাদনা সহযোগী গীতিমালিকা নেওগ) 'মোৰ জীৱন দর্শন' গ্ৰন্থখনতো এই লেখকৰ জীৱন আৰু কৰ্ম সম্পৰ্কে ভালদৰেই প্ৰকাশ পাইছে। উক্ত গ্ৰন্থখনত য়েছে দৰজে ঠংচি, ড° নগেন শইকীয়া, প্ৰদীপ বৰুৱা, ড° মালিনী, ডাঃ নোমল চন্দ্ৰ বৰা, বীৰেন সিংহকে প্ৰমুখ্য কৰি অসমৰ ২৬ জন বৰণ্য ব্যক্তিৰ 'জীৱন দর্শন'ৰ মাজত আমাৰ জীৱন দর্শন তেওঁৰ সম্পাদিত গ্ৰন্থত সন্নিৱিষ্ট হোৱাত কেতিয়াবা অভিভূত হৈ পৰো। বিশেষকৈ মোৰ জীৱনৰ বাবে আনন্দ আৰু সফলতাৰ মূহুৰ্তটো আছিল হোমেন বৰগোহাঁঞিৰ পৰা পোৱা পত্ৰখন যিখন পত্ৰ তেওঁ স্বাক্ষৰ কৰি মোলৈ প্ৰেৰণ কৰিছিল। মোৰ জীৱন দর্শন বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল। বৰণ্য সাহিত্যিক, লেখক, সম্পাদক, সাংবাদিক হোমেন বৰগোহাঁঞিৰ দৰে লোকে আমাৰ জীৱন তেওঁৰ সম্পাদিত গ্ৰন্থত সন্নিৱিষ্ট কৰিবলৈ প্ৰয়াস চলোৱাতো মোৰ বাবে আনন্দৰ বতৰা আছিল। অসমৰ বৰণ্য ব্যক্তিসকলৰ মাজত আমাক বিচাৰি এইদৰে তেওঁৰ সম্পাদিত গ্ৰন্থত মোৰ জীৱন দর্শন সন্নিৱিষ্ট হোৱাত সেই স্মৃতি হয়তো চিৰদিন সজীৱ হৈ থাকিব। আন এগৰাকী বিশিষ্ট লেখক, সাংবাদিক হেমন্ত শইকীয়াই প্ৰকাশ কৰি উলিওৱা 'অন্বেষণ (প্ৰথম খণ্ড)' শীৰ্ষক গ্ৰন্থখনতো এই লেখকৰ জীৱন পৰিক্ৰমা সন্নিৱিষ্ট কৰিছে। এয়াও হয়তো মোৰ বাবে মধুৰ অনুভৱ। ডিব্ৰুগড় জিলা সাংবাদিক সস্থা, ডিব্ৰুগড় সাহিত্য জীৱন, সদৌ অসম সাংবাদিক সস্থা, কানৈ মহাবিদ্যালয়ে প্ৰকাশ কৰা জীৱনপুঞ্জ গ্ৰন্থটো আমাৰ জীৱনৰ অভিজ্ঞতা, সফলতা, বিফলতা সন্নিৱিষ্ট কৰি লিপিবদ্ধ কৰি ৰাখিছে। এই লেখকৰ জীৱন সম্পৰ্কত ৰিজু গগৈৰ সম্পাদনাত প্ৰকাশ পোৱা 'খোজ জীৱনৰ খোজ' গ্ৰন্থখনতো বহু তথ্য সন্নিৱিষ্ট হৈছে। অপূর্ব শর্মাৰ

সম্পাদনাত প্রকাশ পোৱা 'কর্মসূর্য ডঁ শশীকান্ত শইকীয়া' শীর্ষক গ্রন্থখনো এই লেখকৰ জীৱনৰ বহু তথ্যৰে সন্নিৱিষ্ট এখন অনুপম তথ্য সমৃদ্ধ গ্রন্থ। ডঁ পল্লৱী গগৈ আৰু অপূর্ব শর্মাৰ সম্পাদনাত প্রকাশ পোৱা 'উত্তৰণ' শীর্ষক গ্রন্থখনতো এই লেখকৰ বর্ণিল জীৱন পৰিক্রমা সম্পর্কে বহু কথাই প্রকাশ পাইছে। ডঁ পল্লৱী গগৈ আৰু অপূর্ব শর্মাৰ সম্পাদনাত প্রকাশ পোৱা 'এনামেছিচ' গ্রন্থটো আমাৰ জীৱনৰ কিছু অংশ সন্নিৱিষ্ট হৈছে। বিভিন্ন বিষয়, দৃষ্টিকোণৰ পৰা লিখা প্রায় ৪০ খন গ্রন্থ প্রকাশ পোৱাতোও জীৱনৰ এক অনন্য অনুভৱ আৰু সফলতা বুলি কেতিয়াবা মনলৈ আনন্দ কঢ়িয়াই আনে। আৰু যে কিমান কথা, কিমান চিন্তা, কিমান অভিজ্ঞতা নিজেও লিখিব লগা আছে।

২০১৬ চনৰ ডিচেম্বৰ মাহত 'ডি এইচ এচ কে মাহাবিদ্যালয়ৰ অভিজ্ঞতা' শীর্ষক এখন গ্রন্থও প্রকাশ পাইছে। উক্ত গ্রন্থত ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ অভিজ্ঞতাৰ কিছু আলোকপাত কৰা হৈছিল। ইয়াৰ পিছতো সময় বাগৰিবলৈ ধৰিলে, আৰু কত যে অভিজ্ঞতা মহাবিদ্যালয়খনত। ডি. এইচ. এচ কানৈ মহাবিদ্যালয়ে চাওতে চাওতে আশী বছৰ সম্পূর্ণ কৰিলে। আৰম্ভণিতে ডিব্রুগড় মহাবিদ্যালয় আৰু পৰৱর্তী সময়ত ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (ডি. এইচ. এচ কানৈ মহাবিদ্যালয়)। ঐতিহ্যপূর্ণ মহাবিদ্যালয়খনত ২০১৫ চনৰ ১৯ জুনত অধ্যক্ষ হিচাবে যোগদান কৰাৰ পিছত সম্প্রতি প্রায় দহটা বছৰ অতিক্রম হ'ল। চকুৰ পচাৰাতে এটা দশক অতিক্রম হ'ল মহাবিদ্যালয়খনত। এতিয়াও মনত পৰে কর্মজীৱনৰ দিছপুৰ মহাবিদ্যালয়, ডিব্রু মহাবিদ্যালয়ত অধ্যাপনাৰ দিনবোৰ। মনত পৰে মজুলী মহাবিদ্যালয়ৰ তিনিবছৰ তিনিমাহ অধ্যক্ষৰ সেই মধুৰ স্মৃতিবোৰ। দিছপুৰ মহাবিদ্যালয়ত ১৯৯৪ চনৰ ১৬ আগষ্টৰ পৰা ৩০ অক্টোবৰলৈ, ডিব্রুগড়ৰ ডিব্রু-মহাবিদ্যালয়ত ১৯৯৪ চনত ৩১ অক্টোবৰ পৰা ২০১২ চনৰ ২ মার্চলৈ আৰু মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে ২০১২ চনৰ ৩ মার্চৰ পৰা ২০১৫ চনৰ ১৮ জুনলৈ। সুদীর্ঘ কাল অধ্যাপনা, অধ্যক্ষ হিচাবে আগবঢ়োৱা বিভিন্ন মহাবিদ্যালয়ৰ স্মৃতিবোৰ এটিয়াও সজীৱ হৈ আছে। ডুমডুমা মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়ত ছাত্রাৱস্থাত নিশা নিশা আসাম টিম্বার এণ্ড প্লাইউড লিমিটেডত শ্রমিক হিচাবে কাম কৰা দিনবোৰ, ডুমডুমাৰ পৰা ফিল'বাৰী বালিকা বিদ্যালয়ত গৈ শিক্ষকতা কৰা দিনবোৰ মানসপটত এতিয়াও জিলিকি আছে। ডুমডুমাৰ পৰা ফিল'বাৰীলৈ দৈনিক চাইকেলেৰে অহা-যোৱা কৰিছিলো। দূৰত্ব অহা-যোৱা ৪০ কিল'মিটাৰ। উখৰা-মখৰা বোকা-পানী, শিল-বালিৰ পথ আছিল সেই সময়ত। শিক্ষকতাৰ তাড়ণাত অযুত সপোন লৈ অতি কষ্টেৰে সেৱা আগবঢ়াইছিলো। ইমান কষ্ট কৰাৰ বিনিময়ত কেতিয়াবা কোনোবা মাহত ৫০ টকা প্রধান শিক্ষক ধর্মেশ্বৰ বৰুৱাই দিছিল। কেতিয়াবা দিয়া নাছিল। তাত কোনো আক্ষেপো নাছিল, দুখো নাছিল। কিন্তু শিক্ষকতাৰ আনন্দ লৈছিলো, ছাত্রীসকলক যিমান পৰা যায় সময় দিছিলো, আকৌ বাৰে বাৰে বিষয়বোৰ বুজাবলৈ চেষ্টা কৰিছিলো। মাহেকীয়া দৰমহা বা বানচ নিয়মীয়াকৈ নাপালেও শিক্ষকতাৰ বৃত্তিটোত মনোযোগে নামি পৰিছিলো। ৪০ কিল'মিটাৰ পথ অহা-যোৱা কৰি শিক্ষকতা কৰাৰ আনন্দ হয়তো এতিয়াও কাকো বুজাব নোৱাৰো। কঠোৰ পৰিশ্রম আৰু সাধনাৰ ফলত জীৱনটো আগু�ৰাই নিবলৈ চেষ্টা কৰিছিলো। শিক্ষকতা কৰি আহি নিশা কেতিয়াবা ১১ বজালৈকে ঘৰে ঘৰে গৈ ঘৰুৱা শিক্ষকতা কৰিছিলো। পুৱা ৫ বজাৰ পৰা ঘৰতে ছাত্র-ছাত্রীক টিউশ্যান কৰি পুনৰ ফিল'বাৰীলৈ গৈ শিক্ষকতাৰ বাবে ৰাওনা হৈছিলো। মুঠতে ছাত্র জীৱনত এফালে পঢ়া-শুনা, আনফালে শিক্ষকতা, মজুৰি শ্রমিক আদিৰ মাজেৰে জীৱনটো আগু�ৰাই নি পৰৱর্তী সময়ত দুখন মহাবিদ্যালয়ত অধ্যাপনা, অসমৰ দুখন ঐতিহাসিক মহাবিদ্যালয়ত অধ্যক্ষ হিচাবে সেৱা আগবঢ়াবলৈ পোৱাটো নিজকে পৰম সৌভাগ্যৱান বুলি ভাবো।

ডি.এইচ.এচ. কানৈ মহাবিদ্যালয়ৰ সপোনৰ বিষয়ে লিখিবলৈ লোৱাৰ পাতনিত এই কথাখিনি লিখাৰ একমাত্র উদ্দেশ্য হ'ল কর্মময় জীৱনৰ স্মৃতি ৰোমন্থন কৰা, এৰি অহা দিনবোৰে যাতে কাম কৰাৰ শক্তি হিচাবে মনৰ মাজত অগা-ডেৰা কৰি থাকে, কাম কৰাৰ সঞ্জীৱনী শক্তি লাভ কৰো, কেনেদৰে সেই দিনবোৰ অতিক্রম কৰি আহি, কেনেদৰে কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাবে দহ বছৰ অতিক্রম কৰিলো। দহটা বছৰ বা এটা দশক কম সময় নহয়। কেতিয়াবা অনুভৱ হয় কেনেদৰে পাৰ হৈ গ'ল জীৱনৰ দহটা বছৰ। মাজুলী মহাবিদ্যালয়ৰ পৰা আহি কানৈ মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত এটাই সপোন দেখিছিলো, সেয়া হ'ল এখন শৃংখলাবদ্ধ মহাবিদ্যালয়, চাফ্চিকুণ মহাবিদ্যালয়, তথ্য-প্রযুক্তিৰে পৰিপূর্ণ, সকলো সা-সুবিধাৰে পৰিপূর্ণ, চৌদিশে সেউজীয়া, বিশ্বৰ চুকে কোণে শিক্ষা-দীক্ষা-জ্ঞান-প্রজ্ঞাৰে জিলিকি থকা এখন সর্ব্বাঙ্গসুন্দৰ মহাবিদ্যালয় গঢ়ি তোলা। এই দহটা বছৰত মহাবিদ্যালয়খনক 'ছ'চাইটীয়েল ইনষ্টিটিউশ্যান' হিচাবে গঢ়ি তোলাৰ প্রয়াস কৰা হৈছিল। তাৰে কিছু সফলতা লাভ কৰা যেন অনুভৱ হয়। মহাবিদ্যালয়খনত প্রযুক্তিৰ পূর্ণ ব্যৱহাৰ কৰাৰ ক্ষেত্রত কিছু সফল হোৱা যেন বোধ হয়। 'কেছলেচ' অর্থাৎ

নগদবিহীন মহাবিদ্যালয় হিচাবে গঢ়ি তোলাৰ ক্ষেত্রত প্রচেষ্টা চলোৱা হৈছিল। ইন্টাৰনেটৰ মাধ্যমত মহাবিদ্যালয়খনত 'অনলাইন নগদ লেনদেন' আৰম্ভ কৰা হয়। শ্রেণীকোঠাৰ শিক্ষক আৰু শিক্ষার্থীৰ উপস্থিতি ল'বলৈ 'অনলাইন উপস্থিতি' ব্যৱস্থা কৰা হয়। ছাত্র একতা সভাৰ নির্বাচনত অনলাইন মাধ্যমেৰে সম্পন্ন কৰা ব্যৱস্থাও লোৱা হয়। বোধহয় ভাৰতবর্ষত শ্রেণীকোঠাৰ অনলাইন উপস্থিতি, অনলাইন মাধ্যমত ছাত্র একতা সভাৰ নির্বাচন সম্পন্ন কৰা মহাবিদ্যালয়ৰ তালিকাত ডি.এইচ.এচ কানৈ মহাবিদ্যালয় এক নম্বৰ স্থানত। পৃথিৱীৰ আন দেশত তেনে ব্যৱস্থা আছেনে নাই সেয়া জনাৰ উপায় নাই। পৃথিৱীৰ তথ্য সংগ্রহ কৰিবলৈ কেৱল 'গুগ'ল ছার্চ ইঞ্জিন'ৰ সহায় লোৱা হয়। গুগ'লত বিচাৰিলে কেৱল ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ নাম পোৱা যায়। সেয়ে কেতিয়াবা কেতিয়াবা এনে অত্যাধুনিক ব্যৱস্থা পৃথিৱীৰ ভিতৰত কেৱল কানৈ মহাবিদ্যালয়তে সংযোজন কৰা হৈছে তেনে অনুভৱ হয়। হয়তো কোনোবাই কৰবাত ব্যৱহাৰ কৰিছে বা নকৰিবও পাৰে। তেনে চিন্তা হয়তো মানুহৰ মনলৈ নাহিবও পাৰে। কানৈ মাহবিদ্যালয়ত নতুনত্ব, সৃষ্টিশীল বা অগতানুগতিক কিছু চিন্তা কৰা হৈছে আৰু সেয়া মহাবিদ্যালয়খনত যোগদান কৰাৰ সময়তে তেনে সপোন দেখিছিলো। মহাবিদ্যালয়খনৰ নাকৰ গ্রেড বি ডাবল প্লাছৰ পৰা এ গ্রেডলৈ উন্নীত কৰাৰ বাবে প্রকৃততে এখন পৰিকল্পিত যুদ্ধও কৰা হৈছিল। ফলত মহাবিদ্যালয়খনে নাকৰ এ গ্রেড লাভ কৰে।

মহাবিদ্যালয়খন চাৰিওদিশ পৰিষ্কাৰ কৰি ৰাখিবলৈ গ্রীণ ক্লাৰ জন্ম দিয়াৰ পৰা মহাবিদ্যালয়খনে গ্রীণ অডিটেড কলেজ নামেৰে জনাজাত হোৱাৰ পৰৱর্তী সময়ত ডিব্রুগড় জিলা প্রশাসনৰ পৰা স্বচ্ছতাৰ বঁটা, নেহৰু যুৱ কেন্দ্রৰ পৰা শ্রেষ্ঠ স্বচ্ছতাৰ বঁটা, ডিব্রুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত তিনিবাৰকৈ শ্রেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ বঁটা, এবাৰ শ্রেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয় বঁটা, ৰাষ্ট্রীয় পর্যায়ত এন চি চিৰ তৰফৰ পৰা চুটি ছবি প্রতিযোগিতাত আঁজুৰি অনা দ্বিতীয় ৰাষ্ট্রীয় স্বচ্ছতা বঁটা, আই এচ অ'-৯০০১ ৰ যোগেদি প্রমাণ পত্র লাভ, কেন্দ্রীয় চৰকাৰৰ শিক্ষা মন্ত্রণালয়, উদ্যোগীক উদ্যমিতা আৰু ইন'ভেশ্যন কাউন্সিলৰ তৰফৰ পৰা ইষ্টিটিউশ্যন ইন'ভেশ্যন কাউন্সিল প্রতিষ্ঠাৰ প্রমাণ পত্র, কেন্দ্রীয় চৰকাৰ তৰফৰ পৰা স্বচ্ছতা প্রমাণ পত্র, ডিব্রুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা শ্রেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান আদি লাভ কৰাই নহয়, ভাৰতীয় ডাক বিভাগে ২০২৩ চনত কানৈ মহাবিদ্যালয়ৰ নামত এটা বিশেষ খাম প্রকাশ কৰা আৰু ৰাষ্ট্রসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্রৰ তৰফৰ পৰা ২০২৪ বর্ষত কানৈ মহাবিদ্যালয়ক 'চেণ্টাৰ অব এক্সিলেঞ্চ' বঁটা প্রদান কৰে। এনে প্রাপ্তিয়ে কেতিয়াবা মন পুলকিত কৰে আৰু কাম কৰাৰ বাবে প্রেৰণা দিয়ে। ২০১৫ চনত আৰু ২০১৯ চনত কানৈ মহাবিদ্যালয়ে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত শ্রেষ্ঠ স্নাতক কঢ়িয়াই আনিছিল ক্রমে দিপাৱলী কুর্মী আৰু গুৰপীত কৌৰ ভির্দিয়ে। বিভিন্ন বিভাগৰ বিশেষ বিষয়ত শিক্ষার্থীয়ে সর্বাধিক নম্বৰ আহৰণ কৰাতো দৰাচলতে আনন্দৰ বিষয়। এন চি চি কেডেট ফণীভূষণ দাস, ওমৰ খান, আলোক কুমাৰ শর্মা আদি শিক্ষার্থীয়ে দেশৰ লগতে উত্তৰ-পূৱাঞ্চললৈ বিশেষ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। এই লেখককো প্রায় এশ চল্লিশটাৰো আধিক সংস্থা আৰু সংগঠনে কর্ম স্বীকৃতি দি ৰাজহুৱা সম্বর্ধনা জনোৱা মুহূর্তবোৰ প্রকৃততে জীৱনত এক অনাবিল, অফুৰন্ত প্রেৰণা উৎস যেন অনুভৱ হয়। এই ক্ষেত্রত ডিব্রুগড় জিলা কর্মচাৰী পৰিষদে আগবঢ়োৱা সন্মান সেই সময়ৰ মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে 'কর্মসূর্য' উপাধি প্রদান কৰাৰ মুহূর্তবোৰ জীপাল হৈ আছে।

সেই সময়ৰ অসম আৰু নগালেণ্ডৰ ৰাজ্যপাল পি.বি আচার্যই স্বচ্ছ ভাৰত মিছনৰ অসমৰ বেণ্ড এম্বেচেডৰ, ডিব্রুগড় হিন্দু মিনল মন্দিয়ে পৰমানন্দ মানৰ সেৱা ৰত্ন বঁটা, কানৈ মহাবিদ্যালয়ৰ ছাত্র একতা সভাই হাচান শ্বৰীফ আহমেদ সমন্বয় বঁটা, দিল্লী এন. এম. অ. পি. এচ তৰফৰ পৰা সেউজ ৰত্ন বঁটা-২০২১, গুৱাহাটীস্থ মহিয়সী সেউজী সাহিত্য মঞ্চৰ তৰফৰ পৰা সেউজী প্রাগজ্যোতিষ সন্মান-২০২২, শ্বহীদ কুশল কোঁৰৰ স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত ডিবৰু হিতৈষী সন্মান, মেঘালয়ৰ অন্যতম বে-চৰকাৰী বিশ্ববিদ্যালয় ইউ.এচ.টি.এমৰ তৰফৰ পৰা একাডেমীক লিডাৰশ্বিপ এৱার্ড-২০২৩, গুৱাহাটীস্থ ডিভাইন হেণ্ড ৰেলফেয়াৰ অর্গেনাইজেশ্যনে গুৱাহাটী কলাক্ষেত্রত আয়োজন কৰা এক গাম্ভীর্যপূর্ণ সভাত প্রদান কৰা 'অসম গৌৰৱ বঁটা'-২০২৩, মাজুলীৰ অন্যতম আলোচনী 'পলস'ৰ তৰফৰ পৰা সত্রাধিকাৰ জনার্দ্দন দেৱগোস্বামীৰ হাতেৰে দীনবন্ধু উপাধি, ডঁ বি.আৰ. আম্বেদকাৰ ৰাষ্ট্রীয় সন্মন পদক -২০২৩, ডিব্রুগড় জিলা কোঁচ ৰাজবংশী ছাত্র সস্থাৰ তৰফৰ পৰা বীৰ চিলাৰাই বঁটা, কলকতাৰ প্রখ্যাত শিক্ষানুষ্ঠান ই. আই. আই. এল. এমৰ তৰফৰ পৰা নর্থ ইষ্ট লিডাৰশ্বিপ এৱার্ড, সদৌ অসম অনুসুচীত জাতি সংগঠনৰ তৰফৰ পৰা বাবা চাহেব ডঁ ভীমৰাও ৰামজী আম্বেদকাৰ বঁটা, সদৌ ভাৰত সাংবাদিক সস্থাৰ তৰফৰ পৰা শ্রেষ্ঠ প্রশাসক বঁটা, মহীয়সী সাহিত্য মঞ্চৰ তৰফৰ পৰা বিশেষ সন্মান, চৈয়দ আব্দুল মালিক স্মৃতি বঁটা, অসমৰ জনপ্রিয়


সংগীত শিক্ষানুষ্ঠান গুৰুকুল সংগীত নৃত্য কলাকেন্দ্ৰৰ তৰফৰ পৰা জীৱন জোৰা সাধনা বঁটা, দিল্লীস্থ চিষ্ট, আই. চি. এফৰ তৰফৰ পৰা আন্তৰাষ্ট্ৰীয় শৈক্ষিক নেতৃত্বৰ ডিপ্লমাৰ সন্মান, জি. এইচ. আৰ. পি. এফ গৱেষণা প্ৰতিষ্ঠানৰ তৰফৰ পৰা সাহিত্যৰত্ন বঁটা, ডিব্ৰুগড় জিলা প্ৰশাসনে কৰ্মৰ স্বীকৃতি দি সম্বৰ্ধনা, অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাৰ জন্ম দিৱসত সভাপতি ড° সূৰ্যকান্ত হাজৰিকাৰ স্মৃতি ন্যাসৰ উদ্যোগত অনুষ্ঠিত সভাত সম্বৰ্ধনা, শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড়ৰ তৰফৰ পৰা সম্বৰ্ধনা, তিনিচুকীয়া জিলা সাহিত্য সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা আদি অনেক সন্মান তথা বঁটা লাভ কৰাৰ আনন্দ কেতিয়াও বুজাব নোৱাৰিম। ১৩০ টাৰো অধিক জাতীয় সংগঠন, অনুষ্ঠান- প্ৰতিষ্ঠানে জনোৱা সম্বৰ্ধনা, মৰম, ভালপোৱাও স্মৃতিৰ মানসপটত জিলিকি থাকিব।

এইয়াই হয়তো জীৱন, এয়াই কৰ্ম, এইয়াই সপোন আৰু আনন্দ। প্ৰকৃত উপলব্ধি কেৱল হৃদয়ত কৰিব পাৰি। আটাইতকৈ মনত চিৰদিন সজীৱ হৈ থাকিব ঐতিহাসিক ডি এইচ এছ কানৈ মহাবিদ্যালয়ক ভাৰত চৰাকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ তৰফৰ পৰা ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰা দিনটো। কানৈ মহাবিদ্যালয় ধূমপান মুক্ত মহাবিদ্যালয়, বোধকৰো উত্তৰ-পূবৰ প্ৰথমখন মহাবিদ্যালয়। সংশ্লিষ্ট মন্ত্ৰণালয়ৰ ইউ ডাইচ নম্বৰঃ ১৮১৫০৪০৮৫০৯ মৰ্মে ২০ ডিচেম্বৰ, ২০২৪ৰ পৰা কাৰ্যকৰী হোৱাকৈ মহাবিদ্যালয়খনক ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰে। ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে পালন কৰিব লগা নিৰ্দেশনাসমূহ সম্পূৰ্ণ ৰূপে পালন কৰাত মহাবিদ্যালয়খনক এনে প্ৰমাণ পত্ৰ প্ৰদান কৰে। বিগত চাৰি বছৰে ছাত্ৰ একতা সভা, অধ্যাপক-অধ্যাপিকাসকলৰ ই এক আচলতে সংগ্ৰাম আছিল। ছাত্ৰ একতা সভাই ধূমপানমুক্ত মহাবিদ্যালয়ৰ বাবে জিলা উপায়ুক্ত, স্বাস্থ্য বিভাগকে ধৰি ভাগে ভাগে পত্ৰ প্ৰেৰণ কৰাই নহয়, জিলা প্ৰশাসনৰ বিভিন্ন সভা, সমিতিত অধ্যাপকসকলে কানৈ মহাবিদ্যালয়ক ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰিবলৈ প্ৰস্তাৱ আনিব লগা হৈছিল। অৱশেষত কানৈ মহাবিদ্যালয়ে লাভ কৰিলে কেন্দ্ৰীয় চৰকাৰৰ পৰা 'ধূমপানমুক্ত মহাবিদ্যালয়' হিচাপে। ইকম আনন্দৰ খবৰ নে? চাৰিকুৰি বছৰীয়া মহাবিদ্যালয়খনৰ ইতিহাসত ই এক সঁচাকৈ মাইলৰ খুটি বুলি বিবেচিত হৈছে। যিকেইখন ছাত্ৰ একতা সভাই এই পদক্ষেপ গ্ৰহণ কৰিছিল, সেইসকলক ধন্যবাদ জ্ঞাপন কৰিছো। ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ পৰা মহাবিদ্যালয়খনলৈ অনলাইন যোগে প্ৰেৰণ কৰা প্ৰমাণ পত্ৰখন এক অনুষ্ঠানত ইণ্ডিয়ান ৰেড ক্ৰছ ছ'চাইটি, ডিব্ৰুগড় শাখাৰ সাধাৰণ সম্পাদক ড° পংকজ কুমাৰ শ্ৰুতিকৰ, অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ সভানেত্ৰী ড° ভাৰতী দত্ত আৰু যুটীয়া সম্পাদক অজিত কুমাৰ শৰ্মাই অধ্যক্ষ ড° শশীকান্ত শইকীয়াক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। সেয়াও আছিল আনন্দৰ খবৰ।

ৰেডক্ৰছৰ দৰে সংগঠন, বিজ্ঞান সমিতিৰ দৰে সংগঠনৰ বিষয়ববীয়াই মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে এই অভাজনক প্ৰমাণ পত্ৰখন দি আহ্লাদিত হৈছিল। তেওঁলোকে ঘোষণা কৰিছিল আজিৰ পৰা কানৈ মহাবিদ্যালয় এখন 'ধূমপানমুক্ত মহাবিদ্যালয়' হিচাপে সমগ্ৰ দেশতে পৰিচিত হৈ পৰিল। এনে গৌৰৱ আৰু আনন্দই তেওঁলোকৰ হৃদয়ো ওফন্দি উঠিছিল। অনুষ্ঠানত আটছাৰ ডিব্ৰুগড় জিলাৰ সম্পাদক লক্ষীন্দৰ কুৰ্মিকে ধৰি মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° মৰমী তালুকদাৰ, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপিকা উপাসনা দত্তকে ধৰি ভালেকেইজন অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি তেনে আনন্দৰ ভাগ লৈছিল। এই প্ৰমাণ পত্ৰ লাভ কৰাৰ পিছতে কানৈ মহাবিদ্যালয়ে আন এখন প্ৰমাণ পত্ৰ লাভ কৰে ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ দিনা। মহাবিদ্যালয়খনে ধূমপান মুক্ত যুৱ প্ৰজন্ম গঢি তুলিবলৈ ধূমপান মুক্ত যুৱ প্ৰজন্ম ২.০ ত অংশ গ্ৰহণ কৰি ধূমপান মুক্ত প্ৰতিশ্ৰুতি গ্ৰহণ কৰাৰ বাবে আন এখন প্ৰমাণ পত্ৰ লাভ কৰে স্বাস্থ্য আৰু পৰিয়াল কৈল্যাণ মন্ত্ৰণালয়ৰ তৰফৰ পৰা। সেয়াও এক আনন্দৰ খবৰ হিচাপে পৰিচিত হৈছে। আকৌ মনত পেলাবলৈ উভতি চাবলৈ মন গৈছে। সেই সোণসেৱীয়া এৰি অহা ক্ষণবোৰ। ২০২৩ চনত নাকৰ মূল্যায়ণত 'এ' গ্ৰেড লাভ কৰিছিল মহাবিদ্যালয়খনে। বি ডাৱল প্লাছৰ পৰা এ গ্ৰেড। কম আনন্দৰ বতৰা আছিলনে সেই মুহূৰ্তটো। মহাবিদ্যালয়খনে ইতিমধ্যে 'গ্ৰীণ অডিটেড কলেজ', 'স্বচ্ছতাৰ কলেজ', 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজ' নামেৰে গৌৰৱ অৰ্জন কৰি খ্যাতি অৰ্জন কৰিছিলেই।

তাৰ মাজতে মহাবিদ্যালয়খনে ২০২৪ চনত ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ তৰফৰ পৰা 'চেণ্টাৰ অব এক্সিলেঞ্চ' সন্মানেৰে সন্মানীত হৈছিল। মহাবিদ্যালয়খনে কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয়ৰ তৰফৰ পৰা ২০১৭ চনত দেশৰ ভিতৰত স্বচ্ছতাৰ 'দ্বিতীয় ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ', ২০২০, ২০২২ আৰু ২০২৩ বৰ্ষত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ তিনিবাৰকৈ 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান, ২০২৪ বৰ্ষত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত 'শ্ৰেষ্ঠ পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, ২০২৩ বৰ্ষত ভাৰতীয় ডাক বিভাগে মহাবিদ্যালয়খনৰ নামত লেফাফা প্ৰকাশ, ২০১৮ চনত ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা 'ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ', ২০২২ চনত ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ তৰফৰ পৰা মহাবিদ্যালয়খনক স্বচ্ছতাৰ সন্মান, গুণগত উচ্চমানৰ শিক্ষা প্ৰদান কৰাৰ বাবে ISO-9001 : 2015 প্ৰমাণ পত্ৰ লাভ কৰাৰ উপৰিও ২০২৪ চনত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়, উদ্ভাৱন কোষৰ তৰফৰ পৰা মহাবিদ্যালয়খনক Establishment of Institutions Innovation Council ৰ স্বীকৃতি প্ৰদান, মহাবিদ্যালয়খনে স্বচ্ছতাৰ দিশত কৰা কাম কাজৰ বাবে ২০২৪ চনত ভাৰত চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰণালয়, খোৱাপানী আৰু অনাময় বিভাগ, ভাৰত চৰকাৰৰ জল শক্তি মন্ত্ৰণালয়ে 'স্বচ্ছতা হি সেৱা ২০২৪' ৰূপায়ণ কৰাত এক প্ৰমাণ পত্ৰ যোগে ভূয়সী প্ৰশংসা কৰাৰ মুহূৰ্তবোৰ বোধকৰো সকলোৰে মনত সজীৱ হৈ থাকিব। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ে উত্তৰ-পূবৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত ডি এইচ এছ কানৈ মহাবিদ্যালয়ক প্ৰথম পৰ্যায়ত Knowledge Institution হিচাপে স্বীকৃতি দিয়া ক্ষণবোৰ কোনেও নিশ্চয় পাহৰিব নোৱাৰে। আজীৱন মানসপটত সেয়া স্মৃতি হৈ ৰ'ব। তাৰ মাজতে আহিল আকৌ এটা ভাল খবৰ। কেন্দ্ৰীয় চৰকাৰে মহাবিদ্যালয়খনক ২০২৫-২৬ বৰ্ষৰ পৰা Integrated Teacher Education Programmes (ITEP) under NCTE মুকলি কৰাৰ বাবে অনুমোদন জনোৱা খবৰ। এই পাঠ্যক্ৰম লাভ কৰিবলৈও আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে সকলো অধ্যাপক-অধ্যাপিকাই কম কষ্ট কৰিছিলনে? এনে পৰিশ্ৰম আৰু প্ৰচেষ্টাক হয়তো পাহৰিব নোৱাৰি। মহাবিদ্যালয়খনৰ শ্ৰেণীকোঠাকে ধৰি বিভিন্ন বিভাগত ১১০ টাৰো অধিক শীততাপ নিয়ন্ত্ৰিত যন্ত্ৰ সংস্থাপন কৰা অধিকাংশ বিভাগ আৰু শ্ৰেণীকেঠাতে 'ইনভাৰটাৰ', ছাত্ৰাৱাস, ছাত্ৰীনিৱাসকে ধৰি মূল ভৱনসমূহত সৌৰশক্তিৰ সংযোগ, প্ৰযুক্তিৰ দিশত শ্ৰীমন্ত শংকৰদেৰ সভাকক্ষকে ধৰি শিক্ষক জিৰণি কোঠা, অধ্যক্ষৰ সভা কক্ষত অত্যাধুনিক কমিউইটাৰ মনিটৰ সংযোজন, অত্যাধুনিক মনিটৰ সংযোজিত 'ম'বাইল চাৰ্জিং ষ্টেণ্ড' সযোজন আদিও মহাবিদ্যালয়খনৰ ইতিহাসত চিৰস্মৰণীয় হৈ থাকিব।

মহাবিদ্যালয়খন এনেদৰে উজুলি উঠাৰ মাজতে প্ৰাক্তন ছাত্ৰ সৰ্বানন্দ সোনোৱালে কেৱল মুখ্যমন্ত্ৰীয়েই নহয়, ভাৰত চৰকাৰৰ গুৰুত্বপূৰ্ণ কেবিনেট মন্ত্ৰীৰ দায়িত্বও লাভ কৰে। এজন প্ৰাক্তন শিক্ষাৰ্থী হিচাপে সৰ্বানন্দ সোনোৱালৰ সফলতা আৰু প্ৰাক্তন ছাত্ৰ ড° ৰাজীৱ গগৈয়ে পৃথিৱীৰ চতুৰ্থজন উদ্ভিদ বিজ্ঞানী হিচাপে স্বীকৃতি পোৱাৰ আনন্দৰ মুহূৰ্তবোৰ বোধকৰো কোনো ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীয়ে পাহৰিব নোৱাৰে। মহাবিদ্যালয়খনলৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মৰম ভালপোৱাও তুলনা কৰিব নোৱাৰি। প্ৰাক্তন ছাত্ৰ দীলিপ কুমাৰ গগৈয়ে পিতৃ উপেন্দ্ৰ নাথ গগৈৰ সৌৱৰণত মুকলি মঞ্চ নিৰ্মাণৰ বাবে ১২ লাখ টকা আৰু অভিনৱ চিন্তাৰে মুকলি কৰা 'আইডিয়া চেণ্টাৰ' নিৰ্মাণৰ বাবে স্বৰ্ণলতা দত্তই নবীন চন্দ্ৰ দত্তৰ নামত ৪ লাখ ২৫ হাজাৰ টকা মহাবিদ্যালয়খনলৈ আগবঢ়োৱাতো স্বাভাৱিকতে মনত সজীৱ হৈ থাকিব। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈয়ে মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসটো তেওঁৰ আদৰ্শ মাতৃ ৰুক্মিণী কানৈ নামেৰে 'ৰুক্মিণী কানৈ ছাত্ৰী নিৱাস' হিচপে নামকৰণ কৰা হয়। পৰিচালনা সমিতিৰ ২১ ডিচেম্বৰ, ২০২৪ ত অনুষ্ঠিত হোৱা সভাত এই সম্পৰ্কে বিস্তৃত আলোচনাৰ অন্তত নামকৰণ কৰা হয়। জ্যোতি প্ৰসাদ কানৈয়ে মহাবিদ্যালয়খনৰ পৰিয়ালে গ্ৰহণ কৰা এনে বদান্যতাৰ বাবে প্ৰায় ১৫ লাখ টকা আৰ্থিক সাহাৰ্য আগবঢ়োৱাৰ কথাটো পৰিচালনা সমিতিত ঘোষণা কৰে। প্ৰায় ৭০ বছৰ অতিক্ৰম কৰা ছাত্ৰীনিৱাসটোৰ নামকৰণ হোৱাটো বোধ হয় এটা উল্লেখযোগ্য দিশ। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰথমজন সম্পাদক অশ্বিনী চৰণ চৌধুৰীৰ নামত কেন্দ্ৰীয় গ্ৰন্থাগাৰটো নামকৰণ, প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসুৰ নামত বিজ্ঞান আৰু প্ৰযুক্তি ভৱন নামকৰণ, মহাবিদ্যালয়খনৰ ছাত্ৰাৱাসটোৰ নাম প্ৰয়াত অধ্যক্ষ ডিম্বেশ্বৰ চলিহাৰ নামত নামকৰণ কৰাতো এক উল্লেখযোগ্য সফলতা বুলিব পাৰি। ◆ ◆



সাম্প্রতিক সময়ত

শংকৰদেৱ অধ্যয়নৰ প্ৰয়োজনীয়তা

(ড° হীৰেন গোহাঁইৰ 'মানুহ শংকৰদেৱ' প্ৰবন্ধৰ উল্লিখনসহ)

কমল নয়ন দত্ত

আমি যেতিয়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কথা আলোচনা কৰোঁ তেতিয়াই আমি বিশ্ববন্দিত মহাশাস্ত্ৰ পৱিত্ৰ শ্ৰীমদ্ভাগৱদ গীতাৰ এফাঁকি শ্লোকৰ প্ৰায়েই অৱতাৱণা কৰোঁ—

য়দা য়দা হি ধর্মস্য গ্লানির্ভৱতি ভাৱত।
অভ্যুত্থানম অধর্মস্য তদাত্মানং সৃজাম্যহম্।।
পৱিত্ৰাণায় সাধূনাং ৱিনাশায় চ দুষ্কৃতাম্।
ধর্মসংস্থাপনার্থায় সম্ভৱামি য়ুগে য়ুগে।।

(গীতা—৪/৮)

গুৰুজনাৰ প্ৰসংগত এই শ্লোকফাঁকি উল্লেখ কৰাৰ কাৱণ মূলতঃ দুটা— প্ৰথম, তেওঁৰ জন্মৰ সময়ৰ অৰ্থাৎ মধ্যযুগৰ অসমখনৰ তিমিৰাচ্ছন্ন পৱিৱেশ প্ৰকট কৰি তোলা। দ্বিতীয়, তেখেতৰ চৰিত্ৰত ঐশ্ৱৰিকত্ব আৰোপ কৰা অৰ্থাৎ তেখেতক ভগৱান কৃষ্ণৰ এক অৱতাৰৰূপে প্ৰতিপন্ন কৰা। শংকৰদেৱে যি সময়ত জন্ম গ্ৰহণ কৰিছিল সেই সময়ত অসমত পূৰ্ণ পৰ্যায়ত ধর্মৰ বিপর্যয় ঘটিছিল, অধর্মৰ প্ৰভাৱে মানুহবিলাকক অন্ধ কৰি পেলাইছিল, ধর্মৰ নামত মানুহৰ ওপৰত নানা অত্যাচাৰ-অনাচাৰ চলিছিল। মুঠৰ ওপৰত এক অৰাজক পৱিৱেশ। সুযোগ বুজি প্ৰসংগক্ৰমে আমি সাম্প্ৰতিক পৱিস্থিতিৰ কথাও উল্লেখ কৰিব পাৰোঁ। সাম্প্ৰতিক সময়ত আমাৰ সমাজখনত কি ঘটি আছে সেয়া আমাৰ কাৰোৱেই অবিদিত নহয়। উগ্ৰ সাম্প্ৰদায়িকতাবাদৰ কবলত পৱি আমাৰ

সমাজ আজি তচ্‌নচ্‌। আজিৰ সমাজ আৰু সময় হত্যা, হিংসা, লুণ্ঠনত জর্জৰিত। জনতাৰ ওপৰত ৰজাঘৰীয়াৰ অত্যাচাৰ মধ্যযুগতকৈ কোনো গুণে কম নহয় (মাথোঁ পদ্ধতি পৃথক)। জাতীয়তাবাদৰ নামত সংগোপনে শিপাবলৈ ধৰিছে উগ্ৰ জাতীয়তাবাদ। পঞ্চদশ শতাব্দীৰ সেইছোৱা কলংকিত সময় আৰু আজিৰ সময়ৰ মাজত কিবা পার্থক্য আছেনে?

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এজন ঈশ্ৱৰ নাইবা অৱতাৰী পুৰুষ আছিল নে নাছিল সেই কথা বিচাৰ-বিবেচনা কৰাটো এই আলোচনাৰ পৱিসৰৰ বাহিৰত। তেওঁক ইয়াত কেৱল এজন তেজ মঙহৰ সাধাৰণ কিন্তু মহান হৃদয়ৱ, বিশাল ব্যক্তিত্ৱৰ আৰু বিৰল প্ৰতিভাৰ অধিকাৰী ব্যক্তি বুলি জ্ঞান কৰিহে আলোচনা কৰা হ'ব।

আলোচনাৰ গভীৰতালৈ যোৱাৰ আগতে 'শংকৰদেৱ অধ্যয়ন'ৰ আওঁতাত কি কি কথা অন্তর্ভুক্ত হয় তাক সংক্ষেপতে আলোচনা কৰাটো নিশ্চয় ভাল হ'ব। কোৱা বাহুল্য মাথোঁ যে শংকৰদেৱ অধ্যয়ন এক বহল পৱিসৰৰ বিষয়। ইয়াত অন্তর্ভুক্ত হ'ব— গুৰুজনাৰ জীৱন, তেখেতৰ ধর্মীয় দর্শন, একশৰণ নামধর্ম আৰু তেখেতৰ মহান সৃষ্টি-কর্মসমূহ। কেৱল ইমানেই নহয়, তেখেতৰ ব্যক্তিগত আদর্শ, বিভিন্ন জাতি-জনজাতিৰ প্ৰতি থকা উদাৰ দৃষ্টিভংগী, জীৱনশৈলী, মেধা, প্ৰজ্ঞা আৰু প্ৰতিভা— এই সকলোবোৰ ইয়াৰ অন্তর্ভুক্ত হ'ব। এতিয়া কথা হ'ল, এইবোৰ অধ্যয়ন কৰা, চর্চা কৰা নাইবা আলোচনাৰ প্ৰাসংগিকতা বা প্ৰয়োজনীয়তা সাম্প্ৰতিক সময়ত কিমান?

অসমৰ প্ৰথমখন সংবাদপত্ৰ অৰুণোদইৰ পাততে চৰিত পুথিৰ অলৌকিকতা অতিক্ৰমি শংকৰদেৱৰ প্ৰকৃত অধ্যয়নৰ বা প্ৰকৃত চর্চাৰ বাবে এক অনুকূল পৱিৱেশৰ সূচনা হয়। অৰুণোদইৰ পৰৱর্তী সময়তো শংকৰদেৱ অধ্যয়নৰ এই গতি অব্যাহত থাকে আৰু ধর্মীয় গুৰুৱ পৱিধিৰ পৰা আঁতৰাই এজন পূর্ণমানৱ চৰিত্ৰ হিচাপে বিভিন্ন দিশৰ পৰা শংকৰদেৱৰ অধ্যয়ন হ'বলৈ ধৰে। অলৌকিকতাক পৱিহাৰ কৰি শংকৰদেৱৰ গাত নতুন দৃষ্টিৰে মানৱ চৰিত্ৰ আৰোপ কৰি তেওঁক সম্পূর্ণ মানুহৰ ৰূপত উদ্ভাসিত কৰি তোলাৰ এই প্ৰয়াসৰ পৰাই আধুনিক দৃষ্টিৰে শংকৰদেৱ অধ্যয়নৰ প্ৰয়াস আৰম্ভ হোৱা বুলি ক'ব পাৰি।

শংকৰদেৱৰ ধর্মপ্রচাৰক আৰু আধ্যাত্মিক গুৰু হিচাপে থকা প্ৰচলিত ভাবমূর্তিৰ ঊর্ধ্বলৈ গৈ এক বিৰল প্ৰতিভাধৰ আৰু মানৱপ্ৰেমী সাহিত্যিক, সংস্কৃতিপ্রাণ আৰু সকলো মানৱীয় দোষ-ত্রুটিৰে এজন মানুহ হিচাপে শংকৰদেৱক সাম্প্ৰতিক সময়ত অধ্যয়ন কৰি থকা এগৰাকী বিশেষ ব্যক্তি হৈছে— ড° হীৰেন গোহাঁই। শংকৰদেৱৰ সাহিত্যকৃতিৰ লগতে সমাজ-জীৱনলৈ তেখেতে আগবঢ়াই থৈ যোৱা অৱদানৰ এক বিস্তৃত, বিজ্ঞানসম্মত আৰু পদ্ধতিগত অধ্যয়নৰ ক্ষেত্ৰত হীৰেন গোহাঁইৰ অৱদান অনস্বীকার্য। তেখেতে 'মানুহ শংকৰদেৱ' শীর্ষক প্ৰৱন্ধটোত (প্রকৃততে, ২৪/০৮/১৯৮৫ তাৰিখে বৃহত্তৰ খাৰঘুলি শংকৰ জন্মোৎসৱৰ আলোচনা সভাত দিয়া বক্তৃতাৰ পৱিৱর্ধিত ৰূপ)। শংকৰদেৱক কিয় মানুহ জ্ঞান কৰি অধ্যয়ন কৰিব লাগে সেই কথা উল্লেখ কৰিছে এইদৰে—

"ধূপ-ধুনাৰ ধোঁৱাৰে তেওঁৰ আচল পৱিচয় আৰু আমাৰ বুদ্ধি একলগে আচ্ছন্ন কৰি থ'লে আমি তেওঁৰ এই মানৱীয় গুণৰাজি আৰু মানৱীয় সাধনা বুজিব নোৱাৰিম। এই কথাও বুজিব নোৱাৰিম যে আন সকলো মহৎ লোকৰ দৰে তেৱোঁ কোনো কোনো বিষয়ত নিজৰ যুগৰ দোষ ত্রুটি বা সীমাবদ্ধতাৰ ঊর্ধ্বত নাছিল।"

শংকৰদেৱক ঈশ্ৱৰৰ আসনৰ পৰা নমাই আনি এজন দেৱতুল্য ব্যক্তিৰ আসনত বহুৱাই অধ্যয়ন কৰিবলৈ বিচৰাৰ অন্তৰালত অনেক কাৱণ নিহিত হৈ আছে। যেতিয়ালৈকে শংকৰদেৱৰ চৰিত্ৰত কেৱল ঐশ্ৱৰিকত্ব আৰোপ কৰি থকা হ'ব তেতিয়ালৈকে সাধাৰণ মানুহে তেওঁৰ আদর্শ গ্রহণ কৰিবলৈ অপাৰগ হ'ব আৰু তাৰ বিপৰীতে যেতিয়াই দেৱতাৰ পূজাৰ বেদীৰ পৰা নমাই আনি শংকৰদেৱক সাধাৰণ মানুহে বন্ধুৰ আসনত বহুৱাব পাৰিব তেতিয়াই তেওঁলোকৰ মনত উদয় হ'ব— তেওঁ দেখোন আমাৰ দৰেই এজন তেজ-মঙহৰ মানুহ, তেওঁৰ জীৱনাদর্শ আমি আমাৰ জীৱনত কিয় প্ৰয়োগ কৰিব নোৱাৰিম? আৰু সাম্প্ৰতিক সময়ত আমাক এনে এক মানসিকতাৰেই প্ৰয়োজন হৈছে। সকলোৰে যদি শংকৰদেৱৰ— সকলো প্ৰাণীকে সম দৃষ্টিৰে চোৱা, জাতিভেদ প্ৰথাৰ বিৰোধিতা, সাংসাৰিক হৈও কামনা-বাসনাৰ মায়াজালৰ পৰা মুক্ত ইত্যাদি মহামানৱীয় গুণসমূহ আয়ত্ত কৰে তেন্তে সাম্প্ৰতিক সময়ত সমাজৰ বাবে তাতকৈ সুখময় বার্তা কি হ'ব পাৰে?

আজিৰ সমাজ আৰু সময় কেৱল অশুভ শক্তিৰ সমাহাৰ বুলি কৈ সমালোচনা কৰা এই প্ৰৱন্ধৰ উদ্দেশ্য নহয়। কিন্তু আদর্শশূন্যতাই সমাজৰ প্ৰতিটো দিশ ভয়াৱহ ৰূপত গ্রাস কৰি পেলোৱাৰ কথাও আমি কোনোপধ্যেই নুই কৰিব নোৱাৰোঁ আৰু এনে অৱস্থাতে অনুভৱ কৰা যায় শংকৰদেৱৰ আদর্শনিষ্ঠাৰ প্ৰয়োজনীয়তা। তেওঁৰ নিভাঁজ আদর্শনিষ্ঠাৰ প্ৰমাণ বিভিন্ন কথাৰ পৰা পোৱা যায়। শংকৰদেৱে তেওঁৰ দ্বাৰা প্ৰৱর্তিত একশৰণ নাম ধর্মক কেতিয়াও তেওঁৰ ব্যক্তিগত

সম্পত্তি যেন জ্ঞান কৰা নাছিল। তেওঁ এই ধৰ্ম প্ৰচাৰৰ সমান্তৰালভাৱে প্ৰৱৰ্তক হিচাপে তেওঁৰ নাম প্ৰচাৰ নাইবা প্ৰসাৰ হওক বুলি কেতিয়াও ভবা নাছিল। সেয়ে তেওঁ পুত্ৰ ৰমানন্দকো তেওঁ অসমীয়া জাতিৰ প্ৰতি আগবঢ়াই যোৱা আধ্যাত্মিক দানসমূহক পৈতৃক সম্পত্তি যেন জ্ঞান নকৰিবলৈ দঢ়াই গৈছিল। এই প্ৰসংগত হীৰেন গোহাঁইদেৱে 'মানুহ শংকৰদেৱ' প্ৰৱন্ধত লিখিছে—

"....অৰ্থাৎ ভক্তিধৰ্মক নিজৰ ব্যক্তিগত সৃষ্টি বুলি তেওঁ কেতিয়াও ভবা নাছিল। অসমত জনসাধাৰণৰ মাজত বৈষ্ণৱ ধ্যান-ধাৰণা প্ৰচাৰ কৰাত নেতৃত্ব দিয়া সত্ত্বেও গীত-নাটৰ যোগেদি জনসাধাৰণৰ কল্পনা আৰু হৃদয়ত তাক প্ৰতিষ্ঠা কৰা সত্ত্বেও নামঘৰত নাম-কীৰ্ত্তনৰ জৰিয়তে সেইবোৰ ধ্যান-ধাৰণাক দৈনন্দিন অভ্যাস বা সংস্কাৰত পৰিণত কৰা সত্ত্বেও তেওঁ এই আন্দোলনৰ ওপৰত কোনো ব্যক্তিগত অধিকাৰ দাবী কৰা নাছিল। অথচ আজি আমি দেখোঁ যে ৰাজনৈতিক ক্ষমতা বা নেতৃত্বও নিজৰ পৰিয়ালতে আবদ্ধ কৰি ৰখাৰ অপচেষ্টা বেছ ব্যাপক। আদৰ্শৰ প্ৰতি প্ৰকৃত নিষ্ঠা বা জনসাধাৰণৰ বাবে সেই আদৰ্শৰ প্ৰয়োজন উপলব্ধি কৰা— দুয়োটা বস্তুৱেই হয়তো আজিকালি দুৰ্লভ।"

গতিকে শংকৰদেৱৰ এই আদৰ্শনিষ্ঠাৰ অধ্যয়ন তথা চৰ্চাই অন্ততঃ হয়তো নৱপ্ৰজন্মক শিকাই দিব পাৰিব প্ৰকৃত আদৰ্শনিষ্ঠাক গোটেই জীৱন জুৰি লালন-পালন কৰি এটা জাতিক একত্ৰিত কৰাৰ মূলমন্ত্ৰ কি।

আদৰ্শৰ দিশটোক আন এক দৃষ্টিকোণৰ পৰা টানি আনি ড° হীৰেন গোহাঁইদেৱে 'মানুহ শংকৰদেৱ' প্ৰৱন্ধটোত শংকৰদেৱৰ আদৰ্শৰ প্ৰাসংগিকতা প্ৰমাণ কৰিছে। তেওঁ লিখিছে—

"শংকৰদেৱে কিন্তু তেওঁৰ আদৰ্শ লালন-পালন কৰিছিল মানুহৰ বাবে আৰু মানুহৰ আধাৰত। সেয়ে তেওঁৰ ধৰ্মৰ অন্যতম বৈশিষ্ট্য আছিল ভকতসকলৰ লগত তেওঁৰ অদ্ভুত উমসনা সম্পৰ্ক। যিকোনো জাতিৰে বা কুলৰে নহওক, তেওঁৰ আদৰ্শ গ্ৰহণ কৰা ভকতসকল আছিল তেওঁৰ চকুৰ মণি, হিয়াৰ আমঠু।"

কিন্তু আজিৰ তাৰিখত আদৰ্শ প্ৰতিষ্ঠাৰ বাবে চলোৱা প্ৰচেষ্টা ইয়াৰ সম্পূৰ্ণ বিপৰীত— সেয়া লাগিলে ৰাজনৈতিক আদৰ্শই হওক বা আন কোনো সামাজিক আদৰ্শই হওক। বিভাজনকেন্দ্ৰিক ৰাজনীতিৰ আশ্ৰয় আজিৰ তাৰিখত (তথাকথিত) আদৰ্শ প্ৰতিষ্ঠাৰ মূল অস্ত্ৰ । গতিকে, শংকৰদেৱৰ আদৰ্শৰ অধ্যয়ন সাম্প্ৰতিক সময়ত কিমান প্ৰয়োজন, তাক হয়তো পুনৰবাৰ ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই।

এই আলোচনাত পূৰ্বতেই উল্লেখ কৰা হৈছে শংকৰদেৱ অধ্যয়নৰ ব্যাপ্ততাৰ কথা। ই কেৱল তেখেতৰ আদৰ্শক সামৰি নলয়, সামৰি ল'ব তেওঁৰ জীৱনজোৰা কৰ্ম আৰু সাধনাকো। অসমৰ দৰে এখন ঠাইত তেনে এক দুৰ্যোগপূৰ্ণ সময়ত কেৱল জনসাধাৰণৰ চিন্তা আৰু চেতনাত নতুন দিগন্তৰ সূচনা কৰিবৰ বাবেই শংকৰদেৱে তেওঁৰ সৃষ্টি কৰ্মত হাত দিছিল আৰু সেই মহান কৰ্মৰাজিক আজিৰ তাৰিখত এক নতুন দৃষ্টিভংগীৰে বিচাৰ কৰি অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। অসমৰ নতুন প্ৰজন্মক কৰ্ম-সংস্কৃতিৱান আৰু কৰ্মঠ কৰি তোলাৰ স্বাৰ্থতে শংকৰদেৱৰ ঐতিহাসিক কৰ্মৰাজিৰ সাম্প্ৰতিক সময়ত উচিত আৰু শুদ্ধ বিচাৰ কৰি ইয়াৰ অধ্যয়নৰ প্ৰাসংগিকতা প্ৰতিপন্ন কৰাৰ সার্থকতা আছে ।

আলোচনা চলি থাকিব, সমালোচনাও থাকিব বা কোনো কোনো ক্ষেত্ৰত বিতৰ্কৰো উদ্ভৱ হ'ব— কিন্তু আমি এই ধ্ৰুৱ সত্যটো মানি ল'বই লাগিব যে শংকৰদেৱ এজন মহাপুৰুষ। তেওঁৰ কীৰ্তি আৰু গৰিমা কোনো কালে ম্লান নপৰে, এগছি অক্ষয় বস্তি হৈ উজ্জ্বলি থাকিব তেওঁৰ সমস্ত প্ৰতিভা। কিন্তু তেওঁৰ উত্তৰ পুৰুষ আমিবোৰ? সকলো সাংস্কৃতিক সম্পদেৰে চহকী এটা জাতি হৈও আমি আমাৰ সুস্থ পৰম্পৰাক বিসর্জন দিলোঁ। সমাজ কোঙা হ'ল, জাতিও খণ্ড-বিখণ্ড হ'ল আৰু সময়বোৰো ভাবিব নোৱাৰাকৈ সলনি হ'ল। গতিকে এনে অৱস্থাত পৰিত্ৰাণৰ পথ হিচাপে আমি বাছি ল'ব পাৰো শংকৰদেৱৰ জীৱন অধ্যয়ন। কাৰণ সাম্প্ৰতিক সময়ত শংকৰদেৱৰ অধ্যয়নৰ প্ৰয়োজনীয়তা কোনো ব্যক্তি বিশেষৰ দাবী নহয়— এয়া সময়ৰ এক আহ্বান। ♦♦

মাজুলীৰ বাৰেৰহণীয়া সংস্কৃতিৰ অন্যতম 'সত্ৰীয়া সংস্কৃতি'

মামণি গগৈ

অসমীয়া কলা সংস্কৃতিৰ অন্যতম উপাদান ভাওনা, ৰগীত, ৰাস, পালনাম, সত্ৰীয়া নৃত্য, গীত, ওজাপালি, ধৰ্মীয় চৰ্চা আদিৰ কথা উল্লেখ কৰিলেই প্ৰথমেই আমাৰ মনত অংকিত হয় মাজুলীৰ চিত্ৰখন। মাজুলী বিভিন্ন কলা-সংস্কৃতিৰ সংগমস্থল তথা উৎপত্তি স্থল। সত্ৰ নগৰী মাজুলীৰ নামনিৰ ধুৰাহাট বেলগুৰিত জগত গুৰু শ্ৰীশ্ৰী শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী মাধৱদেৱৰ মণিকাঞ্চন সংযোগ ঘটিছিল আৰু তাৰ পাছতেই এক শৰণ বৈষ্ণৱ ধৰ্মৰ চৰ্চাৰ আৰম্ভণি ঘটিল। দুয়োজনা গুৰুৱে মাজুলীত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে সত্ৰ, নামঘৰ আদিৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰৰ বাবে সত্ৰীয়া নৃত্য, গীত, ভাওনা আদিৰ আৰম্ভণি কৰিছিল। যিয়ে অসমীয়া সংস্কৃতিৰ ভঁৰাল চিৰদিনৰ বাবে উজ্জ্বলাই ৰাখিছে। দুয়োজনা গুৰুৰ দ্বাৰা প্ৰতিষ্ঠিত মাজুলীৰ সত্ৰসমূহৰ ভিতৰত অনবদ্য সত্ৰীয়া সংস্কৃতি চৰ্চাৰ বাবে বিশেষকৈ আউনীআটি সত্ৰ, গড়মূৰ সত্ৰ, কমলাবাৰী সত্ৰ, শ্যামগুৰি সত্ৰ ইত্যাদি উল্লেখযোগ্য।

শংকৰী আৰ্হিত আৰু হৰি ভক্তিৰ লগত সুসম্পৰ্কিত ৰূপত যি নৃত্যৰ সৃষ্টি কৰা হৈছিল, তাকে সত্ৰীয়া নৃত্য বুলি কোৱা হয়। শ্ৰীশ্ৰী শংকৰদেৱে ৰচনা কৰা চিহ্নযাত্ৰা নাট্যভিনয়খনৰ দ্বাৰাই এই নৃত্যৰ ধাৰাটি আৰম্ভ হৈছিল। এই নাটকত নৃত্য-গীতৰ প্ৰাধান্য বেছি আৰু সেয়েহে অংকীয়া নাটৰ আধাৰতেই সত্ৰীয়া নৃত্যৰ উৎপত্তি হয়। সত্ৰীয়া নৃত্যত মুখ্য ভূমিকা লয় বাদ্যযন্ত্ৰই। সেইসমূহৰ ভিতৰত খোল, তাল, বাঁহী ইত্যাদি।

সত্ৰীয়া নৃত্যৰ প্ৰথম পৰ্যায় হৈছে মাটিআখৰা। আচলতে শৰীৰটোক নৃত্যৰ বাবে উপযোগী কৰি তুলিবলৈ মাটিক আশ্ৰয় কৰি যি ব্যায়াম কৰা হয় তাকে মাটিআখৰা বোলে। মাটিআখৰাৰ বর্ণনাৰ পাছতে ক্ৰমে কৃষ্ণনাচ, ঝুমুৰা নাচ, চালিনাচ, ভোজনবেহাৰ, সূত্ৰধাৰী, ৰাসনাচ আদিৰ শিক্ষা দিয়া হয়। এইনাচসমূহ প্ৰদর্শন কৰিবলৈ মাটিআখৰাৰ লগতে হস্তৰ শিক্ষা। তদুপৰি সত্ৰীয়া নৃত্যৰ পৰিৱেশনত লাগিব উপযুক্ত তালসমূহৰ শিক্ষা। আনহাতে বিভিন্ন নাচসমূহৰ পৰিৱেশত বিভিন্ন সাজ-পোচাক, আ-অলংকাৰ, সাজসজ্জা আদিৰ প্ৰয়োজন হয়।

নাচখনৰ প্ৰথম অংশ য'ত ভগৱান ৰাম, কৃষ্ণ অৰ্চনা তথা বন্দনা জনাই নাচখনৰ আৰম্ভ কৰা অংশই হ'ল ৰামদানি অংশ। ৰামদানি অংশত নৃত্য কৰোঁতে কোনো ধৰণৰ গীতৰ ব্যৱহাৰ নহয়। কেৱল হস্ত আৰু বিভিন্ন ভংগিমাৰে নাচখন প্ৰদর্শন কৰা হয়।

গীতৰ অংশত সাধাৰণতে শংকৰদেৱ, মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীত বা অংকীয়া নাটৰ গীতসমূহ পৰিৱেশন কৰি গীতত অভিনয় অৰ্থাৎ গীতাভিনয় কৰা হয়। এই অংশত অভিনয়ক মুখ্য স্থান দিয়া হয়।

সত্ৰীয়া নৃত্যত গীতৰ নাচৰ শেষত মেলা নাচ আৰম্ভ হয়। এই অংশত গীত ব্যৱহাৰ নহয় কেৱল বাজনাত নৃত্য সম্পন্ন হয়। সাধাৰণতে মেলা অংশ নৃত্যৰ একতাল বা চুততালত আৰম্ভ হয়।

সত্ৰীয়া নাচত নির্দিষ্ট তালসমূহত প্ৰৱেশ, প্ৰস্থান কৰি দেখাব লাগে। যেনে-ৰজা, ঋষি, মুনি, ৰাক্ষস আদিৰ ভিন্ন প্ৰৱেশৰ প্ৰস্থান দেখা যায়।

এইসমূহৰ উপৰিও সত্ৰীয়া নৃত্যত বহুতো বৈশিষ্ট সন্নিৱিষ্ট হৈ আছে। যি সমূহে নৃত্যৰ ধাৰাত ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ পৰা পৃথক বা নিজস্ব বৈশিষ্ট্যৰ শাস্ত্ৰীয় নৃত্য হিচাপে মর্যাদা প্ৰদান কৰে। মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা সৃষ্ট অসমৰ সংস্কৃতি সত্ৰীয়া নৃত্যসমূহ এনেদৰেই নিৰবিচ্ছিন্নভাবে চলি আহিছে আৰু অনাগত দিনটো অক্ষুণ্ণভাৱে প্ৰচলিত হৈ মহাপুৰুষীয়া ধৰ্ম, সংস্কৃতি তথা পৰম্পৰাক সজীৱ কৰি ৰাখিব।♦

মাদলৰ তালত ঝুমইৰ নৃত্য-গীত

প্ৰেমী গৰাইত

সংস্কৃতি হৈছে এটা জাতি, এখন সমাজ শুদ্ধভাৱে জীয়াই থকাৰ আহিলা। সংস্কৃতি মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ। সংস্কৃতি অবিহনে কোনো জাতিৰ প্ৰকৃত পৰিচয় পাব নোৱাৰি। সেইবাবেই কোৱা হয় সংস্কৃতি হৈছে মানৱ জীৱনৰ সৰ্বোত্তম সম্পদ। অসম তথা অসমীয়া জাতিৰ এক বৃহত্তম জনগোষ্ঠী হৈছে চাহ জনগোষ্ঠী। এইচাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত থকা কৃষ্টি-সংস্কৃতিৰ ভঁৰাল অতি চহকী।

আদিতে ছোটনাগপুৰ মালভূমি অঞ্চলত থকা আদিবাসীসকলৰ মাজৰ পৰাই ভাৰতৰ অন্যান্য আদিবাসী প্ৰধান ঠাইসমূহলৈ বিস্তাৰ লাভ কৰা ঝুমইৰ গীত-নৃত্যসমূহ ১৮৩৮ খ্ৰীষ্টাব্দৰ পৰা অসমৰ বিভিন্ন অঞ্চলত চাহ বাগিচা স্থাপন হোৱাৰ লগে লগে আদিবাসী লোকসকলৰ আগমন ঘটিল। তেতিয়াৰ পৰাই অসমত ঝুমইৰ নৃত্য-গীতৰ বিকাশ হ'বলৈ ধৰিলে। অতীত কালত কিছু গ্ৰন্থকাৰে ঝুমইৰ গীত সমূহক অশ্লীল বুলি অভিহিত কৰিলেও পৰৱৰ্তী কালত সুৰৰ আৱেগময় ৰচনাৰ লগতে আকৰ্ষণীয় ভাৱময় ৰচনা যুক্ত গীতসমূহে সকলোকে আকৰ্ষণ কৰে বাবে সকলোৰে আদৰণীয় হৈ পৰিছে।

চাহ জনগোষ্ঠীৰ সাংস্কৃতিক জীৱন বৰ্ণময় কৰি তোলাৰ ক্ষেত্ৰত এই সমাজৰ ঝুমইৰ গীতসমূহৰ প্ৰভাৱ আটাইতকৈ বেছি। ঝুমইৰ গীতসমূহৰ মাজেদি এই জনগোষ্ঠীৰ সমাজৰ কলাত্মক দিশ প্ৰকাশ হোৱা পৰিলক্ষিত হয়। এই জনগোষ্ঠীৰ জনপ্ৰিয় তথা জাতীয় উৎসৱ হৈছে 'কৰম পৰৱ' (পূজা)। সকলো লোকউৎসৱৰ ভিতৰত 'কৰম পৰৱ বা কৰম পূজা'ই মুখ্য স্থান লাভ কৰাৰ গুৰিতে হ'ল ইয়াৰ সার্বজনীনতা, জনপ্ৰিয়তা আৰু নৃত্য-গীতৰ মাদকতা। এই পৰৱত দুই প্ৰকাৰৰ গীত গোৱা হয়—১. কৰমপৰৱৰ বিধি-বিধানৰ সৈতে জড়িত 'কৰম গীত' আৰু ২. কৰমপৰৱ উপলক্ষে আনন্দ প্ৰকাশ কৰিবৰ বাবে গোৱা 'ঝুমইৰ গীত'। কৰম পৰৱ কৃষিভিত্তিক উৎসৱ হোৱা বাবে স্বাভাৱিকতে এই পৰৱৰ লোকগীতত কৃষি জীৱনৰ (শ্ৰম জীৱনৰ সৈতে জড়িত) প্ৰতিফলন ঘটা দেখা যায়। গতিকে চাহ জনগোষ্ঠী তথা আদিবাসী সমাজৰ লোকগীতসমূহত শ্ৰমজীৱী জনগণৰ হৰ্ষ-বিষাদ, হেঁচুৱাৰ বেদনা, আন দেশত হোৱা প্ৰৱঞ্চনা, ঘাত-প্ৰতিঘাত, শাৰীৰিক-মানসিক অত্যাচাৰৰ কথাকে গীতবোৰত বৰ্ণনা কৰা দেখা যায়। অন্যান্য লোকগীতসমূহৰ তুলনাত ঝুমইৰ গীতৰ সংখ্যাও সৰহ। বিহু গীতৰ দৰে ঝুমইৰ গীতেও জনজীৱনক গভীৰভাৱে প্ৰভাৱিত কৰি আহিছে।

ভাৰতীয় লোকসংগীতৰ জগতত ঝুমইৰ গীতৰ এক সুকীয়া স্থান আছে। প্ৰকৃততে সৰ্বভাৰতীয় জনপ্ৰিয়তা থকা পৰম্পৰাগত লোকগীত। ঝুমইৰ নৃত্যৰ সৈতে গোৱা এই লোকগীতৰ সমাদৰ শ্ৰমজীৱীসকলৰ মাজত বেছি। ভাৰতৰ বিভিন্ন ঠাইত ঝুমৰ, ঝুমুৰি, ঝুমুৰ নাইবা ঝুমইৰ নামেৰে নৃত্য গীতৰ প্ৰচলন আছে। গীত পৰিৱেশনৰ প্ৰণালী, সুৰ, তাল, নৃত্য, ভংগিমাৰ ক্ষেত্ৰত সামান্য তাৰতম্য থাকিলেও সৰ্বত্ৰ ইয়াৰ মৌলিক গাঁথনি আৰু সৌন্দৰ্য একেই। ঝুমইৰ কেৱল ডেকা-গাভৰুৰ যৌৱনোচিত মাদকতাপূৰ্ণ গীত নহয়, ইয়াৰ মাজত দাৰ্শনিক তত্ত্বপূৰ্ণ বহু সত্য অন্তর্নিহিত হৈ আছে। মানৱ মনৰ আধ্যাত্মিক ভাবসমূহ কেতবোৰ ঝুমইৰ গীতৰ মাজেদি প্ৰকাশ পাইছে। যেতিয়া কাৰোবাৰ সুললিত কণ্ঠৰ পৰা ঝুমইৰ এফাঁকি নিগৰি আহে, তালে তালে ঢোল বা মাদল বাজি উঠে, বাঁহীৰ অমিয়া সুৰে মৰতলৈ সৰগ নমাই আনে, তেতিয়া ঝুমইৰ গীতৰ মাধুৰ্য্যত আপ্লুত হোৱা যিকোনো ব্যক্তিৰ শৰীৰ মন হিল্লোলিত তথা উদ্বেলিত হোৱাটো স্বাভাৱিক। সেয়ে ঝুমইৰ গীতৰ মৰ্মস্পৰ্শী সুৰে ঢোল মাদলৰ তালে, বাঁহী নূপুৰ মূৰ্চ্ছনাই নাচিব নজনা মানুহৰ শৰীৰতো বিজুলী সোঁতৰ দৰে নাচোনৰ অদমনীয় ইচ্ছাৰ সোঁত বোৱাই দিব পাৰে। সেয়েহে ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা, ঝমইৰ গীতে সহস্ৰ জনগণৰ মন আকৰ্ষিত কৰি আহিছে।

পৰিৱেশন সময়, বিভিন্ন ঋতু, সম্প্ৰদায়গত বিশেষত্ব আৰু পৰিৱেশনৰ উপলক্ষ্য অনুসৰি ঝুমইৰ নৃত্য-গীতৰ শ্ৰেণী বিভাগ কৰা হৈছে। সেইমতে — বন্দনা, ডাঁড়শালীয়া, ঝিঙাফুলীয়া, ৰংবাখেমতা, আধাৰাতিয়া (গলৰাৰী) আৰু ভিনসৰীয়া আদি

নামেৰে ইয়াৰ শ্ৰেণী বিভাজন কৰা হৈছে।

বন্দনা ঃ বিহুগীতৰ আৰম্ভণিতে যিদৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী প্ৰমুখ্যে সকলো পূজ্য তথা মান্যজনৰ প্ৰতিপ্ৰণাম জনোৱাৰ পৰম্পৰা আছে। ঠিক সেইদৰে ঝুমইৰ গীতৰ আৰম্ভণিতে 'বন্দনা গীত' এফাঁকি গোৱাটো প্ৰচলিত নিয়ম। বন্দনা ঝুমইৰ নৃত্য-গীতৰ মাধ্যমেৰে আৰাধ্য দেৱ-দেৱীৰ প্ৰতি ভক্তিপূৰ্ণ প্ৰকাশ ঘটে। এই বন্দনামূলক গীতেৰে ঝুমইৰৰ আখৰা তলীত নৃত্য-গীতৰ আৰম্ভ হয় বন্দনাৰে—

'আখড়া বন্দনা কৰি
সৰস্বতী মাইগ বলি
তবেৰে বন্দনা ব্ৰজনাৰী
মদনে ঝুমইৰ লাগল ভাৰি
মূড়ে লেলাই গামচা
খান্ধে লেলাই মান্দাৰি
বহো বেটি সৰে লেলাই ঘেৰি
মদনে ঝুমইৰ লাগল ভাৰি....।'

ডাঁড়শালীয়াঃ ডাঁড় কঁকাল। বন্দনা ঝুমইৰ অন্তত পেলনী অর্থাৎ নাচনীসকলে হাতত ধৰা ধৰিকৈ কঁকালত স্পৰ্শ (ধৰি) কৰি নৃত্য পৰিৱেশন কৰে। বন্দনা ঝুমইৰতকৈ ডাঁড়শালীয়া ঝুমইৰত সাধাৰণতে গীতৰ মাধ্যমেৰে একোটা কাহিনী প্ৰকাশ পায়। নৃত্যত আংশিক উল্লাস প্ৰকাশ পায়। যেনে—

'বনে বনে যাৱলি বনফল তৰলি
হায় ৰাম ঘৰ ঘুৰি আৱলি
সেহ ফুল বেণীসূতাই গাঁথলি
ধনিকে মৰ সাজাৱলী।'
'বড়ি দূৰসে আৱলি
এক গীত গাৱলি
মৰগীত ঝুকি দিহ' গ'
আগেকে নাচয়ে বড়ি ৰিঝ কৰি।'

ঝিঙাফুলীয়া ঃ চাহ জনগোষ্ঠীৰ লোকজীৱনত ভাদ মাহৰ প্ৰভাৱ মনকৰিবলগীয়া। ভাদ মাহত প্ৰকৃতিৰ বুকুত অর্থাৎ নৈৰ পা�ৰত, চৰ চাপৰিত কঁহুৱা ফুল ফুলাৰ, বাৰীত জিকা ফুল ফুলাৰ সময়। কাঁশি (কঁহুৱা) আৰু ঝিঙা (জিকা) ফুল ফুলাৰ এই বতৰতে চাহ জনগোষ্ঠীৰ অতিকে চেনেহৰ কৰম পৰৱ অনুষ্ঠিত হয়। আনন্দৰ প্ৰতীক 'ঝিঙা ফুল'ক কেন্দ্ৰ কৰি গোৱা গীতবোৰক 'ঝিঙাফুলীয়া ঝুমইৰ' বোলে। তেনেধৰণৰ ফুলৰ নামক কেন্দ্ৰ কৰি গীতৰ অন্তৰালত যৌৱন সুলভ ভাব প্ৰকাশ পাব পৰাকৈ গীত পৰিৱেশন কৰা হয়। এই গীতত কায়িক সঞ্চালন অধিকতৰ হয়। যেনে—

'দৰিয়াৰ মঝে ফুল ফুটিল চাতে
গমকি গমকি আৱৈ বাস
ফুল দেখি হ'ম'ৰ লাগতে আস
গমকি গমকি আৱৈ বাস (সুগন্ধি)।'

ৰং বা খেমতা ঃ এফাঁকি ঝুমইৰ গীত গোৱাৰ পিছত ৰং গোৱাটো প্ৰচলিত নিয়ম। প্ৰকৃততে মূল ঝুমইৰ ফাঁকিক অধিক মনোগ্ৰাহী তথা মাধুৰ্য্যপূৰ্ণ কৰিবলৈ 'ৰং' গোৱা হয়। এই গীতবোৰক 'খেমতা ঝুমইৰ ৰং' বোলা হয়। যেনে—

'চ'লধনী ফুল তুলতে যাব
বাবুৰ বাগানে.....
আনৰ ফুল গাঁথৰ মাল
পৰৱ দুজনে।'

আধাৰাতিয়া (গলৰাৰী) ঃ মাজৰাতি গহীন পৰিৱেশত হৃদয়ৰ বেদনা আৰু আধ্যাত্মিক ভাৱগধূৰ তত্ত্ব আৰু দার্শনিক চিন্তা কৰা হয়। এইবিধ গীতৰ গতি ধীৰ আৰু গীতবোৰ সাধাৰণতে চুটি চুটি।

'হাইৰে বিধি কি লেখিল
দুখ বিনা সুখ নাহি দিল
অন্তৰে বসিল শেল গাঁথা
যখন মনে পৰে তৰ কথা।'

ভিনসেৰীয়া ঃ 'ভিনসৰ' মানে দোকমোকালি। ওৰে নিশা ঝুমইৰ নৃত্য-গীত কৰি ক্লান্ত হৈ পৰা পেলনী (নাচনী) আৰু ৰইসকা (ঝুমইৰীয়া যুৱক) সকলে নিশাৰ অন্তিম প্ৰহৰত ভিনসৰীয়া ঝুমইৰ নৃত্য-গীত জোৰে। ভিনসৰীয়া গীতবোৰ দীঘলীয়া যদিও গীতিধর্মীতা গুণেৰে সমৃদ্ধ ঃ

'গগনে উঠিল বেলা
কতনা কৰিব খেলাৰে
গাছ কদম চকৰি
ডাল ধৰি হৰি
বংশী বজায় কত ছল কৰি।'

গতিকে সামৰণিত ক'ব পাৰি যে যিকোনো এক জনজাতিৰ লোকসংগীতে যেনেদৰে সেই জনগোষ্ঠীৰ অতীত ঐতিহ্য তথা চহা জীৱনৰ সকলো দিশ প্ৰতিফলন ঘটায়। ঠিক তেনেদৰে ঝুমইৰ গীতবোৰতো চাহ জনগোষ্ঠীৰ জাতীয় জীৱনৰ সকলো দিশ প্ৰতিফলন ঘটিছে। নির্জন নিৰিবিলি বাঁহীৰ মিঠা সুৰে যিদৰে যিকোনো লোকৰে অন্তৰ জুৰ পেলাব পাৰে, ঠিক সেইদৰে মাদলৰ তীব্ৰ লহৰে যিকোনো লোকৰে দেহা হালি-জালি তুলিবলৈ সক্ষম হয়। মুঠতে ঝুমইৰ গীতেই হওঁক বা আন আন জনজাতিৰ লোকসংগীত, নৃত্যবোৰৰ উপযুক্ত চর্চা, গৱেষণা, প্ৰসাৰ আৰু প্ৰচাৰৰ লগতে উপযুক্ত সংৰক্ষণ কৰাটো বর্তমান সময়ত অতি প্ৰয়োজন হৈ পৰিছে।♦

প্রবন্ধ

শিক্ষানুষ্ঠানত আধুনিকতাৰ প্ৰসাৰ ঃ শৈক্ষিক উৎকৰ্ষতা আৰু প্ৰত্যাহ্বানসমূহ...

জ্যোতিষ্মান বৰুৱা

মানৱ সভ্যতাৰ বিকাশৰ সমান্তৰালভাৱে মানৱজাতি ক্ৰমান্বয়ে বিভিন্ন সময়তে বিভিন্ন নতুন নতুন দিশৰ সৃষ্টি কৰিলে। সময়ৰ অগ্ৰগতিত মানৱ জাতিৰ বিৱৰ্তন ঘটি বহুক্ষেত্ৰত পৰিৱৰ্তন ঘটিল। ব্যক্তিৰ মানসিক শাৰিৰীক আদি দিশত ইয়াৰ প্ৰভাৱ পৰিল। সময়ৰ সোঁতত মানৱ জাতিয়ে এনেদৰে শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথাও উপলব্ধি কৰিবলৈ ধৰিলে। ফলস্বৰূপে সমাজত শিক্ষাৰ আৱশ্যকীয়তা ঘটিল । লাহে লাহে শিক্ষাৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাবলৈ ধৰিলে। শিক্ষা মানৱ সভ্যতাৰ মূল শিক্ষাস্তম্ভলৈ পৰিণত হ'ল বিভিন্ন পদ্ধতিৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা হাতত লোৱা হ'ল। সময় সলনি হোৱাৰ লগে লগে শিক্ষা প্ৰদানৰ পদ্ধতিসমূহো সলনি হ'বলৈ ধৰিলে। প্ৰাচীন শিক্ষা ব্যৱস্থাত সাংস্কৃতি, দৰ্শন আদিৰ প্ৰভাৱ পৰিল। শিক্ষানুষ্ঠানসমূহত মানুহৰ বৌদ্ধিক বিকাশৰ লগতে, নৈতিক, আধ্যাত্মিক, শাৰীৰিক বৃদ্ধিকো সামৰি শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হ'ল।

ভাৰতবৰ্ষৰ ক্ষেত্ৰটো ক্ৰমান্বয়ে শিক্ষাৰ প্ৰভাৱ বিস্তাৰ হ'বলৈ ধৰিলে। চহকী, বৈচিত্ৰ্যপূৰ্ণ, আধ্যাত্মিক পৰম্পৰাৰ সৈতে গভীৰভাবে জড়িত শিক্ষা ব্যৱস্থাই ভাৰতীয় শিক্ষা ক্ষেত্ৰখন অন্য এটা পৰ্যায়লৈ উন্নীত কৰিলে। বেদ- উপনিষদৰ যোগেদিও ভাৰতবৰ্ষত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হ'ল। পৌৰাণিক ভাৰতত গুৰুকুলৰ মাধ্যমেৰে শিক্ষা প্ৰদান কৰা হৈছিল।

লাহে লাহে সমগ্ৰ বিশ্বত শিক্ষাই এক গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি মানৱ সমাজৰ সৰ্বাংগীন বিকাশত অৰিহণা যোগালে। দেশসমূহৰ প্ৰগতিৰ মেৰুদণ্ড স্বৰূপে শিক্ষাই গুৰুত্ব বহন কৰিলে। হাজাৰ হাজাৰ বছৰ পুৰণি শিক্ষণ আৰু জ্ঞান বিনিময়ৰ বাবে উৎসৰ্গিত হ'ল প্ৰতিষ্ঠানসমূহ।

ক্ৰমান্বয়ে মানৱ জাতি আধুনিক হ'বলৈ ধৰিলে। নিজৰ বুদ্ধিমত্তাৰ প্ৰয়োগৰ যোগেদি সমাজখনক এক গতি প্ৰদান কৰিবলৈ সক্ষম হ'ল। সময়ৰ সোঁতত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্থান ঘটিল। এই বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উত্থান আৰু সফলতাই মানৱ সমাজক নতুন নতুন আৱিষ্কাৰ বাবে উদ্‌গনি জনালে।

শেহতীয়া দশকসমূহত শিক্ষা ব্যৱস্থাই আধুনিকতাৰ প্ৰসাৰ আৰু প্ৰকাশৰ এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। লাহে লাহে প্ৰযুক্তিবিদ্যাই সমগ্ৰ পৃথিৱীক গ্ৰাস কৰিলে। সকলো স্থানতে, সকলো ক্ষেত্ৰতে এই প্ৰযুক্তিবিদ্যা সম্প্ৰসাৰণ ঘটিল। অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে শিক্ষানুষ্ঠানো ইয়াৰ প্ৰভাৱৰ পৰা বিৰত নহ'ল। বিশেষকৈ আধুনিক শিক্ষানুষ্ঠানসমূহ যেনে প্ৰতিষ্ঠিত মহাবিদ্যালয়-বিশ্ববিদ্যালয় আৰু ব্যক্তিগত খণ্ডৱ বিদ্যালয়সমূহত ইয়াৰ প্ৰভাৱ অলপ বেছি পৰিমাণে দেখা গ'ল। ইণ্টাৰনেট, কম্পিউটাৰ, চফট্‌ৱেৰ আৰু বিভিন্ন বৈজ্ঞানিক সঁজুলিকে ধৰি শেহতীয়া প্ৰযুক্তিৰ প্ৰৱেশে ছাত্ৰ-ছাত্ৰীসকলক উদ্ভাৱনীমূলক শিক্ষণ পদ্ধতিত জড়িত কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত অগ্ৰণী গৱেষণাও কৰিব পৰা ক্ষমতা প্ৰদান কৰিলে। অত্যাধুনিক গৱেষণাৰ সৈতে জড়িত হৈ ছাত্ৰ-ছাত্ৰীসকলে যুগান্তকাৰী প্ৰকল্পত অংশগ্ৰহণ কৰি বহুতো মূল্যবান অভিজ্ঞতাও লাভ কৰিলে। এনেবোৰ শিক্ষানুষ্ঠানত নিয়োজিত কৰা উচ্চ যোগ্যতাসম্পন্ন তথা অভিজ্ঞ শিক্ষাবিদসকলে শিক্ষাৰ্থীসকলক উচ্চ গুণসম্পন্ন শিক্ষাৰ জৰিয়তে অধিক প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তুলিলে। এনে শিক্ষানুষ্ঠানৰ পৰা শিক্ষা গ্ৰহণ কৰা বিদ্যাৰ্থীসকলৰ অধিক সংখ্যকেই প্ৰায়ে সমাজত প্ৰভাৱশালী পদবীসমূহ লাভ কৰা দেখা যায়। এনে প্ৰতিষ্ঠানে সংস্কৃতি, মূল্যবোধ বিকাশতো প্ৰভাৱ পেলায়! লগতে ছাত্ৰ-ছাত্ৰীক উচ্চমানৰ শিক্ষা প্ৰদান কৰি সমালোচনাত্মক চিন্তাধাৰাক লালন-পালন কৰি বৌদ্ধিক বিকাশত অৰিহণা যোগায়। এনেদৰে ইয়াৰ যোগেদি শিক্ষাৰ্থীসকলৰ শৈক্ষিক উৎকৰ্ষতা বৃদ্ধি পোৱা পৰিলক্ষিত হয়।

ক্ৰমান্বয়ে দেখা গ'ল, শিক্ষানুষ্ঠানত বিলাসিকতাৰো প্ৰভাৱ পৰিল। এনে বিলাসিকতাই পৰ্যাপ্ত সুবিধা প্ৰদানেৰে উৎকৃষ্ট শৈক্ষিক কাৰ্যসূচী পৰিচালনা কৰি শৈক্ষিক উৎকৰ্ষত অৰিহণা যোগালে। কিন্তু এনে হোৱাৰ ফলত কিছুমান ক্ষেত্ৰত শৈক্ষিক দিশৰ পৰিৱৰ্তে বিলাসিতাক অধিক গুৰুত্ব দিয়াতে প্ৰতিষ্ঠানৰ গুণগত মান হ্ৰাস পোৱাও পৰিলক্ষিত হয়। অৱশ্যে বেছিভাগ ক্ষেত্ৰতে এনে বিলাসি প্ৰতিষ্ঠানে আৱাম আৰু প্ৰতিপত্তিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিলেও শৈক্ষিক উৎকৰ্ষতাহে তেওঁলোকৰ মূল লক্ষ্য হোৱা দেখা যায়। সাধাৰণতে দেখা যায় এনে প্ৰতিষ্ঠানসমূহত মেধাভিত্তিক নামভৰ্তি, উচ্চ প্ৰতিযোগিতামূলক পৰীক্ষা আদিৰ গুৰুত্ব অধিক, এনে হোৱাৰ ফলত সামগ্ৰিকভাৱে শৈক্ষিক উৎকৰ্ষ সাধন হোৱা দেখা যায়। এইদৰে এনে প্ৰতিষ্ঠানে বিলাসিতা আৰু শিক্ষাক ভাৰসাম্যতা প্ৰদান কৰি শৈক্ষিক উৎকৰ্ষ সাধন কৰে। বিশেষকৈ দেখা যায় হোৱাইটবৰ্ড, প্ৰজেক্টৰে সজ্জিত স্মাৰ্ট ক্লাচসমূহৰ পৰা আৰম্ভ কৰি অনলাইন লাৰ্নিং প্লেটফৰ্মলৈকে প্ৰযুক্তিয়ে শিক্ষাৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্তন আনিলে আৰু ই শৈক্ষিক উৎকৰ্ষতাত যথেষ্ট প্ৰভাৱ পেলালে। শিক্ষানুষ্ঠানসমূহ ব্যক্তিগত খণ্ডৱ হাতলৈ অহাৰ পৰা প্ৰতিযোগিতা অধিক হোৱোৰ ফলস্বৰূপে প্ৰতিষ্ঠানসমূহে শৈক্ষিক উৎকৰ্ষতাত অধিক গুৰুত্ব দিবলৈ ধৰিলে। এনে হোৱাৰ ফলত এই ব্যক্তিগত খণ্ডৱ প্ৰতিষ্ঠানসমূহৰ জনপ্ৰিয়তাও বৃদ্ধি পাবলৈ ধৰিলে। ডিজিটেল মাধ্যমসমূহে শিক্ষণক অধিক পাৰস্পৰিক আৰু আকৰ্ষণীয় কৰি তুলিলে, অনলাইন পাঠ্যক্ৰমৰ জৰিয়তে দূ�ৰৱৰ্তী বা অভাৱগ্ৰস্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও গুণগত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিলে, অভিযোজিত শিক্ষণ চফট্‌ৱেৰৰ যোগেদি এনে প্ৰতিষ্ঠানে শিক্ষাৰ্থীৰ ব্যক্তিগত গতি আৰু স্তৰ অনুসৰি শিক্ষামূলক বিষয়বস্তু তৈয়াৰ কৰিব পৰাকৈ অধিক ফলপ্ৰসূ শিক্ষণ ফলাফল নিশ্চিত কৰিলে। প্ৰকল্পমূলক শিক্ষা প্ৰদানৰ যোগেদি শিক্ষাৰ্থীসকলক বিভিন্ন সমস্যা সমাধানৰ উপায় প্ৰদান কৰি এনে প্ৰতিষ্ঠানসমূহে শিক্ষাৰ উন্নতিৰ অৰ্থে প্ৰচেষ্টা চলালে। সমসাময়িক জ্ঞান আৰু দক্ষতাৰ সৈতে মিল থকাকৈ পাঠ্যক্ৰম সংশোধন কৰিও শৈক্ষিক উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা চলোৱা হ'ল। উচ্চ চাহিদাৰ ক্ষেত্ৰত শিক্ষাৰ্থীক ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰিবলৈ অভিযান্ত্ৰিক, গণিত, বিজ্ঞান আদি দিশত গুৰুত্ব দিয়া হ'ল। সংযুক্ত বিশ্বৰ বাবে প্ৰস্তুত কৰিবলৈ ছাত্ৰ ছাত্ৰীক বিশ্বজনীন বিষয়ৰ ওপৰত শিক্ষা প্ৰদানেৰে শৈক্ষিক উৎকৰ্ষ সাধন কৰিলে। আধুনিক কৰ্মশক্তিৰ বাবে



প্ৰয়োজনীয় প্ৰাসংগিক দক্ষতা আৰু জ্ঞানেৰে ছাত্ৰ-ছাত্ৰীক সজ্জিত কৰি তোলাৰ ব্যৱস্থা হাতত লোৱা হ'ল। প্ৰশাসনিক কাৰ্যসমূহ সুশৃংখলিত কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক উপযুক্ত কৰাৰ ব্যৱস্থা কৰা হ'ল। বহুতো বিলাসী প্ৰতিষ্ঠানৰ বিশ্বৰ অনান্য প্ৰতিষ্ঠিত বিদ্যালয় বা সংস্থাৰ সৈতে সাংযোগ থাকে, যিয়ে ছাত্ৰ-ছাত্ৰীসকলক আন্তঃৰাষ্ট্ৰীয় বিনিময় কাৰ্যসূচী, ইণ্টাৰন্‌শ্বিপ আৰু নেটৱৰ্কিঙৰ সুযোগ প্ৰদান কৰে। এনে বৈচিত্ৰ্যময় শিক্ষণ পদ্ধতিয়ে ছাত্ৰৰ আগ্ৰহ আৰু প্ৰেৰণা বৃদ্ধি কৰি সমাজত এক সুপ্ৰভাৱ পেলায়। এনেদৰে আধুনিকতাৰ প্ৰসাৰৰ সমান্তৰাল ভাৱে শিক্ষানুষ্ঠান সমূহে এনেধৰণৰ শিক্ষা প্ৰদানেৰে শৈক্ষিক উৎকৰ্ষতা বৃদ্ধি কৰি আহিছে। যি এখন দেশ তথা বিশ্বখনক আগুৱাই যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে

আধুনিকতাই এনেদৰে শিক্ষাৰ ক্ষেত্ৰত বহুতো সুপ্ৰভাৱ পেলাইছে যদিও কিছু কিছু ক্ষেত্ৰত ই প্ৰত্যাহ্বানৰ সৃষ্টি কৰা দেখা যায়। এনে শিক্ষানুষ্ঠান সমূহৰ শিক্ষাৰ খৰচ অতি উচ্চ হোৱা হেতুকে প্ৰায়ে বিশেষ সুবিধাপ্ৰাপ্ত কেইজনমানৰ বাবেহে প্ৰৱেশ সীমিত কৰি পেলায় ফলত সমতাৰ ওপৰত প্ৰশ্ন উত্থাপন হয়, সামাজিক বৈষম্যতা বৃদ্ধি পায়। এনে প্ৰতিষ্ঠান সমূহৰ অধিক প্ৰতিযোগিতামূলক মনোভাৱে ছাত্ৰ-ছাত্ৰীৰ মাজত উচ্চ মাত্ৰাৰ মানসিক চাপ আৰু স্বাস্থ্যৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। এনে প্ৰতিষ্ঠানৰ স্থান আৰু পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষাৰ মানদণ্ড বহু পৰিমাণে ভিন্ন হ'ব পাৰে। এনে প্ৰতিষ্ঠানৰ অভিজাতবাদ সাংস্কৃতিয়ে সামাজিক গতিশীলতাক প্ৰভাৱিত কৰিব পাৰে। এনে প্ৰতিষ্ঠানসমূহে কেতিয়াবা শিক্ষাৰ্থীৰ মগজুৰ



নিষ্কাশন কৰিব পাৰে, এনে হোৱাৰ ফলতে ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ সলনি ব্যক্তিগত লাভক অগ্ৰাধিকাৰ দিব পাৰে। এনে ছাত্ৰ-ছাত্ৰীয়ে সহানুভূতি আৰু সামাজিক দায়বদ্ধতাক অৱহেলা কৰি প্ৰাপ্য মানসিকতা গঢ়ি তুলিব পাৰে। ইয়াৰোপৰি আধুনিক শৈক্ষিক পদ্ধতিৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে শিক্ষকসকলৰ বাবে যথেষ্ট প্ৰশিক্ষণ আৰু সহায়ৰ প্ৰয়োজন। এনে শিক্ষানুষ্ঠানসমূহে পৰম্পৰাগত পাঠদান আৰু মানুহৰ পাৰস্পৰিক ক্ৰিয়াক অৱহেলা কৰি প্ৰযুক্তিৰ ওপৰত অতিমাত্ৰা গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ই বিভিন্ন দিশত শিক্ষাব্যৱস্থাত প্ৰত্যাহ্বানৰো সৃষ্টি কৰিব পাৰে। এনেৰোৰ কাৰণৰ ফলত অতি আধুনিকতাই শিক্ষা ব্যৱস্থাত কিছু ক্ষেত্ৰত বিৰোপ প্ৰভাৱ পেলায় বুলি ক'ব পাৰি।

যি কি নহওক, বৰ্তমানৰ পৰিৱেশ পৰিস্থিতিৰ সৈতে খাপ খুৱাই শিক্ষানুষ্ঠানসমূহত আধুনিকতাৰ প্ৰসাৰ ঘটোৱাটো স্বাভাৱিক। এনে শিক্ষানুষ্ঠানসমূহে এক অনন্য অভিজ্ঞতা প্ৰদান কৰিলেও শৈক্ষিক উৎকৰ্ষতাই শীৰ্ষ অগ্ৰাধিকাৰ হিচাপে থাকিব লাগে। ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে কোনো প্ৰতিষ্ঠানৰ বিলাসিতা আৰু শৈক্ষিক দিশ, দুয়োটাকে বিবেচনা কৰি নিজৰ বিকল্পসমূহ ভালদৰে ওজন কৰি সঠিক সিদ্ধান্ত লোৱা উচিত। শিক্ষণৰ বিলাসিতাই শৈক্ষিক উৎকৃষ্টতাক ছাঁ দিব নালাগে, বৰঞ্চ বৃদ্ধিহে কৰিব লাগে।

দ্ৰুতগতিত পৰিৱৰ্তিত পৃথিৱীখনত ছাত্ৰ-ছাত্ৰীক লাভৱান হ'বলৈ প্ৰস্তুত কৰাৰ বাবে শিক্ষা ব্যৱস্থাত আধুনিকতাৰ প্ৰসাৰ কৰাটো অতি প্ৰয়োজনীয়। এনে বিলাসিতাই শিক্ষা আৰু সমাজৰ পৰিৱেশ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰযুক্তি, উদ্ভাৱনীমূলক পাঠদান পদ্ধতি আৰু নৱীকৃত পাঠ্যক্ৰমৰ সংহতিয়ে উল্লেখযোগ্য সুবিধা প্ৰদান কৰিলেও সকলোৰে বাবে সমতাপূৰ্ণ আৰু ফলপ্ৰসূ শিক্ষা নিশ্চিত কৰিবলৈ ইয়াৰ লগত জড়িত প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাটো অতি গুৰুত্বপূৰ্ণ। পৰম্পৰাগত শৈক্ষিক মূল্যবোধৰ সৈতে আধুনিক শিক্ষাৰ ভাৰসাম্য ৰক্ষা কৰিলে এক সু-বৃত্তাকাৰ আৰু উপেযোগী শিক্ষণ পৰিৱেশ সৃষ্টি কৰাত সহায়ক হ'ব।♦

প্ৰবন্ধ

পৰিৱৰ্তনশীলতাৰ মাজত

জাতি ব্যৱস্থা

প্ৰিয়ংকা দত্ত

সমাজতত্ত্বৰ অভিধান মতে জাতি ব্যৱস্থা হ'ল—"A form of social strati fication in which caote have been hierar chically organised and separated from each other by rules of ritual purity."

জাতি ব্যৱস্থা হৈছে সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ এক বন্ধ স্তৰীকৰণ ব্যৱস্থা। জাতি ব্যৱস্থাই ভাৰতীয় হিন্দু সমাজক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ হিচাপে চাৰিটা স্তৰত বিভক্ত কৰিছে। প্ৰত্যেকখন সমাজত জাতি ব্যৱস্থাৰ গুৰুত্ব, জাতি ব্যৱস্থাৰ ফলত দেখা দিয়া বৈষম্য সমাজ ব্যৱস্থাত দেখিবলৈ পোৱা যায়। অতীজৰে পৰা ইয়াক সমাজ ব্যৱস্থাত দেখিবলৈ পোৱা গৈছে। জাতি একোজন ব্যক্তিয়ে কেৱল জন্মগত পদ্ধতিৰেহে গ্ৰহণ কৰিব পাৰে। বৰ্তমান এই পৰিৱৰ্তনশীলতাৰ যুগত ব্যক্তিয়ে স্ব-জাতি গ্ৰহণ কৰিছে। ব্যক্তিয়ে নিজ ধৰ্ম ত্যাগ কৰি অন্য ধৰ্ম গ্ৰহণ কৰিছে। বহুতো সংখ্যালঘু জাতিয়ে নিজৰ পৰিচয় পৰিৱৰ্তনশীল সমাজত হেৰুৱাই পেলাইছে।

জাতি ব্যৱস্থাৰ কিছু নিজস্ব বৈশিষ্ট্য আছে কিন্তু সমাজ পৰিৱৰ্তনশীল আৰু এই পৰিৱৰ্তনশীলতাৰ মাজত জাতি ব্যৱস্থাৰ নিয়ম লুপ্ত হৈছে আৰু জাতি ব্যৱস্থাৰ নিয়ম অৱমাননা কৰি বিভিন্ন কাৰ্য্য সম্পন্ন হৈছে। যেনে—

(ক) নিজ জাতিৰ বাহিৰত বিবাহপাশত আবদ্ধ।

(খ) বৰ্তমান সময়ত জাতি ব্যৱস্থাত খোৱা-বোৱা, চাল-চলনৰ ক্ষেত্ৰত বৰ বেছি বাধা দৃষ্টিগোচৰ নহয়।

(গ) পূৰ্বতে জাতি ব্যৱস্থাৰ ভিত্তিত বৃত্তি নিৰ্ধাৰণ কৰা হৈছিল কিন্তু বৰ্তমান এই পৰিৱৰ্তনশীল সমাজত জাতি ব্যৱস্থাৰ ভিত্তিত বৃত্তি নিৰ্ধাৰণ কৰাতকৈ যোগ্যতাৰ ভিত্তিতহে বৃত্তি নিৰ্ধাৰণ কৰা দেখা পোৱা যায়।


(ঘ) কোনো ব্যক্তিৰ জন্মসূত্ৰৰ দ্বাৰাহে জাতি ব্যৱস্থা নিৰূপিত। কিন্তু বৰ্তমান সময়ত আমি অন্যধৰ্মৰ ব্যক্তিকো কোনো এক নিৰ্দিষ্ট ধৰ্ম গ্ৰহণ কৰা দেখিবলৈ পাওঁ।

১৮৬০ চনত জাতিৰ বিষয়ে তথ্য সংগ্ৰহ কৰিবলৈ লোকপিয়ল আৰম্ভ কৰা হৈছিল আৰু ১৮৮১ চনৰ পৰা প্ৰতি দহ বছৰৰ মূৰে মূৰে নিয়মীয়াকৈ লোকপিয়ল কৰা হৈছিল।

নিম্নজাতিৰ সাধাৰণ নাম, শিক্ষাৰ অনগ্ৰসৰতা, সাধাৰণ ভাষা, নিৰ্দিষ্ট ভৌগোলিক অঞ্চল, সাধাৰণ ধৰ্ম, সাধাৰণ বৃত্তি, ৰাজনৈতিক সংগঠন, আৰ্থিক সমস্যা আদি কাৰণবিলাকৰ বাবে জাতি ব্যৱস্থা সলনি হৈছে আৰু পৰিৱৰ্তনশীলতাৰ দিশে আগবাঢ়িছে।

ভগৱান বুদ্ধ আৰু মহাবীৰ জৈনৰ দিনৰ পৰাই অস্পৃশ্য বা সমাজৰ নিম্নস্তৰত থকা জাতিসমূহক সমান দৃষ্টিৰে চোৱাৰ বিষয়ে ভাৰতীয় ইতিহাসত পোৱা যায়। গুৰুনানক, তুলসী দাস, ৰামদাস, কবিৰ দাস, শান্তা, টোকাৰাম আদি ব্যক্তিসকলেই সমাজৰ পিছপৰা শ্ৰেণীৰ উন্নয়নৰ বাবে বহু প্ৰচেষ্টা হাতত লৈছিল।

বৰ্তমান সময়ত চৰকাৰে জাতি ভিত্তিত বহুতো আঁচনি প্ৰণয়ন কৰিছে। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সুবিধাৰ বাবে চৰকাৰে বহু উন্নয়নমূলক আঁচনি প্ৰণয়ন কৰিছে। জাতি ব্যৱস্থা এক সমাজ ব্যৱস্থা আৰু প্ৰত্যেকখন সমাজত এই জাতি ব্যৱস্থাৰ উপলব্ধতা দেখিবলৈ পোৱা যায়। ব্যক্তিয়ে নিজ সুবিধাৰ বাবে এখন ঠাই এৰি অন্য ঠাইলৈ প্ৰব্ৰজন হয় কিন্তু সেই ঠাইত নিজ জাতি-জনজাতিৰ ব্যক্তিৰ উপস্থিতি দেখিবলৈ নাপাই সমাজৰ লগত খাপ খাই ধাৰ্মিক নীতি-নিয়মেৰে জীৱন অতিবাহিত কৰিবলৈ পূৰ্ব জাতি-জনজাতি ত্যাগ কৰি নতুন জাতি-জনজাতি গ্ৰহণ কৰে। জাতি ব্যৱস্থাই



সমাজখনক এডাল এনাজৰীৰে বান্ধি ৰাখিছে। সমাজ খনক কিছু ক্ষেত্ৰত সুস্থ গতিত পৰিচালিত কৰিছে। জাতি ব্যৱস্থাৰ ফলত সমাজত বহু বৈষম্যতা দেখিবলৈ পোৱা লগতে সমাজখনক এডাল এনাজৰীয়ে বান্ধি ৰাখিছে যাৰ ফলস্বৰূপে সমাজত ব্যক্তিয়ে কিছু নীতি নিয়মৰ দ্বাৰা পৰিচালিত হৈছে আৰু এই নিয়মে সমাজক সুচাৰুৰূপে পৰিচালিত কৰিছে। এই পৰিৱৰ্তনশীল জাতি ব্যৱস্থাৰ ভৱিষ্যত বাৰু কি?

জাতিবাদ পৰিৱৰ্তনশীলতাৰ এক উদাহৰণ বা ফল। ই ৰাষ্ট্ৰীয় সংহতিৰ এক প্ৰতিবন্ধকতা। যেতিয়া মানুহৰ মনত অস্পৃশ্যতাৰ মনোভাৰ আৰু নিজৰ উচ্চ জাতিৰ মনোভাৰ গঢ় লয় তেতিয়াই মানুহৰ মনত জাতিবাদৰ ধাৰণা উদয় হয়। ফলস্বৰূপে জাতি ব্যৱস্থা অধিক ৰক্ষণশীল আৰু অপৰিৱৰ্তনীয় ৰূপৰ হয়। তেতিয়াই জাতিবাদৰ ৰূপ লয়।

নগৰীকৰণ, যাতায়ত আৰু যোগাযোগ উন্নতি, নিজৰ জাতিৰ প্ৰতি সচেতনতা আৰু সামাজিক আদান প্ৰদানত বাধা হোৱা ফলতেই জাতিবাদৰ সৃষ্টি হয়। পৰিৱৰ্তনশীল এই সমাজত জাতি ব্যৱস্থাৰো বহু সাল-সলনি হৈছে। গতিকে পৰিৱৰ্তনশীল সমাজত জাতি ব্যৱস্থাৰ পৰিৱৰ্তন নিশ্চিত।♦

প্ৰবন্ধ

মাতৃভাষা মাধ্যমত শিক্ষা

জাহ্নবী দত্ত

"হয়তো নহ'ব পাৰে মোৰ ভাষা সবাতো সুবীয়া
তথাপি আপোন এই ভাষা,
তাৰেই প্ৰকাশ কৰোঁ মোৰ অন্তৰৰ ভাব কুমলীয়া
সুখ, দুখ, স্নেহ, শান্তি, আশা।"

— নৱকান্ত বৰুৱা।


বিশিষ্ট কবি, সাহিত্যিক নৱকান্ত বৰুৱাদেৱৰ ভাষাত সুবীয়া, সুমধুৰ জননীৰ মুখনিসৃত ভাষাৰ মাধ্যমেদি অন্তৰৰ সুকুমল ভাববোৰ স্বতঃস্ফুৰ্তভাৱে নিগৰি নিগৰি ওলাই অহাই হৈছে মাতৃভাষা। ভাষা হৈছে মানুহৰ দৈনন্দিন জীৱনৰ এক সহজাত প্ৰক্ৰিয়া। যাৰ বিকাশ আৰু প্ৰসাৰে এখন সুস্থ-সবল তথা সমৃদ্ধিশালী সমাজ গঢ়ি তোলাত যথেষ্ট সহায় কৰে। মাতৃ আৰু সন্তানৰ মাজত যোগসূত্ৰৰ মাধ্যম হিচাপে মাতৃভাষাৰ ব্যৱহাৰ আৰম্ভ হৈ পৰ্যায়ক্ৰমে পৰিয়ালৰ প্ৰাপ্তবয়স্ক মান্যসকলৰ মাজত ই এক যোগাযোগৰ আহিলা হিচাপে ব্যৱহাৰ হ'বলৈ ধৰে।

শিশুৰ মানসিক বিকাশ সাধনৰ ক্ষেত্ৰত মাতৃভাষাৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। মনৰ ভাব সুন্দৰকৈ বাক্যৰ গাঁথনিৰে যুক্তিপূৰ্ণভাবে প্ৰকাশ কৰাৰ ক্ষেত্ৰত মাতৃভাষাৰ ভূমিকা অন্যতম। শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত এই মাতৃ-ভাষাই শিশুসকলক যথেষ্ট উৎসাহিত কৰি তোলে, কিয়নো শিক্ষাদান মাতৃভাষা মাধ্যমৰ যোগেদিহে অধিকভাৱে বাস্তৱমুখী কৰি তুলিব পৰা যায়। প্ৰাথমিক স্তৱতে শিশুসকলক মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰিলে শিশুটোৰ ভেঁটি মজবুত হোৱাৰ লগতে কোনো এটা বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰিবলৈ সক্ষম হ'ব। সেয়েহে জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল — "কেঁচুৱাক শাৰীৰিক বিকাশৰ বাবে মাতৃদুগ্ধৰ যিমান আৱশ্যক, শিশুৰ মানসিক বিকাশৰ বাবে মাতৃভাষাৰ সিমানেই আৱশ্যক।"

মাতৃভাষা সমাজ জীৱনৰ এক আৱশ্যকীয় অংগ। মাতৃভাষাৰ সু-শৃংখলিতস্বৰূপ আহৰণ কৰি তাক বাস্তৱ জীৱনত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত মাতৃভাষা শিক্ষাৰ উদ্দেশ্য আৰু লক্ষ্য সুদূৰপ্ৰসাৰী। মাতৃভাষাৰ যোগেদি শিক্ষা গ্ৰহণ কৰি তাক সুন্দৰৰূপে আয়ত্ত কৰিব পাৰিলেহে বিষয়বস্তুৰ ওপৰত পূৰ্ণজ্ঞান সম্ভৱপৰ হয়। মাতৃভাষাত ৰচিত সাহিত্য, জীৱনীমূলক গ্ৰন্থ, ভ্ৰমণ কাহিনী ইত্যাদিয়ে শিশুৰ মনত গভীৰ চিন্তাৰ উদ্ৰেক ঘটাই চিন্তাৰ খোৰাক যোগায়, যাৰফলত তেওঁলোকৰ বৌদ্ধিক বিকাশৰ লগতে মানসিক আৰু চাৰিত্ৰিক দিশৰো বিশেষ উন্নতি সাধন হয়। এইক্ষেত্ৰত নৈতিক আদৰ্শযুক্ত মাতৃভাষাত ৰচিত গ্ৰন্থৰ প্ৰভাৱ সৰ্বাধিক। তদুপৰি মাতৃভাষাত ৰচিত গীতবোৰে আমাৰ মনত জাতীয়তাবোধ তথা দেশপ্ৰেমৰ ভাৱধাৰা সৃষ্টি কৰে। এনে গীতসমূহক বিদ্যালয়ত প্ৰাৰ্থনা, সংগীতৰূপে ব্যৱহাৰ কৰিলে ছাত্ৰ-ছাত্ৰীৰ মনত দেশপ্ৰেমৰ ভাৱ জাগ্ৰত হ'ব। তদুপৰি সাহিত্যৰ ৰসাস্বাদনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক মনোগ্ৰাহী কৰি তোলাৰ ক্ষেত্ৰত মাতৃভাষাৰ ভূমিকা অন্যতম। মাতৃভাষাত অনুদিত হোৱা গ্ৰন্থ অধ্যয়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক মহৎ সাহিত্যিকসকলৰ ৰচনাৰাজি তথা জীৱনাদৰ্শ সন্দৰ্ভত অৱগত কৰোৱা হয়।

যি ব্যক্তিয়ে সৰুকালৰে পৰা মাতৃভাষাৰ জ্ঞান ভালদৰে আয়ত্ত কৰিবলৈ সুবিধা পায় সেই ব্যক্তিৰ চিন্তাৰ উদ্ৰেক বিশেষভাৱে বৃদ্ধি পায় লগতে মৌলিক চিন্তাৰ উন্মেষ ঘটে, যাৰ ফলত ভাষাটো চহকী হোৱাত যথেষ্ট সহায়ক হয়। এজন ব্যক্তিয়ে বিদেশী ভাষা এটাত শিক্ষা আহৰণ কৰি এখন মৌলিক চিন্তাৰে পৰিপুষ্ট গ্ৰন্থ ৰচনা কৰাটো সম্ভৱ নহয়, চিন্তাশীল আৰু মননশীল লিখনি কলমৰ আগেৰে স্বতঃস্ফুৰ্তভাৱে নিগৰিত হয় কেৱল মাতৃভাষা শিক্ষাৰ জৰিয়তেহে।

শিশুৰ বাবে মাতৃভাষা মাতৃদুগ্ধৰ দৰেই। মাতৃদুগ্ধ পান নকৰাই কৃত্ৰিম দুগ্ধ খুৱালে যিদৰে শিশুৰ সৰ্বতো প্ৰকাৰৰ



পৰিপুষ্টি সাধন নহয়, ঠিক সেইদৰে মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ নকৰি বিদেশী ভাষাত শিক্ষা গ্ৰহণ কৰিলে তদ্ৰূপ ফলেই পোৱা যায়।

ভাষা আৰু পৰিচয় দুয়োটাই ওতঃপ্ৰোতভাৱে জড়িত। এটা জাতিৰ এক সুস্থ পৰিচয়ৰ বাবে মাতৃভাষাৰ অৱদান অপৰিহাৰ্য। চহকী ভাষাইহে কোনো এক জাতিৰ সুস্থ পৰিচয় বহন কৰে। সেয়ে জাতিটোৰ ভাষা সমৃদ্ধিশালী কৰিবলৈ হ'লে জাতিটোৰ প্ৰত্যেকজন ব্যক্তিয়েই মাতৃভাষাৰ শিক্ষা সুচাৰুৰূপে গ্ৰহণ কৰা উচিত।

বৰ্তমান সমাজত ইংৰাজী মাধ্যমত পঢ়িলেহে ইংৰাজী ভাষাত দখল ভাল হ'ব বুলি মানুহৰ যি এক ভাবধাৰা আছে তাৰ প্ৰত্যাহ্বান স্বৰূপে এই কথা ক'ব পাৰি যে জগতত এনে বহু জাতিৰ উদাহৰণ আছে যিয়ে মাতৃভাষাত পঢ়িও সকলো ক্ষেত্ৰতে মাতৃভাষা ব্যৱহাৰ কৰি আগশাৰীৰ জাতি হিচাপে পৰিগণিত হৈছে। যেনে জাপানীসকল। অথচ জাপানীসকলে প্ৰয়োজনসাপেক্ষে সুন্দৰ ইংৰাজীও ব্যৱহাৰ কৰিব জানে।

মাতৃভাষাৰ মাধ্যমত শিক্ষা লোৱা শিশুৰ মনত জাতীয় পৰিচয় আৰু গৌৰৱবোধৰ বীজ বোপন হয় যিয়ে শিশুটোৰ আত্মপৰিচয় সবল কৰে।

এটা ভাষাই এটা জাতিৰ মৰ্যাদা ধৰি ৰখাৰ লগতে জাতিটোৰ একতা আৰু সংহতিৰ বাঘজৰী ডাল সুদৃঢ় কৰি ৰাখে। এই কথাষাৰীৰ আলমতে ক'ব পাৰি যে আমাৰ দাঁতি কাষৰীয়া ৰাজ্য উৰিষ্যাত 'উড়িয়া' আদিবাসী মঞ্চ'ৰ উদ্যোগত চলি আছে মাতৃভাষা কেন্দ্ৰীক শিশু শিক্ষাৰ এক প্ৰশংসনীয় আন্দোলন।

যি আন্দোলনে সম্প্ৰতি সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। সংযুক্ত ৰাষ্ট্ৰসংঘৰ মতেও সকলো দেশ, জাতিৰ শিশুৱে নিজৰ মাতৃভাষাত শিক্ষাগ্ৰহণ কৰিবলৈ পোৱাটোৱেই তেওঁলোকৰ বাবে মংগলজনক। কানাডা, চীন, আফ্ৰিকা, ভাৰতবৰ্ষকে ধৰি বহু ৰাষ্ট্ৰত শিশুৰ প্ৰাৰম্ভিক শিক্ষাৰ মাধ্যম সম্পৰ্কে কৰা পৰীক্ষা-নিৰীক্ষাত এই কথা স্পষ্টভাৱে প্ৰকাশ পাইছে যে মাতৃভাষাত প্ৰাৰম্ভিক শিক্ষা লাভ কৰা শিশুসকলৰ মানসিক বিকাশৰ মাত্ৰা তুলনামূলকভাৱে অধিক হয় আৰু তেওঁলোকে অধিক ভাল ফলাফল দেখুৱাবলৈ সক্ষম হয়।

মাতৃভাষাৰ শিক্ষা হ'ল সর্বাংগীন জ্ঞানৰ সাগৰ যি সাগৰত অৱগাহন কৰি জীৱনৰ মূল্যবান মাণিকৰ সন্ধান পাব পাৰি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক, কবি, লেখক চিন্তাবিদ ড' জয়ন্ত কৃষ্ণ শর্মাদেৱৰ ভাষাত মাতৃভাষাই শিশুক যি অংগীকাৰ দিব পাৰে, শিশুক যি অন্তৰাত্মাৰ উদ্‌গীৰণৰ কাৰণে সহায় কৰিব পাৰে অন্য ভাষাই নোৱাৰে। মাতৃভাষা শিক্ষণ আমাৰ কাৰণে অপৰিহার্য। মাতৃভাষা বাদ দিলে আমি শিপা হেৰুৱাব লাগিব। আমি যদি শিপা হেৰুৱাই পেলাওঁ, শিক্ষাৰ যিমান ওপৰলৈ গ'লেও সেই শিক্ষাৰ মূল্য নাই।

কোমল শিশুৰ কুমলীয়া মনটিত যি শিক্ষাই নিজ পিতৃ-মাতৃ, নিজা সাংস্কৃতিক পৰিচয়, ভাষা, মূল্যবোধ আৰু নিজ দেশৰ প্ৰতি শ্ৰদ্ধা ওপজাব নোৱাৰে তেনে শিক্ষা উদ্দেশ্যবিহীন। ভাষিক ঔপনিবেশবাদত জ্ঞাতে বা অজ্ঞাতে পোঁত যোৱা আমাৰ বর্তমান আৰু ভৱিষ্যত প্ৰজন্মৰ অন্তৰত মাতৃভাষাক কিদৰে উজ্জীৱিত কৰি গাঢ় কৰিব পৰা যায় সেই কথা প্ৰত্যেকজন ব্যক্তিৰ বাবে এক গুৰু বিচার্য্য বিষয় হোৱা উচিত।

শেষত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ভাষাৰে— “স্বদেশ আৰু স্বজাতিৰ মংগল মন্দিৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।”♦



গণতান্ত্রিক ৰাষ্ট্রত সংবাদ মাধ্যমৰ ভূমিকা

চিৰঞ্জীৰ সন্দিকৈ

সংবাদ মাধ্যম হৈছে পৃথিৱীৰ আটাইতকৈ শক্তিশালী সত্তা। তেওঁলোকৰ ওচৰত দোষীক নির্দোষী আৰু নির্দোষীক দোষী সজাব পৰা ক্ষমতা আছে। কাৰণ তেওঁলোকে জনসাধাৰণৰ মনক নিয়ন্ত্রণ কৰে। — মেলকম এক্স।

এখন গণতান্ত্রিক দেশৰ অন্তৰালত থকা চাৰিটা মূল স্তম্ভ হৈছে কার্যপালিকা, বিধানমণ্ডল, ন্যায়পালিকা আৰু সংবাদ মাধ্যম। গণতান্ত্রিক ৰাষ্ট্রত সংবাদ মাধ্যম হৈছে শৰীৰত থকা সিৰা-ধমনীৰ দৰে যিয়ে হৃদয়ৰ লগতে সবাংগলৈ তেজ অনা নিয়া কৰে। ঠিক তেনেদৰে সংবাদ মাধ্যমে দেশৰ কেন্দ্রীয় শক্তিস্বৰূপ জনসাধাৰণৰ ওচৰলৈ তথ্য পাতি আৰু বিভিন্ন ধৰণৰ জ্ঞানৰ সম্ভাৰৰ লগতে কঢ়িয়াই ফুৰে গণতান্ত্রিক ভাৰধাৰ। পৃথিৱীৰ আটাইতকৈ প্রাচীন গণতন্ত্র আমেৰিকা যুক্তৰাষ্ট্রৰ পৰা আৰম্ভ কৰি বৃহত্তৰ গণতন্ত্র ভৰতলৈকে সংবাদ মাধ্যমে যি এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে সেয়া সকলোৱে জ্ঞাত। বিশেষকৈ আমি সকলোৱে জানো যি ভাৰতবর্ষৰ স্বাধীনতা সংগ্রামৰ কালত সংবাদ মাধ্যমৰ এক শক্তিশালী ভূমিকা আছিল—মহাত্মাগান্ধী,বাল গংগাধৰ তিলক, বি.আৰ.আম্বেদকাৰ আদিৰ দৰে স্বতন্ত্রতা সংগ্রামী সকলেও বাতৰিকাকতৰ যোগেদি জনসচেতনতা আৰু জনমত গঠন কৰাৰ পথ বাছি লৈছিল। একে সময়তে এই বাতৰিকাকত আৰু ৰেডিঅ' কেন্দ্রসমূহে সমাজ সংস্কাৰৰ ক্ষেত্রতো এক উল্লেখযোগ্য ভূমিকা আদায় কৰিছিল।

সাম্প্রতিক কালত প্রায়বোৰ গণতান্ত্রিক দেশতেই সংবাদ মাধ্যমৰ এক শক্তিশালী স্থিতি অতন্দ্র প্রহৰী হিচাপে কাম কৰি আহিছে। তলত সংবাদ মাধ্যমে গণতন্ত্রত আদায় কৰা কেইটামান গুৰুত্বপূর্ণ ভূমিকা হ'ল—

(ক) তথ্যপাতি যোগান ধৰা আৰু তথ্যৰ শুদ্ধ অশুদ্ধতা বিচাৰ কৰি তাক সত্য ৰূপত ৰাইজৰ সন্মুখত তুলি ধৰা।

(খ) চৰকাৰী আঁচনি, বিভিন্ন কল্যাণমূলক কাম কাজসমূহৰ বিষয়ে বাতৰিকাকত তথা সংবাদ মাধ্যম সমূহত বিজ্ঞাপ্তি দিয়া হয়, যাৰ দ্বাৰা সাধাৰণ জনতাই ইয়াৰ বিষয়ে জ্ঞাত হয়।

(গ) সংবাদ মাধ্যমে সাহিত্য চর্চা আৰু সাহিত্যৰ প্রচাৰ প্রসাৰৰো এক সু-মাধ্যম ৰূপে কাম কৰে।

(ঘ) সংবাদ মাধ্যমে গণতান্ত্রিক দেশ এখনত জমনত গঠন কৰাত এক উল্লেখযোগ্য ভূমিকা পালন কৰে আৰু নির্বাচনৰ সময়তো জনসাধাৰণক এক সু-নির্বাচন কৰাত বিশেষ প্রভাৱ বিস্তাৰ কৰে।

(ঙ) দেশত চৰকাৰে স্বেচ্ছাচাৰিতাৰে শাসন কৰিব বিচাৰিলে বা গণতান্ত্রিক পদ্ধতি কেনেবাকৈ আঘাত প্রাপ্ত হ'লে তেনেস্থলত সংবাদ মাধ্যমে এক শক্তিশালী ভূমিকাত অৱতীর্ণ হয় আৰু ৰাইজৰ পক্ষত থিয় দি শাসনতন্ত্রৰ বিৰুদ্ধে মাত মাতে।

(চ) সংবাদ মাধ্যমে কেৱল তথ্য পাতি যোগান ধৰাই নহয়, শুদ্ধাশুদ্ধও পৰীক্ষা কৰে আৰু ভুল তথ্য প্রচাৰ বা প্রকাশ হ'লে তাৰ শুধৰণি কৰে আৰু সজাগতাৰ সৃষ্টি কৰে।

উপৰোক্ত দিশসমূহ বিচাৰ কৰিলে আমি লক্ষ্য কৰিম যে এখন গণতন্ত্রত এই বিষয়সমূহ যথেষ্ট গুৰুত্বপূর্ণ আৰু গণতান্ত্রিক গতিধাৰা বজাই ৰখাত ইপ্রভাৱ বিস্তাৰ কৰে। কিন্তু বর্তমান সময়ত আমি দেখা পাওঁ যে বহুক্ষেত্রত সংবাদ মাধ্যমে গণতন্ত্রত যি ভূমিকা পালন কৰিব লাগিছিল সেয়া কৰাত ব্যর্থ হৈছে। ইয়াৰ কাৰণসমূহ বিশ্লেষণ কৰিলে আমি দেখা পাম যে—

(ক) সংবাদ মাধ্যমে আর্থিক অনাটনৰ বা অসুবিধাৰ সম্মুখীন হ'ব ধৰিছে।

(খ) বহুতো সংবাদ মাধ্যমে নিজৰ নৈতিক মূল্যবোধ, কার্যক্ষেত্রত থাকিব লগা সততা আৰু নিষ্ঠা পালন কৰাৰ সলনি স্বার্থপূৰণ তথা অর্থৰ লোভত নিজকে বিক্রী কৰে।

(গ) সংবাদ মাধ্যমৰ যিসমূহ নীতি নিয়ম সামাজিক দায়বদ্ধতা আৰু জনসাধাৰণৰ সুৰক্ষাৰ বাবে তৈয়াৰ কৰা হৈছিল সেইসমূহ পালন কৰাত সংবাদ মাধ্যম কিছু ব্যর্থ হৈছে।

(ঘ) ইয়াৰ উপৰিও চৰকাৰযন্ত্রৰ পৰা পোৱা চাপৰ ফলতো স্বাধীনভাৱে সংবাদ মাধ্যমে কাম কৰিব নোৱাৰে।

(ঙ) বিজ্ঞাপন কেন্দ্রিক সংবাদ মাধ্যমে সাধাৰণ জনসাধাৰণৰ সলনি বাণিজ্যিক গোষ্ঠীৰ পক্ষত থিয় দিয়াও আমি দেখিবলৈ পাওঁ।

উপৰোক্ত কাৰণসমূহৰ ফলত এখন গণতন্ত্রত সংবাদ মাধ্যমে যি ভূমিকা পালন কৰিব লাগিছিল সেয়া কৰিব নোৱাৰা হয় আৰু জনসাধাৰণৰ সংবাদ মাধ্যমৰ প্রতি বিশ্বাসহীনতাৰ ভাব জন্মে। এনে সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্রত আমি চাবচক্রিপচন মূলক সংবাদ মাধ্যম, ন্যায়পালিকাৰ পৰা সমর্থন আৰু ন্যায়িক ৰক্ষা কৰচ প্রদান, সংবিধানৰ যোগেদি সংবাদ মাধ্যমৰ বাক্ স্বাধীনতা ৰক্ষা কৰা, সংবাদ মাধ্যমৰ বাবে সু-সংগঠিত নীতি নিয়মৰ ব্যৱস্থা কৰা আদি পদক্ষেপ গ্রহণ কৰিব পাৰো। এনেবোৰ পদক্ষেপৰ জৰিয়তেহে বর্তমান সময়ত আমি গণতন্ত্রৰ চতুর্থ স্তম্ভস্বৰূপ সংবাদ মাধ্যমৰ প্রকৃত ভূমিকাক সুনিশ্চিত কৰিব পাৰো।

এই কথাত কোনো দ্বিমত থাকিব নোৱাৰে যে গণতান্ত্রিক ৰাষ্ট্র এখন সংবাদ মাধ্যমৰ ভূমিকা অতি বেছি। সংবাদ মাধ্যম গণতন্ত্রত ৰাইজৰ অধিকাৰ আৰু স্বাধীনতা ৰক্ষাৰ ক্ষেত্রত অতন্দ্র প্রহৰীস্বৰূপ। সকলোবস্তুৰে ভাল বেয়া দুয়োটা দিশেই থাকে। সংবাদ মাধ্যম তাৰ ব্যতিক্রম নহয়। কিন্তু সংবাদ মাধ্যম নেতিবাচক দিশসমূহ বা সমস্যাসমূহ আঁতৰ কৰিব পাৰিলে নিঃসন্দেহে সংবাদ মাধ্যম হৈ পৰিব গণতন্ত্রৰ বৃহত্তম অভিকৰণ। এই লক্ষ্য প্রাপ্তিৰ বাবে প্রত্যেক গণতান্ত্রিক দেশৰ নাগৰিকে নিজৰ কর্তব্যসমূহ নিষ্ঠা আৰু সততাৰে পালন কৰিব লাগিব। ♦

সমাজ সংগঠনত ছাত্রৰ কর্তব্য

হেমাংগ বড়া

সমাজ গঠনৰ উৎস হৈছে মানুহ। জাতি গঠনৰ প্রাথমিক সূত্রৰ পৰাই জন্ম হৈছিল এখন সমাজ। সমাজ বাদ দি কোনো মানুহেই আজিৰ জগতত বাছি থকাৰ কথা ভাবিব নোৱাৰে। সমাজ বন্ধনৰ পৰা মুক্ত হৈ, মুক্ত আকাশৰ তলত, মুক্ত জীৱন যাপন কৰি থাকোতে আলেকজেণ্ডাৰ চেলকার্কে শান্তি নোপোৱাৰ বাবে চিএৰি কৈছিল—

"Society, friendship and love
Divinely bestowed upon man
Oh! had I the wings of a dove
How soon would ! taste you again"

সমাজ এখনৰ অবিচ্ছেদ্য অংগ হৈছে ছাত্র-ছাত্রীসকল। প্রতিজন ছাত্র সমাজৰ একো একোজন সদস্য ভৱিষ্যতৰ কর্ণধাৰ।

সেয়েহে ছাত্রসকলে সমাজক বাদ দি আগুৱাব নোৱাৰে আৰু সমাজেও ছাত্র সমাজক বাদ দি আগুৱাব নোৱাৰে বা এখন সুকীয়া সমাজ গঢ়িব নোৱাৰে। যিহেতু ছাত্রসকল সমাজত থাকিবই লাগিব। ছাত্র সমাজৰ প্রতি বহু কৰিবলগীয়া কাম আছে। ছাত্রশক্তি প্রৱল আৰু বিৰাট। ছাত্রসকলৰ কল্পনা প্রৱন মন অসীম উচ্ছাহ আৰু উদ্যমেৰে ভৰপূৰ। উচ্ছল দেহ, উচ্ছল মন, মনত অসীম সাহস, বাহুত অসীম বল, বুকুত দিগন্তপ্রসাৰী কল্পনাৰ ৰঙীন ছবি।

চকুত তীব্র উজ্জ্বল দৃষ্টি, লক্ষ্য সাধনৰ প্রবল আগ্রহ, জানিবলৈ ব্যগ্র, চাবলৈ উদ্‌গ্রীৱ, জ্ঞান লাভৰ তৃষ্ণা, খোজত 'বিশ্ব বিজয়ী' ন-জোৱানৰ দপ্‌দপনি। তেওঁলোক সমাজৰ সদা জাগ্রত প্রহৰী। সেয়েহে সমাজৰ অন্যায় অসত্যতা দেখিলে তেওঁলোক জ্বালামুখীৰ দৰে উগ্র, অধ্যয়নত ব্রতী হৈও সমাজৰ কল্যাণ সাধনত ছাত্রয়ো মহৎ বৰঙণি যোগোৱাৰ থল আছে। কোনো দুর্যোগৰ সময়ত দলবদ্ধভাৱে সেৱাৰ আদর্শ সন্মুখত লৈ সর্বহাৰা সকলক দুর্গত সকলক নানানভাৱে সহায় কৰিব পাৰে। গাঁৱে-ভূঞে, চহৰে-নগৰে গৈ বৰঙণি সংগ্রহ কৰি ভোকত এমুঠি আহাৰ, পিয়াহত এটোপি পানী, জাৰত এখনি বস্ত্র দি পীড়িতসকলক সহায় কৰিব পাৰে আৰু সেয়া এক মহৎ মাননীয় কাম। সমাজসেৱাৰ অন্তর্গত এইবোৰ কামৰ উপৰিও ছাত্র সমাজে সংগঠনমূলক কামতো নানাভাৱে অবিহণা যোগাব পাৰে। পঢ়া শুনা কৰিবলৈ সক্ষম নোহোৱা ল'ৰা-ছোৱালীক সাহার্য দিয়াৰ ব্যৱস্থা কৰিব পাৰে আৰু তাৰ উপৰিও আমাৰ নগৰ অঞ্চলৰ আশে পাশে থকা গাঁওবোৰৰ যাতায়ত ব্যৱস্থা উন্নত নহয়, শিক্ষাৰ প্রতিও সম্পূর্ণ ধাউতি থকা দেখা নাযায়। স্বাস্থ্য ৰক্ষাৰ নীতি নিয়মৰ প্রতি আগ্রহশীল নহয়, বিদ্যুৎ ব্যৱস্থা উন্নত নহয়, গাঁওখনৰ উন্নয়নৰ চিন্তাও নাই। এইবোৰ ক্ষেত্রত ছাত্র সমাজে পথ প্রদর্শন কৰিব পাৰে।

মুঠতে ছাত্রশক্তি একত্রিত হৈ প্রৱল উৎসাহ প্রেৰণা লৈ সেৱাৰ মনোভাৱেৰে মানুহৰ মাজলৈ আগবাঢ়ি যাব, তেতিয়া সমাজেও উৎসাহ, প্রেৰণা পাব তেতিয়া ছাত্রশক্তি নেতৃত্বত মহৎ কার্য সম্পাদনৰ পথত জীৱন উছর্গি আগবাঢ়ি যাব। এই ক্ষেত্রত ছাত্র সমাজৰ পথ প্রদর্শক সকলোৰে দায়িত্ব অসীম।

আজিৰ ছাত্রসমাজে এইখিনি কাম অতি সহজে সমাধা কৰি মহানুভৱতাৰ পৰিচয় দিব পাৰিব আৰু দিও আহিছে। এইখনেই ছাত্র সমাজ, এয়াই ছাত্রৰ স্বৰূপ, এইখন অজেয় সমাজ। এইখন সমাজক ভুল পথেৰে, ভুলভাৱে পৰিচালিত কৰাৰ পৰিণাম গুৰুত্বৰ। এই সমাজ অবাটে যাব লাগিলে জাতিৰ, সমাজৰ, দেশৰ বিৰাট আৰু অপূৰণীয় ক্ষতি হ'ব। অৱশেষত ছাত্র-ছাত্রীসকলে এখন সুস্থ সমাজ গঢ়ি তোলাত গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱাৰ আশা ৰাখি প্রতিজ্ঞাবদ্ধ হোৱা যাওঁক। ♦



আহোমসকলৰ দিনত প্ৰচলিত খেল-ধেমালি

নিতুৰাণী গগৈ

আহোমসকল বুলি ক'লেই আমাৰ মনলৈ প্ৰথমেই অহা শব্দটো হৈছে 'শিৱসাগৰ'। এই ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাত আহোমে গঢ়া বহুতো কীৰ্তিচিহ্ন দেখিবলৈ পোৱা যায়। সৰু-বৰ কীৰ্তিচিহ্নবোৰকে আদি কৰি বহুতো সময়ত আমি শিৱসাগৰত দেখা পাওঁ। বিভিন্নজন স্বৰ্গদেউৰ ৰাজত্বকালত বিভিন্ন কীৰ্তিচিহ্ন শিৱসাগৰত গঢ় লৈ উঠিছিল। ঠিক তেনেদৰে আহোমসকলৰ ৰাজত্বকালত গঢ় লৈ উঠা এক অন্যতম কীৰ্তিচিহ্ন হৈছে 'ৰংঘৰ'। ৰংঘৰ সজাইছিল স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ চনত। এই ৰংঘৰৰ বাকৰিতে স্বৰ্গদেৱে মনোৰঞ্জনৰ বাবে নানান খেল ধেমালি উপভোগ কৰিছিল।

কোৱা হয় এটা জাতিৰ প্ৰাণকেন্দ্ৰ হ'ল সেই জাতিৰ শাৰীৰিক সুস্থতা আৰু উৎকৰ্ষ। অসমৰ ইতিহাসত সৰ্বপ্ৰথমে ৰংঘৰ সজাইছিল স্বৰ্গদেউ ৰুদ্ৰসিংহই কাঠ আৰু বাঁহেৰে। পিছত প্ৰমত্ত সিংহৰ দিনতহে ৰংঘৰ পকী কৰোৱা হয়। এই ৰংঘৰৰ ওপৰৰ মহলাত সিংহপীৰা পাতি তাতে বহি আহোম ৰজাসকলে ৰংঘৰৰ বাকৰিত হোৱা মল্লযুদ্ধ, ম'হযুঁজ ইত্যাদি চাইছিল। তদুপৰি বিশেষকৈ ব'হাগ বিহু আৰু মাঘ বিহুৰ সময়ত ঘোঁৱা দৌৰ, লাঠি খেল, তৰোৱাল যুঁজ, কাড় খেল আদিও কৰিছিল। পিছে এইটো উল্লেখনীয় যে ৰজাঘৰৰ বাহিৰে সৰ্বসাধাৰণ প্ৰজাৰ মাজত ইমান খেল-ধেমালি প্ৰচলন নাছিল। তথাপিও চেঙেলীয়া ডেকাসকলৰ মাজত ঘিলাখেল বৰ জনপ্ৰিয় আছিল। ইয়াৰোপৰি হেতালি, কুকুৰা ঠেঙীয়া আদি খেলৰ প্ৰচলন আছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত ভালেমান খেল-ধেমালিক ৰাজকীয় মৰ্যদা দিয়া হয়। ৰজাই ৰংঘৰত উঠি আৰু প্ৰজাই গড়ৰ ওপৰত বহি বা উঠি খেল উপভোগ কৰিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতেই প্ৰথমবাৰৰ বাবে নাওখেল আৰু শেনযুঁজৰ প্ৰচলন হয়। হাতীৰ যুঁজ, চৰাই যুঁজ, ম'হ যুঁজ সাধাৰণতে ৰংঘৰৰ বাকৰিত অনুষ্ঠিত হৈছিল যদিও সুবিধাজনক ঠাইত বেলেগ বেলেগেও অনুষ্ঠিত কৰা হৈছিল শেন যুঁজ, কুকুৰা যুঁজ সমূহৰ দৰে খেলসমূহ। বুৰঞ্জীত উল্লেখ থকা অনুসৰি হাতী যুঁজত কমেও দুশমান হাতীয়ে অংশগ্ৰহণ কৰিছিল আৰু এইবোৰ ৰংঘৰৰ কাষৰ হাতীখোঁকত ৰখা হৈছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই এই খেল ধেমালিবিলাক চাবলৈ ১৫-১৬ হতীয়া শাল কাঠৰ খুঁটাৰে কাঠৰ পাট দি চাং সাজি প্ৰথমে এই ৰংঘৰ সাজিছিল। যাক এছিয়াৰ প্ৰথম 'এমপিথিয়েটাৰ' বুলি কোৱা হয়।

শেন যুঁজ সাধাৰণতে জেৰেঙা পথাৰত অনুষ্ঠিত কৰা হৈছিল। যুঁজত শেন জিকিলে শেনছোৱাক পুৰস্কৃত কৰা হৈছিল। কিন্তু কেতিয়াবা শেন পলাই গ'লে শেনৰ গৰাকীক দণ্ড বিহিছিল। এই সমূহ খেলৰ উপৰিও মাছমৰা, পহু চিকাৰ আদিও আহোমৰ দিনত প্ৰচলিত খেল আছিল। ইংৰাজ অহা পিছৰে পৰা এই সমূহ খেলৰ বহুখিনি বিলুপ্তি হৈ পৰিছিল।

যিহেতু কোৱা হয় যে খেল-ধেমালিয়ে এটা জাতিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰে। ঠিক তেনেদৰে আহোমসকলৰ দিনত প্ৰচলিত এই খেল-ধেমালি সমূহেও আহোমসকলৰ সত্ত্বা, ঐতিহ্য, সৰ্বদাৰে প্ৰকাশ ঘটাইছিল। সময়ৰ সোঁততে সকলো সলনি হয় যদিও আমি আমাৰ অতীজৰে পৰা চলি অহা এই খেল-ধেমালিসমূহ জীয়াই ৰাখিবলৈ সদায় চেষ্টা কৰা উচিত। ♦

প্ৰবন্ধ



মানসিক স্বাস্থ্য আৰু মানৱতাবাদী আচৰণৰ ওপৰত প্ৰতিযোগিতামূলক আৱেগৰ প্ৰভাৱ

প্ৰাঞ্জল কৃষ্ণ মজুমদাৰ

বিদ্যালয় আৰু মহাবিদ্যালয়ত উৎকৃষ্টতাৰ আচৰণ প্ৰায়ে শৈক্ষিক আৰু ক্ৰীড়াৰ ক্ষেত্ৰত কঠোৰ প্ৰতিযোগিতাৰ জৰিয়তে প্ৰকাশ পায়। এই প্ৰতিযোগিতামূলক মনোভাবে ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা যোগোৱা আৰু সফলতাৰ দিশে আগুৱাই দিয়াৰ লক্ষ্য থকিলেও ইয়াৰ ফলত তেওঁলোকৰ মানসিক স্বাস্থ্য আৰু মানৱীয় আচৰণৰ ওপৰত সঘনাই অনাকাংক্ষিত আৰু ঋণাত্মক প্ৰভাৱ পৰা পৰিলক্ষিত হয়।

প্ৰতিযোগিতামূলক পৰিৱেশত পাৰদৰ্শিতা প্ৰদৰ্শনৰ হেঁচাত ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট চাপ আৰু উদ্বেগ সৃষ্টি হ'ব পাৰে। শৈক্ষিক আৰু সহবিদ্যাতনিক প্ৰতিযোগিতাই প্ৰায়ে এনে এক পৰিৱেশৰ সৃষ্টি কৰে য'ত সফলতাক আন সকলো বিষয় তথা মানৱ দৰদী আচৰণতকৈ অধিক মূল্য দিয়া দেখা যায়। যাৰ পৰিপ্ৰেক্ষিতত মানসিক চাপৰ মাত্ৰা বৃদ্ধি হোৱাৰ লগতে মনোবৈজ্ঞানিক স্থিতিটো প্ৰভাৱ পৰে। এই মানসিক চাপ বিভিন্ন প্ৰকাৰে প্ৰকাশ পাব পাৰে। টোপনি অসুবিধা বা অনিদ্ৰা (Sleep Disturbances), বাৰ্নআউট (Burnout) আত্মসন্মান কমি যোৱা, পৰিস্থিতিৰ সংঘাত (Identity Crisis) আদিৰ কু-লক্ষণে দেখা দিব পাৰে। সমনীয়াৰ সৈতে অহৰহ তুলনা আৰু বিফলতাৰ ভয়ে এজন ছাত্ৰৰ মানসিক সুস্থতাক ক্ষয় কৰিব পাৰে। যাৰ ফলত তেওঁলোকে নিজৰ সাধনা-সফলতা উপভোগ কৰাটো কঠিন হৈ পৰে আৰু প্ৰচেষ্টা আৰু আত্ম-যত্নৰ মাজত সুস্থ ভাৰসাম্য বজাই ৰাখিব নোৱাৰে।

তদুপৰি সমনীয়াক জয়ী আৰু পিছ পেলোৱাৰ (Out-perform) তীব্ৰ মনোনিৰেশে সহানুভূতি, সহযোগিতা, পাৰস্পৰিক হেঙাৰ সৃষ্টি কৰিব পাৰে। যেতিয়া ছাত্ৰ-ছাত্ৰীক মূলতঃ শ্ৰেষ্ঠ হোৱাৰ ইচ্ছাই পৰিচালিত কৰে। তেনেস্থলত তেওঁলোকে নিজৰ সমনীয়াক সহপাঠী হিচাবে নহয় বৰং প্ৰতিদ্বন্দ্বীৰ বা প্ৰতিযোগী হিচাপেহে গণ্য কৰে। এই পৰিৱৰ্তনৰ ফলত সহযোগিতামূলক আচৰণ হ্ৰাস পাব পাৰে।

এই সমগ্ৰ গতিশীলতাত অভিভাৱকসকলেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰতিযোগিতামূলক আৱেগ পৰিয়াললৈকে বিস্তৃত হ'ব পাৰে, য'ত পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ ওপৰত অবাস্তৱিক আশা জাপি দিব পাৰে, যাৰ ফলত মানসিক চাপ আৰু উদ্ৰেগ গামী হৈ উঠে। লাভৰ হেঁচাই পাৰিবাৰিক সম্পৰ্কত টান দিব পাৰে আৰু সহযোগিতামূলক আৰু বুজা-বুজিব পৰিৱেশ গঢ় দিয়াৰ গুৰুত্বক ছাঁ পেলাব পাৰে।

এই প্ৰভাৱসমূহ লাঘব কৰিবলৈ প্ৰতিযোগিতাৰ ক্ষেত্ৰত অধিক সুষম দৃষ্টিভংগী গঢ়ি তোলাটো অতি প্ৰয়োজনীয়। ব্যক্তিগত বৃদ্ধিক উৎসাহিত কৰা, প্ৰচেষ্টা আৰু প্ৰতিদ্বন্দ্বীতাৰ ওপৰত সহযোগিতাক প্ৰসাৰ কৰাই সুস্থ আৰু অধিক। মানৱীয় শৈক্ষিক পৰিৱেশ সৃষ্টি কৰাত সহায় কৰিব পাৰে। কেৱল প্ৰতিযোগিতাৰ পৰা সামগ্ৰিক বিকাশলৈ (Holistic Development) মনোযোগ স্থানান্তৰিত কৰি আমি ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যক ভালদৰে সমৰ্থন কৰিব পাৰো আৰু ইতিবাচক মনৱতাবাদী আচৰণক উৎসাহিত কৰিব পাৰো। ♦

কথা পাতিব জানেনে?

দিজু চৌধুৰী



আন জীৱ জন্তুৰ তুলনাত মানুহক সৰ্বশ্ৰেষ্ঠ বুলি কোৱা হয়। ইয়াৰ কাৰণ জানিব বিচাৰিলে বেছিভাগে হয়তো মানুহৰ মগজু আৰু ইয়াৰ বিভিন্ন দিশৰ সামৰ্থ্যৰ কথা উল্লেখ কৰিব। ইয়াত কোনো ভুলো নাই। অৱশ্যে চাবলৈ গ'লে 'সৰ্বশ্ৰেষ্ঠ' শব্দটো মানুহে নিজে নিজক প্ৰদান কৰা; যিহেতু বৰ্তমানৰ প্ৰযুক্তিয়ে এই বিষয়ত পৃথিৱীৰ আন জীৱসমূহৰ পৰা বায়দান ল'ব পৰাকৈ কোনো সঁজুলি দিয়া নাই। কথাটো কিছু হাস্যকৰ হ'লেও এইটো সত্য যে আন জীৱসমূহে মানুহৰ নিচিনাকৈ কথা পাতিব নাজানে বুলি মানুহে মানি লৈছে। কিছুমান উচ্চ স্তৰৰ স্তন্যপায়ীৰ মাজত ইংগিত বা চিঞৰৰ জৰিয়তে ভাব প্ৰকাশ বা সতৰ্কতাৰ আহ্বান জনোৱা দেখা যায় যদিও তাক প্ৰকৃত বাৰ্তালাপ বুলি ক'ব নোৱাৰি। গতিকে ক'ব পাৰি যে কথা পাতিব জনা সামৰ্থটোৰ বাবেও আজি মানুহ প্ৰজাতি আন জীৱতকৈ পৃথক আৰু উচ্চ।

কথা পাতিব জনাটো কিমান জৰুৰী? এই প্ৰশ্নৰ উত্তৰ এজন নাবালকে সময়ৰ লগে লগে তাৰ ধীৰ গতিৰে আগবাঢ়ি যোৱা জীৱনটোত অতি সহজেই লাভ কৰে। প্ৰাপ্তবয়স্ক হৈ জীৱন যুঁজত নমালৈকে সি কথা পতাৰ ধৰণ, কৌশল, ব্যৱহাৰ আদি সকলো বিষয়ৰ জ্ঞানৰ উমান পায়। অবশ্যে পৰিৱেশ আৰু লগ পোৱা মানুহৰ সৈতে কেনে ধৰণৰ কথা বতৰা হয় তাৰ ওপৰতো এই জ্ঞান ভালেখিনি নিৰ্ভৰ কৰে। ছাত্ৰজীৱনৰ কথা ক'বলৈ গ'লে, কথা পাতিব জনা কলাটোৰ বাবেই এজন ছাত্ৰই পঢ়াৰ ক্ষেত্ৰত বা আন ক্ষেত্ৰসমূহত ভালেমান সহায় পায়। এইয়া হয়তো হ'ব পাৰে শিক্ষকক বা বন্ধুবৰ্গক প্ৰশ্ন সুধিব পৰা কৌশল নাইবা হ'ব পাৰে বিভিন্ন সিদ্ধান্ত লোৱা সময়ত পৰামৰ্শ ল'ব পৰা সক্ষমতা। কলেজীয়া জীৱনটো ছাত্ৰ একতা সভাৰ নিৰ্বাচনত কোনো এজন প্ৰতিনিধিয়ে এই কলাটোৰ বাবে ছাত্ৰ-সমাজৰ মগজুত ঠাই লৈ বিজয় লাভ কৰে আৰু আন কোনোবাই পৰাজয়। এই কলাটোৰ ফলতেই কোৱোবাৰ প্ৰেমত মধুৰ নিজৰা বয় আৰু আন কোৱোবাৰ প্ৰেম শুকান নিৰস মৰুভূমি হৈ পৰে। চতুৰালিৰ বিষটো কোনোৱে কথা ক'ব জনাৰ বাবেই বুধিয়কৰ সংজ্ঞা পায় আৰু আৰু আন কোনোৱে বন্ধুৰ পৰা ঠাট্টা মস্কৰা খায়। আজিকালি সামাজিক মাধ্যমত বেছিকৈ প্ৰচাৰিত 'Maturity' শব্দটোও কথা ক'বলৈ জনা বিষয়টোৰ ওপৰতে আধাৰিত। জীৱনৰ বিভিন্ন বয়সত এই কলাটোৱে নিজৰ পৰশ দি যায়। তদুপৰি বয়স বঢ়াৰ লগে লগে এই কলাৰ গুৰুত্ব অধিকহৈ গৈ থাকে। ই জীৱনৰ বহু দিশত সুখ দুখৰ বাট বিচাৰো কৰে। অৰ্থাৎ ক'ব পাৰি যে কথা পাতিব জনাৰ গুণৰ কথাৰে গুণ গাই শেষ কৰিব নোৱাৰি। কথা কেনেকৈ পাতিব লাগে কোনো 'ৰাম-বাণ ইলাজ' নাই। ই হৈছে পৰ্যায়ক্ৰমে অভিজ্ঞতাৰ জৰিয়তে শিকা এবিধ কলা। কিন্তু ইয়াক ফলপ্ৰসূ কৰাৰ কিছুমান কৌশল নিশ্চয় আছে। এইবোৰ ফলপ্ৰসূ হোৱাৰ স্থান, কাল, পাত্ৰ হিচাপে ভিন্ন হোৱাটো স্বাভাৱিক। প্ৰসিদ্ধ লিখকে এই কৌশল সমূহৰ কথা নিজৰ নিজৰ লিখনি কিতাপত 'How to win friends and Influence people' য'ত লিখক ডেল কার্নেগীয়ে কথা বার্তা জৰিয়তে কিদৰে নিজৰ আত্ম প্ৰতিভা গঢ়ি তুলিব পাৰি তাৰ বিষয়ে বৰ্ণনা কৰিছে। তেওঁৰ কিতাপখনৰ পৰা মূল কথাবোৰ বাচি উলিয়ালে এনেধৰণৰ হ'ব ঃ

- আনৰ প্ৰতি সঁচা অৰ্থত আগ্ৰহী হওক, আনৰ জীৱন, আগ্ৰহ, অভিজ্ঞতাৰ প্ৰতি আন্তৰিক কৌতুহল দেখুৱাওক।
- মুখত হাঁহি ৰাখক, প্ৰকৃত হাঁহি এটা ইতিবাচক প্ৰথম ছাপ পেলোৱা আৰু বন্ধুত্বপূৰ্ণ পৰিৱেশ সৃষ্টি কৰাৰ এক শক্তিশালী উপায়।
- কথা-বতৰাত কাৰোবাৰ নাম ব্যৱহাৰ কৰিলে তেওঁৰ

মূল্যবোধ আৰু সন্মান অনুভৱ কৰা হয়। ই আপোনাক সম্পৰ্ক স্থাপন কৰাত সহায় কৰে।

- ☞ আনে কথা কওতে মনোযোগ দিয়ক আৰু দেখুৱাওক যে আপুনি সঁচাকৈয়ে কথা-বতৰাত নিয়োজিত।
- ☞ আনজনে যি গুৰুত্ব দিয়ে তাৰ লগত সংগতি ৰাখি আপোনাৰ কথা-বতৰা তৈয়াৰ কৰক।
- ☞ আন্তৰিক প্ৰশংসা কৰক, মানুহে নিজৰ প্ৰচেষ্টা আৰু গুণৰ বাবে স্বীকৃতি লাভ কৰি ভাল পায়।
- ☞ ভুল হ'লে মুকলিকৈ স্বীকাৰ কৰক, ই নম্ৰতা আৰু সততা প্ৰকাশ কৰে।
- ☞ মানুহে নিজৰ চিন্তা আৰু অভিজ্ঞতা প্ৰকাশ কৰিবলৈ ভাল পায়। তেওঁলোকৰ সামৰ্থ্যৰ ওপৰত আপোনাৰ আস্থা আছে।
- ☞ তৰ্কৰ পৰা বিৰত থাকক। তৰ্ক কৰাৰ পৰিৱৰ্তে উমৈহতীয়া ভিত্তি আৰু সহমতৰ ক্ষেত্ৰ বিচাৰি উলিয়াওক।

কিতাপখনত এই কৌশলসমূহ বিতংকৈ বাখ্যা কৰা আছে আৰু এইবোৰ কার্যকৰী ক্ষেত্ৰত ফলপ্ৰসূ হোৱা দেখা যায়। কিন্তু মোৰ দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে এই কৌশলসমূহৰ জ্ঞান থকাতকৈ তাৰ অভিজ্ঞতা আৰু উপলব্ধি হোৱাটো বেছি জৰুৰী। মুখামুখি কথা বার্তাৰ ক্ষেত্ৰত কোনে কোনটো নিয়মত কথা ক'লে দেখিবলৈ-শুনিবলৈ ভাল হ'ব? কোনটো নিয়মত ক'লে তৰ্কৰ পৰা বিৰত থাকিম? এইবিলাক ভাবি থাকিলে তেওঁৰ গুৰুত্ব বৃদ্ধিতকৈ হ্ৰাস হে পাব। গতিকে কিদৰে কথা পাতিম এইদৰে ভাবি থকাতকৈ পৰিস্থিতি আৰু আনজন মানুহৰ প্ৰতি লক্ষ্য ৰাখি সুস্থিৰ মনে নিজৰ কথা বতৰা অব্যাহত ৰাখক। এইক্ষেত্ৰত এটা কথা মন কৰিবলগীয়া যে আনজন মানুহৰ আপোনাৰ তুলনাত বয়স অনুযায়ী কথা বতৰাৰ ধৰণ ভিন্ন হ'ব পাৰে। মই এই কথা বতৰাক ভিত্তি কৰি ভিন্নতাসমূহ তিনিটা স্তৰত ভগাব পাৰি— আপোনাতকৈ কম বয়সৰ মানুহৰ সৈতে কথা বতৰা, আপোনাৰ সমবয়সীয়া মানুহৰ সৈতে কথা বতৰা আৰু আপোনাতকৈ বয়সত ডাঙৰৰ সৈতে কথা বতৰা। মোৰ অভিজ্ঞতাৰ পৰা ক'বলৈ গ'লে কথা পাতোতে এইক্ষেত্ৰত মনত ৰাখিবলগীয়া কিছুমান কথা এনেধৰণৰ হ'ব—

আপোনাতকৈ কম বয়সৰ মানুহৰ সৈতে কথা পাতিলে নিজক সদায় সমনীয়া দৰে দেখাবলৈ যত্ন কৰক আৰু আনজনে কোৱা কথাসমূহ শুনিবলৈ আগ্ৰহী হওক। কথা বতৰাৰ মাজত আপোনালোক দুয়োজনৰ বয়সৰ পাৰ্থক্য আত্ম গৌৰৱ কৰি বা তুলনা কৰি নেদেখুৱাব। অৱশ্যে আনজন আৰু আপোনাৰ মাজত থকা সম্পৰ্ক আৰু আনজনে আপোনাৰ পৰা কেনেধৰণৰ প্ৰত্যুত্তৰ বিচাৰে তাৰ ওপৰত বার্তালাপৰ ধৰণ ভালেখিনি নির্ভৰ কৰে। উদাহৰণ স্বৰূপে তেওঁৰ যদি আপোনাৰ প্ৰতি জ্যেষ্ঠ হিচাপে সন্মান ভাৱ আছে তাক বর্তাই ৰাখক। কথাবিলাক আপোনাৰ অভিজ্ঞতাৰ ভিত্তিত কওক কিন্তু এইক্ষেত্ৰত তেওঁৰ অভিজ্ঞতাক আওকাণ নকৰিব। কথাবিলাক কোৱাতকৈ শুনাত মনোনিৱেশ কৰক। আনহাতে তেওঁ যদি আপোনাৰ পৰা সমনীয়া হিচাপে উত্তৰ বিচাৰে তেতিয়া আপুনি ওপৰত কোৱা ধৰণে কথা আগবঢ়াই নিব পাৰে। গতিকে মোৰ দৃষ্টিত কম বয়সৰ মানুহৰ সৈতে হোৱা কথা বতৰাত মূল মন কৰিবলগীয়া কথাটো হ'ল যে কনিষ্ঠ মানুহৰ সৈতে কথা বতৰা সোণৰ টুকুৰাৰ দৰে আৰু আপুনি এজন সোণাৰি হৈ তাক আকৃতি দি সুন্দৰ অলংকাৰ বনাব পাৰে। আকৌ একে বয়সৰ মানুহৰ সৈতে কথা বতৰাত মুকলি মনে কথা পাতক আৰু নিজৰ কাহিনী বা ঘটনাবিলাক ক'বলৈ কুণ্ঠাবোধ নকৰিব। আনজন মানুহৰ আপোনাৰ ওপৰত বিশ্বাস গঢ়ি তুলিবলৈ এইটো কৰা বহুত দৰকাৰী। পিছে কথাবোৰ কওঁতে আনজনকো সুযোগ দিয়ক। কথা বতৰাৰ মাজত তেওঁৰ প্ৰতি আপোনাৰ আগ্ৰহ দেখুৱাবলৈ দুই এটি প্ৰয়োজনীয় প্ৰশ্ন কৰক। আপোনালোক দুয়োজনৰ আগ্ৰহৰ উমৈহতীয়া ভিত্তি (common ground of interest) বিচাৰিবলৈ যত্ন কৰক। মই এইক্ষেত্ৰত সমবয়সীয়া মানুহবোৰক এখন আইনাৰ লগত তুলনা কৰিম য'ত আপোনাৰ ব্যক্তিত্ব আৰু আত্ম ছাপ (self-impression)টো সুন্দৰভাৱে প্ৰতিফলিত হয়। আকৌ বয়সত জ্যেষ্ঠজনৰ সৈতে কথা পাতোতে শান্ত হৈ কথা পাতক। তেওঁৰ পৰা কথা, কাহিনী, ঘটনা জানিবলৈ চেষ্টা কৰক। বয়সত ডাঙৰ মানুহে নিজৰ অভিজ্ঞতাৰ কথা কৈ ভাল পায়। গতিকে প্ৰশ্ন সুধিলে তেওঁৰ উত্তৰ দিয়াত আপত্তি নাথাকে। অৱশ্যে প্ৰশ্ন অত্যাধিক হ'লে বার্তালাপটো আমনিদায়ক হ'ব পাৰে। গতিকে নিজৰ বুদ্ধিমত্তা দেখুৱাই আপুনি কথাবোৰ সৰল কৰিবলৈ যত্ন কৰিব পাৰে। জ্যেষ্ঠৰ লগত কথা পাতোতে নিজৰ জ্ঞানৰ বাখ্যা নকৰিব যেতিয়ালৈকে তেওঁ এই বিষয়ত প্ৰশ্ন নকৰে। তুলনা কৰিবলৈ গ'লে এনে ধৰণৰ কথা বতৰাক মই পিছল বাটত খোজ কঢ়াৰ লগত তুলনা কৰিম য'ত লাহে লাহে চাই-চিতি খোজ দিলে পিছলাৰ সম্ভাৱনা কম থাকে। ♦

প্রবন্ধ

মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ

নির্বাচন

ৰীয়া বৰুৱা

মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ নির্বাচন হৈছে ছাত্র-ছাত্রীসকলৰ মাজত গণতান্ত্রিকভাৱে নেতা নির্বাচনৰ এক প্রক্রিয়া। এই নির্বাচনৰ মাধ্যমেৰে ছাত্র-ছাত্রীসকলে তেওঁলোকৰ প্রতিনিধি নির্বাচন কৰে, যাৰ দ্বাৰা তেওঁলোকে মহাবিদ্যালয়ৰ পৰিচালনা আৰু বিভিন্ন সক্রিয়তাত অংশ-গ্রহণ কৰিব পাৰে। এই নির্বাচনৰ মাধ্যমেৰে ছাত্র-ছাত্রীৰ মাজত নেতৃত্ব, দায়িত্বশীলতা আৰু সর্বসাধাৰণৰ স্বার্থৰ ওপৰত সচেতনতা বৃদ্ধিৰ সুযোগ সৃষ্টি হয়। এনে নির্বাচনে গণতান্ত্রিক মূল্যবোধৰ প্রতি শিক্ষার্থীসকলৰ আস্থা বৃদ্ধি কৰে আৰু তেওঁলোকৰ সামাজিক দায়বদ্ধতা আৰু কর্তব্যৰ ওপৰত ধ্যান বৃদ্ধি কৰে। মহাবিদ্যালয় সমূহৰ ছাত্র একতা সভাৰ সাধাৰণ নির্বাচন হৈছে যুৱসমাজৰ গতান্ত্রিক শিক্ষাৰ আৰু নেতৃত্ব বিকাশৰ এক গুৰুত্বপূর্ণ প্রক্রিয়া। এই নির্বাচনৰ জৰিয়তে ছাত্র-ছাত্রীয়ে সমাজৰ ৰাজনৈতিক আৰু সাংগঠনিক ব্যৱস্থাপনা, গণতান্ত্রিক আদর্শ আৰু নেতৃত্বৰ গুণাৱলী আয়ত্ত্ব কৰাৰ সুযোগ পায়। নির্বাচন প্রক্রিয়া হৈছে মহাবিদ্যালয়ৰ সর্বসাধাৰণ ছাত্র-ছাত্রীৰ মাজত ঘটা এক অতি গুৰুত্বপূর্ণ তথা তাৎপর্যপূর্ণ ঘটনা, য'ত প্রতিযোগিতাৰ যোগ্য ছাত্র-ছাত্রীসকলে আগবাঢ়ি আহি প্রতিযোগিতাত অংশগ্রহণ কৰি জয়ী হৈ মহাবিদ্যালয়ৰ ছাত্র সমাজৰ তথা মহাবিদ্যালয়ৰ পিছ পৰি থকা দিশসমূহক আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰে। নির্বাচনত জয়ী হোৱা প্রার্থীসকলে বিভিন্ন বিষয়ৰ ওপৰত নিজৰ মতামত আগবঢ়াব পাৰে তথা এক শক্তি ৰূপে একেলগ হৈ মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কাম কৰে। মহাবিদ্যালয় সমূহত হোৱা এই নির্বাচনে ছাত্র-ছাত্রীসকলৰ নেতৃত্ব বিকাশৰ বাবে এক প্রকৃত মঞ্চ হিচাপে কাম কৰে।

মহাবিদ্যালয়সমূহত অনুষ্ঠিত হোৱা ছাত্র একতা সভাৰ নির্বাচনসমূহ কিছুমান পদ্ধতি, তথা শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰা হয়। সাধাৰণতে এনে নির্বাচনসমূহ তলত দিয়া পদ্ধতিৰে সম্পন্ন হয়।

নির্বাচনী ঘোষণাঃ প্রথমে, মহাবিদ্যালয়ৰ কর্তৃপক্ষৰ দ্বাৰা ছাত্র একতা সভাৰ নির্বাচনৰ তাৰিখ ঘোষণা কৰাৰ লগতে মনোনয়ন দাখিলৰ তাৰিখ, নির্বাচনী প্রচাৰ, ভোটগ্রহণৰ তাৰিখ ইত্যাদিৰ সূচী উল্লেখ কৰা হয়।

মনোনয়ন প্রদান ঃ প্রার্থীসকলে নির্দিষ্ট দিনৰ ভিতৰত মনোনয়ন পত্র পূৰণ কৰি জমা দিয়ে। প্রত্যেক প্রার্থীক কোনো নির্দিষ্ট পদৰ বাবে মনোনীত কৰা হয়। যেনে সভাপতি, উপ-সভাপতি, সম্পাদক বা অন্যান্য কার্যনির্বাহী সদস্য।

মনোনয়ন পৰীক্ষাঃ মনোনয়ন পত্র জমা দিয়া প্রার্থীসকলৰ নথি-পত্র পৰীক্ষা কৰা হয়। কোনো প্রার্থীৰ যোগ্যতাসূচক সমস্যাৰ বাবে বা নথি-পত্র অমিল হ'লে তেওঁক নির্বাচনৰ বাবে অযোগ্য বুলি বিবেচনা কৰা হয়।

নির্বাচনী প্রচাৰঃ যোগ্য প্রার্থীসকলে নির্বাচনী প্রচাৰ আৰম্ভ কৰে। সেই সময়তে প্রার্থীসকলে বিভিন্ন মাধ্যম, যেনে-বক্তৃতা, প্রচাৰ পত্র আৰু বিভিন্ন সামাজিক মাধ্যমৰ ব্যৰহাৰ কৰি নিজৰ প্রতিশ্রুতি আৰু কার্যসূচী ছাত্র-ছাত্রীৰ মাজত প্রকাশ কৰে।

ভোটদান বা মতদানঃ নির্ধাৰিত দিনত ভোটগ্রহণ অনুষ্ঠিত কৰা হয়। সাধাৰণতে, ছাত্র ছাত্রীয়ে মহাবিদ্যালয়ৰ ভোট-কেন্দ্রত গৈ শৃংখলাবদ্ধ ভাৱে নিজৰ ভোট দান কৰে। কিন্তু বর্তমান বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ উন্নতিৰ ফলত ছাত্র-ছাত্রীসকলে Online ৰ যোগেদিও নিজৰ পছন্দৰ প্রার্থীক ভোট প্রদান কৰে।

ভোট গণনা আৰু ফলাফলঃ ভোটদানৰ অন্তত



ভোটগণনা কৰা হয় আৰু সর্বাধিক ভোট পোৱা প্রার্থীসকলক বিজয়ী বুলি ঘোষণা কৰা হয়।

এই নিয়মতান্ত্রিক প্রক্রিয়াৰ জৰিয়তে মহাবিদ্যালয় সমূহৰ নির্বাচন সুকলমে অনুষ্ঠিত কৰা হয়। কিন্তু আজিকালি মহাবিদ্যালয়সমূহৰ এনে নির্বাচনত এক নির্দিষ্ট শ্রেণীৰ লোকে কিছুমান কূটনীতিৰ প্রয়োগ কৰা পৰিলক্ষিত হয়। আজিকালি নির্বাচনসমূহত প্রায়ে দেখা যায় যে প্রতিদ্বন্দ্বী পক্ষ বা দলসমূহে অন্য শিক্ষার্থীসমূহৰ পৰা ভোট পোৱাৰ বাবে বিভিন্ন কৌশল প্রয়োগ কৰে। প্রায়েই পৰিলক্ষিত হয় যে প্রতিদ্বন্দ্বী পক্ষসমূহে শিক্ষার্থী সকলক ভুৱা প্রতিশ্রুতি দি অথবা, আর্থিকভাৱে সহায় কৰি তেওঁলোকক নিজৰ পক্ষে ভোট দিবলৈ কয়। যাৰ বাবে ছাত্র-ছাত্রীসকলে তেওঁলোকক নিজৰ বহুমূলীয়া বিবেক-মান ভোটটি প্রদান কৰে, যাৰ বাবে যোগ্য প্রার্থীসকলে জয়লাভ কৰিব নোৱাৰে। এনে কূটনীতি প্রয়োগৰ বাবেই। উচিত তথা যোগ্য জনে জয়লাভ কৰিব নোৱাৰে। এই কূটনীতিৰ প্রভাৱত ছাত্র সভাৰ নির্বাচনৰ মূল উদ্দেশ্য ক্ষুণ্ণ হ'ব পাৰে বা হৈ যায়।

কিন্তু নির্বাচনত প্রয়োগ হোৱা এই কূটনীতিবোৰ আমি সমূহ ছাত্র-ছাত্রী একত্রিত হৈ আঁতৰ কৰিব পাৰো, উদাহৰণস্বৰূপে— কেইজনমান ছাত্র-ছাত্রীয়ে একো একোটা দল গঠন কৰি সঠিক প্রচাৰ চলাই অন্য শিক্ষার্থী সমূহক নীতি নিদের্শনা বোৰৰ বিষয়ে ভালদৰে অৱগত কৰাব লাগে। নির্বাচনত ভোটদাতাসকলক কূটনীতিৰ কু-প্রভাৱৰ পৰা সজাগ কৰাটো বেছি গুৰুত্বপূর্ণ। তেওঁলোক যাতে কোনো প্রকাৰে ধনৰ লোভত নপৰে অথবা কাৰোবাৰ চাপত আহি নিজৰ ভোট অযোগ্যজনক প্রদান নকৰে। তাৰ প্রতি তেওঁলোকক উৎসাহিত কৰিব লাগে। যদি কোনো পক্ষই কূটনীতি প্রয়োগ কৰি নির্বাচন প্রক্রিয়া সম্পন্ন কৰিবলৈ অথবা নির্বাচনত জয়ী হ'ব বিচাৰে তেতিয়া তেনে পক্ষৰ প্রতি মহাবিদ্যালয়ৰ কর্তৃপক্ষই কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰা উচিত। তেতিয়াহে আমি গণতান্ত্রিক ভাৱে নিজেৰ বিবেকেৰে উচিত তথা যোগ্যজনক ভোট প্রদান কৰি এখন নিকা নির্বাচন অনুষ্ঠিত কৰিব পাৰিম। আৰু এই নির্বাচনসমূহেই ছাত্র-ছাত্রীৰ বাবে ভৱিষ্যতৰ নেতৃত্বৰ বাবে এক শিক্ষাৰূপে কাম কৰিব।◆



ARTICLE

Discovery of Assam Tea

Tanushree Goutami Gogoi

The tea plant, Camelia sinensis is native to East Asia and likely originated in the border lands of Southwestern China and northern Myanmar. The earliest accounts of drinking tea Late back to China's shang dynasty, where tea was consumed as a medicinal drink


According to the sayings, in 2737 BC, the Chinese emperor Shen Nung was sitting beneath a tree while his servant boiled drinking water, when some leaves from the tree blew into the water. Shen Nung, a renowned herbalist decided to try the infusion that his servant has accidentally created

Discovery of tea in Assam (Indigenous tea plant)

The honour of discovery of the Assam tea plant is usually & attributed to Robert Bruce. He discovered the plants in some hills near Rangpur, then the Capital of Assam, which he visited on a trading mission in 1823. These plants were used by the Singpho tribe. Robert Bruce made arrangement with a Singpho Chief, Bisa gam (বীচা গাম) for the supply of some tea plants. But Assam was under Burmese occupation and war broke out in 1824 Robert Bruce died in the same year before he could collect the tea plants

C.A. Bruce brother of Robert Bruce was ordered to Sadiya in charge of a division of gunboats After completation of his mission C.A. Bruce interviewed the Singpro Chief, who supplied him some tea plants and seeds Most of the seeds were planted in Bruce's garden at Sadiya and some were sent to Commissioner Jenkins at Guahati. A few leaves of these plants were sent to Botanical Garden in Calcutta Dr. Wallich, who was then Superintendent of Botanical Garden, identified the leaves as belonging to the camellia family but did not consider them to be same species as China tea plant

In 1834, Lord William Bentick, Govenner General of India, appointed a tea committee is advice the possibility of tea cultivation in India. The committee issued a circular asking for information on areas suitable for tea cultivation and despatched its secretary, G J. Gordon, to produce tea seeds, plants and workmen from China. In response to the circular, the Commissioner of Assam, F Jenkins, made strong case in favour of tea cultivation in Assam where tea plants were found growing in wild forests. He also collected speciments of the local plants and forwarded them to Government Botanical Garden in Calcutta. A scientific commission was constituted in 1835 with Dr Wallich, Dr W. Griffith and Dr J. Mclelland to report on the Indian indigenous tea and advise on the most favourable localities for starting experimental tea gandens.The Scientific commission visited India Assam in 1836 C.A. Bruce took the members of the commission members to a number of tracts at the Naga and Patkai hills as well as to a few river valleys where the indigenous tea plant was growing.



Gordon was sent to Chine in 1836 and for many years tea seed was imported from China to India. Seeds brought by gordon, were raised in the government Botanical Garden in Calcutta and plants were sent to Upper Assam, Dehra Doon, Kumaon and the Nilgiri hills. The site for experiment in Assam at Saikhowa near Sadiya was not very happy one, many plants died. The serving plants were moved to a new site near Chabua about 25 km east of the present town Dibrugarh. Seedlings sent to Himalayan region were planted at two sites near Bhimtol and Almora.

Besides establishing experimental plots of tea with the china plants and seeds. received through Calcutta C.A. Bruce who was then appointed as the Superintendent of government tea plantation, raised nurseries of the indigeneous tea plant. The first experimental sample of tea fram indigenous plant were sent to calcutta in 1836. The samples received favourable comments. The invoice of light chests of Assam tea was forwarded to London in 1838, which was auctioned in London on 10th January in 1839. This established the worth of the Assam tea plant and determined the future of tea cultivation throughout the world. ♦



ARTICLE

The Fourth Estate : Media's Role in Democratic Governance

A true Democratic country is the one with rule of people by the people and for the ple with each and every citizen having equal t and freedom. If we talk about our own ntry, then india is considered as the largest ocracy of the world. In India , it is the rule ie people, where people have all the equal ts and freedom. One of the very important ct of a democratic system is the freedom peech and expression of the people. Every en has the liberty of expressing their views opinions. India's achievement in essfully running a democratic government providing the freedom of speech and ression is highly depends on its vibrant ia.

In India, media is considered as the fourth r of democracy. It is a very strong mode of mmunication that helps in spreading knowledge and information, ideas and opinions and also forms public opinion.




Along with it, in every democratic country, the media and news plays important role in safeguarding the true essence of democracy itself.

The primary function of the media is to spread true information among the public. Through diligent reporting, investigative journalism and comprehensive coverage, the media and news build a platform for the common people through which they can have insights into current affairs, about the crucial decision of the government , about the government policies and the issues of the society. These valid informations help the public to have a proper and fair judgement and form a public opinion.

Not only this a vibrant media also maintain the true essence of democracy by holding the government accountable. This function is commonly known as the function of watchdog.

Trough vigilant role, and continuous scrutinization of the actions of the government, public institutions as well as powerful entities; media act as the guardian of accountability of the government. By exposing corruption, malfunctioning, misuse of power by the authority it hold those authorities accountable to the people and ensure tansparency and fairness in the governance and establish the rule



of people and protect the real democracy.

In a true democracy, people should not only get the information regarding the issues but also should have the opportunity to express their views and even must have the opportunity and liberty to criticise the decisions of the government within the limitation of law. A democratic media provides such a platform to the citizens for public debate and discourse.

Media also encourage the participation of the people. By highlighting the crucial issues, amplifying the voices of marginalized communities, shedding light on the various movement in the society, media inspire the citizens to become actively involved in shaping the course of movement of the policies of government in order to shaping the future of the country.

In conclusion, the media and news are crucial part of the democracy of a country. These are the indispensable guardians of the democracy. A free and independent media is essential for protection of the essence of democracy and upholding the principles of democracy, *i.e.*, Transparency, fairness, accountability and true implementation of the freedom of speech and expression. Therefore, Warren Christopher, Former US deputy Secretary of state has rightly said, " without a free and Independent Media, True Democracy is unattainable." ♦

ARTICLE

The Great Ahom Dynasty & Lachit Borphukon: Guardians of Assam's Legacy

Sahil Ansari

India's past is rife with stories of amazing dynasties, brave warriors, and cultural legacies that have left an everlasting impression on the country. The Ahom Dynasty, which ruled over Assam for about six centuries, is one such dynasty. The name Lachit Borphukon shines as a beacon of valour and leadership in the chronicles of this dynasty's history. In this essay, we delve into the rich tapestry of the Great Ahom Dynasty and the heroic exploits of Lachit Borphukon, a figure who epitomised the spirit of Assamese resistance and resilience.

An Unbroken Legacy :

The Ahom Dynasty The Ahom Dynasty was one of the longest-running dynasties in Indian history, governing from the early 13th century until the 19th century. The Ahoms moved to Assam from the Shan region of Southeast Asia and built their empire in the rich Brahmaputra Valley. Their rise to prominence was mainly marked by the development of a distinct Assamese identity as well as a rich cultural confluence that would define Assam's history for centuries to come. One of the Ahom Dynasty's defining traits was its ability to endure external invasions and maintain Assam's territorial integrity. In this perspective, Lachit Borphukon's reign in the 17th century stands out as a zenith of Ahom resistance to foreign forces.

Assam's Hero, Lachit Borphukon:

Lachit Borphukon, a famed fighter and military strategist, rose to prominence in Assam's fight against the Mughal Empire. His life and achievements are a testament to the Assamese people's tenacious spirit.

Early Years and Ascension to Prominence :

In 1622, Lachit Borphukon was born into the Ahom nobility. His upbringing exposed him to the Ahom Dynasty's martial traditions and beliefs. As he grew older, it became clear that he was an extraordinary leader with a good understanding of military strategy. These characteristics would be highlighted during a pivotal moment in Assam's history.

The Mughal Threat :

The Mughal Empire which was, led by Emperor Aurangzeb, strove to expand its dominion into India's northeastern provinces, including Assam, in the 17th century. Because of its fertile fields and strategic location, the Mughals saw Assam as a strategic prize. The Mughal threat loomed big, and it was at this turbulent period that Lachit Borphukon's authority would be tested.

The Saraighat Battle :

The Battle of Saraighat in 1671 was a watershed moment in Lachit Borphukon's life and in Assamese history. This war would determine Assam's and its people's fate. Lachit Borphukon was named as the Ahom forces' Commander-in-Chief, and he gathered his troops to protect their otherland.

The combat itself was a disaster.

Military planning at its finest. Lachit Borphukon's men took advantage of the

dangerous waters of the Brahmaputra River. They sent out a flotilla of canoes and small boats to harass and confront the greater Mughal fleet. Lachit's superb tactics, allied with his men' tenacity, resulted in a resounding win for the Ahom army. Assam remained independent of Mughal rule.

Legacy and Influence :

The triumph of Lachit Borphukon at Saraighat is hailed as a symbol of Assamese pride and resilience. His persistent commitment to his people's cause has earned him a place not only in Assam, but also in the pantheon of Indian heroes. Lachit, one of the Ahom Dynasty's most distinguished sons, was instrumental in preserving Assam's distinct culture and identity.

Cultural Development During the reign of the Ahom Dynasty :

Aside from military successes, the Ahom Dynasty was instrumental in supporting cultural and social development in Assam. Throughout their lengthy reign, the Ahoms cultivated the Assamese language and encouraged the development of literature, art, and architecture. The Ahom rulers were supporters of the arts, and under their reign, a distinct Assamese culture emerged. Classical Assamese literature flourished during this period, with poets such as Madhavdev and Srimanta Sankardev making an everlasting influence on Assamese literature and religious philosophy. Sankardev, in particular, played an important role in disseminating the teachings of neo-Vaishnavism, which had a profound impact on Assamese culture and spirituality. The Ahom Dynasty also made substantial contributions to Assam's architectural landscape. They constructed remarkable constructions such as the Rang Ghar, a royal pavilion, and the Kareng Ghar, a seven-story palace near Sivasagar. These architectural marvels continue to bear witness to the cultural legacy of the Ahom Dynasty.

Beyond Borders : A Legacy

The Ahom's Influence The dynasty extended beyond Assam's borders. The fight led by Lachit Borphukon against the Mughals in the Battle of Saraighat is often likened to other notable acts of valour in Indian history, such as Rana Pratap's defence of Mewar against the Mughals. Lachit's military prowess and devotion to the cause of Assam have earned him a place in the pantheon of Indian heroes. Furthermore, the Ahom Dynasty's ability to preserve their independence for centuries in the face of external attacks demonstrates its administrative acumen and diplomatic skill. Their ability to integrate many ethnic groups and communities into the Ahom kingdom without imposing a common culture is an example of inclusion and pluralism.


Modern Importance :

Today, the Great Ahom Dynasty and Lachit Borphukon's heritage inspires Assamese pride and patriotism. Their stories are told and celebrated at festivals such as Lachit Divas, which honours Lachit Borphukon's accomplishments. Their contributions to Assamese history are commemorated through statues, memorials, and institutions carrying their names.

In a fast changing world where indigenous groups' customs and traditions are often under risk of extinction, the historical significance of the Ahom Dynasty serves as a reminder of the value of preserving and celebrating one's ancestry. It acts as a source of motivation for modern Assamese people to maintain their traditional identity while facing modern challenges.

The Great Ahom Dynasty and Lachit Borphukon hold a special and respectful place in the hearts of the Assamese people and all the peoples of India also. Their fortitude, bravery, and cultural contributions have mainly left an indelible impression on the region and remain a source of pride and inspiration. We are reminded of Assam's enduring spirit and the ageless values of courage, leadership, and cultural preservation as we reflect on their legacy. The history of the Ahom Dynasty is more than simply a chapter in history; it is a living witness to the power and tradition of a people who continue to define Assam's fate and contribute to the mosaic of Indian variety.●

ARTICLE



Artificial General Intelligence (AI)

Sudarshana Sharma

One of the most ambitious and speculative objectives in Al research is artificial general intelligence (AGI), which is the idea that machines could be intelligent enough to do a variety of tasks like humans. Even if recent advances in artificial intelligence have revolutionized certain industries, the concept of AGI has long been a source of controversy. This article examines the potential dangers of AGI and how near we may be to reaching it.


Artificial intelligence (AI) systems of today are examples of limited AI; they are very good at some tasks but lack the wide, flexible intelligence that humans possess. For instance, whereas Al models such as GPT-4 are capable of producing meaningful text, they fall short of AGI's deep comprehension and general problem-solving skills. In addition to processing data. AGI would also need to be able to generalize in many settings, make judgments on its own, and pick up new skills with little information skills that current AI is unable to perform.

AGI would require a number of innovations: Reasoning and Common Sense In order for AGI to comprehend the world intuitively, it would require a certain amount of commonsense reasoning. Learning Efficiency: AI frequently requires massive datasets, whereas human intelligence can swiftly adapt and generalize with few examples. Memory and Adaptability. AGI would need a powerful, flexible memory system that can store and retrieve information dynamically in order to adapt to various scenarios. Emotional and Social Understanding Current AI is deficient in social intelligence and emotional comprehension, which are necessary for many human tasks make judgments on their own and pick up new abilities with little information qualities that modern AI cannot match.

If AGI is feasible at all, experts predict it may take decades or more to create. Within the next 20 to 50 years, some predict that we might witness "proto-AGI," which has limited generalization capabilities. The exact time of AGI's arrival is still unknown, though, and it might happen gradually as a result of small improvements. AGI presents serious hazards even if it has the potential to transform fields like research, healthcare, and education. The main issue is goal misalignment, which occurs when an AGI's goals deviate from those of humans. AGI may conduct unwanted or destructive behaviors if it aggressively pursues a goal that is unclear or poorly defined. It is a difficult technological and philosophical task to make sure that AGI's objectives are consistent with human values. Also, AGI may provide existential risks, according to some academics. An AGI with unbridled power or self-preservation instincts might behave in ways that endanger humans. AGI safety research, which aims to create techniques for safe and aligned AGI, is centered on this issue. The introduction of AGI may cause a disruption in the labor market, consolidate power among individuals in charge of AGI systems, and bring up important ethical issues.

The development of AGI carries significant hazards as well as transformative promise, even though it is still a long way off. AI advances will be necessary to achieve AGI, but it will also be difficult to make sure that it reflects human ideals. To successfully navigate a future with AGI, rigorous planning, strong safety precautions, and ethical standards will be essential as AGI research progresses. ♦

ARTICLE



ChatGPT 4.0

Harshita Nath

ChatGPT 4.0 is a revolutionary development in artificial intelligence that pushes the limits of user engagement, contextual comprehension, and conversational capabilities. This version, created by OpenAl, improves on the advantages of earlier models with considerable gains in response accuracy, reasoning, and language comprehension.

The multimodal capabilities of ChatGPT 4.0, which can handle both text and image inputs, is what makes it unique and significantly increases its adaptability and usefulness in a variety of disciplines. With improved personalization capabilities, a larger and more current knowledge base, and strengthened ethical protections, ChatGPT 4.0 provides a more seamless and user- friendly experience for people looking for assistance, information, and creative cooperation As artificial intelligence grows more and more ingrained in our daily lives, ChatGPT 4.0 is a shining example of the advancements being made to develop technology that is not only clever but also flexible, moral, and user-focused.

By enabling natural, effective, and contextually relevant dialogues between humans and artificial intelligence, ChatGPT 4.0 aims to improve how people engage with technology. ChatGPT 4.0 seeks to help users with a range of tasks, from technical issues to educational support, by comprehending language more significantly, deducing complicated queries, and offering more correct responses. Its new multimodal features, which enable both text and image inputs, are intended to increase its applicability in a variety of industries, including healthcare, content production, and customer support. Additionally, ChatGPT 4.0 integrates personalization tools and ethical protections, guaranteeing that interactions are not only efficient but also secure and customized to each user's requirements.

Built on OpenAl's earlier work in generative Al, ChatGPT 4.0 is the result of substantial research improvements in deep learning and natural language processing. According to research, ChatGPT 4.0's base, GPT-4, achieves a high level of language understanding and can handle complicated linguistic structures more accurately and fluently than earlier iterations. Another innovation supported by research is ChatGPT 4.0's multimodal capacity, which combines knowledge from text-based language models with image recognition models. It can analyze image inputs in addition to text to this multimodal integration, which increases its versatility for a variety of tasks, such as recognizing objects in pictures or solving mathematical problems.

In conclusion, ChatGPT 4.0, which offers improved capabilities, multimodal functionality, and a dedication to ethical interactions, marks a substantial advancement in the field of conversational Al. It distinguishes itself as a flexible tool that may help users in a variety of industries, from customer service and the creative sector to education and healthcare, by combining enhanced language comprehension, current knowledge, and sophisticated customisation. Because of OpenAl's emphasis on security and user experience, ChatGPT 4.0 continues to be both a potent and responsible Al, adjusting to the various demands of its users while protecting against possible threats. ♦

প্রবন্ধ

অসমৰ চাহ, মানুহ আৰু সংস্কৃতি

উৎপল কুৰ্মি



অসম হৈছে ভাৰতৰ ভিতৰত আটাইতকৈ বেছি চাহ পাত উৎপাদন কৰা ৰাজ্য। ভাৰতৰ সৰ্বমুঠ চাহ উৎপাদনৰ প্ৰায় ৫২% অসমে যোগান ধৰে। ই ভাৰতৰ অৰ্থনীতিত বিশেষ অৰিহণা আগবঢ়াই আহিছে আৰু ই ৰাজহ সংগ্ৰহৰ এক প্ৰধান উৎস।

'Tea' শব্দটো হৈছে এটা চীনা শব্দ। ইতিহাস অনুসৰি খ্ৰীষ্টজন্মৰ আগৰ পৰাই চীন ম্যানমাৰ, থাইলেণ্ড আদি দেশৰ কিছু অঞ্চলসমূহত 'চাহ' জাতীয় পানীয় হিচাপে প্ৰচলন আছিল বুলি জানিব পৰা যায়। ব্ৰিটিছে ভাৰত অধিকাৰ কৰাৰ সময়ত ৰবাৰ্ট ব্ৰুচ নামৰ এজন স্কট অভিযানকাৰী আছিল। আমি সকলোবে জানো যে ব্ৰিটিছ চৰকাৰৰ দিনত অসমত চাহ আৰিষ্কাৰ হৈছিল। কিন্তু তাৰ আগবে পৰাই অসমত চিংফৌসকলে কিছু কিছু ঠাইত চাহৰ খেতি কৰিছিল। ৰবাৰ্ট ব্ৰুচতেওঁৰ অভিযানৰ সময়ত অসুস্থ হৈ পৰিছিল, সেই সময়ত মণিৰাম দেৱানে তেওঁক স্থানীয় চিংফৌ মুৰব্বী বিছা গামৰ ওচৰলৈ লৈ গৈছিল। তেতিয়া ৰবাৰ্ট ব্ৰুচে তাত চিংফৌ জনক চাহ পাতৰ পৰা চাহ বনাই পানীয় ৰূপে গ্ৰহণ কৰা দেখি আচৰিত হৈ পৰিছিল। চিংফৌ জনে ৰবাৰ্ট ব্ৰুচক এই লাভ জনক উৎপাদনশীল পাতবোৰ খেতি কৰাৰ স্থানীয় উপায় কোৱাৰ লগতে দুটা চাহ ৰ পুলি উপহাৰ দিয়ে। তাৰ পিছবে পৰা ৰবাৰ্ট ব্ৰুচে এই চাহ পাত সমূহ কলিকতালৈ পৰীক্ষণ নিৰীক্ষণ কৰিবলৈ পঠিয়াই দিয়ে। সেই পৰীক্ষাত গম পোৱা যায় যে এই চাহ পাতৰ বৈজ্ঞানিক নাম "Camellia Sinensis"। ইয়াগুবু সন্ধিয়ে আছিল এংলো- বাৰ্মা যুদ্ধৰ অন্ত পেলোৱা এক শান্তিৰ চুক্তি। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে এই সন্ধি স্বাক্ষৰিত হৈছিল। এই চুক্তিৰ ফলস্বৰূপে অসমৰ প্ৰশাসন ব্যৱস্থা আহোম সকলৰ পৰা ব্ৰিটিছলৈ আহে। এই দৰেই অসমৰ মাটি বতৰ আদি পৰীক্ষণ কৰি ১৮৩৫ চনত অসমৰ চাবুৰাত প্ৰথম চাহ বাগিচা স্থাপন কৰে। অসমত চাহ বাগিচাৰ পৰিমাণ বৃদ্ধিৰ উদ্দেশ্যে ১৮৩৯ চনত "ASSAM TEA COMPANY" স্থাপন কৰা হয়। মণিৰাম দেৱান আছিল অসমৰ প্ৰথম চাহ খেতিয়ক আৰু তেখেতে ১৮৫৩ চনত দুখনকৈ চাহ বাগিচা স্থাপন কৰে।

ব্ৰিটিছ চৰকাৰৰ East India company ৰ অধীনত থকা 'Assam Tea Company'ৰ কৰ্তৃপক্ষই চাহ বাগিচাত শ্ৰমিক হিচাপে কাম কৰিবলৈ অসমত থকা অসমীয়া সকলক আহ্বান জনাইছিল কিন্তু তেওঁলোকে সেই কথা স্বীকাৰ নকৰাত ব্ৰিটিছে চাহ শ্ৰমিকৰ চাহিদা পূৰণ কৰিবলৈ ভাৰতবৰ্ষ বিভিন্ন ৰাজ্যৰ পৰা লোক সকলক অসমলৈ আনিছিল। তেওঁলোক ক্ৰমে পশ্চিম বংগ, বিহাৰ, উৰিষ্যা, ঝাৰখণ্ড, উত্তৰ প্ৰদেশৰ লোক আছিল। এনেদৰে শ্ৰমিক সংগ্ৰহ কৰি অনা কাৰ্যক মজদুৰ চালান বুলি কোৱা হৈছিল। মজদুৰ চালান আছিল দুই ধৰণৰ। এটা আছিল গিৰমিটিয়া চালান আৰু আন এটা আছিল আড়কাঠিয়া চালান। লিখিত চুক্তি অৰ্থাৎ Agreement অনুসৰি নিৰ্দিষ্ট সময়ৰ কাৰণে অনা শ্ৰমিক সকলক গিৰমিটিয়া চালান আৰু কোনো ধৰণৰ চুক্তি নকৰি অন্য শ্ৰমিক সকলক আড়কাঠিয়া চালান বুলি কৈছিল। যিহেতু তেওঁলোক বেলেগ বেলেগ ৰাজ্যৰ হোৱাৰ বাবে তেওঁলোকৰ জাতি, ধৰ্ম, ভাষা কলা সংস্কৃতিও বেলেগ বেলেগ আছিল। কিন্তু একেখন বাগিচাত থাকি কাম কৰাৰ ফলত তেওঁলোকৰ মাজত এক উমৈহতীয়া ভাষাৰ সৃষ্টি হে পৰিছিল, যাক বাগানীয়া ভাষা বুলিও জনা যায়। এই ভাষা বৰ্তমানলৈকে স্বীকৃত ভাষা পৰ্যায়লৈ উন্নত হোৱাই নাই। চুক্তি কৰি অহা চালান সকল চুক্তিৰ সময় সাপেক্ষে নিজ নিজ ঠাই লৈ উভটিল কিন্তু বহুতে অসম খনকে নিজ ঠাই ভাবি ইয়াতে বসবাস কৰিবলৈ ধৰিলে। ভাৰত স্বাধীন হোৱাৰ পাছত অসম চৰকাৰে এই লোকসকলক চাহ জনজাতি হিচাপে নামকৰণ

কৰিলে লগতে OBC [Other backward class) ৰ অন্তৰ্ভুক্ত কৰিলে। চাহ জনজাতি সকলৰ বিভিন্ন জাতি উপজাতি আছে। যেনে— কুৰ্মী, উৰাং, চাওঁতাল, তাঁতী, মুণ্ডা, ঘাটোৱাৰ, মানকি, তেলেঙা, ধনোৱাৰ, পানিকা ভূমিজ ইত্যাদি। এই লোকসকলৰ ধৰ্ম বুলিলে বিশেষকৈ হিন্দু আৰু খ্ৰীষ্টান জনপ্ৰিয়। জানিব পৰা মতে সেই সময়ত ব্ৰিটিছ চৰকাৰে বিশেষ বিশেষ কিছু সুবিধা প্ৰদান কৰাৰ বাবে বহুত হিন্দুৰে খ্ৰীষ্টান ধৰ্ম লৈ ৰূপান্তৰ হৈছিল, যিহেতু ব্ৰিটিছ সকল খ্ৰীষ্টান আছিল।

হিন্দু ধৰ্মাৱলম্বী লোকসকলে ঋতু অনুসৰি ভিন ভিন দেৱ-দেৱীৰ পূজা আৰ্চনা কৰে। যেনে টুচু পূজা। টুচু পূজা চাহ জনজাতিসকলৰ এক প্ৰধান মাংগলিক উৎসৱ। টুচু পূজা পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা হয়। ব্ৰাহ্মণ পূজাৰী বিহীন এই পূজা বিশেষকৈ নাৰীকেন্দ্ৰিক যদিও পুৰুষেও ইয়াত ভাগ লয়। শ্ৰদ্ধাৰে টুচু পূজা পাতিলে বছৰটোত কোনো ধৰণৰ খৰ খজুৰতি নহয় বুলি তেওঁলোকৰ মাজত এক জনবিশ্বাস প্ৰচলিত আছে।

কৰম পূজা বা কৰম পৰৱ হৈছে চাহ জনজাতি সকলৰ এক প্ৰধান উৎসৱ। কৰম পূজা মূলতঃ কৃষিভিত্তিক অনুষ্ঠান। এই পূজা বছৰৰ বিভিন্ন সময়ত তিনিবাৰ কৰা হয়। যেনে— ভাদ মাহৰ শুক্লা একাদশীত 'জিতিয়া কৰম', আহিন মাহৰ বিজয়া দশমীত 'বুঢ়ী কৰম' আৰু আঘোণ মাহৰ পূৰ্ণিমা তিথিত 'ৰাস কৰম' পালন কৰা হয়। হ'লেও ভাদ মাহৰ শুক্লা একাদশীৰ জিতিয়া কৰমেই চাহ বনুৱা সমাজত আটাইতকৈ আড়ম্বৰপূৰ্ণ, উলাহ ভৰা উৎসৱ।

কৃষিকাৰ্য্যত যাতে প্ৰকৃতিৰ পৰা একো বাধা পোৱা নাযায় আৰু শস্যৰ উৎপাদন ভাল হয় তাৰ উদ্দেশ্যে এই পূজা পালন কৰা হয়। এই জিতিয়া কৰমত তেওঁলোকে ঝুম পাতি ঝুমইৰ নাচে। 'দুলাল মনকি'ক চাহ জনজাতি সমাজত 'ঝুমইৰ সম্ৰাট' আৰু ভদ্ৰ ৰাজুৰাৰক 'ঝুমইৰ গুৰু' বুলি জনা যায়।

এই জনজাতিৰ বাবে অতি গৌৰৱৰ কথা এই যে, ২০২১ চনত দুলাল মানকিয়ে ভাৰতবৰ্ষৰ চতুৰ্থ অসামৰিক বঁটা পদ্মশ্ৰী পাবলৈ সক্ষম হৈছিল। গতিকে ঝুমইৰ পৰাই এই জনজাতিৰ সাংস্কৃতিক দিশটো আগবাঢ়ি যাব। গতিকে ঝুমইৰৰ প্ৰশিক্ষণ বা মাজে মাজে কৰ্মশালা পতাৰ প্ৰয়োজন আছে। তদুপৰি তেওঁলোকৰ মাজত প্ৰচলিত মনসা পূজা, সহৰাই পূজা, গ্ৰাম পূজা, দুৰ্গা পুজা উল্লেখযোগ্য।

পণ্ডিত জৱাহৰলাল নেহৰুৰ মতে — "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।" এইপ্ৰসংগত ক'ব পাৰি এগৰাকী নাৰী শিক্ষিত হ'লে এটা পৰিয়াল শিক্ষিত হ'ব, এটা পৰিয়াল শিক্ষিত হ'লে এখন সমাজ শিক্ষিত হ'ব আৰু এখন সমাজ শিক্ষিত হ'লেহে এখন দেশ শিক্ষিত হ'ব।

সাম্প্ৰতিক সময়ত কিছুমান বাগিচা এলেকাত "Model High School" নিৰ্মাণ হোৱা দেখা গৈছে। তেনে বিদ্যালয়সমূহত উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষকক নিযুক্তি দিব লাগে আৰু তাতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে মূল্যবোধ শিক্ষা দিয়া।

চাহ জনজাতিসকলৰ সমস্যাসমূহৰ ভিতৰত প্ৰধান হৈছে— আধৰুৱা শিক্ষা। বাগিচা এলেকাসমূহত ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় আধাতে এৰি দিয়া দেখা যায়, যিটো অতি দুখৰ বিষয়। ছাত্ৰ-ছাত্ৰী যে এখন সমাজৰ ভৱিষ্যত। তেওঁলোক শিক্ষিত হ'লেহে সমাজখন উন্নত হ'ব।

দ্বিতীয় প্ৰধান সমস্যা হৈছে ভূমিৰ অধিকাৰ। ব্ৰিটিছ চৰকাৰৰ সময়ৰ পৰা তেওঁলোকে থকা এলেকাৰ ভূমি অধিকাৰ পোৱা নাছিল। কিন্তু বৰ্তমান সময়ত অসম চৰকাৰে ভূমি পট্টা প্ৰদান কৰিম বুলি প্ৰতিশ্ৰুতি দিছে।

আন এক সমস্যা হৈছে অতীজৰে পৰা তেওঁলোকৰ মাজত থকা অন্ধবিশ্বাস। বৰ্তমান সময়ত সকলোৱে বিজ্ঞান প্ৰযুক্তিৰ যুগত আগবাঢ়িছে। কিন্তু চাহ জনজাতিসকল এতিয়াও পূৰ্বৰ অৱস্থাতে আছে।

ৰাজনীতিৰ কথা ক'বলৈ গ'লে এতিয়ালৈকে সৰহ সংখ্যক অসম বিধান সভা আৰু ভাৰতৰ লোকসভা তথা ৰাজ্য সভাত আসন পাবলৈ সক্ষম হৈছে। চৰকাৰে ৰাজনীতিত সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত।

লোকসেৱা আয়োগৰ পৰীক্ষাটো অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীহে উত্তীৰ্ণ হোৱা দেখা গৈছে যিটো ভৱিষ্যত দিনত উত্তীৰ্ণৰ হাৰ বৃদ্ধি হোৱাৰ প্ৰয়োজন আছে।

সৰ্বশেষত, এই চাহ জনজাতি লোকসকলৰ কলা-সংস্কৃতি এক প্ৰকাৰৰ উপনৈ, হয়তো যাৰ অবিহনে বৃহৎ অসমীয়া সংস্কৃতি আধৰুৱা হৈ ৰ'ব। অসম খনকেই নিজৰ মাতৃভূমি বুলি মানি লোৱা এই চাহ জনজাতিসকলৰ অৰ্থনৈতিক দিশটো পিছ পৰি আছে যদিও শিক্ষা-দীক্ষা আগৰ তুলনাত প্ৰসাৰ হোৱা পৰিলক্ষিত হৈছে। এই চাহ জনজাতি লোকসকল এটি কলি দুটি পাতৰ মাজত আৱদ্ধ নাথাকি সকলো ফালৰ পৰাই সৰ্বাংগীন বিকাশ হোৱাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত চৰকাৰৰ কৰণীয়ও অৱশ্যক। ♦

সোণোৱাল কছাৰী জনগোষ্ঠীৰ ‘লগ বিহু’

নয়নজ্যোতি সোণোৱাল

সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোককৃষ্টিৰ বিহুৰ অন্যতম অংগ হৈছে ‘লগ বিহু’। অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ সোণোৱাল কছাৰী জনগোষ্ঠীটো অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অন্যতম। এই জনগোষ্ঠীটো নৃতাত্ত্বিকভাৱে মংগোলীয় জনগোষ্ঠী। অন্যান্য জনগোষ্ঠীসমূহৰ দৰে সোণোৱাল কছাৰীসকলৰ মূল জাতীয় উৎসৱ ৰঙালী বিহু (বসন্ত কাল)। ৰঙালী বিহুত হায়দাং নৃত্য, হুঁচৰি, লগ বিহু, গাভৰু বিহু (লেছেৰী বিহু) ইত্যাদি পৰিৱেশন কৰাৰ লগতে অন্যান্য কিছুমান পৰম্পৰাও জনগোষ্ঠীটোৱে পালন কৰি আহিছে।

বৰ্তমান অসমৰ চৈধ্যটা অনুসূচীত জনজাতিৰ অন্যতম হৈছে সোণোৱাল কছাৰী জনগোষ্ঠী। এক নিজস্ব সংস্কৃতিৰ মেটমৰা সম্ভাৰ লৈ এই সোণোৱাল জনগোষ্ঠীটোৱে নিজৰ পৰিচয় বজাই ৰাখিবলৈ চেষ্টা কৰি যোৱাৰ লগতে সমৰ্থও হৈছে। বৰ্তমান অসমৰ মূলত ডিব্রুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজী, শিৱসাগৰ, যোৰহাট, গোলাঘাট, কামৰূপ জিলা, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডতো এই জনগোষ্ঠীৰ লোকে বাস কৰি আছে।

লোক পৰিৱেশ্য কলা হিচাপে লগ বিহু ঃ

লগ বিহু মূলতঃ সোণোৱাল কছাৰী ডেকা-গাভৰুৰে একেলগে মৰা বিহু। বসন্ত কালত প্ৰকৃতিৰ প্ৰভাৱত বসন্তই ৰাই-জাই কৰা ডেকা-গাভৰুৰ হিয়া-মন-দেহাৰ আশা-আকাংক্ষা, হুমুনিয়াহবোৰ বিহু নাম হৈ নিগৰি ওলাই আহে। গচকত যঁতৰ ভঙা মনে বুজনি নামানে। সুৰ সঞ্চাৰ কেৱল মুখতেই নহয় শৰীৰতো বসন্তৰ উন্মাদনা আৰু উদ্দীপনাৰ সঞ্চাৰ হয়। ডেকাৰ ঢোলৰ ৰগৰ উঠে, বাদ্য আৰু গীত মাতৰ ছেৰে ছেৰে নাচনীৰ দেহ মন আন্দোলিত হয়, চকুৰে পিৰীতি বাগৰে। ওঁঠত মুকুতা মণি সৰে, হাতৰ আঙুলি গছৰ পাতৰ দৰে লৰে। ছেৰে ছেৰে কঁকাল ভাঙে, গিৰিপনিত বাকৰি উথলি উঠে। মুঠতে লগ বিহুত চাই চাই হেঁপাহ নপলোৱা অনুপম দৃশ্য দেখিবলৈ পোৱা যায়। নাহৰ ফুলাৰ পৰা এজাৰ ফুলা সময়খিনিয়েই লগ বিহুৰ সময়।

ব’হাগ বিহুৰ লগত খ্ৰীং খ্ৰীং বাইথ পূজাৰ নিবিড় সম্বন্ধ আছে। কাৰণ বাইথ পূজাতে ৰঙালী বিহুৰ আৰম্ভণি কৰা হয়। ফাগুন মাহৰ পূৰ্ণিমাৰ দিন অনুসৰি বাইথ পূজা কেতিয়াবা ফাগুন মাহত বা কেতিয়াবা চ’ত মাহত হয়। বাইথ পূজাৰ তৃতীয় দিনা সামাজিক ভাৱে ধৰ্মীয় নীতি-নিয়মেৰে ৰাজগুৰুৰ ৰঘৰৰ ভিতৰত ডেকা-গাভৰুৰে একেলগে বিহু মাৰি বিহু আবাহন কৰে। এয়াই হৈছে সোণোৱালসকলৰ বিহু নমোৱা পৰম্পৰা। সেইদিনাখনৰ পৰা ব’হাগ বিহুলৈকে মুকলি পথাৰ বা ঠাইত বিহুৰ আখৰা আৰম্ভ হয়।

লগ বিহুৰ গীত ঃ

“আকৌ হেৰ’ নৈ কছাৰী
চাৰি আঙুল ডাব কটাৰী
নেকাটিলেও নেকাটিলেও কাটিহেন লাগি।”

লগ বিহুৰ ডেকা-গাভৰুৰ সাজপাৰ ঃ

লগ বিহুৰ ৯যোৰ ডেকা গাভৰুৰ পোচাকৰ বৰণ মটীয়া। অৰ্থাৎ প্ৰথম ৯যোৰে বিভিন্ন জনকোঁৱৰক প্ৰতিনিধিত্ব কৰে আৰু দ্বিতীয় ৯যোৰেও বিভিন্নজন কোঁৱৰক প্ৰতিনিধিত্ব কৰি একেলগে লগ বিহু পৰিৱেশন কৰা দেখিবলৈ পোৱা যায়।



ডেকাসকলে গাটোম চোলা, চুৰীয়া বা ধুতি আৰু সোণোৱালী বিহুৱান পৰিধান কৰে আৰু গাভৰুসকলে বুকুত মেঠনি মাৰে ক্ৰমে বগা আৰু মুগা আৰু সোণোৱালী বিহুৱান পৰিধান কৰে। গহনাৰ ভিতৰত গামখাৰু, মাদলি, জোনবিৰি, ঢোলবিৰি, কাণত থুৰিয়া, জাংফাই, খোপাত বতৰৰ ফুল পৰিধান কৰে।

লগ বিহু বাদ্য যন্ত্ৰ ঃ

লগ বিহুত ব্যৱহৃত বাদ্যযন্ত্ৰবোৰ হৈছে— ঢোল, তাল, পেঁপা, বাঁহী, সুতুলি, গগনা আদি।

লগ বিহুৰ নৃত্য ঃ

লগ বিহুৰ নাচবোৰ অধিক গিৰিপনিৰে ভৰপূৰ। নাচৰ মুদ্ৰাবোৰ এনেধৰণৰ—কঁকালত হাত থৈ ভৰিৰ গিৰিপনিৰে নাচ, একেলগে হাত মেলি হাতৰ সৰু গাঁঠি ভাঙি হাতখন ইফাল সিফাল কৰি ঘূৰি ঘূৰি নচা। ডেকা-গাভৰুৰে যোৰা যোৰা কৈ নচাৰ লগতে পেঁপা, বাঁহী, গগনা মাতত মঞ্চখন গিৰিপনিৰে উপচাই পেলোৱা হয়।

গামোচা বা বিহুৱান ঃ

সোণোৱাল কছাৰীসকলৰ গামোচাখনক সোণোৱালী বুলি কোৱা হয়। গামোচাখনত জনগোষ্ঠীটোৰ সুকীয়া পৰিচয় এটা পোৱা যায়। হালধীয়া সূতাৰ গামোচাখনত সেউজীয়া ফুল আৰু পাৰি থাকে।♦


দৈনন্দিন জীৱন যাত্রাত প্রয়োগিক গণিতৰ প্রভাৱ

ভাস্কৰ জ্যোতি টাউদ

দৈনন্দিন জীৱন যাত্রাত গণিত আমাৰ বাবে এক অবিচ্ছেদ্য অংগ। দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ক্ষুদ্রতকৈ ক্ষুদ্রতম বস্তুৰ পৰা আদি কৰি জটিল প্রযুক্তিবিদ্যাৰ উদ্ভাৱনলৈকে গণিত শাস্ত্রৰ প্রয়োগ কৰা দেখা যায়। সঁচা আমিবোৰ প্রায়োগিক গণিতৰ ওপৰত কম বেছি পৰিমাণে নির্ভৰশীল হোৱা পৰিলক্ষিত হয়।

আমাৰ পূর্বপুৰুষ সকল আছিল প্রধানকৈ কৃষিজীৱি লোক। শস্য শ্যামলা পথাৰখনেই যেন তেওঁলোকৰ হিয়াৰ আমঠু। তেওঁলোকে কৃষিকর্মত ব্যৱহাৰ কৰা প্রত্যেকটো সঁজুলিতে প্রায়োগিক গণিতৰ ব্যৱহাৰ দেখা যায়। উদাহৰণ স্বৰূপে মাটি চহ কৰিবলৈ ব্যৱহাৰ কৰা নাঙল, চহ কৰা মাটিক ভূই ৰুবলৈ উপযোগী কৰি তোলালৈকে আদি কৰি ডাঙৰী কঢ়িয়াবলৈ ব্যৱহাৰ কৰা বিৰীয়ালৈকে সকলোতে প্রয়োগিক গণিতৰ ব্যৱহাৰ হয়। গাণিতিক দৃষ্টিভংগীৰে লক্ষ্য কৰিলে নাঙলত ত্রিকোণমিতিৰ ব্যৱহাৰ পৰিলক্ষিত হয়। তদুপৰি কোৰ শালোতে অর্থাৎ কোৰৰ নাল লগাওঁতে ত্রিকোণমিতিৰ ব্যৱহাৰ হোৱা দেখা যায়। তদুপৰি ফলৰ ভৰত হালি অহা গছ ঢোকা দিওঁতেও ত্রিকোণমিতিৰ ব্যৱহাৰ হোৱা পৰলক্ষিত হয়।

অসমীয়াৰ জাতীয় জীৱনত বিহু বুকুৰ কুটুম বিহুৰ উপলক্ষে আমাৰ ঘৰবোৰত পিঠা পনাৰ পৰা আদি কৰি বহুতো বস্তু যোগাৰ কৰা হয়। পিঠা-পনাবোৰ বনাবলৈ ব্যৱহাৰ কৰা পিঠা গুৰিবোৰ খুন্দিবলৈ ঢেঁকীৰ ব্যৱহাৰ কৰা হয় । আমোদজনক কথাটো হ'ল যে এই ঢেঁকীটোত আমি গণিতৰ ব্যৱহাৰ দেখিবলৈ পাওঁ ।



'অসমীয়া শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে' বুলি সমগ্র পৃথিৱীত পৰিচিতশিপিনীসকলৰ তাঁতশাল খনেও গণিতৰ ব্যৱহাৰতহে পূর্ণতা পায়। তাঁতশাল খনৰ আয়তক্ষেত্রাকাৰ মূল খুঁটা চাৰিটাৰ পৰা আৰম্ভ কৰি তাঁতশাল খনৰ সৰু সৰু প্রত্যেকটো সঁজুলীতে গণিতৰ ব্যৱহাৰ হোৱা দেখা যায়। তাঁত শালখনৰ লগত জড়িত সঁজুলি যঁতৰ, চেৰেকী বা চকৰীটো গণিতৰ প্রভাৱ দেখা যায়।

গৃহ নির্মাণৰ ক্ষেত্রত আয়তক্ষেত্র আৰু বর্গক্ষেত্র ধাৰণা প্রয়োগ হোৱা দেখা যায়। দুৱাৰ খিৰিকীৰ ফ্রেম লগাওঁতেও প্রতিটো বাটাম ইটোৰে সিটোৰ লগত ৯০° কোণ কৰি বনোৱা হয়।

গৰুক ঘাঁহ দিবলৈ ব্যৱহৃত গঁৰাল, পলহ (মাছ মাৰোতে ব্যৱহৃত এবিধ সঁজুলী) আদি সাজোতে সদায় বিযুৱীয়া সংখ্যক কাঠি লোৱা হয়। প্রায়োগিক গণিতৰ আটাইতকৈ গুৰুত্বপূর্ণ আৰু আমোদজনক ব্যৱহাৰটো হ'ল পাচি, খৰাহি নির্মাণতো গণিতৰৰ প্রয়োগ হয়।

এইয়া মাথো প্রায়োগিক গণিতৰ ব্যবহাৰৰ কেইটামান উদাহৰণ হে আমি এনেদৰেই প্রত্যক্ষ আৰু পৰোক্ষ ভাৱে প্রায়োগিক গণিতৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি আহিছোঁ, কৰি আছোঁ, আৰু ভৱিষ্যতলৈও কৰি থাকিম। দৈনন্দিন জীৱনত গণিতৰ এইপ্রভাৱে আমাক ক'ব নোৱাৰাকৈয়ে সৃষ্টিৰ সেউজীয়া পথাৰ খনত পেলোৱা প্রতিটো জীপাল খোজতে সমর্থন আগবঢ়াই আহিছে।♦



বিজ্ঞান বৰদান নে অভিশাপ

পার্থ বৰা

এই বিশ্বায়নৰ দূৰন্ত গতিত সময়ৰ লগত সমতান মিলাই নজনাক জনাৰ অভিব্যক্তিৰে জিজ্ঞাসু মানসিকতাই ব্রহ্মাণ্ডৰ জটিলতকৈও জটিল ৰহস্য উদঘাটন কৰিবলৈ সক্ষম হৈছে বিজ্ঞান আৰু প্রযুক্তিৰ জৰিয়তে। প্রকৃতার্থত বিজ্ঞানে মানৰ জীৱনক সৰলীকৃত কৰিছে। বিজ্ঞানে মানুহৰ সপোনবোৰক ডেউকা প্রদান কৰি কেতিয়াবা মুক্ত আকাশত আকৌ কেতিয়াবা সুগভীৰ সমুদ্রত বিচৰণ কৰাইছে। আজি আমি মনৰ কথা, বিজ্ঞানসম্মত চিন্তাৰ কথা এনেধৰণে লিখিত ৰূপত প্রকাশ কৰিব পাৰিছোঁ, সেইকণ সুবিধাও আমাক বিজ্ঞানে প্রদান কৰিছে। ভালদৰে বিশ্লেষণ কৰিলে অনুধাৱন কৰিব পাৰিম যে আমাৰ দৈনন্দিন জীৱনৰ প্রতিটো পল-অনুপলত বিজ্ঞান জড়িত হৈ আছে।

এইখিনিতেই হয়তো কাৰোবাৰ স্মৃতিত ৰোমন্থন হ'ব পাৰে হিৰোচিমা-নাগাচাকিৰ কথা। হয়তো বহুজনে ক'ব ভূপালত বিস্ফোৰণৰ হোৱা মিথাইল আইছ'ছায়েনাইট গেছ বিজ্ঞানৰেই আৱিষ্কাৰ। তেওঁলোক শুদ্ধ। এইয়া বিজ্ঞানৰেই অৱদান। কিন্তু সেইবুলিয়েই ইয়াৰ বাবে আমি বিজ্ঞানক দোষাৰোপ কৰিব নোৱাৰোঁ। ইয়াৰ বাবে মূল জগৰীয়া কিন্তু আমি মানুহ আৰু আমাৰ ক্রমবর্ধিত স্থূল মানসিকতা।



সংশোধনৰ প্রয়োজনীয়তা আছে আমাৰ চিন্তাত। বিশুদ্ধিকৰণৰ আৱশ্যকতা আছে আমাৰ কর্ম পন্থাত। আমি সত্যত ব্রতী হ'ব লাগিব। বিজ্ঞানক লৈ সৃষ্টি হোৱা সঙ্কীয়া প্রতিযোগিতামূলক মানসিকতা পৰিহাৰ কৰি নতুনত্বৰ সন্ধানত বিজ্ঞানক ব্যৱহাৰ কৰিবলৈ যত্নপৰ হ'ব লাগিব। তেতিয়াহে এখন সেউজ মানুহৰ পৃথিৱী গঠন হ'ব য'ত বিজ্ঞানে আকৌ মানুহৰ উন্নয়নৰ স্বার্থত পাখি মেলিব। সপোনসম্ভৰা মানুহৰ জ্যোতিদেশ সন্ধানৰ অনিৰুদ্ধ যাত্রাৰ পথত বিজ্ঞান অভিশাপ নহৈ পৰিত্র বৰদান হৈ মূল কাণ্ডাৰীৰ ভূমিকা পালন কৰিব।♦

আজিৰ নাৰী

কাবেৰী ফুকন

আজিৰ যুগত নাৰীসমাজৰ স্থান আৰু ভূমিকা অপৰিসীম। সমাজৰ উত্তৰণত নাৰীৰ অৱদান অস্বীকার্য। আধুনিক যুগত নাৰীয়ে নিজৰ ব্যক্তিত্ব, শক্তি আৰু কর্মদক্ষতাৰে সকলো ক্ষেত্ৰতে অৱদান আগবঢ়াইছে। তেওঁলোক মাথোঁ গৃহকর্মতে সীমাবদ্ধ নাথাকি শিক্ষাৰ, বৃত্তিৰ আৰু নেতৃত্বৰ প্ৰতিটো ক্ষেত্ৰত সফলতাৰে আগুৱাই গৈছে। নাৰীয়ে আজিকালি বিজ্ঞান, চিকিৎসা, শিক্ষা, খেলা-ধূলা, ৰাজনীতি, উদ্যোগ আৰু বহুক্ষেত্ৰত নতুন নতুন কৃতিত্ব স্থাপন কৰিছে। তেওঁলোকে পৰিয়াল আৰু সমাজৰ মাজত এক সজাগ আৰু শক্তিশালী পৰিচয় গঢ়ি তুলিছে। প্ৰযুক্তিৰ এই যুগত নাৰীয়ে সকলো ক্ষেত্ৰত নিজৰ সক্ষমতা প্ৰতিষ্ঠা কৰিছে।



প্ৰাচীন কালৰ লাচিতৰ মাতৃ বা জোনাকিৰ দৰে বীৰ নাৰীসকলৰ দৃষ্টান্ত বৰ্তমানৰ নাৰীৰ বাবে এক অনুপ্ৰেৰণা হিচাপে কাম কৰিছে। তথাপি, কিছুক্ষেত্ৰত নাৰীৰ ওপৰত সমাজত হোৱা অন্যায়, বৈষম্য, আৰু হিংসাৰ সমস্যা আজিও বিদ্যমান। এইবোৰ সমস্যা দূৰ কৰিবলৈ সমষ্টিগত চেতনাৰ প্ৰয়োজন। নাৰীৰ সৃজনশীলতা আৰু নেতৃত্বত সমাজে অধিক উন্নতি লাভ কৰিব পাৰে। এনে পৰিস্থিতিত নাৰীক সন্মান, সমান অধিকাৰ আৰু সুযোগ প্ৰদান কৰাটো সমাজৰ দায়িত্ব।বৰ্তমানৰ নাৰীৰ উন্নতি এক আশাব্যঞ্জক ছবি। তেওঁলোকে নিজৰ অধিকাৰ আৰু দায়িত্বৰ প্ৰতি সজাগ হোৱাৰ লগতে, এক নতুন দিগন্ত মুকলি কৰিছে। "যদি এগৰাকী নাৰীক শিক্ষিত কৰা হয়, তেন্তে এটা পৰিয়ালক শিক্ষিত কৰা হয়"— এই কথাষাৰ প্ৰত্যেকেই হৃদয়ঙ্গম কৰিব লাগে। সেয়েহে, আজিৰ দিনত নাৰী কেৱল অনুপ্ৰেৰণা নহয়, তেওঁলোক এক উত্তম নেতৃত্বৰ প্ৰতীক। আগন্তুক সময়ত নাৰীৰ অগ্ৰগতি আৰু অধিক সমতাভিত্তিক সমাজ গঢ়ি তোলাৰ আশা অব্যাহত থাকিব। সমাজত নাৰীক সবলভাৱে স্থান দিবলৈ সমাজৰ সকলোৱে আগবাঢ়ি অহাটো অতি দৰকাৰ। আমি সকলোৱে মিলি কঞ্চৰ লাগিব যে—'নাৰী হৈছে সৃষ্টিৰ আধাৰ, নাৰীক দিয়ক সন্মান আৰু অধিকাৰ।' ♦

সুস্থ শৰীৰ, সুস্থ মন

— যাৰ আঁৰত খেলৰ অপূৰ্ব মিলন

প্ৰণামী সন্দিকৈ

সংসাৰৰ যাত্ৰাত আগুৱাই যাবলৈ হ'লে দেহ আৰু মনৰ সমানে উৎকর্ষ সাধন কৰিব লাগে। কাৰণ সুস্থ শৰীৰ এটা জাতিৰ বাবে অমূল্য সম্পদ। শৰীৰ সুস্থ হ'লেহে শক্তিশালী মন গঢ় লৈ উঠিব পাৰে। খেলৰ ইতিহাস আৰু মানৱ জীৱনৰ ইতিহাস এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এজন ব্যক্তিৰ জন্মৰ লগে লগেই তেওঁৰ মনত কাম-কাজত প্ৰকাশ পায় ক্ৰীড়াৰ প্ৰতি অজানিতে ভাল পোৱা।

এতিয়া সমাজ জীৱনত তোলপাৰ লগোৱা ফুটবল, ক্ৰিকেট আদিক আদি কালত দেখিবলৈ পোৱা নগৈছিল ঠিকেই কিন্তু ক্ৰীড়াৰ আদিম ৰূপে মানৱ জীৱনত তেতিয়াই ডেও দি গৈছিল। বিভিন্ন খেলসমূহ অন্য নামেৰে পৰিচিত আছিল। বিশ্বৰ সবাতোকৈ জনপ্ৰিয় খেল ফুটবলক চীনত তাহানি আখ্যা দিয়া হৈছিল ছু-চু । ইয়াৰে পৰাই আমি অনুভৱ কৰিব পাৰোঁ ক্ৰীড়াৰ প্ৰতি মানুহৰ দুর্বাৰ আকর্ষণ অথবা দুর্বলতাৰ বতৰা। ভাৰতত ইউৰোপীয়ান ব্যৱসায়ী নাবিকসকলে ক্ৰিকেট খেলৰ আৰম্ভণি কৰিছিল, ১৭৯২ চনত কলকাতাত ভাৰতৰ প্ৰথম ক্ৰিকেট ক্লাব গঠন হৈছিল, আৰু ১৯৩২ চনৰ ২৫ জুন তাৰিখে লর্ডছত ভাৰত জাতীয় ক্ৰিকেট দলে প্ৰথম আন্তর্জাতিক খেল খেলিছিল। ভাৰতীয় দলটো টেষ্ট ক্ৰিকেট খেলাৰ যোগ্যতা অর্জন কৰা ষষ্ঠতম দল। ২০১৫ চনৰ ১ মার্চত ভাৰতে ICCৰ তালিকাত টেষ্ট ক্ৰিকেটত সপ্তদশ স্থান আৰু এদিনীয়া তথা T20ত দ্বিতীয় স্থান লাভ কৰে। বৰ্তমান ভাৰতৰ জাতীয় ক্ৰিকেট দলৰ টেষ্ট ক্ৰিকেটৰ অধিনায়ক ৰোহিত শর্মা ।

ভাৰতৰ ৰাষ্ট্ৰীয় ফুটবল দল হৈছে আন্তঃৰাষ্ট্ৰীয় ফুটবলত ভাৰতক প্ৰতিনিধিত্ব কৰা পুৰুষৰ জাতীয় দল, যাৰ কার্যকলাপ ভাৰতৰ ফুটবলৰ সর্বোচ্চ শাসকীয় সংস্থা অল ইণ্ডিয়া ফুটবল ফেডাৰেচনৰ দ্বাৰা পৰিচালিত হয়। ১৯৪৮ চনৰ পৰা ফুটবলৰ শাসনীয় সংস্থা ফিফাৰ সদস্য আৰু ১৯৫৪ চনৰ পৰা ইয়াৰ আঞ্চলিক সংস্থা এছিয়ান ফুটবল ফেডাৰেচনৰ সদস্য। ১৯৩৮ চনৰ ৩ ছেপ্তেম্বৰত ভাৰতে প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় গে'মছত অংশ গ্ৰহণ কৰে। অষ্ট্ৰেলিয়াৰ ছিডনীত অনুষ্ঠিত হোৱা খেলখনত অষ্ট্ৰেলিয়াৰ হাতত ৫-৩ গ'লত পৰাস্ত হয় ভাৰত ।

হকী ভাৰতৰ জাতীয় খেল। ভাৰতবর্ষৰ অন্যতম জনপ্ৰিয় খেল আৰু ইয়াৰ ইতিহাস দীর্ঘ আৰু চহকী। হকী কেৱল খেল নহয়, বৰঞ্চ জাতীয় গৌৰৱ আৰু ঐক্যৰ প্ৰতীকা ভাৰতত হকীৰ ইতিহাস ১৯০০ চনৰ আৰম্ভণিৰ পৰাই আৰম্ভ হয়। প্ৰথম অৱস্থাত হকী কেৱল ব্ৰিটিছ ঔপনিৱেশিক বিষয়া আৰু সোনকালেই স্থানীয় ভাৰতীয় জনসাধাৰণৰ মাজতো ই জনপ্ৰিয়তা লাভ কৰে। ১৯২০ চনৰ ভিতৰত ভাৰত আন্তঃৰাষ্ট্ৰীয় হকীৰ এক প্ৰধান শক্তি হিচাপে পৰিগণিত হৈছিল আৰু ১৯২৮ চনৰ অলিম্পিকত স্বর্ণ পদক লাভ কৰিছিল। এই জয়েৰে ভাৰতৰ হকী খেলৰ দীঘলীয়া আৰু বিখ্যাত যাত্ৰাৰ আৰম্ভণি হৈছিল। হকী খেলখনে ভাৰতত জনপ্ৰিয়তাৰ ক্ষেত্ৰত ক্ৰিকেট-ফুটবলৰ দৰে অন্যান্য খেলৰ প্ৰতিযোগিতাৰ সন্মুখীন হৈছে। ভাৰত চৰকাৰে আন্তঃগাঁথনিক বিনিয়োগ কৰি খেলুৰৈসকলক প্ৰশিক্ষণ আৰু সহায় আগবঢ়াই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা আয়োজন কৰি এই ক্ৰীড়াৰ প্ৰচাৰৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে ।

অসমৰ ক্ৰীড়া ক্ষেত্ৰলৈ লক্ষ্য কৰিলে দেখা যায় যে বিহু আৰু ক্ৰীড়াৰ মাজতো সম্পর্ক যুগমীয়া। অসমৰ ব'হাগ বিহুত কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, কড়ি খেল, চিলনী সাঁতোৰ, থিয় সাঁতোৰ খেল, ম'হ যুঁজ, ৰঙী টনা, দৌৰ, কুকুৰা যুঁজ, তৰোৱাল খেল, ভটাগুটী, মুঠিভটা, শেন মেলা, কাড় খেল, বৈঠা বল আদি খেল অনুষ্ঠিত কৰিছিল, বর্তমানেও এই খেলসমূহৰ প্ৰচলন কিছু কিছু ঠাইত চলি আহিছে।

এই খেল-ধেমালিসমূহ মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ। আমাৰ জীৱনত ইয়াৰ প্ৰয়োজনীয়তা আমি নুই কৰিব নোৱাৰোঁ। খেল-ধেমালিয়ে আমাৰ শৰীৰ আৰু মন দুয়োটাই নিৰোগী কৰি ৰখাত সহায় কৰে। স্কুল পর্যায়ত এইধৰণৰ প্ৰতিযোগিতাৰ আয়োজনে ছাত্ৰ-ছাত্ৰীসকলক মানসিকভাৱে সজীৱ কৰি ৰাখে। বর্তমানৰ তীব্ৰ প্ৰতিযোগিতাৰ যুগত খেল-ধেমালিৰ জৰিয়তে বন্ধুত্ব আৰু ভাতৃত্ববোধ গঢ়ি উঠাত সহায় হয়। তদুপৰি খেল আৰু ক্ৰীড়া মানসিক চাপ আৰু উদ্বেগ হ্ৰাস কৰাৰ এক উৎকৃষ্ট উপায় হ'ব পাৰে। ইয়াৰ উপৰিও ক্ৰীড়াই সাফল্যৰ অনুভৱ আৰু দৈনন্দিন জীৱনৰ হেঁচাত বিৰতি দিব পাৰে।

সামৰণিত ক'ব পাৰি যে আমাৰ শাৰীৰিক আৰু মানসিক সুস্থতাৰ বাবে খেলা-ধূলা অতিকে প্ৰয়োজনীয়। ই শাৰীৰিক কার্যকলাপৰ বাবে এটা নির্গমণ পথ প্ৰদান কৰে, সামাজিক দক্ষতা আৰু দলীয় কাম গঢ়ি তোলে, আৰু ইয়াৰ লগতে মানসিক চাপ আৰু উদ্বেগো হ্ৰাস কৰি সুস্থ মন আৰু সুস্থ শৰীৰ গঢ়ি তোলাত সহায় কৰে। ♦



বৰ্তমান সময়ত গণতন্ত্ৰ আৰু ইয়াৰ প্ৰাসংগিতকা

মহম্মদ চাহিল

বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক গণৰাজ্য হিচাপে খ্যাতি লাভ কৰা ভাৰতবৰ্ষৰ গণতান্ত্ৰিক নীতিৰ বুনিয়াদ গঠন হৈছিল 'ভাৰত চৰকাৰ অধিনিয়ম' ১৯৩৫ চনত। ১৯৪৭ চনৰ স্বাধীনতা আন্দোলনত বিজয় লাভ কৰাৰ পিছতেই ভাৰতবৰ্ষই এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰে, যাৰ ভেঁটি গঠন হৈছিল পাঁচটা নীতিক কেন্দ্ৰ কৰি আৰু সেইকেইটা হৈছে— সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য স্বৰূপে।

ৰাষ্ট্ৰ এখনৰ বিকাশ কেতিয়াও স্থিৰ নহয়, সময় সাপেক্ষহে, ই সদায় প্ৰগতিশীল। গতিকে গণতান্ত্ৰিক গণৰাজ্য ভাৰতবৰ্ষৰ সত্তা সৰ্ববৃহৎ গণতন্ত্ৰ হোৱাৰ লগে লগেই সদায় বিকাশৰ অভিমুখে ধাৱমান তথা চিৰন্তন গতিশীল।

আনুষ্ঠানিকভাৱে ক'বলৈ গ'লে ভাৰতবৰ্ষৰ গণতন্ত্ৰ সম্পূৰ্ণৰূপে সুপৰিচালিত, সুস্থিৰ আৰু সুপৰিকল্পিত। বহুদলীয় নিৰ্বাচন, প্ৰাপ্তবয়স্ক ভোটাধিকাৰ, সৰ্ববৃহৎ আকৃতিৰ গণতন্ত্ৰ, স্বাধীন প্ৰেছ আৰু ন্যায়তন্ত্ৰ, নাগৰিক স্বতন্ত্ৰতাৰ প্ৰতিজ্ঞা ৰক্ষাৰ বাবে আইনৰ সুব্যৱস্থাকে ধৰি আমি গঢ় দিয়া বিভিন্ন গণতন্ত্ৰ ৰক্ষাৰ উ পায়ে ভাৰত বৰ্ষৰ গণতন্ত্ৰ আৰু ইয়াৰ সফলতা-বিফলতাসমূহ বিশ্বৰ সন্মুখত উপস্থাপন কৰি আহিছে। কিন্তু উক্ত বিষয়সমূহে মাথোঁ আংশিক চিত্ৰ এখনহে প্ৰদৰ্শন কৰিব পাৰে। এই বিষয়সমূহৰ সংগমে সৃষ্টি কৰা ৰাষ্ট্ৰ এখনৰ আৰ্থ-সামাজিক দিশটো বাহ্যিক দৃষ্টিভংগীৰে অংকন কৰা ছবি এখনে সাধাৰণতে উপেক্ষা কৰা দেখা যায়। "World Happiness Report for 2020"(UN)অনুসৰি ১৫৩খন মূল্যাংকিত দেশৰ ভিতৰত ভাৰতবৰ্ষৰ স্থান ১৪৪ সংখ্যক। এনেধৰণৰ মূল্যাংকনসমূহে বিষয়সমূহ গভীৰভাৱে অধ্যয়ন কৰাত সহায় কৰে আৰু জনতাৰ চৰকাৰৰ প্ৰতি থকা অভাৱ অভিযোগসমূহ আঙুলিয়াই দিয়াৰ লগতে তেওঁলোকৰ সন্তোষ্টিৰ স্তৰ বিশ্লেষণ কৰে। উক্ত বিবৃতিখনিৰ প্ৰথম দহটা স্থান দখল কৰা অধিকাংশই পশ্চিমীয়া গণতন্ত্ৰ। যদিও ভাৰতবৰ্ষৰ স্থান এই সমূহ ৰাষ্ট্ৰতকৈ বহু পিছত কিন্তু পশ্চিমীয়া গণতন্ত্ৰসমূহৰ সৈতে ভাৰতবৰ্ষ সদৃশ জনবহুল ৰাষ্ট্ৰৰ তুলনা কৰাটো অতি জটিল। বিভিন্ন সমস্যাৰে জৰ্জৰিত ভাৰতবৰ্ষত সমান্তৰালভাৱে বিকাশৰ লাভালাভ বিতৰণ কৰাটো এক অত্যন্ত কঠিন বিষয়।

The Economic Intelligence Units Democracy Index ৰ বিবৃতি অনুসৰি ২০১৯ চনত ভাৰতবৰ্ষৰ স্থান ৫১ সংখ্যক। Democracy Index-এ গণতন্ত্ৰ এখনৰ অৱস্থাৰ প্ৰতি লক্ষ্য কৰি ৰাষ্ট্ৰ সমূহৰ মূল্যাংকন কৰে। উক্ত বিবৃতিখনটো অগ্ৰণী স্থান লাভ কৰা অধিকাংশই পশ্চিমীয়া গণতন্ত্ৰ। নাগৰিক স্বতন্ত্ৰতা, ৰাজনৈতিক সংস্কৃতি, ৰাজনৈতিক অংশগ্ৰহণ, শাসনতন্ত্ৰ, নিৰ্বাচনী বহুত্ববাদ এই পাঁচোটিক মুঠ কৰি Democracy Index ৰ গণনা কৰা হয়। তালিকাৰ বৰ্ধিত স্থান অনুসৰি ৰাষ্ট্ৰসমূহৰ গণতন্ত্ৰৰ অৱস্থা নেতিবাচক দিশে গতি কৰে। গতিকে গণতন্ত্ৰৰ স্তৰৰ জোখমাপ ল'বলৈ Democracy Index ৰ ভূমিকা অতি দৰকাৰী।

ভাৰত স্বাধীন হোৱা পিছৰে পৰা দেশখন এক দায়িত্বশীল গণতন্ত্ৰ, ৰাজনৈতিক কাৰ্যালয়ৰ বাবে মুক্ত আৰু নিকা নিৰ্বাচন আৰু মসৃণ ক্ষমতা হস্তান্তৰ সাধন কৰি আহিছে। বিধানসভা, কাৰ্যবাহী আৰু ন্যায়িক অংগসমূহে সঠিকভাৱে কাম কৰি আহিছে, সংসদ আৰু ৰাজ্যিক বিধানসভাৰ ফলপ্ৰসূ নিয়ন্ত্ৰণ। তথ্যৰ অধিকাৰ আইন আৰু শিক্ষাৰ অধিকাৰৰ দৰে উল্লেখযোগ্য প্ৰণয়নে জনসাধাৰণক সবল কৰি তুলিছে। জনমত গঢ় দিয়াত গণমাধ্যমে মূল ভূমিকা পালন কৰে। বৈচিত্ৰ্যময় ভাষিক, সাংস্কৃতিক, ধৰ্মীয় পটভূমিৰ বৃহৎ দেশ ভাৰতে প্ৰচলিত ঘৰুৱা আৰু আন্তৰাষ্ট্ৰীয় পৰিস্থিতি আৰু সুচাৰুৰূপে চলি থকা গণতন্ত্ৰৰ বাবে পৰ্যাপ্ত পূৰ্বচৰ্তৰ অভাৱৰ বাবে সমাজৰ আশা পূৰণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।

But united until the end, forging our own history.
To stand tall and never fall!
And radiate brighter with a myriad of hues. ♦



A Full Moon Over The Lake

Harkhit Chiring Phukon

In the hush of night,
by the lake's soft gleam,
I sat bathed in moonlight,
lost in a dream.
Over the lake was a full moon,
Although it would hide behind the clouds soon.
My retriever beside me, the wind whispering low,
The moon above, casting a silvery glow.
The lake, shimmering in the moonlight,
Oh, how beautiful a sight !
A gentle whisper, the water made,
The distant silhouettes seemed to have fade.
A comforting paw, Goldie nudged me;
Driving off a fly, perched on my knee.
But it was time to depart,
And we did so with a heavy heart.
Yet in my memory, the scene will remain,
A moment of peace, a tranquil refrain.
And I know, with certainty, in my heart's core,
I'll return once more to that enchanted shore.
Oh, the full moon over the lake! ♦



In the Silence of Yearning


Vargov Saikia

In the quiet hush
Of a winter's midnight,
I lay still, sleepless
Letting out a yearning sigh,
How I'm covered, chest to toe
With velvety blankets, that too
Yet the frost still daring lycreeps in
Knowing well, the warmth I'm missing!
I yearn for your touch
Your embrace so warm and tight,
How I wish you were here
Right next to my sight, just beside,
Bodies entangled heart son to pofan other
Echoing loud, tearing through the silences
Creating a warm melody, on a single loop
Lub-dub, lub-dub, lub-dub, lub-dub...
Oh but, it's just a thought
You're no there,
And is till lay in silence
Cold to my tiptoes,
The velvety blankets
Really are of very little use. ♦

City's bird

Isha Sahu


Dozen of towers
Build in the city ,
I am a bird
Who feels there dizzy,
The frequency is high
That makes me die ,
And don't search for me
Cause now it isn't easy. ♦



গ্ৰন্থ সমালোচনা



অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা



চিৰঞ্জীৱ সন্দিকৈ

"সংহতি এটা ধোঁৱাচাঙত সাঁচি থ'ব পৰা নাইবা শৰাইত থাপি পাহৰিব পৰা পদাৰ্থ নহয়। ই এটা প্ৰক্ৰিয়া। অতীজতো নানা দন-খৰিয়ালৰ মাজতে অসমৰ বিভিন্ন গোষ্ঠীয়ে একেলগে জীয়াই থকাৰ ৰীতি এটা উদ্ভাৱন কৰি লৈছিল। আজিৰ যুগ আৰু পৰিৱেশৰ উপযোগীকৈ জাতীয় ঐক্যৰ ভিত্তি আমি ৰচিব লাগিব। শিক্ষা, প্ৰচাৰ আৰু অনুশীলনৰ জৰিয়তে অনবৰতে সেই ভিত্তি সবল কৰিব লাগিব। তাৰ লগে লগে আন এক সংগ্ৰামৰ জৰিয়তে অন্যায়, ক্ষমতা লোলুপ ঠেক সাম্প্ৰদায়িকতা অতিক্ৰম কৰি যাব লাগিব।"—ড° হীৰেন গোহাঁই

(অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, ড° হীৰেন গোহাঁই ৰচনাৱলী, পৃঃ নং ৫৯১)

সাম্প্ৰতিক অসমৰ শৈক্ষিক, সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক পৰিৱেশত ড° হীৰেন গোঁহাইৰ নাম উল্লেখনীয়। ড°গোহাঁই অসমীয়া আৰু ইংৰাজী সাহিত্যৰ এগৰাকী সু-প্ৰতিষ্ঠিত সমালোচক হোৱাৰ লগতে এগৰাকী কবি, সাহিত্যিক, সাংবাদিক, শিক্ষক তথা সমাজ বিজ্ঞানী। ১৯৩৯ চনত অসমৰ গোলাঘাটত জন্মগ্ৰহণ কৰা গোহাঁইদেৱে এগৰাকী কৃতী ছাত্ৰ হিচাপে কটন কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল আৰু কেমব্ৰিজৰ পৰা পি. এইচ. ডি. উপাধি লাভ কৰে। সত্তৰোৱা অধিক গ্ৰন্থ ৰচনা কৰা হীৰেন গোহাঁইয়ে ৰাজনৈতিক ক্ষেত্ৰতো সক্ৰিয়ভাৱে কাম কৰিছিল। আঞ্চলিকতাবাদী ৰাজনৈতিক দৰ্শনক তেওঁ এক জনমুখী আৰু গণতান্ত্ৰিক ৰূপ প্ৰদান কৰিবলৈ অহৰহ চেষ্টা কৰি আহিছে। তেওঁৰ গঠনাত্মক সমালোচনা আৰু সুতীক্ষ্ণ চিন্তা-চৰ্চাই অসমৰ জাতীয় জীৱনৰ বহুকেইটা দিশত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে আৰু বৰ্তমান সময়তো তেওঁৰ ব্যক্তব্যই অসমৰ বৌদ্ধিক মহল তথা সাধাৰণ লোকৰ মাজত বিশেষ স্থান অধিকাৰ কৰিছে। অসমীয়া সাহিত্যজগতলৈ নব্য এংলো আমেৰিকান সমালোচনা পদ্ধতি (Anglo-American New Cridism ideas and method) কাঢ়িয়াই অনাত হীৰেন গোহাঁইৰ ভূমিকা প্ৰণিধানযোগ্য।

'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ওপৰত ৰচিত কেইখনমান লেখত ল'বলগীয়া গ্ৰন্থৰ ভিতৰত অন্যতম, য'ত লেখকে শংকৰদেৱক ঐতিহাসিক ব্যক্তি হিচাপে লৈ সুসংহত আৰু সু-পৰিকল্পিতভাৱে বৈজ্ঞানিক পদ্ধতি অবলম্বন কৰি অধ্যয়ন কৰাৰ চেষ্টা কৰিছে। প্ৰায়বোৰ গ্ৰন্থতে আমি লক্ষ্য কৰো যে শংকৰদেৱক মূলতঃ এক ঐশ্বৰিক সত্তাৰূপে প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে তেওঁৰ বাবে আৱেগ প্ৰৱণ লিখনিৰ পয়োভৰ ঘটে। নিঃসন্দেহে শংকৰদেৱ এগৰাকী মহামানৱ আছিল, তেওঁৰ দৰে বিৰল প্ৰতিভাই ইতিহাসত বাৰে বাৰে ভূমকি নামাবে। কিন্তু মহাপুৰুষ জনাক ইতিহাসৰ উৰ্দ্ধত তুলি দিয়াৰ ফলত তেওঁৰ ব্যক্তিত্বৰ অধ্যয়নৰ ক্ষেত্ৰত এক সীমাবদ্ধতাহে আনি দিয়া যেন বোধ হয়। এই ক্ষেত্ৰত হীৰেন গোহাঁইৰ এই গ্ৰন্থখন যুগান্তকাৰী হিচাপে বিবেচিত হ'ব পাৰে। য'ত গোহাঁইয়ে মহাপুৰুষ শংকৰদেৱে প্ৰবৰ্ত্তন কৰা দৰ্শন তথা মহা পুৰুষীয়া ধৰ্মৰ আৰ্থ-সামাজিক দিশসমূহ বিশ্লেষণ কৰি এক বিশদ আৰু সুস্পষ্ট আলোচনা আগবঢ়াইছে। ইয়াৰ লগতে অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰাৰ ফলত সৃষ্টি হোৱা ইতিবাচক তথা নেতিবাচক প্ৰভাৱসমূহো আলোচনা কৰিছে। গ্ৰন্থখনত অসমত বৈষ্ণৱ আন্দোলনৰ ইতিহাসৰ পটভূমি, ভক্তিবাদৰ ইতিহাস আৰু তাৰ বিভিন্ন পৰ্যায়সমূহ, অসমত বৈষ্ণৱ ধৰ্মৰ সামাজিক ভূমিকা আদিৰ বিষয়েও সুন্দৰকৈ বিৱৰণ প্ৰদান কৰা হৈছে। লেখকে মহাপুৰুষজনাৰ সাংস্কৃতিক অৱদানবোৰতকৈ ইয়াত মহাপুৰুষীয়া ধৰ্মই কঢ়িয়াই অনা মনোগত পৰিৱৰ্তন তথা ৰাজনৈতিক আৰ্থসামাজিক দিশটোক অধিক গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। বিশেষকৈ মহাপুৰুষীয়া পৰম্পৰাই সৃষ্টি কৰা গণতান্ত্ৰিক ভাৱধাৰা, পৰোক্ষ সমাজবাদ, এখন নতুন সমাজ গঠনৰ সম্ভাৱনীয়তা আদিৰ বিষয়ে গোহাঁইয়ে বিশ্লেষণ


আগবঢ়াইছে।

উল্লেখ্য যে গ্ৰন্থখনত ব্যৱহৃত তথ্য, ভাষাশৈলী আৰু প্ৰকাশভংগী কিছু কঠিন। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে লেখকে গ্ৰন্থখনি সাধাৰণ পাঠকক আগত ৰাখি লিখাতকৈ কিছু মননশীল আৰু বিদ্যায়তনিকভাৱে আগৰণুৱা লোকৰ বাবেহে ৰচনা কৰিছিল। ইয়াৰ কেইটিমান যুক্তি আগবঢ়াব পাৰি— প্ৰথম, গ্ৰন্থখনত বহুতো ঐতিহাসিক তথ্য, উদ্ধৃতি আদি ব্যৱহাৰ কৰা হৈছে, যিবোৰ এজন ইতিহাসৰ ভাল জ্ঞান থকা ব্যক্তিয়েহে সহজে অনুধাৱন কৰিব পাৰিব। দ্বিতীয়তে, সম্পূৰ্ণৰূপে শংকৰদেৱক অধ্যয়ন নকৰাকৈ এই গ্ৰন্থ অধ্যয়ন কৰাজনৰ বাবে ই দুৰ্বোধ্য হৈ উঠিব। পৰিশেষত, গ্ৰন্থখনত উল্লেখ থকা ভক্তিবাদক বুজিবলৈ সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ ভক্তি আন্দোলনৰ ইতিহাস জনাটো অতি জৰুৰী আৰু সামাজিক, ৰাজনৈতিক ইতিহাসো পঢ়ুৱৈজনে জানিব লাগিব। গ্ৰন্থখনত শংকৰদেৱৰ ব্যক্তিত্ব কিম্বা ধৰ্মীয় দৰ্শনৰ সলনি শংকৰদেৱে প্ৰবৰ্ত্তন কৰা ধৰ্ম-সংস্কৃতিয়ে অসমীয়া সমাজত পৰৱৰ্তী কালত কেনেদৰে প্ৰভাৱ পেলাইছে সেই বিষয়ে আলোচনা কৰিছে। গতিকে ইয়াক এক সামাজতাত্ত্বিক আলোচনা বুলিও অভিহিত কৰিব পাৰি। গোহাঁইয়ে অৰ্থনীতি তথা বেপাৰ বাণিজ্যই কেনেধৰণে সমাজ পৰিৱৰ্তন আৰু ধৰ্মীয় অথবা পৰম্পৰাগত চিন্তা-চৰ্চাৰ বিকাশ ঘটাত প্ৰভাৱ বিস্তাৰ কৰে, সেই বিষয়েও লেখকে সুন্দৰ ব্যাখ্যা আগবঢ়াইছে। তেওঁ গ্ৰন্থখনৰ জৰিয়তে প্ৰাচীন কামৰূপৰ ধৰ্ম সম্পৰ্কেও পাঠকক জনাৰ সুবিধা কৰি দিছে আৰু ইয়াৰ লগতে প্ৰাতিবাদী ব্ৰাহ্মণ্যবাদৰ ধাৰা এটাও যে অস্থিত্বত আছিল সেই কথা যুক্তি সহকাৰে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে। কোনো এক সমাজত বৈষ্ণৱবাদৰ বিকাশ হ'ব পাৰে, কি পৰিস্থিতিত আৰু কোনবোৰ কাৰকে অসমত শংকৰী বৈষ্ণৱ আন্দোলনত ইন্ধন যোগালে আৰু কিয় পৰৱৰ্তী সময়ত বৈষ্ণৱ আন্দোলনত কু-তত্ত্বই প্ৰৱেশ কৰিলে আৰু আশা কৰা মতে ই সফলকামী নহ'ল এই সকলোবোৰৰ সম্পৰ্কে লেখকে বিজ্ঞানসন্মত বিৱৰণ আগবঢ়াইছে। কিন্তু এই কথাও স্বীকাৰ্য যে লেখকে মাৰ্ক্সবাদী আৰু সাম্যবাদী ভাৱধাৰাৰে যি ইতিহাস বিশ্লেষণ কৰিব বিচাৰিছে সেয়া সম্পূৰ্ণ নহ'বও পাৰে আৰু বহুলোকৰ মনঃপুত নহ'বও পাৰে। তদুপৰি পণ্য অৰ্থনীতি, উৎপাদন আদি বিষয়ৰ লগতে গণতন্ত্ৰ, সমাজবাদ, সাম্য আদি তুলনামূলকাভাৱে নতুন ভাৱধাৰাক মধ্যযুগীয় পৰম্পৰা এটাৰ বিশ্লেষণৰ ক্ষেত্ৰত কিমান প্ৰযোজ্য বা লাভজনক সেয়া বুজাটো অলপ কঠিন। ড° হীৰেন গোহাঁইৰ দৰে বিৰাট প্ৰতিভাক সমালোচনা কৰাৰ ধৃষ্টতা মোৰ দৰে সাধাৰণ ছাত্ৰ বা পাঠকৰ নাই। কিন্তু গোহাঁইয়ে এই ক্ষেত্ৰত নিজেই কৈছে— "এই কামৰ বাবে মোৰ সঁজুলিৰ অভাৱ। যদিও সাধ্যানুসাৰে নতুন চিন্তা কৰিবলৈ মই চেষ্টা কৰিছো। মই বুৰঞ্জীবিদো নহওঁ আৰু বৈষ্ণৱ ধৰ্মৰ ওপৰত বিশেষজ্ঞও নহওঁ। অসমৰ বাণীকান্ত কাকতি.....বেণুধৰ শৰ্মা আদি বহু প্ৰসিদ্ধ মনিষী আৰু গৱেষকে আৱিষ্কাৰ কৰা সমলকে আমি ব্যৱহাৰ কৰিছো।" (হীৰেন গোহাঁই ৰচনাৱলী, পৃঃ ৫৯৩)

এজন সাধাৰণ পাঠকৰ দৃষ্টিভংগীৰে ক'ব পাৰি যে 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' গ্ৰন্থখন শংকৰদেৱ চৰ্চা আৰু শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্ম-সংস্কৃতিক বৈজ্ঞানিক ভাৱে উদাৰ দৃষ্টিভংগীৰে অধ্যয়ন কৰাৰ ক্ষেত্ৰত এক বাটকটীয়া হ'ব পাৰে। সেইবাবেই হয়তো এই গ্ৰন্থখনে ১৯৮৯ চনত 'সাহিত্য অকাডেমী' পুৰস্কাৰেৰেও সন্মানিত হৈছিল। অৱশ্যে এই ক্ষুদ্ৰ কলেৱৰৰ গ্ৰন্থখনত শংকৰী পৰম্পৰাৰ সকলোবোৰ কথা লেখকে সামৰিব পৰাটোও সম্ভৱ নাছিল বাবেই ১৯৯১ চনত ইয়াৰ দ্বিতীয় খণ্ডটো প্ৰকাশ কৰা হৈছিল। শংকৰদেৱ অধ্যয়নৰ বিশালতাৰ কোনো সীমাবদ্ধতা নাই, হীৰেন গোহাঁইৰ দৰে ব্যক্তিৰ পদাংক অনুসৰণ কৰিয়েই আমি এই ক্ষেত্ৰত আগুৱাই যাব লাগিব। সকলো ব্যক্তিয়েই শংকৰদেৱ আৰু মহাপুৰুষীয়া পৰম্পৰাক নিজৰ ব্যক্তিগত দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব পাৰে, এই ক্ষেত্ৰত মাত্ৰ আমি উদাৰ, বিজ্ঞানসন্মত আৰু এটা গণতান্ত্ৰিক পথ অৱলম্বন কৰাৰ প্ৰয়োজন হ'ব। হীৰেন গোহাঁইৰ এই গ্ৰন্থখনে উক্ত কথাটোকে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে আৰু আকাৰত সৰু হ'লেও ইয়াৰ তাত্ত্বিক আৰু বিদ্যায়তনিক মহত্ত্ব তিলমাত্ৰও কম নহয়। যাৰ বাবে ইয়াক এক সীমাবদ্ধ সংখ্যা বা শব্দৰ মাজত আলোচনা কৰি থৈ দিব নোৱাৰি। এনে কৰা যুক্তিৰ কথাও নহয়। মোৰ ক্ষুদ্ৰ জ্ঞানেৰে যিখিনি আহৰণ কৰিলো তাকেই ভুল ত্ৰুটিৰ মাজেৰে প্ৰকাশ কৰিলোঁ। সদৌশেষত গ্ৰন্থখনৰ এক উদ্ধৃতিৰে সামৰণি মাৰিব খুজিছো—

"নিশ্চয় এখন গণতান্ত্ৰিক, প্ৰগতিশীল আৰু জ্ঞান আভাৰে আলোকিত সমাজ ৰচনাত অতীত কৃতী আৰু মহান লোকসকলৰ পৰা আমি প্ৰেৰণা পাম। কিন্তু আমি নিজেও একান্তমনে অতীতৰ অন্ধবিশ্বাস আৰু কেতবোৰ সংকীৰ্ণতাৰ পৰা মুক্ত হ'বলৈ সংকল্প কৰিলেহে সেই প্ৰেৰণা ফলৱতী হ'ব। পুনৰ বৈষম্য আৰু শোষণৰ সুবিধা বিচাৰি সংহতি সৃষ্টি কৰা নাযায়। বৈজ্ঞানিক অধ্যয়ন সেয়ে নৈতিক দৃষ্টিতো অগ্ৰসৰ।" ♦

গ্রন্থ সমালোচনা



The Seven Moons of Maali Almeida

–Shehan Karunatilaka

Smita Chakraborty

"That the brightness of The Light will force you to open your eyes wider. That you will choose the same drink and it will take you somewhere new. And that, when you get there, you will have forgotten all of the above."

–THE SEVEN MOONS OF MAALI ALMEIDA
by SHEHAN KARUNATILAKA

The art of story– telling has been ancient. The term "fiction" is applied to any narrative whether written in prose or verse, which is invented instead of being an account of events that actually happened according to the 'M.H. Abraham's' Glossary of Literary Terms. It is actually that genre which probes into a special world 'created' by the author but which is analogous to ordinary quotidian life but possesses its own setting and mode of coherence.

The book which has been resorted for scholium is a fiction that had created stir in the world literature with its fabulous plot and narrative technique, furthermore successfully achieved The Booker Prize of 2022. Published in the same year, *The Seven Moons of Maali Almeida* by Shehan Karunatilaka is "a searing satire set amid the murderous mayhem of Sri Lanka beset by civil war". The book was earlier published in Indian Subcontinent with the name Chats with the Dead in January 2020; natheless in favour of a global audience the book was revised in a contention to reach even the audience unfamiliar with the Sri Lankan political scenario of the late 80s and fresh to Lankan mythology and folklore. Thenceforth, a book well helmed by the literary canon and celebrated alike by readers and critics, the book is utopian for evaluation."


About the author : Eulogized for his works by critics such as Mohammad Hanif and Michael Ondaatje and news dailies such as The Indian Express, The Times, and many more, One of Sri Lanka's paramount authors, Shehan Karunatilaka is one of those very few whose works have impeccable impression in the literary circle with the very few realises that he have had corollary of which had gained him prestigious conferment of 2008: Gratiaen Prize, 2012: Commonwealth Book Prize, and 2012: DSC Prize for South Asian Literature for his debut novel *Chinaman: The Legend of Pradeep Mathew*; a debonair literary spectacle, the ecstatic decrepit tale of an alcoholic Sri Lankan sports journalist trying to track down a once star but missing cricketer. Ten years after his prize winning novel, Karunatilaka is back this time with a far darker and raucous, rip-roaring tale that details the pernicious effects of Sri Lankan civil war years, therefore touching various walks of life.

Synopsis and the critical evaluation of

the text : A 386 pages book published under the banner of Sort of Books and in India by Penguins Publication, the book is available in hardcopy, paperback and eBook format. *The Seven Moons of Maali Almeida* by Shehan Karunatilaka is one of those thrillers that contain the ludicrousness of both life and death, penned in pluck and dandy narrative. With the hopes that one day the political situation in Sri Lanka will be such that his novel will "sit on the fantasy shelves of bookshops", Karunatilaka's book presents with barmy scenarios throughout yet it evokes pathos and ethos in us, the readers. The plot revolves around an eponymous narrator who introduces himself as "Maali Almeida / Photographer. Gambler. Slut." And in a smudged and graphic abundance he narrates his story. Set in 1990 Colombo, the 34 year old photographer wakes up in what seems to be the queue of the visa office after life walking towards a counter to attain the "Light". While his dismembered body sinks in the Beira lake, he at first does not realise that he has slept permanently only to realize it without knowing the identity of his killers. He thinks he has swallowed "silly pills" given to him by a friend and is hallucinating. Howbeit, he really is dead and seemingly locked in no Miltonian pandemonium; but "the afterlife is a tax office and everyone wants their rebate". He has seven moons to try to contact his dear ones and lead them to a cache of photos hidden that he demands to rock the entire Lanka.

The best creation of this text is the central character Maali Almeida. Maali, the son of a Sinhalese father and a burgher mother, is an vagrant photographer who loves his trusted Nikon camera more than life that even after his death his broken camera hangs from his neck; a gambler in high-stakes poker who wins only to lose most fraction of it; and a gay man in on and off relationship with DD and an atheist. Before going towards the "light" which has been employed as a metaphor of salvation or rebirth or eternal world based on the wild horses of the reader's vision, Maali has seven nights to figure out the reason for his death. A photojournalist who was always present in every wrong situation with his beloved camera and hustled with all sides during the conflict, and slept with men from throughout conservative Sri Lankan society, has seven moons that is seven nights (one week) to find out where and why and how he died. This one week, Maali visits all those places where he have been to when he was alive or to all those places where his dead body has been to or to places where he is remembered and his name being chanted. He tries to protect his friends and family. He mainly focus on two people, — DD, the son of a government power broker and also his semi-secret and DD's cousin Jaki, a lesbian radio announcer who plays the part of Maali's girlfriend to give them both cover. DD and Jaki search for Maali after he goes missing one night, last seen at a dismal Colombo casino. After accepting the inevitable that has happened to Maali, they turn their concern to a hidden box of his most prized photo negatives. The characterization of this central character is so alluring that often we readers get lost in the talks of Maali, it feels as if we are the silent observer of the entire text and that Almeida is speaking to us. While ending up in the afterlife comes as something astonishing to a wise-cracking atheist like Maali, over the course of the novel he relinquishes his characteristic evasiveness and selfishness and performs a sacrificial act of love, seeking to save in death 'the friend you let down the most' in life.

What makes it an interesting read is its pulling into operation the magical realism popular blended in Sri Lankan slangs and Sri Lankan folklores into a second person




narrative. Though the second person narrative being utilized minimally is uncommon for many readers and may create a distancing effect but it is compensated with the larger than life perspective pulled by the magical realism. Although the obvious comparisons are with books like the *Midnight's Children* of Salman Rushdie and Gabriel Garcia Marquez's One Hundred Years of Solitude, Karunatilaka is a step ahead with the hero already facing the calamity of life. It's more akin to that of Nikolai Gogol's *Dead Souls* for the surrealism and cynical humour in its plot. The dead bodies squabble with each other and throughout the plot, Maali chit-chats with wandering and wondering souls. At some points, Maali ponders, "Do animals get an afterlife? Or is their punishment to be reborn as human?"

One of the most interesting criterions about this read was its simple and lucid plot tangled with complicated concepts. It reveals the basic lessons colloquial in life but with a sprawling, uncanny and perturbing situation. The plot is long but gripping and vigorous. The sardonic and humorous mythos prevailing in the storylines actually camouflages the brutalities and tragedies of Sri Lanka Civil War, as Maali says, "The nation divides into races, the races divide into factions and the factions turn on each other. Whoever is in the opposition will preach multiculturalism and then enforce Sinhala Buddhist dominance in exchange for power." Another striking feature of this novel that makes it more imaginative and work of art is the use of similes, like, when on an instance the speaker compares the broken dead body with caved ribs as "like a broken coconut."

Though some of the arbiters criticise the book for being too imaginative, for being a dystopian satire and for being a cynical narrator; the book, through the enchanting and fathom story, slowly unfurls the possibility of redemption. This vary satirizing tone of the speaker and cynical nature what upholds the core of the book and that's what spices up the otherwise brutal events of political world. *The Seven Moons of Maali Almeida* is witty and inventive and far away from the old chestnut. The worthy winner of Booker Prize 2022; it shuns a moral lesson with a contemporary fiction – The world is not always what it seems and in the cycle of life and death one may not get what if deserves but it's the ploy of destiny and we are mere actors. ♦

গ্রন্থ সমালোচনা



বকুল ফুলৰ দৰে —ড° মৃণাল কলিতা

বিতোপন চৰৱ

জীৱনৰ উত্তৰণৰ দিশত শিক্ষাৰ ভূমিকা সর্বাধিক। হাজাৰ দুর্যোগৰ পাছতো আখৰ লিখিবলৈ, পঢ়িবলৈ থকা দুর্বাৰ হাবিয়াসৰ ফলতেই নিজৰ জীৱন গঢ়া বহু সফল ব্যক্তিৰ জীৱন সংগ্রামৰ বিষয়ে পঢ়িবলৈ পোৱা যায়। দৰাচলতে শূন্যৰ পৰা আৰম্ভ কৰি জীৱনটোক উত্তৰণৰ বর্ণিল শিখাৰে জিলিকাই তুলিব পৰাটোতেই জীৱনক জিকাৰ মূলমন্ত্র হ'ব পাৰে। অৱশ্যে উত্তৰণৰ এই পথ সহজসাধ্য কেতিয়াও নহয়।

কিন্তু কণ্টকময় কষ্টৰ পথেদি খোজ নিদিলে আলাসতে সফলতা পোৱাটো স্বাভাৰিকতেই সম্ভৱ নহয়। যিমান কষ্ট হ'লেও লক্ষ্যপ্রাপ্তিৰ আশাৰে নিজক উজ্জীৱিত কৰি জীৱনৰ যুঁজত আগবঢ়াই নিব পৰাৰ মানসিকতাইহে মানুহক উত্তৰণৰ পথেদি অগ্রসৰ কৰি লক্ষ্যপ্রাপ্তিত সহায় কৰিব পাৰে।

ড° মৃণাল কলিতাৰ প্রথমখন উপন্যাস 'বকুল ফুলৰ দৰে'ত এনে এক সামাজিক বার্তাৰেই প্রকাশ দেখা গ'ল। সাধাৰণ দৃষ্টিত এই উপন্যাসখন শৈশৱ-কৈশোৰৰ আলি-দোমোজাত থকা সমাজৰ নতুন প্রজন্মক উদ্দেশ্য কৰি লিখা হৈছে যেন লাগে যদিও কাহিনীৰ সার্বজনীনতাই সমাজৰ সকলো বয়সৰ পাঠককে সন্মোহিত কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে ২০১৫ চনৰ নৱেম্বৰত প্রথম প্রকাশ হোৱা উপন্যাসখনৰ বর্তমানলৈকে দহোটাকৈ সংস্কৰণ প্রকাশিত হৈছে। এটা কথা অনস্বীকার্য যে লেখকে লিখাৰ অন্তৰালত নিজৰ মন-মগজুৰে কিবা এটা কোৱাৰ এক দুর্নিবাৰ তাড়না অনুভৱ কৰে। সেই তাড়নাত পৰি নিজৰ লগতে চাৰিওফালে দেখি থকা সমাজ ব্যৱস্থা, পৰিৱেশৰ নিখুঁত বর্ণনাৰে সাহিত্যিকে সাহিত্যকর্মৰ যোগেদি একোটা সময়ক প্রতিনিধিত্ব কৰিবলৈ চেষ্টা কৰে। প্রকৃততে সেইখিনিকে সাহিত্যিক এগৰাকীৰ সমাজৰ প্রতি, মানুহৰ প্রতি থকা দায়বদ্ধতা বুলি ক'ব পাৰি। সেই দায়বদ্ধতাৰ কাৰণেই ৰবার্ট লুৱেলীনৰ 'হাউ গ্রীণ ৱাজ মাই ভেলী' বিশ্ব সমাদৃত। জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ অমৰ সৃষ্টি 'মৃত্যুঞ্জয়'ৰ সার্বজনীন সমাদৰ আজিও আছে।

মানুহৰ জীৱনৰ এই কঠোৰ সংগ্রামৰ কথাকে সাৱোগত কৰি ড° মৃণাল কলিতাই তেখেতৰ প্রথমখন উপন্যাস 'বকুল ফুলৰ দৰে' লিখিছে। দৰিদ্রতাই গ্রাস কৰা এটি কিশোৰৰ শিক্ষাৰ প্রতি থকা অদম্য স্পৃহা তথা তাৰ বাবে কৰা অসাধ্য সাধন আৰু আন এটি ৰোগীয়া কিশোৰৰ নিষ্কলুষ হৃদয় আৰু অদমনীয় মনোবলেৰে নিজকে উত্তৰণৰ দিশলৈ লৈ যোৱাৰ আকর্ষণীয় কাহিনীৰে উপন্যাসখনে পাঠকৰ

...'বকুল ফুলৰ দৰে' উপন্যাসখন মূলতঃ কিশোৰ চৰিত্রক কেন্দ্র কৰি সেই সমাজখনৰ, তথা নির্মলৰ শাৰীৰিক অসুস্থতা আৰু বিশেষকৈ অসীমে সন্মুখীন হোৱা দৰিদ্রতাৰ প্রতিকূল পৰিস্থিতিৰ মাজতো কিদৰে উত্তৰণৰ সপোন দেখিব পাৰি, সেই সপোনক সাকাৰ কৰিবলৈ কিদৰে নেৰানেপেৰা চেষ্টা কৰিব পাৰি তাৰ বর্ণনাৰে পাঠকক আলোড়িত কৰি গৈছে।...

হৃদয়ক আলোড়িত কৰিবলৈ সক্ষম হৈছে।

উপন্যাসখনৰ কাহিনীটো অসীম নামৰ এটি কিশোৰৰ সংশয় জড়িত মনৰ দ্বিধা তথা দ্বন্দ্বৰে আৰম্ভ হৈছে। মদপী পিতৃৰ পৰিয়ালৰ প্ৰতি দায়িত্বহীনতাই অসীমক বয়সৰ আগতেই প্ৰাপ্তবয়স্কৰ দৰে চিন্তা- চৰ্চাৰে নিজৰ জীৱনৰ সিদ্ধান্ত ল'বলৈ বাধ্য কৰোৱায়। পিতৃৰ অমোনযোগিতাৰ বিপৰীতে দুখুনী মাতৃৰ শিক্ষাৰ প্ৰতি হেঁপাহ আছে, কিন্তু দৰিদ্ৰতাই গ্ৰাস কৰা ঘৰখনত আনৰ ঘৰত কাম কৰি পোৱা দুপইচাৰে পেটৰ ভাতমুঠিৰ যোগাৰ কৰাৰ বাহিৰে অসীম আৰু ভনীয়েকক পঢ়ওৱাটো কোনোপধ্যেই সম্ভৱ নহয়। হাইস্কুলৰ তলৰ শ্ৰেণীতেই নিজৰ মেধাৰে শিক্ষকৰ প্ৰিয়পাত্ৰ হৈ পৰা অসীমে ঘৰখনৰ অভাৱক হৃদয়ংগম কৰি ওপৰৰ শ্ৰেণীলৈ উঠাৰ লগে লগে পঢ়াৰ ক্ষেত্ৰত অমনোযোগী হৈ পৰে। লঘোণীয়া পেটৰ দায়ে অসীমৰ স্কুললৈ যোৱাৰ আগ্ৰহক মষিমূৰ কৰি পেলায়। খাবলৈ এসাঁজৰ বাবেও চিন্তা কৰি ঘৰখনৰ দায়িত্ব লৈ নিজে নপঢ়ি অন্ততঃ ভনীয়েককে পঢ়ুৱাৰ আশাৰে অসীমে স্কুল এৰি শিলৰ কুৱেৰীত কাম কৰিবলৈ আৰম্ভ কৰে। কিন্তু অভাৱত পৰি স্কুল এৰা কথাটো অসীমৰ কোমল হৃদয়ৰ বন্ধু নিৰ্মলে সহ্য কৰিব নোৱাৰে। অসীমৰ পঢ়াৰ প্ৰতি ধাউতি কমি যোৱাৰ ফলত নিৰ্মলেই শ্ৰেণীত প্ৰথম হয় যদিও সেই সফলতাই নিৰ্মলক সন্তুষ্টি দিব নোৱাৰে। কাৰণ নিৰ্মলে জানে যে অসীম অতুলনীয় মেধাৰ অধিকাৰী।

আনহাতে অসীমৰ আৰ্থিক অসুবিধাৰ দৰেই নিৰ্মলৰো শাৰীৰিক অসুস্থতা পঢ়া-শুনাৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হৈ আহে। তথাপি নিৰ্মলে হাৰ নামানে আৰু সেয়েহে অসীমকো হাৰ নামানি আগবাঢ়ি যোৱাত সহায় কৰিবলৈ বিচাৰে। এই শাৰীৰিক আৰু আৰ্থিক বাধা নেওচি উত্তৰণৰ দিশে আগবাঢ়ি যোৱাৰ লগতে দুয়োটি কিশোৰৰ ইটোৰ সিটোৰ প্ৰতি নিঃস্বাৰ্থ বন্ধুত্বৰ কাহিনীটোৰ এটি উল্লেখনীয় দিশ। যি নহওক, নিৰ্মলৰ লগতে স্কুলৰ শিক্ষক-শিক্ষয়ত্ৰী সকলোৰে অসীমৰ মেধাৰ প্ৰতি বিশ্বাস আছিল।

অত্যন্ত কাঢ়া মহেন্দ্ৰ মাষ্টৰেও ভাবিছিল যে ডাঙৰ হৈ অসীমে স্কুলখনলৈ গৌৰৱৰ কঢ়িয়াই আনি হীৰাৰ দৰেই জিলিকি উঠিব। অসীমে দৰিদ্ৰতাৰ সন্মুখত হাৰ মানিবলগীয়া হোৱাটো তাৰ প্ৰিয়বন্ধু নিৰ্মলে মানি ল'ব নোৱৰালৈকে নিৰ্মলৰ অসীমৰ প্ৰতি বন্ধুত্বৰ দায়বদ্ধতাক সুন্দৰভাৱে প্ৰতিফলিত কৰি ঔপন্যাসিকে এক প্ৰকাৰৰ এটা বাট প্ৰশস্ত কৰিছে, যি বাটেৰে অসীমক, তথা নিৰ্মলকো উত্তৰণৰ বাট দেখুৱাবলৈ অনুভৱ মাষ্টৰৰ ৰূপত এজন দেৱদূতসদৃশ শিক্ষকৰ আগমন ঘটিছে। অনুভৱ মাষ্টৰে অসীমক পুনৰ স্কুললৈ ঘূৰাই আনিবলৈ সক্ষম হয়। দশম মানৰ প্ৰায় তিনিমাহ শ্ৰেণীত অনুপস্থিত থকা অসীমক ঘূৰাই আনি নিৰ্মলৰ সৈতে পঢ়া-শুনা চোৱাৰ পৰা অসীমৰ আৰ্থিক জোৰা মাৰিবলৈও অনুভৱ মাষ্টৰে বাট দেখুৱাই দিয়ে। পোহৰৰ বাটৰ এই উজ্জ্বলতাই অসীমক বাৰুকৈয়ে মোহিত কৰে। নিৰ্মলৰ লগতে অসীমেও মেট্ৰিকৰ পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে স্থান লাভ কৰি সকলোকে চমক খুৱাই দিয়ে।

এইখিনিতে উল্লেখ কৰিব খুজিছোঁ যে ঔপন্যাসিকে অনুভৱ মাষ্টৰৰ জৰিয়তে যি ধৰণেৰে সৰলীকৰণ কৰি অংক কৰাৰ আনন্দ লাভ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক দেখুৱালে সেইখিনি কাহিনীটোৰ আন এটি বিশেষ বৈশিষ্ট্য। বাস্তৱিকতে অংকৰ প্ৰতি ভয় থকা মানুহেও উপন্যাসখনৰ পঢ়ি পুৱামাত্ৰাই আনন্দ লাভ কৰিব পাৰে। অনুভৱ মাষ্টৰৰ শিক্ষণ পদ্ধতিত নতুনত্ব থকাটোও সময়ৰে দাবী। তেওঁ নতুন ধ্যান-ধাৰণাৰ বাহক। ঔপন্যাসিকে পিছে এই নতুন আৰু পুৰণিৰ সংঘাতক কাহিনীটোত বৰ বেছি গুৰুত্ব দিয়া নাই। তাতকৈ দুয়োটি পদ্ধতিৰ তুলনাতকৈ যে দুয়ো পদ্ধতিতে যে ছাত্ৰৰ উজ্জ্বল ভৱিষ্যতৰ লক্ষ্যহে গুৰুত্বপূৰ্ণ সেইটো পাকে-প্ৰকাৰে দৰ্শোৱা হৈছে। কাৰণ পদ্ধতি ভিন্ন হ'লেও উদ্দেশ্য একেটাই! ছাত্ৰ-ছাত্ৰীৰ পৰা ভাল ফলাফল আদায় কৰা।

অৱশ্যে কাহিনীৰ আৰম্ভণিতে অসীমৰ অধঃপতন হোৱা বুলি ধৰি লৈ মহেন্দ্ৰ মাষ্টৰে অসীমক শাস্তি দিয়াটোত হয়তো বহুতো পাঠকৰ মনত তেনে কাঠচিতীয়া শিক্ষকৰ প্ৰতি খং উঠাটো স্বাভাৱিক। কিন্তু ঔপন্যাসিকে কাহিনীটোত বৰ্ণিত শিক্ষকৰ কোনো এটা চৰিত্ৰকো বেয়া বুলি ক'ব খোজা নাই। কাৰণ পৰিস্থিতি, পৰিৱেশ আদিৰ ফলতহে শিক্ষক বুলিয়েই নহয়, যিকোনো মানুহৰে স্বভাৱ ভিন্ন হ'ব পাৰে। শেহত অসীম আৰু নিৰ্মলৰ পৰীক্ষাৰ ফলাফলত সেই খণ্ডাল মাষ্টৰৰ আনন্দৰ স্বতঃস্ফূৰ্ত প্ৰকাশ দেখুৱাই উপন্যাসিকে বুজাব বিচাৰিছে যে সকলোৰে নিজে বুজা বা আনক বুজোৱা পদ্ধতি ভিন্ন হোৱাটো স্বাভাৱিক। সেয়েহে আগতে অধঃপাতে যোৱা বুলি হাতত বেতেৰে কোবাই তেজ উলিয়াই দিয়াৰ অপৰাধত নিজকে দোষী বুলি এক প্ৰকাৰ অপৰাধবোধ বহন কৰি ফুৰা মহেন্দ্ৰ মাষ্টৰে মেট্ৰিক পৰীক্ষাৰ ফলাফল দেখি অসীমক সকলোৰে আগতে সাবটি ধৰি ফেঁকুৰি উঠিছে। এই সকলোখিনিৰে ঔপন্যাসিকে এইটোকে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে যে ভাল-বেয়া কথাবোৰ পৰিস্থিতি সাপেক্ষহে, চিৰন্তন নহয়। এইদৰে প্ৰচলিত সমাজ ব্যৱস্থাত অভ্যস্ত হৈ

পৰা শিক্ষকৰ চৰিত্ৰৰ পৰা কেৱল শাস্তি দিহে শিক্ষা দিব পাৰি বুলি ভবা শিক্ষক তথা নিজৰ দোষ অনুভৱ কৰিবলৈ সক্ষম হোৱা শিক্ষকৰ পৰা অনুভৱ মাষ্টৰৰ দৰে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সহনশীল শিক্ষকলৈকে শৈক্ষিক ক্ষেত্ৰৰ এখন সফল ছবি উপন্যাসখনত দেখিবলৈ পোৱা গ'ল।

উপন্যাসখনত সমসাময়িক সমাজখনৰো ছবি স্পষ্টকৈ তুলি ধৰিবলৈ উপন্যাসিকে প্ৰয়াস কৰিছে। গাঁওখনত কেৱল অসীমৰ পিতৃয়েই যে একমাত্ৰ মদপী সেইটো নহয়। স্বাধীনতাৰ অত বছৰৰ পিচতো সমাজখনত মানুহৰ মাজত হতাশাই ছানি ধৰিছে। মদ-ভাঙ, জুৱাৰে দূষিত হৈ পৰা সেই সমাজখনত মানুহে সুবিধা পালেই আনক উদঙাই দিয়াৰ চেষ্টা কৰে। ৰঘুমলাৰ দৰে গাঁৱৰ অলিয়ে গলিয়ে ঠন ধৰি উঠা মদৰ গলিবোৰত অঞ্চলৰ বহুতেই মদ খায়। কিন্তু অসীমৰ দৰিদ্ৰ পিতৃক মদ খোৱাৰ অপৰাধত ধৰি বান্ধি চুলি খুৱাই দিয়াৰ ঘটনাটো যেন উপন্যাসিকে বিশেষ গুৰুত্ব দি কাহিনীটোত সংলগ্ন কৰিছে। ইয়াৰ জৰিয়তে হয়তো আন কিছু দিশক উনুকিয়াই দিয়াৰ প্ৰয়োজন আছিল। কাৰণ অসীমে শিলৰ কুৱেৰীত শিল ভাঙি ঘৰখনৰ কাৰণে এমুঠি অন্নৰ যোগাৰ কৰা কথাটোত মদপী পিতৃয়ে নিজকে দোষী অনুভৱ নকৰে। তাৰ বিপৰীতে কিশোৰ পুত্ৰৰ সেই কষ্টৰে ঘটা টকাকেইটা মদ খাবলৈ জোৰ কৰি লৈহে যায়। কিন্তু মদপী পিতৃৰ বাবে মনতে হাজাৰ খং ৰাখিলেও কোনো পুত্ৰই নিজৰ পিতৃক সমজুৱাভাৱে কৰা অপমান সহ্য কৰিব নোৱাৰে। অথচ সেইয়াই অসীমে প্ৰত্যক্ষ কৰিবলগীয়া হয়। সেইসময়ৰ পৰাই ইতিমধ্যেই স্কুল এৰি শিলৰ কুৱেৰীৰ বনুৱা হোৱা অসীমৰ মনত হয়তো স্কুল এৰাৰ সিদ্ধান্তটোৰ ওপৰত সন্দেহ আহিবলৈ ধৰে। কাৰণ অসীমৰ স্কুল এৰাৰ পৰিস্থিতিটো যিদৰে উপন্যাসিকে যুক্তিসংগত ভাৱে দেখুৱাইছে, সেইদৰে অসীমৰ স্কুললৈ প্ৰত্যাৱৰ্তনৰ কাৰণে প্ৰয়োজন হোৱা মানসিক, বাহ্যিক পৰিৱেশবো বিশ্বাসযোগ্য উপস্থাপনৰ প্ৰয়োজন আছিল। উপন্যাসখনৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে কাহিনীটোত থকা বাস্তৱবাদী ধাৰাৰ সফল প্ৰয়োগ।

প্ৰকৃততে সাহিত্যত বাস্তৱিকতাৰ বিৱৰণৰ ফলত পঠন অভিজ্ঞতা পাঠকৰ বাবে গ্ৰহণযোগ্যতাৰ চাবি-কাঠি হৈ পৰে। কাৰণ তেনে সাহিত্যিক পাঠকে খুউব সহজতে নিজৰ লগত মিলাই ল'ব পাৰে। জীৱন সংঘাতৰ লগত সাদৃশ্য থকা আৰু স্বভাৱগত মানুহৰ জীৱনৰ দৈনন্দিন দিনপঞ্জীৰ দৰে ঘটনাৰ বিৱৰণে কাহিনীটোৰ লগত পাঠকৰ একাত্মতা বঢ়াই তেলে। উপন্যাসত বৰ্ণিত চৰিত্ৰসমূহৰ মাজত, দৃশ্যসমূহৰ প্ৰতিটো কথাৰ তথা তথ্যৰ সূক্ষ্মাতিসূক্ষ্ম বিৱৰণে কাহিনীটোক পাঠকৰ ওচৰ চপাত সহায় কৰে। সাধাৰণ মানুহৰ জীৱন সংগ্ৰামৰ লগত সাদৃশ্য থকাৰ কাৰণেই এই ধাৰাৰ সাহিত্যই বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈ আহিছে। সাহিত্যত বাস্তৱিকতাৰ অৰ্থ হ'ল কিবা ঘটনা এটা বাস্তৱ জীৱনত কাৰোবাৰ ক্ষেত্ৰত প্ৰকৃতাৰ্থতেই ঘটিছে। এই বাস্তৱত ঘটা ঘটনাটোৰ সত্যসত্য নিৰূপণ কৰি সেইয়া সম্পূৰ্ণ শুদ্ধকৈ প্ৰকাশ কৰি সাহিত্যত বাস্তৱৰ প্ৰতিনিধিত্ব কৰিব পৰাটোৱেই সাহিত্য তথা সাহিত্যিকৰ দায়িত্ব। বাস্তৱবাদী ধাৰাৰ সাহিত্যৰ, বিশেষকৈ Social Realism অৰ্থাৎ সামাজিক বাস্তৱবাদী ধাৰাত বিশ্ববন্দিত ঔপন্যাসিক চাৰ্লচ ডিকেন্সৰ "গ্ৰেট এক্সপেক্টেছন" (Great Expectations)ৰ কথা উল্লেখ কৰিব পাৰি। চাৰ্লচ ডিকেন্সে এই উপন্যাসখনত বাস্তৱ সমাজৰ কেৱল মাথোঁ এটা প্ৰতিনিধিত্বমূলক চৰিত্ৰ সৃষ্টি কৰাতকৈ চৰিত্ৰটোকেই কাহিনীটোৰ গুৰি ধৰোঁতা হিচাবে ফুটাই তোলাত গুৰুত্ব দিছিল।

কাহিনীৰ লগত পাঠকক জড়িত কৰিবলৈকে ডিকেন্সে মূল চৰিত্ৰৰ দৃষ্টিভংগীৰে পৰিৱেশৰ বৰ্ণনা দিছিল। সমালোচকসকলৰ মতে ডিকেন্সৰ এই উপন্যাসখনত মূল চৰিত্ৰৰ দৃষ্টিভংগীহে দেখুওৱাৰ ফলত সেয়া এখন সমাজৰ আনহাতে ডিকেন্সৰ মতে বাস্তৱক সম্পূৰ্ণকৈ প্ৰকাশ কৰিবৰ বাবে চৰিত্ৰটোৱে সন্মুখীন হোৱা পৰিৱেশৰ বৰ্ণনা দিয়াটো অত্যন্ত জৰুৰী। তাৰ বিপৰীতে বেলেগ চৰিত্ৰৰ দৃষ্টিভংগীৰে দেখুৱালে সেয়া বাস্তৱ নহৈ লিখিত এক তথ্যহে হৈ পৰিব।

'বকুল ফুলৰ দৰে' উপন্যাসখন মূলতঃ কিশোৰ চৰিত্ৰক কেন্দ্ৰ কৰি সেই সমাজখনৰ, তথা নিৰ্মলৰ শাৰীৰিক অসুস্থতা আৰু বিশেষকৈ অসীমে সন্মুখীন হোৱা দৰিদ্ৰতাৰ প্ৰতিকূল পৰিস্থিতিৰ মাজতো কিদৰে উত্তৰণৰ সপোন দেখিব পাৰি, সেই সপোনক সাকাৰ কৰিবলৈ কিদৰে নেৰানেপেৰা চেষ্টা কৰিব পাৰি তাৰ বৰ্ণনাৰে পাঠকক আলোড়িত কৰি গৈছে। এখন বিপৰ্যস্ত সমাজৰ মাজতেই কৈশোৰ মনোজগতৰ যুক্তিসংগত ব্যাখ্যা, সৰল প্ৰকাশভংগী তথা গভীৰ জীৱনবোধ ফুটাই ভুলিব পৰা এইখন প্ৰকৃতাৰ্থতেই এখন অনন্য উপন্যাস। অৱশ্যে কৈশোৰ মনোৱস্থাকেই মূলতঃ উপন্যাসখনৰ বিষয়বস্তু বুলি সাধাৰণ দৃষ্টিত ধৰা হয় যদিও অন্যান্য কথনভংগী, বাস্তৱৰ লগত সাদৃশ্য থকা কাহিনী আৰু কাহিনীটোৰ সুষম গতিৰ বাবেই উপন্যাসখনে সকলো বয়সৰ পাঠককেই আপ্লুত কৰিবলৈ সক্ষম হৈছে। তদুপৰি শিশু তথা কিশোৰৰ

াজগতখনৰ যি সৰল ব্যাখ্যা উপন্যাসিকে কাহিনীটোত া কৰিলে সেইয়া অকৃত্রিম আৰু নির্ভেজাল সৰলতাৰে আছিল। ঔপন্যাসিকৰ দৃষ্টিভংগীৰে চাবলৈ গ'লে শৈশৱ-শোৰৰ সেই সৰল পৃথিৱীখনক পিতৃ-মাতৃ, শিক্ষক-ক্ষয়ত্রীকে আদি কৰি প্ৰাপ্তবয়স্কৰ বহু কম মানুহেহে ৰবলৈ চেষ্টা কৰে। অথচ পৰিস্থিতিৰ পৰিপ্রেক্ষিতত ডাঙৰৰ ৰই শিশুসকলেও যন্ত্রণাৰ পৃথিৱীখনৰ সন্মুখীন হয়। কিন্তু ভভাৱক, শিক্ষক তথা প্ৰাপ্তবয়স্কসকলে শিশুৰ এই যন্ত্রণা খা বুজা-নুবুজা বিষয়বোৰৰ ক্ষেত্রত কিমান সংবেদনশীল ইটো ভাৱিবলগীয়া কথা।

এইদৰে সংবেদনশীল নোহোৱাৰ কাৰণেই বহু পিতৃ-তৃ তথা শিক্ষক আদিৰ দুর্ব্যৱহাৰৰ বলী হৈ নিষ্পাপ শিশু থা কিশোৰে আস্থাহীনতাত ভূগিবলৈ আৰম্ভ কৰে। তনৈকেয়ে ভৱিষ্যতৰ বাবে কাকো আস্থা, বিশ্বাস কৰিব নাৱাৰা এচাম প্ৰজন্মৰ সৃষ্টি হয়। 'বকুল ফুলৰ দৰে' পন্যাসখন পঢ়ি যাওঁতে পাঠকে সেয়ে এবাৰলৈ হ'লেও য়তো নিজকে প্রশ্ন কৰিবলৈ ধৰে যে নিজৰ তথা চৌপাশে াকা শিশু-কিশোৰবোৰৰ আচৰণৰ প্রতি কেনে ব্যৱহাৰ কৰি মহা হৈছে!

ঔপন্যাসিকে অসীম আৰু নির্মলৰ জীৱন সংগ্রামৰ ঁুজ তথা বন্ধুত্বক লৈয়ে কাহিনীটো সজোৱা নাই। পঢ়ি-শুনি জীৱনক উত্তৰণৰ দিশেৰে আগবঢ়াই লৈ যোৱাত বদ্ধপৰিপক্কৰ অসীম আৰু নির্মলৰ নিভাঁজ বন্ধুত্বৰ লগতে সিহঁতক বাট দেখুৱাবলৈকে অনুভৱ মাষ্টৰৰ দৰে বিবেকবান শিক্ষকৰ চৰিত্রটোৰ সুন্দৰ অংকন কৰিছে। কোৱা বাহুল্য যে এই চৰিত্রটিক কাহিনীটোৰ মাজৰ সংযোগ সূত্রৰূপে দেখুৱাবলৈ গৈ উপন্যাসখনৰ তৃতীয়টো উল্লেখযোগ্য চৰিত্র হিচাবে দেখুৱাইছে। এইক্ষেত্রত ঔপন্যাসিকৰ উদ্দেশ্য স্পষ্ট। অসীম আৰু নির্মলক মুখ্য কৰি যুগুতোৱা কাহিনীটোত অনুভৱ মাষ্টৰৰ দৰে শক্তিশালী তথা যুক্তিবাদী চৰিত্রটোৰ প্রয়োজনীয়তা আছে। সেয়েহে অনুভৱ মাষ্টৰক অসীম আৰু নির্মলৰ প্রতিকূলতাৰ সন্মুখীন হৈ যুঁজ দিয়াৰ দিশত জোনাকী পৰুৱাৰ দৰে পোহৰৰ বাট দেখুৱাবলৈকে খুব সন্তর্পনে অংকন কৰা হৈছে। এটা কথা অনস্বীকার্য যে উপন্যাসিক ড° মৃণাল কলিতা নিজেও শিক্ষাবৃত্তিৰ লগত জড়িত। সেয়েহে উপন্যাসখনত শিক্ষক-শিক্ষয়ত্রীৰ অংকনত তেখেতৰ নিজৰ অভিজ্ঞতা স্পষ্টকৈ তুলি ধৰিবলৈ সক্ষম হৈছে। এনে লাগে যেন অনুভৱ মাষ্টৰৰ চৰিত্রটোৰ মাজত ঔপন্যাসিক নিজে কিছু পৰিমাণে উদ্ভাসিত হৈ উঠিছে। অনুভৱ মাষ্টৰ এনে এক চৰিত্র যি শ্রেণীকোঠাৰ ভিতৰত কেৱল এগৰাকী শিক্ষক হোৱাতকৈ ছাত্র-ছাত্রী তথা সমাজক আগবঢ়াই লৈ যাব পৰা এগৰাকী জীৱনৰ শিক্ষকৰূপে ধৰা দিয়ে। সেয়েহে দৰিদ্রতাই কোঙা কৰি পেলোৱাত ঘৰখনৰ ভাত এসাঁজৰ যোগাৰৰ বাবে স্কুল এৰি শিলৰ কুৱেৰীত শিল ভাঙা অসীমক অনুভৱ মাষ্টৰে বিশ্বাস জন্মাব পাৰে যে একমাত্র শিক্ষাইহে অসীমক এক সোণালী ভৱিষ্যতৰ দিশে অগ্রসৰ হোৱাত সহায় কৰিব পাৰে। অৱশ্যে পঢ়ি যাওঁতে পাঠকৰ এনে অনুভৱো হ'ব পাৰে যে অসীমক অনুভৱ মাষ্টৰ তথা নির্মলে যি পাৰে সহায় কৰিছে, কিন্তু আমাৰ সমাজত এনে বহু অসীম আছে যাৰ প্রতিভা থকা স্বত্বেও বিভিন্ন বাধা তথা কাৰোৰে পৰা সহায় নোপোৱাৰ বাবেই পোহৰৰ বাট নেদেখাকৈয়ে ৰৈ গৈছে। সেয়েহে ঔপন্যাসিকে কেৱল অসীমৰ সমস্যা সমাধানত আলোকপাত কৰি তাৰ যৎসামান্য সমাধান সূত্র দিয়েই ক্ষান্ত থকা নাই, প্রচলিত শিক্ষা ব্যৱস্থাক ফঁহিয়াই দেখুৱাই পাঠকসকলক সমাজৰ অংশীদাৰ হিচাপে কি কৰা উচিত সেই বিষয়তো উনুকিয়াই দিছে।

কাহিনীটোত অসীমৰ পৰিস্থিতিৰ বর্ণনাৰে শিক্ষাক্ষেত্রত অসংগঠিতভাৱে থকা সমাজৰ বহুখিনি শিশুৱেই যে শিক্ষাৰ পৰা বিভিন্ন কাৰণত বঞ্চিত হ'বলগীয়া হয় সেইটো উপন্যাসিকে স্পষ্টৰূপত প্রথমৰ পৰাই দেখুৱাইছে। কাৰণ প্রচলিত সমাজ ব্যৱস্থাক জগৰীয়া কৰি সমালোচনা কৰিলেই সমাজৰ অংশ হিচাপে অভিভাৱক, শিক্ষকসকলৰ দায়িত্ব শেষ নহয়। সেইবাবেই অসীমৰ দৰেই দৰিদ্রতাৰ বাবেই স্কুল এৰি শিলৰ কুৱেৰীত কাম কৰা আন বহু কিশোৰক পোহৰ দেখুওৱাৰ বাবে অনুভৱ মাষ্টৰক সহযোগ কৰিবলৈ আগবাঢ়ি আহিছে জিলমিলকে আদি কৰি আন বহু শিক্ষক-শিক্ষয়ত্রী। এয়া এক যোগাত্মক ইংগিত। উপন্যাসখনত আৰু দুটামান শুভবোধৰো ইংগিত দিয়া হৈছে।

অসীমৰ মদপী পিতৃয়ে পুত্রৰ ফলাফলত আনন্দিত হৈ চিৰদিনৰ বাবে মদ ত্যাগ কৰাৰ শপত লয়। কিন্তু পিতৃৰ সেই পৰিৱর্তন এদিনতে দেখুওৱা নাই। নিজক শুধৰোৱাৰ মনোভাৱ অসীমৰ পিতৃয়ে পৰীক্ষাৰ আগে আগে অসীমৰ পৰিৱর্তে নিজে কাম কৰি দিয়াৰ পৰা অনুভৱ মাষ্টৰৰ আগত তেওঁৰ দোষী দোষী মনোভাৱ প্রকাশ কৰি দেখুৱাই অসীমৰ পৰীক্ষাৰ ৰিজাল্টৰ দিনা জীৱনৰ বাবে মদ ত্যাগ কৰাৰ শপত লোৱা দেখুওৱাটো ঔপন্যাসিকে বিশ্বাসযোগ্যভাৱে উপস্থাপন কৰিছে। প্রচলিত শিক্ষা ব্যৱস্থাত থকা ত্রুটি-বিচ্যুতিখিনি স্পষ্টৰূপত ফুটাই তোলাৰ বাহিৰেও শিক্ষক-ছাত্রৰ মাজৰ


সম্পর্ক, শিশুৰ সৰলতা, আৰু হৃদয়বান শিক্ষকৰ আন্তৰিকতাৰে মহীয়ান কাহিনীটোত মুখ্য চৰিত্রই শেহান্তৰত সকলো বাধা-বিপদ ওফৰাই সফলতাৰ প্রথমটো পদক্ষেপত থিয় হ'বলৈ সক্ষম হয়। বাধাৰ প্রাচীৰ, যন্ত্রণাৰ মাজতো নিজৰ সপোনক সাকাৰ কৰাৰ স্বপ্নত নিজকে কিদৰে আগু�ৰাই নিয়াব পাৰি তাৰেই সৰল বর্ণনাৰে কাহিনীটোৰ লগত পাঠকক একাত্মতাৰে বান্ধ খুৱাই পেলাবলৈ ঔপন্যাসিক পূৰামাত্রাই সফল হৈছে। শেষত অসীম আৰু নির্মল সফলতাত অনুভৱ মাষ্টৰে কোৱা কথাখিনিৰে দুয়ো বন্ধুৰ মাজৰ স্বার্থহীন বন্ধুত্ব তথা দুয়োৰে সংগ্রামৰ বিষয়ে কৈ, সফলতাৰ বাবে যে কঠোৰ সংগ্রামৰ প্রয়োজন সেই বার্তাকে ঔপন্যাসিকে দিবলৈ চেষ্টা কৰিছে, "ষ্টেণ্ড কৰা-নকৰাটো হয়তো খুব ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল ইহঁত দুজনৰ সংগ্রাম আৰু উত্তৰণৰ কাহিনী। এজনে নিজৰ ঘৰৰ প্রতিকূল অৱস্থাৰ বিৰুদ্ধে সংগ্রাম কৰিছে আৰু আনজনে নিজৰ শৰীৰত জন্মতে লৈ অহা ত্রুটিৰ বিৰুদ্ধে সংগ্রাম কৰিছে। ডাঙৰ কথা হ'ল — সিহঁত বহুত চোকা ল'ৰাৰ দৰে স্বার্থপৰ নহয়। সিহঁতৰ মনোবল যেনে তীব্র, তেনেকৈ সিহঁত খুব স্পর্শকাতৰো।" লগতে অনুভূতিশীল ব্যক্তিত্বৰ অনুভৱ মাষ্টৰে পৰীক্ষাত বিফল হোৱাজনকো জীৱনৰ পথত আগু�ৰাই যাবলৈ প্রেৰণা যোগাই যাব পাৰে। মেট্রিকত ফেইল কৰা অথচ সুন্দৰকৈ বাঁহী বজাব পৰা সীমান্তৰ আত্মবিশ্বাস জগাই তুলিবলৈ অনুভৱ মাষ্টৰে কৈছে— "অকল তুমিহে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰা সীমান্ত। আমাৰ স্কুলৰ কোনেও তোমাৰ দৰে বাঁহী বজাব নাজানে।"

কাহিনীৰ একেবাৰে শেষৰফালে অনুভৱ মাষ্টৰ আৰু ছাত্র সীমান্তৰ মাজৰ এই কথোপকথনেৰে ঔপন্যাসিকে এইটো ইংগিত দিব বিচাৰিছে যে কেৱল অসীম আৰু নির্মলৰ উত্তৰণতে অনুভৱ মাষ্টৰৰ দায়িত্ব শেষ নহয়। প্রকৃততে অনুভৱ মাষ্টৰক শিক্ষকসমাজৰ প্রতিনিধি হিচাপে তুলি দিয়া হৈছে। পৰীক্ষাত বিফল অথচ বাঁহী বাদনৰ দৰে এটি বিশেষ গুণেৰে জিলিকি উঠা সীমান্তৰ দৰেই আন বহু ছাত্র-ছাত্রীৰ পঢ়াৰ বাহিৰেও আন কোনো দিশত সুন্দৰ ভৱিষ্যত থাকিব পাৰে। সেয়েহে ছাত্র-ছাত্রীৰ উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনাৰ দিক নির্ধাৰণৰ দায়িত্ব আমাৰ শিক্ষকসমাজৰ থাকিবই লাগিব বুলি কাহিনীটোক সমাপ্তিৰ দিশেৰে লৈ যোৱা হৈছে। অৱশ্যে ঔপন্যাসিকে অনুভৱ মাষ্টৰৰ শিক্ষকৰ ভাৱমূর্তিটোক

অধিক গুৰুত্ব দিয়া যেন লাগিল। কাহিনীটোৰ তৃতীয়টো মুখ্য তথা একমাত্র প্রাপ্তবয়স্ক চৰিত্র হিচাবে ডেকা শিক্ষকজনৰ ব্যক্তিগত জীৱনক কেৱল ইংগিতধর্মী দিশেৰেহে বর্ণনা কৰা দেখা গ'ল। অতীতৰ কিবা এক দুখৰ বোজাৰে অনুভৱ মাষ্টৰ ভাৰাক্রান্ত বুলিও ঔপন্যাসিকে উল্লেখ কৰি গৈছে। লগতে সহকর্মী শিক্ষয়ত্রী জিলমিলৰ অনুভৱ মাষ্টৰৰ প্রতি হোৱা অন্তৰৰ বিশেষ অনুভৱক সামান্যভাৱে দেখুৱাবলৈও চেষ্টা কৰিছে। কিন্তু প্রেম-ভালপোৱাৰ বিষয়ত অনুভৱ মাষ্টৰ অতীতৰ পৃথিৱীখনতে ৰৈ গৈছে। অৱশ্যে এনেদৰেও ভাৱিব পাৰি যে অসীম আৰু নির্মলৰ কাহিনীটো আগবঢ়াই লৈ যোৱাৰ নিমিত্তেহে অনুভৱ মাষ্টৰ চৰিত্রটোৰ সৃষ্টি। সেয়ে হয়তো ঔপন্যাসিকে চৰিত্রটোৰ ব্যক্তিগত দিশখিনিক ইংগিতধর্মী বিৱৰণতে সীমাবদ্ধ ৰাখিলে। যি নহওক, কাহিনীটোৰ শেষলৈ লেখকে ইংগিত দিছে যে দুর্লংঘ্য প্রাচীৰ সদৃশ প্রতিকূলতাৰ মাজতো যিহেতু অসীম-নির্মলৰ লগত অনুভৱ মাষ্টৰৰ সাহস আছে। উপন্যাসখনৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হৈছে সৰল, ব্যঞ্জনাময় বর্ণনা। ঘটনাৰ বিৱৰণত ক'তো অযথা আৱেগ তথা শব্দ-বাক্যৰ প্রয়োগ নাই। যিখিনি লাগে, নিতান্তই সাধাৰণভাৱে প্রকাশ কৰা হৈছে।

বাস্তৱবাদী ধাৰাৰ উপন্যাসৰ এইটো আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্য। সাধাৰণ মানুহৰ কথা তথা ঘটনাক এনেদৰে সাধাৰণভাৱেই উপস্থাপন কৰা হয় আৰু সেইয়া স্বতঃস্ফূর্তভাৱেই পাঠকৰ লগত একাত্ম হৈ পৰে।হৃদয় জোঁকাৰি যোৱা কাহিনীৰ আলমত প্রাঞ্জল বর্ণনাৰে গল্পকাৰ তথা ঔপন্যাসিক ড° মৃণাল কলিতাৰ ৰচিত এই উপন্যাস "বকুল ফুলৰ দৰে" উপন্যাসখন অসমীয়া সাহিত্যজগতত নিশ্চিতভাৱেই এক সুন্দৰ সংযোজন।♦

গ্রন্থ সমালোচনা



ৰীতা চৌধুৰীৰ বিভ্রান্ত বাস্তৱ

প্রত্যুষ প্রতিম দত্ত

বাস্তৱ পৃথিৱীখন বা বাস্তৱ জীৱনৰ কাহিনীবোৰ চিনেমা বা উপন্যাস এখনৰ কাহিনীৰ দৰে কেতিয়াও ইমান নিটোল আৰু সুসংবদ্ধ নহয়, হয়তো হ'ব নোৱাৰে। চিনেমা বা উপন্যাস এখনত যিটো দেখুওৱা হয়, যিটো কোৱা হয় সেইটোৱেই সত্য, সেইটোৱেই বাস্তৱ। কিন্তু বাস্তৱত তেনে নহয়। বাস্তৱ জীৱনত আনে জনা, আনক ক'ব পৰা বহু কথাৰ পাছতো কিছুমান কথা কেৱল নিজৰ বাবে ৰৈ যায়। আনক ক'ব নোৱাৰাকৈ এনে কিছুমান তেনেই সৰু কিন্তু অবিস্মৰণীয় ঘটনা মানুহৰ জীৱনত ঘটি যায় যিবোৰ আনৰ চকুত তেনেই নগণ্য কিন্তু যিজনৰ জীৱনত ঘটে তেওঁৰ বাবে হয়তো বহুত কিবা একোটা। কোনো মানুহৰ জীৱন পকী পথৰ দৰে মসৃণ আৰু পথ নির্দেশনা থকা ফলকেৰে পৰিপূর্ণ নহয় জীৱনৰ খলা বমাৰে এক অনিশ্চিত ভৱিষ্যতৰ দিশে গতি কৰে সকলোৱে। কিন্তু তাৰ মাজতো কিছুমানৰ জীৱন আন দহ জনতকৈ বেছি কঠিন আৰু বেছি জটিল হয় ওচৰৰ পৰা নেদেখিলে বিশ্বাস কৰিব নোৱাৰাকৈ। কিছুমান মানুহৰ লগত ভাগ্যই এবাৰ নহয়, দুবাৰ নহয়, বাৰে বাৰে এনেদৰে হেতালি খেলে, ভাবিলে এনে লাগে যেন গোটেই বাস্তৱটোৱেই চৰম বিভ্রান্তিকৰ। আৰু এই বিভ্রান্তিকৰ বাস্তৱৰ আঁত ধৰিয়েই ৰচিত হৈছে সু-সাহিত্যিক ৰীতা চৌধুৰীৰ এখনি বহুপঠিত উপন্যাস 'বিভ্রান্ত বাস্তৱ'।

মাকাম, দেওলাংখুই, অবিৰত যাত্রা, পপীয়া তৰাৰ সাধু আদি বহুলভাৱে চর্চিত আৰু সমাদৃত উপন্যাসেৰে ইতিমধ্যেই এগৰাকী প্রতিষ্ঠিত ঔপন্যাসিকৰ আসন লাভ কৰা ৰীতা চৌধুৰীৰ বিভ্রান্ত বাস্তৱ তুলনামূলকভাৱে শেহতীয়াকৈ (২০১৫) প্রকাশিত। বিভ্রান্ত বাস্তৱৰ উপন্যাসখন মাকাম কিম্বা দেওলাংখুইৰ দৰে এক বহল প্রেক্ষাপটত ৰচিত হোৱা নাই। এক ব্যতিক্রমী উপন্যাস বুলিও ক'ব নোৱাৰি, ক'ব পাৰি বিষয়বস্তুৰ ফালৰ পৰা এখন গতানুগতিক আধুনিক অসমীয়া উপন্যাস। নাৰীৰ জীৱনৰ দুখ কষ্ট সংগ্রাম সংঘাত প্রতাৰণা এইবোৰকে মূল উপজীব্য হিচাপে লৈ ৰচিত উপন্যাসখন গতানুগতিক নাৰীবাদী চিন্তা চেতনাৰে উদ্বুদ্ধ উপন্যাসো নহয়। প্রচলিত নাৰীবাদী চিন্তাধাৰাৰ আন উপন্যাসৰ দৰে এই উপন্যাসত নাই কোনো নাৰীৰ পুৰুষতান্ত্রিক সমাজৰ প্রতি ক্ষোভ, নাই কোনো নাৰীয়ে নিজৰ অধিকাৰ বিচাৰি সমাজৰ বিৰুদ্ধে কৰা প্রতিবাদ। কিন্তু ইয়াৰ পাছতো উপন্যাখনে পাঠকক আকর্ষণ কৰাত বিফল হোৱা নাই বিশেষকৈ উঠি অহা প্রজন্মটোৰ পৰা উপন্যাসখনে লাভ কৰিছে এক অভূতপূর্ব সফলতা। কাৰণ! কাৰণ গতানুগতিক প্রতিবাদ নাই বুলিয়েই উপন্যাসখনত শক্তিশালী নাৰীকণ্ঠৰ অভাৱ ঘটা নাই, বিষয়বস্তু গতানুগতিক হোৱাৰ পাছতো উপন্যাস খনৰ উপস্থাপন আৰু কথন ভংগী অসমীয়া উপন্যাসত তেনেই বিৰল।

উপন্যাসখনৰ নায়িকাৰ নাম গায়ত্রী। সৰুতে এই গায়ত্রী আছিল আন ছোৱালীৰ দৰেই— পখিলাৰ পাছে পাছে দৌৰা, সৰু কথাত উচুপি উঠা, সৰু কথাত খিলখিলাই হাঁহি দিয়া এজনী সাধাৰণ ছোৱালী। মাক, দেউতাক আৰু এজন ককায়েকৰে সৈতে এখনি বৰ সুখৰ ঘৰ আছিল গায়ত্রীহঁতৰ। কিন্তু গায়ত্রীয়ে মেট্রিক পাছ কৰি কলেজলৈ পঢ়িবলৈ যোৱাৰ পাছতেই সলনি হৈ গৈছিল সকলোবোৰ। কলেজত গায়ত্রীৰ ককায়েকৰ সৈতে কিবা এটা কথাত লাগি নিশান্ত নামৰ ল'ৰা এজনে প্রতিশোধৰ পুতলা সজাইছিল তাইক। কবিতা লিখি ভালপোৱা গায়ত্রীৰ কবিতাক প্রশংসা কৰি লাহে লাহে তাইৰ কায চাপিছিল নিশান্ত। গায়ত্রীৰ পৰা কবিতা লিখাই নি সি কোনোবা আলোচনীত প্রকাশ কৰিছিল। লাহে লাহে নিশান্তৰ প্রতি দুর্বল হৈছিল গায়ত্রী আৰু সুযোগৰ অপেক্ষাত থকা নিশান্তই এদিন মিছাকৈ গায়ত্রীক কবি সন্মিলনলৈ বুলি লৈ গৈছিল। সৰলমনা গায়ত্রীক এটা নির্জন ঘৰলৈ কবি সন্মিলন হ'ব বুলি নি নিশান্তই গায়ত্রীৰ সৈতে খেলিছিল। তাৰ পাছতেই সলনি হৈ গৈছিল সকলোবোৰ। সমাজখনে, আনকি মার্ক-

দেউতাকেও গ্রহণ কৰিবলৈ সমর্থ হোৱা নাছিল গায়ত্রীক। প্রেমিকৰ লগত এটা নির্জন ঘৰত এটা সন্ধিয়া কটাই অহা গায়ত্রীক অপৰিত্র জ্ঞান কৰিছিল সকলোৱে। কোনোৱে জনা নাছিল প্রকৃত সত্য আচলতে গায়ত্রীয়ে নিজেই জনাব খোজা নাছিল কথাবোৰ। চৰম অপমান সহি সহি কেইটামান দিন নিজকে নতুনকৈ গঢ়ি এজনী নতুন, কোনেও চিনিব নোৱৰা গায়ত্রী হৈ তাই গুৱাহাটীলৈ পঢ়িবলৈ ওলাই গৈছিল। মাকৰ বান্ধৱী এগৰাকীৰ ঘৰত থাকি তাই এখন ভেঞ্চাৰ কলেজত পঢ়িবলৈ লৈছিল। কিন্তু তাত থাকোতেই গায়ত্রীৰ নিজক গঢ়া মহাযজ্ঞত খেলি মেলি লগাইছিলহি সন্দীপন নামৰ এটা ল'ৰাই। কিন্তু গায়ত্রী আঁতৰি গৈছিল তাৰ পৰা। বাৰে বাৰে সোধাৰ পাছতো তাক তাই জানিবলৈ দিয়া নাছিল তাৰ কাৰণ। হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পাছতেই গায়ত্রী গুচি গৈছিল দিল্লীলৈ। দিল্লীত মাকৰ বান্ধৱী (যাক গায়ত্রীয়ে মামী বুলি মাতিছিল) ৰ জীয়েকৰ ঘৰত থাকি গায়ত্রীয়ে পঢ়া শুনা আৰম্ভ কৰিছিল আৰু তাৰ পাছত এদিন গায়ত্রী আই পি এছ হৈ অসমলৈ উভতি আহিছিল। কিন্তু গায়ত্রীয়ে পাহৰি যোৱা নাছিল নিজৰ অতীত চেষ্টাও কৰা নাছিল কোনোদিন পাহৰি যাবলৈ। তাইৰ দৰে ষড়যন্ত্রৰ বলি হোৱা ছোৱালীবোৰৰ বাবে আৰম্ভ কৰিছিল গায়ত্রীয়ে মুক্তিৰ এক অনন্য যাত্রা। ব্যস্ত আৰক্ষী বিষয়া গায়ত্রীয়ে আৰম্ভ কৰিছিল চিনেমা পৰিচালকৰ আন এক ব্যস্ততাপূর্ণ জীৱন যাত্রা। কিন্তু ইমানৰ পাছতো তাই পাহৰি যোৱা নাছিল সন্দীপনৰ কথা তাইক হহুৱাবলৈ চেষ্টা কৰা, তাইক বুজিবলৈ চেষ্টা কৰা কেকুৰা চুলিৰ সেই প্রাণৱন্ত ল'ৰাটোৰ কথা । কিন্তু সময় সলনি হৈছিল, সলনি হৈছিল সন্দীপনো বস্তুবাদী পৃথিৱীখনৰ লগত সম্পূর্ণ মিলি যাব পৰাকৈ। নিজাকৈ সংসাৰ কৰি আমেৰিকাত চাকৰি কৰা সন্দীপনে পাহৰি গৈছিল গায়ত্রীৰ স'তে কৰা ধেমালিবোৰৰ কথা, পাহৰি গৈছিল সিহঁত এৰা এৰি হোৱা দিনটোৰ কথা। ভীষণভাৱে মর্মাহত হৈছিল গায়ত্রী। যদিও গায়ত্রীয়ে সন্দীপনক প্রত্যাখ্যান কৰিছিল তথাপি তাই সন্দীপনৰ ভালপোৱা গোটেই জীৱন বুকুৰ মাজত সাঁচি ৰাখিছিল। কিন্তু এবাৰ ভাৰতলৈ আহি গায়ত্রীক দেখা কৰোঁতে সন্দীপনে কৰা আচৰণত বাকৰুদ্ধ হৈ পৰিছিল গায়ত্রী। যি ভালপোৱাক আধাৰ হিচাপে লৈ গায়ত্রীয়ে ইমান দূৰ আগুৱাই আহিল সেই ভালপোৱা সন্দীপনৰ দৃষ্টিত আছিল সম্পূর্ণ অর্থহীন। তাৰ বহু বছৰৰ পাছত সন্দীপনৰ পত্নী জেনিফাৰে লগ কৰিবলৈ আহিছিল গায়ত্রীক। জেনিফাৰৰ কথাই খেলি-মেলি লগাইছিল গায়ত্রীৰ মনত। গায়ত্রীৰ প্রতি থকা সন্দীপনৰ ভালপোৱাৰ কথা কৈছিল জেনিফাৰে। পুনৰ এবাৰ ভালপোৱাৰ ৰঙীন ফাকুগুড়িৰে উজ্জ্বল হৈ পৰিছিল গায়ত্রীৰ জীৱন। কিন্তু তেতিয়ালৈ এই পৃথিৱীত কেৱল গায়ত্রীৰ হৃদয়ৰ বাহিৰে আন ক'তো নাছিল সন্দীপন নামৰ কোনো ব্যক্তিৰ অস্তিত্ব।

গায়ত্রীৰ জীৱনৰ এই কাহিনীয়েই উপন্যাসখনৰ মূল। লেখিকাই এই কাহিনীকেই অসাধাৰণ বর্ণনা শক্তিৰে এক ব্যতিক্রমী পটত অংকন কৰিছে। ঔপন্যাসিকাই দুটা কাহিনী একেলগে আগবঢ়াই নিছে। এটা গায়ত্রীৰ বাস্তৱৰ কাহিনী আৰু আনটো গায়ত্রীয়ে চিনেমাৰ জৰিয়তে কব খোজা নিজৰ কথাবোৰ। নির্মাণ কৰিবলগীয়া চিনেমাখনৰ স্ক্রিপ্টত গায়ত্রীৰ জীৱনৰ বাস্তৱটো নাই। তাত গায়ত্রী হৈ পৰিছে মায়া, সন্দীপন হৈ পৰিছে প্রিয়ানুজ আৰু জেনিফাৰ হৈ পৰিছে ইছাবেলা। চিনেমাত মায়া কাশ্যপ হৈ পৰিছে এগৰাকী প্রতিষ্ঠিত লেখিকা। আচলতে উপন্যাসখনৰ ভিতৰত থকা চিনেমাৰ স্ক্রিপ্ট খন এখন অসম্পূর্ণ স্ক্রিপ্ট। নিজৰ ক্লেদাক্ত অতীত দর্শকৰ সন্মুখত দাঙি ধৰাত সাহসী পৰিচালক গায়ত্রীৰো হাত কঁপি উঠিছে। এইটো কথা ঔপন্যাসিকে লিখিছে এনেদৰে—

"দৃশ্যবোৰ বাৰে বাৰে লিখি বাৰে বাৰে ডিলিট কৰি পেলাইছে গায়ত্রীয়ে। ইমান সহজ জানো নিজৰ মৃত্যুক তুলি ধৰা? ইমান সহজ জানো নিজৰ যন্ত্রণাক দৃশ্যলৈ ৰূপান্তৰিত কৰা? দর্শকৰ বাবে?" (পৃঃ ১০৫)

আজিৰ একবিংশ শতিকাতো পদে পদে নাৰীৰ অধিকাৰ পুৰুষৰ নিষ্ঠুৰতাত বন্দী। পুৰুষৰ মুখা পিন্ধা কাপুৰুষৰ কবলত পৰি সর্বস্ব হেৰুওৱা নাৰীৰ কান্দোন উপন্যাস খনৰ প্রতিটো পৃষ্ঠাত শুনা যায়। পুৰুষতান্ত্রিক সমাজখনত নাৰীয়ে প্রতিবাদ কৰিলে তাৰ ফল কি হয় সেই কথা তুলি ধৰা হৈছে এনেদৰে—

"ল'ৰাৰ গাত চেকা লাগেনে? সিহঁতৰ ঘৰৰ ওচৰত বিয়া নোহোৱা বাবলীয়ে পাঁচমহীয়া গর্ভ লৈ নামঘৰত মানুহজনৰ নাম লৈছিল। কিবা লাভ হ'লনে? মহিলা সমিতিয়ে জোৰ কৰি ল'ৰাজনৰ ঘৰত থৈ আহিছিল। কিবা লাভ হ'ল নে? গর্ভৰ সন্তানটো তাইৰ ওপৰত কৰা অত্যাচাৰত গর্ভতে মৰিল। তাই কেনেবাকৈ বাছি ঘৰলৈ ঘূৰিল। কিমান অপমান পাইছিল তাই। সহিব নোৱাৰি আত্মহত্যা কৰিলে। তাৰ পিচত দেখোন ল'ৰাটোৱে আকৌ বিয়া কৰালে। মানুহে দেখোন সেই বিয়া খাবলৈও গ'ল।" (পৃঃ ১০৯)

গায়ত্রীয়ে কৰা সংগ্রাম কেৱল গায়ত্রীৰ সংগ্রাম নহয়। ঔপন্যাসিকাই শিখা আৰু মঞ্জু নামৰ চৰিত্র দুটাক গায়ত্রীৰ সংগী হিচাপে তুলি ধৰি সেই সংগ্রামখনক নাৰী জাতিৰ সংগ্রাম হিচাপে দাঙি ধৰাৰ প্রয়াস কৰিছে। গায়ত্রীৰ দৰে শিখাও বলি হৈছিল এক ভয়ংকৰ ষড়যন্ত্রৰ — সমাজৰ নিষ্ঠুৰ

আঘাতত ভাঙি ছিঙি টুকুৰা টুকুৰ হৈ পৰা শিখাক গায়ত্ৰীয়ে নিজৰ যাত্ৰাত ছামিল কৰি নতুনকৈ গঢ় দিছিল। আচলতে, ষড়যন্ত্ৰৰ বলি হোৱা প্ৰতিজন ব্যক্তিৰ হৃদয়ৰ কৰুণ আৰ্তনাদ শুনা যায় 'বিভ্ৰান্ত বাস্তৱ'ৰ প্ৰতিটো পৃষ্ঠাত।

কেতিয়াবা আপোন, তেজৰ সম্পৰ্ক থকা মানুহবোৰেই হৈ পৰে একেবাৰে অচিনাকি, কেতিয়াবা আকৌ অচিনাকি মানুহবোৰেই হৈ পৰে বুকুৰ আপোন। এই কথাষাৰৰ বাস্তৱ চিত্ৰনত ঔপন্যাসিকা বিশেষভাৱে সফল হৈছে। উপন্যাস খনৰ বহু ঠাইত ফুটি উঠিছে এই কথা। গায়ত্ৰীয়ে ঘটনাটো হৈ যোৱাৰ পাছত যেতিয়া গুৱাহাটীলৈ পঢ়িবলৈ যাবলৈ ওলাইছিল তেতিয়া মাক দেউতাক সুখী হৈছিল, এটা বোজা আঁতৰি যোৱা যেন পাইছিল। কিন্তু মামীয়েকে (মাকৰ বান্ধৱী) এটি সাধাৰণ ঘটনাৰ বলি হোৱা তেনেই এজনী দুৰ্ভগীয়া ছোৱালী বুলি গায়ত্ৰীক মাতৃৰ স্নেহেৰে আঁকোৱালি লৈছিল। ঠিক তেনেদৰেই শিখাক অপৱিত্ৰ জ্ঞান কৰি নিজ জন্মদাত্ৰী মাতৃয়ে দলিয়াই দিওঁতে আদৰি লৈছিল গায়ত্ৰীয়ে। কাহিনীৰ শেষৰ ফালে ফুটি উঠিছে এই কথা-নিজৰ ল'ৰা ছোৱালীয়ে অৱহেলা কৰা বৃদ্ধা মামীয়েকক গায়ত্ৰীয়ে বুকুৰ উমেৰে আশ্ৰয় দিছে।

উপন্যাসখনৰ উপস্থাপন শৈলী ব্যতিক্ৰম, কিন্তু ব্যতিক্ৰমী এই উপস্থাপন শৈলীয়েই যেন উপন্যাসখনৰ দুৰ্বোধ্যতাৰো এক অন্যতম কাৰণ হৈ পৰিছে। দুটা কাহিনী এটা বাস্তৱ আৰু এটা কাল্পনিক কাহিনীক এখন চিনেমাৰ স্ক্ৰিপ্টৰ জৰিয়তে আগবঢ়াই নিওঁতে লেখিকা যথেষ্ট সতৰ্ক হৈছে যদিও তেনে এক শৈলীয়ে উপন্যাস খনৰ গতি পথটোক মসৃণ কৰি ৰখা নাই। পঢ়ি থাকোতে বহু ঠাইত পাঠক উজুটি খাই পুনৰ ঘূৰি আহিবলগীয়া পৰিস্থিতি যে উপন্যাসখনত হোৱা নাই তাৰ কোনো মানে নাই। ইয়াৰ দ্বাৰা এইটো বুজাব খোজা হোৱা নাই যে, বাস্তৱ আৰু অবাস্তৱৰ সংমিশ্ৰণত কাহিনীটো অস্পষ্ট হৈ পৰিছে কিন্তু সৰ্বসাধাৰণ পাঠকৰ বাবে সদায় সহজবোধ্য আৰু সহজেই গতি কৰিব পৰা কাহিনীহে কাম্য।

নায়িকা অৰ্থাৎ গায়ত্ৰীৰ চৰিত্ৰটোতো সৰু সুৱা বিসংগতি নথকা নহয়। উপন্যাসখনৰ এঠাইত লেখিকাই লিখিছে—

"সেই কাৰণেই হয়তো গায়ত্ৰীয়ে চিনেমাখনত মানুহক হতাশ কৰিব পৰা অনেক বাস্তৱক আৰু তুচ্ছতাক ঠাই নিদিলে। গায়ত্ৰীয়ে বাছি ল'লে উদাৰতাৰ পথ।"

আকৌ—

"....গায়ত্ৰীৰ প্ৰকৃত অভিজ্ঞতাবোৰ যোগ দিলে চিনেমাখনত মায়া চৰিত্ৰটোক আৰু বেছি দৰ্শকৰ কৰুণা দিয়াব পৰা যাব। কিন্তু অভিজ্ঞ চিনেমা পৰিচালক আৰু স্ক্ৰিপ্ট ৰাইটাৰ গায়ত্ৰীয়ে জানে, কৰুণাৰ ওজন কিমান হোৱা উচিত।....."

উপন্যাসখনৰ কাহিনীৰ ভিতৰত ঔপন্যাসিকাই যি বাস্তৱ সত্যটো দাঙি ধৰিলে সেই সত্যক কিন্তু তেওঁৰ উপন্যাসৰ কাহিনীয়ে প্ৰতিফলিত কৰিব নোৱাৰিলে। তাৰ একমাত্ৰ কাৰণ গায়ত্ৰীৰ চৰিত্ৰত অত্যাধিক কৰুণাৰ ভৰ। গায়ত্ৰীয়ে নিৰ্মাণ কৰিব খোজা চিনেমাত তুচ্ছতাক স্থান দিব নোখোজাৰ কথা ঔপন্যাসিকাই উল্লেখ কৰিছে, কিন্তু তাৰ বিপৰীতে উপন্যাস খনত মানুহক হতাশ কৰিব পৰা বহু কথা অন্তৰ্ভুক্ত হ'ল। গায়ত্ৰীৰ মাক-দেউতাক, মোমায়েক বস্তুৰাদী হৈ পৰা সন্দীপন, সন্দীপনৰ মাক এই সকলোবোৰ ঋণাত্মক চৰিত্ৰৰ মাজত যোগাত্মক চৰিত্ৰবোৰৰ মাত্ৰা কম যেন অনুভৱ হয়। গতিকে, এই দুই বিপৰীতমুখী কথা বতৰাই পাঠকক বহু পৰিমাণে হতাশ কৰিছে।

গায়ত্ৰীৰ চৰিত্ৰটোৰ সঘন পৰিৱৰ্তনৰ কথাটোও মন কৰিবলগীয়া বঙীয়াল মনৰ গায়ত্ৰী ষড়যন্ত্ৰৰ বলি হৈ গম্ভীৰ হৈ পৰিছে, সেই গম্ভীৰ ব্যক্তিত্বৰ গায়ত্ৰী পাছৰ সময়ত সন্দীপনৰ বাবেই আকৌ দুৰ্বল হৈ পৰিছে। গায়ত্ৰী ইমানেই বেছি গম্ভীৰ যে যি নিজৰ মাক-দেউতাক আৰু ককায়েকৰ মাজতো গঢ়ি তুলিছিল গাম্ভীৰ্যৰ অভেদ্য দেৱাল কিন্তু, সেই গায়ত্ৰীকেই ঔপন্যাসিকে মধ্যবয়সতো কাৰোবাৰ কথা ভাবি ব্যাকুল হোৱা এগৰাকী নাৰী হিচাপে চিত্ৰণ কৰিছে। নিজৰ মাক দেউতাকক ক্ষমা কৰিব নোৱৰা মধ্যবয়স্কা গায়ত্ৰীৰ মন কাহিনীৰ শেষত সন্দীপনৰ ভাল পোৱাৰ কথা ভাবি বঙীন হৈ পৰাটো বিসংগতিপূৰ্ণ যেন ভাৱ হয়।

তথাপি 'বিভ্ৰান্ত বাস্তৱ' প্ৰতিজন সৰল মনৰ মানুহৰ বাবে এক আশা আৰু সাহসৰ সমাহাৰ। গ্ৰন্থখনৰ আলোচনাৰ সামৰণিত উপন্যাসখনৰ এইকেইটা শাৰী তুলি দিলেই হয়তো উপন্যাসখনৰ সাৰমৰ্ম আৰু মূল বাৰ্তা স্পষ্ট হৈ পৰিব—

"মানুহক, সভ্যতাক, শুভংকৰ বাটেৰে আগবঢ়াই নিয়াৰ বাবে চলি থকা বিশ্বজোৱা প্ৰচেষ্টাৰ এটা অংশ কৰি তুলিব বিচাৰে গায়ত্ৰীয়ে নিজৰ প্ৰতিখন চিনেমাক। গায়ত্ৰীয়ে বিচাৰে এই পৃথিৱীৰ প্ৰতিজন সৰল আৰু সৎ মানুহে অশুভ শক্তিবোৰক দেখক। নৰকলৈ যোৱা বাটবোৰ চিনি পাওক। যিসকল নৰকত আবদ্ধ হৈ পৰিছে তেওঁলোকে নিজক মুক্ত কৰক। পৰাধীনতাত বন্দী মানুহবোৰ ভিতৰৰ পৰা স্বাধীন হওক। অশুভৰ হাতত পৰাজিত মানুহবোৰে অশুভক পৰাজিত কৰি বিজয় নিচান উৰুৱাওক।" ♦

গ্ৰন্থ সমালোচনা

কাঞ্চন —অনুৰাধা শৰ্মা পূজাৰী



শতাব্দী শইকীয়া

"নাৰী তুমি অনন্যা, তুমি দেৱী, তুমিয়েই ধৰণী"

'কাঞ্চন' অনুৰাধা শৰ্মা পূজাৰীৰ এখন নাৰীকেন্দ্ৰিক উপন্যাস য'ত নাৰীৰ জলন্ত সমস্যাক অতি নিপুণভাৱে ৰূপায়িত কৰিছে। কাহিনীটোৰ মূল চৰিত্ৰ কাঞ্চনৰ জীৱন গাঁথাই মোক আৱেগিক কৰি তুলিলে। কিয় বাৰে বাৰে কাঞ্চন পুৰুষৰ কামনাৰ বলি হ'ব লগা হ'ল। ভৰ যৌৱনা, ৰূপৱতী কাঞ্চনজনীৰ হৃদয়খন কিয় ধাতুলৈ ৰূপান্তৰিত হ'ব লগা হ'ল। আকাশজ্যোতিক পাই শিলযেন হৈ পৰা কাঞ্চনজনী পুনৰ কোমল হৈ পৰিছিল কিন্তু তাৰ পৰিণতি কি হ'ল, সেয়া চিন্তনীয়।

'কাঞ্চন' পঢ়ি মুগ্ধ হ'লোঁ। অনুৰাধা শৰ্মা পূজাৰী মোৰ আটাইতকৈ প্ৰিয় লেখিকা। তেওঁৰ সাহিত্যত প্ৰকাশ পায় মানৱ জীৱনৰ সংগ্ৰাম, মানুহ আৰু প্ৰকৃতিৰ সূক্ষ্ম বিৱৰণ, নাৰীত্বৰ বিশ্লেষণ লগতে জীয়াই থকাৰ অন্তহীন হেঁপাহ। অনুৰাধা শৰ্মা পূজাৰীৰ জন্ম ১৯৬৪ চনত যোৰহাটত। তেওঁ ২০২১ বৰ্ষত— 'ইয়াত এখন অৰণ্য আছিল' গ্ৰন্থৰ বাবে 'সাহিত্য অকাডেমী' বঁটা পাইছিল। 'কাঞ্চন' পুথিখনে পঢ়ুৱৈসকলৰ মাজত খলকনিৰ সৃষ্টি কৰিছিল।

উপন্যাসখনত কাঞ্চন দাস চৰিত্ৰটি মুখ্য চৰিত্ৰৰূপে অংকিত কৰা হৈছে। কাঞ্চন আছিল এগৰাকী সৎ-সাহসী আৰু স্পষ্টবাদী মহিলা কিন্তু সমাজৰ চকুত কাঞ্চন নষ্ট চৰিত্ৰৰ নাৰী আছিল। দেউতাকৰ মৃত্যুৰ পিছত কাঞ্চনৰ লগতে তেওঁৰ মাতৃ কণমাই দাস আৰু ভাতৃ থানেশ্বৰ দাসৰ জীৱন হৈ পৰিছিল শোচনীয়। সেই সময়তে তাঁহাতক সহায়ৰ হাত আগবঢ়াইছিল গাঁৱৰেই বাসিন্দা ননীয়ে কিন্তু তেতিয়া তেওঁ গুৱাহাটীৰ অফিচত কাম কৰিছিল। কাঞ্চনৰ পৰিয়ালটোক ননীয়ে বহুধৰণেৰে সহায় কৰিছিল আৰু শেষত কাঞ্চনক পিয়নৰ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে তাৰ ওচৰলৈ লৈ আহিছিল। এনেদৰেই কাঞ্চন অজানিতে সোমাই পৰিছিল জীৱনৰ চাকনৈয়াত। উপন্যাসখনৰ পটভূমি আৰু দৃশ্যৰ বিৱৰণ সূক্ষ্মতাৰে আকৰ্ষণীয়ৰূপত লিপিবদ্ধ কৰা হৈছে। কাহিনীটো আৰম্ভণি কৰা হৈছে নতুন ইঞ্জিনিয়াৰ আকাশজ্যোতি ফুকনৰ কথাৰে। আকাশজ্যোতি আছিল এজন শক্তিশালী ব্যক্তিত্বৰ, সুন্দৰ-সুঠাম যুবক। প্ৰথম সাক্ষাততেই কাঞ্চন আৰু আকাশজ্যোতি এজনে আনজনৰ প্ৰতি আকৰ্ষিত হৈছিল। কিন্তু দুৰ্ভগীয়া অতীতৰ বাবে কাঞ্চনে তেওঁৰ কাষ চাপিবলৈ সংকোচ

উপন্যাসখনত কাঞ্চন দাস চৰিত্ৰটি মুখ্য চৰিত্ৰ ৰূপে অংকিত কৰা হৈছে। কাঞ্চন আছিল এগৰাকী সৎ-সাহসী আৰু স্পষ্টবাদী মহিলা কিন্তু সমাজৰ চকুত কাঞ্চন নষ্ট চৰিত্ৰৰ নাৰী আছিল। দেউতাকৰ মৃত্যুৰ পিছত কাঞ্চনৰ লগতে তেওঁৰ মাতৃ কণমাই দাস আৰু ভাতৃ থানেশ্বৰ দাসৰ জীৱন হৈ পৰিছিল শোচনীয়। সেই সময়তে তাঁহাতক সহায়ৰ হাত আগবঢ়াইছিল গাঁৱৰেই বাসিন্দা ননীয়ে কিন্তু তেতিয়া তেওঁ গুৱাহাটীৰ অফিচত কাম কৰিছিল। কাঞ্চনৰ পৰিয়ালটোক ননীয়ে বহুধৰণেৰে সহায় কৰিছিল আৰু শেষত কাঞ্চনক পিয়নৰ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে তাৰ ওচৰলৈ লৈ আহিছিল।



কৰিছিল। ননীৰ পিছতে বৰচাহাবেও কাঞ্চনৰ শৰীৰক উপভোগ কৰিছিল অতীতত। একো নজনাকৈয়ে সৰলমনা কাঞ্চনজনী হৈ পৰিছিল সমাজৰ বাবে আৰ্জনা। পুৰুষৰ শোষণ প্ৰবৃত্তিতেই জন্ম হয় কাঞ্চনৰ দৰে হাজাৰজনী নাৰী। তাৰ ওপৰিও কাহিনীভাগ আগবঢ়াই লৈ যাওঁতে বিশ্বনাথ দাস, বদৰুদ্দিন (বদৰ), দীপক চৰিত্ৰকেইটিৰ সঠিক ৰূপায়ণে পঢ়ুৱৈসকলক আমোদ প্ৰদান কৰিছে। বদৰৰ চৰিত্ৰটিয়ে মোৰ মনত বাৰুকৈয়ে সাঁচ বঢ়ালে। বদৰ আছিল কাঞ্চনতকৈ তলৰ পদৰ এজন কৰ্মচাৰী। বদৰ আৰু কাঞ্চনৰ বন্ধুত্ব সঁচাই নিভাঁজ আছিল। দুয়োয়ে বিনা দ্বিধাৰে এজনে আনজনৰ লগত অন্তৰৰ কথাবোৰ খুলি কৈছিল। অফিচটোত একমাত্ৰ বদৰেই আছিল যিয়ে সকলো ক্ষেত্ৰতে কাঞ্চনৰ পক্ষ লৈছিল। এদিন অফিচৰ লোকসকলৰ তিৰস্কাৰ সহ্য কৰিব নোৱাৰি কাঞ্চনে বদৰক চৰ মাৰিছিল। সকলোৱে তাইৰ বিপক্ষে গৈ আপত্তি কৰিছিল কিন্তু তাইৰ লগত থাকিল বদৰ। এই ঘটনাটোৱে বদৰক এজন সৎ, সাহসী আৰু জ্ঞানী পুৰুষ হিচাপে প্ৰতিষ্ঠিত কৰিছিল। ইঞ্জিনিয়াৰ আকাশজ্যোতি ফুকন কাঞ্চনৰ কাষ চাপিছিল এখন উপন্যাস লিখাৰ স্বাৰ্থত। আকাশক পাই কাঞ্চন বৰ সুখী হৈছিল, তাই অতীতৰ সকলো ঘটনা আকাশক খুলি কৈছিল, তাই আকাশক লগ পোৱাৰ পিছতহে অনুভৱ কৰিছিল মিঠা প্ৰেমৰ অনুভূতি। দেহে-মনে তাই আকাশক বিশ্বাস কৰি পেলাইছিল। এদিনাখন আকাশৰ অনুৰোধত তাই অনিচ্ছাস্বত্বেও এটা নৈশ পার্টিলৈ যাৰ লগা হ'ল। পার্টিলৈ যোৱাৰ কিছুপৰ পাছতেই ঘটিছিল সেই ঘটনাটো। তাই নিজকে আৱিষ্কাৰ কৰিছিল এটা আন্ধাৰ কোঠাত নগ্নৰূপত। আকাশে মাজৰাতি কাঞ্চনক মানৱৰূপী পশু কিছুমানৰ মাজত এৰি থৈ পলাল। কাঞ্চনক তেতিয়া শৰীৰৰ যন্ত্ৰণাতকৈ মনৰ যন্ত্ৰণাই বেছি ধৰিছিল। তাইৰ তীব্ৰভাৱে আত্মহত্যাৰ আকাংক্ষা জাগি উঠিছিল। যাক কাঞ্চনে পূৰ্ণঅন্তৰে হৃদয়ত স্থাপন কৰিছিল, তেঁও দেখোন আগৰ কেইজনৰ দৰেই কাপুৰুষ ওলাল। আকাশজ্যোতিৰ প্ৰতাৰণা কাঞ্চনে সহ্য কৰিব নোৱাৰিলে। ঘটনাটোৰ কঠোৰ আঘাতে কাঞ্চনৰ মগজুত আক্ৰমণ কৰিলে, তাৰ ফলত কাঞ্চন Psychogenic amensia'ৰ স্বীকাৰ হ'ল। সকলো কথা পাহৰি তাই শিশুৰ দৰে আচৰণ কৰিবলৈ ধৰিলে।

সঁচাই, বহুকথাই শিকাই গ'ল গ্ৰন্থখনে কাঞ্চনৰ জীৱন কাহিনীৰ শেষ নাই। কাঞ্চনৰ দৰে সৰু বৰ কাহিনীৰে আমাৰ মাজত জীয়াই আছে বহু নাৰী আৰু হয়তো বহুতে জীৱন যুঁজত হাৰ মানিছে । ঈশ্বৰে দেখোন কিছুমান বেমাৰ মানুহক সুখী হৈ জীয়াই থাকিবলৈ দিছে। 'Psychogenic amensia'-ৰ বাবেই কাঞ্চনে সুখেৰে জীয়াই থাকিব পাৰিলে। শেষত কাঞ্চনেই আছিল সবাতোকৈ সুখী মানুহ। পুনৰ কাঞ্চনে অফিচলৈ যোৱা আৰম্ভ কৰিলে। এতিয়া তাইৰ কোনো অতীত নাই আৰু ভৱিষ্যতৰ প্ৰতিও উদ্বেগ নাই। সঁচাই কিছুমান মানুহ আমাৰ জীৱনলৈ এটি সুমধুৰ অনুভূতি হৈ আহে আৰু অভিশাপৰ দৰে আঁতৰি যায়। জীৱনে কাঞ্চনক এনে এটা পর্যায়লৈ লৈ আহিলে যিটো তাই কেতিয়াও কল্পনাই কৰি পোৱা নাছিল। আচলতে কাঞ্চনৰ ভুল কোনখিনিত, এজন পুৰুষৰ নিস্বাৰ্থভাৱে ভালপোৱাত নে নাৰী ৰূপত জন্ম লোৱাত?◆

কাঞ্চনৰ দৰে সৰু
বৰ কাহিনীৰে আমাৰ
মাজত জীয়াই আছে বহু
নাৰী আৰু হয়তো বহুতে
জীৱন যুঁজত হাৰ মানিছে ।
ঈশ্বৰে দেখোন কিছুমান
বেমাৰ মানুহক সুখী হৈ
জীয়াই থাকিবলৈ দিছে।
'Psychogenic
amensia'-ৰ বাবেই
কাঞ্চনে সুখেৰে জীয়াই
থাকিব পাৰিলে। শেষত
কাঞ্চনেই আছিল
সবাতোকৈ সুখী মানুহ।
পুনৰ কাঞ্চনে অফিচলৈ
যোৱা আৰম্ভ কৰিলে।
এতিয়া তাইৰ কোনো
অতীত নাই আৰু ভৱিষ্যতৰ
প্ৰতিও উদ্বেগ নাই।

গ্ৰন্থ সমালোচনা

মোৰো এটা সপোন আছে

আশামণি তামুলী



শেহতীয়াকৈ পঢ়ি ভাল লগা এখন গ্ৰন্থ হৈছে—ড° ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে'। গ্ৰন্থখনৰ প্ৰতি আকৰ্ষণ হোৱাৰ অন্য এটা কাৰণ হৈছে গ্ৰন্থখনৰ নামটো। কিয়নো প্ৰতিজন মানুহৰেই একোটা নিজস্ব সপোন থাকে আৰু সেই সপোনৰ আলমতেই আমি আমাৰ জীৱনটোক সজাবলৈ যত্ন কৰোঁ। জীৱনটোক সুন্দৰকৈ সজাই তুলিব পৰাটোও এটা কলা। যদিও জীৱনৰ বাটত কেতিয়াবা বহুতো বাধাৰ সন্মুখীন হ'ব লগা হয় আৰু সেই বাধাক নেওচি আগুৱাই যাব পৰাজনেই একোজন সফল ব্যক্তি। তেনে এজন সফল ব্যক্তি হৈছে ড° ৰুবুল মাউত। তেখেতৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰো এটা সপোন আছে'ত তেওঁৰ জীৱন সংগ্ৰামৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে। ইতিমধ্যে সকলো মাধ্যমতে এই গ্ৰন্থখনৰ বহুল চৰ্চা হৈছে। কিয়নো জীৱনৰ সৈতে আমাৰ অহৰহ যি সংগ্ৰাম সেই সংগ্ৰামক আগুৱাই নিয়াত এক সাহস তথা প্ৰেৰণাৰ একোটা থল হ'ব পাৰে, বিশেষকৈ আমাৰ দৰে প্ৰতিজন নৰ-প্ৰজন্মৰ। লেখকৰ জন্মভূমি অসম-অৰুণাচল সীমান্তৰ কৈলাসপুৰৰ টঙনা ন-গাঁৱৰ; বেতনি গাঁৱৰ পৰা সুদূৰ আমেৰিকাৰ মাচাছুচেটচ বিশ্ববিদ্যালয়লৈ যোৱাৰ এক মনোৰম তথা প্ৰেৰণাদায়ক কাহিনী গ্ৰন্থখনত বৰ্ণনা কৰিছে। লেখকে গ্ৰন্থখনক ৪ টা খণ্ডত ভাগ কৰিছে। শৈশৱ, সংগ্ৰাম, সুযোগ আৰু দেউতাৰ অসুখ।

লেখকে শৈশৱৰ প্ৰথমভাগতে পঢ়া টেবুলৰ কথাৰে লিখিছে বহল চাংখনৰ কাষতে দীঘল টেবুলখন। চাৰিটা খুঁটা পুতি বাঁহেৰে বনোৱা টেবুলখন আচলতে এখন চাঙেই। টেবুলৰ ওপৰত নির্দিষ্ট স্থানত থাকে মোৰ, বাইদেউ আৰু ককাইদেউৰ কিতাপ-পত্ৰ, বহী। কণ আৰু মুন তেতিয়াও স্কুল যাবৰ হোৱাই নাই। সন্ধিয়া হ'লেই টেবুলৰ সন্মুখত বৈ আমি আটায়ে প্ৰার্থনা জুৰো। কেতিয়াবা কণ-মুনেও উলাহতে যোগ দিয়ে। সিহঁতৰ বাবে প্ৰার্থনাত যোগ দিয়াটো আমোদৰ কাম। মোৰ বাবে প্ৰার্থনা আছিল কেৱল এক পুৱা- গধূলিৰ গীত। পুৱা হ'লে যিদৰে বেলি ওলায়, গধূলি মাৰ যায় নতুবা পুৱা গোহালিৰ গৰু মেলি দিয়া হয়, গধূলি আকৌ বান্ধি থোৱা হয়, ঠিক প্ৰার্থনাও মোৰ বাবে পুৱা-গধূলিৰ পালন কৰা নিয়ম।

অভাৰে পুষ্ট কৰিলেও লেখকৰ মাক-দেউতাকে হয়তো শিক্ষাৰ গুৰুত্ব ভালদৰেই বুজিছিল। সেয়েহে ল'ৰা-ছোৱালীকেইটাক বিদ্যালয়লৈ পঠিওৱাৰ লগতে কাহিলীপুৱাতে সিহঁতক টোপনিৰপৰা জগাই পঢ়িবলৈ দিয়াৰ কথা উল্লেখ কৰিছে। আনহাতে, পথাৰত গৰু চৰাবলৈ পথাৰলৈ যোৱা, বজাৰত শাক-পাচলি বিক্ৰী কৰিবলৈ যোৱা আদি কামবোৰৰ দায়িত্বও তেওঁ ছাত্ৰাৱস্থাতে পালন কৰিব লগা হৈছিল। ভোকৰ তাড়নাত দুবাৰমান ৰাস্তাত বনুৱাৰ কাম কৰিবলৈও বাধ্য হৈছিল। এই কথাবোৰে পৰৱর্তী পর্যায়ত লেখকক দায়িত্ববোধৰ শিক্ষা দিয়া বুলি স্থানান্তৰত তেওঁ স্বীকাৰ কৰিছে। অৱশ্যে উৎসাহজনক কথাটো হ'ল— এই সকলোবোৰ দুখ, কষ্টৰ মাজতো তেওঁ বুকুত কঢ়িয়াই ফুৰা সপোনটো বৰ সযতনে পালন কৰিছিল। নিজৰ একাগ্ৰতা আৰু ভাগ্যকে অৱলম্বন কৰি জীৱনৰ জটিল পথবোৰ অতিক্ৰম কৰিছিল। উচ্চৰ পৰা উচ্চতৰ পর্যায়লৈ আৰোহণ কৰোঁতে অতিক্ৰমি অহাৰ পথটিৰ স্মৃতিও মনৰপৰা মচি পেলোৱা নাছিল। সাধাৰণতে একোজন সাধাৰণ শিশুৱে শৈশৱত যি ৰং-ধেমালি আৰু আনন্দৰ সৈতে একোটা সুকীয়া জীৱন-যাপন কৰে তাৰ বহু বিপৰীত জীৱন এটা লেখকে অতিবাহিত




লেখকৰ অন্য এক সংগ্ৰামৰ মনোৰম বৰ্ণনা কৰিছে ২য় অধ্যায়— 'সংগ্ৰামত'। কেনেকৈ তেওঁ বাৰিষাকালত পাঁচ-ছয় কিলোমিটাৰ খোজকাঢ়ি কলেজলৈ গৈছিল। লেখকক পঢ়াৰ নামত লাহে লাহে ঘৰৰ মাটি, গৰু-ছাগলীবোৰ নাইকিয়া হোৱা, ককায়েকে ছিকিউৰিটি গার্ডৰ কাম কৰা, ইয়াৰ মাজতে ঘৰৰ আইতাকৰ মৃত্যু এই সকলোবোৰৰ অতি স্পষ্টকৈ উপস্থাপন কৰিছে। লেখকে উল্লেখ কৰিছে যে গ্ৰীষ্মৰ বন্ধ লেখকৰ প্ৰিয় নাছিল।

কিয়নো সেইকেইটা দিনত লেখকৰ শাৰীৰিক বহু কষ্ট হৈছিল। গাঁওখনৰ অৱস্থিতি সম্পৰ্কে লেখকে কৈছে, 'এই খণ্ডৰ পৃথিৱীলৈ যাতায়াত ব্যৱস্থা তেনেই নাছিলেই। দূৰণিবটীয়া আলহী আহিলে ডুমডুমাৰপৰা বেতনিলৈ কমেও আধাদিন খোজ কাঢ়িব লাগিছিল। ইফালে বাস্তা-ঘাটৰ আকাৰ-আকৃতি আছিল অতি শোচনীয়। বাৰিষাৰ দিনত ফেনে-ফোটোকাৰে বৈ থকা নৈ-জান পাৰ হৈ দূৰণীবটীয়া মানুহবোৰ আমাৰ ঘৰলৈ অহাটো আছিল কল্পনাবো অগোচৰ। তাৰ পিছতো মনৰ অদম্য হেঁপাহৰ জৰিয়তে অৱশেষত অজস্ৰ সংগ্ৰামৰ মাজতো তেওঁ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে।

লেখকৰ 'সাংগ্ৰাম' অধ্যায়-আৰম্ভ হৈছে হায়াৰ ছেকেণ্ডাৰী পঢ়িবলৈ তিনিচুকীয়ালৈ যোৱাৰ পৰা আৰু শেষ কৰিছে TIFRGত বিজ্ঞানী হিচাপে যোগদান কৰি কাৰ্যকাল আৰম্ভ কৰাত। লেখকৰ অন্য এক সংগ্ৰামৰ মনোৰম বৰ্ণনা কৰিছে ২য় অধ্যায়— 'সংগ্ৰামত'। কেনেকৈ তেওঁ বাৰিষাকালত পাঁচ-ছয় কিলোমিটাৰ খোজকাঢ়ি কলেজলৈ গৈছিল। লেখকক পঢ়াৰ নামত লাহে লাহে ঘৰৰ মাটি, গৰু-ছাগলীবোৰ নাইকিয়া হোৱা, ককায়েকে ছিকিউৰিটি গার্ডৰ কাম কৰা, ইয়াৰ মাজতে ঘৰৰ আইতাকৰ মৃত্যু এই সকলোবোৰৰ অতি স্পষ্টকৈ উপস্থাপন কৰিছে। পইচাৰ অভাৱৰ বাবে লেখকে কেইবাবাৰো অনৈতিক কাম কৰাৰ কথা উল্লেখ কৰিছে। এইদৰে এদিন হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ ৰিজাল্ট ওলাল। লেখকে প্ৰথম বিভাগ নাপালে। যৱবাৰে বহুতে তেওঁক তিৰস্কাৰ কৰিছিল। কোনোৱে আকৌ চাকৰিত ইণ্টাৰভিউ দিবলৈ পৰামৰ্শ দিয়ে। চাকৰি নিবিচাৰাকৈ তিনিচুকীয়া কলেজত কেমেষ্ট্ৰিত অনাৰ্চ লৈ পুনৰ পঢ়িবলৈ আৰম্ভ কৰে। এদিন সকলোকে আচৰিত কৰি তেওঁৰ ৰিজাল্ট ফাৰ্ষ্টক্লাছ আহে। তাৰ পিছত মাষ্টাৰ ডিগ্ৰী পঢ়াৰ অন্য এক সাংগ্ৰাম, কঠোৰ প্ৰচেষ্টা আৰু বহু ধৈর্য্যৰ মাজেৰে জীৱনৰ বাটত আগুৱাই এদিন তেওঁ টি.আই.এফ.আৰ.-ৰ চাকৰিটোত যোগদান কৰে।

তৃতীয় অধ্যায় 'সুযোগ'ত লেখকে টি.আই.এফ.আৰ.-ত বিজ্ঞানী হৈ থাকোঁতে হোৱা বিভিন্ন নতুন অভিজ্ঞতা, এখন সম্পূৰ্ণ নতুন পৃথিৱীৰ সৈতে হোয়া সহাৱস্থান, প্ৰশিক্ষণৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাবলৈ পোৱা সুযোগ আৰু তাৰ আলমতে পিছলৈ পি.এইচ.ডি.ৰ বাবে সুযোগ পোৱা আদিৰ বিৱৰণ দাঙি ধৰিছে। বিদেশত থাকিলেও তেওঁ নিজৰ শিপা পাহৰি যোৱা নাছিল। বাৰে বাৰে পুৰণি দিনবোৰৰ কথা সোঁৱৰণ কৰি ঘৰলৈ মনত পেলাইছিল। চতুৰ্থ অধ্যায় 'দেউতাৰ অসুখ'ত লেখকে টি আই এফ আৰ এৰি আমেৰিকাত গৱেষণা কৰি থকাৰ মাজতে দেউতাৰক দু�ৰাৰোগ্য অসুখ আৰু তাৰ ফলশ্ৰুতিত দেউতাকৰ মৃত্যুৰ বৰ্ণনা কৰিছে। কাকতালীয়ভাৱে দেউতাকৰ অসুখটো আছিল তেখেতৰ গৱেষণাৰ বিষয়ৰ স'তে একে।

'মোৰা এটা সপোন আছে' গ্ৰন্থখন মূলতঃ আত্মজীৱনীমূলক গ্ৰন্থ যদিও একোখন উপন্যাসৰ দৰেই হুয়াৰ কাহিনীভাগ ৰসাল। লেখকৰ ভাষা অতি প্ৰাঞ্জল। গ্ৰন্থখন একেবহাতে কোনো বিৰক্তি অনুভৱ নকৰাকৈ পঢ়ি শেষ কৰিব পাৰি। গ্ৰন্থখনৰ এটি উল্লেখযোগ্য দিশ হৈছে হুয়াৰ স্পষ্টতা। লেখকে কাহিনীভাগ আগবঢ়াওঁতে ক'তো অতিৰঞ্জিত কৰা নাই। লেখকে নিজৰ প্ৰতিটো দিশ সম্পূৰ্ণ স্পষ্টকৈ বৰ্ণনা কৰিছে। লগতে গ্ৰন্থখনৰ কাহিনীটো অতিকৈ প্ৰেণাদায়ক।♦



শৰ কটা মানুহ

—য়েছে দৰজে ঠংচি

লক্ষ্মীপ্ৰিয়া কলিতা

"There is no friend as loyal as a book"
–Ernest Hemingusay


মানৱ জীৱন বিচিত্ৰ আৰু সকলো জীৱনেই এটাতকৈ আনটো ভিন্ন। ভিন্নতাৰ সমাৱেশেৰে গঢ়ি উঠি সম্পূৰ্ণ হোৱা এটা জীৱনক পাঠকৰ মনত অনুভূতি জগাই তুলিব বিচৰাই হ'ল 'শৰ কটা মানুহ' নামৰ গ্ৰন্থখনৰ উদ্দেশ্য ভিন্নধৰ্মী গ্ৰন্থৰ সোৱোদ ভিন্নজনে ভিন্নধৰণেৰে উপলব্ধি কৰে। ঠিক তেনেদৰে য়েছে দৰজে ঠংচিৰ খুব জনপ্ৰিয় গ্ৰন্থ 'শৰ কটা মানুহ' তেনে এখন গ্ৰন্থ। ২০০৪ চনত পোন প্ৰথমবাৰৰ বাৰে পটুৱৈ সমাজত চিনাকি কৰাই দিয়া গ্ৰন্থখনত সন্নিৱিষ্ট হৈ আছে এজন শৰ সৎকাৰ কৰা লোকৰ জীৱনৰ প্ৰতিচ্ছবি।

উপন্যাসধৰ্মী গ্ৰন্থখনে কোনোধৰণৰ সস্তীয়া বাতুলতাৰ পৰিচয় দাঙি নধৰি মানৱজীৱনৰ সৰ্বোচ্চতম মাহাত্ম্য প্ৰকাশত অলপো ত্ৰুটি কৰা নাই।

জীৱন মানে জীয়া অভিজ্ঞতাৰ বাস্তৱ থলী। কিন্তু প্ৰতিখন থলীৰে কৃষ্টি-সংস্কৃতিও এটাতকৈ আনটো ভিন্ন। তাৰ মাজতে বহুতো ৰূপকথন এনেধৰণৰ যে পাঠকৰ লগত হুবহু মিলি যাব পাৰে। এই গ্ৰন্থখনেও তেনে এক পৰিচয়েৰে নিজা বৈশিষ্ট্য অটুট ৰাখি অৰুণাচল মনপা সমাজৰ কিছু কৃষ্টি-সংস্কৃতিৰ ব্যাখ্যা দাঙি ধৰিছে।

সাধাৰণ মানৱ জীৱনত পোৱা নোপোৱা কিছু অনুভূতিৰ সাদৃশ্যতা। চুৰবি গাঁৱৰ দ্যাৱগে নৰবু নামৰ এগৰাকী থাম্পা (শ সৎকাৰ কৰা লোক)ৰ জীৱনৰ আধাৰত ৰচিত কল্প কাহিনীভাগে ভালকৈয়ে উপলব্ধি কৰাব পাৰে জীৱনৰ কঠোৰতা আৰু মধুৰতা। চীনা যুদ্ধৰ ভয়াৱহ পৰিস্থিতিৰ সন্নিৱিষ্ট কৰি গ্ৰন্থখনৰ মহত্ত্বক এক বাস্তৱ চিত্ৰ তুলিকাৰে দাঙি ধৰিবলৈ বিচৰাটো লেখকৰ প্ৰতিভাশালী দক্ষতাৰ যে সু-প্ৰকাশ, তাক বৰ সুন্দৰকৈ আমি উপলব্ধি কৰিব পাৰো।

বুদ্ধ ধৰ্মৰ অনুগত দ্যাৱগে নৰবু আৰু তেওঁক চুৰবি গাঁৱৰ সহজ-সৰল মনপা জীৱনৰ আধাৰ হিচাপে কৃষিকৰ্মক সাৰোগত কৰি আগবঢ়া গ্ৰামীন জীৱনলৈ নামি অহা চীনা যুদ্ধৰ বিভীষিকাই দ্যাৱগে নৰবু আৰু তেওঁক পৰিয়ালৰ মাজলৈ আনে অশনি বতৰা। যুদ্ধৰ ভীষণতাত দ্যাৱগে নৰবুয়ে হেৰুৱাবলগীয়া হয় তেওঁৰ আজীৱন প্ৰেমিকা ৰিনচিন জোম্বাক। পৰৱৰ্তী পৰ্যায়ত এক নাটকীয় পৰিসমাপ্তিৰে জীৱনৰ



মাজভাগত তেওঁৰ পত্নী আৰু জীক পোহপাল দি থকাৰ সময়তে এক ৰহস্য ভেদ কৰি পৰিচয় হয় ৰূঢ় অতীতৰ সৈতে। য'ত তেওঁৰ পৰিচয় হয় পু�ৰণি প্ৰেমিকাৰ সৈতে অন্য এক ৰূপত। য'ত তেওঁ প্ৰেমিকাই খ্যাতি লাভ কৰে এগৰাকী আনে চাংগে নোৰলজোম (বৌদ্ধ সন্ন্যাসিনী) হিচাপে।

মানৰ জীৱনৰ সৰ্বোত্তম আকৃষ্টৰ উৎস হিচাপে প্ৰেমক এই পৰ্বটোত লেখকে মানৰ আকাংক্ষাৰ ঊৰ্ধ্বতম বিন্দু হিচাপে চিনাক্তকৰণ কৰিছে, যিয়ে তেওঁৰ বহল দৃষ্টিভংগীক দাঙি ধৰে এক আধ্যাত্মিক বিন্দুত।

সাধাৰণতে আধ্যাত্মিকতাক আমি চকু দিওঁ ৰহস্যৰ আবৃতত কিন্তু সিও যে মানুহৰ কৰ্ম প্ৰেৰণাৰ উৎস হ'ব পাৰে গ্ৰন্থ ভাগ পটি পটুৰেয়ে সুন্দৰকৈ উপলব্ধি কৰিব পাৰে। দালাই লামাৰ মনপা সমাজ কিদৰে চালিত হয় তাৰ উৎকৃষ্ট বৰ্ণনা গ্ৰন্থখনত সন্নিৱিষ্ট হৈ আছে। গ্ৰন্থখনৰ মহত্তম গুণসমূহ এনেদৰে উত্থান কৰিব পাৰি।

(ক) গ্ৰন্থ এখনে মানৰ মনৰ জ্ঞান তৃষ্ণা নিবাৰণ কৰোৱাৰ লগতে সম্ভেদ দিয়ে কিছুমান প্ৰেৰণাৰ উৎস আৰু কৌতুহলৰ। যিয়ে ভৱিষ্যৎ সু-নিশ্চিত কৰাত সহায় কৰে। এই গ্ৰন্থখনো ঠিক তেনেধৰণৰ গুণেৰে আবৃত্ত হৈ আছে। দ্যাৰাগ নৰবুৰ অকামিলা জীৱনৰ পৰা সুস্থিৰ জীৱনৰ গমনে তাৰে পৰিচয় প্ৰকাশ কৰে।


(খ) গ্ৰন্থই লেখকৰ দৃষ্টিভঙ্গীক কেৱল এটা বিষয়তে আৱদ্ধ নাৰাখি লৈ যায় ভিন্নতাৰ সোৱাদেৰে ভৰা জীৱনলৈ। দ্যাৰগে নৰবুৰ জীৱনৰ সোৱাদো ইয়াত অনন্য। কেৱল একমেয়ামিতাৰ পৰিচয় নাৰাখি কৌতুহলৰ প্ৰবাহক বোৱাই নিয়াত লেখকে ক্ৰটি কৰা নাই। আৰু ই পঢ়ুৱৈক দিয়ে গ্ৰন্থৰ প্ৰতি অন্য এক আকৰ্ষণ।

(গ) এখন গ্ৰন্থৰ উদ্দেশ্য বিশেষকৈ এই কাৰণকেইটাৰে বন্ধা থাকে মনোৰঞ্জন, সমাজলৈ বাৰ্তা, সমাজৰ হিতকাৰিতা এই গ্ৰন্থখনো ঠিক তেনেধৰণৰ গুণেৰে সমৃদ্ধ।

কিন্তু এই ক্ষেত্ৰত লেখকে এক চাতুৰ্যতাৰে পাঠকৰ দৃষ্টি কাটি নিবৰ বাবে প্ৰয়োগ কৰা সৰল ভাষাৰ মাৰ্ধুৰ্যতাই গ্ৰন্থখনৰ প্ৰতি আকৌ আকৰ্ষণ আনি দিয়ে। যিয়ে গ্ৰন্থখনৰ সৌষ্ঠৱহে বৃদ্ধি কৰিছে।

এখন ভাল কিতাপ কিয় ভাল বন্ধু হিচাপে গণ্য কৰিব পাৰি উক্ত কথাখিনিৰে ব্যক্ত কৰিবলৈ হয়তো কঠিন নহ'ব। সেয়ে ক'ব পাৰো জীৱনো এখন গ্ৰন্থই আৰু গ্ৰন্থও যে জীৱনৰ হুবহু অণুকৰণ হ'ব পাৰে সেয়া সঁচাকৈয়ে বিস্ময়কৰ আৰু মনোৰম।

য়েছে দেৱজে ঠংচিৰ দৰে জ্ঞানৰ সুধাই যাতে আৰু বেছি তাৰ আশা আমি পাঠক সমাজে সহায় কৰা উচিত।♦



মৰে অসম জীয়ে কোন—ৰীতা চৌধুৰী

অংকিতা ভট্টাচার্য্য

প্ৰস্তাৱনা ঃ

পুথি অধ্যয়নৰ গুৰুত্ব ঃ

ব্যাকৰণবিদ, সাহিত্যিক, সমালোচক, প্ৰবন্ধকাৰ সত্যনাথ বৰা। তেওঁৰ দ্বাৰা ৰচিত অমূল্য গ্ৰন্থ 'সাৰথি'ৰ অন্তৰ্গত 'পুথি অধ্যয়ন' নামৰ প্ৰবন্ধত উল্লেখ কৰিছিল যে — "পুথি অধ্যয়ন বিদ্যা উপাৰ্জনৰ এটি ঘাই উপায়। পুথি নপঢ়াকৈ কোনেও ক'তো বিদ্যা লাভ কৰিব নোৱাৰে। পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা। আনে থুপাই থোৱা ধন হাতত পৰিলে ধন আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ ধনৰ ফল ভোগ কৰিব পাৰি। সেইদৰে আনে থুপাই থোৱা বিদ্যা হাতত পৰিলে বিদ্যা আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ বিদ্যাৰ ফল ভোগ কৰিব পাৰি।"

গ্ৰন্থ সমালোচনাৰ বাবে নিৰ্বাচিত পুথিখনৰ পৰিচয় ঃ

গ্ৰন্থপ্ৰেমীসকলৰ মাজত এক পৰিচিত, চৰ্চিত তথা জনপ্ৰিয় নাম হ'ল- 'ৰীতা চৌধুৰী'। তেখেতৰ উপন্যাস নপঢ়া, নজনা, নুশুনা লোক অসমত আছে বুলি মোৰ মনে নধৰে। ২০২১ চনৰ জানুৱাৰী মাহত প্ৰকাশিত হ'ল তেখেতৰ সময়োপযোগী গ্ৰন্থ— "মৰে অসম জীয়ে কোন", এইখন ঠিক উপন্যাস নুবুলি, আংশিক আত্মজীৱনী বুলিলেও ভুল নহ'ব নিশ্চয়।

কিয়নো লেখিকাৰ জীৱনত অসম আন্দোলনৰ প্ৰভাৱ, অসম আন্দোলনৰ সৈতে জড়িত পোহৰলৈ কূটনৈতিক ৰাজনীতি, এই আন্দোলনত দেহে-কেহে খাটি শেষলৈ মোহভংগ হোৱা নতুবা আন্দোলনৰ জুইত জাহ যোৱা অথবা পথভ্ৰষ্ট হৈ স্বাৰ্থসিদ্ধিৰ বাট বুলা আন্দোলনকাৰী সকলৰ বৰ্ণনাৰে গ্ৰন্থখন পূৰ। এই গ্ৰন্থখনত লেখিকাই নিজকে এটা 'বিন্দু' বুলি বাৰম্বাৰ উল্লেখ কৰিছে। কেন্দ্ৰত আছে 'অসম আন্দোলন'ৰ বিষয়সমূহ। গ্ৰন্থখনৰ শিৰোনামে মোক চুম্বকে লোহাক আকৰ্ষণ কৰাৰ দৰে কৰিলে। মোৰ বাবে শিৰোনামটি কেৱল এটি নাম নহয়, এক আৱেগ। গ্ৰন্থখন ডিব্ৰুগত গ্ৰন্থমেলা, ২০২১ ৰ পৰা ক্ৰয় কৰিলোঁ।

ঔপন্যাসিকৰ পৰিচয় ঃ

ৰীতা চৌধুৰী অসমীয়া সাহিত্য জগতৰ এটি অতি জনপ্ৰিয় নাম। অসমীয়া সাহিত্য জগতৰ এগৰাকী কবি, উপন্যাসিক আৰু সাহিত্য অকাডেমি বঁটা বিজয়ী সাহিত্যিক। তেওঁৰ জীৱনৰ প্ৰথমখন উপন্যাস আছিল ১৯৮১ চনত লিখা 'অবিৰত যাত্ৰা', তেওঁৰ অন্যান্য উপন্যাস সমূহ হ'ল— 'তীর্থ ভুমি'-১৯৮৮,'মহা জীৱনৰ আধাৰশিলা'-১৯৯৩, 'নয়না', 'তৰালী', 'সুজাতা' ১৯৯৬, 'পপীৰা তৰাৰ সাধু'-১৯৯৮, 'ৰাগ মালকোশ' ৮৯১৯, 'জলপদ্ম'-১৯৯৯, 'হৃদয় নিৰুপায়'-২০০৩, 'দেও লাংখুই'-২০০৮, 'মাকাম'- ২০১০, 'এই সময় সেই সময়', 'ৰাজীৰ ঈশ্বৰ', 'জাহ্নবী', 'মায়াবৃত্ত'-২০১২, 'বিভ্রান্ত বাস্তৱ' আৰু 'মৰে অসম, জীয়ে কোন'-২০২১, তেওঁৰ কবিতাসমূহ—'সুদূৰ নক্ষত্ৰ'- ১৯৮৯, 'বনৰীয়া বতাহৰ সুঁহৰি'-১৯৯৬, 'অলপ পোহৰ অলপ আন্ধাৰ'-১৯৯৭, 'বগা মাটিৰ তুলসী'-১৯৯৯। তেখেতে লাভ কৰা কেতবোৰ বঁটা হৈছে - 'অসম সাহিত্য সভা বঁটা'-১৯৮৯, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা বঁটা- ২০০৩, সাহিত্য অকাডেমি বঁটা-২০০৮, অসম উপত্যকা সাহিত্য বঁটা-২০১৭ ।

গ্ৰন্থখনৰ বিষয়বস্তু ঃ

'মৰে অসম জীয়ে কোন' উপন্যাসখনৰ মূল বিষয়বস্তু অতীত অসমৰ 'অসম অন্দোলন'ৰ সময়ছোৱা আৰু মূল নায়িকা গৰাকী হৈছে এগৰাকী সৰু ছোৱালী (গ্ৰন্থখনত যি গৰাকী আন কোনো নহয়, গ্ৰন্থখনৰ লেখিকা গৰাকীয়ে আছিল সেই সৰু ছোৱালীজনী)। কম বয়সতে মাৰ্ঘেৰিটাৰ ছাত্ৰ সন্থাৰ সৈতে জড়িত হোৱা সৰু ছোৱালীজনীয়ে নিজে কেনেকুৱা পৰিস্থিতিৰ সন্মুখীন হৈছিল, আন্দোলনৰ শীৰ্ষ নেতৃবৃন্দই কেনেধৰণে সহায় কৰিছিল, এই সকলোবোৰৰ উপৰিও শীৰ্ষ নেতৃবৃন্দই কি ভুল

ছিল যি ভুলৰ বিপক্ষে সৰু ছোৱালীজনীয়ে মাত মাতিব
ও থমকি ৰ'ব লগা হৈছিল। গ্ৰন্থখনত উল্লেখ কৰা তাৰে
কাৰণ আছিল সেই সময়ছোৱাত ছোৱালীজনীৰ হাতত
ল সিদ্ধান্ত গ্ৰহণ কৰাৰ কোনো ক্ষমতা গ্ৰন্থখনৰ আটাইতকৈ
ৰ্ষণীয় দিশটো হ'ল প্ৰতিটো পৃষ্ঠা যিমানেই পঢ়ি গৈ থকা
, সিমানেই এটা কথা মনলৈ আহি থাকে সৰু ছোৱালীজনীৰ
লৈ কি হ'ব! উৎসুকপূৰ্ণ গ্ৰন্থখনৰ সমগ্ৰ কাহিনী স্কুলীয়া
ছোৱালীজনীয়ে আগবঢ়াই লৈ গৈ থাকে, তাৰ লগতে
টো চৰিত্ৰ সুন্দৰ ভাৱে বহু ধুনীয়াকৈ উপস্থাপন কৰা হৈছে,
বাবেই গ্ৰন্থখনৰ আচল সোৱাদ পুৰৈ সমাজৰ মাজত বিয়পি
ছে।

সহজ ভাষাত একেষাৰে ক'বলৈ গ'লে বৰ্তমানৰ
নপ্ৰিয় লেখিকা 'ৰীতা চৌধুৰী'ক বহুত ভালদৰে জানিব
চাৰিলে লগতে এখন ভিতৰুৱা গাঁৱৰ পৰা আহি কেনেদৰে
ওঁ আজিৰ সৰ্বোচ্চ পৰ্যায়ত উপনীত হৈছে এই সকলোবোৰ
থা জানিবৰ বাবে সকলো বয়সৰ লোকে পঢ়িব পৰা এখন
চ্চমানদণ্ডৰ গ্ৰন্থ হ'ল 'মৰে অসম জীয়ে কোন'।

ন্থখনৰ সমালোচনা ঃ

একেষাৰেই 'মৰে অসম জীয়ে কোন' গ্ৰন্থখনে আজিৰ
ৰ প্ৰজন্মক বাট দেখু�ৱাব পাৰে বুলি ক'ব পাৰি। কিয়নো
লেখিকাই কোৱাৰ দৰেই, আজিকালি ৰাজনৈতিক চকাৰ তলত
তি সহজে পিষ্ট হৈ যায় যুৱ প্ৰজন্মৰ সৎ, সবল, স্পৰ্শকাতৰ,
ৰোগপ্ৰবণ সত্তা। কূটনৈতিক ৰাজনীতি নুবুজা, ক্ষুদ্ৰ স্বাৰ্থ
বুজা, পৰিচ্ছন্ন মন একোটিক বিপথে পৰিচালিত কৰাৰ কিটিপ
জনা এচাম ধূর্ত লোকৰ প্ৰৰোচনাত যাতে পথভ্ৰষ্ট নহয় আজিৰ
তৰুণ তাৰ স্পষ্ট ইংগিত পোৱা যায় গ্ৰন্থখনৰ পাতে পাতে।

গ্ৰন্থখনৰ শেষৰ ফালে লেখিকাই পোনপটীয়াকৈ কৈছে
যে—"চকু, কাণ খোলা ৰাখি চলিবা। নিজৰ সিদ্ধান্ত নিজেই
ল'বা। সংগ্ৰামৰ পথ যদি ল'ব খোজা পতাকাধাৰী মানুহবোৰৰ
মুখবোৰ চাই প্ৰথমতে নিশ্চিত হৈ ল'বা। সেইবোৰ মুখ নে
মুখা। ভৰিৰ খোপনি ঠিকে ৰাখিবা নিজক গঢ়িবা।" (পৃষ্ঠাঃ
২৯৭)

নিৰ্ভীক, স্পষ্টবাদী লেখিকাই গ্ৰন্থখনৰ আদিৰ পৰা
অন্তলৈকে কেতবোৰ এনে প্ৰশ্ন দাঙি ধৰিছে যিয়ে আমাৰ মনক
অহৰহ উদ্বেলিত কৰি থাকে। যাৰ উত্তৰ যেন, কোনোবা
মকৰাজালৰ মধ্যত লাগি ধৰি আছে। লেখিকাই পাঠকক উচিত
প্ৰশ্ন কৰিবলৈ দেখুৱাইছে, উত্তৰৰ সন্ধান কৰাৰ পথটোৰ যেন
ব্লু-প্ৰিন্ট যুগুতাই দিছে।

"ক'লৈ যাব হিন্দুবোৰ? মুছলমানৰ বাংলাদেশ আছে
পাকিস্তান আছে আৰু কত মুছলমান দেশ আছে। হিন্দু ক'লৈ
যাব ভাৰতৰ বাহিৰে।... হিন্দু বিদেশী যাব লাগিব বুলি কৈ
থকালৈকে আলোচনা কেতিয়াও সফল নহয়। সফল হ'বলৈ
হ'লে হিন্দু বিদেশীৰ ক্ষেত্ৰত আপোচৰ সূত্ৰ উলিয়াবই লাগিব।"
(পৃষ্ঠাঃ ৯৮)

নিবাৰণ বৰাৰ সৈতে লেখিকাৰ এক আন্তৰিক
আলোচনাত তেখেতে কোৱা কথাবোৰৰ বৰ্তমানৰ অসমখনৰ
সৈতে অভূতপূৰ্ব মিল পৰিলক্ষিত হয়। বিদেশী সমস্যা, প্ৰব্ৰজনৰ
সমস্যাই সেই সময়তেই পোখা মেলিছিল যাক স্বাৰ্থান্বেষী
ৰাজনৈতিকে সাৰ-পানী যুগুতাই গ'ল আৰু আজি এজোপা
কাঁইটীয়া বিশাল বৃক্ষ ৰূপলৈ এই সমস্যাসমূহে অসমাকাশ
ছানি ধৰিছে।

এঠাইত লেখিকাই আন এক সমস্যাৰ কথা আঙুলিয়াই
দিছে এইবুলি—"শুনিবলৈ পাইছিলোঁ বৰাক উপত্যকাত প্ৰতি
বছৰে পালন কৰা ভাষা শ্বহীদ দিৱসৰ কথা। তেওঁলোকৰ
কাৰণে ভাষাৰ শ্বহীদ ৰঞ্জিৎ বৰ পূজাৰী নহয়, অনিল,
মোজাম্মিল, সূর্য বৰা নহয়। ঊনৈশ ষাঠি চনত অসমত অসমীয়া
ভাষাক একমাত্ৰ চৰকাৰী ভাষা হিচাপে ঘোষণা কৰি অসম
চৰকাৰে প্ৰকাশ কৰা চাৰ্কুলাৰ প্ৰতিবাদত বৰাক উপত্যকাত
হোৱা আন্দোলনত পুলিচৰ গুলীত মৃত্যু হৈছিল এঘাৰজন
মানুহ। তেওঁলোকৰ কাৰণে ভাষাৰ শ্বহীদ সেই এঘাৰজন মানুহ।
অথচ বৰাক উপত্যকা অসমৰ অংশ! (পৃষ্ঠাঃ ৯২)

এই ভাববোধক চিনটোৰে চিন্তান্বিত কৰি তোলে। সেই
সময়ত গজালি মেলা এই সমস্যাবোৰ তেতিয়াই কিয় উভালি
পেলোৱা নহ'ল। এনে প্ৰশ্নবোৰৰ উত্তৰ যেন বুজিও বুজিবৰ
ইচ্ছা নহয়। সহ্য নহয়। ৰাজনীতিকৰ খেলবোৰে এতিয়াৰ
প্ৰজন্মলৈ কেনে আশংকা নমাই আনিছে সেয়া জানো স্পষ্ট
কৈ বুজা নাযায়। সমস্যাবোৰৰ উৎসবোৰ আঙুলিয়াই দিছে
লেখিকাই নিৰ্ভীকতাৰে।

সেইসময়ৰ অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত ছাদুল্লাৰ
অৱস্থা, গোপীনাথ বৰদলৈৰ দেশৰ হিতাৰ্থে কৰা ত্যাগ আৰু
প্ৰচেষ্টা, আনহাতে, মৌলনা ভাসানীৰ কু-অভিসন্ধি উদঙাই
দিছে লেখিকাই পাঠকৰ সন্মুখত। এঠাইত উল্লেখ কৰিছে
এইবুলি— "সেই সময়ৰ ভাইছৰয় লৰ্ড আৰ্কিবল্ড পাৰ্সিভেল
ওৱাভেলে কৈছিল, এয়া গ্ৰোম'ৰ ফুড আঁচনি নহয়- গ্ৰোম'ৰ
মুছলিম আঁচনিহে।" (পৃষ্ঠাঃ ৭৩)

"মুছলীম লীগে অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ
দেহে কেহে খাটিছিল। মৌলনা ভাসানীৰ সপোন আছিল
পূৰ্ববংগ, পশ্চিমবংগ আৰু অসমক এক কৰি বৃহত্তৰ বাংলা

স্থাপন কৰা, এই বৃহত্তৰ বাংলাত সকলো বঙালীৰ অধিপত্য
নহয়— মাত্ৰ মুছলমান বঙালীৰ অধিপত্য থাকিব। অসমক
পাকিস্তানৰ লগত চামিল কৰিবলৈ সৰ্বশক্তিৰে চেষ্টা চলালে
ভাসানীয়ে। মুছলিম লীগ আহ্বান কৰা 'ডাইৰেক্ট একচন ডে'ত
নগাঁৰত কোন কোন মুছলমান নেতাই লড়কে লেংগে পাকিস্তান
শ্লোগান দিছিল জানা?...' নিবাৰণ বৰাই মোক দুটামান নাম
কৈছিল। তাৰে এজন নেতাৰ পুত্ৰ আজি কংগ্ৰেছৰ ডাঙৰ
নেতা।" (পৃষ্ঠাঃ ৮০)

এনে আৰু অসংখ্য বিস্ফোৰক তথ্যৰে এই গ্ৰন্থখন পূৰ।
এইখিনিতেই এটা কথা লেখিকাই স্পষ্ট কৰি দিছে যে, তেওঁ
মুছলিম বিৰোধী নহয়। কিন্তু এগৰাকী দেশপ্ৰেমী
আন্দোলনকাৰী হিচাপে লেখিকা পমুৰা বেদখলকাৰী আৰু
প্ৰত্যেকজন ব্যক্তিত্ব বিৰোধী যিয়ে, অসমীয়া খিলঞ্জীয়াৰ
অস্তিত্বলৈ ভাবুকি কঢ়িয়াই আনে। বাৰে বাৰে তৰুণ
তৰুণীসকলক নিজৰ বিবেকেৰে পৰিচালিত হোৱাৰ উপদেশ
লেখিকাই নিজৰ অভিজ্ঞতাৰ আধাৰত পৰোক্ষ আৰু
প্ৰত্যেক্ষভাৱে গ্ৰন্থখনত এইদৰে দিছে— "সাম্প্ৰদায়িক সংঘৰ্ষৰ
পটভূমি পৰ্দাৰ আঁৰত থকা মানুহে তৈয়াৰ কৰে। পৰ্দাৰ আঁৰৰ
পৰা পৰিচলনা কৰে। সেই জুইত ছগা হৈ জঁপিয়াই ৰাজনীতি
কূটনীতি বুজি নেপোৱা নিৰ্দোষী সাধাৰণ মানুহ।" (পৃষ্ঠাঃ ১০৫)

অসমৰ বৰ্তমান সময়ৰ ৰাজনীতি, সমাজনীতিক
বুজিবলৈ এই গ্ৰন্থখনত বহুতো তথ্য পোৱা যায়। ইতিহাসক
নজনাকৈ বৰ্তমানক বুজা নাযায় আৰু ভৱিষ্যতৰ উমান পোৱা
নাযায় সেয়েহে অসমৰ ভূত, ভৱিষ্যত আৰু বৰ্তমান এই তিনিও
ফালৰ থুলমূল ইংগিত পাবলৈ এই গ্ৰন্থখনে পাঠকবৃন্দলৈ অনেক
সমল যুগুতাব পাৰে। এই সমলবোৰক একোটা দিশ নিৰ্দেশন
হিচাপে লৈ গভীৰ অধ্যয়ন কৰি নিশ্চিতভাৱে পাঠকে ন ন
দিশ, দৃষ্টিভংগী উদ্ভাৱন কৰিব পাৰিব।

গ্ৰন্থখনৰ কেতবোৰ ইতিবাচক দিশ ঃ

(ক) অসম আন্দোলনৰ সময়ৰ অসমৰ সামাজিক
দিশবোৰৰ আভাস পোৱা যায়।

(খ) অসম আন্দোলনৰ সময়ত ৰাজনৈতিক, অৰ্থনৈতিক
দিশবোৰৰ বিষয়ে বিশদ বৰ্ণনা পোৱা যায়।

(গ) উগ্ৰপন্থী দল আৰু চৰকাৰৰ বৈপৰীত্যমূলক লক্ষ্য আৰু
উদ্দেশ্য জুইত জাহ যোৱা সৰ্বসাধাৰণ ৰাইজৰ বিলৈৰ
উমান পোৱা যায়।

(ঘ) জেইলৰ ভিতৰচোৱাৰ পৰিৱেশ, আৰু তাৰ লগত
সম্পৰ্কিত ৰাজনৈতিক পাকচক্ৰ বোৰৰ বৰ্ণনা
পোৱা যায়।

(ঙ) বুৰঞ্জীমূলক উপন্যাসৰ শাৰীত ই এক উল্লেখযোগ্য
উপন্যাস।

(চ) লেখিকাৰ চকুৰ আগতে শৈশৱৰ পৰা আজি পৰ্যন্ত
হোৱা অসমখনৰ সকলো দিশৰ পৰিৱৰ্তনৰ
দস্তাবেজ এই উপন্যাসখন।

(ছ) লেখিকা ৰীতা চৌধুৰীৰ আত্মজীৱনীমূলক ৰচনা এই
উপন্যাসখনে তেওঁৰ ব্যক্তিগত জীৱনৰ বিচিত্ৰবৰ্ণী
মুহূৰ্তবোৰ প্ৰকাশ কৰিছে।

(জ) ভাৰত পাকিস্তানৰ দেশবিভাজন, ভাৰত
বাংলাদেশৰ দেশ বিভাজন আৰু বহুতো গোপন
তথ্য লেখিকাই নিৰ্ভীকভাৱে উদঙাই দিছে।

(ঝ) ধৰ্মৰ নামত কৰা ৰাজনীতিক পাকে প্ৰকাৰে গৰিহণা
দিছে লেখিকাই এই উপন্যাসখনত।

গ্ৰন্থখনৰ কেতবোৰ নেতিবাচক দিশঃ

গ্ৰন্থ সমালোচনা কৰিবলৈ সাহিত্যৰ প্ৰতিটো দিশৰ বিশদ
জ্ঞান থকা অতি গুৰুত্বপূৰ্ণ। সেই জ্ঞান মই এতিয়াও লাভ কৰা
নাই। সেয়েহে এগৰাকী পাঠিকা, স্নাতক ছাত্ৰী হিচাপে নিজৰ
মনোভাব দাঙি ধৰিবলৈ চেষ্টা কৰিছো

(ক) গ্ৰন্থখন পঢ়িলে লেখিকাই নিজৰ প্ৰশংসাত মাজে
মাজে মগন হৈ পৰিছে যেন বোধ হয়।


(খ) লেখিকাৰ ব্যক্তিগত জীৱনৰ মাজৰ অসন্তুষ্টি আৰু
হতাশাবোৰৰ বিৱৰণ পঢ়ি আৰু তেওঁৰ নিজ মুখে
নিজৰ ব্যক্তিত্বক লৈ কৰা প্ৰশংসাবোৰ কোনো কোনো
ঠাইত খাপ নোখোৱা যেন বোধ হয়।

পৰামৰ্শঃ

মই এগৰাকী ন- পাঠিকা হিচাপে প্ৰতিষ্ঠিত লেখিকা,
ঔপন্যাসিক ৰীতা চৌধুৰীৰ দ্বাৰা ৰচিত উপন্যাস 'মৰে অসম
জীয়ে কোন'ৰ বিষয়ে পৰামৰ্শ দিবলৈ অপৰাগ। কিন্তু এগৰাকী
ছাত্ৰী হিচাপে মই অনুৰোধ কৰিব বিচাৰোঁ যে এটা পটভূমিত
নিজৰ প্ৰশংসাত মাজে মাজে মগন হৈ পৰিছে যেন বোধ হৈছিল
গতিকে অন্য বিষয়ৰ ওপৰতো গুৰুত্ব দিবলৈ অনুৰোধ কৰিছো।

সামৰণি ঃ

উপন্যাস একোখন সমাজৰ দাপোন। ই একোটা
সামাজিক অৱস্থা প্ৰকট কৰে কল্পনা আৰু বাস্তৱৰ সাজসজ্জাৰ
লগতে ৰাজনৈতিক প্ৰেক্ষাপটত বিভূষিত কৰে। উক্ত
উপন্যাসখন বৰ্ণনাশৈলী, স্পষ্টবাদীতা, সাহসিকতাৰ পৰিচায়ক।
কালিকা লগা অসমৰ এছোৱা সময়ক দৰ্শোৱা এক দুখৰ
দস্তাবেজ।♦



এধানী মাহীৰ হাঁহি—মহিম বৰা

উপমা শর্মা

উক্ত উপন্যাসখনি সামাজিক উপন্যাসৰ শ্রেণীভুক্ত। চৰিত্ৰ কেন্দ্রিক উপন্যাসখনৰ ঘটনাৰ বিৱৰণ সৰল তথা ৰচনাত্মক। উপন্যাসৰ চৰিত্ৰৰ উপস্থাপনো পোনপটীয়া। পৰাধীন ভাৰতৰ স্পষ্ট চিত্ৰ অংকিত উপন্যাসখনত আছে অসমীয়া চহা জীৱনৰ সুৱাস। সৌ তাহানিৰ আলি-পদুলি, ঘৰ-দুৱাৰ, ধর্ম, ৰীতি, জীৱন প্রণালীৰ বর্ণনা উপন্যাসখনত বিদ্যমান। তাৰোপৰি পুৰণি অসমৰ অস্বচ্ছল যাতায়ত ব্যৱস্থা আৰু বাগানৰ চাহাৰ তথা কর্মচাৰীৰ সৈতে সাধাৰণ জনতাৰ জীৱন ধাৰণ প্রণালীৰ তৈফাৎ উল্লেখিত। লগতে আছে, সেই সময়চোৱাৰ অর্থাৎ পৰাধীন ভাৰতৰ অর্থনীতি আৰু সমাজনীতিৰ আভাস। তাৰোপৰি স্বাধীনতা আন্দোলনৰ জোৱাৰ ভাঁটাই আহি অসমৰ অর্থটিত মৰা হাতোৱাৰ কোবৰ তীব্রতা উমান পোৱা যায়।

সমাজৰ গতিশীলতাৰ সৈতে খোজ মিলাবলৈ আগবাঢ়ি ধর্ম নামৰ ভেঁটিটোত আপোনলোকৰ মাজত হোৱা অৰিয়া- অৰিৰো যৎ কিঞ্চিৎ বর্ণনা। লগতে গান্ধীজীৰ 'অহিংসা' নীতিৰ আঁত ধৰি যঁতৰত দেখা সপোনৰ চানেকিৰ উপমাও ঔপন্যাসিকৰ কাপত বিদ্যমান।

জ্ঞানেন্দ্র বায়ন ওৰফে এধানী মাহীৰ মৰমৰ দেউকণ হেঁছে উপন্যাসখনৰ কাহিনীৰ কথক। এধানী মাহী দেউকণৰ বুঢ়ীমাকৰ ভনীয়েকৰ জীয়েক। এধানী মাহীৰ মাক-দেউতাক ঢুকোৱাত ককায়েক-নবৌৰেকৰ লগত মিলি থাকিব নোৱাৰি তেখেতে অকলশৰীয়া হোৱা দেউকণৰ ককাদেউতা-বুঢ়ীমাকৰ লগত থাকিবলৈ লয়হি। এল পি স্কুল পাছ কৰাৰ পিছত দেউকণক মাক-দেউতাকে ককাদেউতা-বুঢ়ীমাকৰ ঘৰত মাইনৰ স্কুলত ইংৰাজী চাৰিটা শ্রেণী পঢ়িবলৈ পঠিয়ায়। এই সম্পূর্ণ চাৰিটা বছৰ দেউকণে এধানী মাহীৰ মৰম-আদৰ তথা আপডালত অতিবাহিত কৰে। এনেদৰে উপন্যাসখনৰ কাহিনীটো খৰস্রোতা নৈৰ গতিৰ দৰে আগবাঢ়ে। এধানী মাহীৰ ভোলানাথ কলিতা নামৰ এগৰাকী গান্ধীবাদী লোকৰ সৈতে বিয়া হয়। এখেত স্বদেশী আন্দোলনৰ প্রচাৰ চলোৱা তথা নিৰাশ্রয় বিধৱা-তিৰোতা আৰু ভকতসকলক আশ্রয় প্রদান কৰা এখন আশ্রমৰ ভলন্টিয়াৰ আছিল। এধানী মাহীৰ বিয়াৰ বর্ণনাই সেই সময়ৰ সামাজিক ৰীতি-নীতিসমূহ পৰিস্ফুট কৰি তুলিছে। বিয়াৰ পিছত এধানী মাহীয়ে ভোলানাথৰ সহধর্মিণী হিচাপে আশ্রমত সূতা কটা, কাপোৰ বোৱা, পলু পোহা, বামখেতি

"প্রথমে ওঁঠৰ মাজ দুটা লগলগাই, লগে লগে ওঁঠ দুখন টিপা মাৰি ধৰি, লাহে লাহে ওঁঠ আতৰাই দিয়াৰ লগে লগে নীৰৰ মিচিকি হাঁহিটোৰে মুখমণ্ডলত, চকুৰ মণি দুটাত, ডাঠ ক'লা চেলাউৰি দুটাত কঁঠালগুটীয়া নিগনি এটাৰ দৰে দৌৰা-দৌৰি কৰিবলৈও ধৰে। শেষ মুহূর্তত ওঁঠ দুখন টিপা মাৰি ধৰাৰ লগে লগে হাঁহিটো দুভাগ হৈ চকুৰ মণি দুটাত থিৰ হৈ পৰে, লাটুম এটা কোঁ-কোৱাই ঘূৰি থিৰ হৈ পৰাৰ দৰে।"

কৰা ইত্যাদি কামত সহায়-সহযোগিতা কৰি তাতে থাকিবলৈ লয়। দেউকণেও সেই সময়তে চাহ বাগানৰ চাকৰি পায়। গতিকে ককাদেউতা-বুঢ়ীমাকৰ ঘৰত থকা চাৰিবছৰীয়া জীৱনৰ সমাপ্তি ঘটাই সি চাহ বাগানত থাকিবলৈ লয়। কেইবছৰমান পাছত ভোলানাথ কলিতাৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিছত এধানী মাহীয়ে পত্নীধর্ম পালন কৰি আশ্রমতেই থাকে। সেই সময়ত দ্বিতীয় বিশ্বযুদ্ধৰ প্রভাৱ অসমতো পৰাৰ কথা উপন্যাসখনত বর্ণিত হৈছে। এইখিনিতে নিত্য ব্যৱহার্য সামগ্রীসমূহৰ দৰ বৃদ্ধি পোৱাকে আদি কৰি বিভিন্ন সামাজিক পৰিৱর্তনৰ দৃশ্য ভাহি আহে। এধানী মাহী এবাৰ বাগানলৈ আহি দেউকণৰ বিয়া ঠিক কৰি থৈ যায়। ইয়াৰ এমাহৰ পিছতেই মুখেৰে নক'লেও দেউকণৰ মনৰ কথা বুজি পোৱা এধানী মাহীৰ মৃত্যু হয়। সংক্রামক ৰোগ কলেৰাই আশ্রমৰ ওচৰৰ গাঁও উছন্ন কৰি পেলোৱাৰ সময়ত এধানী মাহীয়ে সেই ৰোগাক্রান্ত লোকসকলক শুশ্রূষা কৰি নিজেও সেই ৰোগত আক্রান্ত হয় আৰু জীৱন ৰৈতৰণী পাৰ কৰে। লেখকে আমৃত্যু এধানী মাহীৰ ওঁঠত লাগি থকা বিশেষ, বিৰল হাঁহিটিৰ বর্ণনা দিছে এনেদৰে— "প্রথমে ওঁঠৰ মাজ দুটা লগলগাই, লগে লগে ওঁঠ দুখন টিপা মাৰি ধৰি, লাহে লাহে ওঁঠ আতৰাই দিয়াৰ লগে লগে নীৰৰ মিচিকি হাঁহিটোৰে মুখমণ্ডলত, চকুৰ মণি দুটাত, ডাঠ ক'লা চেলাউৰি দুটাত কঁঠালগুটীয়া নিগনি এটাৰ দৰে দৌৰা-দৌৰি কৰিবলৈও ধৰে। শেষ মুহূর্তত ওঁঠ দুখন টিপা মাৰি ধৰাৰ লগে লগে হাঁহিটো দুভাগ হৈ চকুৰ মণি দুটাত থিৰ হৈ পৰে, লাটুম এটা কোঁ-কোৱাই ঘূৰি থিৰ হৈ পৰাৰ দৰে।"

উপন্যাসখনৰ ধনাত্মক দিশ ঃ

সুন্দৰ, সুষ্ঠ আৰু সাৱলীল গাঁৱৰ বর্ণনা কিম্বা প্রাক স্বাধীনতাৰ কালচোৱাৰ বর্ণনাই পাঠকৰ অনুভৰি মনটোক অতীতৰ ধূসৰ স্মৃতি সমূহক ওচৰৰ পৰা অনুভৱ কৰাৰ অৱকাশ দিব। কাহিনীৰ সৰলতাই সকলো শ্রেণীৰ পাঠকৰ বাৰে উপন্যাসখনক সুখপাঠ্য কৰি তুলি ধৰিছে। সীমিত আৰু ক্ষণস্থায়ী ভাৱে অনেক চৰিত্রই অগাদেৱা কৰিলেও, কাহিনীৰ সোঁতৰ মাজত মূল চৰিত্র দুটিয়ে অস্তিত্ব হেৰুওৱা নাই।

অসমীয়া সমাজৰ এলান্ধুকলীয়া হ'লেও সমাজ-স্বাস্থ্যৰ বাবে উপকাৰী আজিৰ যুগত হেৰাই যোৱা কিছু নীতি-ৰীতিৰ আভাস।

উপন্যাসখনৰ ঋণাত্মক দিশসমূহ

একোটি কথাৰ অত্যাধিক তথা লেহেমীয়া বর্ণনাই কিছুসংখ্যক পাঠকক বিৰক্ত কৰাৰ থল আছে। ◆

সাৰথি—সত্যনাথ বৰা

জাহ্নৱী দত্ত

"পুথি অধ্যয়নে হৈছে জ্ঞান আহৰণ মূল চাবি কাঠি"—সত্যনাথ বৰা

গ্রন্থ হৈছে সমাজ, সভ্যতা, সংস্কৃতিৰ প্রগতিৰ বার্তাবাহক আৰু পৰিচয় দাতা। গ্রন্থ অধ্যয়ন কৰি যুগ যুগান্তৰৰ পৰা মানুহে ঐতিহ্য উন্মেষণ কৰাই নহয়, জীৱনবোধৰ পৰিপূর্ণ বিকাশতো ই সহায়ক হৈছে। গ্রন্থ অধ্যয়নে মানুহক জ্ঞানৰ লগতে সত্যৰ পথো দেখুৱায় ইয়াৰ দ্বাৰা দেশ বিদেশৰ নানা ইতিহাস, ইতিহাসৰ কাহিনীৰ বিষয়ে বিশদভাৱে জানিব পাৰি। ভাৰতীয় সমাজ জীৱনত প্রাচীন কালৰে পৰা অধ্যয়নক এক সাধনাৰূপে মর্যাদা প্রদান কৰা হৈছে। অধ্যয়নৰ দৰে কঠোৰ সাধনাৰ দ্বাৰা মানুহে নিজকে অজ্ঞান অন্ধকাৰৰ পৰা জ্ঞানৰ পোহৰলৈ আলোকিত হোৱাৰ পথত অগ্রসৰ হ'ব পাৰিছে।

পুথি অধ্যয়নৰ জৰিয়তে যিহেতু মানুহৰ মানসিক চাহিদাৰ লগতে মানসিক বিকাশ সম্ভৱ সেয়ে এই মানসিক চাহিদা পূৰণৰ অর্থে মই মাজে সময়ে পাঠ্যপুথিৰ বাহিৰেও দুই এখন গ্রন্থ অধ্যয়ন কৰোঁ। তেনে গ্রন্থবোৰৰ ভিতৰত অসমীয়া সাহিত্য জগতৰ এগৰাকী বলিষ্ঠ লেখক সত্যনাথ বৰাদেৱৰ 'সাৰথি' গ্রন্থখনকে মোৰ প্রিয় গ্রন্থ হিচাপে নির্বাচন কৰিছোঁ। এই গ্রন্থখনত জীৱন-মুখী চিন্তাৰ সার্থক প্রতিফলন ঘটিছে। চৰিত্রবোধ, নীতিশিক্ষা, আৰু মূল্যবোধ সম্পর্কীয় বহুতো আৱশ্যকীয় প্রবন্ধ এই গ্রন্থখনত সন্নিবিষ্ট হৈ আছে। স্বাস্থ্য আৰু শ্রম সম্পর্কীয় নানা সাৰগর্ভ কথাৰেও সাৰথি গ্রন্থখন সমৃদ্ধ।

অসমীয়া সাহিত্যজগতত আটাইতকৈ শক্তিশালী আৰু প্রতিভাশালী প্রবন্ধ লেখকসকলৰ ভিতৰত সত্যনাথ বৰাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এইগৰাকী লেখকৰ জন্ম হয় ১৮৬০ চনত গুৱাহাটীৰ ভৰলুমুখত। সত্যনাথ বৰাদেৱে সুখ্যাতিৰে আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰে। স্কুলীয়া দিনৰ পৰাই সাহিত্যৰ প্রতি আকর্ষিত বৰাদেৱে সাহিত্য বিচাৰ, বহুল-ব্যাকৰণ আদি কেইবাখনো পুথি ৰচনা কৰে। বিবিধ বিষয়ৰ ওপৰত ৰচনা কৰা তেখেতৰ সাৰুৱা, মৌলিক প্রবন্ধবোৰ আসাম বন্ধু, মৌ, জোনাকী, বিজুলী আদিত প্রকাশ পায়। যথোচিত চিন্তা

আৰু পৰ্যবেক্ষণ শক্তিৰে সমৃদ্ধ বৰাদেৱৰ গদ্য সংকলনত নিভাঁজ ঘৰুৱা গদ্যৰীতি আৰু জতুৱা ঠাঁচৰ উপযুক্ত ব্যৱহাৰ দেখিবলৈ পোৱা যায়। ১৮৮৮ চনত প্ৰকাশিত 'গীতাৱলী' নামৰ গীতৰ পুথিখনে বৰাদেৱক এজন গীতিকাৰৰূপে পৰিচয় দাঙি ধৰে।

সাহিত্যৰ মুকুতাবুলীয়া সৃষ্টিৰাজীসমূহে পাঠকৰ মনৰ দেউলত এক অমৃতময় টোৰ সৃষ্টি কৰে। অসমীয়া সাহিত্য জগতলৈ আশাৰ জেউতিৰ অনুৰণন তোলা তেনে এখন গ্ৰন্থ হ'ল— 'সাৰথি'। বৰাদেৱৰ 'সাৰথি' গ্ৰন্থ খন যেন মোৰ জীৱনযাত্ৰাৰো সাৰথি হৈ পৰিছে। তেখেতে কিতাপখনৰ পাতনিতে উল্লেখ কৰিছে—

"জীৱনযুদ্ধৰ কৌশলবিলাক ব্যাখ্যা কৰাত সুৱলা হৈছে নে নাই সেই কথাত ৰাইজে বিচাৰ কৰিব। কিন্তু মই সেইবিলাক জনাই থ'ব খোজো যে পুথিখনত মনেৰে ভাবি থকা কোনো কথা লিখা হোৱা নাই।"

এই গ্ৰন্থখন মই বহুবাৰ অধ্যয়ন কৰিছোঁ আৰু প্ৰত্যেকবাৰতে কিছুমান নতুন কথা শিকিবলৈও পাইছো। ইয়াত কোনো কল্পনাৰহণ থকা ভাবৰ সমাৱেশ পৰিলক্ষিত নহয়। চাৰিটা ভাগত বিভক্ত অনুসূচীৰ প্ৰথম ভাগত আছে 'মনুষ্য জীৱনৰ লক্ষ্য', 'বিদ্যা', 'পুথি অধ্যয়ন', 'ৰৰলোকৰ চৰিত্ৰ অধ্যয়ন' ইত্যাদি প্ৰবন্ধ। দ্বিতীয় ভাগত আছে 'চৰিত্ৰ', 'দয়া', 'ন্যায়শীলতা' আদি, তৃতীয় ভাগত 'কৰ্ম', 'শ্ৰম', 'উৎসাহিত' আদি আৰু চতুৰ্থ ভাগত আছে 'স্বাস্থ্য', 'ভোজন', 'শয়ন' আদি প্ৰবন্ধৰ শৰাই।

জীৱনৰ বাটত আদৰ্শৰ বাহক হ'ব পৰা নানা গুণৰ বিষয়ে শুৱলা ভাষাৰ মাধ্যমেৰে লেখকে গ্ৰন্থখনিত এনেদৰে



প্ৰকাশ কৰিছে—

ক। "এতেকে অন্ন জলতে যত্ন, চেষ্টা শেষ নকৰি সকলোৱে জীৱনৰ অন্তলৈকে উদগতিৰ অনন্ত পথত চলি থকা উচিত। (মনুষ্য জীৱনৰ লক্ষ্য)

খ। "নম্ৰতা সজ ব্যবহাৰৰ অনুপান। উচিত আনুপানেৰে ঔষদ খালে সি বেছি গুণ দিয়ে। সেইদৰে সজ ব্যৱহাৰত নম্ৰতা মিহলালে তাৰো উপকাৰ সৰহ।" (অন্যৰ প্ৰতি ব্যৱহাৰ)

গ্ৰন্থখনৰ প্ৰতিটো প্ৰবন্ধৰ ভাষাৰ মাধুৰ্যই সোণত সুৱগা চৰাইছে। প্ৰতিটো প্ৰবন্ধতে পাঠকে শাশ্বত আৰু নিজৰ জীৱনৰ লগত খাপ খোৱা চিৰন্তন সত্যৰ সৈতে পৰিচয় হ'বলৈ সক্ষম হ'ব। সহজ সৰল অসমীয়া ভাষাতে ৰচিত গ্ৰন্থখনৰ লেখনিসমূহ সৰ্বসাধাৰণ লোকৰ বাবে বোধগম্য। সূক্ষ্ম বিন্দুবোৰৰ সুন্দৰ উপস্থাপনেৰে গ্ৰন্থখনক প্ৰথমৰ পৰা শেষলৈকে যি সাৱলীল গতি প্ৰদান কৰিছে সেইয়া অতুলনীয়। এই গ্ৰন্থখনি মোৰ প্ৰিয় হোৱাৰ কাৰণ হ'ল— ইয়াৰ ভাষা ৰীতি। চুটি চুটি বাক্যই 'সাৰথি' গ্ৰন্থখনৰ সৌন্দৰ্য বৰ্ধন কৰিছে। জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ ব্যৱহাৰে গ্ৰন্থখনৰ ভাষা সহজ সৰল কৰি তুলিছে। ইয়াত কোনো অতিৰিক্ত বৰ্ণনাৰ দৃষ্টিগোচৰ নহয়। তাৰ পৰিৱৰ্তে কম কথাৰে সকলো কথাৰ বিৱৰণ সুন্দৰৰূপত সজাই তোলা হৈছে। এনেবোৰ গুণৰ বাবে 'সাৰথি' গ্ৰন্থখন অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। অসমীয়া সমাজ জীৱনৰ কথা নিভাঁজ ভাষা ৰীতিৰে পৰিপূৰ্ণ বৰাদেৱৰ এই গ্ৰন্থখনি এখন উল্লেখনীয় গ্ৰন্থ। উদাহৰণস্বৰূপে—


"ৰাতি জাগৰণ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক। এদিনলৈ উজাগৰে থাকিলে দুদিনলৈ গা গেৰেৰ্ড-গেৰ্থেড লাগে।" (শয়ন)

মুঠতে জীৱনমুখী ভাৱনা আৰু নৈতিক চিন্তাৰে সমৃদ্ধ সাৰথি গ্ৰন্থখনক মোৰ প্ৰিয় গ্ৰন্থৰূপে নিৰ্বাচন কৰি লৈছোঁ,যাৰ মাপকাঠি মোৰ নিজস্ব চিন্তাৰ উন্মেষেৰে উদ্ভাসিত কৰা হৈছে।

গ্ৰন্থ অধ্যয়নে মানুহক বিবিধ চিন্তাৰ উন্মেষ ঘটায়, লগতে বিভিন্ন বিষয়ৰ জ্ঞান আহৰণৰ ক্ষেত্ৰতো ই যথেষ্ট সহায়ক হয়। ঠিক সেইদৰে 'সাৰথি' গ্ৰন্থখনিয়ে মোক বহুতো নজনা কথাৰ সন্ধেদ দিলে আৰু জীৱনৰ বিভিন্ন সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰিলে। এনে এখন জীৱন আৰু জগতমুখী চিন্তাধাৰাৰে সন্নিৱিষ্ট গ্ৰন্থই ছাত্ৰসমাজত যথেষ্ট বিস্তাৰ লাভ কৰিব বুলি মই আশা পোষণ কৰিছোঁ। কিয়নো বৰ্তমান সমাজৰ বাবে নৈতিকতা আৰু মানৱতাৰ শিক্ষা অতীৰ প্ৰয়োজন। এনে শিক্ষা আহৰণ কৰিবৰ বাবে 'সাৰথি' গ্ৰন্থখন নিশ্চয় সহায়কৰূপে থিয় দিব।◆

উৎস ঃ 'অসমীয়া বহল ব্যাকৰণ' আৰু 'সাৰথি'— সত্যনাথ বৰা।

গল্প



পংকিল

চিৰঞ্জীৱ সন্দিকৈ

ষ্টুডেণ্ট ইউনিয়নৰ কাৰ্যভাৰ গ্ৰহণ কৰা কাৰ্যসূচী সমাপ্ত হোৱা আজি দুই-তিনিমাহ পাৰ হৈ গ'ল। কলেজৰ সেই উখল-মাখল পৰিৱেশ, নিৰ্বাচনী প্ৰতিনিধি প্ৰাৰ্থীৰ সমৰ্থকৰ কোলাহল শাম কাটিল। মাত্ৰ সলনি হ'ল বিজয়ী প্ৰাৰ্থীৰ ড্ৰেচ-কোড। এতিয়া ক'লা-ক'লা ব্লেজাৰ আৰু সোণালী ৰঙৰ নেইমবেজ পিন্ধা মানুহ দেখিলেই গম পোৱা যায় সি বা তাই এইবাৰ ইউনিয়নৰ মেম্বাৰ। সকলোবোৰ ঠিকেই আছে মাত্ৰ ঠিকেই নাই মানুহৰ মনবোৰ। ন্যায়-নীতি, সততাৰ নামত ভোট খোজা, নেতাৰ দৰে ভাষণ দিয়া কেইজনমান বিজয়ী প্ৰাৰ্থীৰ চৰ্চা এতিয়া কলেজৰ ল'ৰা-ছোৱালীৰ মাজত ঘুনুক-ঘানাককৈ ওলাবলৈ আৰম্ভ কৰিছে। "অই, তাই আহিয়েই ইমান টকা পকেটত ভৰালে, তই জাননে আমুক ছেক্ৰেটাৰীয়ে ইমান টকা খাই দিলে বে, ইচ, তাৰ লেবেল কি চাবা, ইউনিয়নৰ মেম্বাৰ নহয় যেন মেম্বাৰ অফ পাৰ্লিয়ামেন্ট হে একবাৰে" (অশ্লীল) দেখিব মন নাযায়, প্ৰথমে ভোটৰ কাৰণে মাটিত বাগৰি বাগৰি নাচিলে, এতিয়া মহাৰাজে দেখিলে মাত লগোৱাতো দূৰৰে কথা ঘূৰিও নাচায়..।" শুনি শুনি অসহ্য লগা হৈছে অগম্যাৰ। কলেজখনত তাইৰ এইবাৰ লাষ্ট চেমিষ্টাৰ, অহা দিনাখনৰে পৰা তাই এইবোৰ নাটক দেখি আহিছে। তাইৰ মনত কলেজ ইলেকশ্যন এটা ভেকু- ভাওনাৰ বাদে একো নহয়। মদ-মাংস, পইচা আৰু নিলৰ্জতা থাকিলে যিকোনো মানুহেই ইলেকশ্যন খেলিব পাৰে, জিকিব পাৰে। ভাল মানুহো এইবোৰ পলিটিকচত সোমাই লেতেৰা হয়। বোকাৰ বাদে ইয়াত একো নাই। ভাবিছিল এইবাৰ শেষৰটো চেমিষ্টাৰ। এইবাৰ এইবোৰৰ পৰা আঁতৰত থাকিব। আগতে যদিও ইলেকশ্যন খেলা নাই তথাপিও ভাষণ লিখাৰ পৰা, প্ৰচাৰ, সমৰ্থক আদিৰ কাৰ্যবোৰ কৰিছিল। কিন্তু এইবাৰ নকৰোঁ বুলি ভাবোতেই ঋষি, মৈথিলীহঁতৰ ইলেকশ্যনৰ ভূতে লম্ভিলে। নকৰোঁ বুলিলেও বাধ্য হৈ সহায় কৰিব লগাত পৰিল। বাৰে বাৰে মানা কৰিছিল তাই এইবোৰ ভাল নহয়। একো ভাল কামো কৰিব নোৱাৰি, পঢ়া-শুনাও বৰ্বাদ আৰু এসোপামান বদ্‌নাম। কিন্তু অকঁৰা মৈত উঠিলে নমাব নোৱাৰি। ছাত্ৰ সংগঠনত সোমাই, টকা-পইচা ঢালি জিকিল, কিন্তু কিবা লাভ হ'লনে? নহ'ল। এই দুই-তিনি মাহতে অগম্যাই জ্বলা-কলা দেখি গৈছে। ইলেকশ্যনে, পদে ইহঁতক খুউব স্বাৰ্থপৰ কৰি তুলিলে, ইহঁতৰ টকাৰ খঁক সোমাই গ'ল মনত। নিৰ্দোষ, অমায়িক ঋষি, মৈথিলী, অমিয় সব আজি অচিনাকি যেন লাগে তাইৰ। আগতে একেলগে কিমান ফুৰ্তি কৰিছিল, কথা পাতিছিল, সুখ-দুখবোৰ ভগাই লোৱাৰ চেষ্টা কৰিছিল কিন্তু এতিয়া? এতিয়া ইহঁতৰ ফোন আহে কেৱল এপ্লিকেশ্চন লিখি দিবলৈ, প্ৰতিযোগিতালৈ যাবলৈ অথবা নথি-পত্ৰৰ কাম থাকিলে। খং উঠে অগম্যাৰ, বহুত খং উঠে। কিন্তু এতিয়া খং কৰিও যেন একো লাভ নাই। সেইবাবে লাহে লাহে আঁতৰি আহিছে সিহঁতৰ পৰা, ছচিয়েল মেডিয়াত আনফ'ল' কৰিছে, ব্লক কৰিছে, হোৱাটছ এপতো মিউট কৰিছে। মুঠতে সিহঁতৰ পৰা আঁতৰি আহিব লাগে। উশাহটো চেপ খাই যায় সিহঁতৰ ওচৰলৈ গ'লে। আচৰিত হয় তাই যিবোৰ মানুহৰ ওচৰত তাই মুকলি হোৱাৰ সুযোগ পাইছিল সেইবোৰ মানুহ আজি তাই আপোন আপোন যেন নালাগে। এদিনৰ কথা ইন্টাৰ কলেজৰ বিষয়ক লৈ অমিয়ক তাই কিবা এষাৰ টানকৈ ক'লে; আগতে হোৱা হ'লে সি নম্ৰ ভাৱে উত্তৰ দিলেহেঁতেন কিন্তু সেইদিনা অপ্ৰত্যাশিত ভাৱে ক'লে—"আগৰ বা, মই পলিটিকচত সোমোৱাৰ কাৰণে কি তুমি মোক দেখিব নোৱাৰা হৈ গ'লা?" অলপ সহায়ৰ বাবে অগম্যা, বজ্ৰাহঁত মানুহৰ দৰে হৈ পৰিল। এই ভাইৰ দৰে ল'ৰাটোৱেই তাইক আজিলৈকে ডাঙৰকৈ মাতিও পোৱা নাই, আজি সকলোৰে আগত এনেকৈ কৈছে। ইমান অহংকাৰ, ইমান স্খলন! অলপ ৰৈ অগম্যাই স্পষ্টকৈ ক'লে—

"ইলেকশ্যনৰ আগত কৈছিলি ভুল হ'লে দেখুৱাই দিবা, দৰকাৰ পৰিলে বেয়া দেখিলে চৰিয়াই দিবা। সেইকাৰণে তোৰ

লটোকে দেখুৱাই দিছিলো। কিন্তু তোৰ এই দুটকীয়া ফটা
লিটিকচৰ লগত মোৰ একো সম্পৰ্ক নাই। ইয়াৰ পাপৰ ভাত
ম বুলি তই নিজে বাচি লৈছ যেতিয়া যা মোৰ ক'ব লগা
কো নাই। কিন্তু মই আছো বাবে মাত মাতিমেই, যদি বেয়া
ইছ মই ইণ্টাৰ কলেজৰ কামত আৰু লাগিব নাই। নিজে
জে চাই ল' কি কৰ, নকৰ। মোৰ নামটো খালী কাটি পেলাবি
টিচিপেণ্টৰ লিষ্টৰ পৰা।" তাৰ পাছত তাই ওলাই গ'ল সিহঁতৰ
জৰ পৰা। ৰাতিলৈ সকলোৱে ফোন আহিল। কোনোবাই
জাইছে। কোনোবাই এপ'ল'জীৰ কথা কৈছে, কোনোবাই
ৱেগিক কথাৰে মন ভোলাবলৈ যত্ন কৰিছে। নাটকখন
গম্যাই বুজি পাইছিল, কিন্তু তাই বেছি পৰ নাটকখনৰ ৰং
ই নাথাকিল। বহু ভাবি-চিন্তি অৱশেষত লিষ্টত নামটো
কিবলৈ দিলে। কিন্তু নিজকে ক'লে এইবাৰ কলেজ কেৱল
জৰ বাবে যাব, নিজৰ ভালৰ বাবেহে প্ৰতিযোগিতাত অংশ
হণ কৰিব আৰু সেইমতে কৰিলেও। মাত্ৰ এটা কথাই তাইক
াজিও বুকুত খুঁচি থাকে যে কিয় এনেকুৱা হ'ল। কিয় এই
লেকশ্যনে মানুহক এনেদৰে সলনি কৰি পেলাব পাৰে। এখন
াধাৰণ কলেজ নিৰ্বাচনত জিকি এই তৰুণ যুৱক- যুবতী বিলাক
দি নৈতিকভাবে স্খলিত হয় তেন্তে ভৱিষ্যতৰ পৰা আমি কি
াশা কৰিব পাৰোঁ। আমাৰ অনাগত সমাজ। অনাগত
াজনৈতিক ব্যৱস্থাত ভাল মানুহ, ভাল নাগৰিক, প্ৰকৃত নেতাৰ
ষ্টি হ'বনে! ছাত্ৰাৱস্থাতে দুৰ্নীতি কৰিবলৈ শিকাবোৰে অনাগত
ময়ত সতীৰ্থ মানুহৰ কিবা মংগলজনক কাম কৰিব পাৰিবনে?
কথাবোৰ হয়তো খুউব হাইপ'থেটিক। তাই জানে এইবোৰ
কথা কাৰোবাক ক'লে হয়তো তাইক অতি আদৰ্শবাদী বা
ইমপেক্টিকেল বুলি ভাবিব পাৰে। কিন্তু আদৰ্শ আৰু মূল্যবোধৰ
অলপ হ'লেও মূল্য, অলপ হ'লেও দাম আছে বুলি তাই ভাবে।
সেইবাবে তাই ইয়াক খামুচি ধৰি থাকিব বিচাৰে। এই আদৰ্শই
তাইক বহুত কিবা-কিবি নিদিলেও তাই যে মানুহ হিচাপে কিছু
শতাংশ হ'লেও সফল হৈছে তাৰ নিশ্চয়তা প্ৰদান কৰিব বুলি
তাইৰ দৃঢ় বিশ্বাস।

তাই জানে তাই সকলো অন্যায়-অবিচাৰ, অনৈতিকতাৰ বিৰুদ্ধে মাত মাতিব নোৱাৰে। কাৰণ ক্ষমতাত থকা মানুহে মাত বন্ধ কৰিবৰ বাবে ব্যৱহাৰ কৰা আহিলাবোৰৰ সম্পৰ্কে তাই সচেতন। সেইবাবে কিছু কথা সহিব নোৱাৰিলে সামৰি থ'বলৈ তাই শিকি পেলাইছে। সময় সদায় একেই হৈ নাথাকে। ই সলনি হয়। এই সময়ো পাৰ হ'ব, হয়তো বেয়াবোৰো ভাল হ'ব। এইবোৰ কথাকে ভাবি ভাবি তাই কলেজৰ জিৰণি চ'ৰাত বহি ডায়েৰীত কলেজ সপ্তাহত গাবলগীয়া গীতটো ম'বাইলৰ পৰা চাই চাই লিখি আছিল। তেনেতে নিকু আহিল। তাই সুধিলে "বাকীবোৰ ক'ত? প্ৰেক্টিচলে আহিবনে?" জাপ মাৰি বেঞ্চত বহি সি ক'লে—"আহি আছে বাকীবোৰ.মোৰ ক্লাছ সোনকালে শেষ হ'ল।" "ঠিক আছে।" তাই ক'লে।

"জানেনে বা কথা এটা" নিকুৱে মনে মনে ক'লে।

"কি কথা?" অগম্যাই চিন্তিত হৈ সুধিলে।

"মানে পৃথু দাদাহঁতে মোক অহাবাৰ কালচাৰেল ছেক্রেটেৰী খেলিব কৈছে জানে। সেইকাৰণে হেনো মই এইবাৰ যেনেতেনে কষ্ট কৰি বেষ্ট চিংগাৰ পাবই লাগিব। তেওঁলোকে বোলে লাগি দিব, এতিয়াৰ পৰাই হেনো ফিল্ড বনাব লাগিব।"

"তুমি কি বুলি ক'লা?"

"বা মোৰ এইবোৰত সোমাব একেবাৰে মন নাই। তথাপিও চিনিয়ৰ বুলি হা-না একো নকৈ প্ৰেক্টিচ আছে পিছত ভাবিম বুলি কৈ গুচি আহিলো। জানে বা, মোক ঘৰতো এইবোৰত লাগিব নিদিয়ে আৰু মইয়ো ভাবো মই দেখোন এনেকেয়ে সাংস্কৃতিক জগতখনৰ বাবে কাম কৰিব পাৰো, মোক বেলেগকৈ পজিচন এটা কিয় লাগে? পজিচনত থাকিলে বেয়াহে, আমাৰ ডিপাৰ্টমেণ্টৰ পৰা যিটোৱে মিউজিক ছেক্রেটাৰী পালে সি বেচেৰাই এতিয়া গানৰ ক্লাছ, গানৰ প্ৰক্টিচ কৰিবই সময় নাপায়। এফালে কলেজৰ, আনফালে দৌৰি থাকা ইউনিয়নৰ কামত।" নিকুৱে শিশুসুলভতাৰে হাঁহি দিলে। তাৰ সৰলতা আৰু বুদ্ধিদীপ্ততাই অগম্যাক মুগ্ধ কৰি তুলিলে। তাই মিচিকিয়াই হাঁহি ক'লে — "নিকু, পদুম ফুলক পংকজ বুলিও কয় জানা নহয়!"

"জানো।"

"পংক বা বোকাত জন্মে বাবে পংকজ, কিন্তু পংকজ পংকীল নহয়। এই ৰাজনীতিও বোকা, পংক। ইয়াত তুমি পংকজ হ'ব পাৰিম বুলি ভাবিব নোৱাৰা। এই বোকাত মানুহ পংকীল হয়। নোৱাৰা, এই বোকাখিনিত সততা, নিষ্ঠা, মূল্যবোধৰ সাৰ পানী নাই। গতিকে ইয়াত যে পদুম ফুলিব তাৰ আশা ক্ষীণ। তুমি বুজা ল'বা বাকী তুমি বুজিছাই গই তোমাক কি বুজাব বিচাৰিছো। পদুম হোৱা..."

এনেতে গান গাই পাই প্ৰেক্টিচলৈ বুলি বাকীবোৰো আহি পালেহি। তাহাঁতৰ কণ্ঠত প্ৰাণ পাই উঠিল এটি আশা-ভৰসাৰ, এটা নতুন পুৱাৰ গীতৰ কলি—

"নতুন দিনৰ নৱ আলোকৰ যাত্ৰা পথৰ
সহযাত্ৰী আমি,
বিজয় নিচান উৰুৱাই আমি সজাও আহা পৃথিৱী....

গল্প



সমাপ্তিৰ সিপাৰে

চানদ্বীপ গগৈ

অস্ত যোৱা বেলিৰ ৰঙা কিৰণে ৰঙচুৱা কৰি পেলোৱা আকাশখন আৰু সেই ৰ'দৰ ম্লান হৈ যাব ধৰা পোহৰে প্ৰকৃতিৰ সকলো জীৱকে এটি দিনৰ সমাপ্তিৰ বতৰা দিয়ে। ই সেই সত্যক প্ৰতিফলিত কৰে যি সত্যই আমাক বুজাই দিয়ে যে প্ৰতিটো আৰম্ভণিৰে এক সমাপ্তি আছে। সমাপ্তিৰ সিপাৰত কেৱল আন্ধাৰে বসবাস কৰে। জোনে পোহৰ আনে যদিও সেইয়া সম্পূৰ্ণ ৰূপে জোনৰ নিজা পোহৰ নহয়। এদিন যদি পূৰ্ণিমা হয়, এদিন অমাবস্যা নিশ্চয়ে আহিব। ইয়াক পোহৰৰ ভ্ৰম বুলিব পাৰি। শেষ হৈ যোৱা সেই আবেলিৰ বিষাদ বুকুত বান্ধি নিজৰ ঘৰৰ বাৰান্দাতে বহি এনেবোৰ চিন্তাতে বিভুৰ হৈ আছিল অভিজিত কলিতা।

ক'ৰবাৰ পৰা অহা মৌমাখি কেইজনীয়ে অভিজিত কলিতাৰ কাণৰ ওচৰত আমনি নকৰা হ'লে তেখেত হয়তো আজিও বহু নিশালৈকে নিজৰ চিন্তাৰ মাজতে মগ্ন হৈ থাকিলেহেঁতেন। ই এক মানসিক ৰোগ যাক Preoccupation a thought disorder বুলি কোৱা হয় ইয়াৰ সঠিক নাম আৰু চিকিৎসাৰ কথা তেখেতে নাজানে। ৫০ বছৰ বয়সত আৰম্ভ হোৱা চিন্তাৰ মায়াজাল লগতে অকলশৰীয়া জীৱনে চাগৈ তেখেতৰ এই ৰোগৰ পাতনি মেলিছিল। কলিকতাৰ এজন বন্ধু চিকিৎসকে তেখেতক এই মানসিক ৰোগৰ কথা কৈছিল। এই বেমাৰে কোনো লোকক চিন্তাৰ মায়াজালত আবৰি ৰাখে সেই চিন্তাৰ প্ৰতিচ্ছবিৰ পৰা সহজে নিজকে উলিওৱাই অনাটো কঠিন হৈ পৰে, ইয়াৰ পাছত মানুহে লাহে লাহে ভ্ৰমিত হ'বলৈও আৰম্ভ কৰে। ইয়াৰ চিকিৎসাৰ বাবে ঔষধৰ লগতে counselling ৰ প্ৰয়োজন। দুই এটা counselling গ্ৰহণ কৰি তেখেত অসমলৈ ঘূৰি আহিল ঔষধ কেইটা শেষ হৈ যোৱাৰ পাছত তেখেতে আকৌ এবাৰ নিকিনিলে। অকলশৰীয়া জীৱনক তেখেতে এনেদৰেই শেষ কৰাৰ প্ৰতিশ্ৰুতি লৈছে।

অন্যমনস্ক কৰি পেলোৱা মৌমাখি কেইজনীৰ পৰা নিজকে আঁতৰাই সন্ধিয়াৰ আমেজ অনুভৱ কৰিবলৈ তেখেত মুকলি পথাৰখনলৈ আগবাঢ়িল। বাটত লগ পোৱা কোনো এজন গাঁৱৰ মানুহে তেখেতক ভালদৰে চিনি নাপাই কেৱল এটা হাঁহিৰ সৈতে সম্ভাষণ জনাই তেখেতক ভাল বেয়া খবৰ কোনেও নলয়। ল'ৰ বা কিয়? প্ৰায় ২৫ বছৰৰ বাবে একেবাৰে আঁতৰি গৈছিল এই গাঁও তথা ইয়াৰ পিছ পৰা সমাজিক ব্যৱস্থাৰ পৰা। কলিকতাৰ দৰে নগৰৰ ব্যস্ততাৰ কোলাহলত নিজকে বিলিন কৰি পাহৰি পেলাইছিল নিজস্বতা আনকি পিছ পৰা গাঁও এখনত বাস কৰা মাক-দেউতাকৰ কথাও ভাবিবলৈ সময় নোহোৱা হৈ পৰিছিল অভিজিত কলিতাৰ। এনেতে তেখেতে দূৰৈৰ পৰা গৰু চৰাই অনা সৰুকালৰ বন্ধু ৰমেনক দেখিলে সম্পূৰ্ণ গাঁওখনত ইয়ে এজন যিয়ে অভিজিত কলিতাক ভালদৰে মাত এষাৰ দিয়ে। অভিজিতে মুখত এটি হাঁহি জিলিকাই —'কৰ পৰা আহিলি?' বুলি প্ৰশ্ন কৰিলে। ৰমনে কিছু উচ্চস্বৰে ক'বলৈ আৰম্ভ কৰিলে — ক'ৰ পৰা আহিবিনো হয়? গৰুকেইটাকে লৈ আহিলো। —আচ্ছা! পিছে তহঁতৰ ঘৰত বৰ মানুহ গোটখোৱা দেখি আহিছিলোঁ।

—হেৰি অক' ল'ৰাটো আহিছে আজি Duty পৰা। CISF-ত চাকৰি কৰে যে সি আজি ৰাতিপুৱাতে পালেহি লগৰ কেইটা আহিছে চাগৈ এতিয়া।

—তহঁতৰ ল'ৰা আহি থাকে মানে?

—তাকে আহি থাকে মাজে মাজে এইবাৰ অক বিছৰ আগদিনাখনে যাব লাগিব তাকে অলপমান বেয়া লাগি আছে।

—তাকে বেয়া লাগিবটো অক বিছৰ আগদিনাখনে যাবগে।

—বিহুত এপাক পৰিলে আহিবি । এতিয়া গৰুকেইটা বান্ধোগৈ।

কথাষাৰ কৈ ৰমেন আঁতৰি যাই। অভিজিতৰ মনক পুনৰ
ষাদে আবৰি ধৰে। তাৰ মন গৈছিল ৰমেনৰ ঘৰলৈ যাবলৈ
াত আনন্দত থকা মায়াক নিজৰ মনত এবাৰ উপলব্ধি
ৰিবলৈ। ৰমেনৰ পুতেকক লগ পোৱাৰ অজুহাত লৈ গাঁৱৰ
যকেইজন মানুহ তাত আছে সেইকেইজনৰ লগতে চিনাকি
'বলৈ। কিন্তু বিফল তেওঁ, ঠিক এইদৰেই বিফল হৈছিল এজন
াপেক হিচাপে। পুত্রক ধন, টকা, ঐশ্বর্য্য কেনেকৈ ঘটিব লাগে
কলো শিকালে কিন্তু তেখেতে যেনেদৰে নিজ দেউতাকক
াহৰি পেলাইছিল ঠিক সেইদৰে পুত্রয়েও পাহৰিলে তেওঁক।
াঁচ বছৰ আগতে বিচ্ছেদ হৈ যোৱা পত্নীৰ মুখৰ পৰা এদিন
ুনিবলৈ পাইছিল সি বোলে আজি কালি বিভিন্ন ধৰণৰ নিচা
যুক্ত দ্রব্য গ্রহণ কৰি কেতিয়াবা উদণ্ড পশুৰ দৰে New work
গৰত ঘূৰি ফুৰে। তাৰ পাছত আৰু আজি পর্যন্ত পুত্রৰ কোনো
খবৰ তেখেতে পোৱা নাই।

তেখেতে কথাবোৰ চিন্তা কৰি খোজকাঢ়ি গৈ থাকোঁতে
মুকলি পথাৰখন পাৰ হৈ গাঁওৰ শ্মশানখনৰ ওচৰ পালেহি।
আবেলি ৰ'দো সম্পূর্ণ ৰূপে আঁতৰি গৈছে আন্ধাৰ লাহে লাহে
নামি আহিবলৈ ধৰিছে। তেখেতে এই স্থানত চিন্তাই আবৰি
ধৰাৰ আগতেই উভতি যোৱাটোৱে শ্রেয় বুলি ভাবিলে। ঘৰৰ
দিশে আগবাঢ়িবলৈ লওঁতে শ্মশানখনৰ ভিতৰত এগৰাকী
গর্ভৱতী মহিলাক এটা পকা সমাধিৰ ওপৰত বহি কেকাই থকা
দেখে। তেওঁ মহিলা গৰাকীৰ ওচৰলৈ দৌৰি গৈ প্রশ্ন কৰিলে—
কি হৈছে আইজনী বিষ হৈছে নেকি?

—নাই ইমানো নহয় অলপমান এনেই।

—ঠিক আছে তেনেহ'লে। কিবা সহায় কৰি দিব লাগিব
নেকি?

—এই গাঁও খনৰ আপুনিয়ে প্রথমজন ব্যক্তি যিয়ে মোক
সহায় কৰিম নেকি বুলি সুধিছে।

—কিয় গাঁৱৰ মানুহবোৰে তোমাকো ভালদৰে নামাতে
নেকি?

—মাতিছিল এটা সময়ত।

—ওম! পিছে এনে এডোখৰ ঠাইত কিয় বহিলাহি উঠা
এনেকুৱা অৱস্থাত এইবোৰ ঠাইত বহাটো ভাল নহয়।

—এনেকুৱা ঠাই মানে? এই শ্মশানখনৰ কথা কৈছে?

—নহ'লেনো Park এখনত বহি থকা হ'লে ক'লোহেঁতেন
জানো? একেবাৰে ভাল নহয় এইবোৰ ঠাই ব'লা।

—শ্মশানৰ নিচিনা পৱিত্র ঠাইক আপুনি ভাল নহয়
বুলিছে?

—ইয়াৰ অর্থ?

—দাইতি! পৃথিৱীৰ সকলোতকৈ পবিত্র স্থান শ্মশানেই
হয়। এই স্থানে অন্তিম সত্য য'ত ধনী দুখীয়াৰ প্রভেদ নাই।
য'ত ধর্ম জাতিৰ বাচ বিচাৰ নাই। য'ত চৰিত্রৱান আৰু চৰিত্রহীন
মানুহ সকলো সমান। ইয়াত সামাজিক ব্যৱস্থাৰ জটিলতা নাই।
কথাবোৰ বৰ গধুৰ তোমাৰ।

—সময় আৰু পৰিস্থিতিয়ে শিকাইছে দাইতি।

—পিছে নাম কি তোমাৰ?

অভিজিতে প্রশ্নটো কৰি মহিলা গৰাকীয়ে বহা পকা
সমাধিটোৰ ওপৰতেই বহি ল'লে— মোৰ নাম অণিমা আৰু
আপোনাৰ?

—অভিজিত কলিতা।

—বৰ ভাগৰুৱা যেন দেখিছোঁ আপোনাক।

—ভাগৰুৱা.... আচলতে মই এজন অপৰাধী। অপৰাধৰ
শাস্তি ভোগ কৰিছোঁহি।

—কিয়? কি হ'ল আপোনাৰ জীৱনত?

—মোৰ জীৱন! (দীঘল হুমুনিয়াহ এটা এৰি) ধন ঐশ্বর্য্য
বিলাস এইবোৰে মই জীৱন বুলি ভাবিছিলোঁ।

—কিয় কি ভুল আছে তেনেকৈ ভবাত? টকাৰে দেখোন
পৃথিৱীৰ সকলো সুখ কিনিব পাৰি।

—কিনিব পাৰি। কিন্তু সময়? আপোন মানুহক দিব
নোৱাৰা সময়? তাক ঘূৰাই আনিব নোৱাৰি।

সময়ৰ অভাৱত আজি মোৰ লগত মোৰ পৰিয়াল নাই।
ধন গোটোৱাত ইমানে ব্যস্ত হৈ গলো যে মা- দেউতাৰ জীৱনৰ
শেষৰ সময়তো মুখখন চাবলৈ নাহিলো তাৰে ফল ভুগিছো
আজি। মোৰ চিতাটো জুই দিবলৈ আজি আপোন মানুহ কোনো
নাই। যিকেইজন বন্ধু অথবা চিনাকি আছে সিহঁত কাৰোৰে
মোৰ লগত কথা পাতিবলৈ সময় নাই।

—আপুনি মানে মৌমাখিৰ দৰে।

—মৌমাখিৰ দৰে?

—ওম!! সৌ আম গছজোপাত দেখিছে ধুনীয়াকৈ সাজি
থকা মৌমাখিৰ মৌচাকটোক? অভিজিতে অণিমাৰ আঙুলিৰ
পোনে পোনে চাই দেখিলে এটা প্রকাণ্ড সু-সজ্জিত মৌচাক।
পৃথিৱীক আন্ধাৰে আবৰি নেপেলোৱালৈকে মৌমাখিৰ
জাকটোৱে অৰ তৰ পৰা মৌ সংগ্রহ কৰাত ব্যস্ত। অভিজিতে
ক'বলৈ ধৰিলে

—হয় দেখিছো।

—মৌমাখিবোৰে গোটেই জীৱন মৌ সংগ্রহ কৰি কৰি
সেই মৌচাকটোকে সাজি থাকে আৰু শেষত সেই মৌচাকক
নিজেই উপভোগ কৰিবলৈ নাপাই। হয়টো কোনোবাই কাঢ়িলে

যাই নহ'লে ওজন বৃদ্ধি হ'লে পৃথিৱীলৈ নিজেই খহি পৰে।
আপুনিও গোটেই জীৱন টকা ধন গোটাই গোটাই জীৱন সু-
সজ্জিত কৰিবলৈ গৈ সেই জীৱনক নিজেই উপভোগ কৰিব
নোৱাৰিলে কেতিয়া সকলো হেৰাই গ'ল গমকে নাপালে।

—বৰ ধুনীয়া উদাহৰণ দিলা তুমি। সঁচাকৈয়ে মোৰ
জীৱনটো তেনেকুৱাই। মৃত্যু নহ'লেও এইয়া সমাপ্তি চাগৈ মোৰ
জীৱনৰ। শেষত মোৰ কপালত লিখা আছিলে চাগৈ কেৱল
অকলশৰীয়া ৰুগীয়া জীবন।

—মৃত্যু নোহোৱা পর্যন্ত আপুনি আপোনাৰ জীৱনক
সমাপ্ত বুলি কেনেকৈ ক'ব?

—এই যে ৰ'দৰ ম্লান হৈ যাব ধৰা পোহৰে প্রকৃতিৰ সকলো
জীৱকে এটি দিনৰ সমাপ্তিৰ বতৰা দিয়ে। ই সেই সত্যক
প্রতিফলিত কৰে যি সত্যই আমাক বুজাই দিয়ে যে প্রতিটো
আৰম্ভণিৰে এক সমাপ্তি আছে। সমাপ্তিৰ সিপাৰত কেৱল আন্ধাৰে
বসবাস কৰে। জোনে পোহৰ দিয়ে যদিও সেইয়া সম্পূর্ণ ৰূপে
জোনৰ নিজা পোহৰ নহয়। এদিন যদি পূর্ণিমা হয়, এদিন অমাৱস্যা
নিশ্চয় আহিব। ইয়াক পোহৰৰ ভ্রম বুলিব পাৰি। ঠিক তেনেদৰেই
অকলশৰীয়া, ভৱিষ্যতৰ আশা নথকা জীৱনটোকো মৃত্যু নহ'লেও
সমাপ্তি বুলি ঘোষণা কৰি দিব পাৰি। জোনৰ সেই প্রতিফলিত
পোহৰৰ দৰেই এনে হেন জীৱনকো ভ্রম বুলিব পাৰি।

অণিমাই মুখত এটা মিচিকিয়া হাঁহি লৈ ক'বলৈ আৰম্ভ
কৰিলে—

—সমাপ্তিৰ সিপাৰে... সমাপ্তিৰ সিপাৰে আছে পুনৰ নতুন
আৰম্ভণি জোনৰ মিছা পোহৰত পৃথিৱী প্রতাৰিত হ'ব পাৰে।
কিন্তু কিছু সময়ৰ অপেক্ষৰতাৰ পাছত পৃথিৱীয়ে পুনৰ ৰ'দৰ
পোহৰক বিচাৰি পাই আকৌ এটি নতুন দিনৰ আৰম্ভণি হয়।
প্রকৃতি পুনৰ জীপাল হৈ পৰে সকলোৱে নিজৰ কাম আৰম্ভ
কৰে সকলোৱে জানে এই দিনটোৰো আগৰ দৰেই সমাপ্তি
আছে। সেই সমাপ্তি কাৰোবাৰ বাবে সুখৰ হ'ব পাৰে আৰু
কাৰোবাৰ বাবে দুখৰ কিন্তু সমাপ্তিৰ ভয়ত পুনৰ আৰম্ভ
নকৰাকৈটো থাকিব নোৱাৰি। আপুনি শেষ নোহোৱা পর্যন্ত
এই পৃথিৱীত জীয়াই থকাৰ পথ বাছি ল'ব লাগিব। মইও
আধৰুৱা মইও অকলশৰীয়াই মইও যেন জীৱনৰ সমাপ্তিৰ
পথত আছিলোঁ তেনে ভাব হৈছিল যেতিয়া মই প্রেমত প্রতাৰিত
হৈছিলো। জীয়াই থকাটো মোৰো এটা ভ্রম যেন লাগিছিল।
গাঁৱৰ মানুহে চৰিত্রহীনা সজাই মোক এঘৰীয়া কৰিলে। কিন্তু
মই এই পেটৰ পোৱালিটোৰ বাবে জীয়াই থকাৰ পথ বাছি
লৈছিলো।

দুয়োৰে মাজত কিছু সময়ৰ বাবে নিস্তব্ধতা বিয়পি পৰিল।
নিস্তব্ধতা ভংগ অভিজিতে পুনৰ কৈ

—জীৱনত বৰ ডাঙৰ আঘাত পালা তুমি বিশ্বাসঘাতকতা
পোৱাজনেহে উপলব্ধি কৰিব পাৰে। ময়ো এজন
বিশ্বাসঘাতকেই, মা-দেউতাৰ সপোনবোৰক, আশাসমূহক মই
প্রতাৰিত কৰিলো তেওঁলোকক অকলশৰে এৰি আঁতৰি গ'লো
এতিয়া তাৰে কর্মফল ভুগিছো। মই একেবাৰে অকলশৰীয়া।

—মই উপলব্ধি কৰিব পাৰিছোঁ আপোনাৰ অকলশৰীয়া
জীৱনক। অভিজিতে কিছুপৰ মৌনভাৱে ভাবি তপৰাই
অণিমাক প্রশ্ন এটা কৰিলে

—তুমিয়ো মোৰ দৰেই অকলশৰীয়া তোমাক কাৰোবাৰ
সহায়ৰ প্রযোজন এনে গর্ভধাৰণৰ অৱস্থাত কষ্ট কৰি কেনেকৈ
খাই থাকিবা। এই সময়ত পুষ্টিৰ প্রয়োজন মোৰ ছোৱালী নিচিনা
হৈ মোৰ ঘৰতে থাকিবা?

—দাইতি...?

অণিমাৰ চকু চলচলিয়া হৈ পৰিল।

—হয় অণিমা! তোমাৰ উত্তৰ বিৰুদ্ধে মই নাযাওঁ। মোৰ
ধেৰ সাঁচতিয়া ধন আছে এতিয়া খাওঁতা কোনোৱে নাই। সকলো
তোমাৰ আৰু তোমাৰ এই সন্তানটিৰে হ'ব। অথচ জীৱনৰ
শেষত কাৰোবাক সহায় কৰি যাব পাৰিম। কোৱা যাবা নে
অণিমা?

—সকলো মোক দিব নালাগে দাইতি! তাতকৈ মোৰ
দৰে অসহায় মানুহবোৰক সহায় কৰিব আপোনাৰ দৰে আৰু
আপোনাতকৈ বৃদ্ধ ব্যক্তিসকলক যিবোৰক আপোনাৰ নিচিনা
কোনো পুত্রয়ে সময় দিব নোৱাৰি অকলশৰীয়া কৰিছে তেখেত
সকলৰ সাৰথি হওঁক আৰু ই আপোনাৰ সমাপ্তিৰ সিপাৰৰ
আৰম্ভণি হ'ব। আৰু মোৰ কথা ক'বলৈ গ'লে মই থাকিম গৈ
আপোনাৰ লগত দাইতি নিজৰ কাৰণে নহ'লেও পেটৰ
সন্তানটিৰ কাৰণে।

—অশেষ ধন্যবাদ!

অভিজিতৰ মনত আনন্দৰ সীমা নোহোৱা হৈছে। প্রায়
দহ বছৰ মানৰ পাছত চাগৈ তেখেতে নিজৰ জীৱনৰ
অকলশৰীয়াক দূৰ কৰিবলৈ কাৰোবাক সাৰথি হিচাপে পাইছে।
তেখেতে অণিমাক লৈ ঘৰ সোমালেহি দেউতাকে সাজি যোৱা
ঘৰটো বহু বছৰৰ মূৰত আজিহে ঘৰৰ নিচিনা অনুভৱ হৈছে
তেখেতৰ। অণিমাক বহিবলৈ দি চাহৰ যোগাৰ কৰিবলৈ
লওঁতেই বাহিৰৰ দুৱাৰত টোকৰ পৰিল। অভিজিতে গৈ
দুৱাৰখন খুলি দিলে। বাহিৰত Steel ৰ বাতি এটা লৈ ৰমেন
থিয় হৈ আছিল। ৰমেনে ক'বলৈ আৰম্ভ কৰিলে—

—মৌ ৰস লৈ আহিছিলো তোলৈ একদম pure হয়।



—আহছোন আহ তই ভিতৰলে কাৰোবাক লগ
ৰাব আছে।

—কাক অ'?

ৰমেনক তেখেতে ভিতৰলৈ লৈ আনিল। ৰমেনে
শ্ন কৰিলে

—কাক লগ পালি?

-অণিমা বুলি কোৱা এগৰাকীক তাই বোলে মোৰ
ৰেই অকলশৰীয়া, গৰ্ভৱতীয়ো হৈ আছে
ৰচেৰিজনী। মই তাইক মোৰ লগতে থাকিবলৈ লৈ
াহিলো। এই মৌ খিনি নহ'লে তাইকে দি দে তাইয়ো
ভাল পাব।

—অণিমা...

—অ' তাই ভিতৰতে আছে দি দেগৈছোন মই
তহঁতলৈ চাহ বনাওগে।

ৰমেনে ভিতৰলৈ গৈ কিছু সময়ৰ পিছত
অভিজিতৰ ওচৰলৈ ঘূৰি আহিলে। ৰমেনে ক'বলৈ
আৰম্ভ কৰিলে

—ভিতৰত কোনো নাই অভি

—কি? ক'লৈ গ'লগৈ তাই... সবতে চালি
ভালদৰে? মই গৈ চাইছোগে বহ্।

—সবতে চালো মই তই চাই লাভ নাই। তই
যাৰ কথা কৈছ তাইক গাঁৱৰ মানুহে যাৰে তাৰে লগত
অবৈধ্য সম্পর্ক ৰখাৰ বাবে এঘৰীয়া কৰিছিল। দুবছৰ আগতে ছমহীয়া সন্তান এটা পেটত লৈ শ্মশানতে ঢুকালে।

—এইবোৰ কি ধেমালি কৰিছ তই।

—ধেমালি মই নহয় তইহে কৰিছ কাৰ মুখৰ পৰা অণিমাৰ কথা শুনিলি এতিয়াৰ মোৰ আগত এইবোৰ কৰি দেখাবলৈ আহিছ।

—পিছে তাইৰ মৃত্যু কিয় হ'ল।

—গৰ্ভৱতী হোৱাৰ কাৰণে দেহ ব্যৱসায় কৰিব নোৱাৰা হ'ল, যাৰ বাবে টকা অভাৱ হ'ল। এতিয়া এই পৃথিৱীত টকা নহ'লে কোন মানুহ জীয়াই থাকিব পাৰে। গাঁৱত এঘৰীয়া কৰা তেনেকুৱা চৰিত্ৰ মানুহক কোনে ভিক্ষা দি নিজৰ নাম নষ্ট কৰিব। এতিয়া এইবোৰ বাদ দে মৌ খিনি ল। মই যাওঁ দেই বিহুত আহিবলৈ নাপাহৰিবি অক'।

ৰমেনে কথাষাৰ কৈ আঁতৰি গ'ল। অভিজিতে মৌৰ বাটিটো হাতত লৈ চিন্তা কৰিবলৈ ধৰে অণিমাৰ কথা তাইৰ লগত হোৱা বার্তালাপৰ কথা। কলিকতাৰ বন্ধু চিকিৎসকজনৰ কথালৈ তেখেতৰ এতিয়া মনত পৰিছে 'এই বেমাৰে তোমাক চিন্তাৰ প্রতিচ্ছবিত আবদ্ধ কৰি ৰাখিব সোনকালে ভাল কৰিব নোৱাৰিলে অথবা অকলশৰে থাকিলে তুমি ভ্রম দেখিবলৈ আৰম্ভ কৰিবা যাক Hallucinate বুলি কোৱা হয়।' কিন্তু অভিজিতেটো কেতিয়াও অণিমাক চিনি পোৱা নাছিল নাজানিছিল তাইৰ কৰুণ কাহিনী শুনিছিল যদিও পাহৰি পেলাইছিল চাগৈ ঠিক সেইদৰে যিদৰে তেওঁ নিজৰ মাক-দেউতাকক পাহৰি পেলাইছিল। তেওঁৰ মনত হাজাৰ প্রশ্নৰ ওপৰা ওপৰি হৈছিল সেইবিলাক পৰিহাৰ কৰি তেখেতে হাতৰ বাতিটোত থকা মৌখিনিলৈ চাই অণিমাই কোৱা কথাবোৰ মনত পেলাবলৈ ধৰিলে। জীৱনটো সঁচাকৈ মৌচাকৰ দৰে আৰু মানুহ মৌমাখিৰ দৰে মানুহে জীৱনটোক মৌচাকৰ দৰেই সুসজ্জিত কৰিবলৈ গৈ মৌমাখিয়ে মৌ উপভোগ কৰিবলৈ নোপোৱাৰ দৰেই মানুহেও জীৱনটোক উপভোগ কৰিবলৈ নাপাই। অভিজিতৰ দৰে মানুহে টকা সংগ্রহৰ যাত্রাত দৌৰি দৌৰি সকলোকে পাহৰি সুসজ্জিত ৰূপ দিবলৈ যোৱা জীৱনৰ আধা সময় কেতিয়া হেৰুৱাই গমকে নাপাই। পুনৰ অকলশৰীয়াই হৈ পৰিল তেওঁ। এইয়া সমাপ্তি নেকি তেওঁৰ জীৱন কেৱল অকলশৰীয়া। নাই...এনেদৰে শেষ নকৰে অভিজিতে নিজৰ জীৱন তেওঁ মনতে থিৰাং কৰিলে অণিমাই কৰিবলৈ কোৱা কথাবোৰ তেখেতে কৰিব। তেওঁৰ নিচিনা পুত্রয়ে অকলশৰে অসহায়ভাৱে এৰি যোৱা মাক দেউতাকক তেখেতে সহায় কৰিব। অণিমাৰ দৰেই নিঠৰুৱা ছোৱালীবোৰক তেওঁ সংস্থাপন দিব। মৃত্যু নোহোৱা পর্যন্ত জীৱনক সমাপ্ত বুলি আৰু কেতিয়াও নাভাবিব। সমাপ্তিৰ আন্ধাৰৰ সিপাৰত তেখেতে পুনৰ আৰম্ভণিৰ পোহৰ বিচাৰি ল'ব। ♦

গল্প



ৰঙা ৰঙা ৰাতি

গীতিমণি গোহাঁই

ডিচেম্বৰ মাহৰ কোনোবা এটা সন্ধিয়া। গুৱাহাটীৰ পৰা নগাঁও অভিমুখে আহি আছোঁ। বিশেষ কাম এটাৰ বাবে গুৱাহাটীলৈ গৈছিলোঁ ঘূৰি আহোঁতে পলম হ'ল। ৰাষ্ট্রীয় ঘাইপথৰ ওপৰত তীব্র গতিত চলি থকা যানবাহনবোৰৰ মাজেৰে আমাৰ গাড়ীখন লাহে লাহে চলি আছিল। ৰাতিৰ কথা সেয়েহে দেউতাই ড্রাইভাৰজনক লাহে লাহে গাড়ী চলাবলৈ নির্দেশ দি থৈছে। মহানগৰৰ যানজঁটবোৰ পাৰ হৈ আহি মুকলি মুকলি লাগিছে অলপ মনটো। দেউতাই চকু দুটা মুদি পিছৰ ছিটত গাটো এৰি দিছে। ড্রাইভাৰজনে হঠাৎ ব্রেক মাৰি দিলে আৰু মই প্রায়ে ছিটিকি পৰাৰ দৰে হৈছিল ভাগ্যক্রমে মই চিট বেল্ট মাৰি আছিলোঁ। কুকুৰবোৰৰ পৰা উপায় নাই বুলি ড্রাইভাৰজনে ভোৰভোৱালে। এৰা তীব্র গতিৰে পাৰ হৈ যোৱা বাহনবোৰৰ খুন্দাত মৃত্যু হোৱা কুকুৰবোৰ আৰু সেই মৃত শৰীৰৰ ওপৰেৰে বিভিন্নজনে আভিজাত্যৰ গৌৰৰ সানি দামী গাড়ীৰ ধূলি উৰুৱাই পাৰ হৈ গৈছে। সিহঁতৰ অপার্থিৱ শৰীৰবোৰ ক্রমশঃ এদিন ঘাই পথৰ লগত মিলি যাব ধূলি মাকতি হৈ উৰি যাব। এইবোৰ আমি দেখি থকা নিত্য নৈমিত্তিক ঘটনাৰ উদাহৰণ। মানবতাৰ জয়গান গাই ফুৰা আমি মানুহ জাতিয়ে নিজক কেনেকৈ কওঁ জীৱশ্রেষ্ঠ বুলি? মনটো বিষাদেৰে ভৰি পৰিল। জাগীৰোডত নিশাৰ আহাৰ গ্রহণ কৰিবলৈ নামিলোঁ হোটেলত সোমালোঁ যদিও মোৰ পেটলৈ একো নোসোমাল সেই মৃত কুকুৰবোৰৰ যথৰ হৈ পৰি থকা শৰীৰবোৰ, নাড়ী ভুৰু ওলাই যোৱা চকু সেইবোৰে মোক খেদি লৈ ফুৰিছে যেন অনুভৱ হল। অশান্ত হৈ উঠিল মন। গাড়ীৰ আগৰ চিটত বহি ভালপোৱা মই আজি পিছৰ ছিটত আগতীয়াকৈ বহি থাকিলোঁ। দেউতাই কথাটো মন কৰিয়ে কিজানি একো নকলে আৰু আগৰ চিটত বহি ড্রাইভাৰক গাড়ীখন লাহে লাহে চলাবলৈ কৈ ছিগাৰেট এটা জ্বলাবলৈ বিচাৰিও ৰৈ গ'ল...

'ক'চোন ৰাষ্ট্রীয় ঘাইপথত আটাইতকৈ বেছি মৃত্যু হোৱা বস্তুটো কি?'— দেউতাই ড্রাইভাৰ জনক উদ্দেশ্যি সুধিলে—

'কুকুৰ'। ড্রাইভাৰজনে আগলৈ চাই চাইয়ে উত্তৰ দিলে।

দেউতাই ঘূৰি মোলৈ চালে....

'নহয় । আটাইতকৈ বেছি মৃত্যু হয় মানৱতাৰ।'

মোৰ মুখৰ পৰা আপোনা আপুনি ওলাই গ'ল।

দেউতাই কিবা এটা ক'বলৈ মুখ মেলোঁতেই ধাম কৈ শব্দ এটা হ'ল। শব্দটোৰ উৎস বিচাৰিব লগা নহ'ল তীব্র গতিত পাৰ হৈ যোৱা বলেৰ এখনৰ খুন্দাত এটা জীৱ আমাৰ গাড়ীৰ সন্মুখত ছট্‌ফটাই পৰি ৰ'ল ড্রাইভাৰজনে কোনোমতে ব্রেক মাৰি গাড়ীখন ৰাখি দিলে। মই দৌৰি গৈ জন্তুটোক সহায় কৰিবলৈ চেষ্টা কৰিলোঁ। দেউতাই গাড়ীৰ পৰা পানীৰ বটলতো আনি মোৰ হাতত দিলে মই জন্তুটোৰ মুখত অলপ পানী বাকি দিলোঁ আৰু চিৰদিনলৈ মেল খাই যোৱা তাৰ চকুহাল হাতেৰে জপাই দিলোঁ বুকখনত শিপাই যোৱা বিষ এটা পুনৰ উক মোকাই উঠিল।

"দেউতা ইয়াক ৰাস্তাৰ দাঁতিত থৈ আহোঁ সহায় কৰি দিয়া অলপ।"

"নিশ্চয় আইজনী ব'ল ধৰ লাহে লাহে।"

গাঁত এটা খান্দি পুতি থৈ যাব পৰা হ'লে কিন্তু উপায় নাই ইমান ৰাতি নির্জন ঠাই যিমান খিনি পাৰিলোঁ কৰিলো বুলি নিজকে সান্ত্বনা দিয়াৰ চেষ্টা কৰিলো। গাড়ীৰ লাইটৰ পোহৰত দেখিলো, ঠাইখন তেজেৰে ৰাঙলী হৈ পৰিল আৰু মোৰ হাতদুখনো। ♦



কৃষ্ণচূড়াৰ আঁৰে আঁৰে

লোপামুদ্রা দুৱৰা

মনলে উভতি আহে ল'ৰালি
আবেলিৰে ৰ'দালি, 'ধীৰে ধীৰে হেৰাই যায়...

হেডফোনত জুবিন গার্গৰ প্রিয় গান। গানৰ সুৰবোৰত মাতাল হৈ পৰে কুঁৱলীয়ে, কিমান সময় যে খিৰিকীখন ভেজা দি এখন নিজৰ পৃথিৱী গঢ়ি লয়। সেয়া তাই তলকিবই নোৱাৰে। কোঠাটোৰ এই চুকটো তাইৰ যেন নিসংগতা সময়খিনিৰ শ্রোতাস্বৰূপ।

সপোনে ৰিঙিয়াই মাতে, সপোনে ৰং সিঁচে। এই সপোনক আৱৰিয়েই তাই এদিন হোমৰ গুৰিক সাক্ষী কৰি গুচি আহিছিল সৌৰভৰ সৈতে, মনত বহুতো আশা লৈ। তাইৰ দুবছৰীয়া প্রেমক সাক্ষী কৰিয়েই উচ্চ প্রশাসনিক বিষয়া সৌৰভৰ সৈতে বিয়াত বহিছিল। বিয়াৰ পিছত প্রতিটো দিনেই যেন তাইৰ বাবে অবাঞ্ছিত এটা দিন। কোনোকালেই নেদেখা সৌৰভৰ এটা নতুন ৰূপ কুঁৱলীয়ে দেখিবলৈ পাইছিল। নিত্য নৈমিত্তিক পৰিয়ালৰ পৰা আঁতৰত থাকিবলৈ লোৱা যেন কুঁৱলীৰ অনুভৱ হৈছে। তাই এদিন ঘৰৰ ওচৰৰ খুৰীয়েকক কোৱা শুনিছিল "প্রেম বোলে বিয়াৰ আগতহে হয়, বিয়াৰ পিছত সকলো সলনি হৈ যায়।" কিন্তু বিশ্বাস আৰু ভালপোৱাৰ এক আবিৰে সানি ৰাখিছিল কুঁৱলীক। তাইৰ জীৱনটোত যেন সেই খুৰীয়েকৰ কথাষাৰেই বাস্তৱ হৈ আহিছিল। সৌৰভ ঘৰলৈ দেৰিকৈ অহা, সুৰাপান কৰা, ঘন্টা জুৰি ম'বাইলত কাৰোবাৰ সৈতে কথা পতা, সকলো তাইৰ বাবে অভ্যাসত পৰিণত হৈছিল। কুঁৱলীক সুখবোৰত শেলুৰেয়ে বাহ বান্ধিছিল। অধুনিকতাৰ এটা নতুন বেশ আৰু এটা কৃত্রিম হাঁহি মাথো তাই আঁকি ৰাখিছিল। এই সময়বোৰত তাই মৃত দেউতাকলৈ খুব মনত পেলাই, কিমান যে আটোম-টোকাৰিকৈ দেউতাকে তাইক আৰু ভায়েককক ডাঙৰ কৰিছিল মাকৰ অবিহনে। দেউতাকে সদায় কৈছিল, শেষ হৈ যোৱা ককাকৰ দিনৰ কথাবোৰ, বাৰীখন কিমান কষ্টেৰে দেউতাকে সজাই তুলিছিল। কুঁৱলী বৰ মেধাৱী আৰু ধুনীয়া ছোৱালী আছিল বুলি গাঁৱৰ সকলোৱে জানে। সেইবাবে দেউতাকে কুঁৱলীক লৈ হেজাৰ স্বপ্ন ৰচিছিল। কুঁৱলীৰ জন্মদিনতবোৰত দেউতাকে সদায় একোটাকৈ গছপুলি আনি ৰুবলৈ দিছিল। তাই আৰু বায়েকে খুব সযত্নে পুলিবোৰ ৰুইছিল। শাৱী শাৱীকৈ তগৰ, নাহৰ, কৃষ্ণচূড়াৰ গছৰ পুলিবোৰ।

উফ্ হঠাতে যে কি হৈ গ'ল! তাইৰ জীৱনটোৱেই আউল লাগি গ'ল। দেউতাকৰ পুৰণি হাঁপানি বেমাৰটোৱেই কাল হ'ল। তাই শিক্ষা জীৱন স্নাতকতে সামৰি ভায়েকক সামৰি ধৰিলে। দেউতাকবোৰ ঘৰৰ মূধচৰ দৰে। দেউতাকজন থকালৈকেহে ঘৰখন শক্তিশালী হৈ থাকে। দেউতাক অবিহনে ঘৰখন তেনেই ঠুনুকা। আধালিখা কথাবোৰক সামৰি তাই সৌৰভৰ সৈতে সংসাৰ কৰিছিল। সেই সহজ-সৰল জীৱন পৰিত্যাগ কৰি কুঁৱলীয়েও ভাবিছিল, দেউতাকৰ দৰেই স্বামীৰ পৰা মৰম-আদৰ পাব। কিন্তু সকলোবোৰ যেন ওলোটাকৈ লিখিলে বিধাতাই। লাহে লাহে তাই খুব ভাগি পৰিছিল আৰু প্রায় সময় তাই নিজকে কিতাপৰ মাজতে সীমাবদ্ধ ৰাখিছিল। গোটেই ঘৰখনত কুঁৱলীয়ে মাথো হেৰাই যোৱাৰ সুৰুঙাটো বিচাৰি ফুৰিছিল।

ফাগুন মাহ, সাতোৱঙী ভালপোৱাৰ সমাবেশ এই ফাগুনৰ কবিতা লিখি এদিন তাইক ভালপোৱাৰ প্রস্তাৱ দিছিল প্রিয়জনে। সেইজন মানুহেই ফাগুনৰ কোনোৱা এটা দিনত কুঁৱলীক এৰি গুচি গৈছিল আন নাৰীৰ সৈতে। তাই সম্পূর্ণৰূপে প্রস্তুত হৈ আছিল প্রিয়জনৰ এই বতৰা পাবৰ বাবে, কিন্তু ভয় হৈছিল তাইৰ দুমহীয়া পেটত থকা সন্তানটোক সুৰক্ষিতকৰণক লৈহে। বাৰে বাৰে শেষ হ'ব খুজিও মমতাময়ী মাতৃত্বৰ অনুভৱে কুঁৱলীক বাধা দিয়ে প্রতিটো মুহূর্ততে। জীৱনটো আকৌ নতুনকৈ আৰম্ভ কৰিবৰ বাবে মৰণ পণ যুদ্ধ। সুঁতি হেৰোৱা নাওখনিক সঠিক ঘাটলৈ নিবলৈ চেষ্টা কৰিছে কুঁৱলীয়ে। শেষ হৈ যাব খোজা



জীৱনটোৰ নতুন নাম তাইৰ পেটত গর্ভধাৰণ কৰা সেই কণমানি দেৱশিশুটো। মা, মা শব্দটোৱে কাণত বাজিবলৈ ধৰিছে, অতপৰে ৰৈ থকা কুঁৱলীৰ সাতবছৰীয়া ছোৱালী মৌৰ মাততহে ঘূৰি আহিছে বর্তমানলৈ। মৌৰ কণমানি হাত দুখনৰ পৰশত উজ্জ্বল হৈ উঠে তাইৰ মুখখন। কুঁৱলী এতিয়া এগৰাকী ভাল লেখিকা তথা এগৰাকী সুনাম থকা প্রবক্তা। ব্যস্ততাপূর্ণ জীৱনটোক বাদ দি কিমান দিন যে সেই আপোন ঠাইডোখৰৰ পৰা তাই আঁতৰি আছে। তাইও সোঁৱৰণিৰ পৃষ্ঠাখন অধিক সুন্দৰ কৰিবৰ বাবে উভতি যাব কদমতলি গাঁওখনিলৈ। মৌ আৰু কুঁৱলীয়ে পুৱাতেই ঢাপলি মেলিলে কদমতলিলৈ বুলি। জৰাজীর্ণ হৈ থকা ঘৰখনৰ সন্মুখত ভৰি থৈয়েই স্মৃতিৰ জোলোঙাটোৱে দোলা দিবলৈ ধৰিলে। এফালৰ পৰা চাই গ'ল তাই হাতেৰে কষ্ট কৰি, যত্নেৰে গঢ়ি তোলা গছ-গছনিবোৰ, একমাত্র ভায়েকে এৰি যোৱাৰ ঘৰখনত উপচি পৰা কেঁচু-কুমতিবোৰ আৰু আগফালৰ জপনাখনৰ কাষতে ফুলি থকা কৃষ্ণচূড়াৰ সৌন্দর্য্য উপভোগ কৰিলে আৰু ভাবিলে কেনেকৈ অকলশৰে সকলোবোৰ বতাহ ধুমুহাক নেওচি ঘৰটোৰ ছাঁ হৈ। কুঁৱলীয়েও এপৰলৈ ভাবিলে তাইৰ এই নিৰস জীৱনটোও এই গছজোপাৰ দৰেই আগুৰাই নিব সকলো প্রাচীৰ ওফৰাই আৰু মৌক গঢ়ি তুলিব কৃষ্ণচূড়াৰ ফুলবোৰৰ দৰে। ভাবুক হৈ থকা মাকক দেখি মৌয়ে ক'লে—মা, মা, এইজোপা ইমান ধুনীয়া গছ, ঠিক তোমাৰ দৰেই।♦

গল্প

ভাগ্যৰ উপহাস

কমল দত্ত

— তুমি ইমান উদাস কিয়, বিদ্যুৎ?

— মই? মোক সুধিছা...? নহয়তো..... কিনো উদাস দেখিলা?

— নহয়। তুমি সকলোৰে লগত হাঁহি স্ফূৰ্তিৰে কথা পাতা, সকলোৰে সৈতে ধেমালি কৰা, নিজৰ সকলো দায়িত্ব খুউব সুন্দৰকৈ পালন কৰা কিন্তু তাৰ মাজতো তুমি যেন ক'ৰবাত পৃথক..... সকলো থাকিও কিবা এটাৰ সন্ধানত প্ৰতিমুহূৰ্তত তুমি যেন ব্যাকুল বুকুৰ মাজত যেন কঢ়িয়াই লৈ ফুৰিছা এছটা গধুৰ শিল...।

— নম্ৰতা, এইবোৰ কি কৈ আছা তুমি.....! ঠিকেই আছাতো তুমি?

— মই ঠিকেই আছোঁ

— বিদ্যুৎ, কিন্তু মোৰ মনটোৱে কয় তুমি যেন ঠিকে নাই। তোমাৰ চিন্তাক্লিষ্ট মুখখন বাতি বিছনাতো মোৰ মনলৈ ভাঁহি আহে। মোক কথাবোৰ কিয় খুলি ক'ব নোৱাৰা তুমি?

— তুমি মিছাই চিন্তা কৰিছা— মোৰ একো হোৱা নাই অ'। এই দুটা বছৰে তুমি মোক কেৱল এই কথাবোৰেই সুধি অহা নাইনে?

—আৰু এই দুটা বছৰে তুমি মোক এটাই মাত্ৰ উত্তৰ দি অহা নাইনে? —"মোৰ একো হোৱা নাই- তুমি মিছাই চিন্তা কৰি আছা।"

বিদ্যুতে এপলক নম্ৰতাৰ মুখলৈ চাই তাইৰ হাতখনত সজোৰে খামুচি ধৰি ক'লে—

'তুমি মোক ভুল বুজিছা, নম্ৰতা। তুমি এনেদৰে চিন্তা কৰিবলগীয়াকৈ মোৰ বিশেষ একো হোৱা নাই। কিন্তু তুমিতো জানাই, মাই অকলশৰে কিমান কষ্ট কৰি ঘৰখন চলাই আছে। মাৰ কষ্টবোৰ দেখি কেতিয়াবা ভাব হয় পঢ়া শুনাৰ বাবত মই যেন টকা পইছাবোৰ মিছাতে খৰছ কৰি আছোঁ, কিন্তু মাই নামানে জানা, মাৰ মতে মই এম.এ. টো ভালদৰে শেষ কৰিবই লাগিব।.... সকলৰ পৰাই কেৱল ঘাত-প্ৰতিঘাত, সমস্যা, বিপদ এইবোৰৰ মাজতেই ডাঙৰ হৈছোঁ পৰিস্থিতিৰ সৈতে যুঁজি যুঁজি সৰুতেই বহু কথা শিকিলোঁ। অভাৱবোৰে সৰুতে দেখা সপোনবোৰ কেতিয়াবাই ভাঙি চুৰমাৰ কৰি পেলালে। বহু সময়ত নিজেই নিজৰ সাৰথি হৈ আগুৱাওঁ..... নিজকে সাহস দিওঁ.....।'

— তাৰ কথা শুনি নম্ৰতাৰ চকুহাল চকুলোৰে চলচলীয়া হৈ পৰিল—

'আই এম ছ'ৰি, বিদ্যুৎ ... তোমাক হয়তো কথাটো সুধি দুখ দিলোঁ। কিন্তু তুমি মনত ৰাখিবা ঘাত-প্ৰতিঘাতৰ কথা মইয়ো বুজি পাওঁ, হ'ব পাৰো মই ধনী ঘৰৰ ছোৱালী থাকিব

পাৰে মোৰ দেউতাৰ তিনি-চাৰিখন বিলাসী গাড়ী। চহৰৰ মাজমজিয়াত সুউচ্চ অট্টালিকা-কিন্তু এইবোৰে মোক তিলমানো মানসিক শান্তি দিব পৰা নাই। বহু সময়ত মই মোৰ দেউতাক নিজৰ পিতৃ হিচাপে চিনাকি দিবলৈ লাজ পাওঁ বিদ্যুৎ। মই এতিয়া সৰু হৈ থকা নাই, এজন ৰাইজৰ সেৱকে ইমান কম সময়তে ইমান বিশাল সম্পত্তিৰ পাহাৰ গঢ়িবলৈ কি কৰিব লাগে মই বুজি পাওঁ, অন্ততঃ মোৰ দেউতাক দেখি।..... দুখনো কাৰ নাই বিদ্যুৎ..

নম্ৰতা,.....!

'এৰা.....এইবোৰ কথা এতিয়া থাকক দিয়া।' দুচকুৰে ভেটা ভাঙি বৈ আহিব খোজা চকুপানীৰ নৈ খনক কোনোমতে বাধা দি এটি গভীৰ হুমুনিয়াহ কাঢ়ি তাই কথাষাৰ ক'লে।

এক গভীৰ নীৰৱতাই আৱৰি ধৰিলে নম্ৰতা আৰু বিদ্যুতক।

নম্ৰতা চৌধুৰী বিশ্ববিদ্যালয়ৰ স্নাতোকোত্তৰ মহলৰ ছাত্ৰী। বিদ্যুতে তাইক সৰুৰ পৰাই স্কুল কলেজলৈ যাওঁতে প্ৰায়ে দেখিছিল কিন্তু সামান্য পৰিমাণে অন্তৰ্মুখী স্বভাৱৰ বিদ্যুতে তাইক আগতীয়াকৈ মাত দিয়াৰ সাহস কৰা নাছিল হয়তো প্ৰয়োজনবোধো কৰা নাছিল। বিশ্ববিদ্যালয়ত নামভৰ্তি

কৰাৰ পাছত নম্ৰতাৰ চকুত পৰিছিল বিদ্যুৎ। অৱশ্যে কাৰোবাৰ চকুত পৰিব পৰাকৈ সি দেখনিয়াৰ নাছিল, বিশেষ প্ৰতিভাও নাছিল পিছে সি লিখা মেলা কৰিছিল, কিন্তু খুউব নীৰৱে ছদ্মনামত লিখিছিল সি। আচলতে বিশ্ববিদ্যালয়লৈ অহাৰ কেইটামান দিনৰ আগতে বিদ্যুতৰ জীৱনত ঘটিছিল এটা অনাকাংক্ষিত ঘটনা তাৰ সাংবাদিক পিতৃৰ মৃত্যু হৈছিল — মৃত্যু হৈছিল এটা ৰহস্যময় পথ দুৰ্ঘটনাত। কোনোদিন অতিপাত বেগত বাইক নচলোৱা ধীৰ স্থিৰ মানুহজনৰ মৃতদেহ উদ্ধাৰ হৈছিল এটা দ খাৰৈত বাইক খন চূৰমাৰ হৈ পৰিছিল। জীৱনত কোনোদিন নিচা সেৱন নকৰা মানুহজনক পুলিচ প্ৰশাসন আৰু ডাক্তৰে মিলি অত্যধিক নিচাসক্ত অৱস্থাত আছিল বুলি ঘোষণা কৰি থৈ গৈছিল। ক্ষোভত ফাটি পৰিছিল বিদ্যুৎ, কিন্তু তাৰ হাতত তেতিয়া কৰিব পৰা একো উপায় নাছিল। ইয়াৰ পাছতে বেছি বিমৰ্ষ আৰু উদাসীন হৈ পৰিছিল। সি জানিছিল তাৰ দেউতাকৰ মৃত্যুৰ কাৰণ তাৰ দেউতাকক হত্যা কৰা হৈছিল। হাঁহি-স্ফূৰ্তি, ধেমালিৰে জীৱন গঢ়াৰ সম্ভাৱনাময় সময়খিনিতে এনে এটা আঘাতত সি নিৰ্বাক হৈ পৰিছিল অধিক ৰহস্যময় হৈ পৰিছিল বিদ্যুৎ। আৰু এদিন নম্ৰতাৰ চকুত পৰিছিল।

দিনটোৰ বেছিভাগ সময় লাইব্ৰেৰীতেই কটোৱা বিদ্যুতক তাই প্ৰথম দুদিনমান নীৰৱে লক্ষ্য কৰিছিল। তাৰ পাছত এদিন তাই নিজেই আগবাঢ়ি আহি চিনাকি হৈছিল কিন্তু বিদ্যুতক একেবাৰেই বুজিব পৰা নাছিল। প্ৰয়োজনতকৈ বেছি কথা নোকোৱা বিদ্যুতৰ শান্ত-সমাহিত ৰূপটোৱে নম্ৰতাক আকৰ্ষণ কৰিছিল। লাহে লাহে সিহঁতৰ মাজত কথা গভীৰ হৈছিল। সিহঁতৰ মাজত? ওহোঁ... বিদ্যুৎ সেই একেই আছিল প্ৰথমতে সি বিশেষ একো আগ্ৰহ দেখুওৱা নাছিল। খোলা মনৰ নম্ৰতাৰ আগ্ৰহতহে লাহে লাহে সি তাইৰ লগত কথা পতা আৰম্ভ কৰিছিল। বহুবন্ধী নম্ৰতাই বিভিন্ন কথা পাতি, ধেমালি কৰি তাক সহজ কৰাৰ বাবে, তাৰ বিষণ্ণতা আঁতৰাবৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। লাহে লাহে বিদ্যুৎ সামান্য সহজ হৈছিল কিন্তু কেৱল নম্ৰতাৰ বাবে আনৰ বাবে সি সেই আগৰ বিদ্যুতেই হৈ থাকিল। তথাপি সি কোনোদিন সুধা নাছিল নম্ৰতাক তাইৰ ঘৰখনৰ কথা, ঘৰত কোন আছে কিম্বা দেউতাকৰ নাম?

লাহে লাহে সম্পৰ্ক গাঢ় হৈ পৰিল। আৰম্ভ হ'ল ৰঙীণ সপোনৰ এক যাত্ৰা দুয়োৰে বুকুত আৰম্ভ হ'ল এজাক ধুমুহা যৌৱনৰ ধুমুহা। প্ৰায়ে নিৰিবিলি পৰিৱেশত দেখা গ'ল দুয়োকে—

'তোমাৰ জীৱনৰ আটাইতকৈ ভাল মুহূৰ্তটো কি নম্ৰতা?' এদিন নৈৰ পাৰত দুয়ো বহিবলৈ যাওঁতে বিদ্যুতে নম্ৰতাক সুধিছিল।

— নম্ৰতাই ধীৰ মাতেৰে কৈছিল, 'কিয় সুধিলা?'

'এনেই....জানিবলৈ মন গ'ল, কোৱাচোন।' শান্ত কণ্ঠেৰে আকুলতাৰে বিদ্যুতে সুধিলে।

"হুমম..... এদিন লাইব্ৰেৰীত মই এখন কিতাপ বিচাৰি আছিলো, কি কিতাপ আছিল পাহৰিছোঁ এতিয়া। মোৰ কাষত ল'ৰা এজন আছিল.... সিও হয়তো কিতাপেই বিচাৰি আছিল। হঠাৎ কেনেকৈ ক'ব নোৱাৰো মোৰ হাতখন লাগি কেইখাখনো কিতাপ মজিয়াত পৰি গ'ল আৰু মোৰ কাষত থকা ল'ৰাটোৱে কি কৰিলে জানা এটাও শব্দ উচ্চাৰণ নকৰাকৈ কিতাপ কেইখন বুটলি মোৰ হাতত তুলি দিলে আৰু মই কিবা ক'বলৈ পোৱাৰ আগতেই সি খৰধৰকৈ তাৰ পৰা আঁতৰি গ'ল। ....এইটোৱে আছিল মোৰ এইবুলি কথাষাৰ সম্পূৰ্ণ নকৰাকৈয়ে নম্ৰতাই খিলখিলাই হাঁহিবলৈ ধৰিলে।

কথাষাৰ বুজিব পাৰি বিদ্যুতেও হাঁহি ৰখাব নোৱাৰিলে। এইটো বিদ্যুৎ আৰু নম্ৰতা চিনাকি হোৱাৰ



আগৰে কথা আৰু নম্ৰতাই এই কথাটো লৈ তাক এতিয়াও মাজে মাজে জোকাই থাকে।

এনেদৰেই চলি গৈ থাকিল সিহঁতৰ ভালপোৱাৰ জাহাজ..... বিশেষ একো নাছিল- এহাল শিক্ষিত প্ৰেমিক-প্ৰেমিকাৰ প্ৰেমত যি হোৱাটো স্বাভাৰিক সেইবোৰেই আছিল এক গতানুগতিক প্ৰেম কাহিনী। পিছে নম্ৰতাৰ চেষ্টা চলিয়েই থাকিল বিদ্যুতৰ বিষণ্ণতাৰ কাৰণ আৱিষ্কাৰ কৰিবলৈ। কিন্তু বিদ্যুতে কোনোদিন তাইক কোৱা নাই তাৰ দেউতাকৰ যে মৃত্যু হৈছে তাৰ দেউতাকক যে হত্যা কৰা হৈছিল। কিন্তু সি কথাষাৰ কিয় ক'ব পৰা নাই সি নিজেও বুজি নাপায়। ইমান আপোন বুলি ভাবি লোৱাৰ পাছতো কিয় তাইক এই বিষয়ে এটা শব্দও ক'ব নোৱাৰে? কিন্তু বিদ্যুতে ভালদৰে জানিছিল তাৰ পিতৃৰ হত্যাকাৰী কোন, কোনে তাৰ দেউতাকক তেওঁৰ নিৰ্ভীক সাংবাদিকতাৰ সন্মুখত তিষ্ঠিব নোৱাৰি সম্পূৰ্ণ পৰিকল্পিত ভাৱে হত্যা কৰিছিল। কিন্তু নম্ৰতাক হাজাৰ চেষ্টা কৰিও এই বিষয়ে জনাব পৰা নাছিল বিদ্যুতে কিবা এক অজান কাৰণত।

কিন্তু এদিন কথাবোৰ সকলো সলনি হৈ গৈছিল। সেইদিনা বিদ্যুতৰ লগৰ এজনৰ জন্মদিন আছিল। জন্মদিনৰ পার্টিলৈ যোৱাৰ ইচ্ছা তাৰ একেবাৰেই নাছিল। কিন্তু বন্ধুজনৰ একান্ত অনুৰোধ পেলাব নোৱাৰি সি অনুষ্টুপীয়াকৈ আয়োজন কৰা অনুষ্ঠানটোত উপস্থিত হৈছিলগৈ। অনুষ্ঠানটোত মানুহৰ সংখ্যা আছিল তেনেই তাকৰ বিদ্যুতৰ বাহিৰে লগৰ জনৰ আন বন্ধু তিনিজন আহিছিল সকলোবোৰ ঠিকেই চলি আছিল। খোৱাৰ মাজত সিহঁতে দেশ দুনিয়াৰ নানা কথা পাতিছিল ৰাজনীতি, অৰ্থনীতিৰ পৰা আদি কৰি সিহঁতৰ অঞ্চলটোত ঘটি থকা নানা অনৈতিক কার্য-কলাপলৈকে। ওলাইছিল প্ৰকাশ চৌধুৰীৰ কথা, যিজনৰ নাম শুনিলেই বিদ্যুতৰ ঘৃণাত মুখ কোঁচ খাই আহে। প্ৰকাশ চৌধুৰী ব্যৱসায়ৰ পথাৰৰ পৰা উঠি নতুনকৈ ৰাজনীতিৰ পথাৰ খনত নামিছে বিধায়ক হিচাপে নিজৰ এটা কার্যকাল শেষ কৰি আন এটা আৰম্ভ কৰিছে মাত্ৰ। কোনো বুজি নাপায় এই প্ৰকাশ চৌধুৰীয়ে ৰাজনীতিত নামিয়েই এনে কি আলাউদ্দিনৰ চাকিটো পালে যে তেওঁ ইমান কম সময়তে সম্পত্তিৰ এখন বিশাল সাম্ৰাজ্যৰ অধিপতি হৈ পৰিল। আগৰ সেই সৰু সুৰা ব্যৱসায় কৰি চলি থকা প্ৰকাশ চৌধুৰী আৰু আজিৰ প্ৰকাশ চৌধুৰীৰ মাজত আছে আকাশ পাতাল পার্থক্য। আগৰ সেই সৰল হাঁহিটো মুখৰ পৰা আঁতৰাই এটা অদ্ভুত আৰু কৃত্রিম হাঁহি মুখত পিন্ধি লৈ কেইটামান টকা আৰু নিজৰ ক্ষমতাৰ বাবে ৰাতিৰ অন্ধকাৰত পোহনীয়া গুণ্ডাৰ হতুৱাই প্ৰকাশ চৌধুৰীয়ে কৰিব নোৱাৰা দুষ্কার্য হয়তো আজিৰ তাৰিখত এই ত্ৰিলোকত নাই।

এইবোৰ আলোচনাত প্ৰায় ক্ষেত্ৰতে বিদ্যুতে নীৰৰ শ্ৰোতাৰ ভূমিকাহে পালন কৰিছিল। হঠাৎ, এজনৰ এষাৰ কথা শুনি বিদ্যুৎ বজ্ৰ পৰা মানুহৰ দৰে থৰ লাগিছিল। সমুখত থকা সকলোবোৰ তল ওপৰ হৈ যোৱা যেন লাগিছিল তাৰ এটা যেন বিৰাট ভূঁইকঁপে সকলোবোৰ তচনচ কৰি পেলাইছিল। সি কোনোদিন সপোনতো নভবা এটা কথা। তাৰ চিঞৰি চিঞৰি ক'বলৈ মন গৈছিল 'নহয় .....নহয়... কেতিয়াও নহয়। ই কেতিয়াও সম্ভৱ নহয়... নম্ৰতা চৌধুৰী কেতিয়াও প্ৰকাশ চৌধুৰীৰ ছোৱালী হ'ব নোৱাৰে।'

নিজকে সেই সময়খিনিত সি আপ্ৰাণ চেষ্টা কৰি নিয়ন্ত্ৰণত ৰাখি অলপ সময়ৰ পাছতে লগৰকেইজনৰ অনেক অনুৰোধকো নেওচি ঘৰলৈ গুচি আহিছিল। সি তাৰ বন্ধুকেইজনক জানিবলৈ দিয়া নাছিল তাৰ মনৰ তীব্ৰ যন্ত্ৰণা। অত্যধিক নিচা কৰা মানুহৰ দৰে টলং ভটং কৈ আহি সি ঘৰ সোমাইছিল। তাৰ অলপ দেৰি হোৱাত মাক ইতিমধ্যে শুই পৰিছিল। সি যেনে তেনে গৈ বিছনাত পৰিছিল। সি কথাটো মানি ল'বলৈ সঁচাকৈ কষ্ট পাইছিল। আজি তাৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিছে ইমান দিনে কিয় সি নম্ৰতাৰ ঘৰখনৰ বিষয়ে জনাব চেষ্টা কৰা নাছিল? নিজৰ প্ৰেমিকাৰ ঘৰখনৰ কথা নজনা, মাক-দেউতাকৰ বিষয়ে নজনা তাৰ বাহিৰে হয়তো কোনোবা এই পৃথিৱীত নাই। বিবেকৰ দংশনে তাক অহৰহ আঘাত কৰিবলৈ ধৰিলে তাৰ বুকুৰ মাজত ইতিমধ্যেই আৰম্ভ হৈছে এখন যুদ্ধ আবেগ আৰু বিবেকৰ যুদ্ধ। নিয়তিৰ কি যে নিষ্ঠুৰ পৰিহাস। সি ভাবি পাৰ পোৱা নাই কেনেকৈ সি তাৰ পিতৃৰ হত্যাকাৰীৰ কন্যাক নিজৰ প্ৰেমিকা নাইবা পত্নী বুলি চিনাকি দিব, কেনেকৈ সি তাৰ পিতৃৰ হত্যাকাৰীক দেউতা বুলি মাতিব!

এনেদৰেই সি নিশাৰ কিমানটা প্ৰহৰ অতিক্ৰম কৰিলে ক'ব নোৱাৰে। তাৰ দুচকুৰে বাগৰি আহিল দুটোপাল তপত চকুলো। দুখ আৰু ভাগৰত সি লেবেজান হৈ পৰিছিল। বিছনাৰ পৰাই বিদ্যুতে ৰাল ঘড়ীটোলৈ চাই পঠিয়ালে দুই বাজি দহ মিনিট গৈছে। হয়তো ৰাতিপুৱা হলেই নম্ৰতাই তালৈ মেছেজ কৰিব বা ফোন কৰি তাক ক'ব —"তুমি উঠিলানে, উঠা আক' — ইমান দেৰিলৈকে শুই আছা যে তুমি ঠিকেই আছানে বিদ্যুৎ?◆



STORY

Monsoon Diaries

Satoroopa Chakraborty

"Dancing my heart out in bollywood monsoon tunes, draped in white dress, grooving under the downpour of the sky in a beautiful within the spring blossoms..." "Sahitya...Sahitya! Wake up. The professor could arrive anytime soon.

The petrichor of the damp soil have always been enchanting for a pluviophile like me for whom rain is like a long distant lover whose arrival I eagerly anticipate. The birds fording in the puddle, bathing and chirping, the rain fed leaves and twigs, tiny new born saplings, the freshly bloomed foxtail orchids, the farmers planting rice saplings wearing their jhapis, the crowd at the roadside tea stalls, lovers embracing each other beneath their umbrellas; a common scenery during the monsoons in most rainy topographies of the northeast India. Our tea city of India is no exception to it.

The monsoons this time appeared sooner, all thanks to the climate change owing to global warming. It has been raining cats and dogs since day before yesterday. The adjacent and low lying areas of Dibrugarh have already begun to flood. My house is situated at a relatively higher place, therefore I have not faced those adversities much, maybe the very reason as cited by my close ones for my growing love for rain. "You do not wash clothes or dry them up. So rain fascinates you so much. Once you enter the household chores, you will get the real idea of rain." Says maa who has been a typical housewife throughout her life and rain for her is nothing more than a nuisance child that cannot be tamed. But for me rain is that acceptance that I search among the rabble. Rain is the peace free of all judgements. Rain is that friend that taps my palms without any expectations. Rain is that partner in whose shadow I can hide all my tears. Rain is that home where at times havocs are made due to anger yet it is always welcoming.

I want to get wet in this downpour, play in the pit, dancing my heart out, spring in the puddles. But alas! Nothing such sort is possible in this daisy uniform where smallest of mud spots will be a dazzling scene like vanilla ice-cream with choco-chips; note the fact the latter is always tempting for me while the former I despise. How I miss my school days! This white college uniform has been such distress since beginning in rain, or in days other when one is going through tremendous menstrual cramps and there is every small instance of straining the uniform.

Returning to the class, I have been awakened by my friends Drishti, Malini and Shruti. "You once again have done the entire night reading some hopeless romantic novel, isn't it, Sahitya?" Scorns Malini, my matured and practical friend whose life spares no chances of advocating fantasies, the backdrop story of which I would like to keep for some other day. "Do not scold her. She does whatever her heart says her to do", adds Drishti, the one always taking my back, the combo of practicality and fantasies. She

does weave dreams but only after setting her feet in the land, unlike me who at the age of nineteen still reads and beliefs in fairy tales.

"Ma'am will not be able to take this class. She is busy with the paper corrections. She just informed through our whatsapp group. We are directly asked to head to our spoken language lectures." Informs Shruti, my tech freak friend, for whom technology is just like blinking of eyes. Travelling and photography was her ultimate passion. Packing our bags, we hurried from first block to third block for our spoken language lectures.

The rain is now mellow. Huffing to the third block untangling my lock, I banged with someone. I have forgotten my specs that day, so I could not make out who the person was exactly. Yet his eyes and smile was crystal clear to me. It was never that I had not met more handsome guys, but from him, I could not take my eyes off. His eyes homage dreams of reality. Strands of his hairs were fluttering in the breeze. He just smiled back at me, and hurried off. That smile made my day. He was gone! As if a strong gush of wind that suddenly arrives and suddenly vanishes. But I couldn't shift my gaze. I kept starting at that direction heralding my fairy tales, only to be pulled to the class by Malini. I was out of my dream. I frowned at her, but alas no use.

"Aside is a type of monologue expressed to the audience...", spoke professor however for the very first time, I could not concentrate in lectures. I could not concentrate on book's line. I am not able to fathom what is happening. That sudden rendezvous has been swishing before my eyes. His captivating smile knocked my heart not once, twice, thrice but many more moments. I am getting butterflies in my stomach! What is this new feeling? Why do I want to see him again? Who was he? Do I know him? Is this what they call love? Is this what they call love at first sight?

The clock ticked fourteen. The classes were over. Dristhi and I were chit-chatting when the rescript for upcoming elocution competition was made. "On the occasion of earth day on 22 April, an elocution competition is being organised by the Department of Geography. Interested students can submit their names to students committee."

Since my school days, I have been an active participant of such events. Although not a virtuoso speaker, I loved to speak and express myself. Therefore, I decided to join in the program. So, I went to the committee house to give in my name. As I set my foot in, I was taken aback. That smile, those eyes... He was there! Sitting and enlisting names of participants. My butterflies were back. I begin to tremble. Mastering my guts, I went to him. " Sahitya Sharma, second semester, Department of English." I submitted my name to him. As he lifts his face, I glance at a nearer and cleaner view of the person. Handsome man of around my age, he has eyes as ebony woods and hairs like sea waves. He possesses French style beard, black blazer with a student committee batch which reads "Meghan Chatterjee, Department of International Relations, Advisor; students committee, S.R.K College." He recognized me at a single glance. "Aren't you the girl I landed on few moments before. Sorry for that. I was in hurry for my class." "It's okay." "I am Meghan, sixth semester, Department of International Relations. Sahitya from Department of English, okay." I nodded in affirmation. I wanted to stay there, but cannot. I do not have any valid reason. I just wanted to know him more. Never in my life, I felt as such. As I was about to leave for home, the rain began to intensify. That is why I adore those tears of sky so much. It understood me like no one else. Meghan asked me to step and wait for the rains to abate as umbrella too will be of no use. To pass the time, we took up to talk. We exchanged our views on politics, poetry, art and music. It felt like we have known each other for years not like as we have just been acquainted. We exchanged our numbers and left for our respective destination as the rain departed.

"Oh, mighty Love, thine arrows are made of flowers. How can they be so sharp!..." We were being taught the Kalidasa's *Abhijnana Shakuntalam* in the classes today. It was raining

once again today. If it had been before, I would have weaved mere weaves of fantasies but now I can relate to lovelorn Dushyanta and Shakuntala. How powerful the arrows of Venus are even being made with tulips, roses and lavenders! Love is painful yet beautiful. Past one month have well acquainted me with what they call love.

Meghan and I are now good friends. We share all good and bad. He cares for me like my father while I at times scorn him for not eating and sleeping at time. It is nothing what they show in movies and novels, but a more a pristine and serene feeling. The blue hill peaks covered with snow while the foot of hills carpeting a lush green meadow blossomed with liatris, Indian paintbrushes, poppies and goldenrods hiding a serene lake. It is about decoding the way of happiness and higher self. It is about hugging the real essence of gloomy days. It is doing something you never did before. It is rediscovering each others' concealed selves. Some sacrifices, some acceptances, a feeling one of a kind.

I cannot connote this words or taglines. I want him to be mine but not at the cost of the beautiful friendship. I don't know if ever I will be able to tell him how I really feel for him. I don't know if he harbours similar emotions as mine. I don't know whether this is what society call as love. I enjoy every phrase of my life with him. But this dilemmas and confusions are today beautiful. I don't know whether I could ever be his or he being mine, all I know is that he has occupied all my prayers. I want him to be happy and successful in life, whether with me or anyone else.

Life is so unpredictable isn't it? When we wonder that our life is at perfect balance, our building blocks begins to tremble. Everything pre-planned falls apart. We encounter something we least fathom…

Although bought up in strict, etiquette and protective family, I have been one of the most pampered and cared child. A small middle class family of five, my grandpa is a retired central government employee. My father is also working under the centre. While my grandma and maa have been housewife throughout their life. Grandpa will be turning ninety this year. I was the most closest to him in house. He was the one to name me. He knew all that I liked and disliked. As an umbrella, he used to shed me from all my mistakes and fetch me all that I needed. He was the first one who knew about Meghan. He was the one who used to taste the new recipes that I tried. He applauded all my goods and criticised my odds. I loved him a lot. So was he.

This year, I was planning to celebrate it in a unique way. But little did I know that my entire life was about to be turning upside down. It was the month of July. Dad and grandpa had gone to an evening walk. The door bell suddenly rang. Grandpa had collapsed on the road and somehow papa could manage to bring him back to the house. The ambulance was called in immediately. Grandpa was hospitalised. His condition was critical. But I was always hopeful and optimistic. He will have to get well. He was discharged. I was quite happy that my grandpa was back.

It is fourteenth of August. It is raining heavily once again today. But it no longer gave me any glee moment. Today's morrow was the one I would have never anticipated even in my wildest nightmare. Rain could not hide my state that day. It did not answer me. It failed to comfort me. Grandpa left us for the heavenly abode. When grandma informed us, I did not believe her. Death was just a term I was familiar with. But I never felt its depth till then. When grandpa was being taken to the cremation grounds, till then I didn't shed a single tear. I was motionless. I did not know what was happening. I felt like everything being grey. Why were those rituals taking place? Where are they taking grandpa? Why is everyone crying so bitterly? They are disturbing grandpa's sleep. Don't they know that he is ailing? Why have so many people gathered in our courtyard? I did not understand anything…

Being acquainted with Sahitya, I began to believe that innocent people did exist till then. Although nineteen she was much childlike. She was simple, innocent, studious and friendly.

lever ever I imagined that I would meet someone s her who does not understand this complex ociety and does what her heart says to. She was alented and the best part was that she could speak er mind without much fear. I cherish our riendship, our bond, our closeness. Sahitya have een missing from college since days. I wondered vhere she was! I snooped about her from her riends. They knew nothing. "Meghan, have you eard that Sahitya has lost her grandfather!", said Achintya, my close friend. Achintya is a like a amily to Sahitya. She considered him her elder rother. Achintya too was fond of her. This rother-sister duo was quite well known to ollege. It was indeed sad. I was just pondering ow Sahitya was! My intuitions are testifying that he may have broken down. Afterall she was losest to her grandpa. I was just hoping she was kay. In the evening, I along with Achintya went o their house. It was situated in a decent and posh rea of our town. Her house was beautiful. I had never been to her house, even on her constant persuading. But the occasion that brought me here was I least prepared for. Achinyta has been to her house on other events. So finding her house was not troublesome. As we entered the house, we were welcomed by Sahitya's mother.

The entire house was veiled under the umbrella of grief, white people, white flowers, white environment, everything very wan as a winter's moon. Sahitya was not around. "Aunty, where is Sahitya? She has not been to college. How is she?" aunty who was till then holding herself strong, broke down into ocean of gloom. "Sahitya has debarred herself from speaking. She has not shed a single tear. We had always kept her away from death and matters as such. But this time when she saw her dearest grandpa pass away, she is unable to grasp the fact! She has completely submerged herself into a state where all day she sees old photographs and sits idle, glancing the road outside the window."

Through a narrow passage decorated with tuberoses and daisies, we were led to Sahitya"s room. I could not recognize her. Those lotus like eyes were puffed with patches of dark circles. Her river like hairs were all entangled as if not combed properly for days. I could not recognize her. The otherwise cheerful, bubbly, inquisitive girl has turned into a tree just shaken by tremendous tornado. That girl whose eyes were always filled with optimism and excitement on our earlier meetings, lacked all fervour today. I never knew this Sahitya.

When she saw us, she moved her gaze from the road outside the window, gazed at us for some moments to again turn her gaze to her earlier activity. I and Achintya were dumbfounded. We didn't know what to respond, how to respond. As soon I saw her condition, a fear overcame me, the fear of losing her from my life permanently. I was frightened that Sahitya would succumb to this trauma. I cannot afford to lose my dear friend. I cannot afford to lose that shining star. I cannot afford to lose that beautiful person of my life.

After the ceremonial rites were over, Sahitya was back in the college. But her old zeal was lost. It was once again raining that day. However, Sahitya's eyes lacked all earlier excitement. The girl for whom rain was her home, stood at it as if she is lost in a land unknown. It was like grandpa took her soul as well. The jungle bloomed with flowers today, but the birds no longer came. She was just a structure devoid of life. My heart was falling apart seeing her depleting condition. All her friends, Achintya and I, we tried talking to her, but she did not respond. Neither did she respond much in the classes. She even ceased to participate in programs.

I did not know what to do. The schedule for the final graduation has been released. It was scheduled to begin exactly after two months. Amongst all, one day, a call from Dristhi shook me. "Meghan Dada! Sahitya has been hospitalised. She blacked out on her way home house. We informed her parents as well. Please come soon if you can."

That call broke me down completely. What did she do to me in these few months? Why even the slightest thought of losing her is making my vulnerabilities grief? "Are you in love"

"NO...I am insecure about losing my closest one" "Meghan, you have long before diluted the boundary of love and friendship." "I am afraid of losing my dearest friend" "Meghan Chatterjee, you are head over heels with that idiot, innocent and simple girl!"

Silencing those emerging thoughts, I rushed to the hospital. "She is out of danger, but she has not slept or ate properly for many days, this resulted in black out. Moreover, she is traumatised of something. If she is not brought out of that self made illusion, she will soon succumb depression. She has by far too much used the repression mechanism." Those words from the medic made up my mind that I will do whatever be the path to bring the old Sahitya back.

A week later, Sahitya was seen in the college premises once again. She was quite pale. But she was eating and sleeping properly now, all thanks to medicines and pressure of her parents. She has been sitting where aster, daisies and tuberoses bloomed. As I went and sat beside her, after a span of so many days, words came out of her. It was like spring blossom in the season of fall. "Grandpa loves tuberoses a lot. When he will come back, I will buy some for him." "Sahitya... come back to your senses. Grandpa is no more! He has long left us. You have to face this harsh reality of life. You cannot elude as such. Face it Sahitya...face it." Hearing me shout, Achintya, Drishti, Malini, Shruti, all came running. I was regretting of clamouring at her. But I had no other options left. The tempest cannot be crossed until involved in that turmoil. Sahitya has to face the truth of death. She should now stop using her repression. Until and uptill she does not step in the tempest herself, she will never able to reach her destination.

"Sahitya... life and death are two sides of same coins. Grandpa has lived his purpose of life. Wherever he may be is, he is watching you. His soul has left this body to live a new life, new purpose. Come back Sahitya! Come back."

All around us was filled with tranquillity. All were numb. Sahitya was unresponsive for few moments too but soon I saw those lotus like eyes filled with tears. She wailed out loud the pain that she submerged within herself of losing her nearest one. Slowly, she was coming back to her senses. She hugged me tight and began to pule louder. I wish that I could hold her tight throughout my life. I wish I could always comfort her as such. I wish I could be by her as such always. But the life I was heading after the graduation demanded solitude and seclusion from all. I had dedicated my life to my country. The job was going to be risky and I cannot let Sahitya again fall into pit where I would lose her permanently. I had to make her strong and face the temporariness of life. I know she will break down once again after I will be gone. But I know she will hold herself this time stronger. This was probably the last time I am seeing Sahitya. Therefore, I wanted the old Sahitya back. I trust our friends. I know they will always protect her. I wish her all the happiness of life. Good bye my life!

Meghan's yelling brought me back to my senses. Grandpa was no more. He has flitted from our lives permanently. How immature I was to not accept this truth of life. How cruel of me of tormenting my near ones. The crying that I stored from months helped me relief my pain. That day, I went back home with a smile. My glee face made my family smile too. I was thankful to Meghan for bringing me back to my old self. May wherever grandpa is, I am sure he is happy seeing my real self getting back.

After so many days, I called all my friends, Dhristi, Malini and Shruti. They were very happy to see me back. It was like a soldier homecoming. I avowed them of my feeling towards Meghan. On their constant motivation and persuasion, I decided to open up to Meghan. I will meet him on the last day of his exams and confess everything. I was prepared for all the consequences. I was not sure how he would react, but if I don't say it to him, maybe throughout my life I will have to bear the burden of regret and pain.

On the final day of his exam, I waited for him outside the gate. The bell rang....I saw

everyone coming out. But where is Meghan? Why is he not there? I asked Achintya dada about him. "Hadn't he not said you? He had some important work to do, so he finished the exam an hour early and left the hall." "Actually, I did not inform him of my coming, so I did not know it."

It was the last time I heard of Meghan Chatterjee. Five years have passed till then. From that day on, we tried several methods of tracking him but no one knows where he is? What is he doing? Why did he vamoose? These answers maybe I will never discover. I do not have any complains? But I am thankful to him for making me the person I am. I was always full of life, enjoying every moment. But I did not know where to stop. I did not know abeyance. I lacked confidence. I lack the ability to make stand. I was just running. Meghan with the magic wand of life and love transformed my life into a beautiful one. I know my soul purpose now. I know who I am, what do I want. I was always complete, but lacked the polish. My life is still imperfect, because he is not there. But now I can surpass the tempests of life. He like the northern star has guided the sailing bark of my life successfully through the tempest. He may not be mine, yet my soul will always be aligned to his. He has taught me the meaning of true love.

What is love? What is passion? How does that feel? It is just story of two eyes, those deep eyes. When those eyes want the nearest one to be always with us and the entire known earth freezes. Without letting us know, our eyes wait for ages, for our person to arrive. What's most interesting is that these eyes despite the presence of several pretty things, recognizes one as the most beautiful. Love does not seek conscience. True love happens when it has to happen. It knows no impediments, no boundaries. It suddenly arrives in your life to change it for better. True love never constraints you. It is the union of two souls and in the words of Shakespeare, "Marriage of two minds."

"The banquet scene is at once a celebration of Macbeth's position as king and an undermining of the same. His psychological disintegration is a symptom of the schism in the body politic. As the murderer reveals, "Fleance is scap'd", Macbeth begins to lose confidence and becomes insecure." "He says:

There comes my fit again: I had else been perfect;

Whole as the marble, founded as the rock,

As broad and general as the casing air:

But now, I am cabin'd, cribb'd, confin'd, bound in

To saucy doubts and fears.—But Banquo's safe? (3.4 20-25)"

In the banquet scene, Banquo's ghost appears and takes Macbeth's seat. Conflicts are rife in Macbeth's mind. Banquo's ghost reminds Macbeth both of his brutal killings and Fleance's claim to the throne. As the scene continues, Lady Macbeth tries hard to control the situation. She tells the nobles that Macbeth has been getting fits since his youth and that this is momentary."

"Students, I am done for today. The class is dismissed." I now work as a temporary lecturer in the same college where our story had begun, the very college where we were students. I am pursuing my research degree from a prestigious institution of our country.

My phone ranged. "My dear sister, I hope you are coming to my marriage." "Obviously I will come, Achintya dada. How can I miss it! You are being wed to one of my closest friend. I will arrive a week before." "I am very happy to hear that." "Okay, I will talk to you later. It is raining, and I cannot miss to touch it and feel it." "You still do play in the rain. Although strong and mature than before, you have not changed Sahitya..." ♦

STORY

A Good Day

Rishika Hazarika

"Are you real? What are you? Why do you look like me?", These are the questions sometimes I ask myself when I look in the mirror. Somebody once said, "Look at yourself like you want to become that person", those words always somehow echo in me. Lately I've been struggling to sleep. I've been seeing a Doctor; his pills are not much help. I'm a construction worker and I'm tired of it. The only good moments I get is with my family.

My wife and my daughter remains the closest to my heart. Every night feels longer as I cannot sleep. Every noise at night becomes louder and I'm paranoid. The sound of distant cars, the homeless people in the street, the stray dogs keep me company at night. Always praying to God so that better days may come but all I keep getting is sleepless nights and stress, sometimes I wonder if there is God at all? Does he not love us?

I kept going to one doctor after another, they kept telling me I'm sick and tried to sell their dirty medicine, I refused all of them.

My boss treats me like a slave animal and I hate him and wish for him to die a painful death. It was a rainy dark day I was going to work, another worker came to me running and yelled, "Our boss is dead, somebody slit his throat with a knife in the elevator". I rushed with him and saw his dead body and the knife dipped with blood. I felt really relieved thought maybe God listens to our prayers after all. Nobody knew who killed our boss, it was a work of art and precision. I went home soon after, my wife was still at work and my daughter was still at school. After a long time, I could finally sleep for once. The next day I got myself another job as a construction worker. Later that night, I went to the kitchen to make myself a sandwich, opened the drawer and I began to panic and began to sweat out of terror. I found the same knife which was used to kill my boss with the bloodstains on it. I rushed to check in on my family and I was glad that they were safe. I couldn't find that knife in my house ever again. I didn't bother to call the police. My insomnia has returned I cannot sleep again I started to lose myself. The next day I went for shopping alone, I was going to the third floor to buy my wife a dress as it was her birthday the next day. The lights went out and the lift got stuck. After a minute the lift started working, as the door opened a man punched me threw me to the ground pulled out knife and tried to slit my throat I couldn't do anything. The doors of the elevator opened and the man who attacked me was not there as if he was a ghost. People helped me get up and calmed me down. I kept thinking about it the rest of the day. The man looked like my neighbour and started to suspect him about doing all those things to me. I saw my neighbour in my wife's birthday party and seeing him filled me with rage. My wife invited him as she didn't know that he was a double-faced man and I don't blame her, he cloaked his double-face with his charisma and kindness.

My neighbour was very friendly with me but I didn't think that he would be such a snake. I kept an eye on him if he went out of the house. His house was all black, almost if it was burnt down. He had similar interest as me; he liked to drive fast and play poker and I hated every

single bit of him. Terrible thoughts were racing through my mind, wanting to kill his family and burn his house down. He was a living pest to me. There wasn't a single hour I spend without a thought of killing him. I knew it was him who put the knife in the kitchen and he tried to kill me in the elevator. He knew that I hated my boss and tried to frame me for murder, I just know it. I just wanted my family to be safe from these psychopaths and I want to move away from this hell of a place. I couldn't sleep that this psychopath just lives near our house. Everywhere I went I saw his car outside, he stalked me to catch me off guard and probably take my life.

Next night, my family was asleep, his car was nowhere to be seen, maybe his family had gone for a trip. I put gasoline all over the house, with a deep breath I light up the gasoline. As the fire spread over the house, I ran away. Faint screams came from the house; I froze right there. I thought the house was empty. But his wife and children were in there. I couldn't do anything except watch them burn to death. I killed two innocent people for the sake of my ego. I had to live with the burden of two murders on my hands. I came home, my wife and my daughter were gone. No notes were left for me. They took all their clothes with them. I tried to call her but it'd say number not reachable.

I accepted that I'm a murderer and I need to do one more thing for the sake of my family to be safe. Kill my psychopath neighbour before the police knows that I murdered two innocent people. I tried to find him everywhere but he was nowhere to be found. I returned home and found the same knife which was used to kill my boss. It was stained with blood, I panicked and went to the police. I told them I'm in danger and somebody is trying to kill me and gave them his number. They asked me if I got another number of him as the number was matching with mine. The police asked me if I saw someone burn down a house of my neighbourhood. I couldn't say anything I just ran away. They chased me but I've lost them in a dark alley. His number looked exactly like mine. I could not believe it. How can two phone numbers be the same? I called the number it always says the line is busy. Who I was chasing the whole time? Who are you? Where are you? Is it me? Was I chasing myself the whole time? Was it me that killed my own boss? I burst out crying, fell to the ground. The family that I burned alive, was it me? What have I done. I remember the faint screams from inside the house. She yelled "Daddy help us!".

All I did was stand there. All these things happened are just my normal day at the solitary confinement; 24 hours a day thinking about the things I did in the past 10 years. It's just endless suffering I go through every day. Tied to a white suit that doesn't let me move my hands. I know the pain will end. It's just a matter of time, *God* decides it when. ♦

গল্প

মই আকাশ চুব বিচাৰোঁ

পৰিস্মিতা দত্ত

মাকে বাঢ়ি দিয়া ভাতকেইটা নাকে মুখে গুজি মাকক সেৱা এটা কৰিয়েই খৰ খোজেৰে তিনিআলিৰ অভিমুখে আগুৱালে সপোনে। পুৱা আঠ বজাৰ বাছখন নাপালে পলম হৈয়ে যাব। তদুপৰি তাৰ চহৰতো কাম দুটামান আছে। সোনকালে গৈ পাবই লাগিব মুঠৰ ওপৰত। কথাবোৰ ভাবি গুণি খোজকাঢ়ি গৈ থাকোতেই হৰেণ খুৰাৰ স'তে মুখামুখি হ'ল সপোন। সপোনে আগতিয়াকৈ মাত দিবলৈ লওঁতেই খুৰাই সুধিলে সপোনক—" কি অ' সোণটি এইবাৰ হ'বগৈ নে কিবা এটা? নে আৰু চাৰি-পাঁচবাৰমান ইণ্টাভিউৰ নামত চহৰলৈ গৈ গৈ মাৰৰ সাঁচতীয়া ধন কেইটা ভাঙিবি? লাভ নাই বুজিছ? তোৰ দ্বাৰা নহ'বগৈ। আমি জানো তই পঢ়াত ভাল, কিন্তু আৰু চোকা এমখা আছে, সিহঁত মখাইতো পৰীক্ষাৰ কচিং লৈ পঢ়িছে। লাভ নহ'বগৈ অ' একো কচিং নোলোৱাকৈ হেনো APSC সম্পূৰ্ণ কৰে বেটাই হাঃ হাঃ হাঃ.... তাচ্ছিল্য হাঁহি মাৰি খুৰা আঁতৰ হ'ল সপোনৰ চকুৰ আগপৰ সেইজন হৰেণ খুৰা যিয়ে এটা সময়ত সপোনৰ কথা কৈ আনৰ আগত গৌৰৰ কৰিছিল, শ্ৰেণীত যেতিয়া আগতে সপোন প্ৰথম হৈ প্ৰতিটো পৰীক্ষাত উত্তীৰ্ণ হৈছিল খুৰাই মৰমতে সপোনলৈ নতুন বহী-কলম পঞ্চতন্ত্ৰ সাধু, বুঢ়ীআইৰ সাধু আদি আনি দিছিল। আৰু আজি সেইজন হৰেণ খুৰা আজি সম্পূৰ্ণ বিপৰীত। সেই পুৰণি মৰম আন্তৰিকতা খিনিৰ পৰিবৰ্তে আজিকালি তেওঁৰ দুচকুত কেৱল ঠাট্টা, মিঠা মাতযাৰৰ সলনি কেৱল এতিয়া তই কোনো কামৰে মানুহ নহয় সূচক বাক্য খুৰাৰ মুখত। সঁচাই ভাল সময়বোৰত সকলো কাষতে থাকে। যেতিয়া আচল যুঁজখন চলি থাকে। তেতিয়াই নিসংগতাৰ গধুৰ বোজা দি সকলো আঁতৰি যায়। পাৰ ভাঙি দুগাল তিয়াই বৈ আহিব খোজা চকুপানীখিনিক কষ্টৰে বাধা দি ৰাখিলে সপোনে। নাই, সপোনে ইচ্ছা কৰিও কান্দিব নোৱাৰে। ল'ৰাই নাকান্দে, বুকুত দুখৰ পাহাৰ এটা কঢ়িয়াই ফুৰিও হাঁহি মুখে জীয়াই থকা জীৱটোৱে হ'ল ল'ৰা। হাতত লৈ থকা নথি-পত্ৰৰ বেগটো জোৰেৰে খামুচি ধৰি আকৌ খোজ ল'লে সপোনে।

নিজৰ ফালৰ পৰা ভাল হৈছে বুলিয়েই পৰীক্ষা হলৰ পৰা ওলাই আহিল। কিবা এটা আশা দেখিছে এইবাৰ সপোনে। বাছষ্টেণ্ডৰ কাষৰে হোটেল এখনতে পুৰি চৰ্জি খাই লৰালৰিকৈ বাছত উঠি আকৌ ওভটনি যাত্ৰা আৰম্ভ কৰিলে। জেপৰ পৰা ম'বাইলটো উলিয়াই মাকলৈ ফোন লগালে। —"অ' সোণ ক, উঠিলি নে বাছত? কিবা এটা খাই ল'লি? গা-চা ঠিকেই আছেতো!" এইজনীয়েই তাৰ মাক। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ মাকজনীয়ে চাগে ঈশ্বৰে তাক দিছে। যিয়ে জয়-পৰাজয়ৰ পৰিৱৰ্তে সন্তানৰ সুখ-দুখৰ খবৰ ৰাখে।

—"অ' মা মই ঘৰলৈ যাবলৈ লৈছো এইবাৰ কিবা এটা হ'ব মা। মোৰ পৰীক্ষা ভাল হৈছে।" আৱেগবোৰ সামৰি ৰাখ।" সঁচাকৈয়ে মাকৰ কথাকেইটাই মনটো ভৰাই সপোনৰ মা, যাৰ মৰম অন্তৰহীন।

সময়বোৰ গৈ আছে আগবাঢ়ি ঘাত-প্ৰতিঘাতৰ মাজেৰে। সপোনেও সপোন দেখিছে। এইবাৰ ভাল কিবা এটা হ'ব। ফলাফলৰ বাবে আৰু বেছিদিন নাই। এইবাৰ মাকেও সপোনৰ আশাভৰা মুখখন চাই কিবা এটা আশা কৰিছে। দেউতাকে আজিকালি সপোনৰ পৰা একো আশা নকৰে। সপোনেও আশা নকৰে যে দেউতাকে তাক ভাল মাত এষাৰ দিব। মাকৰ সৰু চাকৰিটোৰ ওপৰতে ভৰসা কৰি চলি আছে, আজি দুটা বছৰ। মেট্ৰিক পাছ কৰি দেউতাকৰ ইচ্ছানুসাৰে বিজ্ঞান শাখাত নামভৰ্তি নকৰি কলা শাখাত ভৰ্তি হোৱাৰ পৰাই দেউতাক আৰু সপোনৰ মাজত এখন অদৃশ্য যদিও বৃহৎ প্ৰাচীৰ। প্ৰথমে সপোনে বহুত যত্ন কৰিছিল। দেউতাকৰ লগত থকা বুলি পুৰণি সম্বন্ধক সুদৃঢ় কৰি ৰাখিবৰ বাবে। কিন্তু নাই দেউতাকৰ ভিতৰখনত তাৰ প্ৰতি থকা মৰমখিনি শেষ হৈ গৈছে যেন, তেনে অনুভৱ হয় এতিয়া সপোনৰ। কিয় কিয় বাৰু মাক দেউতাকও ইমান কঠোৰ হৈ পৰে, নিজৰ

ইচ্ছা সপোনক কিয় বাৰু সন্তানৰ দ্বাৰা পূৰণ কৰিব বিচাৰে। সন্তানৰ ইচ্ছা আকাংক্ষাৰ বিপৰীতে কিয় নিজৰ ইচ্ছাক অধিক প্ৰাধ্যান্য দিয়ে। সময়ত সন্তানক দূৰ কৰি দিবলৈকো কুণ্ঠাবোধ নকৰে। কিয় বাৰু? নাই তথাপিও সপোন ভাগি নপৰে। এতিয়ালৈকে সি ভাগৰা নাই। কোনো বিনিময় নিবিচৰাকৈ প্ৰতিটো মুহূৰ্তত মৰমেৰে তাক আৱৰি ৰাখিবৰ বাবে তাৰ মৰমৰ মাকজনী আছে আৰু..., কথাবোৰ ভাবি থাকিলেও হঠাৎ ফোনটো বাজি উঠিল। 'প্ৰিয়া' ম'বাইলটো স্ত্ৰীণত উজ্জ্বলি উঠা নামটো দেখি আপোনা আপুনি হাঁহি এটা খেলি গ'ল সপোনৰ। ফোনটো কাণত লৈয়ে ক'লে সপোনে, "তুমি এশ বছৰ জীয়াই থাকিবা বুজিছা, মই তোমাৰ কথাকে ভাবি আছিলো।"

"থোৱাহে, তেল মাৰিব নালাগে মোক এতিয়া, মোৰ কথা ভাবিবলৈ যে তোমাৰ সময় নাই মই জানো।" সিফালৰ পৰা প্ৰিয়াৰ অভিমান ভৰা কথা।

"মই মানে তোমাক তেল মাৰিবলৈহে কথা কওঁ। মোৰেই ভুল ক'বই নালাগিছিল তোমাক। সঁচা কথাটো কৈ এতিয়া তেল মৰাহে হ'ল।" একে সুৰতে সপোনে কৈ উঠিল।

"কি ভাবিছিলা মোৰ কথা? মই তোমাক অলপ দেৰিকেহে ফোন কৰিব লাগিছিল। তেতিয়া আৰু অলপ বেছিকৈ ভাবিলাহেঁতেন।" প্ৰিয়াৰ কথাত দুয়োটাই হাঁহিলে।

এইজনীয়েই সপোনৰ প্ৰিয় প্ৰিয়া। মান অভিমান, মৰম, সাহস সকলো অনুভূতিৰে চহকী তাইৰ অন্তৰখন। সকলো সময়তে য়ে কেনেকৈ ইমান মৰম আন্তৰিকতা কঢ়িয়াই ফুৰিব পাৰে। মৰম-সাহসৰ এটা ভঁৰাল স্বৰূপা প্ৰিয়াজনী সপোনৰ বাবে।

আজি ৰাতিপুৱাই বিচনা এৰিলে সপোনে। ৰাতিও টোপনি ভালকৈ ন'হল তাৰ। পুৱতি নিশাৰ পৰাই ৰৱষুণ দি আছে। মাকে নামঘৰত পূজা-অৰ্চনা কৰিছে। মাক-পুতেক দুয়োয়ে ভাল কিবা এটা আশা কৰিছে।

তোমাৰ ভগৱানে বাপেকৰ অবাধ্য ল'ৰাৰ প্ৰতিও দৃষ্টি ৰাখে নেকি? হাঃ হাঃ তুমিও যে আচৰিত দেই সঁচাকৈ। কি আশা দেখি এইবোৰ কৰি আছা। মই বুজিব নোৱাৰো। ল'ৰাই প্ৰশাসনিক বিষয়া হৈ চাঙত তুলি ৰাখিব তোমাক হাঃ হাঃ হাঃ দেউতাকে গোসাঁই ঘৰৰ পৰা ওলাই অহা মাকক উদ্দেশ্যি কোৱা কথাকেইটা যেন কথা নহৈ যাঠি এপাত হৈ বিন্ধি গৈছে সপোনক। কিয় বাৰু এনে ব্যৱহাৰ কৰে দেউতাকে তাক? এয়াই নে পিতৃত্ব তেওঁৰ? কথাবোৰ ভাবি ভাবি চকুৰ পানী চকুতে শুকায় সপোনৰ।

আহ সোণ পায়স অকণ বনাইছো খাই ল'হি। মাকৰ পিছে পিছে পাকঘৰলৈ নীৰৱে খোজ ল'লে সপোনে। খোৱা টেবুলত বহি একোৱেই খাবলৈ মন যোৱা নাই তাৰ। একেথৰে চাই আছে সমুখলৈ। মাকে হঠাৎ আহি ক'লেহি? খা চোন খা, ইমান চিন্তা কিয় কৰি আছ তই। যি হয় হ'বচোন। বয়স যোৱা নাই নহয়। আকৌ এবাৰ দিবি, একো নাই। চাওঁ খা চোন। ৰিজাল্টৰ সময় হ'বই এতিয়া মাকে মূৰত হাত বুলাই দিয়াৰ লগে লগে যেন চকুপানীৰ নৈখন ভেটা ভাঙি বৈ আহিল। মাকে আলফুলে সাৰতি লৈছে তাক। এৰা হাজাৰ হ'লেও মাকৰ মন। সন্তানৰ অব্যক্ত আৰু অদৃশ্য অনুভৱখিনি একমাত্ৰ মাকেহে অনুভৱ কৰে। দহ বাজি পঞ্চল্লিছ মিনিট গৈছে। এঘাৰ বজাত ফলাফল। বুকুৰ ঢপ্‌ঢপনি যেন সপোনে নিজেই শুনা পাইছে। নিজৰ কোঠাৰ দুৱাৰখন বন্ধ কৰি লেপটপটো খুলি লৈছে ফলাফল চাবৰ বাবে। একাষে মাক আৰু আনফালে প্ৰিয়া। তিনিওৰে মুখত বিন্দু বিন্দু ঘাম। সপোনে আৰু প্ৰিয়াই চাই গৈছে এফালৰ পৰা, নাই ক'তো নাই সপোনৰ নাম। অৰ্ণৱ অৰ্থাৎ সপোনৰ বন্ধুৰ নাম ২৬ নম্বৰত। কিন্তু সপোনৰ নাম ক'তো নাই । ঘপহকৈ উঠি দৰ্জা খুলি ওলাই গ'ল সপোন। মাকে অসহায় দৃষ্টিৰে প্ৰিয়ালৈ চালে। মাকে জানে এতিয়া সপোনৰ কাষত প্ৰিয়া থকাটো জৰুৰী। মাকে প্ৰিয়াৰ কান্ধত হাত ৰাখি চকুৰে বুজাই দিলে সপোনৰ কাষলৈ যাবলৈ।

সপোনে নদীখনলৈ চাই পাৰত অকলে বহি ৰ'ছে। হঠাৎ কান্ধত কাৰোবাৰ হাতৰ পৰশ পাই ঘূৰি চালে সপোনে। প্ৰিয়াক উদ্দেশ্যি কৈ উঠিল, কিয় আহিলা তুমি ইয়ালৈ মোক অকলে থাকিবলৈ দিয়া অলপ। চকুপানীখিনি লুকুৱাবলৈ যত্ন কৰিলে সপোনে।

—কান্দা, মন উজাৰি কান্দা। চকুপানীৰ লগত উটি যাবলৈ দিয়া বুকুৰ যন্ত্ৰণাবোৰ। কান্ধত হাত ৰাখি কোৱা প্ৰিয়াৰ কথাখিনিত সপোনৰ প্ৰশ্ন।

—তুমি কি পুতৌ কৰিছা মোক? আগতেও মোক সকলোৱে পুতৌয়েই কৰিছিল। এতিয়া কেৱল ঠাট্টা কৰিব, বুকু ভাঙি যোৱাকৈ অপমান কৰিব। বন্ধুবোৰে অকৰ্মণ্য বুলি আঁতৰি যাব। দেউতাইতো মোৰ লগত থকা সম্পৰ্ক কেতিয়াবাই শেষ কৰিলে। এতিয়া মৰিলো বুলিয়ে ভাবি ল'ব। মায়ে আগতে মৰম কৰিছিল। এতিয়া কেৱল দায়িত্ব পালন কৰিব, বাকী থাকিলা তুমি, নালাগে দিয়া তুমিও মোৰ লগত থাকি জীৱনটো ধ্বংস কৰিব। মোৰ লগত থাকিলে কেৱল জীয়াইহে থাকিব পাৰিবা। সুখী, সুন্দৰ জীৱন এটা নাপাবা

কেতিয়াও। তাতকৈ দেউতাই তোমাৰ বাবে চাই দিয়া ইঞ্জিনীয়াৰ জনৰ লগতে বিয়া হৈ যোৱা।

— দেউতাই ঠিকেই কয়, মই সঁচাই অৰ্কমণ্য অপদাৰ্থ। একো কামৰে মানুহ নহয়। কোনো থাকিব নালাগে মোৰ লগত, কোনো থাকিব নালাগে; হুকহুকাই কান্দি উঠিল সপোন। জানা এইবাৰ মই পাছ কৰিম বুলি আশা কৰিছিলো। মাকো কৈছিলোঁ। মায়েও আশা কৰিছিল। ক'ত জানো ভুল হৈ গ'ল? ওচৰ-চুবুৰীয়া, বংশ-পৰিয়াল সকলোৱে মোক অপমান কৰিছিল, এতিয়াৰ পৰা মা-দেউতাইয়ো কৰিব। তোমাকো হাঁহিব সকলোৱে। অপমান কৰিব। ইমানবোৰ অপমানৰ বোজা লৈ মই কেনেকৈ জীয়াই থাকোঁ কোৱা? সঁচাকৈ কৈছো মোৰ মৰি যাবলৈ মন গৈছে। মৰি যাবলৈ দিয়াচোন মোক। কান্দি কান্দি মুখখন গুজি দিলে সপোনে দুই আঁঠুৰ মাজত।

— মোক নিঠৰুৱা কৰি যাবলৈ মন গৈছে? মোক এনেকৈ অকলশৰীয়া কৰি যাবলৈ মন গৈছে? মূৰত হাত বোলাই মৰমেৰে ক'লে প্ৰিয়াই।

— নহ'লে কি কৰোঁ কোৱা? চাৰিওফালে আন্ধাৰ দেখিছো অ'... এনেকুৱা লাগিছে যেন গোটেই পৃথিৱীখনেই মোৰ ফালে চাই ঠাট্টা কৰি আছে। সকলো যেন শেষ হৈ গৈছে মোৰ।

একো নাই, শেষ হোৱা নাই এতিয়াও। ভাল হ'লেহে শেষ হ'ব। ভগৱানে তোমাৰ বাবে ভালতকৈ ভাল কিবা এটা ৰাখিছে। সেইকাৰণে এতিয়াই একো দিয়া নাই। মোক আৰু নেছি গৌৰৱান্বিত কৰিব খুজিছে। তোমাক পৃথিৱীৰ ভাল-নেয়াবোৰ ভালকৈ দেখুৱাই আৰু সাহসী কৰি তুলিব খুজিছে। ভাগি নপৰিবা। বিশ্বাস ৰাখা নিজৰ সৰ্ব্বোচ শক্তিৰে আকৌ আৰম্ভ কৰা। আঁতৰি থাকা কিছুদিন সেইখন সমাজৰ পৰা। যিয়ে তোমাক ঠাট্টা কৰিছে, হাঁহিছে। নিজেই নিজৰ সাহস হোৱা। আনে দিয়া তাপে চুব নোৱাৰাকৈ ভিতৰখন কঠিন কৰি তোলা। মনত ৰাখিবা, জীৱনটো তোমাৰ, অত দিনে সপোন তুমি দেখি আছা, সংগ্ৰামো কৰি আছা। আনৰ টুলুঙা কথাত নিজৰ লক্ষ্যৰ পৰা বিচলিত নহ'বা। আগলৈ যোৱা, সাহসেৰে। নিজৰ প্ৰচেষ্টা আৰু অধ্যয়নৰ ওপৰত বিশ্বাস ৰাখা, সফলতা নিশ্চয় এদিন আহিব।

প্ৰিয়াৰ কথাখিনি শুনি বহাৰ পৰা উঠি চকুপানী মচি ল'লে সপোনে।

—ঠিকেই কেছা তুমি, সপোনটো মোৰ, গতিকে কষ্ট ময়ে কৰিব লাগিব। মই পাৰিম, পাৰিবই লাগিব। কথা দিলো মই আৰু ভাগি নপৰো। তুমি কেছা নহয় ভাল কিবা এটা আছে আগলৈ। তাক পাবই লাগিব মই। আজিৰ পৰাই আৰম্ভ কৰো সকলো।

— ওম, মই আৰম্ভ কৰিম সকলোবোৰ। দুগুণ সাহস আৰু উৎসাহেৰে। এইবাৰ ভাল হ'বই।

দুয়ো দুয়োৰে চকুত চকু থৈ এটা আশাভৰা মিঠা হাঁহি মাৰিলে। নৈ পাৰৰ ধুনীয়া পৰিৱেশত সিহঁতৰ পৰা কিছু নিলগত ল'ৰা কেইটামানে গীতাৰ লৈ গান গাই আছে। ভাঁহি আহিছে তাৰ পৰা—

"মোক খোজৰ বাটত
ছায়া নামে
তুমি পোহৰ বাট দিয়া
সহসো বাঢ়ে...
মন যায়...
মন যায়...
মন যায়..." ♦



গল্প

অশ্লেষা

চানদ্বীপ গগৈ

'অশ্লেষা the ninth lunar mansion consisting of five star। অসমীয়াত পাঁচটা তৰা যুক্ত নৱম নক্ষত্ৰ; মোৰ তৃতীয়টো কাহিনীৰ নাম কেনেকুৱা পাইছ?'—বিক্ৰমে ৰাকেশক উদ্দেশ্যি প্ৰশ্ন কৰিলে।

'হয় নেকি? চাওঁচোন চিগাৰেটটো এইফালে দে!' —ৰাকেশে বিক্ৰমৰ হাতৰ পৰা চিগাৰেটটো লৈ সি নিজৰ ক'লা পৰি যোৱা ওঁঠ দুটাৰ মাজত আৱদ্ধ কৰি শোহা এটা মাৰি দিলে। বুকুৰ ভিতৰলৈ অধিগমন কৰা চিগাৰেটৰ ধোঁৱাখিনি সি নাসিকা ৰন্ধ্ৰৰে বায়ুমণ্ডলৰ মাজত এৰি দিলে।

বেলি ডুবি নিশা হোৱাৰ পাছটো ব্যস্ত হৈ থকা মহানগৰৰ এখন চাহ দোকানৰ দীঘল কাঠৰ বেঞ্চখনত বহি বিক্ৰম আৰু ৰাকেশে প্ৰায় একঘণ্টা মানৰ পৰাই পৰস্পৰৰ কথোপকথনৰ পৰিসৰ দীঘল কৰি আছে। বিক্ৰম এজন লেখক যোৱা দুবছৰত দুখন উপন্যাসৰ সৈতে পটুৱৈ সকলৰ মাজত জনপ্ৰিয় হৈ পৰিছে। আনহাতে ৰাকেশ এজন ধনৱন্ত পিতৃৰ নিবনুৱা সন্তান।

অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ উত্তীৰ্ণ হোৱা বিক্ৰমক তাৰ সৰু কালৰ বন্ধু ৰাকেশেই প্ৰথমখন উপন্যাস প্ৰকাশ কৰোৱাত সহায় কৰি দিছিল। দ্বিতীয়খনৰ বাবে বিক্ৰমে কাৰোবাৰ আগত হাত পাতিবলগীয়া নহ'ল। বিক্ৰমে পুনৰ ৰাকেশক উদ্দেশ্যি প্ৰশ্ন কৰিলে—

—কিহ'ল একো উত্তৰ নিদিলি যে তই?

—অশ্লেষা....এটা নক্ষত্ৰৰ নাম, কি লিখিবি তই তাৰ ওপৰত?

—ৰৱ ব্যতিক্ৰমি এটা নক্ষত্ৰ, জ্যোতিষবিদ্যাৰ বিষয়ে ভাল দৰে নাজানোঁ যদিও কিছু জ্ঞান আহৰণ কৰিছো ইয়াৰ ওপৰত। অদ্ভুদ নক্ষত্ৰ হয় যাৰ অধিপতি দেৱতা হেনো নাগ হয় আৰু এই নাগ কোনো সাধাৰণ সাপৰ দৰে নহয়, অলৌকিক শক্তি থকা এটা প্ৰকাণ্ড ড্ৰেগনৰোৱৰ দৰে। এই নাগ বোলে Humanoid আৰু নিজৰ ৰূপো সলনি কৰিব পাৰে। ইয়াৰ ওচৰত অধিক বিষাক্ত বিষ আছে যিয়ে কেতিয়াবা নিজৰ আত্মীয়-স্বজনকো অধিক পৰিমাণে অপকাৰ কৰিব পাৰে।

—তই অশ্লেষা শব্দটো মোৰ আগত উত্থাপন কৰি কি বুজাব বিচাৰিছ মই উপলব্ধি কৰিছোঁ।

—উপলব্ধি কৰিব পাৰিছ যেতিয়া ভালেই।

—বিক্ৰমে এইবাৰ চাহৰ দোকানীটোক উদ্দেশ্যি ক'ৰলৈ আৰম্ভ কৰিলে

—ঐ ভাইটি নাগৰোৱৰ ইতিহাস জান নাই?

—নাজানো নহয় দাদা!

—বহুত বেছি Interesting শুন! ব্ৰহ্মাৰ পুত্ৰ মৰিচি আৰু তেখেতৰ পুত্ৰ কাশ্যপ যাক হিন্দু ধৰ্মত এই বিশ্বব্ৰহ্মাণ্ডৰ Genetic engineer বুলি ধৰা হয়। কাশ্যপে কেইবাগৰাকী



দক্ষৰ কন্যাক বিবাহ কৰাইছিল তাৰে মাজত কদ্ৰু পৰা এহেজাৰ নাগৰ জন্ম হৈছিল। বাসুকি, শেষ নাগ, মনসা, ইৰাৱতী আদি সকলৰ নামটো শুনিছয়ে চাগে?

—অঁ দাদা শুনিছোঁ সঁচাকে বৰ interes...দোকানীজনে কথাষাৰ শেষ কৰিব নাপাঁওতেই ৰাকেশে তপৰাই তাক ক'লে—

অঁ হয়টো অক'! ক'ৰবাত লিখি থ, APSC examত আহিব পাৰে... APSC নিদিবি জানো এইবাৰ তই?

ৰাকেশক প্ৰত্যুত্তৰ দি বিক্ৰমে ক'বলৈ ধৰিলে

—কিয়? চাহ দোকানী এজন যদি প্ৰধানমন্ত্ৰী হ'ব পাৰে, দেশৰ অন্য চাহ দোকানী এজনে APSC exam দিয়াটো তাৰ আগত তেনেই সাধাৰণ কথা।

—APSC দিবলৈ graduation লাগে আৰু আমাৰ এই চাহ দোকানৰ পোৱালিজনে matric ৰ পাছত দৰিদ্ৰতাৰ পৰা পৰিয়ালক উদ্ধাৰ কৰিবলৈ অন্য পৰীক্ষাত বহি পোৱা নাই। আনহাতে সাধাৰণ চাহ দোকানী এজন কেতিয়াও প্ৰধানমন্ত্ৰী হ'ব নোৱাৰে তাৰ বাবে political mind, power আৰু কিছুমান মানুহৰ দৰে আওপাক লগাই কথা ক'ব জানিব লাগিব। নে কি ক পোৱালি তই?

চাহ দোকানী জনে তলমূৰ কৰি কঁপা কঁপা মাতেৰে কিবা ক'বলৈ লওঁতে বিক্ৰমে তাক চাহ দুকাপ আনিবলৈ পঠিয়াই দিলে। বিক্ৰমে পুনৰ ৰাকেশক ক'বলৈ ধৰিলে

—চা ৰাকেশ! মই তোৰ পৰা আজিলৈকে একো কথায়েই লকুৱাই পোৱা নাই। মইও তোৰ পৰা সেইয়াই বিচাৰো।

ৰাকেশে মৌন হৈ ওঁঠত নতুন চিগাৰেট এটা লগাই পুনৰ জ্বলাই ল'লে। সি একো উত্তৰ নিদিলে। বিক্ৰমে মৌনতা ভংগ কৰি কৈ উঠিল—

—চা ভাই! অশ্লেষা...যাৰ চৰিত্ৰ সাপৰ প্ৰকৃতিৰ লগত মিল আছে, যি ৰহস্য আৰু অবিশ্বাসৰ মেৰপাকেৰে বান্ধ খাই আছে। সেই অশ্লেষা নামৰ কাহিনীটোৰ প্ৰধান পুৰুষৰ চৰিত্ৰটো মই তই হোৱাটো নিবিচাৰোঁ।

ৰাকেশে এইবাৰ মুখৰ মৌনতা ভংগ কৰি খণ্ডত চিঞৰি ক'বলৈ ধৰিলে

—তেন্তে তই কি হোৱাটো বিচাৰ? ড্ৰাগছ্ আৰু মদৰ নিচাত মাতাল হৈ ঘূৰি ফুৰাটো নে এক পক্ষীয় প্ৰেমত মমবাতিৰ দৰে গলি গলি নিঃশেষ হৈ যোৱাটো। আৰু তহঁতি লিখকবোৰে কথাবোৰ ইমান complex, ইমান ৰহন সানি আওপকীয়াকৈ কিয় ক?

—মই তোক কেৱল অশ্লেষা নামৰ সাপ ডালৰ পৰা বচাবলৈ চেষ্টা কৰিছোঁ ৰাকেশ!

—তই কি জান অশ্লেষাৰ কথা? দেউতাৰ কথা দুটামান শুনি আহি মোৰ আগত বুদ্ধিজীৱীৰ দৰে সংলাপ জাৰিবলৈ আহিছ? তই সেইখিনিয়ে জান যিখিনি তই শুনিছ বা তোক শুনোৱা হৈছে। দেশৰ বেছি সংখ্যক মানুহৰ এইটোৱে problem Cross-section, self-research এইবিলাক নকৰে যি শুনে যি শুনোৱা হয় তাকে সঁচা বুলি মানি...মই বহুত জানো, মইয়ে main, মোৰ সমান জনা মানুহ কোনোৱেই নাই, মই সবাতোকৈ ওপৰৰ...হোঃ! তই জান কেৱল তাই মোক এৰি যোৱাৰ কাহিনী, মই নিচাত আসক্ত হৈ পৰা কাহিনী। কিন্তু তাৰ আগৰ, তাৰ পাছৰ..আজিলৈকে জানো সুধি পাইছ? তইটো হেমচন্দ্ৰ বৰুৱাদেৱে সৃষ্টি কৰি যোৱা হেমকোষৰ শব্দৰ মাজতেই আবদ্ধ হৈ আছিলি। আনে নোযোৱা বাটেৰে যোৱা ছোৱালী এজনীৰ কাহিনী লিখি আছিলি তাকো দূ�ৰৰ পৰা চাই।

ৰাকেশে পথটোৰ বিপৰীত দিশে থকা fast-foodৰ দোকানখনলৈ এবাৰ আঙুলি দেখুৱাই ক'বলৈ ধৰিলে,

—তোৰ দ্বিতীয়খন উপন্যাসৰ কাহিনীৰ প্ৰধান চৰিত্ৰটো সৌ fast-foodৰ ছোৱালীগৰাকীৰে আহি নাছিল জানো? এগৰাকী fast-foodৰ ব্যৱসায় কৰা গাভৰু ছোৱালীৰ ব্যক্তিগত সমস্যা লগতে প্ৰেমৰ কি মছলা...! কেতিয়াবা ওচৰৰ পৰা সিঁহতৰ অসুবিধাৰ কথা সুধি পাইছ নে? কিজানি বিক্ৰীৰ বাবে তই তাইৰ ওপৰত লিখা মছলাযুক্ত প্ৰেম কাহিনীটোৰ পৰা তাইৰ বাস্তৱিক কাহিনী একেবাৰে পৃথক। কিজানি তাই আৰু নিজৰ জীৱনত প্ৰেমক আৰু একেবাৰে গুৰুত্ব দিবয়ে নিবিছাৰে। সেই ছোৱালীজনীয়ে সফল প্ৰেমক সাৰ্থক কৰিবলৈ পঢ়া-শুনা আধাতে এৰি বিবাহত বহিছিল আৰু সেই সম্পৰ্কত প্ৰতাৰিত হৈ এতিয়া নিজৰ সন্তানক ভাল জীৱন এটা দিবলৈও এই ব্যৱসায় কৰি থাকিব পাৰে। ঠিক তোৰ নতুন কাহিনীৰ বিষাক্ত চৰিত্ৰ অশ্লেষাৰ দৰে।

ইমানতে চাহ দোকানীজনে সিহঁতৰ মাজত চাহ দুকাপ ৰাখি গৈছিল। বিক্ৰমে কাগজৰ গৰম কাপটো ৰাকেশলৈ আগবঢ়াই দিলে। ৰাকেশে বতাহত শেষ হৈ যোৱা চিগাৰেটটো দলিয়াই আৰু এটা চিগাৰেট জ্বলাই বাইকট উঠি সেই ঠাইৰ পৰা গুচি গ'ল।

বিক্ৰম ৰৈ থাকিল আন্ধাৰে আৱৰি থকা সৰু চাহ দোকানখনত সি সঁচাকৈয়ে সোধা নাই তাৰ অন্তৰংগ বন্ধু ৰাকেশৰ মনৰ ভিতৰৰ কথাবোৰ। সি সঁচাকৈয়ে আজিলৈকে



বুজা নাই ৰাকেশৰ বিশৃংখল মনৰ বোজাবোৰ। বিক্রমে নিজকে দোষী যেন অনুভৱ কৰিবলৈ ধৰিছে। ৰাকেশে কোৱাৰ দৰে সি সঁচাকৈয়ে কাৰো কাহিনী ওচৰৰ পৰা নুশুনে। নিজৰ মনৰ মাজতেই কাৰোবাক কাহিনীৰ চৰিত্র হিচাপে লৈ অবাস্তৱিকতাৰে পৰিপূর্ণ ব্যক্তিগত সমস্যা আৰু প্রেমৰ মছলাৰে সংমিশ্রণ কৰি লিখি বজাৰত বিক্রীৰ বাবে মেলি দিয়ে। যাক কাহিনীৰ প্রধান চৰিত্র হিচাপে বাছনি কৰি লোৱা হয় তাৰ কাহিনীবোৰ যদি বিক্রমে ওচৰৰ পৰা শুনিলে হয়, তেতিয়া হয়টো সি সমাজৰ বাস্তৱিক কাহিনী বিলাক জানিলে হয়।

সি বহাৰ পৰা উঠি ল'লে। বাঁওহাতত পৰিধান কৰি থকা ঘড়ীটোলৈ সি এবাৰ চালে নিশা দহ বাজি পাৰ হৈ গৈছে। চাহ দোকানীজনে দোকানখন লাহে লাহে সামৰিবলৈ আৰম্ভ কৰিছে। সি স্কুটিখন ষ্টাৰ্ট দি সেই বিশেষ অঞ্চলটোৰ অভিমুখে ৰাওনা হ'ল।

অঞ্চলটোৰ সৰু সৰু বাঁহৰ ঘৰবোৰৰ পৰা অহা জুলোৱা ভাঙৰ গোন্ধে বিক্রমৰ নাসিকা ৰন্ধ্রত আমনি কৰিছেহি। সি নিচাত কিছু পৰিমাণে আসক্ত হৈ থকা অঞ্চলটোৰ বিশেষ মানুহ এজনৰ লগত কথা পাতি তাৰ গন্তব্য স্থানৰ ঠিকনাটো উলিয়াই ল'লে।

এটি সৰু পুৰণি বাঁহৰ ঘৰ। ভিতৰৰ পৰা এজন পুৰুষৰ শব্দ ভাহি আহিছে, এগৰাকী মহিলাৰ ওপৰত অপমন্তব্য। যিবোৰ শব্দ হয়টো বিক্রমে সামাজিক মর্যাদা অটুট ৰাখিবলৈ কেতিয়াবাতে পৰিহাৰ কৰিছে। বিক্রমে বাহিৰত কিছু সময় অপেক্ষা কৰাৰ পাছত ভিতৰলৈ সোমাই গ'ল।

তাৰ সন্মুখত এগৰাকী সুন্দৰী মহিলা। যাৰ চকু দুটিয়ে মুগ্ধ কৰি দিব পাৰে সকলো পুৰুষৰে মন। মহিলা গৰাকীৰ চুলিকোচা যেন নিমাতাই নাজী ফুলৰ মালা গঁথাৰ দৰে বিশেষ কেৱল তেওঁৰ বাবেই গঢ়িছে। কিছু সময়ৰ আগত বকু ছেদ কৰি যাব পৰা মন্তব্যবোৰ শুনাৰ পাছটো মহিলা গৰাকীয়ে বিভোৰতম হাঁহিটো এতিয়াও ওঁঠত জিলিকাই ৰাখিছে। মহিলা গৰাকী বিক্রমৰ ওচৰলৈ আগবাঢ়িল আৰু বিক্রমক উদ্দেশ্যি ক'বলৈ ধৰিলে

—বিক্রম দা আপুনি ইয়াত?

—অশ্লেষা...

—ভাল নে আপোনাৰ? আহকচোন বহক। আপোনাৰ উপন্যাস দুখন পঢ়িলোঁ ইমান ধুনীয়া love stories দুটা। একদম আমাৰ college ৰ দিনলৈ মনত পৰি যায়। দ্বিতীয়খন পঢ়ি মই ইমান কান্দিছোঁ।

—হয় নেকি? পঢ়িলা যে ভাল লাগিল আৰু ইমানখিনিৰ প্রশংসাৰ বাবে ধন্যবাদ।

—ধন্যবাদ জনাব নালাগে। চাহ কৰো?

অশ্লেষাই কথাষাৰ কৈ বৈ গ'ল। তাই কিছু সময় নিজৰ মাজতেই কিছুমান কথা চিন্তা কৰি পুনৰ বিক্রমক উদ্দেশি ক'লে

—চাহ কৰিবলৈ এইটো কোঠালিত একো যতনেই নাই নহয়।

—হ'ব নালাগে অশ্লেষা এনেয়ো মাজ নিশাই হ'ৱৰ হ'ল।

অশ্লেষাই কিছু সময় মৌন হৈ পুনৰ বিক্রমক প্রশ্ন কৰিলে

—পিছে আপুনি মোৰ ওচৰলৈ অহা প্রতিজন পুৰুষৰ দৰে সেই বিশেষ উদ্দেশ্যটোৰ কাৰণে আহিছে নে কলেজৰ দিনৰ এজন senior দাদা হিচাপে।

—মোৰ উদ্দেশ্য সকলোতকৈ বেলেগ। তুমি চাগৈ ইতিমধ্যে বুজিচাইয়ে তোমাৰ এই বৃত্তি আৰু ঠিকনা মই ৰাকেশৰ পৰা জানিবলৈ পাইছোঁ।

—সেইয়া মই জানো। পিছে আপোনাৰ যিয়ে উদ্দেশ্য নহওক আপোনাৰ দৰে মর্যাদা সম্পন্নলোক এই ঠাইলৈ আহিলে কিন্তু মান হানি হ'ব।

—লেখক এজনে নিজৰ মর্যদাৰ কথা ভাবি থাকিলে জানো এখন সমাজৰ বাস্তৱিকতা উপলব্ধি কৰিব পাৰিব।

—বাৰু নাম থকা লেখকৰ লগত যুক্তি তর্ক নকৰাই ভাল। পিছে উদ্দেশ্যটোবা কি?

—মই আৰু এটা কাহিনী লিখিবলৈ ওলাইছোঁ।

—এইয়াটো ভাল কথা। আকৌ পঢ়িবলৈ পাম।

—কাহিনীটোৰ নাম কি হ'ব জানা?

—মইনো কেনেকৈ জানিম বিক্রম দা, কি হ'বনো পিছে?

—অশ্লেষা....

—অশ্লেষা?

—ওম্ অশ্লেষা! আৰু তাৰ প্রধান চৰিত্র তুমিয়েই। আজি তোমাৰ কাহিনী তোমাৰ মুখৰৰ পৰা শুনিবলৈ আহিছোঁ।

—আও, মোৰ নিচিনা মহিলাৰ ওপৰত কাহিনী লিখিলে সেইখন কিতাপ গ্রন্থ মেলাৰ ক'ৰবাৰ কোণত পৰি অন্য কিতাপবোৰৰ বোজাত ধূলিকণাৰ দৰে হেৰাই থাকিব। আপোনাৰ পইচা আৰু সময় সকলোবোৰ এনেই নষ্ট হ'ব।

—সমাজৰ বাস্তৱিকতা দেখুৱাবলৈ গৈ যদি এখন কিতাপ ধূলিময় হৈ পৰে তেন্তে সেই কিতাপৰ বলিদানেই শ্রেয়।

—তেনেহ'লে শুনক মোৰ কাহিনী...কলেজত প্রতিগৰাকী ছোৱালীয়ে প্রেমত পৰাৰ দৰে ময়ো পৰিছিলো, ৰাকেশৰ প্রেমত। যিহেতু মই অন্য ধর্মৰ দুখীয়া ছোৱালী সেইবাবে টকাৰ লগতে ৰাজনৈতিক ক্ষমতা থকা ৰাকেশৰ দেউতাকে সি নজনাকৈয়ে মোক জোৰ-জবৰদস্তি কৰি এজন পুৰুষৰ সৈতে বিয়া কৰাই দিছিল। ঘৰৰ মানুহেও এইক্ষেত্রত তেখেতৰ বিৰুদ্ধে মাত মাতিব নোৱাৰিলে। ৰাকেশক জনোৱা হ'ল আৰু সিও ভাবি ললে যে মই তাক প্রতাৰণা কৰিলো। ইমানখিনিৰ পাছটো মই তাক লগ কৰিবলৈ, বুজাবলৈ বহুবাৰ চেষ্টা কৰিলোঁ কিন্তু সি ড্রাগচৰ নিচাতে বলীয়ান হৈ এবাৰলেও মোৰ কথা নুশুনিলে। এদিন ভাগৰি নিজৰ ভাগ্যখনক মানি ললো। এজনী নতুন অশ্লেষা হ'বলৈ চেষ্টা কৰিলোঁ কাৰণ মোৰ কোলাত মোৰ ভগ্ন সপোন পূৰ কৰিবলৈ এগৰাকী কন্যা সন্তানৰ আগমন ঘটিল। কিন্তু কেইবছৰমানৰ পাছত যাক মই ভাগ্য ক্রমে জীৱন লগৰী বুলি মানি লৈছিলোঁ সি মোৰ ডিঙিত ধাৰৰ প্রকাণ্ড বোজা লগাই ইয়াৰ পৰা পলাই গুচি গ'ল। সেই ধাৰৰ পৰিমাণ ইমানেই বেছি যে সেই টকা ধাৰলে দিয়া মালিকজনে মোক এই কামটোত লগাই দিলে। কিন্তু মই মোৰ ছোৱালীক এইবোৰৰ পৰা বহুত দূৰৈত ৰাখিছোঁ বিক্রম দা। এতিয়া মোৰ তাইৰ বাহিৰে অন্য একো সপোন নাই। তাইক মই ইমানেই শক্তি শালি কৰিম যাতে তাই কাৰোবাৰ ভয়ত নিজৰ সপোন ভাঙিব লগীয়া নহয় আৰু তাৰ কাৰণে মই যি কৰিব লাগে সকলোবোৰ কৰিব পাৰিম। ৰাকেশ নিজে ঘূৰি আহিছে মোৰ ওচৰলৈ। মই কাকো ঘূৰি আহিবলৈ নকওঁ হেৰাই যোৱা প্রেম, সভ্য সমাজ, সক্ষম সংস্কাৰ, শিক্ষিত সমাজ....এইবোৰ মোৰ ওচৰলৈ ঘূৰি আহিব নালাগে মইয়ো নাযাও উভতি কাৰণ মই সমাজৰ নগ্নতা দেখিছোঁ বিক্রম দা! শৰীৰে অনুভৱো কৰিছোঁ।

এনেতে দুৱাৰত টোকৰ পৰিল। বিক্রম যাবলৈ ওলাল। যোৱাৰ আগতে সি অশ্লেষাক উদ্দেশ্যি ক'বলৈ ধৰিলে—

—এইয়া সমাজৰ এক বাস্তৱিকতা। মছলাযুক্ত প্রেম কাহিনীৰ পৰা বহু বেছি ব্যতিক্রমি। মোৰ তৃতীয়টো কাহিনীৰ প্রধান চৰিত্র তুমিয়ে হ'বা অশ্লেষা কাৰণ মই তোমাৰ কাহিনী ওচৰৰ পৰা শুনিছোঁ আৰু অনুভৱ কৰিবলৈও চেষ্টা কৰিছোঁ। এই কাহিনীয়ে প্রতিফলিত কৰিব তোমাৰ দৰে প্রতিগৰাকী সংগ্রামী নাৰীৰ কথা। আজিলৈ আহিছোঁ...।

কথাষাৰ শেষ কৰি বিক্রম সেই ঠাইৰ পৰা ওলাই আহিল। বিক্রমে কিছু দূৰত আন্ধাৰৰ মাজতে ৰাকেশক দেখা পালে। সি এডাল চিগাৰেট জ্বলাই অশ্লেষা থকা সৰু ঘৰটোলৈ চাই আছে। সি দূৰৰ পৰাই মমৰ দৰে গলি গলি অশ্লেষাৰ প্রেমত নিজকে নিঃশেষ কৰিছে। হয়টো তাৰ ভুলৰ প্রায়শ্চিত্ত এইয়া। বিক্রমে তাক আমনি নকৰি ঘৰৰ দিশে ৰাওনা হ'ল। বিক্রমে এতিয়া নিজৰ মনতেই উপলব্ধি কৰিছে যে অশ্লেষা সাপ নাছিল, তাইৰ কাহিনীটোত আচলতে সাপ আমাৰ সমাজ ব্যৱস্থা বো�ৰহে আছিল।♦

অপৰাজিতাৰ সপোন



গৌৰৱ চুতীয়া

তাই এতিয়াও চোতালৰ মূৰতে বহি আছে। কথাবোৰে তাইৰ মনৰ ভিতৰতে খুন্দিয়াইছে। কিমান যে কি কৰা নাছিল তাই এই ঘৰখনৰ বাবে। কি কৰিছিল তাই আজি বিশ বছৰে। কি পালে তাই । এনেকুৱা এশ এটা কথা উজাই আহি বুকুত খুন্দিয়াইছে।

সেই ১৯ বছৰৰ আগৰ দিনটোও একেই আছিল। পিছ চোতালত ধানৰ ফুট কাঢ়ি থকা মানুহজনীক উদ্দেশ্যি চিঞৰ মাৰি সি ওলাই গৈছিল চোমনিলৈ বুলি। বৰ মুগাবোৰ পকিবলৈ আৰম্ভ কৰিছে। চোমনিত পকা মুগা খাবলৈ অহা চৰাইৰ অত্যাচাৰ বাঢ়িছে। সেইবাৰে চোমনি ডৰা দিনে ৰাতিয়ে ৰখিব লগা হৈছে। মানুহটোৰ খন্তেকৰ বাবেও আহৰি নোহোৱা হৈছে। তাৰ চিঞৰতহে অপৰাজিতাৰ সম্বিত ঘূৰি আহিল। বাৰান্দাত বহি অলপতে কটা ষাঠি সূতাৰ চাদৰ যুতিৰ ব'খিনিৰ আউল ভাঙি থকা শাহুৰেকে চাহপানী এবাটিৰ কথা কৈছিল। তাই খেৰৰ জুইকুৰাত আৰু অলপ খেৰ গুজি দি আখল ঘৰৰ ফালে গ'ল।

সেই যে মানুহটো পকামুগা ৰখিবলৈ ওলাই গ'ল আৰু ঘূৰি নাহিল। সন্ধিয়ালৈ খবৰ পালে তাইৰ প্ৰাণৰ আপোন মানুহটো চোমনিৰ মাজত অচেতন হৈ পৰি আছে। কথা সিমানতে শেষ বুলিবই পাৰি। এদিন এবেলা মান থকাৰ পিছত কবিৰাজৰ মন্ত্ৰৰ কোবত জঠৰ শৰীৰটোৱে উশাহ ল'বলৈ এৰিলে। তাৰ মুঠতে এটাই কথা চোমনিত ডাঙৰীয়াক পূজা দিয়াত দোষ লাগিল। কোনোৱেই ক'লে হাই প্ৰেছাৰ আৰু অলপ জিভাখন ঘুৰাই ব্লাড প্ৰেছাৰ মুঠতে নানা কথা। সেয়াই তাইৰ আৰম্ভণি নিসংগতাৰ যাত্ৰা। অকলশৰীয়া নহয় ক্ৰমে বাঢ়ি অহা এটুকুৰা মঙহ পেটত লৈ কৰা এই যাত্ৰাৰ পথত তাই জানো অকলশৰীৰা?

ক্ৰমে চোকা হৈ আহিব ধৰা ৰ'দ কাঁচলি তাইৰ মুখত পৰিছে। তেজ ৰঙা চকুযুৰি তাই এইবাৰ জপাই দিলে। কথাবোৰ ছবি এখনৰ দৰে তাইৰ চকুৰ পতালৈ নামি আহিল।

কিয় জানো ইমান বুজনি দিয়াৰ পিছতো সি তাৰ নিজৰ মততে অটল থাকিল । মটৰ চাইকেল এখন তাই কিনি দিব নোৱাৰা নহয়। গোহালিৰ দুই দঁতীয়া দমৰাটো আৰু চোমনিৰ মুগাৰে বোৱা বিহা বা মেখেলা এখন বিক্ৰী কৰিলেই মটৰ চাইকেলৰ যোগাৰ হ'ব। কিন্তু ১৮ বছৰীয়া চেঙেলীয়া ল'ৰাটোক দিওঁ বুলিয়েই জানো মটৰ চাইকেল এখন দি দিব পাৰি। কথাবোৰ ভৰা মতে নহ'ল। দিনে দিনে তাৰ কাণ্ডবোৰ ভাল নেদেখি তাই সিদ্ধান্ত লৈ পেলালে। ভবামতে দুই দঁতীয়া দমৰাটো আৰু হাতে বোৱা খাটি মুগাৰ বিহা এখন বিক্ৰী কৰি মটৰচাইকেল কিনাৰ ব্যৱস্থা কৰা হ'ল। এদিন ধলপুৰাতে মাকৰ পৰা পাঁচশটকীয়া নোটৰ নুৰা এটা লৈ ওলাই গ'ল মটৰচাইকেল কিনিবৰ বাবে। সম্পৰ্কীয় ককায়েক এজনৰ তত্ত্বাৱধানত আটাইবোৰ কাম নিয়াৰিকৈ হ'ল। তাৰ পাছৰে পৰা তাৰ সুখে নধৰা হ'ল। চলাবলৈও শিকিলে সোনকালে।

এদিন সন্ধিয়া তাই ধূনা বাটিখন লৈ নঙলাৰ মুখ পাইছিল। তেতিয়াই আলিয়েদি চাইকেল মাৰি যোৱা মানুহ দুজনৰ পৰা মুখৰ শুনিলে সেই কথাযাৰ। "এইবোৰ সব মাৰ্ক-দেউতাকৰ গাত দোষ।" আজি এয়া তাৰ তিনিদিনৰ পিছৰ দৃশ্য। সৌৱা ওপৰৰ পৰা তললৈ বগা বস্ত্ৰ পৰিহিত মানুহকেইজন খৰিকাজাই জোপাৰ কাষেৰে নঙলা ডালৰ ফালে আগবাঢ়িছে।

তাৰ মাজতে তাই আগেয়ে মানুহৰ মুৰ্তি এটা যেন পাৰ হৈ বাৰান্দাতৰ ফালে আগুৱাই গৈছে। যাওঁতে তাইক উদ্দেশ্যি কে যোৱা কথাশাৰত তাইৰ সম্বিত ঘূৰি আহিল। "উঠ উঠ দুটাকৈ মানুহৰ মূৰ চোবাই এইবাৰ কাৰটোৰ আশাত বহি আছ।" নাই কথাযাৰ তাইৰ কাণত বাজি থকা নাই। এতিয়া ভাবিছে তাই আজিৰ পৰা কিছু বছৰৰ আগৰ খেৰি ঘৰটোৰ ঠাইত এতিয়া থিয় হৈ থকা আধা সজা আচাম টাইপৰ ঘৰটোৰ বাকী থকা কোঠা কেইটাত টিনপাত লগোৱাৰ কথা আৰু ভাবিছে সোনকালেই সন্মুখৰ বেৰখনৰ ইটাবোৰ গাঁথাৰ কথা, ৰঙো বোলাৰ এটা কোঠাত। অপৰাজিতা ৰঙেই দিব, ডাঠ নীলা। তাই ইয়াক পূৰ্ণ কৰিব। সেই পেটৰ বাঢ়ি অহা মঙহ ডোখৰক যিদৰে কৰিছিল ঠিক সেইদৰেই।♦



লকডাউন

জাহ্নবী গগৈ

—মা, কিবা এটা খাবলৈ দিয়ানা। বৰ ভোক লাগিছে।

পাঁচ বছৰীয়া বুবুৰ মাতত ৰীণাৰ বুকুৰ কোনোবাখিনিত যেন চিৰিংকৈ বিষাই গ'ল। বুবুক কিদৰে তাই বুজায় ঘৰত যি চাউল আৰু দাইল আছিল সেয়া কালি গধূলিয়েই তিনিওজনে খাইছে। এইকেইদিন লকডাউন দিয়াৰ বাবে ৰিক্সাচালক বুবুৰ দেউতাকেও একো উপার্জন কৰিব পৰা নাই। সাঁচতীয়া টকা কেইটাও এইকেইদিন খাওঁতেই শেষ হৈ গ'ল। মাক হৈ ভোকাতুৰ সন্তানক একো এটা খাবলৈ দিব নোৱৰাত ৰীণাৰ দুফালেদি দুধাৰি অশ্রু নিগৰি আহিল।

—ৰীণা এইকেইটা ল', পিছফালৰ মধুৰীজোপাত লাগি আছিল, লৈ আনিলো। ভাড়াঘৰৰ মালিকে দেখিলে কেটকেটাই থাকিব। এতিয়ালৈ এইকেইটাকে খাই পেটৰ পোৰণি মাৰিব লাগিব। উপায় নাই আৰু।

— গিৰীয়েকৰ কথাত একো নকৈ ৰীণাই মধুৰীআম কেইটা ধুবলৈ নিলে আৰু কাটি লৈ তিনিওটাই তাকে খালে।

ক্ৰমান্বয়ে নিশা হৈ আহিল আৰু তিনিওটা প্ৰাণী অনাহাৰে বিছনাত শুই পৰিল। পুৱাই শুই উঠি ৰীণাই চাহ বনাবলৈ লৈ দেখিলে চাহপাতৰ টেমাটোও উদং হৈ পৰি আছে। বহুদিনৰ পৰা খুচৰা পইচা সাঁচি ৰখা টেকেলিটো। লৰালৰিকৈ ৰীণাই গিৰীয়েকৰ ওচৰলৈ গ'ল আৰু টেকেলিটো দেখুৱাই ক'লে—

— হেৰি শুনিছেনে, মই যে খুচৰা পইচা সাঁচিছিলো। সেই টকাকেইটাকে উলিয়াই নি চাউল-দাইল অলপ আনিবলৈ পাৰিব।

—বাহিৰলৈ ওলাব নোৱাৰি হৈৰৌ, গোটেইবোৰ পহৰা দি আছে পুলিচে, তাৰ উপৰি দোকানো বন্ধ কৰি দিছে।

— চিনাকি দোকানী আছে যদি লৈ আহক কিবা এটা, পোনাকণৰ বৰ ভোক লাগিছে জানেনে?

ৰীণাৰ কথাত তেওঁ ওলাই যাবলৈ বাধ্য হ'ল। ওলাই গৈ এঠাইত দোকান এখন খোলা পালে। তাৰ পৰাই আলু, দাইল, চাউল অলপ লৈ ততাতৈয়াকৈ ঘৰমুৰা হ'ব লওঁতেই পদুলিত গাড়ীখন আহি তাৰ ওচৰ পালেহি সি পলাব লওঁতেই পুলিচ কেইবাজনো গাড়ীৰ পৰা নামি আহি তাক এনেদৰে মাৰপিট কৰিলে যে সি উশাহ ল'বলৈকো আহৰি নাপালে। লাহে লাহে তাৰ চকুযোৰ বন্ধ হৈ যাব ধৰিলে। চকুৰ আগত তাৰ ভোকাতুৰ পত্নী ৰীণা আৰু সন্তান বুবুৰ মুখখনি ভাহি আহিল।

ইফালে কণমানি বুবুৰে দেউতাকলৈ অধীত আগ্ৰহেৰে বাট চাই আছে। ♦♦

গল্প

সপোন

অনুশ্রী বৰপাত্ৰ গোহাঁই

সপোনবোৰে নকৈ গজালি মেলিছে হেঁপাহ আৰু আশা ৰূপত, কংক্রিটৰ পথত এইবাৰ ভাগৰি নপৰে তাই আৰু তাই পথভ্রষ্টও নহয়। এইবাৰ কোনো দেহ পিয়াহী ৰাক্ষসৰ বলিও হ'ব নিদিয়ে নিজকে। ৰাণীৰ আচলতে পিতৃ কোন? কাৰ সন্তান তাই? এয়া তাইৰ মাকেও নাজানে! পৰিস্থিতিৰ ৰোষত পৰি মাকে নিজৰ শৰীৰ বিক্রী কৰিবলগীয়া হৈছিল। কিন্তু তেওঁৰ সন্তান ৰাণী পৰিস্থিতিৰ ওচৰত হাৰ মনা বিধৰ ছোৱালী নাছিল। সপোন দেখা ছোৱালী তাই। নিতৌ চেষ্টা কৰে তাই সপোনবোৰ দিঠক কৰিবলৈ। মাক আৰু নিজৰ বাবে এই অন্ধকাৰ ঠাইৰ পৰা সম্পূর্ণ আঁতৰি এক সুন্দৰ জীৱন গঢ়িবৰ বাবে তাই যুঁজিছিল। যুঁজিছিল তাই নিজৰ লগত, যুঁজিছিল তাই সমাজৰ লগত। "এনেকুৱা মানুহৰ ছোৱালী একেই হ'ব, সলনি নহয়। পাছলৈ তায়ো দেহ বিক্রী কৰিব।" ইত্যাদি...

এইবোৰ ধাৰণা তাই সলনি কৰিহে এৰিব। সমাজক দেখাইহে এৰিব যে পৰিস্থিতি ৰোষত পৰা মানুহেও নিজৰ সাহস আৰু আত্মবিশ্বাসেৰে নিজৰ সপোন দিঠকত পৰিণত কৰিব পাৰে। মাকেও তাইক নিজৰ দৰে কৰিব বিচৰা নাছিল, সেয়ে তাইক পঢ়ুৱাইছিল। ৰাণীও অত্যন্ত মেধাসম্পন্ন ছোৱালী আছিল, স্কুল-কলেজত তাই সদায় প্রথম স্থান অধিকাৰ কৰিছিল, পঢ়ি-শুনি এক ডাঙৰ তাই .এ. এছ. বিষয়া হোৱাৰ সপোন দেখিছিল। তাই নিজৰ সাধনাৰ বলত সফল হ'বই লাগিব। কিন্তু, সপোন খেদি থকাৰ মাজবাটতেই তাই বলি হ'ব লগা হ'ল এজাক ৰাক্ষসৰ....। তাই চিঞৰিছিল, কিন্তু সেই চিঞৰ কোনেও শুনা নাছিল। আইনা এখন ভঙাৰ দৰে তাই সম্পূর্ণৰূপে ভাঙি পৰিছিল। জীৱনটো ধ্বংস কৰি পেলাবলৈ মন গৈছিল তাইৰ। নিজৰ দেহাটোৰ প্রতিয়েই ঘৃণা উপজিছিল। সপোনবোৰ চূৰমাৰ কৰি নিজকে শেষ কৰিবলৈ বিচাৰিছিল। কিন্তু, সেই সময়তেই তাই সকলোতকৈ ডাঙৰ সাহস হ'ল তাইৰ মাক। "এটা আনৰ ভুলৰ বাবে ইমান ডাঙৰ সিদ্ধান্ত নল'বি সোণ। তাত তোৰ কোনো ভুল নাছিল। মোক ক্ষমা কৰি দে। মোৰ বাবেই তোৰ লগত এনে হ'ল। কিন্তু এনেকুৱা আৰু মই হ'বলৈ নিদিও। ব'ল আই, এই ঘৃণাদায়ক ঠাইৰ পৰা আঁতৰি এক নতুন জীৱনৰ পাতনি মেলোগৈ। য'ত মই, তই আৰু আমাৰ সপোনবোৰ থাকিব মাথো...."

মাকৰ কথাখিনিয়েই ৰাণীক সাহস দিলে। তাই থিয় হ'ল আৰু ক'লে— "অ' মা, আমি যুঁজিম, আমি জিকিম..., এই পৃথিৱীখনত নিজৰ কৰণীয়তাৰে নিজৰ স্থান ৰাখিম। সকলোকে দেখুৱাই দিম যে আমিও আমাৰ সপোনবোৰ সঁচা কৰিব পাৰো।



এতিয়া আমি সন্মান জনাবলৈ গৈ আছো আমাৰ মুখ্য অতিথি আই.এ.এছ. ৰাণী বৰুৱা বাইদেউক। সপোনবোৰ ডেউকা লগাই উৰা ৰাণী আৰু তাইৰ মাকৰ সপোন সঁচা হ'ল। এই জগতত তাই সুখ্যাতিৰে নিজৰ নাম ৰাখি যাবলৈ সক্ষম হ'ল। জেদ ধৰিছিল তাই... আৰু তাই জেদ পূর্ণ হ'ল। সপোন দেখিছিল তাই বৰ্ষা নহয়, খোলা চকুৰে। খোলা চকুৰে দেখা সপোন তাই নিজৰ যোগ্যতাৰে সফল কৰিলে। যদি সঁচা অন্তৰেৰে নিজৰ সপোন পূৰণ কৰিবলৈ বিচাৰে তেন্তে প্রভুৱে সদায় লগ দিয়ে। ইয়াৰ সঁচা উদাহৰণ ৰাণী।◆

গল্প

গংগাৰামৰ দুৰ্গতি

বিতোপন বৰগোহাঁই

ৰাতি ফেন নহ'লে শুৱ নোৱাৰা উৎকট গৰমত দিনবোৰ লাহে লাহে পাৰ হৈ গৈছে। এতিয়া শেহৰাতি গাৰ ওপৰত পাতল কাপোৰ এখন লৈ শোৱলৈ মন যোৱাৰ সময়। পুৱা চোতালৰ দুবৰি বন ডৰা তিতি আছে। অথচ আজি কেৰিহ বাদিন ধৰি বৰষুণ, বিজুলী-ঢেৰেকণি এইবোৰ একোৱেই নাই। বতৰটো কিবা এটা ভাল লগা হৈছে। গৰমো নাই, ঠাণ্ডাও নাই। পদুলিৰ শেৱালিজোপাত তলভৰি সৰি আছে ফুলবোৰ। শুভমৰ মাকে খৰাহি এটাত এপাহ এপাহকৈ ফুলবোৰ বুটলি আছে।

আহিনমহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন...

অ' মা, এতিয়া আহিন মাহ নেকি বাৰু? পাৰ্বতিপ্রসাদৰ গীতফাঁকি সুৰ লগাই গুণগুণাই ভিতৰৰ পৰা ওলাই অহা শুভমে পদুলিত ফুল বুটলি থকা মাকক সুধিলে।

অ' এতিয়া আহিন মাহ। বিশ্বকর্মা পূজাৰ পিছদিনা পৰাই আহিন মাহ আৰম্ভ হয়। কিয় সুধিলি? মাকে ক'লে।

নহয় মানে, নিয়ৰত বনবোৰ তিতি আছে যে, শেৱালিবোৰো সৰি আছে। সেইবাবেই সুধিলো। ১২ বছৰীয়া ল'ৰাটোৰ অনুভৰী মনটোৰ পৰিচয় পাই মাকৰ ভাল লাগিল। অৱশ্যে শুভম ল'ৰাটো বহুমুখী প্রতিভাসম্পন্ন ল'ৰা বুলিব পাৰি। গান গোৱাৰ উপৰিও সি কবিতা, গল্প আদিও লিখে। কলংপাৰত তাৰ কবিতা প্রকাশো পাইছে। শুভমৰ উচ্চাকাংক্ষা বহুত। অলপতে বিশ্বনাথ চাৰিআলিৰ গগন বৰগোহাঁই ইণ্ডিয়ান আইডলত গীত পৰিৱেশন কৰি ৰাষ্ট্রীয় পর্য্যায়ত দ্বিতীয় শ্রেষ্ঠ সন্মান বঁটাৰ বিভূষিত হোৱা কথাটোৱে তাক বৰকৈ অণুপ্রাণিত কৰে। গৰমৰ বন্ধত শুভমে গানৰ কর্মশালাটো যোগদান কৰিছিল। তাতে সি ভূপেন্দ্র সংগীত, ৰাভা সংগীত, পার্বতী সংগীত অনুশীলন কৰাৰ সুযোগ লাভ কৰিছিল।

আচল কথাটো হ'ল যেতিয়া মানুহবোৰে কোনো লোকৰ বিশেষ প্রতিভাক প্রশংসা কৰি সেই বিষয়ে আলোচনা কৰে, খবৰ কাগজ, আলোচনী আদিত তেওঁলোকৰ ফটো ওলায়, তেতিয়া শুভমৰ তেনেকুৱা হ'বলৈ মন যায়। সেয়েহে কেতিয়াবা মন যায় ডাঙৰ সাহিত্যিক হ'বলৈ, কেতিয়াবা মন যায় বিজ্ঞানী আকৌ ক্রিকেটৰ বতৰত তাৰ ক্রিকেটাৰ হ'বলৈ মন যায়। পঢ়া-শুনাত শুভম ভাল। মাক-দেউতাকে তাক পঢ়াৰ বাবে তাগিদা দিব লগা নহয়। তদুপৰি মাক-দেউতাকে শুভমক ডাঙৰ হ'লে কিন্তু তুমি অমুক হ'ব লাগিব বুলি কোনোদিন কোৱা নাই। দেউতাক শুভমৰ ভাল বন্ধু। তেখেত এজন ভাল শিক্ষক হোৱাৰ লগতে এজন প্রতিষ্ঠিত লিখকো।

অলপদিন আগতে শুভমৰ অতি মৰমৰ ককাকৰ নৱৈ বছৰ বয়সত মৃত্যু হ'ল। বার্ধক্যজনিত কাৰণত তেখেতৰ স্বাভাৰিক মৃত্যু হ'ল। ককাকৰ মৃত্যুৱে শুভমৰ মনত বৰ দুখ দিলে। ইমান মৰমিয়াল আছিল তাৰ ককাক। ককাকে তাক মৰমতে সোণগুটি বুলি মাতিছিল। তাৰ লগত কেৰম, লুডু খেলাৰ উপৰিও সাধুকথা, কাহিনী শুনাইছিল। স্কুলৰ পৰা আহি সি সেইদিনা স্কুলত কি কি হ'ল সেই কথাবোৰ ঘৰত সকলো বিৰৰি কৈছিল। ৰাতিলৈ সি এটা গল্প লিখিলে, য'ত সি মানুহৰ আয়ুসক কাছৰ আয়ুসৰ সৈতে তুলনা কৰি এক বিজ্ঞানভিত্তিক 'ৰহস্য' গল্প লিখিলে। গল্পটোৰ নাম দিলে— "জীৱবিজ্ঞানী বিন্নয়ৰ উদ্ভাৱন।"

শুভমে গল্পটো লিখি মাক-দেউতাকক পঢ়ি শুনালে। আচলতে সি সৰুৰে পৰা কিবা লিখনি লিখিলে প্রায়ে মাক-দেউতাকক প্রথমে পঢ়ি শুনাই।

গল্পটো কিবা আধৰুৱা যেন লগা নাইনে দেউতা! পিছৰ খিনি আৰু অলপ কেনেকুৱা ধৰণে লিখিলে ভাল হ'ব কোৱাচোন? লিখাখিনি পঢ়ি শেষ হোৱাৰ পিছত শুভমে সুধিলে।

গল্পটো শুনি ইতিমধ্যে শুভমৰ অদ্ভুত কল্পনা শক্তি আৰু সৃষ্টিশীল প্রতিভা দেখি মাক-দেউতাক দুয়ো স্তম্ভিত

হৈ গৈছিল। তেওঁলোকে খুউব ভাল হৈছে বুলি তাক উৎসাহ যোগালে। তাৰ পিছত দেউতাকে অলপ চিন্তা কৰি গল্পটোৰ শেষৰ অংশ কেনেকুৱা হ'ব পাৰে বুজাই দিলে। সি লিখা গল্পটো আছিল এনেধৰণৰ—

"প্ৰখ্যাত জীৱবিজ্ঞানী ড° চিন্ময় চৌধুৰীয়ে সুদীৰ্ঘ কাল গৱেষণাৰ অন্তত মানুহৰ পৰমায়ু বৃদ্ধি কৰিব পৰা এবিধ ঔষধ উদ্ভাৱন কৰিলে। দীৰ্ঘজীৱী প্ৰাণী কাছৰ দেহৰ পৰা সংগৃহীত এবিধ বিশেষ জিন, মানুহৰ তেজত সংৰোপিত কৰি মানুহৰ আয়ুস তিনিগুণ পৰ্যন্ত বৃদ্ধি কৰিব পাৰে। ড° চৌধুৰীয়ে তেখেতৰ গৱেষণাত কাছৰ দেহৰ পৰা জৈৱ ৰাসায়নিক পদ্ধতিৰে এই বিশেষ জিন সংগ্ৰহ কৰিলে। সংগৃহীত জিন বিশেষ ব্যৱস্থাৰে পৰিশোধনৰ অন্তত সি এক ঔষধ ৰূপে ব্যৱহাৰৰ উপযোগী কৰিলে। এই ঔষধটো এজন সুস্থ মানুহৰ ওপৰত প্ৰয়োগ কৰিলে আয়ুস ৩ বছৰলৈ বৃদ্ধি হ'ব। গৱেষণাৰ কাম সম্পূৰ্ণ হোৱাৰ অন্তত এই আলোড়নকাৰী আৱিষ্কাৰ অতি গোপনে ৰাখিলে ড° চৌধুৰীয়ে। কাৰণ এই জিনটোক থেৰাপীৰ কাৰ্যকাৰিতা সম্পৰ্কে নিশ্চিত হ'বলৈ তেওঁ অন্ততঃ বিশ বছৰ অপেক্ষা কৰিব লাগিব। তাৰ পাছতহে তেওঁ নৱেল বঁটাৰ বাবে গৱেষণাৰ সমুদায়, তথ্য, ঔষধ বিধ পেটেন্ট আদি প্ৰেৰণ কৰিব। ড° চৌধুৰীৰ দেউতাক গংগাৰামৰ বয়স এশ বছৰ অতিক্ৰম কৰিছে, অথচ তেওঁৰ শৰীৰত বাৰ্ধক্যৰ লক্ষণবোৰ প্ৰকাশ নোহোৱাকৈ সুস্থ শৰীৰে জীয়াই আছে। ড° চৌধুৰীৰ বৰ্তমান বয়স সত্তৰ। তেওঁৰ গৱেষণালব্ধ ঔষধবিধৰ কাৰ্যকাৰিতা সম্পৰ্কে তেওঁ এতিয়া নিশ্চিত হ'ল। সেয়েহে তেওঁ দীৰ্ঘায়ু লাভৰ এই ঔষধবিধৰ পেটেন্ট আৰু গৱেষণা পত্ৰসমূহ এই বছৰ নবেল বঁটা নিৰ্বাচন কমিটিলৈ প্ৰেৰণ কৰে।"

গল্পটো দেউতাকে পঢ়াৰ পিছত আধৰুৱা গল্পটো পুনৰ লিখিবলৈ শুভমক কয়। শুভমে দেউতাকে বুজাই দিয়াৰ দৰে গল্পটো পুনৰ লিখিলে—

ড° চিন্ময় চৌধুৰী পিছৰ বছৰ চিকিৎসা বিজ্ঞানত নবেল বঁটাৰে সন্মানিত হ'ল। কিন্তু বিশ্ব স্বাস্থ্য সংস্থাই, জনসংখ্যা বিস্ফোৰণৰ আশংকাত তেওঁৰ দ্বাৰা উদ্ভাবিত ঔষধবিধৰ ব্যৱহাৰ নিষেধ কৰিলে।

ইতিমধ্যে মহাকালৰ বুকুত বিজ্ঞানী চিন্ময় চৌধুৰী ঢুকাল। পৃথিবীৰ বুকুত বহুত মানুহ জন্ম হ'ল, বৃদ্ধ হ'ল আৰু শেষত মৃত্যুও হ'ল। কিন্তু গংগাৰাম! আঢ়ৈশ বছৰ বয়সত এতিয়াও জীয়াই আছে গংগাৰাম। শিক্ষা-দীক্ষাহীন এজন



সাধাৰণ মানুহ তেওঁ। তেওঁৰ চিনাকি মানুহবোৰৰ মুখবোৰ তেওঁ ক'তো দেখিবলৈ নোপোৱা হ'ল। চিৰিয়াখানাৰ জন্তুৰ দৰে তেওঁক চাবলৈ সদায় অনেক মানুহ আহে আৰু যায়। আন্তৰিকতাবিহীন ভাৱে তেওঁৰ লগত চেলফি লয়। এজনো চিনাকি মানুহ নথকা পৃথিৱীখনত জীয়াই থকাটো কিমান বিৰক্তিকৰ এই কথাটো গংগাৰামৰ বাহিৰে আনে বুজি নাপায়।

এনেতে এদিন এটা ডাঙৰ অঘটন ঘটিল। চহৰখনৰ মাজেদি বৈ যোৱা ডাঙৰ নদীখনৰ উচ্চাংশত দি থোৱা প্ৰকাণ্ড বান্ধটো হঠাৎ ভাঙি থাকিল। বাতিটোৰ ভিতৰতে চহৰখনৰ মানুহবোৰক নদীৰ প্ৰচণ্ড জলৰাশিয়ে উটুৱাই লৈ গ'ল। গংগাৰামো উটি গ'ল সেই জলস্ৰোতত। চহৰখনৰ আধাতকৈও অধিক মানুহৰ মৃত্যু হ'ল। কিন্তু গংগাৰামৰ শ্বাসতন্ত্ৰ আন মানুহৰ দৰে কেৱল হাওঁ ফাওঁৰ ওপৰত নিৰ্ভৰশীল নোহোৱাৰ বাবে তেওঁৰ মৃত্যু নহ'ল। জলচৰ প্ৰাণীৰ দৰে ইতিমধ্যে তেওঁৰ শ্বাসতন্ত্ৰত "Gill" বো সৃষ্টি হৈছিল। গতিকে গংগাৰাম পানীত ডুব দি মৰাৰ বাহিৰে অন্য উপায় নাই। অনিচ্ছা সত্ত্বেও গংগাৰামে এই বিৰক্তিকৰ পৰিৱেশতে জীয়াই থাকিবলৈ বাধ্য হ'ল আৰু বা কিমান দিন?

এই কথাখিনিকে তুমি ধুনীয়াকৈ সজাই পৰাই গল্পটোৰ পিছৰ অংশত যোগ দিব পাৰা। গল্পটো সম্পূৰ্ণকৈ লিখিবাচোন বাৰু পাৰিলে! তোমাৰ এই গল্পটো চুটি গল্প প্ৰতিযোগিতালৈ পঠাই দিম। দেউতাকে শুভমৰ পিঠিত হাত বুলাই তাক মৰমেৰে ক'লে।♦ ♦

গল্প

নিয়তিৰ খেলা

সুকন্যা বৰুৱা



বাইদেউ, বাইদেউ.....।

নিয়ৰৰ মাতত উচপ্ খাই উঠিল অনন্যা।

কি ভাবি আছ বাইদেউ?

নাই অ' একো নাই। তই ইমান পৰলৈকে শোৱা নাই কিয়?

অনন্যাৰ কথা শুনি নিয়ৰে ক'লে—"মই জানো বাইদেউ, মোৰ দৰে তোৰো মালৈ মনত পৰিছে নহয়।" এইবুলি কৈ নিয়ৰে উচুপিবলৈ ধৰে।

নিয়ৰৰ কান্দোনত অনন্যায়ো অত পৰে সামৰি ৰখা চকুপানীখিনি আৰু ধৰি ৰাখিব নোৱাৰিলে তাই তাক সাৰটি ধৰিলে।

অনন্যা আছিল ঘৰখনৰ একমাত্ৰ ছোৱালী। তাই বৰ আলসুৱা আছিল। মাক-দেউতাক আৰু ভায়েকৰ লগতে ৰৱদেউতাক, ৰৱমাক আৰু ৰৱদেউতাকৰ দুই পুত্ৰ অৰ্থাৎ অনন্যাৰ ককায়েকহঁতৰো ৰৱ মৰমৰ আছিল তাই। ১২ বছৰ বয়সতে মাকক হেৰুৱাৰ পাছত দেউতাকে দ্বিতীয় বিবাহ কৰাইছিল। তাৰ ফলস্বৰূপেই অনন্যাৰ জীৱনলৈ কালসন্ধ্যা নামি আহিছিল। অনন্যাৰ অশেষ সপোন আছিল। ভালদৰে পঢ়া-শুনা কৰি ভাল কিবা এটা কৰাৰ। ঠিক তেনেদৰে মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাও তাই সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা পাছ কৰাৰ পাছতেই মাহীমাকৰ প্ৰৰোচনাত পৰি দেউতাকে তাইৰ বিয়া ঠিক কৰিলে। কিন্তু তাই ইমান কম বয়সতে বিয়া হ'ব বিচৰা নাছিল। তাই পঢ়িব বিচাৰিছিল। কিন্তু দেউতাকে তাইৰ কথা নুশুনিলে। সেয়েহে তাই অন্য একো উপায় বিচাৰি নোপোৱাত ৰৱদেউতাকৰ ঘৰলৈ গুচি আহিল আৰু তাৰ পৰাই তাই গ্ৰেজুৱেছন কৰিলে। সেই সময়ত দেউতাক তাইৰ ক্ষেত্ৰত ইমান নিষ্ঠুৰ হৈছিল যে ভায়েককো তাইক লগ কৰিবলৈ নিদিছিল।

গ্ৰেজুৱেছন কৰি থকা সময়তে তাই লগ পাইছিল গীতক। লাহে লাহে দুয়োৰে মাজত গঢ়ি উঠিছিল প্ৰেমৰ সম্বন্ধ। অনন্যাৰ ৰৱদেউতা-ৰৱমা আৰু গীতৰ মাক-দেউতাকৰ সন্মতি লাভ কৰাত গীতে অনন্যাক নিজৰ ঘৰলৈ লৈ আহিছিল।

কথাতে কয় নহয় বোলে "একাল দুখ হ'লে একাল সুখ হয়।"

গীতৰ মাক-দেউতাকে অনন্যাক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল। তাই নিজৰ ঘৰখনত দেখা ডাঙৰ ডাঙৰ সপোনবোৰ পূ�ৰ কৰিবলৈ গীতৰ মাক-দেউতাকে সম্পূৰ্ণৰূপে তাইক সমৰ্থন কৰিছিল। নিজৰ মাকৰ মৰমৰ পৰা বঞ্চিত অনন্যাই পুনৰ মাতৃৰ মৰম লাভ কৰিছিল। অনন্যাই BEd কৰাৰ লগতে নৃত্যৰ প্ৰশিক্ষণো ল'লে। BEd শেষ হোৱাৰ পাছতেই অনন্যাই ওচৰৰে হাইস্কুল এখনত শিক্ষয়িত্ৰী চাকৰিও পালে। লগতে এতিয়া তাইৰ সাত মহীয়া এজনী ছোৱালীও আছে। সেয়েহে নিয়ৰে দেউতাকৰ হকা বাধা নামানি আজি দহ বছৰৰ পাছত বায়েকৰ ওচৰলৈ আহিছে।

আজি যেন নিয়ৰৰ কাৰোলৈকে ভয় নাই। কাৰণ আজি সি মাতৃসদৃশ বায়েকক পুনৰ ঘুৰাই পাইছে।♦

গল্প

পুৰণি বিলৰ বাঁক

লৱিতা দিহিঙীয়া

চেঁচাকায নামৰ গাঁৱৰ কাহিনীৰে—

গাঁওখনৰ এটা জুপুৰিত ৰতন আৰু তাৰ বিধবা মাতৃৰ সৈতে থাকে। ৰাতি দুই মান বজাৰ কথা—

'ৰতন, ঐ ৰতন...'

(চিঞৰত থতমত খাই ৰতন বিছনাত বহিল, মাকো সিটো কোঠাৰ পৰা উঠি আহি পুতেকৰ কায পালেহি।)

ৰতনৰ মাক ঃ বোপা ইমান ৰাতিখন কোনে বা মাতিলে...।

ৰতন ঃ আই মই চাই আঁহো। মাতটো চিনাকি যেনেই লাগিছেচোন। (দৰজাখন খুলি দেখে বাপুকণ। বাপুকণ হৈছে ৰতনৰ সৰুকলীয়া বন্ধু। এতিয়া দুয়ো অৱশ্যে ২৫ৰ দেওনা পাৰ কৰিলে। বাপুকণে প্ৰেমৰ জালত পৰি ৰাধাক বিয়াও পাতিলে। ৰতনে চাকৰিৰ অভাৱত দিন হাজিৰা কৰে।)

ৰতন ঃ কিহে বাপুকণ ইমান ৰাতি তই ইয়াত যে?

বাপুকণ ঃ আৰে, ৰতন পুৰণি বিলত মাছৰ উজান উঠিছে।

ৰতন ঃ ৰ' ৰ' তেন্তে ময়ো যাম।

ৰতনৰ মাক ঃ ক'ত যাব ওলাইছ তহঁত এই ৰাতিখন? পিছলে টানিলে বৰ বেয়া কথা হ'ব।

বাপুকণ ঃ এই খুৰীদেউ মাছ ধৰোগৈ।

ৰতনৰ মাক ঃ নাযাবি বোপা পুৰণি বিলখন মায়া লগা। বাপুকণ ঃ নাই খুৰী আমি ভালে ভালে পামহি।

ৰতন ঃ আই তই দুৱাৰখন মাৰি ল'। (ৰতন আৰু বাপুকণে পুৰণি বিলৰ ফালে খোজ ল'লে। নিৰ্জন ৰাতি পথাৰৰ আলিয়েদি গৈ গৈ চুকটোতেই বিলখন... মাছবোৰ জোনৰ পোহৰত চট্‌ফট কৰি আছে। দুয়ো বন্ধুৱে জাল মাৰি খালেত মাছবোৰ ভৰাই ল'লে। নিশা এৰি পুৱাৰ সূর্যই ফাট মেলিলে। ৰতনৰ মাক ৰতনৰ বাবে বাট চাই আছে। বেলি যেতিয়া মূৰৰ ওপৰ পাইছিলগৈ মাক সেউতী ৰ'ব নোৱাৰি বাপুকণহঁতৰ ঘৰ ওলালগৈ।)

ৰতনৰ মাক ঃ বাপুকণ, ঐ বাপুকণ। ৰতন পোনা...

ৰাধা ঃ অ' সেউতী খুৰী আঁহক।

বাপুকণ ঃ কওকচোন খুৰীদেউ...!

ৰতনৰ মাক ঃ ৰতন ক'ত?

বাপুকণ ঃ কিয় খুড়ী? তাক দেখোন মই আজি দুদিন ধৰি লগাই পোৱা নাই।

ৰতনৰ মাক ঃ কি কৈছ তই এইবোৰ? কালি ৰাতি... বুলি কৈ তেওঁ কথাখিনি ক'লে ...

বাপুকণ ঃ নাই খুৰী মইটো ঘৰতে আছো যোৱা ৰাতি ৰাধাক সোধক।


ৰাধা ঃ অ' তেওঁ যোৱা ৰাতি ঘৰতে আছিল।

(তেনেতে সোধা-পোচা লগাত গাঁওখনৰ সকলোতে কথাটো গৰমা গৰমি হ'ল। সকলোৱে বিলৰ ফালে খোজ ল'লে আৰু গৈ দেখে পানীত এটা দেহ উপঙি আছে। মৃতদেহটো গাঁৱৰ লোকে তুলি আনি দেখে যে, সেয়া ৰতন।)

ৰতনৰ মাক ঃ নিলে ঐ নিলে মোৰ ল'ৰাটো কাঢ়ি নিলে। ইমান ক'লো নাযাবি বোপাই নাযাবি। সি নুশুনিলে। (সেউতীয়ে ৰাউচি জুৰি কান্দিব ধৰিলে।)

তেনেতে গাঁৱৰে জয়ন্তই মাত লগালে—

জয়ন্ত ঃ যোৱা মাহতে কাষৰ গাঁৱৰ ইন্দ্ৰেশ্বৰৰ পুতেকক কদমণি গাঁৱৰ গাঁওবুঢ়াৰ জোঁৱায়েকৰ ভেশ ধৰি বাঁকে মাৰিলেগৈ কথাবোৰ জানিও ৰতন আহিছিলনো কিয়? (বাকী ৰাইজৰ মাজতো বুবু-বাবা লাগিল। তেনেতে পুলিচে খবৰটো পাই ঘটনাস্থলী পালেগৈ আৰু ঘটনাৰ বুজ লৈ ৰতনৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰাবলৈ লৈ যায়। পুলিচে report পাই গম পাই যে এইয়া নিশ্চয় হত্যাকাণ্ড গতিকে তদন্ত কৰিবলৈ লয় আৰু বাপুকণক থানালৈ মাতি পঠিয়ালে। সোধ-পোচ কৰি পুনৰ বাপুকণক ঘৰলৈ পঠিয়াই দিয়ে। পিছে অনন্ত কলিকতা নামৰ পুলিচ বিষয়া জনে বিষয়টোৰ উমান ভালদৰেই পালে। পাছদিনা পুনৰ অনন্ত কলিতাই বাপুকণৰ



ঘৰত জেৰা কৰে। আৰু বাপুকণক এসেকা দি সঁচা কথা খুলি ক'ৰলৈ কয়।)


বাপুকণ ঃ অ' ৰতনৰ লগত ময়েই গৈছিলোঁ সেইদিনা বিল লৈ। কিন্তু মই ভবা নাছিলো যে এনেকুৱা কিবা এটা হ'বগৈ বুলি।

অনন্ত কলিতা ঃ আচল কথাখিনি খুলি ক'।

বাপুকণ ঃ সেইদিনা মাছ ধৰি থাকোতে ৰতন বৰ চিন্তাত আছিল। বহুবাৰ সোধাতহে সি কৈছিল, দেউতা ঢুকুৱা আজি প্ৰায় এটা বছৰেই হ'ল। পিতাই নোহোৱাতহে বুজিছে। আজি ইমান দিনেতো তেওঁ কোনো দিনেই নক'লে যে জুৱা খেলত যে লাখ লাখ টকাৰ ধাৰৰ পাহাৰ গোট খাই আছে। মায়ে কৰিবনো বা কি? ঘৰৰ বাবেও মই একোৱেই কৰিব পৰা নাই ইমান দিনে। দিন হাজিৰা কৰি যিকেইটা টকা পাওঁ, দুবেলা দুমুঠি খাওঁতেই যায়। পইচা বিচাৰি ফোন কৰা মানুহৰ ভয়ত ফোনটো দলিয়াই ভাঙিলে। মানুহবোৰ আহি ঘৰ ওলায়হি। এতিয়া আমি যাওঁনো ক'ত? তেনেতে মানসিক শোকত পৰা ৰতনৰ কঁকালৰ পৰা মাছৰ খালৈটো তলত সৰি পৰিল। আৰু তাৰ সুযোগ লৈয়ে ৰতনে আপোনঘাটি হ'বলৈ চেষ্টা কৰিছিল। তেনেতে বাপুকণে তাক বচাবলৈ চেষ্টা কৰোঁতে হতা-হতি হৈ ৰতন বিলত ডুব গ'ল।

(বাপুকণে ভয়ত উপায় নাপাই ঘৰলৈ দৌৰ দিলে আৰু ৰাধাক কথাবোৰ বিৰৰি ক'লে। ৰাধায়ো পুলিচৰ ভয়ত গিৰিয়েকক সকলোবোৰ কথা গোপনে ৰাখিবলৈ ক'লে। আৰু দুয়োয়ে বাঁকে ৰতনক মাৰিলে বুলি সকলোকে কোৱাৰ বুদ্ধি পাতিলে। কথাবোৰ গাঁৱৰ সকলোৱে জানিলে। ৰাধা আৰু বাপুকণকো মিছা মতাৰবাবে উচিত শাস্তিও প্ৰদান কৰা হ'ল।

দিনবোৰ বাগৰিবলৈ ধৰিলে, মানুহবোৰেও বাঁকৰ ভয় এৰিলে কিন্তু কাষৰ গাঁৱৰ ইন্দ্ৰেশ্বৰৰ পুতেক আৰু কদমণিৰ গাঁওবুঢ়াৰ জোঁৱায়েকৰ মৰণ ৰহস্য হৈয়ে ৰ'ল।) ♦



Bulbbul

Smita Chakraborty

The film industry is a salient sector of the Indian economy. Cinema is the bespeak of the society presenting us with histories voguish and myriad, with real incidents and fictive narratives. Howbeit, it's rare in coeval times that a bollywood movie impacts us so well that our mind and thought process gets a breath of fresh air; be with its fabulous screenplay, apropos dialogue delivery or grotesque backdrop or visual performances juxtaposed with the theme of women accreditation, touching the concords the heart, that it leads to a purgation feeling of the soul. One such movie that had created a stir and buzz in film industry released in Netflix in 2020 for its bildungsroman voyage, the psycho social portrayal of a child bride from docility to strength in 1880s Bengal Presidency; BULBBUL directed and written by Anvita Dutt starring Tripti Dimri, Avinash Tiwary, Paoli Dam, Rahul Bose and Parambrata Chatterjee. Till date it has successfully entrapped people's heart with varied emotions. Therefore, I have opted for this quintessential film.

ABOUT THE DIRECTOR – Anvita Dutt is an Indian dialogue writer, screenplay writer, story writer, lyricist and director of Bollywood films. Working 14 years in advertising industry prior joining Hindi films, Anvita Dutt is a renowed name in bollywood for being employed here more than a decade as a dialogue writer, screen writer and lyricist in movies before her debut as director through BULBBUL, especially helming breath-taking performance of lead actress Tripti Dimri who went on to star in Anvita's recent directorial venture Qala, which is known for its psycho-social portrayal of the dark ethics of music industry of India in 1940s.

CAST AND CREW

DIRECTED AND WRITTEN BY – Anvita Dutt
PRODUCER AND PRODUCTION COMPANY – Clean Slate Filmz {Karnesh Sharma}
CINEMETOGRAPHY- Siddharth Diwan
EDITED BY - Rameshwar S. Bhagat
MUSIC BY - Amit Trivedi
COSTUME DESIGN – Veera Kapuree
DISTRUBUTER- Netflix
RELEASE DATE- 24 June 2020
DURATION- 94 minutes
COUNTRY AND LANGUAGE- INDIA and HINDI

MAIN CASTE –

Tripti Dimri as Bulbbul,
Avinash Tiwary as Satya,
Paoli Dam as Binodini,

Rahul Bose in a dual-role as twins Indranil/Mahendra.

Parambrata Chattopadhyay as Dr. Sudip,

SYNOPSIS AND CRITICAL EVALUATION OF THE FILM

A critically acclaimed one, the film had set intrigue among its audience from its very first premise. BULBBUL 's plot delves in the pool of occurrences that reflected the real life incidents of how suffered in domesticity in olden times collocated with the fictive backdrop of chudail procuring justice for women victims of domestic violence in demurral of the popular myth around them as they destroying happy homes.

Set in Bengal Presidency of 1880s, BULBBUL is set on the eve of Bulbbul's wedding to Indranil, a wealthy zamindar, when she is barely five years old, she being hardly able to understand the meaning of marital unison. She on contrary develops a bond with Satya, Indranil's youngest brother, who is closer to her age besides residing in a loveless marriage with Indranil. Bulbbul and Satya grow up together, telling each other stories of a witch ("chudail"). Years later, Satya returns home from London. In the provisory, Indranil's mentally-challenged twin brother Mahendra was scraged in what was believed to be a chudail's attack. His conniving widow Binodini now lives in an outhouse. Indranil has left the village and Bulbbul has taken over his responsibilities. The village doctor, Sudip, regularly visits to check Bulbbul's feet due to an incident she refuses to discuss. The movie oscillates between past and present, revealing to the audience the various notions of patriarchy that prevailed in those times, and the various facets of Bulbbul's life and Bulbbul's ultimate metamorphosis into a supernatural figure that fights the injustice performed against women. She goes through a symbolic transformation each time, represented by a blood red moon, which indicates that the goddess Kali is supporting her. Woven in various shades of innocence, strength, myth, violence, sadism, treachery, envy and many more, what forms the crux of the tale is how the ingrained societal andocentric attitude has devalued women's role to domesticity, merely being a emotionless puppet and how women when risen to empowerment deals with all the wrongs in the society.


THE GENRE OF GOTHIC-As per Britannica, "European Romantic pseudo medieval fiction having a prevailing atmosphere of mystery and terror" Called Gothic because its imaginative impulse was drawn from medieval buildings and ruins, such novels commonly used such settings as castles or monasteries equipped with subterranean passages, dark battlements, hidden panels, and trapdoors" Aditya Mani Jha, a film critique of Firstpost noted that the film is "a postmodern example of the Gothic genre". The character of Satya can be compared to that of Jonathan Harker of Dracula, in that they have the same aloofness, unemotional logic that which ultimately leads them to investigate the case subsequently deciding to slay the monster and latter case and the culprit alias chudail in former. The foundations of the gothic genre are also presented with the sharp savagery in contrast to the aesthetics of BULBBUL which have been inspired by the paintings of Raja Ravi Varma. The Cinematographer Siddharth Diwan known for works such as TRAP and BHAVISH JOSHI captures the interaction between the living and the eerie so well that as audience we are transported to the world of BULBBUL. The visual effect of the thunder inside and outside the house in the scene where Bulbbul's feet is mutilated captures the essence of gothic. The looming haveli like European castles, the ornate sarees, the exquisite interiors, the ancestral but dull Bengali backdrop, all of which echo with Sanjay Leela Bhanshali's Devdas. As Dev and Paro were childhood friends and Dev was sent outside to study, so were Satya and Bulbbul, with Satya relocating to London for 5 years owing to which the major events of the film takes place. Further, the lurking occult and uncanny all testifies the gothic backdrop of the film.

EMPLOYMENT OF SYMBOLISM - The vivid symbolism played a significant part in ascribing the gothic genre of the movie. The symbolism of Bulbbul's feet throughout the film, right from the starting shot of her dangling child feet following the scene where Bulbbul's feet is ornamented with 'bichiya' or toe ring, to the shot of her shoed feet, to it being distorted by Indranil, is monumental as it serves as a metaphor for escape. Even the scene where the toe ring is put it was said how it was used to pressed the girl from flying away further deepens the metaphor of escape of caged bird, lacking agency representing the theme how women lacked control over their life; like the precocious five year old girl is married off to significantly elder man, and Binodini to a mentally challenged man. The twisted feet of chudail represent how at times to tackle ferocity, what all is needed is ferocity. The over brooding shadow of super naturalism right from the starting of the film with Satya and Bulbbul's shared folklores, to the vivid imagery of red colour being used, all lay the aura of gothic genre. The deliberate use of red in depiction of supernatural events, frames bathed in deep red hue, and all the other scenes is drawn in association with the periodical blood of women. Bulbbul's feet immersed in red 'alta', Bulbbul's empowered appearance in red frames, and the ultimate gutting of the forest in red fire, the red motif is a powerful one. Another significant image is the appearance of red moon. Moons signify the menstruation cycle in natural rhythm of life. A red moon is often considered as a harbinger or sign of impeding danger or detrimental ferity or foreboding apocalypse and is often considered a bad omen in cultural context; however, the appearance of red moon in the film outline how drastically different perspective, as the red moon bears the freedom of women, as they are liberated from the vicious cycle of domesticity and Bulbbul punishing men who inflict barbarity on females. The production designer did her job thus really well, with wonderful synchronization with the cinematographer and the costume designer

CHARACTERIZATION - Dutt is renowned for sketching strong female characters needed they are awarded with agency. Unlike histories which have debarred women from pen and art for ages, Dutt's female characters are bestowed with pen and art as a means to their unshackling even after being set in an era when pen was forbidden to women, be it *PHILLAURI'S* Shashi , *QALA*'s Qala or *BULBBUL*'s Bulbbul. The characterization is apt and all the actors perform their job finely especially Tripti Dimri and Paoli Dam. The characters and their relationship are etched with care. The character of Binodini played by Paoli is the most tantalizing, political and provocative character. The character is further enriched with Dutt showing her compulsions. All women are jailbirds which is why Binodini says to Bulbbul in hushed tone to keep Mahendra's deeds a secret. Set in the late 1880s in Bengal, the film develops its characters such that it delves into the idea of aristocratic Bengali women embracing ideologies of freedom in a society where patriarchy forces itself physically and psychologically on women. "Aruna Chakravarti's *Jorasanko* described Tagore's relationship with his child-bride sister-in-law, Kadambari, which Shreya Paul, a film critique of *Firstpost* noted as the foundation behind the relationship between Bulbbul and Satya. Chakravarti described how Kadambari was devastated when she was separated from Tagore (due to his marriage), much like Bulbbul's desperation on Satya leaving for London. Further, Tagore's older brother, Birendranath, suffered from a mental illness but was still married off and abused his wife, similar to Binodini being married off to Mahendra." Dimri does her role so well that it resonates perfectly with the audience. Her evoking the emotions in a kind such that various shades of her character is vividly ornamented. She has outdone herself without any extra and perhaps is the best job done till date, beside in *QALA*. Literally like her name, Bulbbul in most frames is seen in trees from her appearance till her submerged in ashes

in the endings. In the film, Dimri further reunites with her Laila Majnu co-star Avinash Tiwary, who played Satya. Avinash plays his role standard and infuses it with sincerity. Parambrata Chatterjee is reliably a good local doctor, who subverts the notions of patriarchy. Rahul Bose gives another stellar performance both as having and not having conscience. What is interesting to note though Mahendra lacks normal cognition, the brutalities showcased by Indranil makes him equivalent to the sadist Mahendra.

COSTUME – The best element that I feel stands tall in the film is it's breathtaking fashion and costume design. A pure celebration of culture & art, this movie has emigrated Bengali's aesthetics from the early of colonial times with tthe costumes, or the jewels giving a taste of ostentatious opulence of the Bengali tradition. As per the words of critique Nandini Khetan, "The female lead of the movie Tripti Dhimri adorned the most beauteous saris & jewelry throughout her role as a courteous *Badi Bahu* as well as a ladylike *Chudail* fanning herself with peacock feathers while the former was seen mostly in light pastel shades of pink, orange, green & blue saris with Edwardian style blouse sleeves and minimal jewelry her tresses by side while the latter showcased the power as the chief of the house by dressing in bold & bright Benarasi Brocade Silk saris in Athpourey Style/ *Ulta Pallu* ornamented with gold jewels from head to toe — a backbone of the Bengali culture, talking about the supporting actress Pauli Dam and her appearance as a married woman she too is seen in heavy silk saris with *Ulta Pallu* though there is a hint of Romantic-Victorian softness to her blouses with lace trim & flower motif, her entire look glorified by a *Nath.*" Avinash Tiwary has returned to Bengal Presidency after living in London and hence his entire ensemble can be dubbed as a Londoner with Chesterfield Coat, Brocade Waistcoat, curl winged collar shirt & signature Cravat paired the look with Knicker bocker and squared toe knee-length boots which later on changed to just a waistcoat & a Nehru




collar *Kurta* with Bengali style *Dhoti* completed by a gold chain around his neck and sleek back hairdo. Bose is seen adorning simple *Fotua* and *dhoti* throughout the film. Costume Designer Veera Kapuree did a marvellous job in the designing thus amplifying the aura of the movie.

DRAWBACKS – The concept of the film is a wonder in itself, with the imaginative writing of Anvita Dutt. However, though beautiful on paper, and with commendable efforts, the movie lacks coherence. Sadly, the ninety four minutes really didn't grasp the real taste and spice of the mystical tale. The climax was too simple, and short. The red colour at times becomes too over whelming. The biggest downfall of the film is its screenplay. The chronological order of the film eliminated all emotions of astonishment, shock or scared, hence making a predictable storyline.

CONCLUSION – Personally, I liked the concept of the film. Although it has its lacking, what cannot be ignored is the quintessential nature of the film. The strong foothold of feminism that it lays – violence for violence, has to be remembered till ages. But, sadly, most of the Indian audience lacks maturity enough to grasp that film but with the hope for future generations to understand it; BULBBUL is one of the genius portraying the theme of feminism. ♦

কথানদী

চিন্ময় কুমাৰ সন্দিকৈ



নিৰ্দেশকৰ নাম	ঃ	ভাস্কৰ হাজৰিকা
ভাষা	ঃ	অসমীয়া
প্ৰকাশকাল	ঃ	২০১৫
চিত্ৰগ্ৰহণ	ঃ	বিজয় কুটী
সংগীত	ঃ	অমৰনাথ হাজৰিকা
কাহিনী গ্ৰহণ	ঃ	বুঢ়ী আই সাধু, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা
মুখ্য চৰিত্ৰ /পাত্ৰ	ঃ	আদিল হুচেইন (দেৱীনাথ)
		উৰ্মিলা মহন্ত (কেতেকী)
		জেৰিফা ৰাহিদ (চেনেহী)
		সীমা বিশ্বাস (ধনেশ্বৰী)
		কপিল বৰা (পুনাই)
চলচ্চিত্ৰ প্ৰকাৰ	ঃ	কাশ্মী শৰ্মা (তেজিমলা)
লেখক	ঃ	মিথক / হ'ৰৰ(Horror)
		ড° অৰূপা পটংগীয়া কলিতা

৬৩তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ সমাৰোহত শ্ৰেষ্ঠ অসমীয়া বোলছবিৰ খিতাপ অৰ্জন কৰা 'কথানদী' একবিংশ শতিকাৰ অসমীয়া বোলছবিসমূহৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ বোলছবি। 'আমিষ', 'এমুঠি পুথি' আদিৰ দৰে মনোগ্ৰাহী তথা জনপ্ৰিয় বোলছবিৰ নিৰ্মাতা ভাস্কৰ হাজৰিকাৰ এই ছবিখনত অসমীয়া ৰূপকথা, ইয়াৰ লগত জড়িত পৰম্পৰা কিংবদন্তি আদি সুন্দৰকৈ প্ৰকাশ পাই উঠিছে। ছবিখনৰ মূল কাহিনীভাগ গ্ৰহণ কৰা হৈছে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ বুঢ়ী আই সাধু গ্ৰন্থখনৰ পৰা। ইয়াৰ পৰা তেজিমলা, চম্পাৱতী, ঔ কুঁৱৰী তথা তাৰৈৰ সাধু এই চাৰিটা সাধু কথাক একেডাল ডোলোৰে বান্ধি সমান্তৰালভাৱে আগবঢ়াই নি এই বোলছবিখন প্ৰস্তুত কৰা হৈছে।

এটা সময়ত, চেনেহী নামৰ চিজ'ফ্ৰেনিয়াত ভোগা এগৰাকী মহিলা নিজৰ সতীয়া জী তেজীমলা (কাশ্মী শৰ্মা)ক গিৰীয়েক দেৱীনাথ (আদিল হুচেইন) নথকা অৱস্থাত নৃশংসভাৱে হত্যা কৰে। আনহাতে দেৱীনাথে বাণিজ্য সম্বলিত যাত্ৰাৰ সময়ত কেতেকী (উৰ্মিলা মহন্ত) ক লগ পাই, যিয়ে এটা ঔটেঙা জন্ম দিছিল। ঔটেঙাটো অনবৰতে কেতেকীৰ লগতে ঘূৰি ফুৰিছিল আৰু অৱশেষত দেৱীনাথে ঔটেঙাৰ বহস্য ফাদিল কৰিবলৈ সক্ষম হয়। আনফালে আন এখন গাঁৱত ধনেশ্বৰী নামৰ ধনী মহিলা এগৰাকীয়ে এডাল অজগৰৰ সৈতে নিজৰ জীয়েকক বিয়া দিয়ে আৰু তাৰ বিষম পৰিণতি লাভ কৰে। একেবাৰে শেষত মালতী নামৰ এগৰাকী মহিলাই নিজৰ সন্তানক বচাবলৈ দৃঢ় প্ৰতিজ্ঞ হয়, কিয়নো পূৰ্বতে তাৰৈক আৰু নিজ স্বামীৰ কথাত তিনিটাকৈ নৰজাত শিশুক বলিদান দিব লগা হৈছিল। সংক্ষেপতে এয়াই আছিল কথানদীৰ মূল কাহিনী।

মন কৰিবলগীয়া কথা এই যে ইয়াৰ প্ৰায় কেইটা কাহিনীয়ে বিশ্বাসৰ উৰ্দ্ধত আৰু বহুতৰ বাবে অন্ধবিশ্বাসৰো থল হ'ব পাৰে। কিন্তু মনত ৰখা উচিত হ'ব যে ই ৰূপকথাহে

আৰু বাস্তৱৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। কিন্তু ইয়াৰ লগত জড়িত নীতিশিক্ষা বা উপদেশ আৰু সমাহিত দৰ্শন দৰ্শকৰ বাবে উপযোগী হ'ব পাৰে। তদুপৰি নিৰ্মাতাই কাহিনী কথকতাৰ যি সৃষ্টিশীল শৈলী ব্যবহাৰ কৰিছে। সি ইয়াক কোনো বৈজ্ঞানিক ভিত্তি প্ৰদান নকৰিলেও কাহিনীবোৰক অকৃত্ৰিম যেন অনুভৱ কৰোৱায়। বিশেষকৈ তেজীমলা কাহিনীটোকে উদাহৰণ হিচাপে ল'লে আমি দেখিম যে চেনেহী এক মনোৰোগত ভুগিছে আৰু প্ৰেতৰ দৰে এক বস্তু কল্পনা কৰি সতীয়া জীয়েকক হত্যা কৰিছে। আনহাতে কেতেকীয়ে ঔটেঙা জন্ম দিয়াৰ পাছত ঘৰৰ পৰা ডাইনী বুলি উলিয়াই দিয়াৰ পাছত নিজেই নিজক ভৰণ-পোষণ দিছে আৰু তাঁত বৈ কাপোৰ বিক্ৰী কৰি স্বাৱলম্বীতাৰ পথেৰে আগবাঢ়ি সমাজত এক শক্তিশালী নাৰী ৰূপত নিজক গঢ়ি তুলিছে। দৰ্শকে ছবিখন চালে মন কৰিব যে যি সময়ত দেৱীনাথে কেতেকীৰ জীয়েকক মানুহৰ ৰূপত উলিয়াই আনিছে সেই সময়তে নিজৰ জীয়েক তেজীমলাই চেনেহীৰ হাতত প্ৰাণ হেৰুৱাইছে। ইও এক ডাঙৰ ট্ৰেজেডী স্বৰূপ। ধনেশ্বৰীক মন কৰিলে আমি দেখিম যে কেনেকৈ অত্যাধিক লোভ, ঈৰ্ষা আৰু অহংকাৰে মানুহক অন্ধ কৰি অনিষ্ট সাধন কৰে। আনহাতে মালতীৰ ক্ষেত্ৰত এগৰাকী মাতৃৰ স্নেহ আৰু সন্তানৰ প্ৰতি অগাধ প্ৰেম দেখিবলৈ পাওঁ, যিয়ে এগৰাকী নাৰীক নিজৰ স্বামী তথা পৰম শুভাকাংক্ষীজনৰ বিৰুদ্ধে যাবলৈও উদ্যত কৰায়।

অভিনয় আৰু ৰূপসজ্জা ঃ

বোলছবিখনত সকলো অভিনেতা-অভিনেত্ৰীয়ে সুন্দৰ সৰল আৰু প্ৰাকৃতিক অভিনয় কৰি দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ আদিল হুচেইন আৰু সীমা বিশ্বাসৰ দৰে খ্যাতিসম্পন্ন কলাকাৰে সোণত সুৱগা চৰাইছে। তদুপৰি শিশুশিল্পী কাশ্মী শৰ্মাৰ অভিনয়ো প্ৰসংশনীয়। দ্বিতীয়তে ক'ব লাগিব সাজ-সজ্জা আৰু অংগসজ্জা (মেকআপ)ৰ গ্ৰাম্য পৰিৱেশ এটা ফুটাই তোলাৰ লগতে পৰম্পৰাগত জীৱনশৈলী ফুটাই তুলিবলৈ চিত্ৰগ্ৰহণ কৰাৰ বাবে তাৰ নৈসৰ্গিক সৌন্দৰ্য্যও দৰ্শকে দেখিবলৈ পায়।

সংলাপ/কাহিনীকথন ঃ

বোলছবিৰ সংলাপসমূহ লিখিছে প্ৰথিতযশা সাহিত্যিক ড° অৰূপা পটংগীয়া কলিতাই। নিঃসন্দেহে সংল্লাপসমূহো খুব সুন্দৰ আৰু পৰিস্থিতি অনুযায়ী সময়োপযোগী হৈছে। আৱন্তণি অংশৰ নেপথ্য কথন শৈলী অতি মনোকৰ্ষক আৰু দৰ্শকক আকৃষ্ট কৰিবলৈ সহজেই সফল হয় যেন অনুভৱ হয়। কথাৰ চৰ্বিত চৰ্বন আৰু অলাগতীয়াল-অপ্ৰয়োজনীয় যেন ভাব বোৱা কোনো কথন বা সংলাপ পৰিলক্ষিত নহয়।

সংগীত ঃ

বোলছবিখনৰ আৱহ সংগীত আৰু নেপথ্য সংগীত যথেষ্ট ভাল আৰু আকৰ্ষণীয়। খোল, তাল, পেঁপা, বাঁহী আদিৰ দৰে লোক বাদ্যসমূহৰ ব্যৱহাৰে সংগীতৰ দিশটোক অধিক সুন্দৰ আৰু মনোগ্ৰাহী কৰি তুলিছে। পৰিস্থিতি অনুযায়ী ব্যৱহাৰ কৰা ঢোল-তালৰ চাপৰ, বাঁহীৰ সুৰ, পেঁপাৰ সুৰ আদিয়ে সংগীতৰ ক্ষেত্ৰত অমৰ নাথ হাজৰিকাই কৰা গৱেষণা আৰু প্ৰচেষ্টাক আমাৰ আগত তুলি ধৰিছে।

স্পেচিয়েল ইফেক্ট, বাজেট আদি ঃ

কথানদী বোলছবিখনত স্পেচিয়েল ইফেক্টৰ বিশেষ কোনো ঠাইত দেখিবলৈ পোৱা নাযায়। তথাপিও স্পেচিয়েল ইফেক্টৰ অবিহনেই ছবিখন সুন্দৰ ৰূপত নিৰ্মাণ কৰা হৈছে। অৱশ্যে ৰাতি আন্ধাৰৰ দৃশ্যবোৰৰ ক্ষেত্ৰত আৰু অলপ বাস্তৱিক ৰূপ দিব পৰা গ'লহেঁতেন যেন অনুভৱ হয়। কিয়নো লাইটৰ পৰিমাণে কৃত্ৰিমতাৰ আভাস দিছিল। বোলছবিখনৰ বাজেট বলিউডৰ তুলনাত যথেষ্ট কম আছিল।

সামগ্ৰীকভাৱে কথানদী ছবিখন এখন সফল ছবি বুলি ক'ব পাৰি। অতি কম বাজেটত আৰু আঞ্চলিক ভাষাতে যেন ভাল ছবি তৈয়াৰ কৰিব পাৰি। মাত্ৰ কাহিনী আৰু সৃষ্টিশীল কলাকাৰৰ প্ৰয়োজন তাৰেই জীৱন্ত প্ৰমাণ কথানদী। অসমীয়া ছবি জগতৰ উত্তৰণৰ ক্ষেত্ৰত কথানদী এক মাইলৰ খুঁটি হিচাবে পৰিগণিত হ'ব পাৰে তাৰ কোনা দ্বিমত থাকিব নোৱাৰে। বিভিন্ন ৰূপকথাৰে লগ লাগি সৃষ্টি হোৱা ছবিখনৰ নাম কথানদী ৰখাটো যথোপযুক্ত হৈছে বুলি ক'ব পাৰি। অৱশেষত যিসকলে বৰ্তমানেও এই ছবিখন চোৱা নাই তেওঁলোকক এবাৰলৈ চাবলৈ অনুৰোধ জনালোঁ আৰু সুস্থ সমালোচনাৰে অসমীয়া ছবি জগতক শক্তিশালী ৰূপত গঢ়ি তোলাত নিজৰ অৱদান আগবঢ়াবলৈ আহ্বান জনালো।♦

চলচ্চিত্র সমালোচনা

অনুৰ

বিতোপন বৰগোহাঁই

পৰিচালকৰ নাম ঃ মঞ্জুল বৰুৱা।
মুক্তিলাভ ঃ ২৯ জানুৱাৰী, ২০২৩ চন।

অসমীয়া চলচ্চিত্ৰ গতিধাৰা সলনি হোৱাৰ লগে লগেই অসমীয়া চলচ্চিত্ৰ জগতত নানা নতুন নতুন খলকনি তুলিছে। কিছুমান চলচ্চিত্ৰই দি যায় হাস্যৰস, আন কিছুমানে ক্ষয়িষ্ণু মানৱীয়তাৰ বার্তা। তেনে ধৰণৰ বার্তাবাহক এখন চলচ্চিত্ৰ হৈছে 'অনুৰ'।

২৯ জানুৱাৰী, ২০২৩ বর্ষত এই ছবিখনে মুক্তিলাভ কৰিলে। অনুৰাধা শর্মা পূজাৰীৰ এটি দুটি গল্পক আধাৰ কৰি লৈ নির্মিত অনুৰ চিত্ৰনাট্য আৰু পৰিচালনা—মঞ্জুল বৰুৱা। মুক্তিৰ পূর্বে অনুৰ ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল কেৰেলা আৰু ঢাকা আন্তঃৰাষ্ট্রীয় চলচ্চিত্ৰ মহোৎসৱলৈয়ো নির্বাচন হৈছে।

বার্ধক্য অৱস্থাৰ নিসংগতাক সামৰি অনুৰাধা শর্মা পূজাৰীৰ এটি চুটিগল্প আধাৰিত 'অনুৰ—Eyes on the Sunshine' মঞ্জুল বৰুৱাৰ তৃতীয়খন চলচ্চিত্ৰ। উল্লেখ্য যে পৰিচালকগৰাকীয়ে ছবিখনৰ মূল উৎস চুটিগল্পটোৰ নাম ক'তো উল্লেখ কৰা নাই; পূর্বতে 'অন্তৰীণ' আৰু 'কানীন' ৰ ক্ষেত্ৰতো পৰিচালক একেদৰেই নিমাত আছিল।

শিৱম ক্ৰিয়েছনে আগবঢ়োৱা 'অনুৰ' ছবিখন প্রযোজনা কৰিছে ডঃ গোপেন্দ্র মোহন দাসে। অনুপমা বৰুৱাৰ চৰিত্রটোক কেন্দ্র কৰি চলি থকা কাহিনীটোত ফুটি উঠিছে বৃদ্ধ কালত বাঢ়ি অহা দুঃচিন্তা, অস্বস্তি আৰু নিসংগতা। পৰিচালক হিচাপে মঞ্জুল বৰুৱাৰ সূক্ষ্ম পর্যবেক্ষণ সঁচাকৈয়ে শলাগিবলগীয়া। ছবিখনৰ কিছুমান সৰু সৰু অংশই ছবিখনত বিশেষ ৱহণ সানিছে। টেবুলত সিঁচৰতি হৈ থকা ঔষধবোৰ, চাহ খাই ধুবলৈ পাহৰা বাচন-বর্তন, ঘৰ চাফা কৰোঁতে হঠাতে পোৱা পঞ্চাশ টকীয়া নোটখন টপককে সামৰি থোৱা আদি বিভিন্ন সৰু সৰু উপাদানে ছবিখনৰ দৃশ্য সমৃদ্ধ কৰিছে।



আটাইতকৈ মন কৰিবলগীয়া সূক্ষ্ম পর্যবেক্ষণটো কাহিনীটোতেই সোমাই আছে। মাছ বজাৰত দেখা এজন অচিনাকি মানুহে গোটেই কাহিনীটোৰ গতি নির্ধাৰণ কৰিছে, শেষত সেই মানুহজনৰেই অস্তিত্ব কাহিনীটোত তেনেই সূক্ষ্ম হৈ পৰিছে।

ছবিখনৰ প্রথম অংশ, প্রায় প্রথম এক ঘন্টামান বহু পৰিমাণে লেহেম গতিত চলা যেন মোৰ অনুভৱ হয়। কিছুমান দৃশ্য বেছি সাৱর্গত কৰিবলৈ যাওঁতে ছবিখনৰ গতিত বিঘিনি জন্মিছে আৰু সেই দৃশ্যসমূহৰ দৈর্ঘ্য অনাৱশ্যকীয় যেন ধাৰণা হৈছে, তথাপিও ছবিখনক এক অর্থত Melodrama বুলিব নোৱাৰি। ছবিখনৰ কাম নিচেই সাধাৰণ অথচ সদায় দেখি অহাতকৈ বেলেগ। বলোৰাম দাসে অভিনয় কৰা ঔম চৰিত্রটোৱে কাহিনীটো ৰসাল কৰাত বিশেষ সহায় কৰিছে। ৰজত কাপুৰ, কাহিনীটোত লচিথ মুডলিয়াৰ অনুপমাৰ জীৱনলৈ অহাৰ পাছতেই কাহিনীটোৰ গতি কিছু পৰিমাণে বৃদ্ধি পায় যদিও তাৰ পাছৰ অংশটোত কাহিনীটোৰ তাপমান বৃদ্ধি পোৱাত বা সমান্তৰাল হৈ থকাত বহুবাৰ যতি পৰিছে।


কিছুমান দৃশ্য চালে চিনেমাখন চুটিগল্পৰ ওপৰত



আধাৰিত বুলি সহজেই ধৰিব পাৰি। নির্দিষ্ট কিছু শ্বট ভাৰ-গধুৰ আৰু চিনেমেটিক হৈছে, আনহাতে কিছু শ্বটে চিনেমেটিক ভাষাৰ বিপৰীতে চুটিগল্পৰ ভাষাকেই অনুকৰণ কৰিছে। চিনেমেট' গ্রাফীৰ দায়িত্বত থকা সুমন দুৱৰাৰ নাম এইখিনিতে উল্লেখযোগ্য। চিনেমাখনৰ আটাইতকৈ ভাল লগা অংশটোৱেই হৈছে শেষৰ অংশটো। দর্শকে কাহিনীটো কেনেকুৱা হ'ব ধৰি লোৱা মতে শেষত তেনেকুৱা একো নহয়। শেষৰ প্রায় পোন্ধৰ-বিশ মিনিটৰ ভিতৰত চিনেমাখনৰ গতিয়েই সলনি হৈ যায়। চিনেমেটিক ভাষাৰ ফালৰ পৰা চাবলৈ গ'লে শেষৰ অংশটোৱে পূর্বৰ কিছু বিলম্বিত গতিৰ দৃশ্যক উচিতভাৱে বিচাৰ কৰি চাবলৈ এক পথ মুকলি কৰি দিয়া যেন লাগে। চিনেমাখনৰ শেষৰ অংশটোও পূর্বৰ দৰেই লেহেম গতিত চলে, কিন্তু ঘটনাৰ উস্কুতাই দর্শকক জোকাৰি যাবলৈ সক্ষম হয়।

চিনেমাখনৰ মূল বিষয়ঃ বৃদ্ধকালত প্রায় বহুজনে ভোগা একাকীত্ব শেষলৈকে বৰ সুন্দৰকৈ প্রকাশ পাইছে। ছবিখনৰ আটাইতকৈ ভাল লগা দিশটো হৈছে অভিনয় কৰা সকলোৱেই প্রকৃত অর্থাৎ পেছাগত অভিনেতা। মাছ বেপাৰীৰ পৰা চাহ দিয়া মানুহজনলৈকে সকলো অভিনেতা বাবেই পৰিচালকে বিচৰা ধৰণে আৰু কাহিনীটোৱে দাবী কৰা ধৰণে সকলো সুন্দৰকৈ ফুটি উঠিছে। মঞ্চৰ অভিনেতাই কেমেৰাৰ সন্মুখত theatrical acting কৰা ধাৰণাটো অন্ততঃ এইখন চিনেমাত ভুল বুলি প্রমাণিত হৈছে। ছবিখনৰ দুটি মুখ্য চৰিত্রত অভিনয় কৰা জাহানাৰা বেগম আৰু ৰজত কাপুৰৰ অভিনয় নিখুঁত। চৰিত্রটোক শেষলৈকে ধৰি ৰখাৰ ক্ষেত্রত জাহানাৰা বেগম সফল হৈছে। ভাৰতীয় চলচ্চিত্র জগতৰ অন্যতম নিপুণ অভিনেতা ৰজত কাপুৰৰ অভিনয়ে চিনেমাখনলৈ বাস্তৱিকতা অনাত সহায় কৰিছে। অসমীয়া ভাষা নতুনকৈ আয়ত্ত কৰি ইমান সুন্দৰকৈ সংলাপ মাতোঁতে তেওঁৰ নিশ্চয় কষ্ট নোহোৱা হয়, এই ক্ষেত্রত পৰিচালকৰ কষ্টকো শলাগিবলগীয়া। তাৰ লগতে ছবিখনত অন্য মুখ্য চৰিত্রসমূহত অভিনয় কৰা বলোৰাম দাস, ৰাজশ্রী শর্মা, বিদ্যা ভাৰতী, উদয়ন দুৱৰা, বিভূতি ভূষণ হাজৰিকাৰ অভিনয়ো বাস্তৱিক আৰু সাৱলীল হৈছে।

ৰূপায়ণ ঃ চিনেমাখনৰ শব্দ ৰূপায়ণৰ দায়িত্বত আছিল অমৃত প্রীতম। চিনেমাখনৰ সাধাৰণ পটভূমি, সাধাৰণ জীৱনশৈলীৰ দৰেই শব্দৰ ব্যৱহাৰো সাধাৰণ আৰু বাস্তৱিক। তৰালী শর্মাৰ সংগীত পৰিচালনাই শ্রব্যৰ দিশ অধিক সুন্দৰ কৰি তুলিছে। তৰালী শর্মা আৰু ৰূপম ভূঞাই কণ্ঠদান কৰা গীত দুটি সুমধুৰ আৰু কাহিনীৰ লগত খাপ খোৱা। গীতৰ কথাই চৰিত্রৰ মনৰ ভাব প্রকাশ কৰাত সহায় কৰিছে। গীতৰ প্রয়োজন অৱশ্যে বৰ বেছি নাছিল যদিও চিনেমাখনৰ গতিৰ ফালে চালে গীতবিহীন চিনেমাখন উকা হৈ পৰিলহেঁতেন। গীত দুটিয়ে ছবিখনৰ গতিক এঢাপ বৃদ্ধি কৰাত সহায় কৰিছে আৰু দর্শকে কাহিনীৰ লগত নিজকে সংযোগ কৰিব পাৰিছে।♦♦



12th Fail

Bitupan Sobor

"In this world, there are two categories of movies. The first category includes such movies that are promoted by the director and the actors themselves, while the second category includes such ones that are promoted by the public itself. The Movie 12th Fail (2023) falls in the second category for projecting the odyssey of UPSC aspirants on the silver screen in such a way that writhe the soul of the spectators and convinces the universal dictum that, in every family, someone is born to uproot poverty with indomitable courage, backbreaking work, and undying proclivity. Such one remains ever busy in attaining the aims and objectives of life even in disparate conditions and continues till the conditional prosperity of the family and beyond is attained. Vidhu Vinod Chopra scripted, directed, edited, and produced, Vikrant Massey, Medha Shankar, Anant Joshi and Anshuman Pushkar starred, low-budgeted Bollywood movie 12th Fail, rated 9.2/10, 90%, and 4.9 respectively by the IMDb, Rotten Tomatoes, and audience rating summary, is based on Anurag Pathak's eponymous non-fiction (12th Fail 2019), and bestows the biographical raga and saga of such one known as Manoj Kumar Sharma, an IPS Officer, who cuts the"Gordian knot of extreme poverty with his dedication, uphill battle, and will power."Narrating the story of Manoj Kumar Sharma's (Vikrant Massey)'s expedition, Pritam Pandey (Anant V Joshi) says that he comes from a freedom fighter's honest family of Chambal-the area of dacoits. Extreme honesty seems to be a curse for his family for causing his father to suffer from the pain and pangs of suspension, owing to which he strikes Chauhan (Dev), the corrupt Officer. Manoj, like his classmates, makes chit-slips for the final exam of the 12th class, but the strictness of DSP Dusyant Singh (Priyanshu Chatterji) spoils all's plans. Manoj is no exception. Later on, this DSP becomes his idle and his advice "To leave the cheating" becomes"a guru mantra for him. While his father's challenging his suspension in the high court, the penury of the family, and the charge of false case on his"brother by MLA's henchman, change the narration and direction of his life. He decides to pass the 12th exam without cheating. What though he gets the third division?, it gives him a new direction. In the succeeding years, he passes his B.A. in History and Hindi Literature with the idiosyncratic aim of becoming a DSP. With the help of his grandma's savings, he sets out for Gwalior for MPPSC, but knowing the Group Ist exam has been postponed for three years, wandering in the streets with hunger, he goes to a daba for work for food, hitherto, he comes across Pritam Pandey, the beige flag. It's he through whose mouth first time he hears the first letter of IPS. Immediately, he decides to go to Delhi with him for the UPSC Exam empty-handed. Hitherto, he meets the restarter Gauri Bhaiya (Anshuman Pushkar) and Shraddha Joshi (Medha Shankar), his mentor, motivator, and supporter of the nadir. Failure after failure becomes his destiny, but hard- to-hard work becomes his way. Drudgery of the odd jobs, hectic exams of life, and upheaval in love and friendship become dwarf before his cantankerous will. He cracked the interview in his last-ditch attempt. A 12th Fail topped the best exam of his life, love, and friendship beyond the distinction."Where the characters of the movie 12th Fail, being dynamic (chiefly the protagonist and the narrator) and static (the rest are static), are delineated with such genuineness and extent that they lay off to be mere actors on screen and become vessels through which the spectators can vicariously experience the myriad of emotions there the plot, being

simple, rises with Sharma's father's suspension, passes with his odyssey for success, attains the climax with his long awaited grand result, and brings resolution with the melody of Shraddha and Sharma's shehnai. Where Pandey's commentary-like narration in third-person omniscient attracts the audience, there the exalting and heartening dialogues, dealing with the applied philosophy of life, stir the spectators to go through the movie. "Papa used to say, fear from the darkness within, not from the darkness outside", "If citizens were educated, it could be a real problem for leaders" (By Sharma), "You speak even lies as truth. Become a news reporter" (by Shraddha), and "this is the battle of all of us, if one wins, the millions of sheep and goats will win" (by Gauri Bhaiya) are such exemplary dialogues that, surpassing the extremities of the formulaic storytelling, present a compelling and resounding cinematic experience."The visual aesthetic of the movie 12th Fail are nothing short of breathtaking each frame of the film is meticulously crafted to evoke a varied range of sentiments with the help of spellbinding"" cinematography—lullaby, pause, silence, echo, and whistling-that captures the essence of the characters' struggles and triumphs as follows the visually stunning and emotionally poignant. The use of light and shadow is particularly noteworthy for adding layers of symbolism to the story and enhancing the overall broadcasting experience. Furthermore, the soundtrack deserves special mention, as it complements the on-screen drama flawlessly. Music that boosts the emotional impact of the crucial scenes also serves as a narrative device guiding the audience through the intricate layers of the plot. Despite this, the movie 12th Fail boasts a stellar cast whose performances are nothing short of extraordinary. Each actor embodies their character with such conviction and sincerity that it is impossible not to be deeply moved by their portrayal. The chemistry between the cast members, outfits, colours, moods, and sound is palpable especially, for adding authenticity to the relationships portrayed on the screen. The motivationally of the hilarious mood and ridiculous tone of the movie are superb."What incontestably makes the movie 12th Fail a cinematic gem ever produced is its ability to leave a long-lasting mesmerising and mind-wafting impact of its persuasive narrative, surpassing character development and adept direction on its spectators. Long after the credit roll, the themes continue to resonate, encouraging viewers to reflect on their challenges and social norms and prompting them to question preconceived notions about success and failures, urging them to redefine their understanding of personal triumphs. The message that hard work never goes to waste and the moral that the harsh consequences with a clear purpose in life lead to the highway of success is in the crux of the movie. Additionally, what sets this movie apart as a cinematic masterpiece is its ability to delve deep into the human psyche, exploration of the themes of resilience, self-discovery, and the triumph of the human spirit in the face of adversity that, from time to time, needs redefining of the boundaries of toil, dedication, support, and love, along with the narrative of such consistency built para socialistic champions (aspirants) who quizzically start the journey of their career, even unknown to the destination, in the towns and cities like Delhi, and promptly continues their situation-ship to it with repeated restart in the de influencing heat dome of their society and beyond."To draw an inference, the movie 12th Fail stands as a testament to the power of cinema to inspire, provoke thought, and evoke profound emotions. Its exceptional narrative-style coped with outstanding performances and technical brilliance elevates it to the pinnacle of cinematic excellence. The quality of entertainment and enlightening of this movie gives it a timeless classic sensibility that will be remembered forever for its melodious, but thoughtful lullaby (haar nahin maanoonga, raar nahin thaanoonga), mantra (restart, restart, restart), and jami jamayi vyavashtha. "Note: Dialogues used in this article are translated by the reviewer . ♦

||ন'বেল বঁটা||

শান্তিৰ ন'বেল বঁটা

দৰ্শনা বড়া



ছুইডেনৰ এগৰাকী প্ৰতিষ্ঠিত উদ্ভাৱক তথা উদ্যোগপতি আলফ্ৰেড ন'বেলে স্থাপন কৰা পুঁজিৰ পৰা বছৰি প্ৰদান কৰা এক ধাৰাবাহিক পুৰস্কাৰ হৈছেন'বেল বঁটা। সেইবাবে আলফ্ৰেড ন'বেলৰ নাম অনুসৰি এই বঁটাৰ নামকৰণ কৰা হৈছে। তেখেতে বিশ্বাস কৰিছিল যে মানুহে জ্ঞান, বিজ্ঞান আৰু মানৱতাৰ জৰিয়তে সমাজৰ উন্নতিত সহায় কৰিবলৈ সক্ষম হ'ব পাৰে। ন'বেল বঁটা হৈছে ছটা পৃথক শাখাৰ বঁটা। যিসকল লোকে পূৰ্বৰ বছৰৰ ভিতৰত মানৱ জাতিক সৰ্বাধিক উপকাৰ প্ৰদান কৰিছে, তেওঁলোকক এই বঁটা প্ৰদান কৰা হয়। আলফ্ৰেড ন'বেলৰ মতে এই বঁটাসমূহ পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, শৰীৰ বিজ্ঞান বা চিকিৎসা বিজ্ঞান, সাহিত্য আৰু শান্তিৰ ক্ষেত্ৰত প্ৰদান কৰা উচিত। কিন্তু ১৯৬৯ চনৰ পৰা অৰ্থনীতি বিজ্ঞান বিষয়ত ষষ্ঠটি পুৰস্কাৰ অন্তৰ্ভুক্ত কৰা হয়। অন্যহাতে ১৯০১ চনৰ পৰা অন্য পাঁচটি বিভাগত ন'বেল বঁটা প্ৰদান কৰি অহা হৈছিল। এই পুৰস্কাৰ জৰিয়তে পৃথিৰীৰ যিকোনো ঠাইতে কোনো ক্ষেত্ৰত অসাধাৰণ কাম কৰা লোকসকলক সন্মান জনোৱা হয়।ন'বেল বঁটাক বহুলভাৱে নিজ নিজ ক্ষেত্ৰত উপলব্ধ আটাইতকৈ সন্মানীয় বঁটা হিচাপে গণ্য কৰা হয়।

এই ছটা ন'বেল বঁটাৰ ভিতৰত অন্যতম হৈছে শান্তিৰ ন'বেল বঁটা। ১৯০১ চনৰ মাৰ্চ মাহৰ পৰা ইয়াক বছৰি এনে লোকক প্ৰদান কৰা হয়, যিসকলে 'জাতিসমূহৰ মাজত ভাতৃত্ববোধৰ বাবে স্থায়ী সেনাবাহিনী বিলুপ্ত বা হ্ৰাস কৰাৰ বাবে আৰু শান্তি ৰক্ষা আৰু প্ৰসাৰৰ বাবে সৰ্বাধিক বা সৰ্বোত্তম কাম কৰিছে।' অক্সফৰ্ড ডিকচনেৰী অৱ কন্টেম্পৰেৰী হিষ্ট্ৰীয়ে ইয়াক "বিশ্বৰ আটাইতকৈ সন্মানীয় পুৰস্কাৰ।" বুলি বৰ্ণনা কৰিছে।

১৮৯৬ চনত আলফ্ৰেড ন'বেলৰ মৃত্যু হয়। ন'বেল শান্তিক পুৰস্কাৰৰ শ্ৰেণী হিচাপে বাছি লোৱাৰ কোনো ব্যাখ্যা এৰি যোৱা নাছিল। যিহেতু তেওঁ এজন প্ৰশিক্ষিত ৰায়াসনিক অভিযন্তা আছিল। সেয়ে ৰসায়ন বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞানৰ বাবে শিতানবোৰ আছিল তেওঁৰ স্পষ্ট পছন্দ। শান্তি বঁটাৰ আঁৰৰ যুক্তি কম স্পষ্ট। ন'বেল কমিটিৰ মতে, শান্তি কৰ্মী আৰু পিছলৈ এই বঁটা লাভ কৰা বাৰ্থা ডন ছাটনাৰৰ সৈতে তেওঁৰ বন্ধুত্বই শান্তিক এক শ্ৰেণী হিচাপে অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্তক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। কিছুমান পণ্ডিতে ধ্বংসাত্মক শক্তিৰ বিকাশৰ ক্ষতিপূৰণ দিবলৈ ন'বেল উপায় আছিল বুলি মত প্ৰকাশ কৰে। আলফ্ৰেড ন'বেলৰ উদ্ভাৱনসমূহৰ ভিতৰত আছিল ডাইনামাইট আৰু বেলিষ্টাইট, যি দুয়োটাকে তেওঁৰ জীৱনকালত হিংসাত্মকভাৱে ব্যৱহাৰ কৰা হৈছিল। ন'বেলৰ মৃত্যুৰ সময়ত ছুইডেনৰ সৈতে একত্ৰিত হৈ শাসন কৰা ন'ৰৱেত শান্তি বঁটা প্ৰদান কৰানো ন'বেলে কিয় ইচ্ছা কৰিছিল সেয়াও স্পষ্ট নহয়। ন'ৰৱেৰ ন'বেল কমিটিয়ে অনুমান কৰিছে যে ন'বেলে হয়তো ন'ৰৱেক এই বঁটা প্ৰদানৰ বাবে অধিক উপযুক্ত বুলি বিবেচনা কৰিছিল। কিয়নো ইয়াৰ ছুইডেনৰ দৰে সামৰিকতাবাদী পৰম্পৰা নাছিল। ইয়াৰ উপৰিও উল্লেখ কৰা হৈছে যে ঊনবিংশ শতিকাৰ শেষৰ ফালে ন'ৰৱেৰ সংসদ আন্তঃসংসদীয় সংঘই মধ্যস্থতা আৰু সালিসীৰ জৰিয়তে সংঘাত সমাধানৰ প্ৰচেষ্টাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছিল।

আলফ্ৰেড ন'বেলৰ মতে এই বঁটাটো ন'ৰৱেৰ সংসদে নিৰ্বাচিত পাঁচজনীয়া সমিতিৰ দ্বাৰা প্ৰদান কৰা হ'ব। ন'ৰৱেৰ সংসদে ন'ৰৱেৰ ন'বেল কমিটি নিযুক্তি দিয়ে, যিয়ে ন'বেল বঁটা বিজয়ীক নিৰ্বাচন কৰে। প্ৰতিবছৰে ন'ৰৱেৰ ন'বেল কমিটিয়ে বিশেষভাৱে যোগ্য লোকসকলক শান্তি ন'বেল বঁটাৰ বাবে মনোনয়ন দাখিল কৰিবলৈ আমন্ত্ৰণ জনায়। ন'বেল ফাউণ্ডেশ্যানৰ বিধিসমূহে শান্তি ন'বেল বঁটাৰ বাবে মনোনয়ন লাভ কৰাৰ যোগ্য ব্যক্তিৰ শ্ৰেণীসমূহ নিৰ্দিষ্ট কৰে। ন'ৰৱেৰ ন'বেল কমিটিৰ কৰ্ম ভাষা ন'ৰৱেজিয়ান, ন'ৰৱেজিয়ান ভাষাৰ উপৰিও কমিটিয়ে পৰম্পৰাগতভাৱে ফৰাচী, জাৰ্মান আৰু ইংৰাজী ভাষাত মনোনয়ন লাভ কৰি আহিছে যদিও বেছিভাগ মনোনয়ন ন'ৰৱেজিয়ান বা ইংৰাজী ভাষাত দাখিল কৰা হয়। সাধাৰণতে বঁটা বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিৰ ভিতৰত মনোনয়ন সমিতিৰ ওচৰত দাখিল কৰিব লাগে। এই সময়সীমাৰ

পাছত সমিতিৰ প্ৰথম বৈঠকৰ তাৰিখলৈকে সমিতিৰ সদস্যসকলে মনোনয়ন দাখিল কৰিব পাৰে।

মনোনয়নৰ পাছত ন'বেল কমিটিয়ে এখন বৈঠক বিবেচনা কৰে য'ত অধিক পৰ্য্যালোচনাৰ বাবে প্ৰাৰ্থীৰ চৰ্তলিষ্ট তৈয়াৰ কৰা হয়। এই চৰ্তলিষ্টখন ন'বেল প্ৰতিষ্ঠানটোৰ স্থায়ী উপদেষ্টাসকলে বিবেচনা কৰে, যিটো প্ৰতিষ্ঠান সঞ্চালক, গৱেষণা সঞ্চালক আৰু বঁটাৰ সৈতে জড়িত বিষয়সমূহৰ বিশেষজ্ঞতা থকা ন'ৰৱেৰ কম সংখ্যক শিক্ষাবিদেৰে গঠিত। সাধাৰণতে উপদেষ্টাসকলে প্ৰতিবেদন সম্পূৰ্ণ কৰিবলৈ কিছু সময় পাৰ কৰে। তাৰ পিছত কমিটিয়ে বিবেচনা কৰি বঁটা বিজয়ী নিৰ্বাচন কৰে। কমিটীয়ে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত ল'ব বিচাৰে যদিও সেয়া সদায় সম্ভৱ নহয়। সাধাৰণতে ছেপ্তেম্বৰৰ মাজভাগত ন'বেল কমিটি সিদ্ধান্তত উপনীত হয় যদিও মাজে মাজে অক্টোবৰৰ অৱশুণিতে আনুষ্ঠানিক ঘোষণাৰ পূৰ্বে শেষৰখন বৈঠকলৈকে চূড়ান্ত সিদ্ধান্ত লোৱা নহয়।

১৯০১ চনত ন'ৱেৰ ভাস্কৰ্যশিল্পী গুস্তাভ ভিগলেণ্ডে শান্তিৰ ন'বেল বঁটাৰ পদকটো ডিজাইন কৰিছিল। ভিগলেণ্ডে নিৰ্মাণ কৰা ন'বেলৰ প্ৰফাইল ভাস্কৰ্য অবিক লিস্তুবার্তো নিৰ্মাণ কৰা ৰাসায়ন বিজ্ঞান, সাহিত্য, পদাৰ্থ বিজ্ঞান, চিকিৎসা বিজ্ঞান আদিৰ পদকৰ ওপৰত থকা ন'বেলৰ প্ৰফাইল ভাস্কৰ্যৰ পৰা সম্পূৰ্ণ পৃথক। কিন্তু ভিগলেণ্ডৰ শান্তিৰ ন'বেল বঁটাত থকা ডাইসমূহ লিণ্ডবার্গে নিৰ্মাণ কৰিছিল কাৰণ ভিগলেণ্ড কোনো খোদিতকাৰী নাছিল। পদকটোৰ পিছফালে তিনিজন পুৰুষক 'ভাতৃত্ববোধৰ বন্ধন' হিচাপে দেখুওৱা হৈছে আৰু Pro pace et fraternitate gentium (মানুহৰ শান্তি আৰু ভাতৃত্ববোধৰ বাবে) বুলি লিখা আছে। পদকটোৰ প্ৰান্তত বঁটা প্ৰদানৰ বছৰ, প্ৰাপকৰ নাম আৰু 'পিক্স ন'বেল ভি লা পেইক্স' লিখা থাকে।

ন'ৱেৰ ন'বেল কমিটিৰ অধ্যক্ষই প্ৰতিবছৰে ১০ ডিচেম্বৰ (ন'বেলৰ মৃত্যু বার্ষিকী) ন'ৱেৰ ৰজা আৰু ৰাজপৰিয়ালৰ উপস্থিতিত ন'বেল বঁটা প্ৰদান কৰে। ষ্টকহোমত প্ৰদান নকৰা একমাত্ৰ বঁটাটোৰেই হৈছে শান্তিৰ ন'বেল বঁটা। ন'বেল বঁটা বিজয়ীগৰাকীয়ে ডিপ্লমা পদক আৰু বঁটাৰ পৰিমাণ নিশ্চিত কৰা নথিপত্ৰ লাভ কৰে। ন'বেল উইলৰ বিনিয়োগৰ লাভজনকতা আৰু গ্ৰাহকৰ স্থানীয় মুদ্ৰা বিনিময় হাৰৰ ওপৰত নিৰ্ভৰ কৰি সময়ৰ লগে লগে প্ৰদান কৰা ধনৰ তাৰতম্য ঘটে। ১৯৯০ চনৰ পৰা ন'বেল বঁটা প্ৰদানৰ অনুষ্ঠানটি অছলো চিটি হলত অনুষ্ঠিত হৈ আহিছে। ইয়াৰ পূৰ্বে অছলো বিশ্ববিদ্যালয় (১৯৪৭-১৯৮৯), ন'ৱেৰ ন'বেল ইনষ্টিটিউট (১৯০৫-১৯৪৬) আৰু সংসদৰ বিধানসভা হলত (১৯০১-১৯০৪) অনুষ্ঠিত হৈছিল। ১৯০১ চনৰ প্ৰথম শান্তিৰ ন'বেল বঁটা লাভ কৰিছিল ফান্সৰ ফ্ৰেডেৰিক পেচি আৰু ছুইডালেণ্ডৰ জিন হেনৰী ডুনাল্টে। ১৯০১ চনৰ পৰা ২০২৪ চনৰ ভিতৰত ১১১ জন ব্যক্তি আৰু ৩১ টা সংগঠনকে ধৰি ১৪২ গৰাকী ন'বেল বঁটা বিজয়ীক ১০৫ বাৰকৈ শান্তিৰ ন'বেল বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। যিটো অন্য যিকোনো ন'বেল বঁটাতকৈ বেছি। মাত্ৰ দুজন প্ৰাপ্তকে একাধিক পুৰস্কাৰ লাভ কৰিছে। ৰেড ক্ৰছৰ আন্তৰ্জাতিক সমিতিয়ে তিনিবাৰ (১৯১৭, ১৯৪৪ আৰু ১৯৬৩) আৰু ৰাষ্ট্ৰসংঘৰ শৰণার্থী উচ্চায়ুক্তৰ কার্য্যালয়ে দুবাৰ (১৯৫৪ আৰু ১৯৮১) জয়ী হয়। শান্তিৰ ন'বেল বঁটা লাভ কৰিবলৈ সক্ষম হোৱা ভাৰতৰ দুগৰাকী ব্যক্তি হ'ল মাদাৰ টেৰেছা (১৯৭৯) আৰু কৈলাশ সত্যৰ্থী (২০১৪)। ২০২৪ চনৰ শান্তিৰ ন'বেল বঁটা জাপানৰ নিহন হিডাংকিয়োক প্ৰদান কৰা হয়।

ৰাজনৈতিক প্ৰকৃতিৰ বাবে শান্তিৰ ন'বেল বঁটা ইতিহাসৰ বেছিভাগ সময়েই বিতর্কৰ বিষয় হৈ আহিছে। বৈদেশিক নীতিয়ে ক'ৰাজন একিনো, মহাত্মা গান্ধী, এলিন'ৰ ৰুজভেল্ট, ইউ থান্ট, ভাক্লাভ হেভেল, কেন ছাৰো-ৱিৱা আৰু ফাজলে হাছান আবেদক 'কেতিয়াও পুৰস্কাৰ লাভ কৰা নাছিল, কিন্তু লাভ কৰিব লাগিছিল। মহাত্মা গান্ধী এই বঁটাৰ পৰা বাদ পৰাৰ বিষয়ে বহুলভাৱে আলোচনা কৰা হৈছে য'ত ন'বেল কমিটিৰ বিভিন্ন সদস্যৰ ৰাজহুৱা বক্তব্যও অন্তৰ্ভুক্ত। সমিতিখনে নিশ্চিত কৰিছে যে মহাত্মা গান্ধীক ১৯৩৭, ১৯৩৮, ১৯৩৯, ১৯৪৭ আৰু ১৯৪৮ চনৰ জানুৱাৰী মাহত হত্যাৰ কেইদিনমান আদত মনোনীত কৰা হৈছিল। এই বাদ পৰাৰ বাবে ন'বেল কমিটিৰ পিছৰ সদস্যসকলে ৰাজহুৱাভাৱে অনুশোচনা কৰিছে।

ন'বেল বঁটাৰ বিতর্কই প্ৰায়ে শৈক্ষিক সমাজৰ বাহিৰলৈও যায়। কিছুমান মন্তব্যকাৰীয়ে মত প্ৰকাশ কৰে যে ন'বেল বঁটা ৰাজনৈতিকভাৱে প্ৰেৰিত উপায়েৰে অধিক শেহতীয়া বা তাৎক্ষণিক কৃতিত্বৰ বাবে বা ভৱিষ্যতৰ কৃতিত্বক উৎসাহিত কৰিবলৈ প্ৰদান কৰা হয়। আনহাতে আন কিছুমান মন্তব্যকাৰীৰ মতে পৰিমাণহীন সমসাময়িক মতামতৰ ভিত্তিত শান্তিৰ পুৰস্কাৰ প্ৰদান কৰাটো অন্যায় বা সম্ভৱতঃ ভুল। বিশেষকৈ বহু বিচাৰকক নিৰপেক্ষ পর্যবেক্ষক বুলি ক'ব নোৱাৰি। অধিক সমালোচনাৰ মতে শান্তিৰ ন'বেল বঁটা ক্ৰমান্বয়ে ৰাজনীতিকৰণ কৰা হৈছে, য'ত মানুহৰ সাফল্যৰ পৰিৱর্তে আকাংক্ষাৰ বাবে বঁটা দিয়া হয়। যাৰ ফলত এই বঁটাটো ৰাজনৈতিক প্ৰভাৱত ব্যৱহাৰ কৰিব পৰা গৈছে যদিও বর্তমানৰ ক্ষমতাৰ ৰাজনীতিৰ অৱহেলাৰ বাবে ভংগুৰ শান্তি প্ৰক্ৰিয়াৰ বিভাজনকে ধৰি বিকৃত পৰিণতিৰ সৃষ্টি হ'ব পাৰে। ◆

সাহিত্য ন'বেল বিজয়ী
হান কাং

গৌৰৱ চুতীয়া



কেইদিনমানৰ আগৰ কথা। যোৱা অক্টোবৰ মাহৰ দহ তাৰিখে ঘোষণা কৰা হ'ল চলিত বৰ্ষ অৰ্থাৎ ২০২৪ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা। সমগ্ৰ বিশ্বৰে সৰ্বোচ্চ সাহিত্য সন্মান হিচাপে পৰিচিত এই বঁটাটো প্ৰত্যেক বছৰৰ দৰে এই বছৰ চুইডিছ একাডেমীয়ে প্ৰদান কৰিছে দক্ষিণ কোৰিয়াৰ লেখক হান কাঙক। কাঙে সাহিত্যৰ ন'বেল পোৱা বুলি ন'বেল কমিটিৰ চুড়ান্ত সিদ্ধান্তটো চুইডিছ একাডেমিয়ে ঘোষণা কৰাৰ লগে লগে সমগ্ৰ দক্ষিণ কোৰিয়া উৎফুল্লিত হৈ উঠিল। তাৰ কাৰণো আছে একাধিক। যেনে, কোৰিয়াৰ পৰা হান কাঙৰ পূৰ্বে মুঠ পোন্ধৰ গৰাকীকে কবি সাহিত্যিক সাহিত্যৰ ন'বেল বঁটাৰ কাৰণে মনোনীত হৈছিল যদিও কোনোৱে এই বঁটা পোৱা নাছিল। সেয়ে হান কাঙেই আছিল প্ৰথম গৰাকী ন'বেল বঁটা বিজয়ী কোৰিয়ান সাহিত্যিক।

হান কাঙৰ জন্ম হৈছিল ১৯৭০ চনত দক্ষিণ কোৰিয়াৰ গোৱাংজু চহৰত। তেওঁ ৯ বছৰ বয়সতে পৰিয়ালৰ সৈতে ছিউললৈ প্ৰত্যাৱৰ্তন কৰিছিল। সাহিত্য চৰ্চাৰ লগত জড়িত এটা পৰিয়ালত তেওঁ জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ হান চেঅংৰনো এগৰাকী প্ৰতিষ্ঠিত ঔপন্যাসিক। ন'বেল বঁটা ঘোষণাৰ সময়ত কোৱা হৈছে, 'লিখনিৰ লগতে কলা আৰু সংগীতৰ প্ৰতিও তেওঁ অৱদান আগবঢ়াইছে, যি তেওঁৰ সাহিত্যিক সমলত প্ৰচলিত হৈছে।'

তেখেতৰ জনপ্ৰিয় গ্ৰন্থ সমূহৰ ভিতৰত আছে 'দ্য ভেজিটেৰিয়ান', 'দ্যা হোৱাইট বুক', 'হিউমেন এছ এণ্ড গ্ৰীক লেচনছ'। হেন কাঙে ১৯৯৩ চনত 'মুকান গাৱা চাহো' কবি কবি হিচাপে সাহিত্য যাত্ৰা আৰম্ভ কৰিছিল। ১৯৯৫ চনত তেওঁ ইয়োচু শীৰ্ষক প্ৰথম চুটি গল্প সংকলন প্ৰকাশ কৰে। তেওঁ আৰ্টছ কাউন্সিল কোৰিয়াৰ সমৰ্থনত ১৯৯৮ চনত ৩ মাহৰ বাবে আয়োবা ইউনিভাৰ্চিটি আন্তঃ ৰাষ্ট্ৰীয় কাৰ্যসূচীতো অংশগ্ৰহণ কৰিছিল। এতিয়ালৈকে সাহিত্যৰ ক্ষেত্ৰত ৰচৰ গৰাকী লোকে ন'বেল বঁটা লাভ কৰিছে। য'ত মাত্ৰ ১৮ গৰাকী মহিলা আছে। সাহিত্যৰ ক্ষেত্ৰত ন'বেল বঁটা বেছি সংখ্যক পুৰুষে লাভ কৰাৰ বাবে দীৰ্ঘদিন ধৰি বিতৰ্কও চলি আছে। ২০২২ চনৰ ফ্ৰান্সৰ এনি এর্ণাউক্সৰ পাছত পুনৰ ২০২৪ চনত ন'বেল বঁটা বিজয়ী মহিলা হৈছে হান কাঙ। তেখেত দক্ষিণ কোৰিয়াৰ প্ৰথম গৰাকী ন'বেল বঁটা বিজয়ীৰ লগতে প্ৰথম মহিলা। ♦



Prize of Excellence : Awarding the Nobel Laureates in Economics

Prachi Dutta

Nobel prize is one of the most prestigious awards in the world given to those who have made significant contributions to humankind. It's history can be linked with the inventor of Dynamite, Alfred Nobel; the 19th century Swedish businessman, chemist, scientist, engineer and industrialist. It is by his will that the Nobel prize is awarded every year to honour those individuals and organisations who have conferred the greatest benefit to humankind.


Initially, Nobel Prize was awarded only to the Physics, Chemistry, Physiology or Medicine, Literature and Peace Laureates. It was only in 1968, that a sixth prize was added in the field of "Economic sciences by the Central bank as a memorial to Alfred Nobel. The economics prize is formally known as the 'Bank of Sweden Prize in Economic Sciences in Memory of Alfred Nobel' or 'The Sveriges Riksbank Prize in Economic Sciences in Memory of Alfred Nobel'. Though it is officially not a Nobel prize, it is always presented together with the others on December 10,the death anniversary of Alfred Nobel. Nobel prize comprises of 3 things – a Nobel diploma, a Noble medal and a document confirming the Nobel prize amount. Currently, the award money is 11 million Krona(USD 1.1 million)

Ragnar Frisch and Jan Tinbergen were the first Nobel Prize winners in Economics. They were awarded the prize in 1969 for 'developing and applying dynamic models to analyse economic processes'.

This year the Nobel Economics Prize was jointly given to Daron Acemoglu, Simon Johnson and James A. Robinson for their research that 'studies how institutions are formed and affect prosperity'.

Their study have demonstrated how societal institutions can reduce the vast differences in income between countries.The study emphasises on the fact that it is not the cultural or geographical factors but institutional factors that plays a decisive role in economic outcomes. They have given an apt example of 'The colonised countries' to explain the role of institutions.

The colonisation by the Europeans affected various countries around the world.It can be observed that some of the countries who were initially rich before being colonised are now poor and vice versa. The laureates justifies this by saying that it is due to the introduction of inclusive political and economic institutions in those poor nations that it has now become very developed. While in the rich nations,no measures were taken by the colonisers to improve the institutions,they were just used to fulfill their own selfish desires. This example clearly indicates how institutions can play a significant role to improve the prosperity and growth of a nation."According to them there are three components that influences the formation of political institutions.



"The first is a conflict over how resources are allocated and who holds decision-making power in a society(the elite or the masses).

The second is that the masses sometimes have the opportunity to exercise power by mobilising and threatening the ruling elite; power in a society to make decisions.

The third is the commitment problem, which means that the only alternative is for the elite to hand over decision-making power to the populace."

The study favours Democracy among all the other political institutions for a country's prosperity. They have considered the growth in a Democracy as more stable in the long run than that of an Autocracy. But at the same time they have clearly stated that it doesn't mean that all Autocracies are poor and have slow growth rate. In this connection, they given an apt example of China who have recently made large investments in many sectors , one of them being AI. They are of the opinion that these authoritarian regimes are going to have a hard time in achieving sustainable outcomes.


The study also provides insights about how a Democracy can underperform in certain situations like – bad governance, corruption practices bad decisions,etc.

India has a rich history of Nobel prize Winners in various fields implying its exceptional contributions to the world. Amartya Sen (1998) was the first Indian to win a Nobel Prize in Economics for his contributions to 'Social Welfare' and in 2019 Abhijit Banerjee, Esther Duflo and Michael Kremer won Nobel prize in Economics for their 'experimental approach to alleviating poverty' making Abhijit the second Indian to win a Nobel prize . Nobel prize though considered a prestigious award has been subjected to a lot of criticisms like – gender disparity, favouring certain individuals, organizations, etc. But in spite of these criticisms it inspires individuals to work for humankind. ♦



Revolutionizing Gene Regulation : The Discovery of MicroRNAs

Jyotishmoi Gogoi



The 2024 Nobel Prize in Physiology or Medicine was awarded to **Victor Ambros** and **Gary Ruvkun** for their ground-breaking discovery of microRNAs—tiny molecules that play a massive role in controlling gene activity. This discovery has not only transformed our understanding of genetics but has also paved the way for innovative medical treatments.

In the early 1990s, Ambros, a biologist at the **University of Massachusetts**, and Ruvkun, a researcher at **Harvard Medical School**, were investigating the genes of a tiny roundworm called ***Caenorhabditis elegans***. Their goal was to understand how genes are turned on and off at the right times. To their surprise, they discovered that some genes didn't make proteins as expected. Instead, they produced small RNA molecules—later called microRNAs—that could silence other genes.

Before this discovery, gene regulation was thought to be primarily controlled by proteins. The identification of RNA as regulatory molecule marked a Paradigm shift.


This ground-breaking discovery revolutionized our understanding of genetics. MicroRNAs work like dimmer switches, controlling how much a gene is "on" rather than turning it off completely. Ambros first identified that a gene called ***lin-4*** in roundworms produced a microRNA that blocked another gene, ***lin-14***, from making its protein. Ruvkun's research confirmed how this process worked: the microRNA bind to messenger RNA, the molecules carrying instructions for protein production, and block their function.

Although met with scepticism at first, their findings gained worldwide recognition when Ruvkun's lab discovered another microRNA, ***let-7***, that worked the same way. Even more remarkably, ***let-7*** was found in many animals, including humans, proving that microRNAs are vital to life across species.

MicroRNAs : Small Molecules with Big Impacts : The discovery of microRNAs opened


up an entirely new way of understanding gene regulation. In humans, over 2,000 microRNAs have been identified, and they are involved in critical processes like cell development, aging, and responding to stress. However, when these tiny regulators malfunction, they can lead to diseases. For example, abnormal microRNA activity is linked to cancer, heart disease, and neurological disorders. This has led to exciting advances in medicine. Doctors now use microRNA profiles to help diagnose certain cancers, as different tumours have unique "microRNA signatures." Researchers are also exploring therapies that target microRNAs to fix faulty gene regulation and treat diseases more effectively. A Game-Changing Contribution to Medicine Ambros and Ruvkun's discovery of microRNAs has fundamentally changed molecular biology and medicine. By revealing a previously unknown layer of genetic regulation, their work has not only advanced our understanding of life's complexity but has also provided powerful tools for diagnosing and treating diseases. The awarding of the Nobel Prize in Medicine to Ambros and Ruvkun in 2024 highlights the importance of basic scientific research. It reminds us that even the smallest discoveries-like microRNAs-can revolutionize entire fields and lead to transformative medical breakthroughs.

As we continue to unravel the mysteries of our genes, the ground-breaking work of Victor Ambros and Gary Ruvkun serves as a beacon of scientific innovation. Their



discovery of microRNAs has not only deepened our understanding of genetic regulation but also opened new frontiers in medicine. With the potential to transform the diagnosis and treatment of genetic diseases, the impact of their work will continue to shape the future of medical research for years to come ♦

অনুভৰ



আবৃত্তি সম্পর্কে অনুভৱৰ একলম

চয়নিকা বুঢ়াগোহাঁই

ভালপাওঁ মাতৃভাষা, ভালপাওঁ সাহিত্য। তাত্ত্বিক কথাৰে উদ্ভাসিত হৈ প্ৰবন্ধ লিখাৰ ধৃষ্টতা মোৰ নাই যদিও অনুভৱৰ চাকনৈয়াত উটি ভাঁহি অনুভৱৰ বুলনিৰ তিতা-মিঠা কথাবোৰ উকা কাগজখনত লিখনিৰ ৰূপ দি খুবেই ভালপাওঁ। সঁচাকৈয়ে ভালপাওঁ মাতৃভাষা, ভালপাওঁ সাহিত্য। শৰতৰ শেৱালিৰে সুবাসিত হৈ লগতে আমাৰ মৰমৰ গাঁওখনৰ সেউজ-সোণোৱালী কাতি মাহৰ পথাৰখনৰ কথাও ৰোমন্থন কৰি এক নষ্টালজিক ভাৱেৰে নীলা চিয়াঁহীৰে কাঁনে ছাত্ৰী নিৱাসত এটা নিৰ্জন দুপৰীয়াত লিখি আছো নিজৰ আপোন মাতৃভাষাৰে হৃদয়ে কোৱা কথাবোৰ।

যিহেতু, বিশিষ্ট সাহিত্যিক ককা নীলমণি ফুকনে এষাৰ কথা কৈছিল যে— "জীৱনক সত্য, সুন্দৰ আৰু মংগলময় কৰাই মানৱ আত্মাৰ চৰম উদ্দেশ্য।" এই ক্ষেত্ৰত আবৃত্তি একপ্ৰকাৰৰ উৎকৃষ্ট কলা, যি কলাক শ্ৰদ্ধাৰে সাধনা কৰিলে আমাৰ জীৱনটো সত্য, সুন্দৰ আৰু মংগলময় হোৱাৰ অৱকাশ ঘটে। সকলোৱে অৱগত যে আবৃত্তি এক কণ্ঠকলা। অভিধানিক অৰ্থ অনুসৰি মনত ৰাখিবৰ বাবে বাৰে বাৰে পঢ়া, মুখস্থ আৰু ভাৱ ব্যঞ্জক পাঠেই হৈছে আবৃত্তি। অতীজৰে পৰা কবিতা আবৃত্তিৰ ধাৰা অতি সুন্দৰ। ঋষি মুনি সকলৰ যুগৰে পৰা আমাৰ সমাজত আবৃত্তিয়ে এক সুকীয়া ঠাই অধিকাৰ কৰি আছে। যদিও কিছুসংখ্যকৰ বাবে এই কবিতা আবৃত্তি বিষয়টো সাধাৰণ বুলি বিবেচিত হ'য় কিন্তু এই বিষয়টো বাস্তৱত এটা অতি অসাধাৰণ বিষয় আৰু অতি গুৰুত্বপূৰ্ণ। আবৃত্তিৰ এগৰাকী শিক্ষাৰ্থী হোৱা হেতুকে লাহে লাহে এই বিষয়টিৰ গভীৰতা অনুভৱ কৰিছোঁ বাবেই এই সন্দৰ্ভত মনৰ অনুভৱখিনি প্ৰকাশ কৰিছোঁ। বিশিষ্ট সাহিত্যিক জন ষ্টুৱার্ট মিলে এষাৰ কথা কৈছিল—"ব্যক্তিগত অভিজ্ঞতা অবিহনে মানুহে বহুতো প্ৰকৃত সত্যৰ সম্পূৰ্ণ অৰ্থ কেতিয়াও হৃদয়ংগম কৰিব নোৱাৰে।" সেয়েহে আবৃত্তিৰ বিশাল সাগৰ সম্পৰ্কে ব্যক্তিগত অভিজ্ঞতা বুটলিবলৈ লাহে লাহে সক্ষম হৈ অনুভৱখিনি লিখিবলৈ চেষ্টাৰে ধাৰমান হৈছো।

আবৃত্তি তথ্যগত বিদ্যা হোৱাৰ লগতে সংগীত-নাটক আদিৰ দৰে আবৃত্তিও পৰিৱেশ্য কলা। আবৃত্তি এক কণ্ঠকলা, বাক্‌শিল্প, বাক বিজ্ঞান। আবৃত্তিয়ে আমাৰ ব্যৱহাৰিক জীৱনত যথেষ্ট পৰিমাণে উপকাৰ সাধন কৰে। প্ৰথমতে, আমাৰ ভাষা শিক্ষণৰ ক্ষেত্ৰত ই বিশেষ ভূমিকা গ্ৰহণ কৰে। অন্যান্য ভাষাৰ লগতে মাতৃভাষাৰ শুদ্ধ উচ্চাৰণ সম্পৰ্কে শিশু অৱস্থাৰ পৰাই এজন ব্যক্তিক আবৃত্তিয়ে অৱগত কৰাই দিয়ে। দ্বিতীয়তে আবৃত্তিয়ে ভাষা প্ৰীতি জগাই তোলাৰ লগতে সৃজনীশীলতা কল্পনা শক্তি বঢ়াই তোলে। তৃতীয়তে, সূত্ৰধাৰ ৰূপে কোনোখন সভা পৰিচালনা কৰাৰ ক্ষেত্ৰতো আবৃত্তিয়ে সহায় কৰে। ইয়া উপৰিও আৰু বিভিন্ন ক্ষেত্ৰত আবৃত্তিয়ে উপকাৰ সাধন কৰে। আবৃত্তি কেৱল আবৃত্তিৰ বাবে নহয়, ই জীৱনৰ বাবে শিকিবলগা কলা। ই এজন ব্যক্তিৰ শিল্পীসত্তাৰ উত্তৰণ ঘটাই এজন শিল্পীৰূপে আত্মপ্ৰতিষ্ঠ হোৱাত মুখ্য ভূমিকা ল'ব পাৰে। মহাপুৰুষজনাৰ অসাধাৰণ পাণ্ডিত্যৰ বাবেহে গুণমালা ৰচনা সম্ভৱ হৈছে। আবৃত্তিৰ গুৰুত্বতা সম্পৰ্কে পাঠক সমাজক অৱগত কৰাবলৈহে মনৰ অনুভৱখিনিৰে সামান্য প্ৰয়াস কৰিলো। অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰিলো।

আশাকৰো, উদ্ভিদে যেনেকৈ বীজৰ পৰা অংকুৰিত হৈ পত্ৰে-পুষ্পে বিকশিত হয়, সূর্য্য যেনেকৈ উদয় মাধ্যাকাশত প্ৰকাশ হয় ঠিক সেইদৰে আমিও মাতৃভাষাৰ প্ৰেমেৰে উদ্বুদ্ধ হৈ অন্যান্য ভাষাসমূহকো সন্মান কৰি নিজ জাতিলৈ গৌৰৱ কঢ়িয়াই জাতিটোৰ লগতে আমাৰ সমাজ জীৱনকো উপকৃত কৰিব পাৰিম। শেষত পুনৰ ক'ম ভালপাওঁ মাতৃভাষা, ভালপাওঁ সাহিত্য। ♦

অনুভৱ

মোৰ সহজ-সৰল ভাষাৰে

কৰীণা বৰুৱা


মানৱৰ জন্ম সার্থক হৈছেনে? হয়তো হৈছে, কোনো সাহিত্যিকৰ মতে। মোৰ বোধেৰে কিন্তু নহয়। মানৱ জীৱন অভিপ্রায়ী। এই বিশ্বৰ সকলো মানুহেই নিজৰ ইচ্ছা অভিপ্রায়ক লৈহে আগুৱাই যাব পাৰে। আগুৱাই যাব খোজা মনটোক আগবাঢ়ি যাবলৈ দিয়াটো যিমানেই সহজ, তাতোকৈ বেছি কঠিন আমাৰ মনটোক সৎপথেৰে আগবঢ়াই লৈ যোৱাটো। এই বিশাল চিন্তাশীল জগতত মানুহবিলাক আগুৱাই গৈছে আৰু আগুৱাই যাব। কিন্তু, কিঞ্চিত কিঞ্চিত যে আমি ক'ৰবাত সঠিক ফলাফল পাব পৰা নাই সেইয়া নিশ্চিত। আগবাঢ়ি যাব খোজা মনটোক বুজি উঠাটো যিমানেই গুৰুত্বপূর্ণ নহওঁক কিয়? আমি নিজ মানসিকতাৰ সহায়েৰে নিজ মনটোৰ লগতে সমাজখনকো বুজি উঠাটো আমাৰ দায়িত্ব। আমাৰ সমাজখনৰ পৰা অঞ্চলটোলৈ, অঞ্চলটোৰ পৰা জিলাখনলৈ, জিলাখনৰ পৰা ৰাজ্যখনলৈ, ৰাজ্যখনৰ পৰা দেশখনলৈ সকলোবিলাক সামাজিক তথা মানৱীয় আচৰণৰ মূল্যাংকন কৰি ৰাষ্ট্রৰ উন্নতি তথা অগ্রগতিৰ ফলাফল পৃথিৱীখনিলৈনো কেনেকৈ বিয়পাব পাৰি তাক আমি মানৱ জাতিটোৱে যৎপৰোনাস্তি চেষ্টা কৰিব লাগে। কেৱল চেষ্টা কৰাই নাই আমি সংগ্রাম কৰিবও লাগিব নিজৰ সমাজ আৰু দেশৰ হকে। আমি হ'লো মানৱৰূপী জীৱ। আমাৰ মন আছে, মগজু আৰু জ্ঞান আছে। আমি তাক সহৃদয়তাৰে হৃদয়ংগম কৰি এক সঞ্জীৱনী বিশাল আৰু উদাৰ সমাজ গঢ় দিয়াৰ পথত অগ্রণী ভূমিকা ল'ব লাগিব লগতে এই ক্ষেত্রত কৰিবলগীয়া কৰণীয়বিলাকৰ ভাৰ কান্ধত লৈ আগবাঢ়ি যাব লাগে।

কবিয়ে লিখিছে—

আহিছে মানুহ গইছে মানুহ
মানুহ ময়াপী জীৱ
মানুহৰ সোঁতৰ অন্ত নাইকিয়া
বুলিলে মৰত কিয়?

এই কবিতাশাৰীতেই স্পষ্টৰূপত মানৱ জীৱনৰ যাযাময় দুটি পর্য্যায় বর্ণিত বা পৰিস্ফূত হৈছে। কবিয়ে অনাবিল সুৰত স্বৰৰ ধ্বনি বুজাব বিচাৰিছে যে এই বিশাল পৃথিৱীলৈ মানুহৰ সোঁত জলপ্রপাতৰ দৰে বৈছে আৰু সেই জলপ্রপাতৰ পানীয়ে বাষ্পীভৱন প্রক্রিয়াৰে নীল আকাশৰ শুকুলা ডাৱৰ পৃষ্ঠাত মিলি যোৱাৰ দৰে এই মানৱ জাতিটোও এদিন ধৰাৰ বুকুতেই লীন হৈ যাব। জন্ম আৰু মৃত্যুৰ এই মাজৰ সময়ছোৱাৰ দোমোজাত মানুহে নিজ কর্মৰ মাজেৰে এই পৃথিৱীৰ বুকুত সাঁচ বহুৱাই থৈ যাবলৈ যত্ন কৰিব লাগে। ধর্ম, অর্থ, কর্ম আৰু মোক্ষ এইবিলাকৰ গুৰুত্ব মানৱজাতিয়ে উপলব্ধি কৰিব লাগে। মানুহৰ কৰণীয় বহু থাকে। আকৌ সেই কৰণীয়ৰ আকৌ ধনাত্মক আৰু ঋণাত্মক দিশও আছে। কিন্তু মানৱৰূপী জীৱই নিজ মন মগজুৰ চিন্তা ধাৰাৰে ভাল-বেয়া বিবেচনা কৰি আগবাঢ়ি যোৱাটো উত্তম বিচাৰ বুলি ভৰা হৈছে। কিন্তু আচৰিত কথা এইয়ে যে, আমি সমাজৰ দুৰাৰোগ্য স্বৰূপ চিন্তাধাৰাক স্থান দি আছো। এই ধৰাৰ বুকুৰেই এচাম মানুহে সমাজৰ বাবে অতুলনীয় আৱদান, অমূল্যৱান কর্মৰাজী আগবঢ়াই সমাজৰ লগতে আৰু নিজৰ জীৱনও উদ্ভাসিত কৰে। কিন্তু আন এচাম মানুহে আকৌ কেনেকৈ উপলুঙা কৰি সেই মানুহচামৰ চিন্তাধাৰাত নৎসাত কৰিব পাৰি সেই দিশৰ ফালেই অগ্রসৰ। এনেবিলাক চিন্তাধাৰাৰ বাবেই আজি মানৱজাতি কোঙা হৈ পৰিছে। এনেদৰে যদি মানুহৰ চিন্তাধাৰাৰ বিলাকৰ শুধৰণিৰ বাবে কোনো উচিত পদক্ষেপ লোৱা নহয় তেতিয়াহ'লে আমাৰ জননীৰ বুকুয়েদি ৰক্তৰ শিখা জ্বলি মানুহৰ জীয়াই থকাটো নিৰর্থক হৈ থাকিব।

বর্তমান সমাজ তথা দেশত যুদ্ধ, হিংসা, বিদ্রোহ, ধর্ষণ, সন্ত্রাসবাদ আদি এনেধৰণৰ ঋণাত্মক কার্যপন্থাৰ প্রতি দ্রুততম গতিত বাঢ়ি অহা আমি দেখিবলৈ পাইছো। দৈনন্দিন জীৱনত ৰাজনৈতিক চিন্তাধাৰা যিমান খৰতকীয়াকৈ বাঢ়িবলৈ ধৰিছে তাতোকৈ বেছি সেই ৰাজনীতিৰ ক্ষেত্রখনত এক শ্রেণীৰ



লোকৰ মনত জাগৃত হৈছে কূটনৈতিক চিন্তাধাৰাৰ। এইবিলাকৰ বিনাশ কৰিবলৈ মানৱ জাতিয়ে পদক্ষেপ গ্রহণ কৰিব লাগিব। এইয়ে আমি সমাজ আৰু দেশত দেখি থকা অপকর্মবিলাক, এইবিলাক আঁতৰ কৰিলেহে এখন সুস্থ সবল সমাজ আমি ঘূৰাই পাব পাৰিম। এইয়া আৰম্ভ হ'ব আমাৰ সমাজৰ ক্ষুদ্রতম গোট পৰিয়ালৰ পৰা। এখন সুন্দৰ পৃথিৱী আমাৰ ধৰাখনিৰ গৌৰৱ। এখন সুন্দৰ সমাজ এটা সুন্দৰ জাতিৰ পৰিচয়। এটা সুন্দৰ জাতি এটা সুন্দৰ ভাষাৰ পৰিচয়। এটা সুন্দৰ ভাষা এখন সুন্দৰ ৰাষ্ট্রৰ পৰিচয়। সুন্দৰ অর্থাৎ ইয়াত বাহ্যিক সৌন্দর্য্যতাক যে অকল আমি স্থান দিছো, তেনে নহয়। এই সৌন্দর্য্যতাৰ ক্ষেত্রত বাহ্যিক আৰু আভ্যন্তৰীণ সৌন্দর্য্যতা উভয়কে সমানেই স্থান দি সামাজিক উৎকর্ষৰ কথা ভাবি এই কথা মই অৱতাৰণা কৰিছো। এই ক্ষেত্রত সৌন্দর্য্যতাৰ অর্থাৎ ধুনীয়া তাৰ সংজ্ঞানো কি? আমি জানিব লাগিব। প্রকৃততে যিয়ে আমাৰ মনত আনন্দ দিয়ে সেইয়াই ধুনীয়া / সুন্দৰ। প্রকৃতিয়ে আমাক আনন্দ দিয়ে, শান্তি দিয়ে, জীৱনৰ মৌলিক প্রয়োজনীয় সকলো বস্তু দিয়ে। অর্থাৎ আমি ক'ব পাৰো যে প্রকৃতি আমাৰ সৌন্দর্য্যতা। আনহাতে আকৌ পিতৃ-মাতৃ আমাৰ বাবে চিৰসুন্দৰ। কিয়নো আমাৰ জীৱনৰ জন্মদাতা তেওঁলোক আৰু তেওঁলোকৰ বাবে আমাৰ সুখ-আনন্দই সৌন্দর্য্য। গতিকে সৌন্দর্য্যতাৰ অন্য এক নাম পিতৃ-মাতৃ।

এইখন ধৰণী ধুনীয়া দেশ
মিলনৰ মধুৰ প্রদেশ
প্রীতিময় জ্যোতিৰ সেউজী ভূমি
সমন্বয়ৰ নাই শেষ।

কবিয়ে ক'ৰৰ দৰে আমাৰ বৰেণ্যময়ী দেশভূমি ভাৰতবর্ষ এনেকুৱা এখন দেশ, য'ত সমন্বয়ৰ অন্ত নাই। ভাৰতবর্ষক পৃথিৱীৰ সর্বোচ্চ গণতান্ত্রিক, লোকতান্ত্রিক, সমাজতান্ত্রিক, গণৰাজ্য, ধর্ম নিৰপেক্ষ দেশ হিচাবে সংবিধানিকভাৱে ঘোষণা কৰা হৈছে। তদুপৰি এই দেশত জাতি-ধর্ম-বর্ণ-লিংগ-ভাষা নির্বিশেষে আমি অতীতৰে পৰা বসবাস কৰি আহিছো। কিন্তু এই পৰিচয় কেৱল পৰিচয়ে নহয়, এখন শ্রেষ্ঠ নাগৰিতত্বৰ দেশ হিচাপে আমি ভাৰতবর্ষক গঢ় দিব লাগিব। তেতিয়াহে এই দেশৰ নাগৰিকৰ জীৱন সার্থক হৈ ৰ'ব। যিদৰে আমি কোনো পদৰ নাইবা মর্যাদাৰ দায়িত্ব গ্রহণ কৰিলে সেই দায়িত্বৰ বান্ধোনত থকা আটাইখিনি কর্তব্যকে পালন কৰিব লাগে। ঠিক সেইদৰে, এই বিশাল বিশ্বত মানৱজাতি ৰূপে আমি জন্ম গ্রহণ কৰিবলৈ পোৱাটো আমাৰ বাবে এক অনাবিল প্রাপ্তি। সেয়েহে আমি আমাৰ নিজ জাতি, সমাজ তথা দেশৰ প্রতি থকা দায়িত্ব আৰু কর্তব্য পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব।

আমি আমাৰ মাতৃভূমিক লৈ বহুতে বহু গীত, কবিতা, ৰচনা, প্রবন্ধ ইত্যাদি ৰচি আহিছে কিন্তু সেই গীত, কবিতা, ৰচনা আদিবোৰ অর্থহীন হৈ ৰ'ব যদিহে আমি আমাৰ কর্তব্যবিলাক পালন নকৰাকৈ হাত সাৰটি বহি থাকো আৰু কর্তব্যবিলাক পালন নকৰো। কেৱল লিখনিৰে নহয়, বাস্তৱিকতে আমি তাক সমাজত প্রতিফলিত কৰিব লাগিব।♦

জীৱনবৃত্ত



Ratan Tata
The Quiet Power of Compassion and Integrity

Ananya Dutta

"I don't believe in taking right decisions. I take decisions and then make them right."


Ratan Tata is a name synonymous to philanthropic deeds and industrial successes, but the man behind these achievements holds stories that rarely see the light of day. Beyond the billion-dollar contributions and innovative enterprises lies an individual whose life is a tapestry of unspoken sacrifices, bold visions, and values that redefine leadership in a world often driven by profit over purpose.

The weight of expectations was immense when Ratan Tata inherited the Tata empire. In this transfer of responsibility, the shadow of giants like J.R.D. Tata loomed large, he faced immense scepticism from his peers and colleagues, many of whom doubted his ability to lead. Despite this, Ratan Tata never let resentment dictate his actions. His transformative leadership silenced critics, proving that dignity in the face of doubt is a hallmark of true strength.

Ratan Tata displayed vision in isolation, often bringing bold ideas to life against all odds. Trailblazing ideas often face resistance, and Ratan Tata's were no exception. The Tata Nano, affordable hotels, and global collaborations were met with scepticism, even from within his organization. But he stood firm, risking his reputation to bring these ideas to life. His unwavering belief in possibilities unseen by others speaks to the quiet courage of a visionary who walks alone yet never falters.

The silent struggles of integrity marked his journey, as Ratan Tata's refusal to compromise his principles came at a cost. His insistence on ethical practices, particularly in dealings with international partners, often delayed opportunities or led to losses. For instance, when expanding globally into steel and automotive markets, he refused to engage in corrupt practices that could have accelerated deals. His steadfast commitment sometimes led to delays and losses, but it solidified partnerships based on trust, proving that principles can outweigh profit in the long run.

Leading with empathy was one of his defining traits, especially when it came to



mental health. Long before mental health became a global conversation, Ratan Tata championed its cause. Through Tata Trusts, he supported initiatives that broke stigmas, offered counselling, and created awareness in underserved communities. His empathy for struggles often dismissed by society, highlights a leadership style rooted in humanity.

By redefining leadership through empathy, in an increasingly transactional world, Ratan Tata demonstrated that empathy is not a weakness but a strength. He has shown that businesses can be built not just on profits but on principles, and that success is hollow if it doesn't uplift the lives of others.

His compassion transcended boundaries, often revealed by others rather than himself. For example, he personally wrote to a grieving family who lost a loved one in the 26/11 Mumbai attacks, offering not just financial help but heartfelt words of comfort. Similarly, he has visited rural areas incognito to understand their struggles firsthand, ensuring that his initiatives address real issues rather than corporate optics.

As an unseen mentor, Ratan Tata's role extended beyond his business achievements. Beyond his well-known initiatives, he has personally supported countless entrepreneurs and innovators, not just financially but emotionally. Startups like Ola and Zivame owe much of their success to his quiet guidance. Yet, Ratan Tata rarely takes credit for these successes. True to his nature, he chose to uplift others quietly, letting their success take the spotlight.

Talking about his lifestyle, Ratan Tata was a minimalist in a lavish world. In an age where success is flaunted through extravagance, Ratan Tata's lifestyle was a breath of fresh air. From living in a simple home to personally driving a Tata Nexon EV, he embodied simplicity despite overseeing a billion-dollar empire. His life reminds us that wealth isn't about how much one possesses but how much one gives.

The essence of Ratan Tata's life story is a legacy of quiet lessons. His story is not just one of achievements but of values—of humility in triumph, perseverance in adversity, and service without spectacle. His life teaches us that greatness is not about being celebrated but about making others feel valued and seen.

Ratan Tata's life teaches us that true greatness is not in towering over others but in lifting them up. In a world hungry for recognition, his humility shines as a beacon of quiet leadership. As we celebrate Ratan Tata, let us not just admire his achievements, but also recognize the quiet battles, the unseen sacrifices, and the unspoken lessons he offers to humanity. For in those, perhaps, lies his greatest gift to the world. ♦

জীৱনবৃত্ত



হোমেন বৰগোহাঞিৰ জীৱন আৰু কর্ম ঃ এক আলোকপাত

ধ্রুপ বৰা

মানুহৰ জীৱনটো হৈছে এক বিচিত্র অভিজ্ঞতাৰ ভঁৰাল। ঠিক তেনে এজন জীৱন্ত পুথিভঁৰালস্বৰূপ ব্যক্তি হোমেন বৰগোহাঞি, অসমৰ জাতীয় জীৱনৰ এজন অতি গুৰুত্বপূর্ণ ব্যক্তি হোমেন বৰগোহাঞিৰ জীৱন অভিজ্ঞতাৰ প্রতি প্রতিজন ব্যক্তিয়ে এক উৎসুকতা প্রকাশ কৰাটো স্বাভাৰিক।


অসমীয়া জাতি তথা জাতীয় জন-জীৱনৰ অভিভাৰক তথা পথ প্রদর্শকৰ ভূমিকা পালন কৰা এজন ব্যক্তি হ'ল হোমেন বৰগোহাঞি। সৃষ্টিশীল আৰু সমৃদ্ধিশালী ৰচনা সম্ভাৰেৰে জাতীয় সাহিত্যক বিশ্বৰ আগত সফলতাৰে দাঙি ধৰা তথা কলমৰ জৰিয়তে এখন সু-শৃংখলিত সমাজ নির্মাণ কৰাৰ উদ্দেশ্যেৰে বিভিন্ন জনপ্রিয় উচ্চ মানদণ্ডৰ আলোচনী সম্পাদনাৰ জৰিয়তে সমগ্র অসমতে ধনাত্মক তথা ইতিবাচক বৌদ্ধিক চিন্তাৰ বিকাশ সাধন কৰাৰ ক্ষেত্রত হোমেন বৰগোহাঞিৰ ভূমিকা আছিল অপৰিসীম। অসমৰ সাহিত্য-সংস্কৃতি, সংবাদ আদি জগতলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়াই থৈ যোৱা হোমেন বৰগোহাঞি আছিল একাধাৰে সাহিত্যিক, শিক্ষাবিদ, বুদ্ধিজীৱী, সাংবাদিক আৰু লগতে এজন একনিষ্ঠ সমাজ সেৱক।

১৯৩২ চনৰ ৭ ডিচেম্বৰ তাৰিখে অবিভক্ত লখিমপুৰ জিলাৰ ঢকুৰাখনাৰ চাৰিকড়িয়া নৈৰ কাষৰীয়া বালিগাঁৱৰ এটা গাঁৱলীয়া চহকী খেতিয়ক (আহোম) পৰিয়ালত জন্ম হৈছিল। হোমেন বৰগোহাঞিৰ। তেওঁৰ পিতৃৰ নাম আছিল ইন্দ্রধৰ বৰগোহাঞি আৰু মাতৃৰ নাম আছিল আইতা বৰগোহাঞি। এই চাৰিকড়িয়া নৈখনৰ ইতিবৃত্ত আৰু তেখেতৰ লগত ইয়াৰ সম্পর্ক তেখেতৰ বিভিন্ন লেখাত বর্ণনা কৰিছে।

বৰগোহাঞিৰ জন্মৰ তাৰিখটো ক লৈও এক মতানৈক্য দেখা যায়, কোনো কোনোৱে তেওঁৰ জন্মৰ তাৰিখটো ২১ ডিচেম্বৰ বুলি ক'ব খোজে আৰু আন একাংশয়ে ৭ ডিচেম্বৰ বুলি কয়। বৰগোহাঞিৰ তেওঁৰ 'সুখ-দুখ' শীর্ষক গ্রন্থখনত এইদৰে লিখিছে 'মই মোৰ নিজৰ জন্মদিন মনত পেলাবলৈ কেতিয়াও চেষ্টা নকৰোঁ। সঁচা কথা ক'বলৈ গ'লে মই নিজৰ জন্মৰ তাৰিখ নাজানোৱেই। নামজুলা জ্যোতিষীয়ে কৰা মোৰ দুখন কোষ্ঠী বা সোঁৱৰণি আছিল। দুয়োখনকে মই বহুত বছৰৰ আগতে নিজে ইচ্ছা কৰিয়েই নষ্ট কৰি পেলাইছোঁ। মোৰ জন্ম তাৰিখ বুলি যি দুটা চন-তাৰিখ প্রচলিত আছে দুয়োটাই কাল্পনিক। অৱশ্যে ২০১২ চনত ডিব্রুগড়ত তেওঁৰ গুণমুগ্ধৰ উদ্যোগত ৭ ডিচেম্বৰ দিনটোক প্রজ্ঞাৰ দিন হিচাপে পালন কৰা হৈছিল। ঢকুৰাখনাত নৱগঠিত হোমেন বৰগোহাঞিৰ ন্যাসেও এই দিনটোকে বৰগোহাঞিৰ জন্মদিন হিচাপে উদ্যাপন কৰি আহিছে।

হোমেন বৰগোহাঞিদেৰে এটা বিদ্যানুৰাগী আৰু গ্রন্থানুৰাগী পৰিয়ালত জন্মলাভ কৰিছিল। তেখেতৰ পৰিয়ালৰ সকলো আছিল অধ্যয়নপিপাসু। ইয়ে তেখেতৰ শিক্ষা জীৱনত আৰু সমগ্র জীৱনত প্রভাৱ বিস্তাৰ কৰিছিল। প্রাথমিক আৰু মজলীয়া পর্যায়ৰ শিক্ষা তেওঁ ঢকুৰাখনাতে গ্রহণ কৰাৰ পিছত ডিব্রুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ পৰা ১৯৫০ চনত মেট্রিক পাছ কৰি কটন কলেজত ভর্তি হয় আৰু ১৯৫২ চনত কটন কলেজৰপৰা আই.এছ.ছি. পৰীক্ষাত উর্ত্তীণ হয়। ১৯৫৪ চনত ইংৰাজী বিষয়ত অনার্ছসহ স্নাতক ডিগ্রী লাভ কৰিছিল।

বৰগোহাঞিয়ে তেওঁৰ আত্মজীৱনীত নিজৰ ইচ্ছাৰ বিৰুদ্ধে বিজ্ঞানৰ শ্রেণীত ভর্তি হোৱা বুলি উল্লেখ কৰিছে। তেওঁ কৈছে, "নিজৰ ইচ্ছাৰ বিৰুদ্ধে মই বিজ্ঞানৰ শ্রেণীত



ভর্তি হৈছিলোঁ। তাৰো কাৰণ আছিল একেটাই-জেদ।" তাৰ পৰৱর্তী সময়চোৱাত হে তেওঁ কলা শাখাত নামভর্তি কৰে। ইয়াৰ উল্লেখ তেওঁৰ আত্মজীৱনী 'আত্মানুসন্ধান'ত কৈছে, "আৰ্টছলৈ আহি ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি অহাৰ নিচিনা বিৰাট স্বস্তি অনুভৱ কৰিলোঁ।" স্নাতক পৰীক্ষাত উত্তীর্ণ হোৱাৰ পাছতেই তেওঁৰ শিক্ষা জীৱনৰ ওৰ পৰে।

স্নাতক উত্তীর্ণ হোৱাৰ পাছতেই হোমেন বৰগোহাঞিয়ে ঢকুৰাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে আৰু শিক্ষকতাৰ বৃত্তিক আপোন কৰি লয়। ইয়াৰ কিছুদিন শিক্ষকতা কৰাৰ পাছত তেওঁ ১৯৫৫ চনত প্রশাসনিক সেৱাৰ পৰীক্ষাত অৱতীর্ণ হয় আৰু মাজুলীত উপ-প্রতি সমাহর্তা হিচাপে কর্মজীৱন আৰম্ভ কৰে।

তেখেতে ১৯৫৫ চনৰ পৰা ১৯৬৮ চনলৈ অসমৰ বিভিন্ন প্রান্তত উপ-প্রতি বিষয়া, পৰিকল্পনা বিষয়া আদিৰ দায়িত্বত নিয়োজিত হৈ আছিল। ১৯৬৮ চনত যোৰহাটৰ পৰিকল্পনা বিষয়াৰ দায়িত্বত থাকোঁতেই চৰকাৰী চাকৰি পৰিত্যাগ কৰে আৰু 'সাপ্তাহিক নীলাচল' কাকতত সম্পাদক হিচাপে সাংবাদিকতাৰ দায়িত্বত গ্রহণ কৰে।

বৰগোহাঞিয়ে সাংবাদিক জীৱনৰ পাতনি মেলিছিল মালিগাঁৱৰপৰা প্রকাশিত দেৱেন্দ্রনাথ শর্মাৰ দ্বাৰা প্রকাশিত অসমীয়া কাকত 'দৈনিক শান্তিদূত'ৰ জৰিয়তে। তেওঁ এই কাকতখনত ৪৫ দিন কাম কৰিছিল। এই কথা তেওঁ 'মোৰ সাংবাদিক জীৱন' (প্রথম খণ্ড) গ্রন্থত উল্লেখ কৰি গৈছে। ১৯৬০ চনৰ ১ নৱেম্বৰৰ পৰা চন্দ্রপ্রসাদ শইকীয়াৰ সম্পাদিত 'অসম বাতৰি' কাকতত প্রবন্ধ লিখিবলৈ আৰম্ভ কৰে। ১৯৬৮ চনত চৰকাৰী চাকৰিৰপৰা ইস্তাফা দি 'সাপ্তাহিক নীলাচল' নামে এখন সাপ্তাহিক কাকত আৰম্ভ কৰে আৰু কাকতখনৰ সম্পাদকৰ দায়িত্ব লয়। ১৯৭৭ চনলৈকে নীলাচলৰ সম্পাদকৰ দায়িত্ব লোৱাৰ লগতে একেটা বর্ষতে 'সাপ্তাহিক নাগৰিক' নামৰ কাকতখনৰ প্রতিষ্ঠাপক সম্পাদক হিচাপে দায়িত্ব গ্রহণ কৰে পৰৱর্তী ১৯৮০ চনত হোমেন বৰগোহাঞিয়ে 'লোকায়ত' নামৰ এখন কাকতৰ সম্পাদনাৰ দায়িত্ব গ্রহণ কৰে। ইয়াৰ পৰৱর্তী সময়ত তেওঁ ১৯৮১ চনত কলিকতাৰ পৰা প্রকাশিত 'আজকাল' নামৰ এখন দৈনিক বাংলা বাতৰিকাকতত উত্তৰ পূর্বাঞ্চলৰ বিশেষ প্রতিনিধি হিচাপে নিযুক্তি লাভ কৰে। ইয়াৰ পিছত হোমেন বৰগোহাঁঞিয়ে একেধাৰে তিনিখন আলোচনীৰ প্রতিষ্ঠাপক সম্পাদক হিচাপে দায়িত্বভাৰ গ্রহণ কৰে। ইয়াৰ পাছতে তেওঁ ১৯৮৭ চনত 'সমকাল' আৰু ১৯৮৯ চনত 'সূত্রধাৰ' আলোচনীৰ প্রতিষ্ঠাপক সম্পাদক ৰূপে কার্যনির্বাহ কৰে আৰু ১৯৯১ চনত কিশোৰ-কিশোৰীৰ বাবে প্রকাশিত 'কিশোৰ' আলোচনীৰ প্রতিষ্ঠাপক সম্পাদকৰ দায়িত্ব লয়। ইয়াৰ পৰৱর্তী সময়ত তেখেতে ১৯৯৩ চনত 'অসম বাণী'ৰ সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। ১৯৯৭ চনত অসম বাণীৰ সম্পাদক পদৰ পৰা পদত্যাগ কৰি 'আমাৰ অসম' নামৰ দৈনিক কাকতৰ প্রতিষ্ঠাপক সম্পাদক হিচাপে দায়িত্বভাৰ গ্রহণ কৰে। ২০০৪ চনত 'আমাৰ অসমৰ কাকত'ৰ সম্পাদকৰ দায়িত্ব পৰা পদত্যাগ কৰি 'দৈনিক বাতৰি' নামৰ অসমীয়া দৈনিক কাকত খনৰ প্রতিষ্ঠাপক মুখ্য সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। ২০০৫ চনত দৈনিক বাতৰি কাকত খনৰ পৰা পদত্যাগ কৰি কিছুদিনৰ বাবে পযেকীয়া চিন্তামূলক সাহিত্যধর্মী আলোচনী 'সাতসৰী'ৰ প্রতিষ্ঠাপক সম্পাদকৰ দায়িত্ব বহন কৰে আৰু ইয়াৰ পিছত ২০০৬ চনত হোমেন বৰগোহাঁঞিয়ে পুনৰ 'আমাৰ অসম' কাকতৰ মুখ্য সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। হোমেন বৰগোহাঁঞিয়ে 'নিয়মীয়া বার্তা' কাকতৰ মুখ্য সম্পাদক পদত ২০১৫ চনত অধিষ্ঠিত হৈ মৃত্যুলৈকে এইখন কাকতৰ মুখ্য সম্পাদকৰূপে কার্যনির্বাহ কৰিছিল। ইয়াৰ উপৰিও তেখেতে চেটেলাইট চেনেল 'নিউজ লাইভ'ৰ পূর্বতে সম্প্রচাৰ হোৱা শীর্ষক 'মুখামুখি' অনুষ্ঠানতো গুৰি ধৰাৰ লগতে মৃত্যুৰ আগলৈকে নিউজ লাইভৰ 'কথা—বার্তা' অনুষ্ঠানটোৰ আঁত ধৰোতা তথা মুখ্য আকর্ষণ

আছিল।

হোমেন বৰগোহাঞিদেৱে প্ৰাথমিক বিদ্যালয়ত পঢ়াৰ সময়তেই প্ৰায় সাত বছৰ বয়সতে লিখিবলৈ আৰম্ভ কৰিছিল। প্ৰথমবাৰৰ বাবে হোমেন বৰগোহাঞিয়ে তেওঁৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ আদেশত এটা কবিতা লিখিছিল আৰু সেয়াই আছিল তেওঁৰ সাহিত্য জীৱনৰ আৰম্ভণি আৰু তাৰ পৰা মৃত্যুপৰ্যন্ত তেওঁৰ কলমৰ চিয়াঁহী অবিৰত সোঁতত বৈ থাকিল। আৰু তেতিয়াই হোমেন বৰগোহাঞি দেৱৰ মনত লেখক হোৱাৰ তীব্ৰ বাসনা জাগি উঠে। সৰুৰে পৰাই হোমেন বৰগোহাঞিৰ এটা অধ্যয়ন পিপাসু মন আছিল কিয়নো সেইসময়তে তেওঁলোকৰ ঘৰত বহুতো গ্ৰন্থ আছিল আৰু সৰুৰে পৰা তেওঁ সেই গ্ৰন্থসমূহৰ সংস্পৰ্শতে ডাঙৰ হৈছিল। আত্মজীৱনী ধুমুহা আৰু ৰামধেনু যদিও হোমেন বৰগোহাঞিয়ে লেখক জীৱন কবিতাৰ জৰিয়তে আৰম্ভ কৰা বুলি মন্তব্য কৰিছে। পঞ্চম-সপ্তম শ্ৰেণীত পঢ়ি থকাৰ কালতে মাধৱ বেজবৰুৱা সম্পাদিত বাঁহী আলোচনীত তেওঁৰ কবিতা প্ৰকাশ পাইছিল। বিদ্যালয়,মহাবিদ্যালয় সকলো পৰ্য্যায়তে হোমেন বৰগোহাঁঞিদেৱে সাহিত্য চৰ্চা কৰিছিল। ১৯৫৭ চনত হোমেন বৰগোহাঞিয়ে চাকৰি কৰি থকাৰ সময়তে তেওঁৰ জীৱনৰ প্ৰথম গল্পসংকলন 'বিভিন্ন কোৰাছ' প্ৰকাশ পায়।

তেখেতে উল্লেখ কৰিছে যে 'বিভিন্ন কোৰাছ' গল্পসংকলনৰ আঁৰতেই আছিল তেওঁৰ চাকৰি জীৱনৰ সমাপ্তি। ১৯৭০ চনত 'পিতা-পুত্ৰ' উপন্যাসখন লিখা আৰম্ভ কৰে আৰু এইখন সম্পূৰ্ণ কৰিবলৈ তেখেতক প্ৰায় পাঁচ বছৰ সময় লাগে।

অসমীয়া সাহিত্যত তেওঁ প্ৰায় শতাধিক গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। গ্ৰন্থ লিখা আৰু পঢ়া তেওঁৰ বাবে আছিল নিচা। তেওঁ প্ৰৱন্ধ সংকলন, উপন্যাস, কবিতা পুথি, গল্পপুথি আৰু লগতে আত্মজীৱনীও ৰচনা কৰি থৈ গৈছে।

উপন্যাস ঃ যেনে 'সুবালা' ১৯৬৩, 'তান্ত্ৰিক' ১৯৬৭, 'সাউদৰ পুতেকে নাও মেলি যায়' ১৯৮৭, 'হালধীয়া চৰায়ে বাওধান খায়' ১৯৭৩, 'পিতা-পুত্ৰ' ১৯৭৫, 'অস্তৰাগ' ১৯৮৬, 'নিঃসঙ্গতা' ২০০০, 'বিষণ্ণতা' ২০০২ ইত্যাদি।

গল্প ঃ যেনে 'বিভিন্ন নৰক' ১৯৫৭, 'স্বপ্ন, স্মৃতি আৰু বিষাদ' ১৯৬৭, 'প্ৰেম আৰু মৃত্যুৰ কাৰণে' ১৯৫৮, 'অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা', 'চম্পা', 'তীৰ্থ ফুকন' ইত্যাদি

কবিতা পুথি ঃ হৈমন্তী ১৯৮৭।

আলোচনী আৰু কাকত ঃ 'আমাৰ অসম', 'অসম বাণী', 'নীলাচল', 'সূত্ৰধাৰ', 'নাগৰিক', 'সাতসৰী', 'নিয়মীয়া বাৰ্তা' ইত্যাদি।

প্ৰবন্ধ সংকলন ঃ 'অসম্ভৱক সম্ভৱ কৰাৰ সাধনা' ২০২০, 'উচ্চাকাংক্ষা' ১৯৯৯, 'প্ৰজ্ঞাৰ সাধনা' ১৯৯৪, 'আমাক কিতাপ লাগে' ১৯৯৩, 'কিতাপ পঢ়াৰ আনন্দ' ১৯৯১, 'কাম কৰাৰ আনন্দ' ২০০৭, 'জীৱনৰ মধুৰতম সময়' ২০০৮, 'সুখ-দুখ' ১৯৯২, 'স্বাস্থ্য ৰক্ষাৰ সহজ নিয়ম' ২০০৮, 'আত্ম দীপো ভৱ' ১৯৯৬, 'অন্তহীন প্ৰেৰণা' ১৯৯৪, 'আনন্দ আৰু বেদনাৰ সন্ধানত' ২০০৮, 'বিপদৰ বন্ধু' ২০০৩ ইত্যাদি।

আত্মজীৱনীমূলক ঃ 'ধুমুহা আৰু ৰামধেনু', 'আত্মানুসন্ধান' ১৯৮৮, 'মোৰ সাংবাদিক জীৱন' ১৯৮৯, 'মোৰ হৃদয় এখন যুদ্ধক্ষেত্ৰ' ২০০৬, 'জীৱন সুন্দৰ আৰু ভয়ংকৰ' ২০১৩ ইত্যাদি।

অন্যান্য ঃ 'মোৰ যৌৱনৰ ৰামধেনু', 'গল্প আৰু কবিতা' ২০০৯, 'বিংশ শতাব্দীৰ সন্ধানত' সম্পা ঃ '১৯৯৪, 'কিশোৰ সাৰথি' (দহখন কিশোৰ গ্ৰন্থৰ একত্ৰ সংকলন) ২০১০ সম্পাদিত ইত্যাদি।

নাট্য সাহিত্যলৈ বৰঙণি আগবঢ়োৱা হোমেন বৰগোহাঞিয়ে ৰচনা কৰা একাংকিকা নাটক হ'ল 'ৰতনপুৰত গধুলি' আৰু 'নট বাই ব্ৰেড এলোন'। ইয়াৰ উপৰিও তেওঁ ৰচনা কৰা অনাতাঁৰ নাটক হ'ল— 'হঠাৎ গধূলি'। অসমীয়া সাহিত্যলৈ হোমেন বৰগোহাঞিয়ে আৰু বহুতো এনে ভিন্ন ভিন্ন অৱদান দি থৈ গৈছে।

উল্লেখযোগ্য যে ২০০১ চনত হোমেন বৰগোহাঞি অসম সাহিত্য সভাৰ সভাপতিৰূপে নিৰ্বাচিত হয় আৰু অসম সাহিত্য সভাৰ সভাপতি হিচাপে বৰগোহাঞিয়ে ২০০১ চনত ডিব্ৰুগড় অধিৱেশনত আৰু ২০০২ চনৰ কলগাছিয়া অধিৱেশনত সভাপতিৰ দায়িত্ব বহন কৰিছিল। সভাপতিৰ কাৰ্যকালতে হোমেন বৰগোহাঞিয়ে উদ্যোগ হাতত লৈ অসম সাহিত্য সভাৰ তৰফৰ পৰা 'বিশ্বকোষ' আৰু 'বিজ্ঞানকোষ' প্ৰকাশ কৰিছিল। হোমেন বৰগোহাঞিয়ে এইক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰিছিল।

বৰগোহাঞিদেৱৰ সাহিত্য তথ্য সমূহ কেৱল অসমীয়া ভাষাতে সীমাবদ্ধ হৈ থকা নাই। এইসমূহ ইংৰাজী ভাষাৰ লগতে অনান্য ভাৰতীয় ভাষালৈ অনুদিত হৈছে। তেওঁৰ উপন্যাস 'অস্তৰাগ' ইংৰাজী, ওড়িয়া, হিন্দী, নেপালী, বড়ো আৰু বাংলা ভাষালৈ অনূদিত হৈছে। তেওঁৰ 'মৎস্যগন্ধা' উপন্যাস খন হিন্দী আৰু নেপালী ভাষালৈ অনুদিত হৈছে। ইয়াৰ উপৰিও 'পিতা পুত্ৰ' উপন্যাসখন ইংৰাজী আৰু হিন্দীকে







ধৰি মুঠ ২১ টা ভাৰতীয় ভাষালৈ অনুদিত হৈছে। হোমেন বৰগোহাঞিৰ চুটি গল্প সমূহো বিভিন্ন ভাৰতীয় ভাষালৈ অনূদিত হৈছে।

বৰগোহাঞিদেৱৰ চিৰজীৱন অসমীয়া ভাষা-সাহিত্যৰ তথা সাংবাদিকতাৰ বাবেই নিজকে উচৰ্গা কৰে। তেখেতৰ এই ক্ষেত্ৰত আগবঢ়োৱা অসামান্য অৱদানসমূহৰ বাবে তেখেতে জীৱন কালচোৱাত বহুকেইটা বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। সেইকেইটা হৈছে পিতা-পুত্ৰ উপন্যাসৰ বাবে ১৯৭৭ চনত অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে, 'পিতা-পুত্ৰ' উপন্যাসৰ বাবে ১৯৭৮ চনত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে, অসমীয়া সাহিত্যলৈ আগঢ়োৱা অৱদানৰ, ১৯৯২ চনত 'অসম উপত্যকা সাহিত্য বঁটা' লাভ কৰে, ২০০০ চনত বংগীয় সাহিত্য পৰিষদৰ হৱনাথ ঘোষ পদক লাভ কৰে, ২০০৭ চনত শ্ৰীমন্ত শংকৰদেৱ বঁটা লাভ কৰে ইত্যাদি।

সাংবাদিকতাৰ ক্ষেত্ৰত আগঢ়োৱা সেৱাৰ বাবেও হোমেন বৰগোহাঞিয়ে লাভকৰা বঁটা সমূহঃ ২০০০ চনত অসম সাহিত্য সভাৰ পৰা কৃতি সাংবাদিকৰ 'লক্ষ্মীনাথ ফুকন বঁটা' লাভ কৰে, ২০০২ চনত উৎকৃষ্ট সাংবাদিকতাৰ বাবে 'জয়কৃষ্ণ ৰামদয়াল বঁটা' লাভ কৰে, ২০১৯ চনত সাদিন-প্ৰতিদিন গোষ্ঠীৰ পৰা তেওঁ 'জীৱনজোৰা সাধনা'ৰ বঁটা লাভ কৰে।

২০২১ চনৰ পৰা প্ৰতি বছৰে ৭ ডিচেম্বৰ তাৰিখে হোমেন বৰগোহাঞিৰ জন্মদিনত অসম চৰকাৰে তেওঁৰ নামত সাহিত্যিক পেঞ্চন প্ৰদান কৰাৰ কথা ঘোষণা কৰে। বৰগোহাঞিৰ গৃহ চহৰ ঢকুৱাখানাৰ 'হোমেন বৰগোহাঞি ট্ৰাষ্ট' প্ৰতিবছৰে বৰগোহাঞিৰ নামত 'হোমেন বৰগোহাঞি সাহিত্য বঁটা' প্ৰদান কৰে। ২০১৯ চনত জীৱনীকাৰ, অনুৱাদক আৰু ঔপন্যাসিক শৰ্মিষ্ঠা প্ৰীতমে এই বঁটা লাভ কৰিছে।

বৰগোহাঞিক ১৯৭৮ চনত 'পিতা-পুত্ৰ' গ্ৰন্থখনৰ বাবে অসমীয়া ভাষাৰ সাহিত্য অকাডেমি বঁটা প্ৰদান কৰা হৈছিল যদিও তেওঁ ভাৰতীয় সমাজত সৃষ্টি হোৱা সহনশীলতাৰ অভাৱৰ বিৰুদ্ধে প্ৰতিবাদ স্বৰূপে, ২০১৫ চনত, এই বঁটা আৰু ইয়াৰ সৈতে প্ৰাপ্ত নগদ ধন ঘূৰাই দিছিল।

বৰগোহাঞিয়ে ১৯৫৮ চনত অসমৰ অন্য এগৰাকী বিশিষ্ট নাৰীবাদী লেখিকা নিৰুপমা তামুলীৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেওঁলোকৰ দুয়োৰে সন্তান প্ৰদীপ্ত বৰগোহাঞি আৰু অনিন্দ বৰগোহাঞি। ইয়াৰ পৰৱৰ্তী কালচোৱাত বৰগোহাঞি দম্পতী পৃথকে থাকিবলৈ লয় আৰু ১৯৭৭ চনত দুয়োজনৰে বিবাহ বিচ্ছেদ ঘটে।

বৰগোহাঞিয়ে প্ৰায় একপষেক ধৰি কভিড-১৯ মহামাৰীৰ সৈতে যুঁজিছিল আৰু তেওঁ জয়ী হৈ সুস্থ অৱস্থাৰে গৃহলৈ উভতিও আহিছিল। কিন্তু কোভিডৰ পৰা হোৱা পাৰ্শ্ব ক্ৰিয়াৰ বাবে দুৰ্বলতাত ভুগিব লগাত ক্ৰমাৎ তেখেতৰ হাওঁফাওঁ, হৃদযন্ত্ৰ আদি বিকল হৈ পৰে আৰু অৱশেষত ৮৯ বছৰ বয়সত এই চিৰনমস্য অসমৰ সাহিত্য জীৱনৰ এক অটবী হোমেন বৰগোহাঁঞিয়ে ২০২১ চনৰ ১২ মে' তাৰিখে ইহলীলা সম্বৰণ কৰে।

বৰগোহাঞিদেৱৰ সাহিত্য সৃষ্টিয়ে মানুহ তথা সমাজ জীৱনক প্ৰেৰণা যোগাইছিল। সমাজৰ বাবে তেওঁৰ কলমত অন্তৰ্নিহিত হৈ আছিল অমোঘ মোহিনী শক্তি। হাতত কলম তুলিব পৰা হোৱাৰে পৰা জীৱন সেই অন্তিম সময় পৰ্যন্ত হাতত কলম লৈয়েই থাকিল। সাহিত্য জগতত হোমেন বৰগোহাঞিদেৱ আৰু তেওঁৰ সৃষ্টিসমূহ চিৰকাল ধ্ৰুৱতৰাৰ দৰে জিলিকি থাকিব আৰু সমূহ অসমীয়াই চিৰকাল তেওঁক স্মৰণ কৰিব । চিৰতৰুণ হোমেন বৰগোহাঞিৰ অসমীয়া সাহিত্যত তেওঁৰ সৃষ্টিৰাজি সদায় উজ্জ্বল হৈ ৰ'ব।♦

জীৱনবৃত্ত



Chisel, Hammer and Heart : The Raw Legacy of Dashrath Manjhi

Ritisha Bhadra

In the rugged terrains of Bihar, where the land was as unforgiving as the lives of those who toiled on it, was born Dashrath Manjhi in 1934. The land he called home, Gehlaur, was a village shadowed by a formidable mountain range that seemed to define the aspirations of its people. Born into the Musahar community, the lowest rung in the caste hierarchy, Dashrath's life was one of relentless struggle from the very beginning. Poverty, illiteracy, and societal neglect were his constant companions. Yet, within him was a love so fierce, it would eventually change the fate of his village.

Dashrath Manjhi's life was unremarkable until he met Falguni Devi. In her, he found a reason to smile amidst the grim realities of their existence. Their love was not one of grand gestures but of quiet, unwavering adoration. They married, and for a brief moment, the harshness of life seemed to soften in the warmth of their bond. But fate, as unforgiving as the mountain that loomed over their village, struck a blow that would set the course of history.

One day, while bringing Dashrath his dinner, Falguni slipped and fell from the mountain, suffering injuries that would prove fatal. The mountain had taken his love from him. The same mountain that forced villagers to walk miles around it for basic necessities—a journey that cost his wife her life."In this moment of unbearable grief, Dashrath made a vow—a vow to not just mourn his wife, but to avenge her death by ensuring no one else would suffer the same fate!

Armed with nothing but a hammer and a chisel, Dashrath Manjhi began his monumental task in 1960. The villagers thought him mad; they mocked him; yet he persisted. Day after day, under the scorching sun and in the biting cold, he chipped away at the mountain. For 22 years, he toiled, his hands blistered and his body worn, but his spirit remained unyielding.

The mountain was not just a mass of stone; it was an embodiment of every obstacle that had ever stood in his way. And with each strike, he was not just breaking rock—he was carving a path of love, of determination, and of rebellion against the destiny that had been forced upon him and his people.

Finally, in 1982, Dashrath Manjhi's labor bore fruit. He had single-handedly carved a 110-meter-long, 9.1-meter-wide path through the mountain, reducing the distance between Atri and Wazirganj from 55 kilometers to just 15. What the government had deemed impossible, this "madman" had achieved through sheer resilience. His act of defiance was not just for himself, but for his entire village, for every woman who had lost her life or her child because of the inaccessibility of basic facilities.

Recognition from the government came late, far too late. It wasn't until years later that the government, embarrassed by their own inaction, posthumously acknowledged Dashrath Manjhi's contribution to society. He was given the title of Mountain Man," and a road was named in his honor. But for Dashrath, recognition was never the goal. His was a love story etched in stone, one that transcended personal loss and became a testament to the power of perseverance.

Dashrath Manjhi passed away in 2007, but his legacy lives on—not just in the path he carved, but in the hearts of those who draw inspiration from his life. He wasn't a saint or a martyr, but a man who refused to accept the world as it was and instead molded it into something better. In doing so, he showed the world that love is not just a fleeting emotion but a force capable of changing the very landscape of life. ♦

অণুগল্প

দায়িত্ব

চুমী গগৈ



ময়ুৰী, হঠাৎ উচুপি উঠিল। কাৰণ তাই সপোনতো ভাবিব নোৱাৰা এটা ঘটনা সংঘটিত হৈ গ'ল। তাইৰ জীৱনটো হঠাৎ যেন খেলি-মেলি হৈ গ'ল। তাই এতিয়া কি কৰিব নিজে ভাবি নোপোৱা হ'ল। তাইৰ মনত নানান প্ৰশ্ন আহিবলৈ ধৰিলে। তাই নিজক লৈ দেখা সপোনবোৰ ইমানতে থমকি ৰ'ব নেকি? জীৱনটো ভালদৰে পঢ়া-শুনা কৰি মাক-দেউতাকৰ সপোনবোৰ পূ�ৰণ কৰাৰ হেঁপাহবোৰ সপোন হৈ ৰ'ল। এবছৰীয়া কণমানি ভায়েক মন আৰু তাইক এৰি মাক-দেউতাক দুয়ো গুচি গ'ল অচিনাকি দেশলৈ। মাক-দেউতাকে এৰি যোৱাৰ পিছৰ পৰাই তাই এতিয়া ভায়েকৰ বাবে হৈ পৰিল মাক-দেউতাক সকলো। এতিয়া তাইৰ জীৱনৰ টুলুঙা নাওখন সোমাই পৰিল দায়িত্ব মেৰপাকত। ♦

ভাগ্য নে দুভাগ্য

মনো�ৰঞ্জন গগৈ

— মই নোৱাৰিছোঁ ঔ মা। ভাঙি পৰিছোঁ মই। ঘৰৰ দ্বিতীয়টো সন্তান ৰূপজ্যোতিৰ মৰ্মাহত কান্দোন শুনি মাতৃ পূৰ্ণিমাৰ দুচকুত বাৰিষাৰ বান নামি আহিল।

— তাৰ ঘৰত ধন-সম্পত্তি সকলো আছে। মোতকৈ বহু কম শতাংশ পাইও সি আজি APSC Mains clear কৰিলে। মোৰ কিয় নহ'ল মা? ..... কাৰণ সি SC আৰু মই General student । ময়ো যদি ভাল ... এটা ল'ৰ পৰা হ'লে?

ৰূপজ্যোতিক এনেদৰে ভাঙি পৰা দেখি মাতৃ পূৰ্ণিমাই নিজ পৰিয়ালৰ দুৰৱস্থাৰ কথা ভাবি নিঃশব্দ হৈ এটাইত বহি পৰে।

— কিয় মা কিয়? মই General caste-ৰ ঘৰত জন্ম ল'লোঁ, এয়া মোৰ ভাগ্য নে, মই দৰিদ্ৰৰ ঘৰত জন্ম লোৱাটো দুভাগ্য! ইতিমধ্যে তিনিটা বছৰ পাৰ হ'ল আৰু কিমান বছৰ মা! ♦





চাকৰি

হেমাংগ বড়া

ইমানবোৰ পঢ়া-লেখা কৰি তুমি এতিয়া এটা প্ৰাইভেট কোম্পানিত সৰু চিকিউৰিটি গাৰ্ডৰ চাকৰি কৰিবা, লাজ নালাগিব নে? লাজতকৈ ভোকৰ মূল্য বহুত বেছি ছাৰ। ঠিক আছে তেন্তে, বুজি পাইছোঁ মই, সৎ কাম কৰি খাবলৈ লাজ কৰিব নালাগে। তুমি অহা মাহৰ পহিলা তাৰিখৰ পৰা কামত যোগদান কৰিব পাৰিবা। আপোনালৈ অশেষ ধন্যবাদ থাকিল ছাৰ। তেনেহ'লে অহা মাহৰ এক তাৰিখৰ পৰা সদায় লগ পাম আপোনাক। ♦

দায়িত্ব


হেমাংগ বড়া



হঠাৎ উচুপি উঠিল সি, সকলো নিমিষতে শেষ হৈ গ'ল। জীৱনটো কি তাক উপভোগ কৰাৰ বহুতো হেঁপাহ আছিল তাৰ। পঢ়ি-শুনি এজন ভাল সুদক্ষ প্রশাসনিক বিষয়া হোৱাৰ সপোন যেন নিমিষতে চূৰমাৰ হৈ পৰিল। দুই বছৰীয়া কণমানি ভনীয়েকৰ সমস্ত দায়িত্ব অর্পণ কৰি দি মাক-দেউতাক দুয়ো গুচি গ'ল এক অজান পৃথিৱীলৈ। অতি কুমলীয়া বয়সতে সি হৈ পৰিল ভনীয়েকৰ বাবে সকলো। দায়িত্ব নামৰ গধুৰ শিলটোৰ বোজাৰ তলত সোমাই পৰিল তাৰ জীৱনৰ দিশহাৰা নাওখন।♦

সেন্দূৰ

জাহ্নবী গগৈ



আৰক্ষীৰ গুলীত স্বামীক হেৰুৱাৰ পিছত ৰিজু আজি প্রথমবাৰ মাকৰ ঘৰলৈ আহিছে। গাভৰু জীয়েকজনীৰ বগা সাজযোৰে উকা কপালখন দেখি মাকৰ হৃদয়খন চূর্ণ-বিচূর্ণ হৈ পৰিল। তেওঁ আজি অনুতপ্ত।

ভুলটো তেওঁ তেতিয়াই কৰি পেলাইছিল যেতিয়া সুখ্যাতিৰে হায়াৰ ছেকেণ্ডৰী পাছ কৰা ৰিজুক উচ্চ শিক্ষাৰে শিক্ষিত কৰি স্বাৱলম্বী কৰি তোলাৰ কথা নাভাবি ধনীৰ দুলাল পথভ্রষ্ট ল'ৰাজনলৈ জীয়েকক বিয়া দি দিছিল।♦

ভৌতিক

জাহ্নবী গগৈ



মাজৰাতি কৰিড'ৰত কাৰোবাৰ ব্যস্ততাৰে অহা-যোৱাৰ শব্দ। এই মাজৰাতিখন কাৰণো ইমান ব্যস্ততা বুলি লাইটটো জ্বলাব লওঁতেই পিছফালৰ পৰা ৰ'জীয়ে ক'লে— "ব'ল বাথৰুম যাওঁ, মোৰ অকলে যাবলৈ ভয় লাগে।"

কিন্তু ৰ'জী দেখোন আত্মহত্যা কৰা আজি সাত দিনেই হ'ল।♦



যুদ্ধ

গৌৰৰ চুতীয়া

তাই খিৰিকীখনৰ কাষতে বিছনাখনত বহি আছে আউসীৰ জোনৰ পোহৰ একাঁজলি আহি তাই ৰঙা সেওতাটোত পৰিছে। কাষৰ ৰেডিঅ'টোত বাজিছে সন্ধিয়াৰ বাতৰি। বাতৰিৰ প্রথম শিৰোনাম "সীমান্তৰ যুদ্ধত দামামা বাঢ়িছে, অসমৰ পাঁচজন সেনাৰ মৃত্যু। তাৰে এজন বকতা মৌজাৰ বিবাহিত জোৱান।"

তেওঁ জলকা মাৰি একে থৰে মৰুভূমি হৈ যোৱা পথাৰখনলৈ চায় আছে। কাণত তেতিয়াও সেই কথাষাৰে শুনি আছে। "আমাৰ ফালৰ মাথাউৰিটো ভাঙিল।"

সপোন

গৌৰৰ চুতীয়া



বাস্তৱ

ধ্রুপ বৰা



এয়া সপোন নে কল্পনা? চকুযোৰ খুলি দেখো দুখন হাত সেই দুহাতেৰে খামুচি আছিল এথোপা মৰহা বগা গোলাপ। এনে লাগিল সেয়া সপোন যদিও মোৰ কল্পনাৰে কল্পিত এক জীয়া বাস্তৱ। য'ত আছিল দুটা ল'ৰা, এথোপা মৰহা গোলাপ আৰু আছিল পথাৰৰ লুং-লুঙীয়া আলিৰ কাষৰ এটা মৰা পুখুৰী!

পুখুৰীটোৰ পাৰত এটা ল'ৰা হয়তো সি পথাৰৰ কামৰ অন্তত তাত মাছ বিছাৰি আছিল। শাওণৰ ছাল দেইজোৱা ৰ'দ সেই পথাৰৰ লুং-লুঙীয়া আলিৰে কোনোবা আহিছে... হাতত এটা টোপোলা। হয় সেই একেই দুখন হাত য'ত মই গোলাপৰ থোপাটো দেখিছিলোঁ! টোপোলাটো কিহৰ!

তেজ

অনুশ্রী বৰপাত্র গোহাঁই



দহ বছৰীয়া জীৱনটোত প্রথমবাৰৰ বাবে তাই অকলে শুইছে। ৰাতিটো বিছনাত ইফালে-সিফালে কৰি থাকিও টোপনি নধৰাত মাক নোহোৱা নিহাক বৰমাকে কোৱা কথাষাৰ মনত পৰিল। "তেজ ওলাব লাগিলে ভয় খাই দেউতাৰক নক'বি, মোক ক'বি।" কিন্তু বৰদেউতাকেচোন তাইক কৈছিল, "দৰা-কইনা খেলিলে অলপ তেজ ওলায়েই।"

স্তব্ধময়ী ভৰষা

লক্ষ্মীপ্রিয়া কলিতা


বেৰৰ মাজৰ সৰু ফুটাবোৰৰ মাজেৰে পুৱাৰ জিলিকণিবোৰ সোমাই পৰিছে। সেই জিলিকণিৰ পোহৰে অভয়ৰ মুখত পোহৰৰ চাপ পেলাইছে। আজি বেতনিৰ কাষৰ ৰ'দ নপৰা মাটি কেইডৰা হাল জুৰিবলৈ আছে। তাৰ উঠা দেৰিয়েই হ'ল। ৰাতি ৮ বজালৈকে কলেজত পঢ়ুৱাখিনি পঢ়োতেই গ'ল। দিনটোত সময়ৰ অভাৱত তাৰ পঢ়িবলৈ থাকিয়েই যায়। মাউৰা অভয়ৰ মাকজনীও বেমাৰী। ঘৰখন তাৰ ওপৰতেই নির্ভৰশীল। উঠি গৈ লৰালৰিকৈ মুখখন ধুই, গাটো তিয়াই জুইকুৰা ধৰিবলৈ লওঁতেই মাকে বাহিৰৰ পৰা মাত লগালে—"অই ল'ৰা এইফালে আহচোন।"

সিও মাকৰ কি হ'ল বুলি ওলাই গ'ল। মাকে তেতিয়াই ভঁৰালৰ কাষত থকা ঠাইলৈ আঙুলিয়াই দেখুৱালে। অভয়ও চালে। নাঙলটোচোন নাই, দুয়োটাই সকলোতে চালে কিন্তু নাঙলটো ক'তো বিচাৰি নাপালে। অভি যেন ভাঙি পৰিল একেবাৰে। পাকঘৰৰ জুইকুৰা তেনেকৈয়ে থাকিল আৰু চোতালত ৰৈ সি আঁকৰা ল'ৰাটোৰ দৰে কেৱল মাকৰ মুখলৈ চাই ৰ'ল।♦



পোহৰ

বিস্মিতা শইকীয়া



সেইদিনাও ঠিক আনদিনাৰ দৰেই আছিল এটা সজল ৰাতিপুৱা। পোহৰ আছিল গাঁৱৰ পৰা নিলগৰ চহৰত, নতুনকৈ সাজি থকা উৰণীয়া সেঁতুখনৰ আন এশজনৰ নিচিনাকৈ তেওঁও সুদক্ষ বনুৱা।

'আশা ল'ৰা-ছোৱালী হালক মানুহ বনোৱা।' কিন্তু কোনে জানে সেইদিনাই যে পোহৰৰ শেষ নিশা। চহৰৰ আঢ্যৱন্ত, তথাকথিত সম্ভ্রান্ত ঘৰৰ, নিচাত ডুব গৈ থকা যুৱতীৰ বিলাসী বাহনৰ খুন্দাত সেই অমায়িক, একান্ত পোহৰ যেন স্তব্ধ হৈ ৰ'ল... ঠিক এমাহৰ পিছত সেই উৰণীয়া সেঁতুৰ তলত বিখ্যাত চিত্রকৰে চিত্রিত কৰিছে — "পোহৰৰ এক জীৱন্ত সত্তা।"♦



পৰিপূৰক

অনুশ্রী বৰপাত্র গোহাঁই

জীয়েক উধাতু খাই দৌৰি আহিল।

— দেউতা ছাগৈ, যাচোন।

— কি ?

— খেতি মাটিডৰাত কোনোবাই হেঙাৰ দি আছে। মূৰ নোতোলাকৈয়ে দেউতাকে ক'লে, "গাঁতটো অলপ দকৈ খান্দ জিতু। এজনীয়েই ছোৱালী ৰভা মজবুত হ'ব লাগিব।"♦

গৌৰৱ

বিস্মিতা শইকীয়া



ভদ্রকান্ত তিনিজনী ছোৱালী, কিন্তু হ'লে কি হ'ব, ভদ্রৰ মনটোত বহুত দুখ যে তাৰ মাটি-বাৰীৰ গৰাকী নাই।

এইকথাটোক লৈ মামনিৰ লগত সদায় খকাখুন্দা।

সময় বাগৰিল, ছোৱালী স'তেও ডাঙৰ হ'ল।

বর্তমান ভদ্রৰ ডাঙৰ জী আৰক্ষীৰ কনিষ্টবল, মাজু জী মেধাৰ ভিত্তিত পোৱা ডাকঘৰৰ চাকৰিত নিয়োজিত। ভদ্রকান্তই আটাইতকৈ এলাগী কৰা সৰু জীয়ে লোকসেৱা আয়োগৰ পৰীক্ষা উত্তীর্ণ হৈছে।

ভদ্রকান্তৰ বর্তমান সুখ। এৰা, নহ'বনো কিয়, মানুহৰ আগত অন্ততঃ ক'ব পাৰিছে মোক মাটি-সম্পত্তি কিয় লাগিছে। ছোৱালী কেইজনীয়েই মোৰ বহুমূলীয়া সম্পত্তি হ'ল।♦

ভক্ষক

চিন্ময় কুমাৰ সন্দিকৈ



শিশুৰ মানসিক স্বাস্থ্য আৰু শিশুৰ শাৰীৰিক যতন সম্পর্কে ডাক্তৰণী বাইদেৱে ডাঙৰ ডাঙৰ নিউজ, চেনেলসমূহৰ টক্‌শ্ব'ত সঘনাই নিজৰ পৰামর্শ আৰু মতামত আগবঢ়ায়।

আজি সেই চেনেলবোৰৰ পর্দাত তেওঁৰ ফটোৰ সৈতে ডাঙৰ ডাঙৰ হেডলাইন দেখি হতবাক হ'লোঁ—'শিশুৰোগ বিশেষজ্ঞ তথা মনোৰোগ চিকিৎসকৰ ঘৰত উদ্ধাৰ দুই শিশু', 'জঘন্য শাৰীৰিক মানসিক নির্যাতনৰ বলি হোৱা দুই শিশুক ভর্তি কৰোঁৱা হৈছে চিকিৎসালয়ত', 'যৌন নির্যাতন চলোৱাৰ আশংকা আৰক্ষীৰ! ♦

নাটক

দাৱণ

নাট্যকাৰ ঃ শর্মিষ্ঠা গগৈ

(গাঁৱৰ দৃশ্য, মঞ্চত কৈকেয়ীয়ে কান্দি আছে। পিছলফালে এজোপা গছ। কৈকেয়ীৰ পিছফালৰ পৰা জীৱ এটা ওলাই আহে।)

জীৱ ঃ (কৈকেয়ীক উদ্দেশ্যি) দুখ কৰি লাভ নাই কৈকেই। সন্তানক আন ঘূৰাই। তোৰ পো আজি সন্মুখত মৃত। মনত পেলা তোৰ সুখৰ সংসাৰ।

কৈকেয়ী ঃ মোৰ শেষ। মোৰ পো, মোৰ সকলো শেষ।

জীৱ ঃ চা.... কেনেকৈ তোৰ চকুৰ সন্মুখত সকলোখিনি ধূলিত মিলি গ'ল।

(মঞ্চৰ একোণত পোহৰ পৰিব। নেপথ্যৰ পৰা সদাগৰৰ প্ৰৱেশ। সদাগৰ বেপাৰলৈ যাবলৈ ওলাইছে)

সদাগৰ ঃ (ভিতৰলৈ ঘূৰি চাই) ৰঘু, ৰঘু।

(ৰঘু মঞ্চলৈ সোমাই আহে)

ৰঘু ঃ হয়। দেউতা ইশ্বৰ।

সদাগৰ ঃ মই বেপাৰলৈ ওলালোঁ। কৈকেয়ী আৰু মোৰ ল'ৰা-ছোৱালীকেইটাক চাবি।

ৰঘু ঃ থিক আছে দেউতা ঈশ্বৰ।

(ৰঘুৰ প্ৰস্থান। নেপথ্যৰ পৰা পুত্ৰ জন আৰু ছোৱালী দুজনী খেলি খেলি মঞ্চলৈ সোমাই আহে।)

সদাগৰ ঃ ঐ সাৱধানে খেলিবি, পুখুৰী পাৰলৈ নাযাবি। মই আহিলো দেই। (সদাগৰৰ প্ৰস্থান)

জীয়েক দুজনীঃ (ভয় আৰু শংকাত চিঞৰি) ভাইটি।

(পোহৰ কমিব ছোৱালী দুজনী মূৰ্তি হৈ সেই ঠাইতে ৰৈ যাব) (পুনৰ কৈকেয়ীৰ ওপৰত পোহৰ পৰিব)

কৈকেয়ী ঃ (চিঞৰি) নাই। উভতাই আন তাক, মোৰ বাচাক উভতাই আন।

জীৱ ঃ (কৈকেয়ীক ফুচুলাই) ভুল তোৰ জীহঁতৰ হে। সিহঁতেই দিলে ঠেলা তোৰ পোক। হিংসাত, খণ্ডত। কৈকেই, তোৰ জীহঁতেই ইয়াত দায়ী।

কৈকেয়ী ঃ কি কৈছ। কি অপবাদ এইয়া? মিছা এয়া মিছা।

জীৱ ঃ ভাৰ কেনেকৈ হ'ল এই দুৰ্ঘটনা। চা ইহঁতেই মাৰিলে তোৰ পোক।(ছোৱালীৰ দুজনীৰ প্ৰস্থান)

কৈকেয়ী ঃ তেন্তে এতিয়া... এতিয়া কি? মোৰ পোক ঘূৰাই অনাৰ উপায় কি?

জীৱ ঃ উপায়... কুটিল হাঁহি মাৰি উপায় আছে। বলি... (চিঞৰি)

কৈকেয়ী ঃ (আচৰিত হৈ) বলি কাৰ বলি?

জীৱ ঃ বলি... যাৰ বাবে তোৰ আজি এই অৱস্থা সিহঁতৰ বলি। তোৰ জীকেইজনীৰ বলি।

কৈকেয়ী ঃ কি এইয়া নহ'ব। কেনেকৈ সম্ভৱ এইয়া।

জীৱ ঃ (কৈকেয়ীক বুজনি দি) সম্ভৱ। এটা জীৱ ঘূৰাই পাবলৈ আন এটা জীৱক বলি দিবই লাগিব।

কৈকেয়ী ঃ নাই, মই এই কাম কৰিব নোৱাৰো।

(কৈকেয়ী কান্দি কান্দি নিথৰ হৈ বহি পৰে।)

(জোনালী, সোণালী মঞ্চলৈ সোমাই আহে। কৈকেয়ীৰ কাষলৈ আহি।)

আই (দুইজনীয়ে একেলগে)

জোনালী ঃ আই, কি হৈছেনো তোৰ? তই বাৰু কিয় নিথৰ হৈ বহি আছ?

সোণালী ঃ দুখ কৰি নাথাকিবি তই আই।

জোনালী ঃ তই বাৰু এনেকৈ থাকিলে আমি কেনেকৈ থাকিম? ভাইটিৰ লগত যি হ'ল সেইয়া আছিল এক দুৰ্ঘটনা। এতিয়া জানো সেই বিলাক ভাবি ভাইটিক ঘূৰাই পাম। তইচোন সেইদিনাৰ পৰা ভালকৈ একো খুৱাই নাই।

সোণালী ঃ আই জান, আজি আমি দুইজনীয়ে মিলি ভাত ৰান্ধিছো।

জোনালী ঃ হয় আই। আহচোন আমাৰ লগত অলপ খাবি।

(দুইজনীয়ে তাইক ধৰি বহাৰ পৰা উঠাই দিয়ে আৰু ভাত খাবলৈ বুলি লৈ যাবলৈ লয়।)

জীৱ ঃ (হঠাৎ কৈকেয়ীক বাধা দি) কৈকেই, নাযাবি। সিহঁতে তোক বিহ দি মাৰিব। নাযাবি তই কৈকেয়ী।

(কৈকেয়ীয়ে দুয়োজনীৰ মুখলৈ চাই আৰু থতমত খাই সিহঁতৰ হাত এৰাই দিয়ে।)

কৈকেয়ী ঃ যাচোন যা তহঁতি। মই গৈ আছো।

দুজনী ঃ হ'ব আই। (ছোৱালী দুজনীৰ প্ৰস্থান)

জীৱ ঃ (কৈকেয়ীৰ ওচৰলৈ আহি) সিহঁতে যিদৰে তোৰ পোক মাৰিলে তোকো সিহঁতে সেইদৰে বিহ দি মাৰিব। (কৈকেয়ী চিন্তাত পৰিব) কৈকেয়ী, সিহঁতে তোক মৰাৰ আগতেই তই সিহঁতক বলি দিয়াৰ ব্যৱস্থা কৰ।

(কৈকেয়ীয়ে মঞ্চৰ আগলৈ আহে)

কৈকেয়ী ঃ কি কৰোঁ মই এতিয়া! (ভাবি ভাবি)

জীৱ ঃ মাতি পঠিয়া মাঙলী বুঢ়ীক। বলি দিব তাই। মাত তাইক, মাত। সোনকালেই কৰ কাম। পলম নকৰিবি।

(কৈকেয়ী মঞ্চত ইফালে-সিফালে ঘূৰে আৰু কিবা ভাবি মঞ্চৰ আগলৈ আহি হাঁহিব।)

কৈকেয়ী ঃ ঐ কোন আছ? বেগেতে আহ।

(ৰঘু মঞ্চলৈ সোমাই আহে)

ৰঘু ঃ হয়, আইদেউ।

কৈকেয়ী ঃ মাঙলী বুঢ়ীক মাত বেগেতে। যা, পলম নকৰ যা।

ৰঘু ঃ হয় আইদেউ। (ৰঘুৰ প্ৰস্থান)

(কৈকেয়ী মঞ্চৰ আগলৈ আহে আৰু দৰ্শকলৈ এপলক চাব আৰু নিজৰ পুত্ৰ স্মৃতিত গান এটি গাব। লগতে জীৱতোৰ তাই দৰে অংগী ভংগী কৰিব।) (নিচুকনি গীত। পৰিচালনা)

(গানটো শেষ কৰি তাই কান্দি কান্দি শুই পৰে। ৰঘু মঞ্চলৈ সোমাই আহে)

ৰঘু ঃ আইদেউ , অ' আইদেউ।

কৈকেয়ী ঃ (থতমত খাই) তই আহিলি। মাঙলী ক'ত? ক'ত মাঙলী? মাত মাত।

(কৈকেয়ী থিয় হয় লগতে জীৱতোও।)

ৰঘু ঃ অ' আই। সোমাই আহ। (মাঙলী বঢ়ীক মাতে।)

(মাঙলী বুঢ়ী মঞ্চলৈ সোমাই আহে)

মাঙলী ঃ আই নমস্কাৰ।

কৈকেয়ী ঃ (মাঙলীৰ ওচৰলৈ দৌৰি গৈ) সহায় লাগে মোক। বলি দিবলৈ সহায় লাগে। মোৰ ল'ৰাটোক ঘূৰাই আনিবলৈ সহায় লাগে। যি বিচাৰ তাকেই পাবি। মোক মাথোঁ সহায় কৰ।

মাঙলী ঃ (অলপ ভাবি) ওমমম....(দৰ্শকলৈ চাই) এইয়াই সুযোগ ধনী হোৱাৰ সুযোগ ধন ঘটাৰ। মূৰ্খ সদাগৰনীক ঠগি ধন লুটিব পাৰিম।

(কৈকেয়ীক উদ্দেশ্যি) কিয় সহায় নকৰিম আই। আপোনাক বাৰু মই সহায় নকৰিম নে। লাগিব কেৱল দুই এপদ বস্তু। দেৱী আইক ভোগ দিবলৈ।

কৈকেয়ী ঃ কি কি বস্তু।

মাঙলী ঃ সাত মোনা সোণ, আপোনাৰ আ-অলংকাৰ কেইপদমান আৰু (অলপ চিন্তা কৰি) ৫ কুৰি টকা।

কৈকেয়ী ঃ আৰু... আৰু কিবা প্ৰয়োজন আছে নেকি?

মাঙলী ঃ নাইনাই। বাকী কেইপদ মই নিজেই গোটাইল'ম। পিছে আই বলি দিব কাক?

(কৈকেয়ী দৰ্শকলৈ চাই অলপ সময় থৰ হৈ ৰ'ব)

জীৱ ঃ (কৈকেয়ীৰ ওচৰলৈ আহি) ক কৈকেয়ী, কৈ দে।

কৈকেয়ী ঃ (দৰ্শকলৈ চাই) মোৰ জী দুইজনীক।

(পিছফালে ৰৈ থকা ৰঘু চক্ খাই)

মাঙলী ঃ সঁচাই নে আই, ছোৱালী দুইজনীক?

কৈকেয়ী ঃ অ সঁচাকৈ। যা যা তই নিজৰ কামবোৰ আৰম্ভ কৰ।

মাঙলী ঃ হ'ব আইদেউ।

(মাঙলী বুঢ়ী এটা কাষলৈ যায় আৰু নিজৰ মোনাটোৰ পৰা বস্তুবোৰ উলিয়াই ঠিক ঠাক কৰে।)

কৈকেয়ী ঃ (ৰঘুক মাতে) ও, এইফালে আহ। যা মাঙলীক যি যি সামগ্ৰী লাগে সকলো যোগাৰ কৰি দে।

ৰঘু ঃ অপোনাৰ কি হৈছে আই। এয়া আপুনি কি কৰিব ওলাইছে।

(ৰঘু কৈকেয়ীৰ ভৰিত পৰি কান্দিবলৈ লয়।)

কৈকেয়ী ঃ (খণ্ডত) তই আঁতৰ হ, তোক যি কৰিবলৈ কৈছো তাকেই কৰ।

ৰঘু ঃ হ'ব আইদেউ।

(ৰঘুয়ে দুখত সামগ্ৰীবোৰ আনিবলৈ ওলাই যাব।)

জীৱ ঃ সুন্দৰ... অতি সুন্দৰ। ঘূৰাই পাবি এতিয়া তোৰ পো-ক। পুনৰ উপচি পৰিব তোৰ উকা হৃদয়।

(ৰঘুৰে সামগ্ৰীবোৰ মাঙলীক দি থৈ যায়)

জীৱ ঃ বলি দে তোৰ দুইজনী ছোৱালীকে, বলি দে।

(ৰঘুয়ে ছোৱালী দুইজনীক টানি লৈ আহিছে। ছোৱালী দুইজনীয়ে কান্দি কান্দি আই বুলি চিঞৰছে। ৰঘুয়ে সিহঁতক জোৰ কৰি মঞ্চলীৰ ওচৰলৈ লৈ

গৈছে।)

মাঙলী ঃ থ ইয়াত। (মঞ্চৰ একোণত উদ্দেশ্যি)
(ৰঘুয়ে দুইজনীকে আগফালে পেলাই দিয়ে।)
(দুইজনীয়ে চত্‌ফতাই থাকে মাঙলীয়ে মন্ত্র মাৰি শান্ত কৰি দিয়ে। ৰঘুয়ে দুইজনীকে ৰছীৰে হাত-ভৰি বান্ধি দিয়ে আৰু পিছফালে গৈ থিয় হয়।)

মাঙলী ঃ আহক আইদেউ।

জীৱ ঃ যা কৈকেয়ী সুযোগ পাইছ নেৰিবি। তোৰ ল'ৰাক ঘূৰাই আন। দে বলি দুইজনীক। যা কৈকেয়ী।
(জীৱয়ে কৈকেয়ীক উঠাই বলি স্থানলৈ যায় তাৰ পিছত বুটীয়ে বলিৰ কার্য আৰম্ভ কৰে। মাঙলীয়ে কৈকেয়ীৰ কপালত ৰঙা ৰং লগাই দিয়ে। তাৰ পাছত মাঙলীয়ে কৈকেয়ীৰ হাতত দাখন তুলি দিয়ে।)

মাঙলী ঃ (জোনালীৰ মূৰতো ধৰি) আৰম্ভ কৰক আই।

জীৱ ঃ দে কৈকেয়ী, দে বলি দে।
(জীৱয়ে তাই হাতত ধৰি প্রথম ঘাপ মাৰি দিয়ে।)

ৰঘু ঃ ঐ ঐ ঐ মাৰিলে মাৰিলে মাৰিলে।
ঐঐ কোন আছ...(প্রস্থান)
(তাৰ পাছত আৰু দুইঘাপ মাৰে)
(তাৰ পাছত কৈকেয়ীয়ে সোণালীকো একে দৰে বলি দিয়ে। কৈকেয়ীয়ে দাখন পেলাই দিয়ে আৰু তেজখিনিৰে নিজৰ মুখত লগাই পাগলীৰ দৰে হাঁহিবলৈ ধৰে লগতে জীৱতোও আনন্দভ আত্মহাৰা হৈ পৰে।)
(নেপথ্যৰ পৰা সদাগৰে মাত লগাই)

সদাগৰ ঃ কৈকেয়ী, কৈকেয়ী, কিহৰ শব্দ এইবোৰ।

মাঙলী ঃ আপুনি নৰখিব আই। আপুনি কৰি থাকক।

জীৱ ঃ নৰখিবি ওই কৈকেয়ী..... নৰখিবি।
(মাঙলীয়ে তাৰ সামগ্রীবোৰ আৰু কৈকেয়ীৰ পৰা পোৱা বস্তুবোৰ খৰখেদাকৈ বান্ধি মঞ্চৰ পৰা ওলাই যায়।) (সদাগৰ দৌৰি আহি মঞ্চলৈ সোমাই আহিব।)

সদাগৰ ঃ কৈকেয়ী, কৈকেয়ী কি কৰিলি তই এয়া। তই মোৰ ছোৱালীকেইজনীৰ লগত কি কৰিলি।
(মৃত ছোৱালীকেইজনীৰ ওচৰলৈ গৈ)
...অ' মোৰ জী কেইজনী। অ' সৰু, অ ডাঙৰ।...
তোক মই (কৈকেয়ীক দিঙিত ধৰি।) মাটিৰ পৰা উঠাই। কৈকেয়ীক মাটিত পেলাই দিয়ে। কৈকেইৰ দৰে জীৱও একেদৰে পৰি যায়।)

সদাগৰ ঃ তই এজনী ডাইনী হয়। তোক এতিয়াই জ্বলাই পেলাম। এই কোন আছ। (সদাগৰ মঞ্চৰ পৰা ওলাই যায়।)

কৈকেয়ী ঃ (নিজৰ হিতাহিত জ্ঞানত ঘূৰি আহি) নাই নাই মই ডাইনী নহয় ৰ'ৰ।
(কৈকেয়ী উঠি সদাগৰক ৰখাবলৈ লয় কিন্তু জীৱই তাইক ধৰি ৰখাই থয়।)

জীৱ ঃ তই বলি দিলি। নিজ হাতে তই বলি দিলি। তোৰ হাতত তোৰ জীহঁতৰ তেজ। চা নিজক চা।
(কৈকেয়ীয়ে নিজৰ হাতখন চায়। তাই আকৌ তেজবোৰ নিজৰ গাতে সানে আৰু পাগলৰ দৰে হাঁহে)

জীৱ ঃ সন্তানৰ প্রেম কৈকেয়ী। নিজৰ পুত্রক প্রাণ আনিবলৈ নিজৰ ছোৱালী কেইজনীক বলি দিলি। সুখি হ'বি তই। সুখ আৰু সুখ। (হঠাৎ তাই যেন কিবা উপলব্ধি কৰে)

কৈকেয়ী ঃ নাই ভুল কৰিলোঁ মই। আঁতৰ হ। তই সঁচা নহয়। আঁতৰ হ।

জীৱ ঃ তইয়ো জানো এইটোকে বিচৰা নাছিলি। মই তোৰ মনৰহে সৃষ্টি। তোৰ মনে যি বিচাৰিছিলে মই তাকেই কৰালোঁ।

জীৱ ঃ মোক খেদিছ তই। সেইয়া তোৰ কাল তোৰ সন্মুখত। মোৰ লগতে আজি তইও শেষ।
(সদাগৰ আৰু ৰঘু মঞ্চলৈ সোমাই আহে। আৰু কৈকেয়ীক মাৰিবলৈ আৰম্ভ কৰে। তাইক পিছফালৰ গছজোপাত বান্ধি দিয়ে। ইফালে জীৱৰেও সেই দুখত চিঞৰিবলৈ আৰম্ভ কৰে লগতে হাঁহিবলৈও আৰু ৰঘুয়ে তেল আনি ঢালি দিয়ে। তাৰ পিছত সদাগৰ আৰু ৰঘু দুয়োৱে জুই আনি তাইক জ্বলাই দিয়ে। জীৱয়ে সেই দৃশ্যবোৰ চাই আনন্দ পায়। কৈকেয়ীৰ লগতে সিও শেষ হৈ যায়।)
(মঞ্চৰ আগলৈ ওলাই আহে।)

কৈকেয়ী ঃ (দর্শকক উদ্দেশ্যি) মই কৈকেয়ী। শুনিছে এয়া মোৰ কাহিনী। ল'ৰাৰ শোকত অন্ধ হৈ মোৰ ফুলকুমলীয়া জী কেইজনীক বলি দিলোঁ। বলি।... নহয়, বলি নহয় হত্যা কৰিলোঁ। ডাইনী নামত কলংকিত মই কৈকেয়ী। শুনিছেনে মোৰ কাহিনী। নিজৰ আৱেগৰে বলি হোৱা মই কৈকেয়ী। মোৰ কোলা আজি উকা, মোৰ হৃদয় আজি উকা। মোৰ পো... মোৰ জী.. কৈকেয়ীয়ে গান এটা গাই কান্দি শুই পৰে।♦

ঘু�ৰ সংসদলৈ গৈছিলোঁ

দিপাংকৰ দত্ত

শিক্ষাই জীৱন, জীৱনেই শিক্ষা। শিক্ষা আহৰণ কৰি থকা লৈ এজন মানুহ জীয়াই থাকে। কিন্তু যিদিনা শিক্ষা আহৰণ কৰা বন্ধ হয়, তেতিয়াই ব্যক্তিজনৰ মৃত্যু হয়।

ব্যক্তি এজনে দৈনন্দিন জীৱনত আহৰণ কৰা জ্ঞানৰ জৰিয়তেই তেওঁৰ জ্ঞানৰ পৰিধি বৃদ্ধি হয়। এই জ্ঞানৰ টোপোলাত ব্যক্তিজনে আহৰণ কৰা নানা অভিজ্ঞতা, মধুৰ স্মৃতি আদিৰে মেৰ খাই থাকে। তেনে এক দুর্ল্লভ অভিজ্ঞতা আহৰণ কৰিবলৈকে আমি কানৈয়ানে এটা সুন্দৰ সুযোগ পালোঁ। অসমৰ বিখ্যাত তৈলনগৰী দুলীয়াজানৰ পৰা কানৈ মহাবিদ্যালয়লৈ খবৰ আহে যে ১৩ আৰু ১৪ ছেপ্টেম্বৰ, ২০২৪ তাৰিখে দুলীয়াজান ক্লাবত অইল ইণ্ডিয়া লিমিটেডৰ সৌজন্যত আৰু মেধা এডুকেয়াৰ ফাউণ্ডেশ্যনৰ উদ্যোগত সদৌ অসম ভিত্তিত 'যুৱ সংসদ' অনুষ্ঠিত কৰা হৈছে। এই অনুষ্ঠানটিত অংশগ্রহণ কৰিবৰ বাবে কানৈ মহাবিদ্যালয়ৰ ছাত্র ছাত্রীয়ে উক্ত অনুষ্ঠানত অংশগ্রহণ কৰিব তেওঁলোকে ছাত্র একতা সভাৰ তর্ক আৰু আলোচনা সম্পাদক যোগাযোগ কৰিব। ৯ ছেপ্তেম্বৰত উক্ত অনুষ্ঠানটি অংশগ্রহণ কৰিবৰ বাবে ১৬ জনীয়া দল এটি বাছনি কৰা হয় আৰু তর্ক সম্পাদক চাহিল আনচাৰীৰ নেতৃত্বত ১২ ছেপ্টেম্বৰ লৈকে অনুশীলন চলাই থাকে। দলটিত অধ্যক্ষ হিচাপে দীপাংকৰ দত্ত, সম্পাদক হিচাপে ৰেমনং লাংচাং, শাসকীয় দলৰ দলপতি হিচাপে পাৰংগম শর্মা আৰু বিৰোধী দলৰ দলপতি হিচাপে পার্থ বৰাক নির্বাচন কৰা হয়। শাসকীয় দলটিৰ অন্যান্য সদস্য হিচাপে শিল্পী ফুকন, উমাকান্ত টাই, অনুশ্রী বৰপাত্র গোহাঁই, বাজকমল ফুকন, ৰোজলীনা শইকীয়াক নির্বাচন কৰা হয়। বিৰোধী দলটিৰ সদস্য হিচাপে ৰাহুল চাহ, ক্রমণিকা গগৈ, আফ্রিদ আহমেদ বৰা, শচীন নৰহ, অনুৰাগ সোনোৱালক নির্বাচন কৰা হয়। দলটিত ৰাজু দাসক মাৰ্শ্বাল হিচাপে বাছনি কৰা হয়।

আমি ১৩ ছেপ্টেম্বৰত দলটি পুৱা ৫.৩০ মান বজাত কানৈ মহাবিদ্যালয়ৰ চৌহদত একলগ হৈ ৬ বজাত দুলীয়াজান অভিমুখে যাত্রা কৰোঁ। এই যাত্রাত আমাৰ মাজত ছাত্র একতা সভাৰ আলোচনী আৰু সাহিত্য সম্পাদক নয়নজ্যোতি কুর্মিয়েও তর্ক আৰু আলোচনা সম্পাদক চাহিল আনচাৰীৰ সৈতে দলটিৰ নেতৃত্ব বহন কৰে। গান-নাচ কৰি আনন্দ-উল্লাহেৰে আমি সকলোৱে যাত্রাৰ সময়খিনি উপভোগ কৰো। ৮.৩০ মান বজাত দুলীয়াজান ক্লাবত প্রৱেশ কৰাৰ পিছতে আয়োজক সমিতিয়ে আমাক সুন্দৰভাৱে আদৰণি জনায়। অলপ সময় জিৰণি লোৱা পিছত আমাক লঘু আহাৰৰ বাবে আদৰি নিয়ে। উক্ত সভালৈ যোৰহাট লোকসভা সমষ্টিৰ সন্মানীয় সাংসদ গৌৰৱ গগৈ দেৱৰ লগতে সমাজৰ বহু গৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। যুৱ প্রজন্মৰ ৰাজনৈতিক শিক্ষাৰ প্রয়োজনীয়তাৰ ওপৰত গৌৰৱ গগৈ দেৱে সুন্দৰ বক্তব্য আগবঢ়ায়। ১১.৩০ মান বজাৰ পৰা প্রতিযোগিতাখনে অগ্রগতি লয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অহা দলটিয়ে উপস্থাপন কৰাৰ পিছত টাটা সমাজ বিজ্ঞান প্রতিষ্ঠানৰ পৰা অহা দলটিয়ে তেওঁলোকৰ বক্তব্য আগবঢ়ায়। বহু আগ্রহ উৎকণ্ঠাৰে আমাৰ দলটিয়ে তেওঁলোকৰ উপস্থাপন উপভোগ কৰোঁ। দেশৰ বিভিন্ন সমস্যা প্রকাশ কৰাৰ লগতে সমস্যাসমূহৰ সমাধানৰ উপায়ো বর্ণনা কৰিছে। বৰ সুন্দৰভাৱে উপস্থাপন কৰাত এক প্রকৃত লোকসভাৰ অধিৱেশনৰ দৰে দৃশ্যপট দেখিবলৈ পোৱা গৈছিল। তেওঁলোকৰ উপস্থাপন দেখি আমাৰ দলটিয়েও বহুতো কথা জানিবলৈ পালে। তাৰ পিছতেই শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ দলটিয়ে তেওঁলোকৰ উপস্থাপন আগবঢ়ায়। তেওঁলোকৰ উপস্থাপন আগবঢ়াওঁতেই সন্ধিয়া হ'ল। গতিকে আমাৰ দলটিয়ে পিছ দিনা অর্থাৎ ১৪ ছেপ্টেম্বৰত নিজৰ উপস্থাপন আগবঢ়াব। আয়োজক সমিতিয়ে আমাৰ দলটিক দুলীয়াজানৰ আছুৰ কার্যালয়ত থকাৰ ব্যৱস্থা কৰি দিয়ে। সেই কার্যালয়তে অসমৰ



বিভিন্ন প্ৰান্তৰ পৰা অহা মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ দলসমূহক থকাৰ ব্যৱস্থা কৰা হয়। যাৰ ফলত ভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ দল সমূহৰ সৈতে মত বিনিময় কৰাৰ এক সুযোগ লাভ কৰিলোঁ। সঁচাই প্ৰত্যেক দলৰ বিষয়ববীয়াসকল বহুতো প্ৰতিভাশালী। আয়োজক সমিতিয়ে সন্ধিয়া সকলোকে পুনৰ আহাৰ গ্ৰহণ কৰিবলৈ লৈ যায়। তাৰ পৰা উভতি আহি পুনৰ আমাৰ দলটিৰ বিষয়ববীয়াসকলে ৰাতি কিছু সময় অনুশীলন কৰে। সেই সময়খিনিতে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতি দেৰাশীষ দুৱৰা উপস্থিত থাকি কিছু পৰামর্শ আগবঢ়ায়। এনে অনুশীলনৰ পিছতেই পুনৰ আমাৰ মাজত কিছু আনন্দ ফূৰ্তি আৰম্ভ হয়। অন্য দলবোৰৰ মুখতো কানৈ মহাবিদ্যালয়ৰ তথা কানৈয়ানৰ প্ৰশংসা শুনি কিছুৰে দুই এটি গীত গুণগুনালে আকৌ কিছুৰ মুখত সুন্দৰ কবিতা আৰু সংলাপ। এনেদৰেই কেতিয়ানো ক'লা ডাৱৰে ছানি ধৰা আন্ধাৰৰ ৰাতি আহো আহো বুলি বাট চাই ৰোৱা টোপনিটো আহি লগ দিলে গমেই নাপালোঁ। পুৱা ৬ মান বজাত সকলোৱে শোৱাপাটি এৰি গা-মুখ ধুই প্ৰতিযোগিতালৈ ৰাওনা হ'লো। প্ৰতিযোগিতা প্ৰথম উপস্থাপন কৰে জে বি কলেজে। তাৰ পিছতে আমাৰ দলটিৰ উপস্থাপন আছিল। আমি সকলোৱে একলগ হৈ কানৈ মহাবিদ্যালয়ক হৃদয়াংগম কৰি প্ৰাৰ্থনা কৰিলোঁ যাতে ভুল ত্ৰুটি নোহোৱাকৈ আমি ১০০ শতাংশই শ্ৰেষ্ঠ প্ৰদৰ্শন দিব পাৰো। আমাৰ নাম ঘোষণা কৰাৰ লগে লগেই মঞ্চত প্ৰৱেশ কৰি আমাৰ উপস্থাপন আৰম্ভ কৰিলোঁ। নিৰীক্ষকে বান্ধি দিয়া ১ ঘণ্টা সময়ৰ ভিতৰতে আমি আমাৰ শ্ৰেষ্ঠ প্ৰদৰ্শনৰ যোগেদি মঞ্চ এৰিলোঁ। দৰ্শকৰ হাত চাপৰিয়ে আমাক আৰু উৎসাহিত কৰিলে। আমি আমাৰ বজ্ৰ কণ্ঠৰে মঞ্চ কপাবলৈ সক্ষম হ'লোঁ। আমাৰ দলটিৰ পৰিৱেশনৰ পিছত আন কেইবাটাও দলে পৰিৱেশন কৰিলে। প্ৰতিযোগিতা শেষ হোৱাৰ লগে লগেই মুকলি সভা আৰু বঁটা বিতৰণি সভা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত আমাৰ দলটিয়ে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম নহ'ল যদিও আমাৰ সুন্দৰ পৰিৱেশনৰ জৰিয়তে সকলোৰে হৃদয় জয় কৰিলোঁ। কানৈ মহাবিদ্যালয়ৰ জয়যাত্ৰা অব্যাহত ৰাখিলো। এই অনুষ্ঠানে আমাক প্ৰত্যেককে বহুতো অভিজ্ঞতা, স্মৃতি প্ৰদান কৰিলে। দুলীয়াজানক বিদায় দি এনে সুন্দৰ অভিজ্ঞতা লৈ আনন্দেৰে পুনৰ আমাৰ কৃষ্ণচূড়া আৰু দেৱদাৰুৰ মায়ানগৰী কানৈ মহাবিদ্যালয়লৈ ৰাওনা হ'লো।

শেষত যুৱ সংসদ অনুষ্ঠিত কৰা অইল ইণ্ডিয়া লিমিটেড, মেধা এডুকেয়াৰ ফাউণ্ডেশন, দুলীয়াজানৰ বিভিন্ন দল সংগঠন আৰু ৰাইজক অন্তৰৰ গভীৰ কোণৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। এনে অনুষ্ঠানত অংশীদাৰ হোৱাৰ সুবিধা কৰি দিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া ছাৰ লগতে অনুশীলনত বিশেষ ভাৱে সহায় আগবঢ়োৱা ড° মনমী বৰুৱা বাইদেউ,শিৱনাথ চুতীয়া ছাৰ, হানিফা ৰহমান বাইদেউকো ধন্যবাদ জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা সম্পাদক চাহিল আনচাৰী, সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মি সহিতে মহাবিদ্যালয়ৰ যুৱ সংসদ দলৰ প্ৰতিগৰাকী অংশগ্ৰহণকাৰীলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ◆

সাক্ষাৎকাৰ



পদ্মশ্ৰী দুলাল মানকিদেৰৰ সৈতে এক চমু বাৰ্তালাপ

সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা ঃ **নয়নজ্যোতি কুৰ্মি**

নয়নজ্যোতি কুৰ্মি ঃ নমস্কাৰ ছাৰ। পোন প্ৰথমেই আপুনি ইমান ব্যস্ততাৰ মাজতো আমাক কিছু সময় দিয়াৰ বাবে অশেষ কৃতজ্ঞতা জনালোঁ। ছাৰ প্ৰথমতেই আপোনাৰ জন্ম শৈশৱ আৰু কৈশোৰ শিক্ষা জীৱনৰ বিষয়ে কিছু কথা অমাক জনাওকচোন।

দুলাল মানকি ঃ হয় ধন্যবাদ নয়নজ্যোতি। মোৰ জন্ম ১৯৬৪ চনৰ ১২ আগষ্ট তাৰিখে তিনিচুকীয়া জিলাৰ দৈদাম চাহ বাগিচাত হৈছিল। মোৰ পিতৃৰ নাম স্বৰ্গীয় মথুৰ চন্দ্ৰ মানকি আৰু মাতৃৰ নাম স্বৰ্গীয়া যশোদা মানকি। মোৰ শৈশৱ দৈদাম চাহ বাগিচাত পাৰ হৈছে। দৈদাম চাহ বাগিচাতে মই মোৰ প্ৰাথমিক শিক্ষা আৰম্ভ কৰোঁ আৰু ববহাপজান হাইস্কুলৰ পৰা শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ডুমডুমা মহাবিদ্যালয়ৰ পৰা কলেজীয়া শিক্ষা গ্ৰহণ কৰোঁ।

নয়নজ্যোতি কুৰ্মি ঃ ছাৰ সংগীতৰ সৈতে আপুনি কেনেদৰে জড়িত হৈ পৰিল আৰু আপুনি দৈদাম চাহ বাগিচাৰ পৰা গৈ পদ্মশ্ৰী বঁটা লাভ কৰিবলৈ কেনেদৰে সক্ষম হলগৈ?

দুলাল মানকি ঃ মই আচলতে এনেকৈ গান গাই জীয়াই থাকিব লাগিব, সঙ্গীত চৰ্চা কৰিব লাগিব বুলি নিজেই ভবা নাছিলোঁ কিন্তু মোৰ ঘৰত এটা সংগীতৰ পৰিৱেশ আছিল, মোৰ দেউতা আৰু মায়ে গান গাইছিল। মই দৈদাম চাহ বাগিছাৰ এল. পি. স্কুলতে পঢ়িছিলোঁ মোক মাষ্টৰে ভাল পাই কেতিয়াবা বেঞ্চত থিয় কৰাই মোক কয় দুলাল গান গা, ছাৰক ভয়ো কৰিছিলোঁ, তেতিয়া মই সেই তেতিয়াৰ দিনৰ ভূপেন হাজৰিকাৰ 'মন ঘনে ঘনে বিনায়' সেইবোৰ গীত গাইছিলোঁ। মোক মোৰ এজন গুৰুৱে কৈছিল, তোমালোকৰ যে গীতবোৰ আছে তোমালোকৰ গীতবোৰ এতিয়াও প্ৰচাৰ হোৱা নাই, তুমি এটা কাম কৰিবা তোমালোকৰ গীতবোৰ ভালদৰে চৰ্চা কৰিবা আৰু সকলো ৰেকৰ্ড কৰিবা। মই তেতিয়াৰ পৰাই ১৯৮৮, ১৯৮৯-ৰ পৰা ক্ৰমান্বয়ে মই বহুত গীত ৰেকৰ্ড কৰিলোঁ আৰু ভূপেনদাৰ মিউজিকত মই এটা ঝুমইৰ গীতো গাইছিলোঁ। এনেদৰে সংগীতৰ চৰ্চা কৰি কৰি

মই কব নোৱাৰাকৈয়ে পদ্মশ্ৰী সন্মান লাভ কৰিবলৈ সক্ষম হ'লোঁ। ভাৰতবৰ্ষৰ সৰ্বোচ্চ এটি সন্মান মই জীৱনত কোনোদিনে লাভ কৰিম বুলি ভবা নাছিলোঁ।

নয়নজ্যোতি কুৰ্মি ঃ ছাৰ আপোনাক সকলোৱে ঝুমইৰ সম্ৰাট বুলি চিনি পায়। আপুনি ঝুমইৰ গীতৰ বাহিৰে আৰু কি কি গীতত কণ্ঠদান কৰিছে।আপুনি ঝুমইৰ সম্পৰ্কত কিছু তথ্য নবীন সকলৰ বাবে জনাবচোন।

দুলাল মানকি ঃ মই কেৱল ঝুমইৰ গীত গাওঁ তেনে নহয়। বিহু,কামৰূপী লোক গীত, বঙালী, হিন্দী, ভোজপুৰী আদি বহুতো গীতত কণ্ঠদান কৰিছোঁ। আজি-কালিৰ ল'ৰা-ছোৱালীবোৰে ঝুমইৰ কি হয় নাজানে বা জানিবও নোখোজে। কৰম পৰৱ উপলক্ষে ওৰে নিশা জুৰি পৰিৱেশন কৰা জাগৰণ নৃত্য বা গীতসমূহেই হৈছে ঝুমইৰ নৃত্য-গীত। আখড়া নৃত্যত নচা ছোৱালীবোৰক পেলনী বুলি কোৱা হয়। পেলনীসকলে কঁকালত ধৰা-ধৰিকৈ ঝুম পাতি বৃত্তাকাৰে ঢোল-মাদল আৰু নাগাৰাৰ তালে তালে নৃত্য গীত পৰিৱেশন কৰে। চাহ জনগোষ্ঠীৰ সম্প্ৰদায়ৰ মাজত প্ৰচলিত স্বকীয় বৈশিষ্ট্যপূৰ্ণ নৃত্য গীতসমূহ আজিও বিভিন্ন উপজাতিয়ে সমানে গ্ৰহণ কৰি আহিছে। এই ঝুমইৰ নৃত্য গীতসমূহ ঠাঁট বা প্ৰকাৰসমূহ হৈছে—

১) আখড়া বন্দনা
২) ডাড়শালীয়া
৩) গলোৱাৰী
৪) ঝিঙাফুলীয়া
৫) খেমটা আৰু ৰং
৬) আধাৰাতীয়া আৰু
৭) ভিনসৰীয়া

নামে প্ৰচলিত হৈ আছে।

ঝুমইৰ নৃত্য গীতত প্ৰথমে আখড়া বন্দনা কৰা হয়। প্ৰথমতে মা সৰস্বতী দেৱীৰ চৰণ বন্দনা কৰি গীত গোৱাৰ লগতে আখৰাত অংশগ্ৰহণ কৰা শিল্পী সকলে নৃত্য কৰা চোতালখনৰো আনন্দ পৰিৱেশৰ বৰ্ণনা ডাঙি ধৰি গীত নৃত্য আগবঢ়াই নিয়া হয়। এই নৃত্যত ভক্তি ভাৱত মা সৰস্বতীৰ আশিষ বিচাৰি গোটেই নিশা জুৰি যাতে উদাত্ত কণ্ঠে গীত পৰিৱেশন কৰিব পাৰি তাকেই কামনা কৰে।

আখড়া বন্দনাৰ পিছতেই ডাড়শালীয়া ঝুমইৰ নৃত্য-গীত পৰিৱেশন কৰা হয়। ডাঁড়শালীয়া শব্দৰ অৰ্থ হৈছে 'ডাইড়' অৰ্থাৎ কঁকালত ধৰা-ধৰিকৈ ঢোল, মাদল আৰু নাগৰাৰ তালে তালে ঝুমৰীয়াই গীত পৰিৱেশন কৰাৰ লগে লগে অৰ্ধচক্ৰাকাৰে জুম পাতি নৃত্য-গীত পৰিৱেশন কৰে। ডাঁড়শালীয়া নৃত্য গীত অতি উলাহ-মালহ আৰু আনন্দেৰে পৰিৱেশন কৰা হয়। ইয়াকে ডাঁড়শালীয়া ঝুমইৰ কোৱা হয়।

বিশেষকৈ শৰত ঋতুত বিভিন্ন ফুলে সকলোৰে হিয়াত দোলা দি যায়। এই ঝুমইৰ নৃত্য-গীতৰ ঢোল মাদলৰ তালে মন প্ৰাণ দেহ উতনুৱা কৰে। ঝুমৰীয়াই কাশীফুল, ঝিঙাফুল, বৌৱাফুল , কঁহুৱা ফুলৰ উপমাৰে নৃত্য গীত কৰা পেলনিসকলক এই নানা ফুলৰ লগত ৰিজাই বাবে এই গীতক ঝিঙাফুলীয়া ঝুমইৰ বুলি কোৱা হয়।

তাহানিতে ঝাৰখণ্ডৰ লোকসকল সৰু সৰু ৰাজ্যত বাস কৰিছিল। সেই সৰু ৰাজ্যত বসৰাস কৰা লোকসকলক গলৰাৰ বুলি কোৱা হৈছিল। সেই লোকসকলে নিশাৰ নিজান পৰিৱেশত হৃদয়ৰ নিভৃত কোণৰ বেদনা, হিয়াৰ আকূতিক অতিকৈ গহীন আৰু দাৰ্শনীক ভাৱৰ সৈতে প্ৰকাশ কৰে। এই ঝুমইৰ নৃত্য-গীতৰ তালে তালে গোৱা গীতসমূহক গলৰাৰ ঝুমইৰ বুলি কোৱা হয়। সেই গীতবোৰ সাধাৰণতে গম্ভীৰ ভাৱে আৰু হৃদয়ৰ দুখ বেদনাৰ কথা প্ৰকাশ পায়।

খেমটা আৰু ৰং হৈছে কৰম আখৰাতলীত ঝুমইৰ নৃত্য গীতৰ পিছতেই আনন্দ উল্লাহৰ মাজেৰে ঢোল মাদলৰ তালে তালে পেলনীসকলক অধিক দৃঢ়তাৰে নচুৱাবলৈ খেমটা তালত ঝুমইৰ নৃত্য গীত পৰিৱেশন কৰে। ঝুমইৰ গীতৰ পাছতেই খেমটা তালৰ ঝুমইৰ গোৱা হয় আৰু ত্ৰা, না, না, শব্দ প্ৰয়োগ কৰি গোৱা হয়।

আধাৰাতীয়া শব্দৰ অৰ্থ হৈছে মাজনিশা অৰ্থাৎ কৰম আখড়াথলীত মধ্য ৰাতি যিবোৰ গীত গোৱা হয় সেই গীতসমূহক আধাৰাতীয়া ঝুমইৰ বুলি কোৱা হয়।

কৰম আখড়াথলীত নিশাৰ অন্তিম প্ৰহৰত গোৱা গীতসমূহেই হৈছে ভিনসৰীয়া ঝুমইৰ। পুৱতি নিশাৰ ব্ৰহ্মমুহূৰ্তত বেলি ওলোৱাৰ আগমুহূৰ্তলৈকে যিবোৰ গীত গোৱা হয় তাকেই ভিনসৰীয়া গীত বুলি কোৱা হয়।

নয়নজ্যোতি কুৰ্মি ঃ অশেষ ধন্যবাদ ছাৰ,আমিও ঝুমইৰ সম্পৰ্কে যথেষ্টখিনি অৱগত হ'লোঁ। ছাৰ আপোনাৰ বৰ্তমান সময়ৰ কাম কাজ সমূহৰ বিষয়ে জানিব পাৰিম নেকি?

দুলাল মানকি ঃ বৰ্তমানৰ কাম কাজ বুলি ক'ৰলৈ গ'লে আমাৰ লোকগীতসমূহ অৰ্থাৎ আমাৰ মাজৰ পৰা হেৰাই যাব ধৰা গীত সমূহৰ কিছু গীত বাণীবদ্ধন কৰি আছোঁ আৰু বৰ্তমান অসমৰ চাহ জনগোষ্ঠীৰ বিভিন্ন সংস্কৃতি আৰু



লোকাচাৰসমূহৰ ওপৰত গৱেষণামূলক তথ্য চিত্ৰ নিৰ্মাণৰ কামত কিছু ব্যস্ত হৈ আছোঁ।

নয়নজ্যোতি কুৰ্মি ঃ ছাৰ বৰ্তমান সময়ত ঝুমইৰ গীতবোৰ বিকৃত হৈছে নেকি?

দুলাল মানকি ঃ ঝুমইৰ গীতবোৰৰ নিজা বৈশিষ্ট্য আছে— বৰ্তমানৰ শিল্পীসকলে এই গীতসমূহৰ মানদণ্ড বজাই ৰখাত ব্যৰ্থ হৈছে। এচাম লোকে চাদ্ৰী ভাষাত ৰচিত সকলো গীতকে ঝুমইৰ গীত বুলি ভাৱে— ঝুমইৰ গীতসমূহত কিছুমান নিৰ্দিষ্ট থলুৱা বাদ্য-যন্ত্ৰ ব্যৱহাৰ কৰা হয় কিন্তু, বৰ্তমানৰ উদীয়মান শিল্পীসকলে বিভিন্ন আধুনিক বাদ্য-যন্ত্ৰ ব্যৱহাৰ কৰি গীতবোৰৰ সু�ৰসমূহ ভিন্ন কৰি তুলিছে।

নয়নজ্যোতি কুৰ্মি ঃ ছাৰ আপুনি বৰ্তমানলৈ কিমান গীতত কণ্ঠদান কৰিছে বাৰু?

দুলাল মানকি ঃ যিহেতু মই পোনতেই কৈছোঁ সৰুৰে পৰা গীত গাই ভাল পাওঁ। গুৰু মুনীদ্ৰ দে', পণ্ডিত হৰিভূষণ মজুমদাৰৰ তত্ত্বাৱধানতে সংগীত বিশাৰদ লাভ কৰিলোঁ। অসমৰ বহুতো বিশিষ্ট শিল্পীৰ স'তেও বহুতো গীতত কণ্ঠদান কৰিছোঁ। বৰ্তমানলৈ মই কিমান গীতত কণ্ঠদান কৰিছোঁ হয়তো তাৰ সঠিক উত্তৰ মোৰ ওচৰত নাই। ১৯৮২ চনত 'চাহ জনজাতিৰ লোকগীত' বাণীবদ্ধন কৰিছিলোঁ, সংগীত পৰিচালক আছিল শ্ৰদ্ধাৰ ভূপেন উজিৰ। তাৰ পিছতে কণ্ঠদান কৰা বিভিন্ন গীতৰ ৰেকৰ্ডসমূহৰ ভিতৰত স্বস্তী, অসমীয়া ভক্তিমূলক গীত, ৰিমঝিম বৰষা, অসমীয়া আধুনিক গীত, ওহে মন ভাই, কামৰূপী লোক গীত আদি। ঝুমইৰ গীতৰ এলবামৰ ভিতৰত প্ৰেমেৰ দধি, চান্দমণি, পহিলা পিৰিতী, প্ৰেমধন, সহচৰি, আখড়া চান্দমণি, বৌৱা ফুল, ফুল জেইচন তৰে চেহেৱা, পায়েল, ঝালাৰ মাৰৱা আদিৰ লগতে প্ৰিয়জন,সপোন, বন্ধন, চাহ গছৰ কুমলীয়া পাত, কৰমাকেৰ ৰাইত, শ্ৰীমন্ত শংকৰদেৱ, সাত নম্বৰ দুচমন, দিৱানা আদি বোলছবিতো কণ্ঠদান কৰিছোঁ।

নয়নজ্যোতি কুৰ্মি ঃ ছাৰ আপুনি অসমৰ সাংস্কৃতিক ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াইছে আৰু সেইবাবে ৰাইজে আপোনাক যথেষ্ট মৰম আৰু সন্মান প্ৰদৰ্শন কৰিছে, এই সম্পৰ্কত আপোনাৰ অনুভৱ কি?

দুলাল মানকি ঃ মই বঁটা বা সন্মান লাভ কৰিবলৈ কাম কৰা নাই। সংগীত মোৰ সাধনা। এই সাধনাৰ যোগেদি ৰাইজে মোক যথেষ্ট মৰম দিছে। বিভিন্ন সময়ত মই কিছু বঁটাও লাভ কৰিছোঁ। তাৰে ভিতৰত ২০০৯-১০ চনত শ্ৰীমন্ত শংকৰদেৱ বোলছবিৰ শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ প্ৰাগচিনে এৱাৰ্ড, ২০১৩-১৪ চনত উপেন কাকতি বঁটা, ২০১৩-১৪ চনত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ Eastern Zone Cultural Center-ৰ দ্বাৰা 'গুৰু অৰ ঝুমইৰ' উপাধি, ২০১৮ চনত 'শিৰীষ শিল্পী বঁটা, ২০২১ চনত ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান লগতে ৰাজ্যিক আৰু স্থানীয়ভাৱেও কিছু বঁটা লাভ কৰিছোঁ। ৰাইজে মোক ভাল পায় বাবেই এনে বঁটাবোৰ লাভ কৰিবলৈ সক্ষম হৈছোঁ।

নয়নজ্যোতি কুৰ্মি ঃ আশা কৰিছোঁ আপোনাৰ কৰ্মৰ বিষয়ে সকলোৱে জানক লগতে আপোনাৰ এই মূল্যবান কথাকেইটাই নৱপ্ৰজন্মক উপকৃত কৰিব আৰু তেওঁলোকক অনুপ্ৰাণিত কৰিব সংস্কৃতিৰ পথাৰখন সাৱৰা কৰিবলৈ।

শেষত পুনৰবাৰ ছাৰলৈ ধন্যবাদ জনালোঁ আৰু অনাগত সময়ত আকৌ লগ পোৱাৰ আশা ৰাখিলোঁ। ধন্যবাদ।♦

নীলা খামৰ চিঠি



স্নেহা কলিতা

মৰমৰ

জান,

মৰম ল'বা। মোৰ প্ৰেমৰ প্ৰস্তাৱৰ কোনো উত্তৰ নাই। আজি দুই সপ্তাহেই হ'ল। সাগৰৰ টোৱোৰৰ দৰে মোৰ বুকুত আজিও তোমাক দেখা পালে সেই টোৱোৰ উঠিব ধৰে। তোমাৰ প্ৰেমত উন্মাদ হৈ থকা হৃদয়খনক অলপ সকাহ দিয়া। নাজানো মোৰ প্ৰতি তোমাৰ অনুভৱ কি? মই তোমাৰ কোন বুলি সোধাৰ অধিকাৰো মোৰ নাই। মোৰ যদি কিবা আছে, সেয়া হৈছে তোমাৰ প্ৰতি থকা অযুত মৰম, সন্মান। মোৰ হাতত একো নাই। যি আছে নিয়তিৰ ওচৰতেই। মই কেৱল তোমাক ভাল পাই যাম। তাৰ ফল তুমি মোক কি দিয়া সেয়া তোমাৰ হাতত।

আন কোনোবাই কোৱাৰ দৰে তোমাৰ বাবে সলনি হ'ম বুলিও নকওঁ। তুমিও সলনি হ'ব নালাগে। তোমাক মই তুমি ৰূপতেই স্বীকাৰ কৰিম। বিচাৰিছো কেৱল ভালপোৱা।

খৰাঙৰ বতৰতো বোৱতী নদীৰ পানীৰ দৰে তোমাক ভালপোৱাৰে জীপাল কৰি ৰাখিব পাৰিম। ৰামধেনুৰ ৰঙৰ দৰে সকলো ৰঙৰ সুখ দিম। সুখৰ সমভাগী কৰিব নালাগে মোক, দুখৰ কান্দোনবোৰৰ ৰোল কেৱল মোৰ বুকুৰ মাজতেই আৱদ্ধ হৈ থাকক। কিবা হ'লে মোক আহি বিৱৰণ দিব নালাগে। মাথো দুহাতেৰে মোক সাৱটি ল'বা।

তোমাৰ পৰশ পালে বুঢ়া ডালতো কুঁহিপাত ওলাব। তুমি অহাৰ খবৰ পালে মোৰ পদূলিত বকুল ফুলিব। তুমি কেৱল মোৰ জীৱনলৈ আহা। তোমাৰ জীৱন সজাই তোলাৰ দায়িত্ব মোৰ।


মনত ৰাখিবা। মই কিন্তু বহুত অভিমানী। তোমাৰ উত্তৰ নাহিলেও মোৰ কলম থমকি নৰয়। উত্তৰত লাগিলে তুমি মোক যিয়েই নিলিখা। মাথো উত্তৰটি মোক দিবা।

তোমাৰ উত্তৰলৈ হেঁপাহেৰে বাট চাই থাকিম। আকৌ কৈছো বহুত মৰম আৰু সন্মান তোমালৈ বুলি।



তোমাৰ মৰমৰ
জানমণি।

নীলা খামৰ চিঠি



কিৰণময়ী সোণোৱাল

মৰমৰ,

পোন প্ৰথমে মোৰ এই প্ৰেমিকা হৃদয়ত অনবৰতে বৰষি থকা মৰমবোৰ ল'বা। আশাকৰোঁ তুমি ভালেই আছা। আজি বহু দিনেই হ'ল, তোমাৰ লগত কথা নপতা। ইমান বুজনি দিওঁ এই অভিমানী হৃদয়খনক বুজাব নোৱাৰো। তোমালৈ বুলি হাতত কলম তুলি ল'লো। তোমাৰ চাগে মনত নিশ্চয় আছে। সেই অতীতৰ মধুৰ মুহূর্তবোৰ য'ত কেৱল তুমি, মই আৰু ভাল লগাবোৰ। তোমাৰ লগত কটোৱা প্ৰতিটো দিনেই যেন এনেকুৱা লাগিছিল যে সময়বোৰ সদায় তোমাৰ আৰু মোৰেই হৈ ৰওঁক চিৰদিনৰ বাবে। কিন্তু লাহে লাহে সেই ইটোৰ সিটোৰ মাজত বিলীন হ'ব খোজা সম্বন্ধটোত মামৰে ধৰিলে। তোমাৰ আৰু মোৰ মাজত কথাবোৰ একেবাৰেই নিমিলা হ'ল। তুমি মোৰ পৰা লাহে লাহে আঁতৰি গ'লা। তুমি হয়তো নাজানা, তোমাৰ অবিহনে মোৰ ডায়েৰীৰ পৃষ্ঠাবোৰ বৰ উকা উকা যেন লাগে। এই উকা পৃষ্ঠাবোৰ দেখি অতীতৰ ৰঙীন পৃষ্ঠাবোৰে বৰকৈ কান্দে। নাই নাই, বুজাব নোৱাৰো কেতিয়াও নিজকে, তোমাক জানো বুজাব পাৰিম! মাথো ডায়েৰীৰ সেই ৰঙীন পৃষ্ঠাবোৰতে চিৰদিন আমাৰ ভালপোৱা সজীৱ হৈ থাকিব। কেতিয়াবা মনত বৰকৈ আঘাত লাগে জানা! কিছুমান অৰ্থহীন কথাৰে আমাৰ প্ৰেম নামৰ মধুৰ সম্পৰ্কটিত কেৰুণ লগালো।

মনে মনে যেন আকৌ তোমাকে ধিয়াই থাকো, তোমাৰ স্মৃতিয়ে মোৰ মনৰ সাগৰখনত টো সিঁচি থৈ যায়। তোমাৰ মন বাগিচাৰ গোলাপ হ'ব নোৱাৰিলো যদিও তোমাৰ হৃদয়ৰ শেৱালি জোপা হৈ সুগন্ধি বিয়পাম। শেষত তোমালৈ মোৰ পৰা এসাগৰ মৰম আৰু ভালপোৱা নিগৰাই কলমটি সামৰিলোঁ।

ইতি
তোমাৰ অভিমানী প্ৰেয়সী
কিৰণময়ী



নীলা খামৰ চিঠি



মহম্মদ চাহিল

মৰমৰ, চেনেহৰ জুহী,

হিয়াৰ মৰমবোৰ আপোনাক নিঃস্বার্থভাৱে অর্পণ কৰিলোঁ। আপুনি মৰমবোৰ কিদৰে গ্রহণ কৰে সেয়া আপোনাৰ ইচ্ছা। মই জোৰ নকৰোঁ। কাৰণ জোৰ কৰি মৰম আদায় কৰিব নোৱাৰি। কিন্তু জানো মৰম, ভালপোৱাৰে ব্রজৰ দৰে কঠোৰ হিয়াকো বশ কৰিব পাৰি। জানেনে আপুনি, প্রেমত পৰিলে মানুহে পৃথিৱীখনকে ধুনীয়া দেখে। ময়ো আপোনাৰ প্রেমত পৰি পৃথিৱীখনক ধুনীয়া দেখা হ'লোঁ। মানুহক ভাল পাবলৈ শিকিছোঁ। মানুহবোৰৰ কুটিল চৰিত্রবোৰকো সেয়া মানুহৰ স্বভাৱজাত আচৰণ বুলি সহজভাবে গ্রহণ কৰিবলৈ আপোনাৰ ভালপোৱাই শিকাইছে। কবি নীলিম কুমাৰে প্রেমৰ লক্ষণ সম্পর্কত কি কৈছে জানে প্রেমত পৰিলে প্রেমিক গৰাকীৰ কথাকে আনৰ আগত ক'বলৈ মন যায়। সঁচাকৈয়ে ময়ো আজিকালি আপোনাৰ কথাই আনৰ আগত প্রকাশ কৰি ভাল পাওঁ।


কেৱল মানুহৰ আগতেই নহয় ফেচবুকতো আপোনাৰ কথাৰে পোষ্ট দিও'। এইবোৰ শুনি, পঢ়ি অনেকে ফিচিঙা ফিচিঙ কৰে, কিছুমানে পেনপেনীয়া বুলি কয়, আকৌ কিছুৰে সেয়া তোমাৰ ব্যক্তিগত কথা কিয় ৰাজহুৱা কৰিব লাগে বুলি কয়। মোক ভালপোৱা সকলে আকৌ তোমাৰ ব্যক্তিত্ব খহনীয়াত জাহ যাব বুলি সোঁৱৰাই দিয়ে। পিছে অনেকৰ অনেক কথা শুনিয়ো মই আপোনাৰ ভালপোৱাক নিজৰ হৃদয়তে সঞ্চয় কৰি ৰাখিব বিচাৰিও আপোনাক ভালপোৱাৰ কথাবোৰ দেখোন বোঁৱতী পানীৰ দৰে স্বতঃস্ফূতভাৱে বৈ আহে। কাৰণ মই আপোনাক ভাল পাওঁ যে। ভালপোৱা ক'ত, কেতিয়া, কেনেকৈ হৈ যায় কোনো ক'ব নোৱাৰাৰ দৰেই আপোনাৰ প্রতি মোৰ ভালপোৱাও হঠাতে হৈ গ'ল। আপুনি চাগে এই কথা সামান্যতমো গম নাপায়। গম পালেও চাগে মোক উমান দিয়া নাই। আপোনাৰ আৰু মোৰ মাজত তেনেকৈ বার্তালাপো হোৱা নাই। বহু মাহৰ বিৰতিতহে আপোনাৰ খবৰ লোৱা হয় কিন্তু আপোনাৰ কথা, ইতিবাচক দৃষ্টিভংগীয়ে মোক আপোনাৰ প্রতি ভালপোৱাৰ জন্ম দিলে। আপুনি মোৰ ভালপোৱাক আপোনাৰ হিয়াত স্থান দিয়ে নে নিদিয়ে এই কথা মই নাজানো কিন্তু আপোনাৰ ভালপোৱাই মোক ভাল হ'বলৈ শিকাইছে, পৃথিৱীখনক ধুনীয়া দেখিবলৈ প্রেৰণা দিছে, জীয়াই থাকিবলৈ ভীষণ শক্তি দিছে, হাঁহিবলৈ, গান গাবলৈ, বেয়া মানুহকো ভাল পাবলৈ মনোবল দিছে- ইয়াতকৈ আৰু আপোনাৰ ভালপোৱাৰ পৰা কি লাগে? আপোনাৰ ভালপোৱাৰ শক্তিয়ে মোৰ ক্লান্তি, দুখ, ভাগৰ, চকুলো সকলো বৌৱাই নিয়ে সেয়া জানো কম সৌভাগ্যৰ কথা নহয়।

ভালপোৱাৰ কথা, বাস্তৱৰ সংগ্রামভৰা জীৱনৰ কথা, পৃথিৱীৰ বিভিন্ন দেশৰ কথা, জোন, বেলি, তৰা, নদী আদি অনেক কথা আপোনাৰ লগত ভাগ বতৰা কৰিবলৈ মন যায় কিন্তু কথাবোৰ উপচি বাগৰি নাহে। ঠেলাঠেলিকে বুকুতে আৱদ্ধ হৈ থাকে। তথাপি বুকুৰ কোণত বিষ নহয় কাৰণ বুকুৰে জানে সেয়া যে ভালপোৱা।

অনাগত দিনবোৰত আকৌ আপোনালৈ মোৰ আৱেগ, ভালপোৱাবোৰ জনাই চিঠি লিখিম। শেষত পুনৰ মৰম জনাই আজিলৈ ইমানতে সামৰিছোঁ।

শেষত আজীৱন আৰু সদায় আপোনাক ভাল পাই থাকিম, মৃত্যুৰ মুহূর্ততো!

নীলা খামৰ চিঠি



লিজা খনিকৰ

মৰমৰ

কানাই...

মোৰ হিয়াৰ একোণৰ পৰা তোমালৈ বুলি সাঁচি ৰখা মৰমৰ টোপোলাটো এই চিয়াঁহীৰে লিখি পঠাইছো, তুমি আদৰি ল'বা বুলি মোৰ বিশ্বাস। নিশ্চয় কুশলে আছা, তুমি ভালে থাকা মানেই মোৰো ভাল। সৰাফুল প্রেমী তোমাৰ এই ৰাধাজনী সদায় কানাইৰ বাবেই বাউলী। তোমাৰ বাঁহীৰ সুৰত মতলীয়া এই ৰাধাক প্রেমক আকোৱালি তুমি ল'বাই এই ৰাধাজনীৰ প্রেমে তোমাক এদিন স্পর্শ কৰিবই আৰু আমাৰ মিলনে যিদিনা প্রাপ্তিৰ হাঁহিৰে জিলিকিব সেইদিনাই তুমি মোৰ প্রিয় বাঁহীৰ সুৰটো বজাবা আৰু সেই সুৰতেই মই ৰাধাই বাউলী হৈ নাচিম। দিনৰ পাছত দিন, ৰাতিৰ পিছত ৰাতি হৈয়েই আছে, তোমাৰ নামত ৰোৱা সেই শেৱালি জোপা লহ-পহকৈ বাঢ়িছে। দুই এপাহ ফুল ফুলো-নুফুলোকৈ ফুলিছে। দুই, এদিনৰ পিছত সৰিও পৰিব আৰু সেইজোপা ফুলৰ সুগন্ধিতেই আমি আমাৰ জোনাকী নিশাৰ পাতনি মেলিম মোৰ কানাই, আৰু মই গাম — 'মাতিলেই নামি অহা জোনাক সিঁচি দিওঁ গুপুতে মই তোমাক...।' অতদিনে তোমালৈ সাঁচি ৰখা মৰমবোৰক তোমাৰ সঁহাৰিৰ বৰ প্রয়োজন অ' কানাই। তোমাৰ ৰাজধানীক বিৰহৰ বেদনাই দহি মাৰিছে অ', তুমি পূর্ণতা দিয়া এই প্রেমক, এই প্রাপ্তিয়ে তাইক সদ্য যৌৱনা কৰি তুলিব। মই ৰাধাজনী তোমালৈ অধীৰ আগ্রহেৰে ৰৈ ৰৈ নিজৰ মাজতেই গুণগুণাইছো 'আহিবা তুমি দুপৰ নিশা, যেতিয়া পৃথিৱী শুৱ, মৰমে আমাৰ দুকোল উপচাই সাগৰ বিচাৰি ব'ব... সাগৰ বিচাৰি ব'ব..।' আজিলৈ সামৰো তুমি আহিবা, এয়াই মোৰ শেষ ইচ্ছা।

ইতি,

তোমাৰ প্রেমত বাউলী ৰাধাজনী



গৱেষণাধর্মী

সাংস্কৃতিক নাৰীবাদৰ আধাৰত ‘তেজীমলা মাকৰ সাধু’ উপন্যাসৰ চৰিত্ৰ বিশ্লেষণ

গীতিমণি গোহাঁই

০.০১ বিষয়ৰ পৰিচিতি ঃ

মানৱ সমাজত প্ৰাকৃতিক কাৰণত যি লিঙ্গভেদ দেখা যায় তাৰ আলমতে যুগ যুগ ধৰি পুৰুষ-নাৰীৰ মাজত কিছুমান কাম-কাজ, চিন্তা-চৰ্চা আৰু মৰ্যাদাজনিত প্ৰভেদ দেখা যায়। এনে প্ৰভেদৰ ফলতে পৃথিৱীৰ প্ৰায়বোৰ সমাজতে নাৰীৰ ওপৰত পুৰুষৰ আধিপত্যবাদী দৃষ্টিভঙ্গীও চলি অহা দেখা যায়। ঘাইকৈ লিঙ্গগত দিশৰপৰাই নাৰী আৰু পুৰুষৰ মাজত পার্থক্য থকা বাবেই এইটো দিশতো সাম্প্ৰতিক সময়তো পুৰুষে নাৰীৰ ওপৰত নিপীড়ণ চলাই আহিছে। এনে পুৰুষৰ আধিপত্যবাদী মনসিকতাৰ প্ৰতিৰোধৰ উদ্দেশ্যেই উনৈছ শতিকাত উত্থান হোৱা এক দর্শন হৈছে নাৰীবাদ যি মানুহ হিচাপে পুৰুষৰ তুলনাত সকলো ক্ষেত্ৰতে নাৰীৰ সমতা আৰু স্বাধীনতা ৰক্ষাত বিশ্বাস কৰে। নাৰীবাদে সমাজত নাৰীৰ সমতা অৰ্জন, বিশেষকৈ পুৰুষৰ সমান অধিকাৰ আদায়ৰ যুক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নাৰীবাদে দাবী কৰে যে নাৰী পুৰুষৰ সমান তথা সক্ষমেই নহয়, সামাজক সমৃদ্ধ কৰাৰ ক্ষেত্ৰতো পুৰুষতকৈ কম নহয়, বৰং কিছু কিছু ক্ষেত্ৰত বেছিহে। নাৰীবাদ লিংগ-বৈষম্য অধ্যয়নৰ এক গুৰুত্বপূর্ণ বিষয়। নাৰীবাদ হৈছে পুৰুষৰ সমানে ৰাজনৈতিক, আইনগত, অর্থনৈতিক আৰু অন্যান্য অধিকাৰসমূহৰ ক্ষেত্ৰত সংলতা অর্জনৰ জৰিয়তে মহিলাৰ স্থান আৰু মর্যাদা অগ্ৰসৰ কৰাৰ এক তাত্ত্বিক আন্দোলন। নাৰীবাদী চিন্তাৰ প্ৰথম তৰঙ্গৰ উত্থান ঊনবিংশ শতিকাৰ মাজভাগ আৰু বিংশ শতিকাৰ আৰম্ভণিতে ঘটিছিল। ব্ৰিটেইন আৰু আমেৰিকাত ই মহিলাৰ বাবে সমমর্যাদা, বিবাহৰ ক্ষেত্ৰত নিজা পচন্দৰ অধিকাৰ, অভিভাৱকত্ব, সম্পত্তিৰ অধিকাৰ আদি সন্তানৰ তত্ত্বাৱধানৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সময়ৰ লগে লগে নাৰীবাদে ৰাজনৈতিক ক্ষমতা, বিশেষকৈ মহিলাৰ ভোটাধিকাৰৰ অধিকাৰ আদিৰ উপৰি কিছুমান নাৰীবাদীয়ে মহিলাৰ যৌন স্বাধীনতা, প্ৰজননৰ ইচ্ছা-অনিচ্ছা আৰু অর্থনৈতিক অধিকাৰো দাবী কৰিছিল। নাৰীবাদী আন্দোলনৰ সুদীর্ঘ ইতিহাসত বিভিন্ন মতাদর্শই গা কৰি উঠা দেখা যায়। সেইবোৰৰ ভিতৰত উদাৰ নাৰীবাদ, উগ্ৰ নাৰীবাদ, ইকঁফেমিনিজম্, অনৌপনিবেশিক নাৰীবাদ, উত্তৰ নাৰীবাদ আদিৰ কথা ক'ব পাৰি। সাংস্কৃতিক নাৰীবাদ হৈছে নাৰীবাদৰ সৈতে সাংস্কৃতিকভাৱে জড়িত বৈশিষ্ট্যসমূহক পুনৰ মূল্যায়ন আৰু পুনৰ সংজ্ঞায়িত কৰাৰ প্ৰয়াস। ইয়াক নাৰী আৰু পুৰুষৰ মাজত থকা জন্মগত পার্থক্যৰ ৰক্ষা কৰি উগ্ৰ নাৰীবাদীসকলৰ পৰা আঁতৰি তেওঁলোকে নাৰীসুলভ বৈশিষ্ট্যসমূহ অবাঞ্ছিত বুলি পূর্বৰ নাৰীবাদী আৰু পিতৃতান্ত্ৰিক ধাৰণাটোক নাকচ কৰিব খোজে আৰু লিংগ পার্থক্যক এক অত্যাবশ্যকীয় বিষয় বুলি মানি লয়। ১৯৭৫ চনত ব্ৰুক উইলিয়ামছে প্ৰথমে 'উগ্ৰ নাৰীবাদৰ অৰাজনীতিকৰণ'ক 'সাংস্কৃতিক নাৰীবাদ' বুলি আখ্যা দিছিল।

নাৰীবাদ অভিধাটো ঊনবিংশ শতিকাৰ হ'লেও সাহিত্যত নাৰীৰ মর্যাদা আৰু সন্মান ৰক্ষাৰ প্ৰসঙ্গটো অতি প্ৰাচীন কালৰেপৰাই প্ৰকাশ পাই আহিছে। অসমীয়া সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়। বিশেষকৈ ৰামায়ণৰ সীতা, মহাভাৰতৰ দ্ৰৌপদী আদি চৰিত্ৰৰ মাজত এনে বিশেষত্বৰ প্ৰকাশ দেখা যায়। আধুনিক অসমীয়া সাহিত্যতো নাৰীবাদৰ বিশেষত্ব প্ৰকাশ পাইছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকৰ ইতিভেন, 'লভিতা'ৰ লভিতা আদি চৰিত্ৰ, দণ্ডিনাথ কলিতাৰ

'গণবিপ্লৱ' উপন্যাসৰ ফুলেশ্বৰী চৰিত্ৰ আদিৰ উপৰি বিভিন্ন গল্প-উপন্যাসত নাৰীবাদী চিন্তাৰ অভিব্যক্তি লক্ষ্যণীয়। এই অধ্যয়নত মৃদুল শর্মাৰ 'তেজীমলাৰ মাকৰ সাধু' উপন্যাসৰ চৰিত্ৰ বিশেষৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হ'ব।

০.০২ বিষয় অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ

তেজীমলাৰ মাকৰ সাধু উপন্যাসৰ ঘটনালীৰ সমাজখন অতীতৰ অসমৰ এখন কাল্পনিক সমাজ আৰু ইয়াৰ চৰিত্ৰবোৰ আক্ষৰিক অর্থতে নিৰক্ষৰ। তেনে এখন সমাজত নাৰীৰ স্থান কেনে আছিল, সেই সমাজৰ নাৰীয়ে নিজা স্বাভিমান আৰু মর্যাদা ৰক্ষাৰ উদ্দেশ্যে কেনে ভূমিকা গ্ৰহণ কৰিছিল, সামাজিক-সাংস্কৃতিৰ পৰম্পৰাগত পৰিধিৰ ভিতৰত থাকি সেই নাৰীসকলে কেনে জীবন যাপন কৰিছিল আদি প্ৰশ্নৰ উত্তৰ সন্ধান কৰাই এই অধ্যয়নৰ উদ্দেশ্য।

বিশেষকৈ উচ্চশিক্ষিত আধুনিক সমাজৰ তুলনাত পুৰণি অশিক্ষিত সমাজ এখনত নাৰীৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামখনৰ উপলব্ধিৰ যত্নৰ বাবেই এই অধ্যয়নৰ গুৰুত্ব আছে।

০.০৩ বিষয়ৰ পৰিসৰ আৰু অধ্যয়নৰ পদ্ধতি ঃ

এই বিষয়টো অধ্যয়ন কৰোঁতে বিশেষকৈ মৃদুল শর্মাৰ 'তেজীমলাৰ মাকৰ সাধু' উপন্যাসখনৰ নাৰী চৰিত্ৰকেইটাৰ প্ৰসঙ্গ বিশ্লেষণ কৰা হ'ব। বিশেষভাবে শাওনী নামৰ চৰিত্ৰটোৰ সাংস্কৃতিক পৰিপ্ৰেক্ষাৰ বিশ্লেষণতে এই অধ্যয়ন সীমাবদ্ধ থাকিব।

অধ্যয়নৰ পদ্ধতি হ'ব বিশেষকৈ বিশ্লেষণাত্মক। সাংস্কৃতিক নাৰীবাদৰ বিভিন্ন তত্ত্ব আৰু দর্শনক এনে বিশ্লেষণৰ আধাৰ হিচাপে গ্ৰহণ কৰা হ'ব।

১.০০ নাৰীবাদৰ চমু আভাস ঃ

ইংৰাজী Feminism শব্দটো আহিছে ফৰাচী শব্দ Femme-ৰ পৰা। যাৰ অর্থ হৈছে Women। ঊনবিংশ শতাব্দীৰ আৰম্ভণিতে ফৰাচী সমাজতান্ত্ৰিক Charles Fourier -এ সর্বপ্রথম Faminism শব্দটি উদ্ভাৱন কৰে। তাৰ পাছত ১৮৮০ চনমানৰ পৰা ফ্ৰান্সত নাৰীবাদৰ তাত্ত্বিক আলোচনা আৰু নাৰীবাদী চিন্তা-চৰ্চাৰ প্ৰাসাৰ হয়। নাৰীবাদ শব্দটো নতুন যদিও বহু পুৰণি কালতে অর্থাৎ প্ৰাচীন গ্ৰীচত নাৰী অধিকাৰৰ সপক্ষে বীজ বোপণ হৈছিল। প্লেটোৰে তেতিয়াই নাৰীয়ে যুদ্ধ আৰু শাসন কৰিব পৰা পৰি�ৰেশ এটাৰ কথা কৈছিল। ফৰাচী লেখক Christine de Pisan (1364-1430)-এ তেওঁৰ গ্ৰন্থ 'The Book of The City of Ladies' ত নাৰীৰ সুষম অধিকাৰৰ কথা লিখিছিল। নাৰীবাদ মানে পুৰুষ বিৰোধিতা নহয়। নাৰীবাদ হৈছে পুৰুষতন্ত্ৰ বিৰোধী। নাৰীবাদৰ উদ্দেশ্য হৈছে নাৰী আৰু পুৰুষৰ মাজত থকা সকলো ধৰণৰ লিংগভিত্তিক ৰাজনৈতিক, অর্থনৈতিক সামাজিক আৰু সাংস্কৃতিক পার্থক্য দূৰ কৰি সমতা স্থাপন কৰা। এই সামগ্ৰিক নাৰীবাদৰ বিকাশ ঘটিছিল পাশ্চাত্যৰ উদাৰ গণতান্ত্ৰিক ৰাজনৈতিক পৰিৱেশত। মূলত পাশ্চাত্যৰ ব্যক্তিস্বাধীনতা আৰু গণতন্ত্ৰৰ প্ৰেৰণাত নাৰীবাদৰ বিকাশ ঘটে।

১৭৮৭ চনত স্বাধীন আমেৰিকাৰ সংবিধান গৃহীত হয়। স্বাধীনতা যুদ্ধৰ সময়ত মার্কিন পুৰুষসকল যুদ্ধত ব্যস্ত থকাৰ সময়ত শিক্ষানুষ্ঠান, কল-কাৰখানা, কার্যালয় আদি কামত নাৰীসকলৰ অংশ গ্ৰহণৰ সুবধা আৰু দখল বৃদ্ধি পাইছিল। পাছলৈ পুনৰ নাৰীৰ পৰা এই অধিকাৰসমূহ কাঢ়ি লোৱা হৈছিল যদিও বহু অধিকাৰ আৰু স্বাধীনতা নাৰীৰ হাতত থাকি যায়। তেনেকৈয়ে নাৰীৰ অধিকাৰ আৰু স্বাধীনতাৰ সপক্ষে আমেৰিকাত নাৰীবাদী জাগৰণ চলি থাকে। আমেৰিকাৰ এই জাগৰণ দুটি প্ৰবণতাৰ মাজেৰে আগবাঢ়িছিল। প্ৰথমটো আছিল পুৰুষ আধিপত্য আৰু নিপীড়ণৰ বিৰুদ্ধে একধৰণৰ নৈৰাজ্যবাদী প্ৰৰণতা। দ্বিতীয়টো প্ৰৰণতা আছিল ভোটাধিকাৰ সপক্ষে। ভোটাধিকাৰ দাবীৰ প্ৰৰণতা আছিল কৃষ্ণাঙ্গ তথা মধ্যশ্ৰেণীৰ নাৰীসকলে সন্মুখীন হোৱা শ্ৰেণীদ্বন্দ্বৰ ফলাফল। প্ৰথমতে নাৰীৰ ভোটাধিকাৰৰ দাবীত হোৱা এক গণভোটত আমেৰিকাৰ ২৩ খন ৰাজ্যৰ মাত্ৰ দুখনত হে ভোটাধিকাৰৰ সপক্ষে সংখ্যাগৰিষ্ঠ ভোটদান হয়। এই নাৰী ভোটাধিকাৰৰ সপক্ষে ভোটদানৰ প্ৰধান বিৰোধী চক্ৰটো আছিল ব্যৱসায়ী আৰু সুৰা কোম্পানীসমূহ। কাৰণ সেই সময়ত দাস প্ৰথা আৰু মদ বিৰোধী আন্দোলনত নাৰীৰ যোগদান আছিল গুৰুত্বপূর্ণ। অৱশেষত ভোটাধিকাৰৰ দাবীত ১৯১০ চনত হোৱা গুৰুত্বপূর্ণ গণস্বাক্ষৰত এই দাবীয়ে নাৰী-পুৰুষসকলো শ্ৰেণীৰ মানুহৰ সমর্থন আদায় কৰিবলৈ সক্ষম হয়। ১৯২০ চনৰ ভিতৰত সকলো মার্কিন ৰাজ্যৰ নাৰীয়ে ভোটাধিকাৰৰ অধিকাৰ লাভ কৰে। ঠিক তেনেদৰে দীর্ঘকালীন সমযোগ্যতাৰ প্ৰমাণ আৰু আন্দোলনৰ পিছত ১৯১৮ চনত ইউৰোপ, ১৯১৯ চনত জার্মান আৰু বিশ্বৰ বিভিন্ন দেশত নাৰীয়ে ভোটাধিকাৰ লাভ কৰিলে যদিও সমঅধিকাৰ, বেতনা, শিক্ষাৰ অধিকাৰ আৰু আর্থ-ৰাজনৈতিক দিশত নাৰী পুৰুষৰ পার্থক্য থাকি গ'ল। ইয়াৰ মাজতে নাৰী ভোটাধিকাৰৰ বাবে প্ৰচাৰ চলোৱা জন ষ্টুৱাৰ্ট মিলে হেৰিয়েট টেইলৰ নামৰ বিধবা মহিলা এগৰাকীক বিয়া কৰাইছিল। যি

সময়ত বিধবা বিবাহ সামাজিক নাছিল সেই সময়তে মিলে পুৰুষতান্ত্রিক ৰক্ষণশীলতাত চৰম আঘাত কৰিছিল। তদুপৰি ফৰাচী বিপ্লৱৰ সময়ত হোবা নাৰীবাদী আন্দোলনৰ ফলত ফলত নাৰীসকলে বিবাহ বিচ্ছেদৰ অধিকাৰ লাভ কৰিছিল। কিন্তু পাছলৈ ফ্রান্সৰ নাৰীসকলৰ পৰা এই অধিকাৰ কাঢ়ি লোৱা হৈছিল।

ৰুছ বিপ্লব আছিল বিশ্বৰ নাৰীবাদী জাগৰণৰ ইতিহাসৰ এক সোণালী অধ্যায় আৰু নাৰী মুক্তিৰ ফালে এজাক নতুন বতাহ। লেনিনে কৈছিল— 'নাৰীসকলে পূৰ্ণ স্বাধীনতা অৰ্জন নকৰালৈকে সৰ্বহাৰাসকলে কেতিয়াও পূৰ্ণ স্বাধীনতা অৰ্জন কৰিব নোৱাৰে।' ৰুছ বিপ্লৱৰ সকলো স্তৰতেই নাৰীয়ে অগ্রণী ভূমিকা লৈছিল। সমাজতান্ত্রিক আদর্শই পুঁজি আৰু দাসত্বৰ পৰা মুক্তিৰ লগতে পুঁজি আৰু পুৰুষতন্ত্রৰ পৰা নাৰী দাসত্বৰ মুক্তিৰ হকেও পণ লৈছিল। কমিউনিষ্টসকলে নাৰীক কেৱল অর্থনৈতিক দাসত্বৰ পৰা উদ্ধাৰ কৰায়েই নহয় আইনগত সমঅধিকাৰ আৰু সমমর্যাদাৰ ভিত্তিত নাৰী মুক্তিৰ কথা কৈছিল। কমিউনিষ্ট পার্টিৰ হস্তহাৰত লেনিনে নাৰীৰ ওপৰত চলা দমন আৰু নিপীড়ণ বিলোপ কৰাৰ ব্যৱস্থাৰ কথা উল্লেখ কৰিছিল আৰু বিপ্লবৰ পিছত ইয়াক কার্যত পৰিণত কৰা হৈছিল। লেনিনে সমতাৰ বাবে ছোভিয়েট নাৰীক প্রদান কৰা সুবিধা আৰু অধিকাৰসমূহ আছিল এনে ধৰণৰ— (ক) প্রাপ্তবয়স্কৰ মাজত ধর্ম নিৰপেক্ষ আৰু প্রাপ্তবয়স্ক পঞ্জীয়নকৃত বিবাহৰ অধিকাৰ, (খ) বিবাহৰ পাছত নাৰীয়ে উপাধি ব্যৱহাৰৰ স্বাধীনতা, (গ) বৈধ আৰু অবৈধ সন্তানৰ প্রভেদ বিলোপ, (ঘ) গর্ভপাতৰ অধিকাৰ, (ঙ) বিবাহিত আৰু অবিবাহিত মহিলাক প্রসৱকালীন ছুটীৰ ব্যৱস্থা, (চ) বেশ্যা বৃত্তি নিষিদ্ধকৰণ ইত্যাদি। শাসনৰ মাত্র তিনি বছৰৰ ভিতৰত এই অধিকাৰসমূহ ৰূপায়ন কৰা হৈছিল। অৱশ্যে তাৰ পাছতো নাৰীৰ পৰিয়ালকেন্দ্রিক তথা গৃহদাসত্বৰ অৱসান নঘটিল। ঘৰৰ বাহিৰত জীৱিকা হিচাপে কাম কৰিও, অর্থনৈতিক সমতা আৰু স্বাৱলম্বিতাৰ সুবিধা লাভ কৰাৰ পাছতো নাৰীসকল পুৰুষৰ অধীন হৈ থাকিল।

ইয়াৰ পাছতো নাৰীবাদী জাগৰণে বিভিন্ন স্তৰ পাৰ কৰিছে। নাৰীসকলে নিজৰ অধিকাৰ বাবে মাত মাতিয়েই আছে। নাৰীবাদৰ আৰম্ভণিৰ দুটা শতকৰ পাছতো লিংগ বৈষম্য দূৰ হোৱা নাই। লাহে লাহে নাৰীবাদৰ পৰিসৰ বাঢ়ি আহিছে। নাৰীবাদে ক্রমশঃ বহু বিষয় বাদ দিয়াৰ লগতে কেতবোৰ নতুন বিষয় অন্তর্ভুক্ত কৰিছে।

নাৰী কি? ইয়াৰ সংজ্ঞা ভাৰতৰ দৰে ঠাইত আজিৰ তাৰিখতো মনুস্মৃতি, লক্ষীচৰিত, মহাভাৰত আদিৰ দৰে চৰম সামন্তীয় আৰু পুৰুষতান্ত্রিক ধর্ম গ্রন্থই দিয়া নীতিবাদী ধাৰণাৰ ওপৰত প্রতিষ্ঠিত আৰু প্রচলিত। ইয়াৰ দ্বাৰা নির্ধাৰিত নাৰীৰ সংজ্ঞা বা ধাৰণাক ওপৰে ওপৰে চালে ভাৰতীয় নাৰীত্ব পৰম পূজনীয়, পৰিত্র, সন্মানীয়, মহিয়সী, ত্যাগৰ প্রতীক হিচাপে দেখিবলৈ পোৱা যায়। কিন্তু দকৈ বিশ্লেষণ কৰিলে বা বাস্তৱিকতে চাবলৈ গ'লে দেখা যায় ধর্মগ্রন্থৰ ওপৰত প্রতিষ্ঠিত ভাৰতীয় 'নাৰীত্ব'ৰ ধাৰণা নাৰী শোষণৰ কৌশলগত আহিলাহে মাত্র। যাৰ সহায়ত নাৰীক অতি সহজে আৰু কৌশলেৰে সকলো স্থানতেই স্থায়ীভাৱে তলত ৰখা হয়। আনকি কিছুমান ক্ষেত্রত নাৰীৰ ব্যক্তি স্বাধীনতাও নাথাকে। দেখা যায় এই ধর্মগ্রন্থসমূহে নাৰীৰ সহজে বিশ্বাসৰ অযোগ্য হিচাপে দেখুৱাই আহিছে। মহাভাৰতৰ প্রতিটো পৃষ্ঠাতে নাৰী অবদমিত হোৱা দেখা যায়। তাত নাৰীৰ কোনো স্বাধীনতা নাই। সদায় নাৰীয়ে সতীত্বৰ পৰীক্ষাও দি আহিবলগীয়া হৈছে। কিন্তু পুৰুষে অধিক ৰমণীৰ লগত সংগম কৰি ফুৰিলেও পুৰুষৰ কোনো পাপ নহয়। মহাভাৰত আৰু মনুহে এই কথাই বাৰে বাৰে মন-মগজুত ভৰাই ৰাখিছে যে নাৰী পুৰুষৰ দাস। এই ক্ষেত্রত নাৰীত্ব বা স্ত্রীলিংগৰ প্রচলিত যি পৰিচয়, সেই সম্পর্কে বিশ্বখ্যাত নাৰীবাদী লেখক ছিম'ন দ্য ব'ভাৰে The Second Sex ...One is not born, but rather becomes, a woman. It is civiulization as a whole that produces this creature... which is decribed as feminine। অর্থাৎ নাৰীত্ব আৰু পুৰুষত্ব হৈছে এক সামাজিক নির্মিতি। ই প্রাকৃতিক নহয়। সমাজখন পুৰুষ প্রধান গতিকে সমাজত এনে কিছুমান ধাৰণা প্রচলিত যে পুৰুষ সাহসী, পুৰুষ পৰিত্র, পুৰুষ প্রথম ইত্যাদি। তেনেকৈ নাৰীক বিশ্বাস কৰিব নালাগে, নাৰীৰ পেটত কথা নাথাকে, নাৰীয়েই নাৰীৰ শত্রু, নাৰী ভয়াতুৰ, আৱেগিক আদি ধাৰণা কিছুমানো প্রচলিত। এতিয়াও বহুতে নাৰী আৰু পুৰুষৰ দৈহিক পার্থক্যক লৈ পুনৰ অসমতাৰ সপক্ষে যুক্তি দাঙি ধৰে। নাৰী আৰু পুৰুষৰ প্রাকৃতিক দেহতাত্ত্বিক পার্থক্য আছে হয়, কিন্তু এই দেহতাত্ত্বিক পার্থক্যক পৰিৱর্তন কৰি এক সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক লিংগ পৰিচয়লৈ লৈ যোৱা হয়, সি আপত্তিজনক। তাত দেখুওৱা হয় যে নাৰী পুৰুষতকৈ দুর্বল। অথচ বাস্তৱিকতে দেখা যায় যে দুর্বল বুলি কোৱা নাৰীয়ে নাৰীৰ ওপৰত আৰোপিত শ্রমৰ যোগেদি পুৰুষতকৈ দুর্বল নহয় বুলি সদায় প্রমাণ দি আহিছে।

নাৰী শোষণৰ আন এক শক্তিশালী শব্দ হ'ল

ভার্জিনিটি বা সতীত্ব। পৃথিৱীৰ প্রায়বোৰ সমাজ ব্যবস্থাতে সদায় যৌনতাত পুৰুষক আগস্থান দি অহা হৈছে। পুৰণি স্থাপত্যবোৰৰ ফালে যদি লক্ষ্য কৰা যায় তাত আমি দেখা পাওঁ যৌন কার্যত সদায় নাৰীগৰাকীৰ ওপৰত পুৰুষজন থাকে আৰু এজনে পুৰুষে একেলগে একাধিক নাৰীৰ লগত সংগম কৰে। ভার্জিনিটি এনে এক ধাৰণা যাৰ দ্বাৰা কেৱল পুৰুষৰ দ্বাৰাই নহয় নাৰী এগৰাকীয়ে নিজকে শোষণ কৰিবলৈ বাধ্য হৈ পৰে। ৰূপে-গুণে সকলো থকাৰ পিছতো ভার্জিনিটি নথকা ছোৱালী এজনী বিবাহৰ অনুপযুক্ত বুলি গণ্য কৰা হয়। নাৰী এগৰাকী ধর্ষিতা হ'লে এনেদৰে কোৱা হয়—তাইৰ সকলো শেষ হৈ গ'ল। ইয়াৰ পৰাই বুজা যায় যে নাৰীৰ ভার্জিনিটিয়েই সর্বস্ব। ভার্জিনিটি শেষ মানে নাৰীগৰাকীৰ সকলো শেষ। অর্থাৎ নাৰী হৈছে এটা উপভোগ্য শৰীৰ। সেয়ে উপায়ন্তৰ হৈ নাৰী এগৰাকীয়ে ফুলসজ্জাৰ নিশাৰ বাবে বচাই ৰাখিব লগা হয় নিজৰ ভার্জিনিটি। এনেদৰেই যুগ যুগ ধৰি ভাৰতীয় নাৰীয়ে নিজৰ যৌন স্বাধীনতা পুৰুষৰ হাতত তুলি দি যৌনদাসীত পৰিণত হৈ চলি আহিছে। সেয়ে ভাৰতীয়সকল যৌনতাক লৈ অতি ৰক্ষণশীল।

আন এটা গুৰুত্বপূর্ণ কথা হৈছে জনজাতীয় সমাজত নাৰী। বর্ণ হিন্দু বা ইছলাম ধর্মৰ সমাজতকৈ জনজাতীয় সমাজ যথেষ্ট কম ৰক্ষণশীল। জনজাতীয় সমাজত ছোৱালীয়ে মদ খাব নালাগে, কিন্তু ল'ৰাই খালে খাব পাৰে ধৰণৰ বিশ্বাস নাই। জনজাতীয় সমাজত পৰিয়ালৰ বা গাঁৱৰ সকলো নাৰী-পুৰুষে একেলগে বহি মদ্যপান কৰে। গাভৰু ছোৱালীয়ে দিন দুপৰতে বুকুত মেথনি মাৰি নদীত গা ধোৱে। এনে সমাজত ধর্ষণৰ দৰে অপৰাধ নোহোৱাৰ সমান। এনে সমাজত নাৰী আৰু পুৰুষে একেলগে খেতি-খোলা কৰে, একেলগে মৎস্য চিকাৰ কৰে। ইয়াত লিংগভিত্তিক শ্রম বিভাজন নাই। এই সমাজত নাই কোনো ধর্মীয় নীতিবাদী ৰক্ষণশীলতা। তদুপৰি যৌতুক আদিৰ কাৰণত নাৰীজনিত অপৰাধ নহয়েই। জনজাতীয় সমাজত 'নাৰীত্ব'ৰ সামন্তীয় বা ধর্মীয় নির্মাণ নাই। উত্তৰ-পূৱৰ বহু জনজাতীয় সমাজত বিবাহপূর্বক যৌনতাও সমাজ অস্বীকৃত নহয়। ইয়াত সকলো মুকলি। অথচ ব্রাহ্মণ্যবাদী সমাজৰ সতী, লক্ষ্মীদেৱীৰ প্রতীক। নাৰীতকৈ জনজাতীয় সমাজত নাৰীৰ মর্যাদা সাংস্কৃতিক নাৰীবাদ হৈছে নাৰীবাদৰ এটা শাখা যিয়ে যুক্তি আগবঢ়াইছে যে পুৰুষ আৰু মহিলাৰ মাজত জন্মগত পার্থক্য আছে। কিছুমান সাংস্কৃতিক নাৰীবাদীয়ে বিশ্বাস কৰে যে নাৰীৰ অনুভূত জৈৱিক বা লিংগ পার্থক্য বা 'নাৰীৰ সত্তা'ই তেওঁলোকক, আচলতে, কিছুমান বিশেষ দিশত পুৰুষতকৈ উচ্চ কৰিহে তোলে। নাৰীবাদৰ বিভিন্ন শাখা-প্রশাখা আছে যেনে উদাৰ নাৰীবাদ, উগ্র নাৰীবাদ, গোলকীয় বা মহাদেশীয় নাৰীবাদ, সাংস্কৃতিক নাৰীবাদ আদি।

১.০১ সাংস্কৃতিক নাৰীবাদ ঃ

উগ্র নাৰীবাদৰ সমাজ পুনগঠনৰ আহ্বানৰ প্রতিক্রিয়াস্বৰূপে ১৯৭০ চনৰ আশে-পাশে সাংস্কৃতিক নাৰীবাদ আৰম্ভ হৈছিল। সাংস্কৃতিক নাৰীবাদীসকলে যুক্তি দিয়ে যে পুনর্নির্মাণ এক আশাহীন প্রচেষ্টা আৰু ইয়াৰ পৰিৱর্তে নাৰীবাদীসকলে নিজৰ স্থান আৰু ক্ষমতাৰ ব্যৱস্থা নিজে কৰিব। সাংস্কৃতিক নাৰীবাদৰ চূড়ান্ত উদ্দেশ্য হৈছে নাৰীত্বক পুৰুষৰ সমান, আনকি উচ্চতম হ'বলৈ উন্নীত কৰা। এই উদ্দেশ্য সাধন কৰিবলৈ সাংস্কৃতিক নাৰীবাদীসকলে যৌন নির্যাতনৰ সংকট কেন্দ্র সৃষ্টি কৰা, ঘৰতে থকা মাতৃসকলৰ সন্মানৰ পোষকতা কৰা, জাতীয় পৰম্পৰামুখিতা আৰু আর্থসামাজিক পৰিপ্রেক্ষাত মহিলাসকলৰ সামঞ্জস্যক তুলি ধৰাৰ দৰে কাম কৰিছে। সাংস্কৃতিক নাৰীবাদীসকলে নাৰীত্বৰ সংজ্ঞাটো সম্পূর্ণৰূপে নাইকিয়া কৰিবলৈ চেষ্টা কৰাৰ (উগ্র নাৰীবাদীসকলে যিটো দাবী কৰি আহিছে) পৰিৱর্তে নাৰীসুলভ সত্তাক পুনৰ উদ্ধাৰ কৰি ইয়াৰ মর্যাদা উন্নীত কৰিবলৈহে বিচাৰিছিল। অর্থাৎ য'ত উগ্র নাৰীবাদীসকলে সমাজ সংস্কাৰৰ সুযোগ দেখিছিল, সাংস্কৃতিক নাৰীবাদীসকলে নাৰীকেন্দ্রিক প্রতিষ্ঠান আৰু ক্ষমতাৰ গাঁথনিৰে ইয়াক সম্পূর্ণৰূপে পুনৰ নির্মাণ কৰাৰ সুযোগ দেখা পাইছিল। যিসকলে উগ্র নাৰীবাদী বুলি পৰিচয় দিছিল তেওঁলোকে সাংস্কৃতিক নাৰীবাদী টোক নাৰীবাদক ৰাজনীতিমুক্ত কৰাৰ লক্ষ্য বুলিহে গণ্য কৰিছিল, আনহাতে সাংস্কৃতিক নাৰীবাদীসকলে যুক্তি দিছিল যে সামাজিক পৰিৱর্তন যদি সম্ভৱ হয় তেন্তে ইয়াৰ সম্ভাৱনা কম।

